মহৰ্ষি বেদব্যাসৰ

# মহাভাৰত

মৰ্মানুবাদ

DIRECTOR, LIBRARY SERVICES
GUWAHATI

প্ৰথম খণ্ড

আদিপৰ্ব, সভাপৰ্ব, বনপৰ্ব, বিৰাটপৰ্ব

মহেন্দ্ৰ বৰা

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১ · অসম

MAHĀBHĀRAT, Part I : a brief Assamese translation of the original classic, done by Dr. Mahendra Bora, Ex-President of the Asom Sahitya Sabha and Sahityarathi Bezbaroa Professor, Dibrugarh University, Pin 786 004 ; published by Sri Narendra Ch. Dutta, Students' Stores, College Hostel Road, Guwahati—781 001. First edition ; October 1989. Price Rs 50·00 only.

প্ৰকাশক :
শ্ৰীনৰেন্দ্ৰ চন্দ্ৰ দত্ত
ষ্টুডেন্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—৭৮১ ০০১

প্ৰথম তাঙৰণ :
লক্ষ্মী পূৰ্ণিমা : ১৯১১ শক

মূল্য : ৫০'০০ টকা মাথোন

মুদ্ৰক :
শ্ৰীবীৰেন্দ্ৰমোহন বসাক
সাৰদা প্ৰেছ
১০, ডঃ কাৰ্ত্তিক বোস ষ্ট্ৰীট
কলিকতা-৭০০ ০০৯

যিজনাক সেৱা কৰি উঠাৰ পাচতে
মোক আহানি কৈছিল
‘পাৰা যদি মোক এখন মহাভাৰত আনি দিবাচোন’
আৰু মই দিছিলোঁও
তাৰে দুটা-এটা পৰ্বাধ্যায় যিজনে নিতৌ পঢ়িছিল—
সেই মোৰ শাহু-আই
স্বৰ্গীয়া ইন্দুবালা দাস

আৰু

যিজনাৰ জীৱন মহাভাৰতৰ মহানদীৰ দৰেই
অচঞ্চল অথচ বহমান
সেই মোৰ শহুৰ-দেউতা
স্বৰ্গীয় বীৰেন্দ্ৰমোহন দাস
দুয়োগৰাকীৰ পৱিত্ৰ স্মৃতিত

DIRECTOR, LIBRARY SERVICES
ASSAM

# পদূলিমুখ

মহৰ্ষি কৃষ্ণদ্বৈপায়ন বেদব্যাসৰ ‘মহাভাৰত’ ভাৰতীয় চিৰায়ত সাহিত্যৰ এটি সোণৰ দেউল। এই মহাগ্ৰন্থখনৰ এটি সহজপাঠ্য অসমীয়া চমু ভাঙনিৰ প্ৰয়োজন বহুদিনৰ পৰাই অনুভৱ কৰি আহিছোঁ। গ্ৰন্থখনৰ বিস্তাৰিত অনুবাদ গুৱাহাটী বিশ্ববিদ্যালয়ে কোন-কাহানিবাই যোগান ধৰি থৈছে। ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত সিখনৰ বহু বিভিন্ন ৰূপান্তৰ উভৈনদীকৈ আছে। সিবিলাক সামৰিবৰ জোখাৰে আমাৰ সময় আৰু সামৰ্থ্য দুয়োটাৰে নাটনি। লক্ষ্য কৰিছোঁ, সম্প্ৰতি ‘দূৰদৰ্শন’ৰ মাধ্যমত ধাৰাবাহিক ৰূপত প্ৰচাৰিত ‘মহাভাৰত’খনৰ মূল আধাৰ ‘ভাণ্ডাৰকৰ ওৰিয়েণ্টেল ৰিচাৰ্ছ ইনষ্টিটিউট’ৰ দ্বাৰা প্ৰকাশিত অতি নিৰ্ভৰযোগ্য পাঠ হোৱা সত্বেও জনপ্ৰিয়তা-আৰ্জনৰ প্ৰয়োজনত সিখনতো ‘ভাগৱত পুৰাণ’ৰ অনেক স্বমিষ্ট ৰূপকথা-লোককথা সোমাই পৰিছে।

বৰ্তমান পুথিখনৰ জঁকাটো বহু আগতেই আঁচি লৈছিলোঁ। সেইমতে কিছুদূৰ আগবাঢ়িও গৈছিলোঁ। মাজখিনিতে ঘূণেধৰা স্বাস্থ্যৰ আমনিয়ে আগচি ধৰিলে; আগবাঢ়িব নোৱৰা হৈ পৰিলোঁ। অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ হৰিপ্ৰসাদ বৰুৱাদেৱে সেয়া আৰু নোহোৱাকৈ বাতি দিলে। আকৌ কাপ-মৈলামৰ ওচৰ চাপিলোঁ। ইয়াত কাহিনী আৰু কথাভাগৰ গোটেইখিনি মূলৰ গা’ত আউজিয়েই কৰিছোঁ, গুৰুত্ব নিৰিখি ঠায়ে ঠায়ে ‘পখীসৱ উৰয় যেন পখা অনুসাৰে’কৈ সম্পূৰ্ণ আক্ষৰিক অনুবাদো কৰিছোঁ, ঠায়ে ঠায়ে আকৌ মূল কাহিনীৰ লগত থাকোঁ-নেথাকোঁকৈহে সম্পৰ্কৰ লাহী সূতাত ওলমি থকা অনেক কথা কটা-ছিঙাও কৰিছোঁ, আৰু বৰ বেচি অলৌকিকতাৰ আভাস থকা কথা-বোৰো এৰোঁ বুলি এৰি থৈ গৈছোঁ। আৰু এষাৰ কথা, ‘মহাভাৰত’ত এনে বহু আখ্যান আৰু ঘটনা আছে, যিবোৰৰ বৰ্ণনা বহু সময়ত শ্লীলতা-অশ্লীলতাৰ সীমা-মূৰিয়লিৰ বুলি ক’ব পাৰি। ‘মহাভাৰত’ বুলিলেই নিশ্চয়কৈ গাৰুৰ তলত লুকুৱাই পঢ়া কিতাপ নহয়। সেইকাৰণেই, কম-বয়সীয়া পাঠক-পাঠিকাই পঢ়ি থকা দেখা পালে অভিভাৱক-

অভিভাৱিকা অপ্ৰস্তুত হোৱাৰ সম্ভাৱনা থকা কথাবোৰৰ অপ্ৰাসংগিক যিখিনি, সেইখিনি বাদ দি গৈছোঁ আৰু প্ৰাসংগিক যিখিনি, সেইখিনিও অলপ চিকুণাই লৈহে আমাৰ ভাষাৰ চৰুলৈ আনিছোঁ। সেইবুলি এই মৰ্মানুবাদ চেমনীয়া বয়সৰ পাঠক-পাঠিকাসকলক চকুৰ আগত থৈ যুগুত কৰা নাই। যুগুত কৰিছোঁ, যুধিষ্ঠিৰে যাক 'মহাজন' বুলি কৈছে সেই 'লোকসমবায়' অৰ্থৰ সহজ-সৰল জীৱন-পথৰ পথিক আমাৰ গাঁও-ভূঁইৰ মানুহখিনিক চকুৰ আগত থৈ। কাৰণ, সেই 'লোকসমবায়'ৰ অন্তৰ্ভুক্ত বিপুল জনতা হেজাৰ বছৰৰ ভাৰতীয় সমাজ-জীৱনৰ বিবেক-প্ৰহৰী। মাজে মাজে সেইসকলৰ প্ৰয়োজন হয়, 'মহাভাৰত'ৰ এখন হাত-পুথি। সেইকাৰণেই, এই মৰ্মানুবাদত কেৱল আখ্যান-উপাখ্যানবোৰকে সামৰি নীতিকথাৰ গাগৰিবোৰ আওকাণ কৰি এৰি থৈ যোৱা নাই। বৰং, সিবিলাককো যুগোত্তীৰ্ণ জ্ঞানৰ ভাণ্ডাৰ বুলি ভাবি তাৰ পৰা টোমে টোমে কঠিয়া বান্ধি আনিছোঁ। আমাৰ ধাৰণা, 'মহাভাৰত' কেৱল এখন মহাকাব্য নহয়, ই এক বিৰাট বিশ্ববিদ্যালয়—আবহমান কালৰ চিৰন্তন নালন্দা।

এই মৰ্মানুবাদ প্ৰস্তুত কৰোঁতে মই তিনিখন 'মহাভাৰত'ৰ পৰা বিস্তৰ দাক্ষিণ্য গ্ৰহণ কৰিছোঁ। তাৰে এখন হ'ল, পঞ্চানন তৰ্কৰত্নভূষণৰ দ্বাৰা সম্পাদিত নীলকণ্ঠৰ টীকাসহ সংস্কৃত 'মহাভাৰতম্'খন। ডিমাই কোৱাৰ্টো গঢ়ৰ কাকতত সৰু চানেকিৰ পাইকা আখৰত ছপা কৰা ২,১৪৬ পৃষ্ঠাৰ এই বিয়াগোম পুথিখন মই কোন-কাহানিবাই সংগ্ৰহ কৰিছিলোঁ মাথোন দুটকামান ভাঙি—এজন ডাঙৰ পণ্ডিতৰ ঘৰৰ পৰা। সিখনত ছপা আখৰত লিখা দামটো আছিল 'দশমুদ্ৰামাত্ৰম্' ( মাথোন দহ টকা )! আৰু সিখনৰ প্ৰকাশন-তাৰিখটো আছে, 'শকাব্দাঃ ১৮০০" ( ইংৰাজী ১৯১৮ চন )। য'তে সিখনৰ সংস্কৃত ভাষাৰ কেঁকুৰি ভাঙিবলৈ অক্ষম হৈছোঁ, ত'তে 'পশ্চিমবংগ নিৰক্ষৰতা দুৰীকৰণ সমিতি'ৰ দ্বাৰা প্ৰকাশিত পাঁচ খণ্ড-জোৰা কালীপ্ৰসন্ন সিংহৰ বাংলা অনুবাদখনৰ ওচৰ চাপিছোঁ। সিখনৰ অজস্ৰ পৰিমাণৰ পাদটীকা অতি মূল্যবান্। সিখনৰ যোগান ধৰিছে, মোৰ অন্তৰংগ বন্ধু শ্ৰীকৈলাস শৰ্মাই। মুকলিকৈ কৈ থ'ব খুজিছোঁ, কথাবস্তু চপাবৰ আহিঁটো লৈছোঁ, বাংলা সাহিত্যৰ বীৰবল

নামেৰে খ্যাত যশস্বী লেখক ৰাজশেখৰ বসুৰ 'মহাভাৰত'ৰ সাৰানুবাদখনৰ পৰা। বাকীখিনিৰ অন্তৰালত আছে তাহানি আমি পঢ়িবলৈ পোৱা মহেশচন্দ্ৰ কটকীৰ 'মহাভাৰতৰ মৌ-বিচনী', তাৰানাথ বৰপূজাৰীৰ 'মহাভাৰতৰ ৰহঘৰা' আৰু মিত্ৰদেৱ মহন্তৰ 'মৌ-মহাভাৰত'ৰ নজহা-নপমা সোঁৱৰণী।

প্ৰকাশনৰ সুবিধাৰ কাৰণে এই পুথিৰ এছোৱা বাঙ্কি উলিওৱা হ'ল। শেষৰ খণ্ডটোত তথ্য-তত্ত্বৰ কথাৰে 'উত্তৰণ' গাঁথি দিয়াৰ আশা পুহি থৈছোঁ। পাচৰ খণ্ডটোৰ ছপা-কাম চলি আছে। হয়তো এই পুথি দুই খণ্ডতে শেষ হ'ব; ন'হলেবা তিনি খণ্ড। সময়েহে ক'বগৈ। ছপাকামৰ তত্ত্বাৱধান লৈছে, আহি'-কাকত নিৰ্ভুলকৈ চাই দিছে শ্ৰীমান চন্দ্ৰজ্যোতি চুতীয়াই। তেওঁৰ খাটনি চাই শলাগ লোৱাৰ ভাষা মোৰ নাই।

বহুতৰ ওচৰতে মই ঋণী। পাণ্ডুলিপিৰ কাৰণে পুৰণি ডায়েৰীৰ যোগান ধৰাৰ পৰা ভাল নিজৰি-কাগৰ নাটনি পূৰ কৰালৈকে অনেকজনে অনেক সহায় কৰি দিছে। অন্যান্য বহুতো আমনি লগা অথচ খৰকৈ কৰি দিবলগীয়া কামত সহায় কৰি দিছে মোৰ ল'ৰাৰ বন্ধু শ্ৰীমান হিমাদ্ৰি দত্তই। এই মৰ্মানুবাদৰ প্ৰথম পাঠিকা মোৰ সৰুজনী ছোৱালী শ্ৰীমতী স্বপ্নমিতা বৰা। তাই সমালোচিকাও—শব্দটো বাৰু শুদ্ধ নে! ভুল হওক, শুদ্ধ হওক,—সেইটো ভূমিকা তায়েই লৈ দিছে।

জীৱন ফুকন নগৰ,
ডিব্ৰুগড়-৭৮৬০০৪
অক্টোবৰ ৩, ১৯৮৯

মহেন্দ্ৰ বৰা

# মহাভাৰত



# ঃ আদি পৰ্ব ঃ

## ॥ প্ৰস্তাৱনা ॥

অভিমন্যু আৰু উত্তৰাৰ পুত্ৰ মহাৰাজ পৰীক্ষিত এদিন মৃগয়া কৰিবলৈ ওলাই গৈছিল। তেওঁ ককাদেউতাক অৰ্জুনৰ দৰেই মহাবীৰ আৰু ধনুৰ্ধৰ আছিল। হাবিৰ মাজত তেওঁ এটা হৰিণা পহু বাণবিদ্ধ কৰি উঠি, পলৰীয়া হৰিণাটোৰ পিচে পিচে খেদি যাবলৈ ধৰিলে। এইদৰে গৈ থাকোঁতে তেওঁ শমীক নামৰ এগৰাকী মুনিক দেখা পালে। ভাগৰুৱা পৰীক্ষিতে মুনিগৰাকীক দেখা পাই, সিজনাক হৰিণা পহুৰ জীৱন সম্বন্ধে কেইটামান কথা সুধিলে। মুনিয়ে একো উত্তৰ নিদিলে। কাৰণ, সিজনাই তেতিয়া মৌনব্ৰত অৱলম্বন কৰি আছিল। মুনিয়ে তেওঁৰ প্ৰশ্নৰ একো উত্তৰ নিদিয়া দেখি মহাৰাজ পৰীক্ষিতৰ বৰ খং উঠিল। তেওঁ ওচৰতে এটা মৰা সাপ পৰি থকা দেখি, সেই সাপটো ধনুৰে আগেৰে তুলি আনি মুনিৰ ডিঙিত পিন্ধাই দিলে। মুনিয়ে তেওঁক একো নক'লে; খঙো নকৰিলে। ৰজা তেওঁৰ কাৰেঙলৈ উভতি আহিল।

শমীক মুনিৰ শৃংগী নামেৰে এগৰাকী অতি খঙাল পুত্ৰেক আছিল। ঘটনাটো ঘটিবৰ সময়ত তেওঁ তেওঁৰ আচাৰ্যৰ ঘৰলৈ গৈছিল। আচাৰ্যৰ ঘৰৰ পৰা উভতি আহোঁতে, বাটতে তেওঁ কৃশ নামৰ এজন বন্ধুৰ মুখে পিতাকৰ অপমানৰ কথা শুনিবলৈ পালে। লগে লগে শৃংগী খঙত জ্বলি-পকি উঠি ৰজা পৰীক্ষিতক অভিশাপ দিলে: "যি মোৰ নিৰপৰাধী পিতাৰ ডিঙিত মৰা সাপ আঁৰি থৈ গৈছে, তেওঁক সাত বাতিৰ ভিতৰতে মহাবিষধৰ তক্ষক নাগে খুঁটি মাৰিব।"

কথাটো গম পাই শমীকে তেওঁৰ শিষ্য গৌৰমুখক ৰজাৰ ওচৰলৈ পঠিয়াই দিলে। গুৰুৰ আদেশ অনুসৰি গৌৰমুখে ৰজাক জনালেগৈ: "মহাৰাজ, মৌনব্ৰতী শমীক মুনিৰ ডিঙিত আপুনি মৰা সাপ আঁৰি থৈ আহিছে। তেখেতে আপোনাৰ অপৰাধ ক্ষমা কৰিছে। কিন্তু, তেখেতৰ পুত্ৰেক শৃংগীয়ে আপোনাক ক্ষমা কৰা নাই। তেওঁ আপোনাক অভিশাপ

দিছে, অহা সাদিনৰ ভিতৰত আপোনাক তক্ষকে দংশন কৰিব। গতিকে, আপুনি আত্মৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰক।"

ডা-ডাঙৰীয়াসকলৰ মন্ত্ৰণা শুনি, ৰজা পৰীক্ষিতে লৰালৰিকৈ এটা মাথোন খুটাৰ ওপৰত ভৰ দি আলাসতে থকা কাৰেং এটা সজাই লৈ তাতে বাস কৰিবলৈ ল'লে। চাৰিওপিনে তেওঁক অনেক বেজ-কবিৰাজ আৰু পালি-পহৰীয়াই আগুৰি থাকিল। কিন্তু, হ'বলগীয়া দুৰ্ঘটনাৰ পৰা তেওঁ ৰক্ষা নপৰিল।

তেওঁক ৰক্ষা কৰিবৰ কাৰণে কাশ্যপ নামৰ এগৰাকী ব্ৰাহ্মণ তেওঁৰ ওচৰলৈ আহিছিল। আনপিনে, তক্ষকো এগৰাকী বৃদ্ধ ব্ৰাহ্মণৰ বেশেৰে ৰজাৰ কাৰেঙৰ অভিমুখে আহক। কাশ্যপৰ খোজবোৰ অতি 'খৰ' যেন দেখি তক্ষকে তেওঁক সুধিলে, "ইমান লৰা-ধপৰাকৈ আপুনি নো কোন-পিনলৈ ওলাইছে ?" কাশ্যপে উত্তৰ দিলে, "আজি তক্ষক নাগে মহাৰাজ পৰীক্ষিতক দংশন কৰাৰ কথা। মই মোৰ গুৰুৰ কৃপাত সৰ্প দংশনৰ বিষ নষ্ট কৰিব পাৰোঁ। গতিকে, মই তেওঁক আৰোগ্য কৰিম বুলি মহাৰাজৰ ওচৰলৈকে ওলাইছোঁ।" তক্ষকে তেতিয়া নিজ-পৰিচয় দি ক'লে, "ময়েই তক্ষক। এতিয়া মই বাৰু এই বৰগছ জোপাত দংশন কৰোঁ। আপোনাৰ মন্ত্ৰশক্তিৰে গছজোপা জীয়াই তোলক।"

লগে লগে তক্ষকে বাটৰ দাঁতিৰ এজোপা বৰগছৰ গাত খোট মাৰি দিলে। গছজোপাত যেন কোনোবাই একুৰা জুইহে জ্বলাই দিলে। মুহূৰ্ততে গছজোপা পুৰি ভস্ম হৈ গ'ল। কাশ্যপেও তেওঁৰ মন্ত্ৰ উচ্চাৰণ কৰিলে। লগে লগে ছাই-ভস্মৰ মাজৰ পৰা এজোপা নতুন গছ ঠন ধৰি উঠিল। লাহে লাহে গছজোপাত নতুন কুঁহিপাত বিবিডি উঠিল। তাৰ পাচত, কেউপিনে ঠাল-ঠেঙুলিবোৰ বিয়পি পৰিল।

তক্ষকে তেতিয়া কাশ্যপক সুধিলে, "তপোধন, আপুনি বাৰু কিহৰ প্ৰাৰ্থী হৈ ৰজাৰ ওচৰলৈ যাব খুজিছে ? আপুনি তেওঁক জীয়াই তুলিব পাৰিব নে নাই, মোৰ সন্দেহ। কাৰণ, ব্ৰাহ্মণৰ অভিশাপত তেওঁৰ আয়ুস শেষ হৈছে ! যি কি নহওক ৰজাই আপোনাক বিয়ানিখিনি ধন-সোণ দিব

বুলি অনুমান কৰিছে, মই বাৰু অতকৈয়ো সৰহ ধন-সোণ আপোনাক দিম। আপুনি মাথোন উভতি যাওকগৈ।"

কাশ্যপে তেতিয়া ধ্যান কৰি জানিব পাৰিলে, তক্ষকৰ কথাখিনি আখৰে আখৰে সঁচা—পৰীক্ষিতৰ আয়ুস শেষ হৈছে। গতিকে, তেওঁ তক্ষকৰ পৰা আশানুৰূপ ধন-সোণ লৈ উভতি গ'ল। তাৰ পাচত, তক্ষকে কেইটামান নাগক তপস্বীৰ বেশ ধৰি ৰজাৰ ওচৰলৈ যাবলৈ ক'লে। ৰজাক দেখা কৰি তেওঁলোকে এপাচি ফল-মূল উপহাৰ দিলে। ৰজা পৰীক্ষিতে সেই উপহাৰ গ্ৰহণ কৰি তপস্বীবেশী নাগকেইজনক বিদায় দিলে। গধূলিপৰত তেওঁ ডা-ডাঙৰীয়াসকলৰ সৈতে একেলগে জলপান খাবলৈ লৈ তাৰে এটা ফল হাতত তুলি ল'লে। ফলটোত একামোৰ মাৰি উঠিয়েই তেওঁ দেখা পালে, ফলৰ ভিতৰত এটা তামৰবৰণীয়া পোক; চকু হাল তাৰ কিচ্‌কিচীয়া ক'লা। ৰজাই তেতিয়া ডাঙৰীয়াসকলক ক'লে, "বেলি মাৰ গৈছে। মোৰ ভয় লগা নাই; দুখো লগা নাই। শৃংগীৰ অভিশাপেই ফলিয়াওক—এই পোকটোৱে যেন তক্ষকৰ ৰূপ ধৰি মোক দংশন কৰে।" এই বুলি কৈ ৰজাই সেই পোকটো ডিঙিৰ ওচৰলৈ নিলে আৰু হাঁহিবলৈ ধৰিলে।

লগে লগে পোক হৈ থকা তক্ষকে নিজৰ মূৰ্তি ধৰিলে আৰু ৰজাৰ গাটো একাজৰ পৰা মেৰিয়াই আনিলে। তাৰ পাচত, ভয়ানক গৰ্জন কৰি তক্ষকে ৰজাক দংশন কৰিলে। বিষৰ জুইত ৰজাৰ কাৰেং পোহৰ হৈ উঠিল। অৱশেষত, ৰজা ঢলি পৰিল।

পৰীক্ষিতৰ মৃত্যুৰ পাচত তেওঁৰ পুত্ৰ জন্মেজয় ৰাজপাটত বহিল। জন্মেজয় ৰজাই সময়ত তক্ষকৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথা চিন্তা কৰিলে। তেওঁ পুৰোহিতসকলক সুধিলে, "আপোনাসকলে এনে কিবা ক্ৰিয়া জানে নেকি, যাৰ সহায়ত তক্ষকক সবংশে জুইত পেলাই মাৰিব পাৰি?" পুৰোহিতসকলে উত্তৰ দিলে, "মহাৰাজ, সৰ্পসত্ৰ নামৰ এক মহাযজ্ঞ অনুষ্ঠান কৰিলে, কামটো কৰিব পাৰি। আমি সেই মহাযজ্ঞৰ ৰীতি-নিয়ম জানো।"

অৱশেষত, সেই মহাযজ্ঞ পাতিবৰ বাবে থিৰাং কথা হ'ল।

সৰ্পসত্ৰ নামৰ সেই মহাযজ্ঞ দিনে-নিশাই অনুষ্ঠিত হ'বলৈ ধৰিলে। মন্ত্ৰৰ আহ্বানত হেজাৰ হেজাৰ নাগ চপাজিয়াই আহি যজ্ঞৰ জুইত জাহ গ'ল। আস্তীকৰ হস্তক্ষেপত নমৰাকৈ থাকিল মাথোন তক্ষক।

জন্মেজয়ৰ এই সৰ্পসত্ৰত ব্যাসৰ শিষ্য বৈশম্পায়নে প্ৰত্যেকদিনা মহাভাৰত পাঠ কৰি শুনাইছিল। শ্ৰোতাসকলৰ মাজত এগৰাকী আছিল, ৰোমহৰ্ষণৰ পুত্ৰ সৌতি। এওঁৰ আচল নাম আছিল, উগ্ৰশ্ৰবা।

এবাৰ মহৰ্ষি শৌনকে নৈমিষাৰণ্যত বাৰ্ষিক যজ্ঞ কৰি থাকোঁতে, সেই যজ্ঞস্থলীত সৌতিৰ আগমন ঘটিল। সকলোৰে অনুৰোধক্ৰমে সৌতিয়ে বৈশম্পায়নৰ মুখত শুনিবলৈ পোৱা মহাভাৰতকথা আকৌ ক'বলৈ লৈছিল।

সৌতিয়ে মহাভাৰতকথা এইদৰে আৰম্ভ কৰিছিল, "কেইবাগৰাকীও কবিয়ে এই ইতিহাস অতীতত কৈ থৈ গৈছে, এতিয়া আন কিছুমান কবিয়ে ক'বলৈ লৈছে, আৰু ভৱিষ্যতেও আন বহুতো কবিয়ে ক'ব। ব্যাসদেৱে এই মহাভাৰত চমুকৈয়ো কৈছিল, বহলায়ো কৈছিল। এই মহাগ্ৰন্থ ব্ৰাহ্মণসকলে বিভিন্ন ধৰণেৰে পাঠ কৰে—কোনোবাই একেবাৰে আদিৰ পৰা, কোনোবাই আস্তীকৰ উপাখ্যানৰ পৰা আৰম্ভ কৰি, আৰু কোনোবাই উপৰিচৰৰ আখ্যানৰ পৰা আৰম্ভ কৰি।"

## ॥ পূৰ্বপুৰুষৰ কথা ॥

শৌনকে ক'লে, "বোপা সৌতি, সৰ্পসত্ৰত ৰজাৰ আগত ব্যাস-শিষ্য বৈশম্পায়নে প্ৰত্যেকদিনা যি মহাভাৰত পাঠ কৰি শুনাইছিল, সেয়া আমি তোমাৰ মুখৰ পৰা শুনিব খুজিছোঁ।" সৌতিয়ে তেতিয়া ক'লে, "জন্মেজয়ৰ অনুৰোধক্ৰমে ব্যাসদেৱৰ আদেশত নিজনাৰ শিষ্য বৈশম্পায়নে যি মহাভাৰতকথা শুনাইছিল, সেয়া মই কওঁ—আপোনাসকলে শুনক।"

—চেদি ৰাজ্যত উপৰিচৰ বসু নামৰ পুৰুবংশত ওপজা এজন ৰজাই ৰাজত্ব কৰিছিল। স্বয়ং দেৱৰাজ ইন্দ্ৰই তেওঁক সখা বুলি লৈছিল। দেৱৰাজে বন্ধুত্বৰ উপঢৌকনস্বৰূপে তেওঁক এখন স্ফটিকমণ্ডিত সজা

আকাশীজাহাজ, কেতিয়াও জঁয় নপৰা পদুম ফুলৰ এধাৰ বৈজয়ন্তী মালা, আৰু এপাত ধুনীয়া যাঠি দিছিল। উপৰিচৰেও নিয়মীয়াকৈ কেতিয়াৰ কালৰ বছৰৰ প্ৰথম মাহ আঘোণত উলহমালহেৰে ইন্দ্ৰপূজা পাতিছিল। পূজাৰ শেষত সেই যাঠিপাত নানা সুগন্ধি ফুলেৰে সজাই-মেলি কাৰেঙৰ আগ-চোতালত পুতি থোৱা হৈছিল। যাঠিপাতৰ নাম ৰখা হৈছিল, ইন্দ্ৰধ্বজ। তাকে দেখি আন আন ৰজাসকলেও সেইদৰে ইন্দ্ৰপূজাৰ উৎসৱ পালন কৰিবলৈ লৈছিল। উপৰিচৰ ৰজাই মাজে মাজে আকাশী-জাহাজখনত উঠি আকাশতে ফুৰা-চকা কৰিছিল। সেইকাৰণেই তেওঁ উপৰিচৰ নাম পাইছিল।

উপৰিচৰ ৰজাৰ পাঁচজন পুত্ৰেক আছিল। সময়ত পাঁচজন পুত্ৰেকৰ প্ৰত্যেকেই একোখন ৰাজ্যৰ ৰজা হৈ নিজৰ ৰবীয়াকৈ একোটা ৰাজবংশৰ প্ৰতিষ্ঠা কৰিছিল।

উপৰিচৰ ৰজাৰ ৰাজধানীৰ কাষেদি বৈ গৈছিল, শুক্তিমতী নদী। কোলাহল নামৰ এক পৰ্বতে সেই নদীৰ গৰ্ভত এটি পুত্ৰ আৰু এটি কন্যাৰ জন্ম দিছিল। উপৰিচৰে সেই পুত্ৰগৰাকীক তেওঁৰ ৰাজ্যৰ সেনাপতি পাতিছিল; আৰু কন্যাগৰাকীক পাতিছিল, তেওঁৰ ৰাজৰাণী। এদিন মৃগয়া কৰিবলৈ যাওঁতে হঠাৎ বনৰ মাজতে তেওঁৰ ৰাজৰাণী গিৰিকালৈ মনত পৰিল। লগে লগে তেওঁৰ গাৰ পৰা এমুঠি জীৱন-কঠিয়া খহি পৰিল। তেওঁ সেইখিনি চপাই-মেলি এটা শেন চৰাইক ৰাজৰাণী গিৰিকাৰ ওচৰলৈ পঠালে।

কিন্তু, বাটতে সেই শেন চৰাইটোৰ লগত আন এটা শেন চৰাইৰ যুদ্ধ-বাগৰ লাগিল। দুয়োটাৰে খপিয়াখপিত জীৱন-কঠিয়ামুঠি তলেদি বৈ যোৱা যমুনা নদীৰ পানীলৈ সৰি পৰিল। সেই সময়ত অদ্ৰিকা নামৰ এগৰাকী অপ্সৰী যমুনাৰ পানীত মাছ একনী হৈ সাঁতুৰি ফুৰিছিল। মাছজনীয়ে কঠিয়ামুঠি দেখি খাই থ'লে। সময়ত মাছজনী এজন মাছ-মৰীয়াৰ জালত পৰিল। সেই চহকী মাছমৰীয়াজন সকলোবোৰ মাছ-মৰীয়াৰ মুখিয়াল আছিল। সেইকাৰণে, তেওঁক সকলোৱে ৰজা হওক-নহওক ধীবৰৰজা বুলি জানিছিল। মাছজনীৰ পেট কাটিয়েই তেওঁ

দেখা পালে, ভিতৰত এহাল কেঁচুৱা ল'ৰা-ছোৱালী। লগে লগে আকাশলৈ উৰা মাৰি গুচি গ'ল, এগৰাকী শাপমুক্তা অপ্সৰী।

ধীবৰৰজাই ল'ৰা-ছোৱালীহালক কোলাত লৈ ৰজাৰ ওচৰত ভেটিলেগৈ। ৰজা উপৰিচৰে ক'লে, "ছোৱালীজনী তোমাৰ লগতে থাকক।" ল'ৰাটি ৰজাই নিজে পোহপাল দিবলৈ কাৰেঙতে ৰাখিলে। সময়ত তেওঁ এগৰাকী ধাৰ্মিক ৰজা ৰূপে জনাজাত হৈছিলগৈ।

ছোৱালীজনীৰ নাম থোৱা হ'ল, সত্যৱতী। আকৌ, তেওঁক যিহেতু এজন মাছমৰীয়া লোকে তোলনীয়াকৈ লৈছিল, সেইবাবে তেওঁৰ আন এটা নাম ৰখা হৈছিল, মৎস্যগন্ধা। এদিন তেওঁ অকলশৰীয়াকৈ যমুনাৰ পানীত এখন নাও বাই আছিল। এনেতে সেইপিনেদি তীৰ্থ-ভ্ৰমণৰ পৰা উলটি অহা পৰাশৰ মুনি যাওঁতেহি। মুনিয়ে সত্যৱতীক দেখি সুধিলে, "হেৰা ৰূপৱতী, এই নাওখনৰ গৰাকী কোন? তেওঁ ক'লৈ গৈছে?" সত্যৱতীয়ে উত্তৰ দিলে, "এইখন মোৰ পিতা ধীবৰৰজাৰ নাও। তেখেতৰ কোনো পুত্ৰ-সন্তান নথকা কাৰণেময়েই মানুহ-দুনুহ পাৰ কৰি দিয়াৰ ভাৰ লৈছোঁ।" পৰাশৰে ভেতিয়া সত্যৱতীক ক'লে, তেওঁক সিপাৰত থৈ আহিব লাগে। নাৱত উঠি কিছুদূৰ যোৱাৰ পাচতে পৰাশৰে তেওঁক ক'লে, "সুন্দৰী, মই তোমাৰ দ্বাৰাই মোৰ বংশধৰ পুত্ৰ-কামনা কৰিছোঁ। তুমি মোৰ প্ৰাৰ্থনা পূৰণ কৰা।" সত্যৱতীয়ে উত্তৰ দিলে, "ভগৱান, মুকলি আকাশৰ তলত মই আপোনাৰ কামনা কেনেকৈ পূৰণ কৰোঁ? পৰপাৰৰ ঋষিসকলে আমাক দেখা নেপাব জানো?" পৰাশৰে তেতিয়া তেওঁৰ মন্ত্ৰ বলেৰে চাৰিওপিনে এজাক কুঁৱলীৰ সৃষ্টি কৰিলে। কুঁৱলীৰ মাজত নাওখন ঢাক খাই পৰিল। সত্যৱতীয়ে অৱশেষত লাজ-লাজকৈ ক'লে, "মই মোৰ পিতাৰ চকুত এতিয়াও কুমাৰী হৈয়েই আছোঁ। মোৰ কন্যাভাৱ দূষিত হোৱাৰ পিচত মই কেনেকৈ পিতাৰ মুখামুখি হ'ম?" পৰাশৰে তেতিয়া তেওঁক ক'লে, "মোৰ প্ৰিয়কাৰ্য কৰাৰ বাবে ইয়াৰ পাচতো তুমি কুমাৰী হৈয়েই ৰ'বা।" পৰাশৰৰ বৰত মৎস্যগন্ধাৰ দেহ সুগন্ধিময় হৈ পৰিল। তাৰ ফলত, তেওঁৰ আন এটা নাম জনাজনা হৈ পৰিল—গন্ধৱতী। সিমানেই নহয়, বহুতে তেওঁৰ আৰু এটা নাম

থৈছিল। তেওঁৰ গাৰ গোন্ধটো হেনো এক যোজন আঁতৰৰ পৰা পোৱা গৈছিল ; সেয়ে তেওঁ যোজনগন্ধা।

সময়ত সত্যৱতীৰ এটি পুত্ৰ-সন্তান জন্ম হ'ল। পৰাশৰ মুনিৰ ঔৰসৰ পৰা জন্ম হোৱা এই ল'ৰাটিৰ নাম থোৱা হৈছিল, কৃষ্ণ। যমুনাৰ মাজৰ দ্বীপত জন্ম হোৱা বাবে তেওঁৰ উপনাম আছিল, দ্বৈপায়ন। বয়স হ'লত, কৃষ্ণ দ্বৈপায়নে মাকৰ অনুমতি লৈ তপস্যা কৰিবলৈ গ'লে। তপস্যাত সিদ্ধিলাভ কৰি উঠি তেওঁ বেদৰ কথাখিনি চাৰিভাগত ভগাই ব্যাস উপাধি লাভ কৰিলে। তেওঁ যথেষ্ট যত্ন লৈ পুত্ৰেক শুক আৰু বৈশম্পায়নকে মুখ্য কৰি শিষ্যসকলক চাৰিওখন বেদ আৰু মহাভাৰত অধ্যয়ন কৰোৱালে। এইসকলেই পাচৰ কালত মহাভাৰতৰ সংহিতা-বিলাক ভিন ভিন ধৰণেৰে প্ৰকাশ কৰিছিল।

## ॥ কচ আৰু দেৱযানী ॥

জন্মেজয়ৰ অনুৰোধক্ৰমে বৈশম্পায়নে কুৰুবংশৰ নানা কাহিনী আদি সময়ৰ পৰা এইদৰে কৈছিল।

—ব্ৰহ্মাৰ পুত্ৰ দক্ষ প্ৰজাপতি। তেওঁৰ কোনো পুত্ৰ-সন্তান নাছিল ; গতিকে, তেওঁ পঞ্চাশজনী কন্যাকেই পুত্ৰ বুলি ভাবি লৈ নিজকে সান্ত্বনা দিছিল। জ্যেষ্ঠা কন্যাগৰাকীৰ নাম আছিল, অদিতি। অদিতিৰ পৰাই পুৰুষৰ পাচত পুৰুষকৈ একোজনৰ জন্ম হৈছিল : অদিতিৰ পুত্ৰ বিৱস্বান, বিৱস্বানৰ পুত্ৰ মনু, মনুৰ পুত্ৰ ইলা, ইলাৰ পুত্ৰ পুৰুৰৱা, পুৰুৰৱাৰ পুত্ৰ আয়ু, আয়ুৰ পুত্ৰ নহুষ, নহুষৰ পুত্ৰ যযাতি—এইদৰে। যযাতিয়ে দেৱযানী আৰু শৰ্মিষ্ঠাৰ, পাণিগ্ৰহণ কৰিছিল।

স্বৰ্গ, মৰ্ত্ত্য আৰু পাতাল—তিনিওলোকৰ ঐশ্বৰ্যলাভৰ বিষয়টোকে লৈ দেৱতামণ্ডলী আৰু অসুৰবিলাকৰ মাজত বিবাদ ঘটিছিল। দেৱতাসকলে বৃহস্পতিক পুৰোহিতৰ পদত বৰণ কৰিলে ; আৰু অসুৰবিলাকে পুৰোহিত পাতিলে, শুক্ৰাচাৰ্যক। দুয়োগৰাকী ব্ৰাহ্মণৰ মাজত আগৰে পৰা আঁৰিয়াআঁৰি আছিল। দেৱাসুৰৰ যুদ্ধত সেই আঁৰিয়াআঁৰি বাঢ়ি

আহিল। যুদ্ধত দেৱতাসকলে বিবোৰ অসুৰক নিধন কৰিছিল, শুক্রাচার্যই তেওঁৰ মন্ত্ৰৰ বলেৰে সিবোৰক আকৌ জীয়াই তুলিছিল। বৃহস্পতিয়ে সঞ্জীৱনী মন্ত্ৰ নেজানিছিল; গতিকে দেৱতাসকলৰ সৈন্য-সংখ্যা টুটি আহিছিল।

উপায় বিচাৰি নেপাই, দেৱতাসকল বৃহস্পতিৰ পুত্ৰ কচৰ ওচৰ চাপিল। তেওঁলোকে কচক ক'লে, "বোপা, তুমি অসুৰপতি বৃষপৰ্বাৰ ওচৰলৈ যোৱা। তাতে তুমি শুক্রাচার্যক লগ পাবা। তেওঁৰ মৰমৰ জীয়াৰী দেৱযানীক যদি তুমি সন্তুষ্ট কৰিব পাৰা, তেনেহ'লে তুমি অতি সহজে মৃতসঞ্জীৱনী বিদ্যা শিকি আহিব পাৰিবা।"

কচে দেৱতাসকলৰ উপদেশ মানি শুক্রাচার্যক লগ ধৰিলেগৈ। তেওঁ শুক্রাচার্যক ক'লে, "মই অংগিৰা ঋষিৰ নাতি, বৃহস্পতিৰ ল'ৰা। মোক আপুনি শিষ্য কৰি ল'ব লাগে। মই আপোনাৰ ওচৰত এহেজাৰ বছৰ থাকিবলৈ সাজু।" শুক্রাচার্য কচৰ প্ৰস্তাৱত মান্তি হ'ল। গুৰু আৰু গুৰু কন্যাৰ সেৱা-শুশ্ৰূষা কৰি কচে ব্ৰহ্মচৰ্য পালন কৰিবলৈ ধৰিলে। তেওঁ পাটগাভৰু দেৱযানীক নাচ-গান দেখুৱাই আৰু ফল-ফুলৰ যোগান ধৰি তুষ্ট কৰিবলৈ লাগিল। দেৱযানীয়েও ধুনীয়া ডেকা কচৰ নাচ-গান চাই তেওঁৰ পৰিচৰ্যা কৰাত মন দিলে। মাজে মাজে নিজান ঠাইত বহি কেতিয়াবা কচক গান গাই শুনাবলৈ নেপাহৰিলে।

এইদৰে পাঁচ শ বছৰ উকলি গ'ল। ইতিমধ্যে অসুৰবিলাকে কচৰ আচল উদ্দেশ্যৰ উমান পাবলৈ ধৰিলে। গতিকে, এদিন কচে তেওঁৰ গুৰুৰ গৰুবোৰ চৰাই থাকোঁতে, তেওঁক অসুৰবোৰে টুকুৰা-টুকুৰকৈ কাটি তেওঁৰ মঙহ এজাক কুকুৰক খুৱালে। গধূলি কচ উভতি নহা দেখি দেৱযানীয়ে প্ৰমাদ গণিলে। তেওঁ তেওঁৰ পিতাকক ক'লে, "পিতা, আপোনাৰ হোম-যজ্ঞ শেষ হৈছে, বেলি মাৰ গৈছে আৰু গৰুজাকো খোৱালিলৈ উভতি আহিছে। তথাপি দেখোন কচক দেখিবলৈ পোৱা নাই। নিশ্চয় তেওঁ জীয়াই থকা নাই; কৰবাত কিবা বিপদ ঘটিছে। কিন্তু আপোনাক নিশ্চয়কৈ কৈছোঁ, পিতা! কচৰ অবিহনে মই জীয়াই নেথাকোঁ।" জীয়েকৰ কথা শুনি শুক্রাচার্যই তেওঁৰ সঞ্জীৱনী বিদ্যা

প্ৰয়োগ কৰি কচক আহ্বান কৰিলে। লগে লগে কুকুৰবোৰৰ পেট ফালি ওলাই অহা মঙহৰ থুপবোৰ একেলগ হৈ কচ আকৌ জী উঠিল। কচে দেৱযানীক সকলো কথা ভাঙি-পাতি ক'লে।

তাৰ কিছুদিনৰ পাচত অসুৰবোৰে আকৌ এবাৰ কচক হত্যা কৰিছিল। সেইবাৰো শুক্ৰাচাৰ্যই তেওঁক পুনৰ জীয়াই তুলিলে। অৱশেষত অসুৰবোৰে তেওঁক আকৌ জীয়াই তোলাৰ বাট বন্ধ কৰি হত্যা কৰাৰ উপায় এটা ভাবি উলিয়ালে। এইবাৰ সিহঁতে কচৰ মৰা শ-টো পুৰি তাৰ ছাইখিনি সুৰাৰ লগত মিহলাই সেই সুৰা শুক্ৰাচাৰ্যকেই খুৱালে। কচৰ সন্ধান নেপাই দেৱযানীয়ে কান্দিবলৈ ধৰিলে। পিতাক শুক্ৰাচাৰ্যই সান্ত্বনা দি ক'লে, "অসুৰহঁতে বেচেৰাক বাৰে বাৰে হত্যা কৰিছে। আমি কি কৰিব পাৰো? তুমি শোক নকৰিবা।" দেৱযানীয়ে তেতিয়া কান্দি কান্দি ক'লে, "পিতা, বৃহস্পতি পুত্ৰ কচ মোৰ অতি প্ৰিয়। গতিকে, মই তেওঁৰ অনুগমন কৰিম।"

শুক্ৰাচাৰ্যই তেতিয়া আকৌ আগৰ দৰেই কচক আহ্বান কৰিলে। কচে সেই আহ্বানৰ সঁহাৰি জনাই গুৰুৰ পেটৰ ভিতৰৰ পৰা মাত লগালে, "ভগৱান, প্ৰসন্ন হওক; মোৰ সেৱা লওক। মোক আপুনি আপোনাৰ পুত্ৰ বুলি ধৰক। সিহঁতে মোক ভস্ম কৰি সেই ভস্ম সুৰাৰ লগত মিহলাই আপোনাকেই খুৱাইছে।" শুক্ৰাচাৰ্যই দেৱযানীক ক'লে, "এতিয়া মই কি কৰোঁ, কোৱাঁ। মোৰ উদৰ বিদীৰ্ণ নকৰাকৈ কচৰ প্ৰাণদান অসম্ভৱ। আকৌ তাকে কৰিলে, মোৰ মৃত্যু ঘটিব।" দেৱযানীয়ে উত্তৰ দিলে, "আপুনি আৰু কচ—দুয়োৰে কাকোৱেই মই এৰিব নোৱাৰোঁ। দুয়োজন বাচি থাকিলেহে মই বাচি থাকিম।" গুৰুৱে তেতিয়া মাত লগালে, "বৃহস্পতিৰ পুত্ৰ, শুনা। তুমি সিদ্ধিলাভ কৰিছা। যদি তুমি কচৰ ৰূপত ইন্দ্ৰ নোহোৱা, তেনেহ'লে তোমাক বৰ দিছোঁ, তুমি মোৰ সঞ্জীৱনী বিদ্যা লাভ কৰা। বোপা, তুমি মোৰ উদৰৰ পৰা ওলাই আহি মোক যেন সেই বিদ্যা প্ৰয়োগ কৰি জীয়াই তোলা। তোমাক আশীৰ্বাদ কৰিছোঁ, গুৰুৰ পৰা বিদ্যা লাভ কৰি তোমাৰ ধৰ্মবুদ্ধি যেন অটুট হৈ থাকক।"

কচ আৰু শুক্ৰাচাৰ্য দুয়ো পুনৰ্জীৱন পালে। কচে তাৰ পাচত শুক্ৰাচাৰ্যক এইদৰে ক'লে, "আপুনি বিদ্যাহীন শিষ্যৰ কাণত বিদ্যামৃত দান কৰিছে। আপোনাক মই মোৰ পিতা-মাতা দুয়োজন বুলি ভাবি লৈছোঁ।" শুক্ৰাচাৰ্যই তেতিয়া গাটো জোকাৰি উঠি সুৰাৰ প্ৰতি এই অভিশাপ দিলে, "এতিয়াৰ পৰা যদি কোনোবা বুদ্ধিহীন ব্ৰাহ্মণে মোহৰ বশৱৰ্তী হৈ সুৰাপান কৰে, তেনেহ'লে সি অধৰ্মী ব্ৰহ্মহত্যা-কাৰীৰ লেখীয়া পাপীৰ লেখত পৰিব।" তাৰ পাচত তেওঁ অসুৰবিলাকলৈ চাই ক'লে, "তোমালোক অতি নিৰ্বোধ। কচ এতিয়া সঞ্জীৱনী বিদ্যা শিকি মোৰ দৰেই প্ৰভাৱশালী হৈ উঠিল। তেওঁ মোৰ লগতেই থাকিব।"

এহেজাৰ বছৰ পাৰ হ'লত, কচ স্বৰ্গলোকলৈ উভতি যাবৰ বাবে সাজু হ'ল। দেৱযানীয়ে ছেগ চাই তেওঁক ক'লে, "অংগিৰাৰ পৌত্ৰ, তুমি বহুতো গুণেৰে অলংকৃত। তোমাৰ পিতা বৃহস্পতি মোৰ বাবে অতি মাননীয়। মই সদায় তোমাৰ পৰিচৰ্যা কৰি আহিছোঁ। এতিয়া তোমাৰ শিক্ষা সম্পূৰ্ণ হৈছে। মই তোমাক প্ৰাণভৰি ভালপাওঁ। তুমি মোক বিবাহ কৰি কৃতাৰ্থ কৰা।" কচে উত্তৰ দিলে, "আইদেউ, তুমি মোৰ গুৰুপুত্ৰী। তোমাৰ পিতাৰ নিচিনাকৈয়ে তুমি মোৰ পূজনীয়। গতিকে, তুমি সেই কথা মুখলৈ নানিবা।" দেৱযানীয়ে তেতিয়া ক'লে, "তুমি মোৰ পিতাৰ গুৰুপুত্ৰৰ পুত্ৰ—মোৰ পিতাৰ পুত্ৰ নোহোৱা। তুমিও মোৰ পূজাৰ পাত্ৰ। অসুৰবিলাকে তোমাক কেইবাবাৰো বধ কৰিছিল। তেতিয়াৰ পৰাই তোমাৰ প্ৰতি মোৰ অনুৰাগ উপজি উপজি বাঢ়িছে। তুমি নজনা নহয়, তোমালৈ মোৰ ভক্তি যথেষ্টকৈয়ে আছে। গতিকে, তুমি মোক বিনাদোষতে প্ৰত্যাখ্যান নকৰিবা।"

কচে এইবোলি উত্তৰ দিলে, "ধৰ নকৰিবা, দেৱযানী! তুমি মোৰ চকুত গুৰুতকৈয়ো অধিক। ধৰ্মতঃ তুমি মোৰ ভনীটিয়েই। কাৰণ, তোমাৰ য'ত উৎপত্তি, সেই একেটা দেহতে ময়ো বাস কৰিছিলোঁ। গতিকে, তুমি এনেকুৱা কথা নক'বা। ইমানদিন ধৰি তোমালোকৰ ঘৰত বৰ সুখেৰে বাস কৰিলোঁ। এতিয়া মোক যাবলৈ অনুমতি দিয়া। আশীৰ্বাদ কৰিবা, বাটত যাতে কোনো অপায়-অমংগল নঘটে। মাজে-

সময়ে ধৰ্মৰ বাটৰ পৰা নিপিছলাকৈ মোক সুঁৰাবিবা। মোৰ গুৰুদেৱৰ সেৱা-শুশ্ৰূষা কৰিবলৈ নেপাহৰিবা।"

দেৱযানীয়ে ক'লে, "কচ, তুমি মোৰ প্ৰাৰ্থনা প্ৰত্যাখ্যান কৰিলা। মই তোমাক শাপ দিছোঁ, তোমাৰ বিদ্যা ফলৱতী নহ'ব।" কচে তেতিয়া ক'লে, "তুমি মোৰ গুৰু পুত্ৰী। তদুপৰি মোৰ গুৰুদেৱেও সম্মতি জনোৱা নাই। সেয়েহে মই তোমাৰ প্ৰাৰ্থনা প্ৰত্যাখ্যান কৰিছোঁ। এয়া ধৰ্মসংগত কথা। তথাপি, তুমি মোক কামনাৰ বশ হৈ মিছাকৈয়ে অভিশাপ দিলা। ময়ো তোমাক অভিশাপ দিছোঁ, তোমাৰো কামনা ফলৱতী নহয়। কোনো ঋষিপুত্ৰই তোমাক বিবাহ নকৰে। তুমি শাপ দিছা, মোৰ বিদ্যা নিষ্ফল হ'ব। সেয়া বাৰু তোমাৰ কথামতেই হ'ব। কিন্তু, মই যাক সেই বিদ্যা দান কৰিম, তেওঁৰ বিদ্যা নিশ্চয়কৈ ফলৱতী হ'ব।" এইবুলি কৈয়েই কচে ইন্দ্ৰলোকৰ অভিমুখে যাত্ৰা কৰিলে।

## ॥ দেৱযানী আৰু শৰ্মিষ্ঠা ॥

কচ উভতি যোৱাত দেৱতাসকল আনন্দত উথলি উঠিল। তেওঁলোকৰ কেইবাজনেও কচৰ পৰা সঞ্জীৱনী বিদ্যা শিকি-বুজি ল'লে। তাৰ পাচত, দেৱৰাজ ইন্দ্ৰই অসুৰবিলাকৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰিলে। যাওঁতে বাটত ইন্দ্ৰৰ চকুত পৰিল, কিছুমান ছোৱালীয়ে এটা সৰোবৰৰ পানীত নামি উমলি আছে। তেওঁলোকৰ কাপোৰ-কানিবোৰ পাৰৰ মাটিত ভাগে ভাগে পৰি আছে। ইন্দ্ৰৰ অলপ ধেমালি কৰিবৰ মন গ'ল। তৎক্ষণাৎ তেওঁ বায়ুৰ ৰূপ ধৰি সেই কাপোৰ-কানিবোৰ খেলিমেলি কৰি মিহলাই পেলালে আৰু নিজৰ বাটেৰে গুচি গ'লগৈ।

ছোৱালীকেইজনীৰ মাজত অসুৰৰাজ বৃষপৰ্বাৰ জীয়েক শৰ্মিষ্ঠাও আছিল। পানীৰ পৰা উঠি আহি তেওঁ ভুলতে দেৱযানীৰ কাপোৰসাজ পিন্ধিলে। অলপ পাচতে যেতিয়া দেৱযানীও পানীৰ পৰা উঠি আহিল, তেতিয়া শৰ্মিষ্ঠাৰ গাত নিজৰ কাপোৰসাজ দেখি তেওঁ খঙত টিঙিৰি-তুলা হৈ উঠিল। দেৱযানীয়ে খঙৰ ভমকত ক'লে, "হেৰ' অসুৰী, আমাৰ

ধৰৰ শিচৰ ছোৱালী হৈ তই মোৰ গাৰ কাপোৰ-কিয় পিন্ধিলি ? তোৰ আচাৰ-বিচাৰ একো নাই ; কাপোৰসাজ চুৱা কৰিলি কিয় ?" শৰ্মিষ্ঠাবো খং উঠিল। ৰজাৰ ছোৱালী শৰ্মিষ্ঠাই মুখ পাতি ধৰিলে, "হেৰ', ইমানটো ফুটানি কিয় ? তোৰ পিতাৰৰ দেখোন মোৰ পিতাৰ ওচৰত আঠু লওঁতেই যায়। মনত ৰাখিবি, তই হাত-পাতোঁতাৰ ছোৱালী ; আৰু মই উভৈনদীকৈ দিওঁতাৰ ছোৱালী।"

তাৰ পাচত, দুয়োজনীৰে কাপোৰসাজ লৈ কাৰু-আঁজোৰা লাগিল। অৱশেষত, শৰ্মিষ্ঠাই দেৱযানীক ঠেলা মাৰি ওচৰতে থকা কুৱাং এটাত পেলাই থৈ গুচি গ'ল।

সেই সময়তে মৃগয়ালৈ অহা ৰজা যযাতি পানী বিচাৰি সেই কুৱাংটোৰ ওচৰ চাপিছিল। ঘোঁৰাৰ পিঠিত উঠি থকা ৰজাই কুৱাংটোৰ ভিতৰলৈ চাই মন কৰিলে, গোটেই কুৱাংটো যেন একুৱা জুয়েহে পোহৰাই থৈছে। ভালকৈ চাই দেখিলে, জুই নহয়—এজনী ছোৱালী! দেৱযানীয়ে এক'কাল পানীৰ মাজৰ পৰাই ৰজাক নিজৰ চিনাকি দি ক'লে, "আপোনাকো ধৰ্মপ্ৰাণ, বীৰ্যবান আৰু শান্ত প্ৰকৃতিৰ কোনোবা ভাওৰ মানুহ যেন লাগিছে। আপুনি মোৰ সোঁ হাতখন ধৰি মোক ওপৰলৈ তুলি নিয়ক।" দেৱযানীক উদ্ধাৰ কৰি ৰজা যযাতি আকৌ ঘোঁৰাৰ পিঠিত উঠি ৰাজধানীলৈ উভতি গ'ল।

আনপিনে, দেৱযানীৰ এজনী লিগিৰীৰ মুখত ঘটনাটো শুনি পিতাক শুক্ৰাচাৰ্য লৰালৰিকৈ সেই ঠাইত ওলালহি। জীয়েকক সাৱটি ধৰি তেওঁ দেৱযানীক সান্ত্বনা দিলে, "মোৰ ধাৰণা, তুমি ক'ৰবাত কিবা পাপ কৰিছিলা, তাৰে প্ৰায়শ্চিত্ত হ'ল।" দেৱযানীয়ে উত্তৰ দিলে, "পিতা, এয়া মোৰ প্ৰায়শ্চিত্ত হ'বও পাৰে, নহ'বও পাৰে। কিন্তু, মই শৰ্মিষ্ঠাৰ গা বিন্ধি যোৱা কথাষাৰ কেনেকৈ পাহৰোঁ! তাই মোক বঢ়া চকু দেখুৱাই এইদৰে কৈ থৈ গৈছে, মই হেনো হাত-পাতোঁতাৰ ছোৱালী ; আৰু তাই উভৈনদীকৈ দিওঁতাৰ ছোৱালী। আৰু, মোৰ পিতাই হেনো তাইৰ পিতাকৰ ওচৰত আঠু লওঁতেই যায়! শৰ্মিষ্ঠাৰ কথা যদি সঁচা হয়, তেনেহ'লে মই তাইৰ ওচৰত মূৰ দোঁৱাম। নহ'লে, তাইক শুনাই

নেৰোঁ।" শুক্ৰাচাৰ্যই তেতিয়া ক'লে, "তুমি যে তেনেকুৱা কোনো চাটুকাৰ হাত-পাতোঁতাৰ ছোৱালী নোহোৱা, সেই কথা সকলোৱে জানে। বৃষপৰ্বায়ো জানে, ইন্দ্ৰয়ো জানে, আৰু যযাতিয়েও জানে। ভাল মানুহৰ বাবে নিজৰ গুণবৰ্ণনা কষ্টকৰ। সেইকাৰণে, মই সেইবোৰ একো নকওঁ। দেৱযানী, এতিয়া উঠা; আমাৰ ফালৰ পৰা নিৰোধক ক্ষমা কৰি ঘৰলৈ যাওঁগৈ। মনত ৰাখিবা, ক্ষমা সাধুলোকৰ শ্ৰেষ্ঠ গুণ। যিজনে ক্ষমাৰ সহায়ত খঙৰ জুই শাম কৰিব পাৰে, তেওঁ গোটেইখন জগত জয় কৰিব পাৰে।" দেৱযানীয়ে উত্তৰ দিলে, "পিতা, মই সেইবোৰ কথা জানো। কিন্তু, পণ্ডিতসকলে আৰু এষাৰ কথা কৈ গৈছে: নীচ লোকৰ ওচৰত অপমানিত হোৱাতকৈ মৰণেই ভাল। তৰোৱালৰ ঘা সময়ত শুকাই যায়, কিন্তু কথাৰ ঘা নুশুকায়।"

দেৱযানীৰ কথা শুনি শুক্ৰাচাৰ্যৰো খং উঠি আহিল। তেওঁ অসুৰ-ৰাজ বৃষপৰ্বাৰ ওচৰলৈ গৈ ক'লে, "মহাৰাজ, মোৰ কথা শুনক। পাপৰ ফল ততালিকে দেখা পোৱা নেযায়; কিন্তু যি বাৰে বাৰে পাপ কৰে, সি সমূলঞ্চে নিপাত যায়। মোৰ নিষ্পাপ ধৰ্মজ্ঞ শিষ্য কচক আপুনি কেইবাৰাও অন্যায়কৈ হত্যা কৰাইছে। এতিয়া আপোনাৰ কন্যাই মোৰ কন্যাক অনেক কটু কথা কৈ হাবিৰ মাজৰ কুঁৱাৰ এটাত ঠেলা মাৰি পেলাই থৈ আহিছে। গতিকে আমি আৰু আপোনাৰ ৰাজ্যত বাস নকৰোঁ বুলি থাটাং কৰিছোঁ।" বৃষপৰ্বাই তেতিয়া উত্তৰ দিলে, "যদি মোৰ উচটনিত কোনোবাই কচৰ ওপৰত হাত তুলিছিল, নাইবা শৰ্মিষ্ঠাই দেৱযানীক কটু কথা শুনাইছিল, তেতিয়া হ'লে মোৰ যেন কোনো গতি নহয়। আপুনি প্ৰসন্ন হওক। আপোনাক নিশ্চয়কৈ কৈছোঁ, আপুনি আমাৰ পৰা বিদায় লৈ গুচি গ'লে, আমি সাগৰত জাঁপ দি মৰিমগৈ।" শুক্ৰাচাৰ্যই সেই কথা শুনি ক'লে, "কিন্তু, দেৱযানী মোৰ অতি মৰমৰ। তাইৰ দুখ মই সহিব নোৱাৰোঁ। আপোনালোকে তাইক সন্তুষ্ট কৰক।"

বৃষপৰ্বাই তেতিয়া ভা-ভাতৰীয়াসকলক লগত লৈ দেৱযানীৰ ওচৰ পালেগৈ। দেৱযানীৰ ভৰিত ধৰি বৃষপৰ্বাই কাটৌনি ধৰিলে, "দেৱযানী, তুমি প্ৰসন্ন হোৱা। তুমি যিহকে বিচাৰা, তাকে দিম বুলি মই কথা

দিছোঁ।" দেৱযানীয়ে উত্তৰ দিলে, "বাৰু, সেয়ে হওক। শৰ্মিষ্ঠা তাইৰ এহেজাৰজনী লিগিৰীৰ সৈতে মোৰ আলধৰা লিগিৰী হ'ব লাগিব; আৰু পিতাই যেতিয়া মোক বিয়া দিব, তেতিয়াও সিহঁত মোৰ লগতে যৌতুক হৈ যাব লাগিব।" শুক্ৰাচাৰ্যৰ খং মাৰ নিয়াবলৈ পিতাকৰ কথা মানি শৰ্মিষ্ঠাই সেই কঠোৰ শাস্তি গ্ৰহণ কৰিলে।

তাৰ বহুত দিনৰ পাচত এদিন দেৱযানীয়ে বাকী এহেজাৰ লিগিৰীৰ সৈতে দাই-লিগিৰী শৰ্মিষ্ঠাক লগত লৈ বননিত ফুৰিব গৈছিল। এনে সময়তে মৃগয়ালৈ অহা ৰজা যযাতি সেই খিনিতে ওলালহি। ৰজাৰ চকুত পৰিল, এজনী ধুনীয়া ছোৱালী মুখত এমোকোৰা হাঁহিৰে বননিত বহি আছে আৰু ওচৰতে আৰু এজনী তেওঁতকৈয়ো ধুনীয়া ছোৱালীয়ে তেওঁৰ হাত-ভৰি পিটিকি আছে। ৰজা যযাতি তেওঁলোকৰ ওচৰ চাপি গ'ল। যযাতিৰ প্ৰশ্নৰ উত্তৰত দেৱযানীয়ে নিজৰ আৰু শৰ্মিষ্ঠাৰ চিনাকি দিলে। যযাতিয়ে আকৌ সুধিলে, "মই অলপ আচৰিত হৈছোঁ। অসুৰ-ৰাজৰ কন্যা কেনেকৈ আপোনাৰ পৰিচাৰিকা হ'বলৈ পালে। তেওঁৰ নিচিনা ধুনীয়া মই আগতে কেতিয়াও দেখা নাই। সঁচা কথা ক'বলৈ হ'লে, আপুনি যদিও সমানে ৰূপৱতী, তথাপি যেন তেওঁৰ ৰূপে আপোনাৰ ৰূপকো চেৰাই গৈছে। গোটেই ঘটনাটো মোৰ চকুত সাঁথৰ যেন লাগিছে।" দেৱযানীয়ে সমিধান দিলে, "সকলো দৈৱৰ লিখন। সেইকাৰণেই, তেওঁ মোৰ লিগিৰী হ'বলগীয়া হৈছে। আপোনাৰ কথা-বতৰা শুনি, বেশ-ভূষা দেখি, আপোনাক কোনোবা ৰজা যেন লাগিছে। আপুনি বাৰু কোন?" যযাতিয়ে তেতিয়া নিজৰ চিনাকি দি যাবলৈ ওলাল।

দেৱযানীয়ে ক'লে, "শৰ্মিষ্ঠা আৰু এই গোটেইজাক লিগিৰীৰ সৈতে মই আপোনাৰ শৰণ লৈছোঁ; আপুনি মোৰ স্বামী আৰু সখা হওক।" যযাতিয়ে উত্তৰ দিলে, "সুন্দৰী, মই আপোনাৰ যোগ্য নহওঁ। আপোনাৰ পিতাই ক্ষত্ৰিয় ৰজাক নিশ্চয় কন্যা দান নকৰে।" দেৱযানীয়ে ক'লে, "ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় একেটা লোকে নহ'লেও দুটা লগৰীয়া জোৰ সৃষ্টি। তদুপৰি, আপুনি কোন কাহানিবাই মোৰ সোঁ হাতখন খামুচি যাক বোলে 'পাণিগ্ৰহণ', সেয়া কৰি থৈছে। মই আপোনাকে পতিবৰণ কৰিব

থৈছো।” এইবুলি কৈয়েই দেৱযানীয়ে পিতাকক মাতি আনিলেগৈ। তাৰ পাচত, যযাতিক সমুখত ৰাখি ক'লে, “পিতা, এখেতেই সেই ৰজা যযাতি, যিজনে মোৰ পাণিগ্ৰহণ কৰি মোক কুঁৱাটোৰ পৰা উদ্ধাৰ কৰিছিল। আপোনাক প্ৰণাম কৰিছোঁ, এতিয়া আপুনি মোক এখেতৰ হাতত সম্প্ৰদান কৰক। মই আন কোনো পতি বৰণ নকৰোঁ।”

শুক্ৰাচাৰ্যই ক'লে, “প্ৰেমে ধৰ্মাধৰ্মলৈ বাট নেচায়। সেয়ে তুমি ৰজা যযাতিক বৰণ কৰিছা। কচৰ অভিশাপত কোনো ঋষিপুত্ৰৰ লগতো তোমাৰ বিবাহ নহয়। শুনা যযাতি, মই তোমাক এই কন্যা দান কৰিলো। এওঁক তুমি তোমাৰ ৰাণী কৰি ল'বা। মোৰ আশীৰ্বাদত তোমাক বৰ্ণসংকৰৰ পাপে নোচোৱে। বৃষপৰ্বাৰ কন্যা শৰ্মিষ্ঠাক তুমি সসম্মানে ৰাখিবা; কিন্তু তেওঁক তোমাৰ শোৱনি-কোঠালৈ নেমাতিবা।”

দেৱযানী, শৰ্মিষ্ঠা আৰু লিগিৰীবিলাকক লৈ যযাতি তেওঁৰ ৰাজধানীলৈ উভতি গ'ল। দেৱযানীৰ লগত আলচ-বিলচ কৰি তেওঁৰ অশোক বনৰ ওচৰতে শৰ্মিষ্ঠা থাকিবলৈ এটা সুকীয়া ঘৰ সাজি দিলে। ৰাজভঁৰালৰ পৰা শৰ্মিষ্ঠা আৰু এহেজাৰ লিগিৰীৰ জোখাৰে ভাত-কাপোৰৰ নিয়মীয়া যোগান ধৰাৰো ব্যৱস্থা কৰি দিলে।

কিছুদিন যোৱাৰ পাচত দেৱযানীৰ এটি ল'ৰা উপজিল। তাকে দেখি শৰ্মিষ্ঠাই ভাবিবলৈ ধৰিলে—'মই মিছাকৈয়ে গাভৰু হ'লোঁ; মোৰ স্বামী থাকিবলৈ কোনো নাই। ময়ো দেৱযানীৰ দৰেকৈ নিজেই পতি বৰণ কৰি ল'ব লাগিব।'

এদিনাখন ৰজা যযাতি চহৰ ঘূৰি ফুৰোঁতে হঠাতে অশোক বনত ওলালহি। শৰ্মিষ্ঠাই অতি আদৰ-সাদৰকৈ ৰজাক অভ্যৰ্থনা জনালে। হেঙ বুজি শৰ্মিষ্ঠাই হাতজোৰকৈ ক'লে, “মহাৰাজ, আপুনি মোৰ জীৱনৰ সকলো কথাই জানে। মোৰ যৌৱন, মোৰ নাৰীত্ব—সকলো অথলে যাবলৈ ওলাইছে। সময় উকলি নো-যাওঁতেই আপুনি মোক পত্নীৰূপে ব্যৱহাৰ কৰক।” যযাতিয়ে উত্তৰ দিলে, “মই জানো, সকলো কাৰণ পৰাই তুমি অনিন্দিতা। কিন্তু শুক্ৰাচাৰ্যই মোক নিষেধ কৰি থৈছে, মই

যেন তোমাৰ লগত শোৱনি-কোঠাৰ সম্বন্ধ গঢ়ি নোতোলো।” শৰ্মিষ্ঠাই তেতিয়া শাস্ত্ৰৰ বচন মাতি ক’লে, “মহাৰাজ, ধেমেলীয়া কথাৰ মাজত, তিৰোতাৰ মনোৰঞ্জনত, বিয়াৰ সময়ত, প্ৰাণৰ সংশয়ত আৰু সকলো হেৰুওৱাৰ সম্ভাৱনাত—এই পাঁচোটা অৱস্থাত অসত্য মাতিলে পাপ নহয়।”

যযাতিয়ে ক’লে, “কিন্তু মই যদি এজন ৰজা হৈ মিছা কথা কওঁ, তেতিয়া মোৰ প্ৰজাবোৰো মোৰ বাটকেই লৈ মিছলীয়া হোৱাৰ পাপত বিনষ্ট হ’ব।” শৰ্মিষ্ঠাই তেতিয়া আন এটা যুক্তি দাঙি ধৰিলে, “সখীৰ স্বামী মানে নিজৰো স্বামীৰ তুল্য। দেৱযানীক বিয়া কৰি আপুনি মোৰো স্বামী হৈ পৰিছে। পুত্ৰহীনা হ’বলগীয়া পাপৰ পৰা আপুনি মোক ৰক্ষা কৰক। আপোনাৰ প্ৰসাদত মই পুত্ৰৱতী হৈ ধৰ্মত থাকিবলৈ বিচাৰিছোঁ।”

যযাতিয়ে তাৰ পাছত শৰ্মিষ্ঠাৰ মনোবাঞ্ছা পূৰণ কৰিলে।

## ॥ যযাতিৰ জৰা ॥

যথাসময়ত শৰ্মিষ্ঠাৰ এটি দেৱকুমাৰৰ লেখীয়া ধুনীয়া ল’ৰা উপজিল। দেৱযানীয়ে সুধিলে, “কামনাৰ বশৱৰ্তী হৈ তই এয়া কি পাপ কৰিলি?” শৰ্মিষ্ঠাই তেতিয়া ক’লে, “এগৰাকী বেদজ্ঞ ঋষি মোৰ ওচৰলৈ আহিছিল। সিজনাৰ বৰলাভ কৰিয়েই মোৰ ল’ৰা উপজিছে। মই একো অন্যায় কৰা নাই।” দেৱযানীয়ে সুধিলে, “সেই ব্ৰাহ্মণৰ নাম কি? তেওঁ কোন বংশৰ, কোন গোত্ৰৰ ব্ৰাহ্মণ?” শৰ্মিষ্ঠাই উত্তৰ দিলে, “সেইবোৰ মই সুধিবলৈ নহ’ল। তেওঁ তপস্যাৰ তেজেৰে সূৰ্যৰ নিচিনাকৈ দীপ্তিমান হৈ আছিল। আনকথা সুধিবলৈ মোৰ সাহসেই নকুলালে।” দেৱযানীয়ে ক’লে, “তই যদি সঁচাসঁচিকৈয়ে কোনোবা বৰ্ণশ্ৰেষ্ঠ ব্ৰাহ্মণৰ কাষৰ পৰাই পুত্ৰলাভ কৰিছ, মোৰ তেনেহ’লে খং কৰিবলৈ একো নাই।”

সময় যোৱাৰ লগে লগে দেৱযানীৰ যদু আৰু তুৰ্বসু নামেৰে দুটি পুত্ৰ হ’ল। আৰু, শৰ্মিষ্ঠাৰ দ্ৰুহ্যু, অনু আৰু পুৰু নামেৰে তিনিটি পুত্ৰ উপজিল। এদিন দেৱযানীয়ে যযাতিৰ লগত অশোক বনত ফুৰি ফুৰোঁতে দেখা পালে, তিনিটা দেৱকুমাৰৰ লেখীয়া তিনিটা ধুনীয়া ল’ৰাই

একেলগে উমলি আছে। দেৱযানীয়ে ল'ৰাকেইটিৰ ওচৰ চাপি সুধিলে, "সোণাই'ত, তোমালোকৰ নাম কি? তোমালোক কোন বংশৰ? কাৰ ল'ৰা?" ল'ৰাকেইটিয়ে যযাতি আৰু শৰ্মিষ্ঠাৰ পিনলৈ আঙুলিয়াই দেখুৱাই ক'লে, "এয়া আমাৰ পিতা; আৰু এয়া আমাৰ আই।" এইখিনি কৈয়েই তেওঁলোক ৰজাৰ ওচৰ চাপি গ'ল। কিন্তু দেৱযানী লগত থকাত যযাতিয়ে তেওঁলোকক মৰম-চেনেহ একো নেদেখুৱালে। গতিকে, চকু চলচলীয়া কৰি তেওঁলোক শৰ্মিষ্ঠাৰ ওচৰলৈ গ'ল। ইপিনে দেৱযানী খঙত টিঙিৰি-ভুলা হৈ উঠিল। শৰ্মিষ্ঠাৰ পিনলৈ চাই দেৱযানীয়ে ক'লে, "হেৰ' অসুৰৰ জীয়েক, অসুৰৰ স্বভাৱ এতিয়াও এৰিব নোৱাৰিলি। তই যে এনেকুৱা কাম কৰিলি, মোলৈ তোৰ ভয়-ভাবি নাই নেকি?" শৰ্মিষ্ঠাই উত্তৰ দিলে, "উঁ-হোঁ, তোমালৈ মোৰ ভয় নাই। কাৰণ, মই ন্যায় আৰু ধৰ্ম অনুসৰিয়েই চলিছোঁ। এই ৰাজৰ্ষিক তুমি যেতিয়া পতিৰূপে বৰণ কৰিছিলা, ময়ো তেতিয়া সিজনাক পতিৰূপে বৰণ কৰিছিলোঁ। যিজন মোৰ সখীৰ পতি, সিজন মোৰো পতি—এয়েই ধৰ্মৰ নিয়ম।"

দেৱযানীয়ে লগে লগে যযাতিলৈ চাই ক'লে, "মহাৰাজ, আপুনি মোৰ অপ্ৰিয় কাম কৰিছে। গতিকে, মই আৰু আপোনাৰ লগত নেথাকোঁ।" এইবুলি কৈয়েই তেওঁ তাৰ পৰা উচাট মাৰি উচুপি উচুপি গুচি গ'ল। ৰজাও তেওঁৰ পিচে পিচে যাবলৈ লাগিল। পোনে পোনে শুক্ৰাচাৰ্যৰ ওচৰলৈ গৈ দেৱযানীয়ে এইদৰে ক'লে, "পিতা, অধৰ্মৰ লগত ধৰ্মই হাৰ মানিছে। নীচ ওপৰলৈ উঠিছে, শৰ্মিষ্ঠাই মোক নেওচি গৈছে। ৰজা যযাতিয়ে তাইৰ গৰ্ভত তিনিটা পুত্ৰেকৰ জন্ম দিছে; আৰু মোৰ এনে দুৰ্ভাগ্য যে, মোৰ মাথোন দুটা পুত্ৰ। সকলোৱে এওঁক ধৰ্মজ্ঞ বুলিয়েই জানে। অথচ, এওঁৱে মোৰ মৰ্যাদাক হেয় কৰিছে।"

খং উঠি শুক্ৰাচাৰ্যই অভিশাপ দিলে, "মহাৰাজ, তুমি ধৰ্মজ্ঞ হৈয়ো অধৰ্ম কৰিলা। মোৰ উপদেশলৈ কাণ নিদিলা। গতিকে, দুৰ্জয় জৰাই তোমাক আক্ৰমণ কৰিব।" সেই ভয়ংকৰ অভিশাপৰ পৰা ৰক্ষা কৰিবলৈ যযাতিয়ে দৈত্যগুৰু শুক্ৰাচাৰ্যৰ ওচৰত বহুত কাকুতি-মিনতি কৰিলে।

শুক্ৰাচাৰ্যই ক'লে, "মোৰ কথা কেতিয়াও নৰ্কালিওৱাকৈ নেথাকে। তথাপি বাৰু তোমাক এইখিনি সকাহ দিছোঁ, ইচ্ছা কৰিলে তুমি তোমাৰ জৰা অৰ্থাৎ বাৰ্ধক্য আনক দিব পাৰিবা।" যযাতিয়ে হুমুনিয়াহ কাঢ়ি ক'লে, "আপুনি অনুমতি দিয়ক, মোৰ পুত্ৰবিলাকৰ ভিতৰত যিজনে তেওঁৰ যৌৱন মোৰ জৰাৰ লগত সলাবলৈ মান্তি হ'ব, তেওঁৰেই মই যেন মোৰ ৰাজ্য দিব পাৰোঁ। তেওঁ যেন কীৰ্তিমান হ'ব পাৰে।" শুক্ৰাচাৰ্যই ক'লে, "বাৰু, সেয়ে হ'ব।"

যযাতি ৰাজধানীলৈ উভতি গ'ল। তেওঁ পোনতে বৰ পুতেক যদুক মাতি আনি ক'লে, "বোপা, মই শুক্ৰৰ অভিশাপত অকালতে জৰাগ্ৰস্ত হৈছো। কিন্তু মোৰ যৌৱনৰ ভোগ-বাসনা পলোৱাই নাই। মোৰ বাৰ্ধক্য তোমাৰ গালৈ লৈ সলনিত তুমি মোক তোমাৰ যৌৱনটো দিয়াঁ। এহেজাৰ বছৰৰ পাচত মই তোমাক তোমাৰ যৌৱন ওভোতাই দিম।" যদুৱে উত্তৰ দিলে, "বাৰ্ধক্যৰ কষ্ট বহুত। মোৰ দাড়ি-চুলি গোটেইবোৰ পকি বগা হৈ পৰিব, গাৰ ছালবোৰ সোঁতোৰা সোঁতোৰ হৈ ওলমি পৰিব, শৰীৰত শক্তি বুলিবলৈ একো নেথাকিব আৰু মোৰ ডেকা লগৰীয়াবোৰে মোক নেওচা দিবলৈ ল'ব। আপোনাৰ আৰু কেইবাজনো বেচি মৰমৰ পুত্ৰ আছে; তেওঁলোকক কৈ চাওক।" যযাতিয়ে তেতিয়া ক'লে, "মোৰে তেজ-মঙহৰ ভাবেৰে গঢ় লৈ উঠিও তই যেতিয়া মোৰ অনুৰোধ নেৰাখিলি, তেতিয়া তোৰ সন্তান মোৰ ৰাজ্যৰ অধিকাৰী হ'ব নোৱাৰিব।"

তাৰ পাচত, যযাতিয়ে এজন এজনকৈ তুৰ্বসু, দ্ৰুহ্যু আৰু অনুক মাতি আনি একেটা অনুৰোধকে কৰিলে। কিন্তু কোনেও তেওঁৰ বাৰ্ধক্যৰ সলনি নিজৰ যৌৱন দিবলৈ মান্তি নহ'ল। গতিকে, যযাতিয়ে প্ৰত্যেকক এজন এজনকৈ এইদৰে অভিশাপ দিলে—তুৰ্বসুৰ বংশলোপ হ'ব আৰু তেওঁ ম্লেচ্ছ জাতিবহে ৰজা হ'ব; দ্ৰুহ্যুৰ কোনো মনোবাঞ্ছা পূৰণ নহয় আৰু তেওঁ অতি দুৰ্গম দেশলৈ গৈ ভোজ উপাধি লৈ বাস কৰিবলগীয়া হ'ব; অনু জৰাগ্ৰস্ত হ'ব, তেওঁৰ প্ৰতিটো সন্তান যৌৱনত ভৰি দিয়েই মৰিব আৰু তেওঁ কোনো হোম-যজ্ঞ আদি কৰি পুণ্য আৰ্জনৰ সুযোগ নেপাব।

যযাতিৰ দ্ৰুমিষ্ঠাৰ পুতেক পুৰুৱে পিতাকৰ প্ৰস্তাৱটো শুনি উঠিয়েই

ক'লে, "মহাৰাজ, মই আপোনাৰ আদেশ পালন কৰিম। মোৰ যৌৱনটো লৈ আপুনি সকলো সুখ ভোগ কৰি লওক। আপুনি আপোনাৰ বাৰ্দ্ধক্যৰ কষ্ট মোক দিয়ক।" যযাতিয়ে পৰম প্ৰীতি লাভ কৰি ক'লে, "বোপা, তোমাৰ ৰাজ্যত সকলো প্ৰজাই সকলো দিশতে সমৃদ্ধি লাভ কৰিব— মই তোমাক এই বৰ দিছোঁ।"

পুৰুৰ দেহৰ যৌৱন লাভ কৰি যযাতিয়ে সকলোবিধ ভোগৰ বাসনা পূৰণ কৰি ল'বলৈ ধৰিলে। এহেজাৰ বছৰ পাৰ হৈ যোৱাৰ পাচত তেওঁ পুৰুক ক'লে, "বোপা, মই তোমাৰ পৰা ধাৰলৈ লোৱা যৌৱনেৰে ভোগৰ পাত্ৰ ওপচাই ল'লোঁ। মই বুজিব পাৰিছোঁ, কাম্য বস্তুৰ উপভোগেৰে কামনাৰ চোক কেতিয়াও নাটে; ঘিঁউঢলা জুইৰ দেখাদেখিকৈ সি আৰু বেচি চৰিবলৈহে লয়। পৃথিৱীত যিমানবোৰ ধান, ঘেঁহু, সোণ, পশু আৰু তিৰোতা আছে, তাৰে এজনকে নাটে। গতিকে, বিষয়-বাসনাৰ তৃষ্ণা ত্যাগ কৰাই উচিত।"

তাৰ পাচত, যযাতিয়ে আকৌ ক'লে, "বোপা পুৰু, মই বৰ সন্তোষ লভিলোঁ। তুমি তোমাৰ যৌৱন ওভোতাই লোৱা। লগতে মোৰ ৰাজ্যখনো তুমি লোৱা।" কথাষাৰ শুনি ৰাজসভাৰ ব্ৰাহ্মণসকলে ক'লে, "মহাৰাজ, যদু আপোনাৰ জ্যেষ্ঠ পুত্ৰ, শুক্ৰাচাৰ্যৰ নাতি আৰু দেৱযানীৰ আপোন সন্তান। তেওঁৰ পাচতো আৰু তিনিজন পুত্ৰ বৰ্তমান থাকোঁতে, সকলোকে চেৰাই গৈ কনিষ্ঠজনক ৰাজ্য দিবলৈ কিয় ওলাইছে!" যযাতিয়ে তেওঁলোক সকলো কথা ভাঙি-পাতি কৈ উঠি শেষত ক'লে, "বাকী আটাইকেয়োটা পুত্ৰই মোৰ অনুৰোধ নেৰাখিলে; মাথোন পুৰুৱেহে ৰাখিলে। শুক্ৰাচাৰ্যই বৰ দি থোৱা আছে, মোৰ অনুগত পুত্ৰইহে মোৰ ৰাজ্য পাব।" সকলো কথা শুনি ব্ৰাহ্মণসকলে ৰজাৰ মনোনয়ন অনুমোদন কৰিলে। প্ৰজায়ো বং মনেৰে সেই সিদ্ধান্ত মানি ল'লে।

পুৰুক ৰাজ্যভাৰ গতাই দি যযাতি বনলৈ ওলাল। বনবাসী হৈ কিছুদিন কটোৱাৰ পাচত তেওঁ স্বৰ্গলোক পালেগৈ। তাতে কথাৰ লাচত তেওঁ এদিন দেৱৰাজ ইন্দ্ৰৰ আগত অহংকাৰ কৰি ক'লে, "দেৱতা, মানুহ, গন্ধৰ্ব আৰু ঋষিসকলৰ মাজতো এনে কোনো নাই, যি তপস্যাত

মোৰ সমান হ'ব পাৰে।" সুৰলোকত এনেবোৰ ফেপজহী কথা অচল। গতিকে, দেৱৰাজ ইন্দ্ৰই তেওঁক স্বৰ্গৰ পৰা বহিষ্কাৰ কৰিলে। যযাতি স্বৰ্গৰ পৰা খহি পৰিল যদিও পুনৰ পৃথিৱীৰ মাটিত নপৰিলহি; মাজ-আকাশৰ ভাৱৰ দেশতে বৈ গ'ল। তাতে তেওঁ কিছুদিন আন চাৰিজন ৰাজৰ্ষিৰ লগত ধৰ্ম-চৰ্চা কৰিলে। সেই পুণ্যৰ ফলতে তেওঁ আকৌ স্বৰ্গলোক পালেগৈ।

## ॥ দুষ্যন্ত-শকুন্তলা ॥

পুৰুৰ বংশত দুষ্যন্ত নামৰ এজন ৰজা উপজিছিল। তেওঁ অসাধাৰণ ক্ষমতাশালী ৰজা আছিল। তেওঁৰ দুজন পুত্ৰ—লক্ষণাৰ ফালৰ পৰা জন্মেজয় আৰু শকুন্তলাৰ ফালৰ পৰা ভৰত।

এদিন ৰজা দুষ্যন্তই লগত বহু সৈন্য-সামন্ত লৈ মৃগয়া কৰিবলৈ গৈছিল। অৱশেষত বাট হেৰুৱাই পিয়াহে-ভাগৰে তেওঁ অকলশৰীয়াকৈ এখন উপবনত ওলালগৈ। সেই উপবনখন চালে চকুৰোৱা ভালেমান ফুলেৰে দোঁ খাই থকা গছ-গছনি আৰু চৰাই-চিৰিকতিৰ সুহুৰিৰে ওপচ খাই আছিল। ৰজাৰ চকুত পৰিল সমুখত মালিনী নদীৰ পাৰত কণ্ব মুনিৰ আশ্ৰম; আৰু সেই আশ্ৰমত নানা ধৰণৰ বনৰীয়া জন্তুৱে পোহ মানি একেলগে ঘূৰি ফুৰিছে।

ৰজাই তেওঁৰ গা-ৰখীয়া কেইজনক বাহিৰতে থৈ আশ্ৰমৰ ভিতৰলৈ খোজ দিলে। ৰজাই দেখিলে, চাৰিওপিনে নিজকাল পৰিৱেশত কোনোবাই বেদ পাঠ কৰি আছে, কোনোবাই মন দি শুনি আছে আৰু কিছুমানে শাস্ত্ৰৰ আলোচনা কৰিছে। মহৰ্ষি কণ্বক দেখা নেপাই ৰজা তেওঁৰ কুটিৰৰ দুৱাৰদলিত থিয় দিলেগৈ। ৰজাৰ মাত শুনি ভিতৰৰ পৰা এগৰাকী সাক্ষাৎ লক্ষ্মীৰ দৰে ধুনীয়া অথচ তপস্বিনীৰ সাজ-পাৰ পিন্ধা গাভৰু ওলাই আহিল। ৰজাক তেওঁ আদৰণি জনালেহি। তাৰ পাছত, মৌ-মিঠা মাতেৰে ক'লে, "আপুনি অলপ ৰ'ব লাগিব। কাৰণ পিতৃ ফল ছিঙি আনিবলৈ ওলাই গৈছে।"

ৰজাই সেই ৰূপহীগৰাকীক নম্ৰভাৱে সোধিলে, "আপুনি কোন? আপুনি কাৰ কন্যা? ইয়াতে কেনেকৈ আছিল?" ৰূপহীয়ে উত্তৰ দিলে, "মহাৰাজ মই ভগৱান কণ্বৰ কন্যা।" ৰজাই ক'লে, "সেয়া কেনেকৈ হ'ব পাৰে, মই বুজিব পৰা নাই। কাৰণ, ভগৱান কণ্ব জানো এগৰাকী ব্ৰহ্মচাৰী তপস্বী নহয়?" ৰূপহীয়ে তেতিয়া উত্তৰ দিলে, "ভগৱান কণ্বই এদিন এগৰাকী ঋষিক মোৰ জন্মকাহিনী কৈছিল আৰু মই আঁৰৰ পৰা সেই কাহিনী শুনিছিলোঁ। মই যাৰু যেনেকৈ শুনিছিলোঁ, আপোনাক কওঁ—শুনক।

—বহুদিনৰ আগতে বিশ্বামিত্ৰ এবাৰ ঘোৰ তপস্যাত নিমগ্ন হৈছিল। তাকে দেখি দেৱৰাজ ইন্দ্ৰই ভয় খালে। দেৱৰাজে বিশ্বামিত্ৰৰ তপস্যা ভাঙিবলৈ স্বৰ্গৰ নৰ্তকী মেনকাক পঠিয়াই দিলে। মেনকাই আহি বিশ্বামিত্ৰক প্ৰণাম কৰি নৃত্যৰ পোহাৰ মেলিলে। তেনেকুৱাতে এচাটি বতাহে তেওঁৰ গাৰ কাপোৰ-কানি উৰুৱাই লৈ গ'ল। স্বৰ্গৰ ৰূপহী মেনকাৰ সৌন্দৰ্য দেখি বিশ্বামিত্ৰ ভোল গ'ল; তেওঁৰ তপস্যা ভংগ হ'ল। মেনকাক তেওঁ আকোৱালি ধৰিলে। মেনকাৰ উদ্দেশ্য সিদ্ধি হ'ল। তেওঁ গৰ্ভৱতী হ'ল। এটি কন্যা জন্ম হ'লত, তাইক মালিনী নদীৰ পাৰত পেলাই থৈ মেনকা পুনৰ স্বৰ্গলৈ উভতি গ'ল। বাঘ-ভালুকেৰে ভৰা সেই নিৰ্জন বনত কেঁচুৱাটিক কেইটামান চৰায়ে আৱৰি ধৰিলেহি। মহৰ্ষি কণ্বই গা ধুবলৈ আহি কেঁচুৱাটিক দেখা পালে। সিজনাই কেঁচুৱাটিক আলফুলকৈ বুটলি আনি নিজৰ ছোৱালীৰ দৰে তুলি-তালি ডাঙৰ কৰিলে। শকুন্ত অৰ্থাৎ চৰায়ে ৰাখি আছিল বাবেই কেঁচুৱাটিৰ নাম থোৱা হ'ল, শকুন্তলা। ময়েই সেই শকুন্তলা। শাস্ত্ৰমতে শৰীৰদাতা, প্ৰাণদাতা আৰু অন্নদাতাক পিতা বুলি কোৱা হয়। মহাৰাজ, গতিকে মোক মহৰ্ষি কণ্বৰ কন্যা বুলি জানি থওক।"

দুষ্মন্তই ক'লে, "শকুন্তলা, তোমাৰ কাহিনী শুনি বুজিলোঁ, তুমি দৰাচলতে এগৰাকী ৰাজকুমাৰী। তোমাক মই মোৰ ভাৰ্যা হিচাপে ল'ব খুজিছোঁ। সোণৰ গলপতা, সোণৰ কাঁৰিয়া, নানা দেশৰ পৰা অনা মণি-মুকুতা, নানা ধৰণৰ কাপোৰ-কানি, মৃগ-পহুৰ ছালৰ দলিচা আৰু মোৰ

গোটেইখন ৰাজ্য—সকলোখিনি তুমি পাবা। মাথোন তুমি মোৰ ভাৰ্যা হোৱা। তুমি মোক গান্ধৰ্ব ৰীতিৰে বিবাহ কৰা। শাস্ত্ৰমতে, এই ধৰণৰ বিবাহেই সকলো বিবাহৰ শ্ৰেষ্ঠ।"

শকুন্তলাই ক'লে, "আপুনি অলপ বাট চাওক। মোৰ পিতা উভতি আহিলেই মোক নিশ্চয় আপোনাৰ হাতত সম্প্ৰদান কৰিব। সিজনাই মোৰ গৰাকী আৰু পৰম দেৱতা। সিজনাক নজনোৱাকৈ অধৰ্ম কৰি মই পতি-বৰণ কৰিব নোৱাৰোঁ।" দুষ্যন্তই তেতিয়া ক'লে, "শাস্ত্ৰমতে, তুমি নিজেই নিজক দান কৰিব পাৰা। ক্ষত্ৰিয়ৰ বাবে গান্ধৰ্ব বা ৰাক্ষস বিবাহ অথবা দুয়োটাৰে মিহলি বিবাহ ধৰ্মসংগত। গতিকে, গান্ধৰ্ব ৰীতিৰেই বিবাহ কৰি তুমি মোৰ ভাৰ্যা হোৱাত আপত্তি নকৰিবা।"

এইবাৰ শকুন্তলাই ক'লে, "যদি সেয়ে ধৰ্মৰ নিৰ্দেশ হয়, মোৰ আপত্তি নাই। কিন্তু তাৰ আগতে আপুনি এটা অংগীকাৰ কৰিব লাগিব। মোৰ পুত্ৰক আপুনি যুৱৰাজ পাতিব আৰু আপোনাৰ পাচত তেওঁৱেই ৰাজ্যৰ অধিকাৰী হ'ব বুলি অংগীকাৰ কৰক।" দুষ্যন্তই ততালিকে উত্তৰ দিলে, "তুমি যেনেকৈ কৈছা, তেনেকৈয়ে হ'ব।"

মনৰ কামনা পূৰ হোৱাৰ পাচত দুষ্যন্তই শকুন্তলাক কেইবাবাৰো জনালে, "মই তোমাক নিবৰ কাৰণে চতুৰংগ সেনাৰ বাহিনী এটা পঠাম'গৈ। তুমি তেওঁলোকৰ লগতে ৰাজধানীলৈ যাবা।" এইদৰে প্ৰতিশ্ৰুতি দি উঠি তেওঁ বিদায় ল'লে। ওৰেটো বাট তেওঁ চিন্তা কৰি গ'ল, উভতি আহি মহৰ্ষি কণ্বই বা কি বোলে।

আনফালে, মহৰ্ষি কণ্ব যেতিয়া আশ্ৰমলৈ উভতি আহিল, শকুন্তলাই লাজতে তেওঁক আগবঢ়াই নিবলৈ দেখা নিদিলেহি। কথাৰাৰ আখজা পাই মহৰ্ষিয়ে এবাৰ ধ্যান কৰি ল'লে। দিব্যদৃষ্টিৰে তেওঁ সকলো কথা জানি উঠি বৰ আনন্দ পালে। তেওঁ শকুন্তলাক মাত দি ক'লে, "আই শকুন্তলা, তুমি মোৰ অনুমতি নোলোৱাকৈয়ে আজি যি কাম কৰিছা, তাত তোমাৰ ধৰ্মহানি হোৱা নাই। ক্ষত্ৰিয়ৰ বাবে গান্ধৰ্ব বিবাহেই সকলো বিবাহৰ শ্ৰেষ্ঠ। তোমাৰ স্বামী দুষ্যন্ত ধৰ্মাত্মা আৰু সৰ্বগুণী পুৰুষ। তোমাৰ যি পুত্ৰ হ'ব, তেওঁ সাগৰৰ পানীয়ে ঘেৰি থোৱা এই গোটেইখন

পৃথিৱীৰ ৰজা হ'ব।" শকুন্তলাই দৰ্বাসাৰিকৈ ওলাই আহি মহৰ্ষিৰ হাতৰ পৰা কন্বৰ জোলোঙাটো ল'লে। তাৰ পাচত, এলোটা পানী আনি ভৰি দুখন পখালি দিলে। মহৰ্ষিৰ আগত শকলাত শকুন্তলাই লাজ-লাজকৈ ক'লে, "মোৰ অপৰাধ ক্ষমা কৰক, ৰজা দুষ্যন্তক মই স্বেচ্ছাই পতিবৰণ কৰিছোঁ। আপুনি সপৰিষদ সেই ৰজা দুষ্যন্তৰ প্ৰতি অনুগ্ৰহ কৰক। "শকুন্তলাৰ প্ৰাৰ্থনা শুনি মহৰ্ষি কন্বই এইদৰে বৰ দিলে, পুৰুবংশৰ সকলোৱেই ধৰ্মপ্ৰাণ হ'ব। তেওঁলোকৰ কোনোৱেই কেতিয়াও ৰাজ্যচ্যুত হ'ব নালাগে।"

যথাসময়ত শকুন্তলাৰ এটি অতি সুন্দৰ পুত্ৰ-সন্তান জন্ম হ'ল। ল'ৰাটো দেখাত যেনেকৈ ধুনীয়া আছিল, গাৰ বল আৰু মগজুৰ বুদ্ধি-বৃত্তিও তেনেকৈ গাজত লগা বিধৰ আছিল। কন্বৰ আশ্ৰমতে ল'ৰাটি ডাঙৰ-দীঘল হ'বলৈ লাগিল। দুবছৰ বয়সতে ল'ৰাটিয়ে আশ্ৰমৰ পোহনীয়া বাঘ, সিংহ আৰু হাতীৰ পোৱালিবোৰক বশ মনাইছিল। তাকে দেখি আশ্ৰমৰ সকলোৱে ল'ৰাটিৰ নাম থৈছিল, সৰ্বদমন। সৰ্বদমনৰ অসাধাৰণ বল-বিক্ৰম দেখি এদিন মহৰ্ষি কন্বই ক'লে, "এওঁৰ যুৱৰাজ হ'বৰ সময় হ'লহি। গতিকে, এওঁক পিতাকৰ ওচৰলৈ পঠোৱা উচিত যেন পাইছোঁ।" তাৰ পাচত, আশ্ৰমৰ শিষ্যসকলক মাতি আনি তেওঁ ক'লে, "ছোৱালী বৰ বেচি দিন পিতাকৰ ঘৰত থাকিলে, মানুহে নিন্দা কৰিবলৈ লয়। সুনাম, চৰিত্ৰ আৰু ধৰ্ম নষ্ট হোৱাৰো ভয় থাকে। গতিকে, তোমালোকৰ দুজনমানে শকুন্তলাক আৰু তেওঁৰ ল'ৰাটিক ৰজা দুষ্যন্তৰ ওচৰত থৈ আহাঁগৈ।"

শকুন্তলাক ৰজাৰ কাষেওত সুমুৱাই থৈয়েই লগত যোৱা শিষ্যকেইজন আশ্ৰমলৈ উভতি গ'ল। শকুন্তলাই ৰজাক অভিবাদন জনাই উঠি ক'লে, "মহাৰাজ, এইটি আপোনাৰ ল'ৰা—মোৰ গৰ্ভত উপজিছে। কন্বৰ আশ্ৰমত আপুনি যি অংগীকাৰ কৰিছিল, সেয়া সুঁৱৰি এওঁক এতিয়া যুৱৰাজ পাতক।" অতীতৰ কথা মনত পৰা সত্বেও ৰজাই উত্তৰ দিলে, "ক'তা, মোৰ তেখেন তেনেকুৱা একো কথা মনত পৰা নাই। তুমিয়েই বা কোন? তপস্বিনীৰ সাজ পিন্ধি তুমি দেখিছো বাৰুকৈয়ে

দুষ্টা তিৰোতা। তোমাক মই কেতিয়া লগ পাইছো? তোমাৰ লগত মোৰ কোনোদিনা ধৰ্ম, অৰ্থ বা কামৰ সম্বন্ধ ঘটা নাই। চলাহী কথা ক'ব নালাগে। তুমি যাব পাৰা।"

লাজ আৰু অপমানত শকুন্তলা মূৰ্চ্ছা যাবৰ উপক্ৰম হ'ল। তেওঁ থৰ লাগিল। খঙত চকুহাল ৰঙা হৈ উঠিল আৰু ওঁঠ দুটা কঁপিবলৈ ধৰিলে। তাৰ পাচত শান্ত হৈ শকুন্তলাই ক'লে, "মহাৰাজ, সকলো কথা মনত পৰা সত্বেও আপুনি কিয় প্ৰাকৃতজনৰ নিচিনাকৈ আসৈ মাতিছে যে আপোনাৰ একো কথা মনত নাই? আপুনি সঁচা কথা কওক। মিছা কথা কৈ নিজকে অপমান নকৰিব। আজি মই আপোনাৰ ওচৰত ন্যায্য প্ৰাপ্য বিচাৰি আহিছো। মোৰ কথা নুশুনিলে আপোনাৰ মস্তক শতধা বিদীৰ্ণ হৈ পৰিব। মোৰ নিজৰ কাৰণে মই একো বিচৰা নাই। কিন্তু এই ল'ৰাটি আপোনাৰ তেজ-মঙহৰ থোপাৰে গঢ় লৈ উঠা নিজৰ সন্তান। এওঁক আপুনি বঞ্চনা কৰিব নোৱাৰে।"

দুষ্যন্তই গহীন-গম্ভীৰকৈ ক'বলৈ ধৰিলে, "তোমাৰ গৰ্ভত মোৰ সন্তান কেনেকৈ উপজিব পাৰে? মই একো বুজা নাই; একো কথা মোৰ মনতো পৰা নাই। আচল কথাটো কওঁ, শুনা। মিছা কথা কোৱাটো তিৰোতাৰ স্বভাৱেই। তোমাৰ মাতৃ মেনকা দেখাদেখিকৈয়ে অসতী আৰু পাষাণী। তোমাৰ পিতা ব্ৰাহ্মণত্বলোভী বিশ্বামিত্ৰ কামুক আৰু নিৰ্দয়। তুমি নিজেও মুখাৰ লেখীয়াকৈ কথা কৈছা। দুষ্টা তাপসী, তুমি সোনকালে ইয়াৰ পৰা আঁতৰ হোৱা।" এনে গঞ্জনা শুনি শকুন্তলাই শেষ-উত্তৰ দিলে, "মোৰ মাতৃ মেনকা দেৱ-দেৱীসকলৰ লেখত পৰে। মহাৰাজ, আপুনি মাটিত ভৰি থৈ খোজকাঢ়ে। মই আকাশত ভৰি থৈ খোজকাঢ়ো। ইচ্ছা কৰিলেই মই দেৱৰাজ ইন্দ্ৰ আৰু অন্যান্য দেৱতা-সকলৰ ঘৰলৈ যাব পাৰো। যিজন নিজে দুৰ্জন, তেওঁ সজ্জনকো দুৰ্জন বুলিয়েই ক'ব খোজে। ইয়াতকৈ হাঁহি উঠা কথা একোৱেই নাই। আপুনি মিছা কথাৰ ভক্ত। গতিকে, আপোনাৰ লগত মোৰ পুনৰ্মিলন অসম্ভৱ। শুনক মহাৰাজ দুষ্যন্ত, আপোনাৰ কোনো সহায় নোলোৱা-কৈয়ো মোৰ পুত্ৰ সসাগৰা পৃথিৱীৰ অধিপতি হ'ব—হিমালয়ৰ পৰা

আগৰতীৰিলৈকে সকলোৱেই তেওঁৰ শাসন মানি ল'ব। এইবুলি কৈয়েই শকুন্তলা তাৰ পৰা গুচি যাবলৈ ওলাল।

এনেতে দুষ্মন্তৰ কাণত পৰিল এক আকাশ-বাণী: "শকুন্তলাই সঁচা কথাকেই কৈছে, তুমিয়েই তেওঁৰ পুত্ৰৰ পিতা। তুমি তেওঁক পোহপাল দিবা। তেওঁ ভৰত নামেৰে খ্যাত হওক।"

ৰজাই তেতিয়া ৰাজসভাৰ সকলোকে ক'লে, "আপোনাসকলে স্বয়ং দেৱদূতৰ মুখে সকলো শুনিলে। মই নিজেও এই ল'ৰাটিক মোৰেই পুত্ৰ বুলি জানো। জানোচা মাথোন শকুন্তলাৰ কথা শুনি তেওঁক পুত্ৰ বুলি গ্ৰহণ কৰিলে সকলোৱে দোষ দিয়ে! সেই ভয়তে মই স্বীকাৰ কৰা নাছিলোঁ।"

তাৰ পাচত দুষ্মন্তই তেওঁৰ পুত্ৰ ভৰত আৰু ভাৰ্যা শকুন্তলাক আনন্দেৰে সাৱটি ধৰিলেগৈ। তেওঁ শকুন্তলাক সান্ত্বনা দি ক'লে, "দেৱী, তোমাৰ সতীত্ব যাতে সন্দেহৰ অতীত হৈ ৰয়, সেইবাবেই মই তোমাক এইদৰে ব্যৱহাৰ কৰিছিলোঁ। তাকে নকৰা হ'লে, মানুহে ভাবিলেহেঁতেন যে আমাৰ মাজত কিবা অসৎ সম্বন্ধ গঢ় লৈ উঠিছিল। মই কোন কাহানিবাই কৈ থৈছোঁ, এই পুত্ৰকেই মোৰ ৰাজ্য দিম। যি কি নহওক, খঙৰ ভমকত তুমি মোক যিবোৰ টান কথা শুনাইছিলা, সেয়া মই ক্ষমা কৰিলোঁ।" অৱশ্যে, শকুন্তলাকো যে তেওঁ ইচ্ছা কৰিয়েই নক'ব-লগীয়া বহুত কথা কৈ মনত বেজাৰ দিছিল, তাৰ বাবে ক্ষমা খোজাৰ কথা তেওঁৰ মনত নপৰিল।

## ॥ শান্তনু আৰু গংগা ॥

দুষ্মন্ত-শকুন্তলাৰ পুত্ৰ ভৰত যেতিয়া ৰাজপাটত বহিল, তেতিয়া তেওঁ চক্ৰৱৰ্তী-ৰজা হ'বলৈ মন মেলিলে। বহু দেশ জয় কৰি আৰু বহু শত অশ্বমেধ যজ্ঞ পাতি তেওঁ মনৰ আশা পূৰণ কৰিলে। তেওঁৰ বংশৰ এজন ৰজাৰ নাম আছিল, হস্তী। তেওঁৱেই হস্তিনাপুৰ নগৰ প্ৰতিষ্ঠা কৰিছিল। হস্তীৰ চাৰি পুৰুষ ভাটিয়াই আহি ৰজা হৈছিল, কুৰু। তেওঁ য'ত তপস্যা কৰিছিল, সেই ঠাইখনৰ পূৰ্বতে সমন্তপঞ্চক বুলি

জনাজাত আছিল। তেওঁৰ নামেৰেই সমন্তপঞ্চকৰ নতুন নাম হ'ল, কুৰুক্ষেত্ৰ। কুৰুৰ সাত পুৰুষ ভাটিয়াই আহি এই বংশৰ বিজন ৰজাৰ নাম পোৱা যায়, তেওঁ হ'ল প্ৰতীপ। তেওঁৰেই পুত্ৰ ৰজা শান্তনু।

শান্তনুৰ জন্ম-কাহিনী পৰম ৰহস্যময়। মহাভিষ নামেৰে ইক্ষ্বাকু বংশৰ এজন ৰজা আছিল। তেওঁ ভালেমান যজ্ঞ কৰি, সেই পুণ্যৰ ফলত স্বৰ্গৰ দেৱতাসকলৰ লগৰীয়া হৈ উঠিছিল। এদিন তেওঁ আন কেইবাজনো দেৱতাৰ সৈতে লগ লাগি ব্ৰহ্মাৰ ওচৰলৈ গৈছিল। সেই সময়ত নদীশ্ৰেষ্ঠা গংগাও তাতে আছিল। হঠাৎ বতাহৰ কোবত গংগাৰ গাত থকা জিলজিলীয়া পাতল কাপোৰখন খহি পৰিল। দেৱতাকেইজনে তললৈ মুৰ কৰিলে। কিন্তু মহাভিষে গংগাৰ অনিন্দ্য সৌন্দৰ্য পান কৰিবলৈ ধৰিলে। মহাভিষৰ নিলাজ ব্যৱহাৰত অসন্তুষ্ট হৈ ব্ৰহ্মাই শাপ দি ক'লে, "তুমি পৃথিৱীত জন্মগ্ৰহণ কৰাগৈ। পাচত স্বৰ্গলৈ উভতি আহিবা।" মহাভিষে থিৰাং কৰিলে, তেওঁ ৰজা প্ৰতীপৰ পুত্ৰ হৈ জন্মগ্ৰহণ কৰিব।

উভতি আহোঁতে গংগায়ো মহাভিষৰেকৰ ৰূপ-গুণৰ কথা বাটে বাটে ভাবি আহিছিল। বাটতে দেখা পালে, উমৈহতীয়াকৈ বসু নামেৰে জনাজাত আঠজন দেৱতা নিথৰ হৈ পৰি আছে। তেওঁলোকৰ সেই অৱস্থা কেনেকৈ হ'বলৈ পালে, গংগাই সুধিলে। তেওঁলোকে উত্তৰ দিলে, "অতি সামান্য অপৰাধতে বশিষ্ঠই আমাক শাপ দিছে, আমি যেন মানুহৰ ৰূপ লৈ জন্ম হওঁগৈ। কিন্তু আমি কোনো মানৱীৰ গৰ্ভত বাস কৰি জন্ম হ'ব খোজা নাই। আপুনিয়েই আমাক পুত্ৰৰূপে জন্ম দিয়ক। আমি থিৰ কৰিছোঁ, প্ৰতীপৰ পুত্ৰ শান্তনুৱেই আমাৰ পিতা হ'ব। ওপজাৰ লগে লগে আপুনি আমাক নৈত উটুৱাই থৈ আহিব। সেয়ে হ'লে, আমি মুক্তি পাম।" গংগাই উত্তৰ দিলে, "বাৰু, তোমালোকৰ কথা মানিলোঁ। কিন্তু, মোৰো এষাৰ কথা তোমালোকে মানিব লাগিব। মোৰ এজন পুত্ৰ জীয়াই থাকিব লাগিব, যাতে শান্তনুৰ লগত মোৰ সম্বন্ধ নিষ্ফল নহয়।" বসুকেইজনে ক'লে, "আপোনাৰ কথাই হ'ব। আমি প্ৰত্যেকেই আমাৰ গুণ-মহিমাৰ আঠ ভাগৰ একোভাগকৈ এজনক

দান দিম। সেইখিনিৰ সৈতে আমাৰ মাজৰ মিলন জীয়াই থাকিব, তেওঁ আপোনাৰ যশ যাউতিযুগলীয়া কৰিব। আমাৰ আন এটাৰ কথা হ'ল, তেওঁ নিঃসন্তান হৈ ৰ'ব।"

তাৰ পাচত, ৰজা প্ৰতীপে এদিন গংগাৰ পাৰত বহি জপ কৰি আছিল। এনেতে গংগাই এগৰাকী পৰম ৰূপৱতীৰ বেশ লৈ পানীৰ মাজৰ পৰা উঠি আহি প্ৰতীপৰ কোলাত বহি ল'লেহি। ৰজাই তেওঁক সুধিলে, "আইটি, তোমাক কি লাগে ?" গংগাই উত্তৰ দিলে, "হে কুৰুশ্ৰেষ্ঠ, মই আপোনাকেই বিচাৰিছোঁ। আপুনি মোক গ্ৰহণ কৰক।" ৰজাই তেতিয়া ক'লে, "তুমি মোৰ বাওঁ কৰঙনত নবহি, সোঁ কৰঙনত বহিলাহি। সেয়া পুত্ৰ, কন্যা আৰু পুত্ৰবধূৰহে স্থান। গতিকে, মোৰ যেতিয়া পুত্ৰ সন্তান উপজিব, তেতিয়া তোমাক বাৰু মোৰ বোৱাৰী কৰি আনিম।" গংগা সন্তুষ্ট হৈ উভতি গ'ল।

আনপিনে, যথাসময়ত শাপগ্ৰস্ত মহাভিষে ৰজা প্ৰতীপৰ পুত্ৰৰূপে জন্মগ্ৰহণ কৰিলে। তেওঁৰ নাম শান্তনু ৰখা হ'ল। কাৰণ, তেওঁ কোনোবা জৰাগ্ৰস্ত মানুহক হাতেৰে স্পৰ্শ কৰিলেই মানুহগৰাকীৰ জৰাদুখ আঁতৰ হৈছিল, সিজনে যৌৱন ওভোতাই পাইছিল। শান্তনুৱে যেতিয়া ডেকা বয়সত ভৰি দিলেহি, ৰজা প্ৰতীপে এদিন তেওঁক ক'লে, "তোমাৰ কাৰণে কোন কাহানিবাই এগৰাকী ৰূপৱতী কন্যা মোৰ ওচৰ চাপিছিল। এতিয়া তেওঁ যদি কেতিয়াবা তোমাৰ ওচৰলৈ আহি পুত্ৰ কামনা কৰেহি, তুমি তেওঁৰ মনোবাঞ্ছা পূৰণ কৰিবা। তুমি তেওঁৰ পৰিচয় নিবিচাৰিবা আৰু তেওঁৰ কোনো কামতেই বাধা নিদিবা।" শান্তনুৱে পিতাকৰ উপদেশ পালন কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাচত ৰজা প্ৰতীপে তেওঁক ৰাজ্যভাৰ গটাই দিলে আৰু নিজে বাণপ্ৰস্থী হৈ বনলৈ যাত্ৰা কৰিলে।

শান্তনুৱে এদিন গংগাৰ পাৰত জৰ লৈ ফুৰোতে এগৰাকী অতি সুন্দৰী ৰমণী দেখা পালে। ৰূপমুগ্ধ শান্তনুৱে তেওঁক সুধিলে, "কোন তুমি ? দেৱী নে দানৱী, অপ্সৰী নে মানৱী ? তুমি বাৰু মোৰ মহিষী হ'বা নে ?" গংগাই উত্তৰ দিলে, "মহাৰাজ, মই এটা চৰ্তত আপোনাৰ মহিষী হ'ব পাৰোঁ। ভাল হওক বেয়া হওক, আপুনি মোৰ কোনো

কামতেই বাধা দিব নোৱাৰিব। তেনেকুৱা কিবা কৰিলেই মই আপোনাৰ ওচৰৰ পৰা বিদায় ল'ম।" শান্তনুৱে সেই চৰ্ত মানি লৈ তেওঁক নিজৰ মহিষী কৰি ল'লে।

শান্তনুৰ দিনবোৰ সুখেৰেই অতিবাহিত হ'বলৈ ধৰিলে মাথোন তেওঁৰ এটা দুখ। এটি এটিকৈ তেওঁৰ কেইবাটিও পুত্ৰসন্তান উপজিল। কিন্তু ওপজাৰ লগে লগে তেওঁৰ মহিষীয়ে সেই পুত্ৰক নৈৰ পানীত উটুৱাই থৈ আহেগৈ। সিমানেই নহয়, কটা ঘা'ত চেঙা-তেল মাৰি কয়, "এয়া আপোনাৰ এটি ভাল কাম কৰি দিলোঁ।" শান্তনুৱে মনে মনে চকু-লো টোকে যদিও ফুটাই একো নকয়। অৱশেষত, তেওঁলোকৰ অষ্টম পুত্ৰ জন্ম হ'ল। মহিষীয়ে আগৰ কেইবাৰৰ দৰেই নতুনকৈ ওপজা কেঁচুৱাটোক নৈত পেলাই থৈ আহিবলৈ ওলাই আহিল। শান্তনুৱে আগচি ধৰিলে, "পুত্ৰঘাতিনী, তুমি কোন? বাৰে বাৰে তুমি কিয় এইদৰে মহাপাপ কৰিছা? এইবাৰ নিৰস্ত হোৱা।" মহিষীয়ে উত্তৰ দিলে, "আপুনি যদি এই পুত্ৰক ৰাখিব খুজিছে, ৰাখক। কিন্তু মোৰ লগত আপোনাৰ সম্বন্ধবো ওৰ পৰিল।" তাৰ পাচত তেওঁ সকলো কথা ভাঙি-পাতি ক'লে। শান্তনুৱে তেতিয়াহে জানিলে, তেওঁৰ মহীষীয়েই গংগা আৰু তেওঁৰ প্ৰতিজন পুত্ৰই একোগৰাকী বসু।

গংগাই কৈ যাবলৈ ধৰিলে, "এদিন পৃথু আদি অষ্টবসুৱে সুমেৰু পৰ্বতৰ কাষত থকা বশিষ্ঠ ঋষিৰ তপোবনত ফুৰিবলৈ আহিছিল। বশিষ্ঠৰ নন্দিনী নামৰ এজনী কামধেনু আছিল। কামধেনুজনীৰ অনেক গুণ। যেয়ে তাইৰ গাখীৰ খায়, সেয়ে স্থিৰ-যৌৱন হৈ হেজাৰ বছৰ জীয়াই থাকিবলৈ পায়। কথাষাৰ শুনি দ্যু নামৰ বসুগৰাকীৰ পত্নীয়ে জেউৰ ধৰিলে, 'পৃথিৱীত মোৰ এজনী সখী আছে। ৰজা উশীনৰৰ জীয়েক সেই সখীগৰাকীৰ নাম, জিতৱতী। তাইৰ ৰূপলাৱণ্যৰ কথা গোটেইখনতে জনাজাত। মই এই কামধেনুজনী তাইক উপহাৰ দিব খুজিছোঁ। আপোনালোকে তাৰ ব্যৱস্থা কৰি দিয়ক।' পত্নীৰ অনুৰোধ পেলাব নোৱাৰি, দ্যু আৰু অন্যান্য বসুসকলে নন্দিনীক হৰণ কৰি নিলে। আশ্ৰমলৈ উভতি আহি নন্দিনীক নেদেখি বশিষ্ঠ বাউল হৈ

উঠিল। দিব্যদৃষ্টিৰে সকলো ঘটনা জানিব পাৰি বশিষ্ঠই বসুসকলক শাপ দিলে, 'যিবিলাকে মোৰ কামধেনু চুৰকৈ নিছে, সিহঁত মানুহ হৈ জন্মিব।' বসুসকলে নন্দিনীক ওভোতাই দি বশিষ্ঠৰ ওচৰত ক্ষমা বিচাৰিলেহি। বশিষ্ঠই তেতিয়া ক্ষমা কৰি ক'লে, 'মোৰ কথা অখলে নেযায়। যি কি নহওক, তোমালোক সকলোৱেই এজন এজনকৈ প্ৰত্যেক বছৰতে শাপমুক্ত হ'বা। কিন্তু ঘাই-অপৰাধী দ্যু-বসু নিজৰ কৰ্মৰ ফলত বহুত দিন পৃথিৱীত থাকিব লাগিব। তেওঁ ধাৰ্মিক, সৰ্বশাস্ত্ৰ-বিশাৰদ, পিতাৰ হিতৈষী আৰু চিৰন্তন ব্ৰহ্মচাৰী হ'ব।"

অৱশেষত গংগাই জনালে, "মহাৰাজ, এই অভিশপ্ত বসুসকলৰ অনুৰোধ মতেই তেওঁলোকৰ প্ৰত্যেককে এজন এজনকৈ নদীত জলাঞ্জলি দিছিলোঁ। মাথোন এই অষ্টম পুত্ৰ—যিজন দৰাচলতে দ্যু-বসু—বহুদিন ধৰি পৃথিৱীত জীয়াই থাকিব। অনেক পুণ্য অৰ্জন কৰি শেষত তেওঁ আকৌ স্বৰ্গলোকলৈ উভতি যাব।" এই বুলি কৈয়েই সেই অষ্টম পুত্ৰক কোলাত লৈ গংগা চকুৰ আগতে অদৃশ্য হৈ পৰিল।

## ॥ সত্যৱতী-কথা আৰু ভীষ্ম ॥

শান্তনু তেওঁৰ ৰাজধানী হস্তিনাপুৰলৈ উভতি গ'ল। মনৰ দুখত তেওঁ ভালেমান দিন ৰাজকাৰ্যত বুৰ গৈয়েই কটাইছিল। তেওঁৰ গুণ-গৰিমা আৰু কৃতিত্বৰ উমান পাই সকলোবোৰ ৰজাই গোট খাই তেওঁক সম্ৰাট পদত অধিষ্ঠিত কৰিছিল। তথাপি, তেওঁক মাজে মাজে পুত্ৰ শোকে আমনি নকৰাকৈ নাছিল।

এদিন তেওঁ মৃগয়া কৰিবলৈ গৈ গংগাৰ পাৰত ওলালহি। তাতে তেওঁৰ চকুত পৰিল, এটা সৰু ল'ৰাই হাতত ধনু-কাঁড় লৈ গোটেইখন গংগা শৰবৰ্ষণেৰে ছাটি পেলাইছে। শান্তনুক দেখা পায়েই তেওঁক মায়াৰে মোহিত কৰি ল'ৰাটি অদৃশ্য হৈ পৰিল। শান্তনুৰ তেতিয়া নিজৰ পুত্ৰবোৰলৈ মনত পৰিল। লগে লগে তেওঁ গংগাক আকুল কণ্ঠেৰে আহ্বান কৰি মিনতি জনালে, "গংগা, এবাৰ তুমি মোক মোৰ পুত্ৰৰ

মুখখন চাবলৈ দিয়া।" অলপ পাচতে পুত্ৰৰ হাত ধৰি গংগা পানীৰ তলিৰ পৰা উঠি আহিল। গংগাই মাত দিলে, "মহাৰাজ, এয়া মোৰ অষ্টম গৰ্ভজাত পুত্ৰ। ইমান দিন ধৰি মই এওঁক তুলি-তালি ডাঙৰ কৰিলোঁ। এওঁ বশিষ্ঠৰ ওচৰত বেদ অধ্যয়ন কৰিছে। শুক্ৰ আৰু বৃহস্পতিয়ে যিমানবোৰ শাস্ত্ৰ জানে, জামদগ্ন্যই যিমানবোৰ অস্ত্ৰ জানে, এওঁ সেই সকলোখিনি জানে। এতিয়া আপুনি আপোনাৰ পুত্ৰক নিজৰ কাষেঁলৈ লৈ যাওক।"

পুতেকক লগত লৈ শান্তনু আনন্দ মনেৰে ৰাজধানীলৈ উভতিল। শান্তনুৱে ৰাজকোঁৱৰৰ নাম থ'লে, দেৱব্ৰত। সোনকালেই ৰাজকোঁৱৰ দেৱব্ৰত ৰাজ্যৰ সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিল।

চাৰি বছৰ পাচৰ কথা। শান্তনু এদিন যমুনাৰ পাৰত ফুৰিবলৈ গৈছিল। হঠাৎ এটা অতি ধুনীয়া গোন্ধ তেওঁৰ নাকত লাগিলহি। তেওঁ সেই গোন্ধটোৰ পম খেদি যাবলৈ ধৰিলে। শেষত তেওঁ দেৱকন্যাৰ নিচিনা এগৰাকী অতি ধুনীয়া ছোৱালীক লগ পালেগৈ। ৰজাই তেওঁক তেওঁৰ পৰিচয় সুধিলত তেওঁ জনালে, "মই ধীবৰৰজাৰ কন্যা। পিতাৰ আদেশত যাত্ৰীসকলক মই নাৱেৰে ইপাৰ-সিপাৰ কৰি দিয়াৰ কাম লৈছোঁ।"

শান্তনুৱে তেওঁৰ তলতীয়া ধীবৰৰজাৰ ওচৰ চাপি জীয়েকক তেওঁৰ নিজলৈ বিচাৰিলে। ধীবৰৰজাই উত্তৰ দিলে, "আপুনি যদি মোৰ কন্যাক আপোনাৰ ধৰ্মপত্নী কৰি ল'ব খুজিছে, মোৰ একো আপত্তি নাই। মাথোন আপুনি প্ৰতিশ্ৰুতি দিব লাগিব যে তেওঁৰ গৰ্ভজাত পুত্ৰহে আপোনাৰ ৰাজসিংহাসনৰ উত্তৰাধিকাৰী হ'ব।"

দেৱব্ৰতৰ অধিকাৰ নেওচি তেনেকুৱা প্ৰতিশ্ৰুতি দিয়াটো শান্তনুৰ পক্ষে সম্ভৱ নহ'ল। গতিকে, তেওঁ বিফল মনোৰথ হৈ ৰাজধানীলৈ উভতি আহিল। পিতাকক চিন্তিত যেন দেখি দেৱব্ৰতে এদিন তেওঁক সুধিলে, "মহাৰাজ, ৰাজ্যৰ সকলোপিনে মংগল। অথচ, আপুনি সদায় ইমান চিন্তাকুল হৈ থকাৰ কাৰণ কি? আপুনি আজিকালি ঘোঁৰাত উঠি ফুৰা-চকা কৰিবলৈয়ো ভোলায়। আপুনি যেনেকৈ শুকাই-খীলাই মলিন হৈ আহিছে! আপোনাৰ কিবা ৰোগ হৈছে নেকি?" শান্তনুৱে

উত্তৰ দিলে, "বোপা, মোৰ বংশ বঢ়াবলৈ মাথোন তুমিয়েই আছা। তুমি দিনে-নিশাই অস্ত্রচৰ্চা কৰিয়েই কটোৱা। যদি কেনেবাকৈ তোমাৰ কিবা অমংগল ঘটে, তেতিয়া দেখোন মোৰ বংশ লোপ পাব। তুমি মোৰ বাবে শতপুত্ৰতকৈও অধিক। সেইবাবে মই বংশবৃদ্ধিৰ উদ্দেশ্যেৰে আকৌ বিবাহ কৰাবো পক্ষপাতী নহওঁ। মোৰ তেনেকুৱা ইচ্ছাও নাই। মাথোন তোমাৰ মংগল হওক, এয়েই মোৰ কামনা। কিন্তু বেদজ্ঞসকলৰ সিদ্ধান্ত হ'ল, পুত্ৰ নথকা আৰু এটিমাত্ৰ পুত্ৰ থকা—দুয়োটা একে ধৰণৰ কথা। এইবোৰ কথা লৈয়েই ভাবি-গুনি একো ওৰ নেপাওঁ। চিন্তাই মোক জৰ্জৰ কৰিছে, এইখাৰ সঁচা কথা।"

দেৱব্ৰত বুদ্ধ মাই-মন্ত্রীৰ ওচৰ চাপিল। মাই-মন্ত্রীক দেৱব্ৰতে সুধিলে, "আপুনি ভাঙি-পাতি ক'ব লাগে, পিতাৰ মনত কিহৰ দুখ।" তেওঁ তেতিয়া উৰহী গছৰ ওৰ দিলে, ৰজাই ধীবৰৰজাৰ কন্যাক বিয়া কৰাব খোজে। কথাষাৰ গম পায়েই, লগত পাত্ৰ-মন্ত্রী লৈ দেৱব্ৰত নিজেই ধীবৰৰজাৰ ওচৰলৈ গ'ল। দেৱব্ৰতে ধীবৰৰজাক প্ৰাৰ্থনা জনালে, তেওঁৰ কন্যাক পিতাক শান্তনুলৈ বিয়া দিব লাগে। ধীবৰৰজাই উত্তৰ দিলে, "ইয়াতকৈ আনন্দৰ কথা একোৱেই হ'ব নোৱাৰে। মোৰ কন্যা সত্যৱতীৰ বাবে শান্তনু অতি উপযুক্ত পাত্ৰ। কিন্তু এষাৰ সৰু কথাৰ কাৰণে পিচহুঁহকিবলগীয়া হয়। জানোচা কেতিয়াবা সত্যৱতীৰ কোলৰ পৰা পুত্ৰ সন্তান উপজিলে, সিবিলাকৰ লগত তোমাৰ কিবা খৰিয়াল লাগে। ৰজাৰ ল'ৰা বুলিলেই তেনেকুৱা কাজিয়া-খৰিয়াল লাগেই। আনহাতে, মই মোৰ নাতি-পুতিৰ কল্যাণৰ কথা নভবাকৈয়ো পৰা নাই।"

দেৱব্ৰতে তেতিয়া ধীবৰৰজাক অভয় দি ক'লে, "তেনেহ'লে মই প্ৰতিজ্ঞা কৰিছোঁ, শুনক। মই কেতিয়াও পিতাৰ সিংহাসন দাবী নকৰোঁ। আপোনাৰ কন্যাৰ গৰ্ভত যি পুত্ৰ উপজিব, তেওঁ বা তেওঁলোকেই পিতাৰ ৰাজ্যৰ ৰাজত্ব পাব।"

ধীবৰৰজাই তেতিয়া দেৱব্ৰতৰ অনেক প্ৰশংসা কৰি ক'লে, "তোমাৰ ত্যাগৰ তুলনা নাই। তুমিয়েই ৰজা শান্তনুৰ একমাত্ৰ অৱলম্বন। এতিয়াৰ পৰা তুমি মোৰ কন্যাৰো অভিভাৱক হৈ পৰিলা। গতিকে,

তুমিয়েই মোৰ কন্যাক সম্প্ৰদান কৰিব পাৰা। তথাপি কন্যাৰ পিতা হিচাপে আৰু কেইটামান কথা ক'ব খুজিছোঁ। অৱশ্যে, সেইবোৰ কথা ক'বলৈ গৈ মোৰ লাজ নলগাকৈ থকা নাই। তথাপি ক'বলৈ লৈছোঁ। তোমাৰ প্ৰতিজ্ঞা অলৰ-অচৰ। কিন্তু, তোমাৰ যি পুত্ৰ উপজিব, তেওঁ-লৈহে মোৰ ভয় লাগিছে। সিহঁতৰ আগত মোৰ নাতি-পুতিবোৰ জানো তিষ্ঠিব পাৰিব?" দেৱব্ৰতে সেইটো সমস্যাৰো সমাধান কৰি উত্তৰ দিলে, "মই পোনতেই সিংহাসনৰ লোভ ত্যাগ কৰিছোঁ। এতিয়া আৰু এটা প্ৰতিজ্ঞা কৰিলোঁ, মোৰ কোনো পুত্ৰই নোপজে। আজিৰ পৰা মই চিৰন্তন ব্ৰহ্মচৰ্য পালন কৰিম। মই বিয়া-বাৰু নকৰাওঁ। মোৰ পুত্ৰ নেথাকিলেও মই অক্ষয় স্বৰ্গ লাভ কৰিম।"

দেৱতাসকলে দেৱব্ৰতৰ প্ৰতিজ্ঞা শুনি আকাশৰ পৰা ঘনে ঘনে পুষ্প-বৃষ্টি কৰিবলৈ ধৰিলে। সেইদিন ধৰি তেওঁ ভীষ্ম বুলি এটা নতুন নামেৰে জনাজাত হৈ পৰিল। ধীবৰৰজায়ো একেবাৰ কথাৰে মনৰ উলাহ প্ৰকাশ কৰিলে, "মই সত্যৱতীক দান কৰিছোঁ।" ভীষ্মই তেতিয়া সত্যৱতীৰ ওচৰলৈ গৈ ক'লে, 'আই, আপুনি মোৰ ৰথত উঠক। আমি এতিয়া নিজৰ ঘৰলৈ যাওঁ।"

হস্তিনাপুৰলৈ আহি ভীষ্মই পিতাক শান্তনুক সকলো কথা ভাঙি-পাতি ক'লে। সকলো পাত্ৰ-মন্ত্ৰী আৰু প্ৰজাই তেওঁৰ গুণ বখানি ক'লে, "সঁচাকৈয়ে এওঁ ভীষ্ম, যিজনে ভীষণ দুঃসাধ্য সাধন কৰে!" ৰজা শান্তনুৱে তেওঁৰ পুত্ৰক বৰ দি ক'লে, "হে নিষ্পাপ, তোমাৰ মৃত্যু তোমাৰ ইচ্ছাৰ অধীন হৈ ৰ'ব। তুমি যিমান দিনলৈকে জীয়াই থাকিব খোজা, সিমান দিনলৈকে মৃত্যুৱে তোমাক স্পৰ্শ নকৰে।"

## ॥ চিত্ৰাংগদ আৰু বিচিত্ৰবীৰ্য ॥

সত্যৱতীৰ ফালৰ পৰা শান্তনুৰ দুটি পুত্ৰ জন্ম হ'ল। ডাঙৰজন চিত্ৰাংগদ, সৰুজন বিচিত্ৰবীৰ্য। চিত্ৰাংগদ ডাঙৰকৈ ডেকা হ'বলৈ নৌ-পাওঁতেই শান্তনু স্বৰ্গী হ'ল। সত্যৱতীৰ সম্মতি লৈ ককায়েক ভীষ্মই

চিত্ৰাংগদক পিতাকৰ সিংহাসনত বহুৱালে। চিত্ৰাংগদে কেইবাখনো ৰাজ্য জয় কৰি পিতাকৰ ৰাজ্যৰ সীমা যথেষ্ট বৃদ্ধি কৰিলে। এনে সময়তে গন্ধৰ্বৰাজ চিত্ৰাংগদে তেওঁক প্ৰত্যাহ্বান জনালে, "তোমাৰ আৰু মোৰ দুয়োৰে একেটা নাম। এনে কথা হ'ব নোৱাৰে। গতিকে, তুমি তোমাৰ নামটো সলনি কৰা। নহ'লে, মোৰ লগত যুদ্ধ কৰি প্ৰাণ ৰক্ষা কৰা।"

দুয়োৰো মাজত কুৰুক্ষেত্ৰৰ পথাৰত প্ৰবল যুদ্ধ লাগিল। অৱশেষত, কুৰুবংশী চিত্ৰাংগদ গন্ধৰ্বৰাজ চিত্ৰাংগদৰ হাতত নিহত হ'ল। ভায়েক বিচিত্ৰবীৰ্য তেতিয়াও চেমনীয়া ল'ৰা হৈয়েই আছিল। সত্যৱতীৰ সম্মতি লৈ ককায়েক ভীষ্মই বিচিত্ৰবীৰ্যকেই ৰাজসিংহাসনত থাপি নিজৰ প্ৰতিজ্ঞা ৰাখিলে। বিচিত্ৰবীৰ্য যেতিয়া ডেকা হ'ল, তেতিয়া ভীষ্মই তেওঁক বিয়া-বাৰু কৰাই দিয়াৰ কথা চিন্তা কৰিলে।

এনে সময়তে বাতৰি আহিল, কাশীৰাজে তেওঁৰ তিনিজনী কন্যা—অম্বা, অম্বিকা আৰু অম্বালিকাৰ স্বয়ম্বৰ পাতিছে। সত্যৱতীৰ অনুমতি লৈ ভীষ্ম সেই স্বয়ম্বৰ-সভাত ওলালগৈ। সেই সভালৈ বহু দেশৰ বহু ৰজা আৰু ৰাজকোঁৱৰ আহিছিল। প্ৰত্যেকেই যেতিয়া এজন এজনকৈ নিজৰ চিনাকি দিবলৈ উঠিল, তেতিয়া অকলশৰীয়া বৃদ্ধ ভীষ্ময়ো আপোন চিনাকি দিলে। লগে লগে সভাৰ সকলোৱে হাঁহিবলৈ ধৰিলে। দুই-এজনে ইতিকিং কৰি সুধিয়েই পেলালে, বুঢ়াই তেওঁৰ প্ৰতিজ্ঞা ভাঙিবলৈ ওলাইছে নেকি?

ভীষ্ম ৰজাবিলাকৰ অশিষ্ট ব্যৱহাৰ দেখি খঙত জ্বলি-পকি উঠিল। অৱশেষত, তেওঁ তিনিওজনী কন্যা থপিয়াই আনি নিজৰ ৰথত তুলিলেহি। তাৰ পাচত, গুৰু-গম্ভীৰ মাতেৰে তেওঁ ক'বলৈ ধৰিলে, "ৰজা-ৰাজকোঁৱৰসকলে মোৰ কথা শুনি লওক। বহু ধৰণৰ বিবাহ প্ৰচলিত। শাস্ত্ৰমতে, বি কোনো স্বয়ম্বৰ-সভাত সকলো প্ৰতিদ্বন্দ্বীকে পৰাভূত কৰি কন্যা হৰণ কৰাটোৱেই ক্ষত্ৰিয়সকলৰ কাৰণে শ্ৰেষ্ঠ পদ্ধতি। মই এই কন্যাকেইগৰাকীক কাঢ়ি নিছোঁ। যদি তোমালোকৰ শক্তি আছে, তেনেহ'লে মোৰ লগত যুদ্ধ দিয়া।" সেই কথা শুনি ৰজা-ৰাজকোঁৱৰ-

সকলে খণ্ডত ও'ঠ কাম্ুৰিবলৈ ধৰিলে। তেওঁলোকে লৰালৰিকৈ অলংকাৰ-পাতি সোলোকাই ঢাল-তৰোৱাল লৈ ৰথত উঠি ভীষ্মক খেদি গ'ল। সকলোবোৰ অস্ত্ৰ-শস্ত্ৰত নিপুণ ভীষ্মই হেলাৰঙে সিবিলাকক পৰাজিত কৰিলে। সকলোবোৰ তেওঁৰ আগত তিষ্ঠিব নোৱাৰি উভতি যাবলৈ ধৰিলে। মাথোন মহাৰথ শাল্বৰাজে তেওঁৰ পাচে পাচে খেদা মাৰি যাবলৈ নেৰিলে। কিন্তু, তেৰোঁ ভীষ্মৰ হাতত পৰাজিত হ'ল। তেওঁৰ ৰথৰ সাৰথি আৰু ঘোঁৰাকেইটাই ভীষ্মৰ শৰাঘাতত মৃত্যু বৰণ কৰিলে। অৱশেষত, শাল্বৰাজো উভতি গ'ল। ভীষ্মই হাঁহি হাঁহি তিনিওজনী কন্যাকেই নিজৰ ভনীয়েকৰ দৰে আদৰ-সাদৰকৈ হস্তিনাপুৰৰ পিনে লৈ গুচি গ'ল।

ভায়েক বিচিত্ৰবীৰ্যৰ সৈতে তিনিওটি কন্যাৰ বিয়া পাতিবলৈ যো-জা কৰা দেখি, জ্যেষ্ঠা অম্বাই এদিন ভীষ্মক লাজ-মান কাতি কৰি থৈ ক'লে, "স্বয়ম্বৰ-সভাত মই শাল্বৰাজকেই বৰণ কৰিলোহেঁতেন। তেৰোঁ মোকেই বিচাৰিছিল। পিতাৰো সম্মতি আছিল। অধিক একো নকওঁ। আপুনি ধৰ্মজ্ঞ। গতিকে, ধৰ্মমতে যিটো উচিত, তাকেই নিশ্চয় কৰিব।" ভীষ্মই সেই কথা শুনি ব্ৰাহ্মণসকলৰ লগত আলোচনা কৰিলে। তেওঁলোকৰ মন্ত্ৰণা লৈ ভীষ্মই অম্বাক শাল্বৰজাৰ ওচৰলৈ পঠাই দিলে। তাৰ পাচত, মহা সমাৰোহেৰে অম্বিকা আৰু অম্বালিকাৰ লগত বিচিত্ৰবীৰ্যৰ বিয়া পাতি দিলে।

বিচিত্ৰবীৰ্যই দুয়োগৰাকী সুন্দৰী পত্নীক লৈ কেইবছৰমান পৰম আনন্দেৰে কটালে। সাত বছৰ সুখে-সন্তোষে কটোৱাৰ পাচত তেওঁক যক্ষ্মাৰোগে আক্ৰমণ কৰিলেহি। বন্ধু-বান্ধৱ আৰু চিকিৎসকসকলে তেওঁৰ নিৰাময়ৰ কাৰণে বহু যত্ন কৰিলে। কিন্তু দিনৰ শেষত যিদৰে বেলিটো পশ্চিম দিগন্তত মাৰ যায়, সেইদৰে তেওঁৰ জীৱন-বেলিটোও মৃত্যুৰ দিগন্তলৈ খহি পৰিল।

## ॥ ধৃতৰাষ্ট্ৰ, পাণ্ডু আৰু বিদুৰৰ জন্ম ॥

স্বাভাৱিকতে, বিচিত্ৰবীৰ্যৰ মৃত্যুত সত্যৱতী শোক-সাগৰত বুৰ গৈছিল। দুয়োজনী বোৱাৰীয়েকক সান্ত্বনা দিবলৈয়ো তেওঁৰ ভাষা নাছিল। অৱশেষত, তেওঁ ভীষ্মৰ ওচৰলৈ গৈ ক'লে, "তোমাৰ পিতা ৰজা শান্তনুৰ পিণ্ড আৰু বংশ লোপ পাবলৈ লৈছে। সেয়া ৰক্ষা কৰাৰ ভাৰ এতিয়া তোমাৰ ওপৰতেই পৰিছে। ধৰ্মৰ নিৰ্দেশ আৰু পূৰ্ব-পুৰুষৰ ৰীতি তুমি বঢ়িয়াকৈ জানা। গতিকে, মোৰ আদেশত তুমি বংশৰক্ষাৰ প্ৰয়োজনত তোমাৰ দুই ভাইবোৱাৰীৰ গৰ্ভত সন্তান উৎপাদন কৰা। নহ'লে তুমি নিজে বিয়া-বাৰু কৰি সন্তানৰ পিতা হ'বৰ চেষ্টা কৰা। কোনোটোৱেই নকৰিলে, তোমাৰ পূৰ্বপুৰুষসকল নৰকত জাহ যাব লাগিব।"

ভীষ্মই তেতিয়া উত্তৰ দিলে, "আই, মই সকলো এৰিব পাৰো; কিন্তু মোৰ প্ৰতিজ্ঞাৰ কথা এৰিব নোৱাৰো। শান্তনু ৰজাৰ বংশ ক্ষত্ৰিয় ধৰ্ম অনুসৰি যেনেকৈ ৰক্ষা কৰিব পাৰি, তাৰ উপায় কওঁ; শুনক। অতীত কালত জামদগ্ন্য পৰশুৰামে যেতিয়া পৃথিৱী নিক্ষত্ৰিয় কৰিছিল, তেতিয়া ক্ষত্ৰিয় বিধৱাসকলে ব্ৰাহ্মণ পুৰুষে নিয়োগ কৰিয়েই সন্তান উৎপাদন কৰাই লৈছিল। কাৰণ, বেদৰ বিধানমতে, ভেৰোনীয়া বাপেকৰ সন্তানৰ ওপৰত কোনো অধিকাৰ নাথাকে। গতিকে, ধন দি কোনোবা গুণবান ব্ৰাহ্মণক এওঁলোকৰ গৰ্ভত সন্তান উৎপাদনৰ কামত নিয়োগ কৰক।"

সত্যৱতীয়ে তেতিয়া লাজ-মান কাতি কৰি নিজৰ অতীত জীৱনৰ কাহিনী খোলতে ক'লে। তাৰ পাচত, প্ৰস্তাৱ কৰিলে, "মোৰ কুমাৰী কালতে মোৰ যি পুত্ৰ উপাৰ্জিছিল, তেওঁৰ নাম দ্বৈপায়ন। তেওঁ মহাযোগী, মহৰ্ষি আৰু চাৰি বেদ ভাগ কৰি ব্যাস উপাধি পাইছে। তেওঁৰ গাৰ বৰণটো ক'লা আৰু সেইবাবে তেওঁৰ আন এটা নাম কৃষ্ণ। মোৰ এই পুত্ৰৰত্নক উপাৰ্জিয়েই পিতাক পৰাশৰ মুনিৰ লগত গ'লগৈ। যাবৰ সময়ত মোক কৈ থৈ গৈছিল, প্ৰয়োজন হ'লে মই তেওঁক স্মৰণ কৰিলেই দেখা দিবহি। বোপা ভীষ্ম, মই যদি এতিয়া তেওঁক মাতি আনো, তুমি

কেনেকুৱা দেখা ? তুমি আৰু মই দুয়ো অনুৰোধ কৰিলে, তেওঁ নিশ্চয় আমাৰ প্ৰাৰ্থনা পূৰণ কৰিব।"

প্ৰস্তাৱটো ভীষ্মই সমৰ্থন কৰিলত সত্যৱতীয়ে ব্যাসক স্মৰণ কৰিলে। ব্যাসে লৰালৰিকৈ আহি মাতৃৰ সমুখত দেখা দিলেহি। সত্যৱতীয়ে তেওঁৰ প্ৰথম যৌৱনৰ সন্তান ব্যাসক অতি আদৰ-সাদৰ কৰি অভ্যৰ্থনা জনালে। ব্যাসে তেতিয়া তেওঁক হঠাৎ স্মৰণ কৰাৰ কাৰণ সুধিলে, তেতিয়া সত্যৱতীয়ে সকলো কথা ভাঙি-পাতি ক'লে। ব্যাসে উত্তৰ দিলে, "আই, কেৱল ধৰ্মপালনৰ উদ্দেশ্যে মই আপোনাৰ আদেশ পালন কৰিম। এতিয়া মোৰ নিৰ্দেশ অনুসৰি দুয়োজনা ৰাণীয়ে এবছৰ ব্ৰত পালন কৰি শুচি হৈ লওক। তাৰ পাচতহে তেওঁলোক মোৰ ওচৰলৈ আহিব।" মাক সত্যৱতীয়ে তেতিয়া ক'লে, "অৰাজক ৰাজ্যত বৰষুণ নহয়। বৰষুণ নহ'লে দেৱতাসকলৰ উদ্দেশ্যে যাগ-যজ্ঞ কৰাৰ কথা প্ৰজাই পাহৰি থাকে। গতিকে, দুয়োজনী ৰাণী যাতে সোনকালে গৰ্ভৱতী হয়, তাৰ ব্যৱস্থা কৰা।" ব্যাসে সন্মতি প্ৰকাশ কৰি জনালে, "আপুনি যেনে ভাল দেখে, তেনে মতেই হ'ব। কিন্তু, তেওঁলোকে জানোচা মোৰ দেহৰ কুৎসিত ৰূপ, উৎকট গোন্ধ আৰু কদৰ্য পৰিধান সহ্য কৰিবলৈ নিবিচাৰে পায়—সেইটোৱেই মোৰ ভয়।"

সত্যৱতীয়ে ভালেমান বুজনি দি কোনোৰকমে বোৱাৰীয়েক অম্বিকাক তেওঁৰ শোৱনি-কোঠালৈ পঠিয়াব পাৰিলে। ব্যাস যেতিয়া সেই অসংখ্য চাকিৰ পোহৰে ধুই থোৱা কোঠাটোত সোমালহি, অম্বিকা উচপ্ খাই উঠিল। আউসী নিশাৰ আকাশৰ দৰে ক'লা গাৰ বং, জ্বলি থকা চাকিৰ দৰে চাট মাৰি ধৰা এহাল চকু, মুগাবৰণীয়া এগচ জটা আৰু একোচা দাড়িৰে সৈতে ব্যাসৰ মূৰ্তিটো দেখি অম্বিকাই ভয়ত চকু দুটা মুদি দিলে। সেই অৱস্থাতে দুয়োৰো মিলন ঘটিল। অৱশেষত ব্যাস যেতিয়া বাহিৰলৈ ওলাই আহিল, সত্যৱতীয়ে তেতিয়া ভৱিষ্যদ্ৰষ্টা ব্যাসক সুধিলে, অম্বিকাৰ কেনে ধৰণৰ ৰাজকোঁৱৰ উপজিব। ব্যাসে উত্তৰ দিলে, "এওঁ এনে ৰাজকোঁৱৰৰ জন্ম দিব, যিজন অযুত হাতীৰ দৰে বলবান, অসাধাৰণ বিদ্বান আৰু শতপুত্ৰৰ জনক হ'ব ; মাথোন মাকৰ দোষত

জন্মান্ধ হ'ব।" সত্যৱতীয়ে তেতিয়া ক'লে, "অন্ধ ৰজা কুৰু বংশৰ গৌৰৱৰ লগত খাপ নেখাব। গতিকে, সোনকালেই অম্বালিকাকো এটি পুত্ৰ দান কৰিবাহি।" ব্যাস মান্তি হৈ নিজৰ ঠাইলৈ উভতি গ'লগৈ।

অলপ দিনৰ পাচতে ব্যাস আকৌ ওলালহি। এইবাৰ তেওঁ আগৰ বাৰৰ দৰেই আনগৰাকী ভাইবোৱাৰী অম্বালিকাৰ শোৱনি-কোঠাত সোমাল। অম্বালিকায়ো ব্যাসৰ মূৰ্ত্তি দেখি অম্বিকাৰ দৰেই একে ধৰণেৰে ভয় খাই উঠিল। তেওঁ সতৰ্ক হৈ চকুহাল মেলি থাকিল যদিও, ভয়ত তেওঁৰ গোটেই গাৰ বং চেঁচা হোৱা তেজেৰে শেঁতা-হালধীয়া হৈ পৰিল। সেই অৱস্থাতে দুয়োৰো মিলন ঘটিল। ব্যাস বাহিৰলৈ ওলাই আহিলত, এইবাৰো সত্যৱতীয়ে ব্যাসক সুধিলে, অম্বালিকাৰ ফালৰ ৰাজকোঁৱৰজন কেনে ধৰণৰ হ'ব। ব্যাসে উত্তৰ দিলে, "এওঁ এনে ৰাজকোঁৱৰৰ জন্ম দিব, যিজন অতি বিদ্বান, যশস্বী আৰু পঞ্চপুত্ৰৰ পিতা হ'ব।"

সত্যৱতীয়ে মুখখন আমোলাই পেলালে। ব্যাসক তেওঁ অনুৰোধ জনালে, অন্ততঃ আকৌ এবাৰ ভাল দিন-বাৰ চাই দেখা দিবহি লাগে আৰু সেইবাৰ কোনোবাজনী বোৱাৰীয়েকক এটি সৰ্বাংগসুন্দৰ পুত্ৰ দান কৰিব লাগে। ব্যাস মান্তি হৈ উভতি গ'ল।

যথাসময়ত অম্বিকাৰ এটি অন্ধ পুত্ৰ আৰু অম্বালিকাৰ এটা পাণ্ডু-বৰ্ণ পুত্ৰ জন্ম হ'ল। তেওঁলোকৰ নাম ৰখা হ'ল ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু। তাৰ কিছুদিনৰ পাচতে ব্যাস ওলালহি। সত্যৱতীয়ে এইবাৰ ডাঙৰ বোৱাৰীয়েক অম্বিকাক পাচিলে। অম্বিকাই এজনী লিগিৰীৰ সহায় ল'লে। নিজৰ সজনি তাইকে সজাই-পৰাই শোৱনি-কোঠালৈ পঠালে। লিগিৰীজনীৰ অভ্যৰ্থনা আৰু পৰিচৰ্যাত পৰম তুষ্ট হৈ ব্যাসে তেওঁক বৰ দি ক'লে, "ইয়াৰ পাচত তুমি কাৰো দাসী হৈ থাকিব নালাগে। তোমাৰ পুত্ৰ সাক্ষাৎ ধৰ্ম আৰু পৰম বুদ্ধিমান হ'ব।"

লিগিৰীৰ গৰ্ভত জন্ম লোৱা ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুৰ এই ভায়েকজনেই বিদুৰ। তেওঁ দৰাচলতে মাণ্ডব্য মুনিৰ অভিশাপত মানুহ হৈ জন্ম লোৱা স্বয়ং ধৰ্ম।

মাণ্ডব্য মুনি এগৰাকী মহান তপস্বী আছিল। সেইবাবেই, ধৰ্মই

তেওঁৰ অভিশাপৰ পৰা ৰক্ষা পাব নোৱাৰিলে। এদিন মৌনব্ৰত ধৰি ঊৰ্ধবাহু হৈ মাণ্ডব্য তেওঁৰ তপস্যাত মগ্ন হৈ আছিল। এনেতে কেইটা-মান চোৰ নগৰ-প্ৰহৰীৰ খেদাত ভৰাপি নেপাই মাণ্ডব্যৰ আশ্ৰমত সোমালহি। প্ৰহৰীবিলাকে মুনিক লিবিলাকৰ কথা সুধিলে। মৌনব্ৰত-ধাৰী মুনি মনে মনে থাকিল। কিন্তু, প্ৰহৰীবিলাকে যেতিয়া চোৰ-কেইটাক ধৰিলেগৈ, সিহঁতৰ হাতত চুৰিকৈ অনা বস্তুখিনি নেপালে। অৱশেষত, বিচাৰ-খোচাৰ লৈ গোটেইখিনি বস্তু আশ্ৰমৰ ভিতৰতে পালে। গতিকে, প্ৰহৰীবিলাকে চোৰকেইটাৰ লগতে মাণ্ড্যব্যকো একেলগে সাঙুৰি লৈ ৰজাৰ ওচৰ পোৱালেগৈ। ৰাজসভাত যেতিয়া ৰজাই বিচাৰ ল'লে, মাণ্ডব্যই তেতিয়াও একো নেমাতিলে। গতিকে, চোৰকেইটাৰ লগতে মাণ্ডব্যকো ৰজাই শূলত দিয়াৰ শাস্তি বিহিলে।

যেতিয়া আটাইকেয়োজনাকে শূলত বহুওৱা হ'ল, চোৰকেইটা তত্তালিকে মৰিল, মাণ্ডব্য কিন্তু জী থাকিল। তেওঁ শূলৰ ওপৰত বহিও তপস্যা কৰিয়েই থাকিল। কেইদিনমানৰ পাচত কথাষাৰ ৰজাৰ কাণত পৰিলগৈ। ৰজাই নিজে আহি তেওঁৰ ওচৰত ক্ষমা খুজিলে। ৰজাৰ আদেশত চাওদাং বিলাকে মাণ্ডব্যক শূলৰ পৰা নমাই আনিবৰ বাবে অনেক চেষ্টা কৰিলে। অৱশেষত হাৰ মানি, সিহঁতে শূলডালৰ ওলাই থকাখিনি গুৰিতে কাটি পেলালে। গতিকে, শূলডালৰ এছোৱা তেওঁৰ গাৰ ভিতৰতে ৰ'ল। সেইদৰেই অশেষ কষ্ট খাই মাণ্ডব্য মুনিয়ে তপস্যা কৰি জীৱন কটাবলৈ ধৰিলে। তেওঁ ভাবি-গুণি বিচাৰি নেপালে, তেওঁৰ সেই কষ্টকৰ জীৱন কিহৰ কৰ্মফল! শেষত, ধৰ্মৰ ওচৰলৈ গৈ কথাষাৰ সুধিলে।

ধৰ্মই মাণ্ডব্য মুনিক জনালে, "চেঁচেলীয়া হৈ থাকোঁতেই আপুনি এটা জিঞা ধৰি আনি, তাক খৰিকা এডালেৰে শূলত দি ৰং চাইছিল। আপোনাৰ এই কষ্ট সেই কৰ্মৰে ফল।" মাণ্ডব্যই তেতিয়া ক'লে, "ধৰ্মৰাজ, আপুনি লঘু পাপত গুৰু শাস্তি বিহিলে। আজিৰ পৰা মই এটা কথাৰ গড় বান্ধি দিলোঁ, চৈধ্য বছৰ বয়সলৈকে মানুহে নজনা-নবুজাকৈ কিবা পাপ কৰিলে, তাৰ বাবে তেওঁ কোনো শাস্তি ভুগিব

নালাগে। অ.ৰ. শ.নক, আপ.নি ব্ৰাহ্মণবধৰ লেখীয়া ডাঙৰ পাপ কৰিছে। গতিকে, মই শাপ দিলোঁ, আপুনি দাসীৰ গৰ্ভত জন্ম লৈ পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব।”

## ॥ গান্ধাৰী, কুন্তী আৰু মাদ্ৰী ॥

ভীষ্মই ধৃতৰাষ্ট্ৰ, পাণ্ডু আৰু বিদুৰ—এই তিনিওজন ভতিজাককে নিজৰ পুতেকৰ নিচিনাকৈ পঢ়াই-শুনাই আৰু শিকাই-বুজাই ডাঙৰ-দীঘল কৰিলে। ধৃতৰাষ্ট্ৰ অসাধাৰণ বলবান, পাণ্ডু অসামান্য ধনুৰ্ধৰ আৰু বিদুৰ অদ্বিতীয় ধৰ্মপৰায়ণ হৈ উঠিল। ধৃতৰাষ্ট্ৰ যিহেতু জন্মান্ধ আৰু বিদুৰ যিহেতু দাসীপুত্ৰ আছিল, সেইবাবে পাণ্ডুকেই ৰাজপাটত বহুওৱা হ’ল।

বিদুৰৰ লগত আলোচনা কৰি পোনতে ধৃতৰাষ্ট্ৰৰ বিয়া পতাৰ আয়োজন কৰা হ’ল। ইতিমধ্যে, ভীষ্মই গম পালে যে গান্ধাৰৰাজ সুবলৰ কন্যা গান্ধাৰীয়ে সদাশিৱক সন্তুষ্ট কৰি বৰ লাভ কৰিছে, তেওঁৰ শতপুত্ৰ জন্মিব। কথাষাৰ শুনি ভীষ্মই সুবলৰ কন্যা গান্ধাৰীকেই ধৃতৰাষ্ট্ৰই বিয়া কৰাই অনাৰ কথা চিন্তা কৰিলে। বংশৰ খ্যাতিৰ কথা ভাবি সুবলে অন্ধ হ’লেও ধৃতৰাষ্ট্ৰক জোঁৱাই পতাৰ কথাত বিশেষ কুণ্ঠা নকৰিলে। গান্ধাৰীয়ে তেওঁৰ হ’বলগীয়া স্বামী অন্ধ বুলি জানি নিজেও চকুৰ আগত এডোখৰ কাপোৰৰ পটি পিন্ধিবলৈ ল’লে, যাতে জীৱনে-মৰণে তেওঁ স্বামীৰ দুখত দুখী হৈ থাকিব পাৰে। এনেকৈয়ে ধৃতৰাষ্ট্ৰই এগৰাকী সতীক জীৱনৰ লগৰী হিচাপে বিচাৰি পালে।

তাৰ পাচত, পাণ্ডুৰ বিয়াৰ আয়োজন চলিল। ভীষ্ম আৰু বিদুৰে ৰজা কুন্তিভোজৰ তোলনীয়া জীয়েক কুন্তীক পাণ্ডুলৈ অনাৰ কথা চিন্তা কৰিলে। কুন্তী দৰাচলতে বসুদেৱৰ পিতাক শূৰৰ কন্যা আছিল। তেতিয়া তেওঁৰ নাম আছিল, পৃথা। সেই সূত্ৰেই পৃথা বা কুন্তী শ্ৰীকৃষ্ণৰ পেহীয়েক আছিল। সন্তানহীন কুন্তিভোজে কুন্তীক সুন্দৰকৈ শিক্ষা-দীক্ষা দি ডাঙৰ-দীঘল কৰিছিল। এদিন দুৰ্বাসা ঋষি তেওঁলোকৰ

আজহী হ'লহি। দুৰ্বাসা ঋষি কুন্তীৰ সেৱা-শুশ্ৰূষাত পৰম সন্তুষ্ট হ'ল। দুৰ্বাসাই তেওঁক এটা মন্ত্ৰ শিকাই উঠি বৰ দিলে, "তুমি এই মন্ত্ৰটো পঢ়ি যি দেৱতাকে আহ্বান কৰা, তেওঁৰ প্ৰসাদতে তুমি একোজন পুত্ৰ লাভ কৰিবা।" দুৰ্বাসাই বিদায় লোৱাৰ পাচত, কুন্তীয়ে সেই মন্ত্ৰটোৰ গুণাগুণ পৰীক্ষা কৰি চাব খুজিলে। তাকে কৰিবলৈ লৈ তেওঁ সূৰ্যদেৱতাক আহ্বান কৰি মন্ত্ৰটো পঢ়িলে। লগে লগে সূৰ্য তেওঁৰ সমুখত ওলালহি। সূৰ্যই সুধিলে, "তুমি কি বিচাৰিছা, কোৱা।" কুন্তীয়ে দুৰ্বাসা ঋষিৰ বৰৰ কথা ভাঙি-পাতি কৈ দেৱতাগৰাকীৰ ওচৰত ক্ষমা বিচাৰিলে। সূৰ্যই তেতিয়া ক'লে, "মহৰ্ষিৰ বৰ অথলে নেযায়। তুমি মোৰ পৰা এটি পুত্ৰ লাভ কৰিবা। ভয়ৰ কোনো কাৰণ নাই, তুমি কুমাৰী হৈয়েই ৰ'বা।"

কিছুদিনৰ পাচত কুন্তীৰ কুমাৰী কালতে এটি ধুনীয়া পুত্ৰ-শিশু জন্ম হ'ল। অপযশৰ ভয়ত কুন্তীয়ে সেই শিশুটো এটা মাটিৰ চৰুত ভৰাই নৈত উটুৱাই থৈ আহিলগৈ। সূত বংশৰ এজন সদাচাৰী লোক অধিৰথ আৰু তেওঁৰ পত্নী ৰাধাই সেই শিশুটো পাই বৰ সুখী হ'ল। কাৰণ, তেওঁলোক অপুত্ৰক আছিল। তেওঁলোকে শিশুটোৰ নাম থ'লে, বসুষেণ।

বসুষেণৰ জন্মৰে পৰা বুকুত এটা অলৌকিক কবচ আৰু কাণত এজোৰ সমানে অলৌকিক কুণ্ডল আছিল। সময়ত তেওঁ এজন মহাবীৰ আৰু দানবীৰ হৈ উঠিল। ডেকা বয়সত বসুষেণে দেৱৰাজ ইন্দ্ৰৰ প্ৰভাৱপাত পৰি তেওঁৰ নিজৰ দেহৰ পৰা অলৌকিক কবচটো কাটি আৰু কুণ্ডল-জোৰ সোলোকাই দেৱৰাজক দান দিবলৈয়ো পিচ-হোঁহকা নাছিল। তেতিয়াৰে পৰা বসুষেণৰ আন দুটা নাম বৈকৰ্তন আৰু কৰ্ণ প্ৰসিদ্ধ হৈ পৰিছিল।

যি কি নহওক, বিয়াৰ আগতে কুন্তীৰ গৰ্ভত কৰ্ণ জন্ম হোৱাৰ কথা কোনেও নেজানিছিল। কুন্তীৰ বয়স হৈ অহাত ৰজা কুন্তিভোজে তেওঁৰ স্বয়ম্বৰ পাতিলে। স্বয়ম্বৰ-সভাত কুন্তীয়ে প্ৰতাপী ৰজা পাণ্ডুৰ ডিঙিত মালা পিন্ধাই তেওঁক বৰণ কৰিলে।

ৰজা বুলিলেই এজনী কুঁৱৰীয়ে নাটে। সেইকাৰণে, ভীষ্মই পাণ্ডুৰ আৰু এখন বিয়া পতাৰ কথা চিন্তা কৰিলে। তেওঁ গম পালে যে, মদ্র দেশৰ ৰজা শল্যৰ এজনী ধুনীয়া ভনীয়েক আছে। ভীষ্মই শল্যৰ ওচৰলৈ গৈ প্ৰস্তাব দিলে, ভনীয়েক মাদ্রীক পাণ্ডুলৈ বিয়া দিব লাগে। মদ্ৰৰাজ শল্যই তেতিয়া উত্তৰ দিলে, "ইয়াতকৈ সন্তোষৰ কথা একো হ'ব নোৱাৰে। কিন্তু, আমাৰ বংশত এটা নিয়ম চলি আহিছে। সেই নিয়মটোৰ কথা আপুনি জানে। ভাল হওক বেয়া হওক, আমি সেই নিয়মটো লৰচৰ কৰিব নোখোজোঁ।"

ভীষ্মই জানিছিল, বাহ্লীক বংশত দৰাঘৰৰ পৰা কন্যামূল্য বুলি কন্যাঘৰক কিছু মূল্যবান বস্তুৰে এটা শকত ধৰণৰ জোৰোণ দিয়াৰ নিয়ম চলি আহিছিল। গতিকে, ভীষ্মই উত্তৰ দিলে, "আপুনি উত্তম কথাই কৈছে। কুলধৰ্ম পালন কৰাত কোনো দোষ নাই।" এইবুলি কৈ আহি কেইদিনমানৰ পাচতে শল্যলৈ ভালেমান মণি-মুকুতা আৰু সোণ-ৰূপ, কেইটামান হাতী, ঘোঁৰা আৰু ৰথ, এজাৰ কাপোৰ-কানি আৰু অলংকাৰৰ সৈতে পঠোৱা হ'ল। এইদৰেই পাণ্ডুৰ লগত মাদ্রীৰ বিবাহ সম্পন্ন হ'ল।

বিদুৰৰ বিয়াখনো বিদুৰৰ উপযোগীকৈ পতা হ'ল। দেৱক ৰজাৰ এগৰাকী শূদ্রা পত্নীৰ গৰ্ভত এজন ব্ৰাহ্মণৰ ফালৰ পৰা এটি ধুনীয়া কন্যা উপজিছিল। সেই কন্যাটিৰ লগতে বিদুৰৰ বিবাহ সম্পন্ন কৰা হ'ল।

মাদ্রীৰ লগত বিয়াৰ তেৰ দিনৰ পাচতে পাণ্ডু সৈন্য-সামন্ত লৈ দিগ্বিজয় কৰিবলৈ ওলাল। যথাসময়ত মগধ, মিথিলা আৰু কাশী আদি বহুতো ৰাজ্য জয় কৰি পাণ্ডু হস্তিনাপুৰলৈ উভতি আহিল। লুণ্ঠন কৰি অনা আৰু কৰতলীয়া হোৱা ৰজাবিলাকে দিয়া অশেষ ধন-সোণেৰে তেওঁৰ ৰাজভঁৰাল চহকী হ'ল। এইদৰেই ৰজা শান্তনু আৰু ভৰতৰ পাচত ক্ৰমে ম্লান হৈ অহা কুৰু বংশৰ খ্যাতি আকৌ প্ৰতিষ্ঠিত হ'ল।

## ॥ দুৰ্য্যোধন আদিৰ জন্মকথা ॥

সকলোৱে জানিছিল, গান্ধাৰীৰ শতপুত্ৰ হ'ব। ধৃতৰাষ্ট্ৰৰ লগত বিয়া হোৱাৰ পাচত গান্ধাৰী গৰ্ভৱতী হ'ল। কিন্তু, দুবছৰ পাৰ হৈ যোৱাৰ পাচতো তেওঁৰ কোনো সন্তান ভূমিষ্ঠ নোহোৱাকৈ থাকিল। সেই দুবছৰৰ ভিতৰতে পাণ্ডু আৰু কুন্তীৰ এটি পুত্ৰ জন্ম হোৱা দেখি গান্ধাৰী ভিতৰে-ভিতৰে অলপ ঈৰ্ষাতুৰা হৈ উঠিল। গতিকে, ধৃতৰাষ্ট্ৰক নজনোৱাকৈয়ে গান্ধাৰীয়ে সন্তানক অকাল ভূমিষ্ঠ কৰোৱাৰ ব্যৱস্থা ল'লে। ফলত, লপথপ এথোপা মঙহ মাথোন ভূমিষ্ঠ হ'ল। গান্ধাৰীয়ে মূৰে-কপালে হাত দি সেই মঙহৰ থোপাটো পেলাই দিবলৈ ওলাল। এনেতে ব্যাসদেৱে দেখা দিলেহি। ব্যাসক দেখি গান্ধাৰীয়ে বিননি জুৰিলে, "মোৰ শত পুত্ৰৰ সলনি দেখোন এই মঙহৰ থোপাটোহে উপজিল।" ব্যাসে তেতিয়া ক'লে, "মোৰ কথা কেতিয়াও অথলে নেযায়। যি বৰ দিছোঁ, সেয়া ফলিয়াবই।"

তাৰ পাচত, মঙহথোপা এশ ভাগ কৰি ব্যাসে প্ৰতিটো থোপাৰ ওপৰত এচলুকৈ চেঁচা পানী ছটিয়াই দিলে। কিছুপৰৰ পাচত মঙহখিনি যেতিয়া সঁজাল হৈ উঠিল, তেতিয়া ব্যাসে সেইখিনি এশটা ঘিঁউৰে ভৰপূৰ কলহত ভৰাই একোখনকৈ ঢাকোন দি নিৰল ঠাইত থৈ দিবলৈ ক'লে। গান্ধাৰীয়ে ব্যাসৰ উপদেশমতেই সকলো কাম কৰিলে। সময়ত প্ৰতিটো কলহৰ পৰা গান্ধাৰীৰ একোটিকৈ মুঠতে এশ পুত্ৰ জন্ম হ'ল। এওঁলোকক সমূহীয়াকৈ কৌৰৱ বুলি কোৱা হয়। কাৰণ, এওঁলোকৰ জন্ম কুৰু ৰজাৰ ঘাই সুঁতিত।

এই এশজন পুত্ৰৰ নাম ৰখা হৈছিল : ক্ৰমে দুৰ্যোধন, যুযুৎসু, দুঃশাসন, দুঃসহ, দুঃশল, জলসন্ধ, সম, সহ, বিন্দ, অনুবিন্দ, দুৰ্দ্ধৰ্ষ, সুবাহু, দুষ্প্ৰধৰ্ষণ, দুৰ্মৰ্ষণ, দুৰ্মুখ, দুষ্কৰ্ণ, কৰ্ণ, বিবিংশতি, বিকৰ্ণ, শল, সত্ব, সুলোচন, চিত্ৰ, উপচিত্ৰ, চিত্ৰাক্ষ, চাৰুচিত্ৰ, শৰাসন, দুৰ্মদ, দুৰ্বিগাহ, বিবিৎসু, বিকটানন, উৰ্ণনাভ, সুনাভ, নন্দ, উপনন্দক, চিত্ৰবাণ, চিত্ৰবৰ্মা, সুবৰ্ম, দুৰ্বিমোচন, অয়োবাহু, মহাবাহু, চিত্ৰাংগ, চিত্ৰকুণ্ডল, ভীমবেগ, ভীমবল, বলাকী, বলবৰ্দ্ধন, উগ্ৰায়ুধ, সুষেণ, কুণ্ডধাৰ, মহোদৰ,

চিত্ৰায়ুধ, নিষংগী, পাশী, বৃন্দাৰক, দৃঢ়বৰ্মা, দৃঢ়ক্ষত্ৰ, সোমকীৰ্ত্তি, অনুদৰ, দৃঢ়সন্ধ, সত্যসন্ধ, জৰাসন্ধ, সদ, সুবাক্, উগ্ৰশ্ৰবা, উগ্ৰসেন, দুষ্পৰাজয়, অপৰাজিত, কুণ্ডশায়ী, বিশালাক্ষ, দুৰাধৰ, দৃঢ়হস্ত, সুহস্ত, বাতবেগ, সুবৰ্চা, আদিত্যকেতু, বহ্বাশী, নাগদত্ত, অগ্ৰযায়ী, কবচী, ক্ৰথন, কুণ্ডী, ধনুৰ্ধৰ, উগ্ৰ, ভীমৰথ, বীৰবাহু, অলোলুপ, অভয়, অনাধৃষ্য, কুণ্ডভেদী, বিৰাবী, চিত্ৰকুণ্ডল, প্ৰমথ, প্ৰমাথী, দীৰ্ঘৰোমা, দীৰ্ঘবাহু, ব্যূঢ়োৰু, কনকধ্বজ, কুণ্ডাশী আৰু বিৰজা। এওঁলোক প্ৰত্যেকেই একোজন অতিৰথ, যুদ্ধবিদ্যাবিশাৰদ আৰু শাস্ত্ৰজ্ঞ বীৰ বুলি জনাজাত হৈ পৰিছিল।

এওঁলোকৰ ভিতৰত জ্যেষ্ঠ পুত্ৰ দুৰ্যোধন ভীমৰ লগত একেদিনাই জন্ম লৈছিল। দুৰ্যোধন ওপজাৰ লগে লগে নানা অমংগলীয়া লক্ষণ দেখা গৈছিল। চাৰিওপিনে কাউৰীয়ে ৰমলিয়াইছিল, শিয়ালে হোৱা দিছিল আৰু শগুণে টেঁটাইছিল। সিমানেই নহয়, দুৰ্যোধনে নিজেও কেঁচুৱাৰ দৰে কন্দাৰ সলনি গাধৰ নিচিনাকৈ চিঁঞৰিবলৈ লাগিছিল। ধৃতৰাষ্ট্ৰই এই আচহুৱা কোঢ়াল শুনি ভয় খাই ভীষ্ম আৰু বিদুৰকে মুখ্য কৰি সভাসদসকলক মাতি সুধিবলৈ ধৰিলে, "আমাৰ বংশৰ জ্যেষ্ঠ ৰাজকোঁৱৰ হিচাপে যুধিষ্ঠিৰ ৰাজপাটত উঠাটো খাতাং। কিন্তু তেওঁৰ পাচত মোৰ এই পুত্ৰজনে ৰাজপাটত উঠিবলৈ পাব নে নাই?" ব্ৰাহ্মণসকলে আৰু বিদুৰে উত্তৰ দিলে, "আমাৰ ধাৰণা হৈছে, আপোনাৰ এই পুত্ৰই নিশ্চয় বংশ নাশ কৰিব। কাৰণ, চাৰিওপিনে আটাইবোৰ অমংগলৰ লক্ষণ ফুটি উঠিছে। গতিকে, এওঁক বিসৰ্জন দিয়াই আপোনাৰ বংশ-পৰিয়ালৰ আৰু গোটেই জগতখনৰ বাবে মংগলকৰ।" তেওঁলোকে শাস্ত্ৰৰ বচনো আওৰাই শুনালে, "এজনক ত্যাগ কৰিলে যদি বংশ ৰক্ষা পৰে, নিশ্চয়কৈ সেয়াই কৰিবা। যদি বংশ-পৰিয়াল ত্যাগ কৰিলে গাঁও ৰক্ষা পৰে, তেনেহ'লে সেয়া কৰাই উচিত। আকৌ, গাঁও ত্যাগ কৰিলে যদি দেশ ৰক্ষা পৰে, তেনেহ'লে তাকে কৰাই বিধেয়। যদি গোটেইখন জগত বিসৰ্জন দিলে আপুনি ৰক্ষা পৰে, তেনেহ'লে তাকে কৰাই সমুচিত।" ধৃতৰাষ্ট্ৰই সন্তানৰ প্ৰতি মৰমৰ বন্দী হৈ কাৰো কথালৈ কাণ নিদিলে।

দুৰ্যোধনৰ জন্মৰ পাচত এমাহৰ ভিতৰতে বাকী নিৰানব্বৈজন ভায়েকবো অগা-পিচাকৈ জন্ম ঘটিছিল। অৱশেষত, এগৰাকী ভনীয়েকৰো জন্ম হৈছিল। তেওঁৰ নাম থোৱা হৈছিল, দুঃশলা। এওঁৰ জন্ম-কাহিনীও যথেষ্ট ৰহস্যময়। ব্যাসে যেতিয়া গান্ধাৰীয়ে পোৱা মঙহৰ থোপাটো এশ ভাগত ভগাই ঘিঁউৰ কলহত ভৰাবলৈ লৈছিল, ঠিক তেতিয়াই গান্ধাৰীৰ মনত এটা স্বপ্নই ভুমুকিয়াই গৈছিলহি—'এশ পুত্ৰৰ লগতে যদি এজনী ছোৱালীয়েও জন্ম ল'লেহেঁতেন! সেয়ে হ'লে, ছোৱালীৰ ফালৰ পৰাও নাতি-পুতিৰ পিণ্ড-তৰ্পণ লাভ কৰি তেওঁ আৰু তেওঁৰ স্বামী স্বৰ্গ-লোকলৈ যাব পাৰিলেহেঁতেন।' এনেকুৱাতে ব্যাসে মন কৰিলে, লিগিৰীজনীয়ে অনা এশটা কলহে মঙহৰ গোটেইখিনি থোপা নাটিলেগৈ—কেনেবাকৈ এভাগ মঙহ সৰহ হ'ল। ব্যাসে হাঁহি এটা মাৰি ক'লে, "তুমি চিন্তা নকৰিবা। এভাগ মঙহ এনেয়ে সৰহ হৈছে। এইটো ভাগৰ পৰা তোমাৰ এজনী কন্যাও উপজিব। তাইৰ ফালৰ নাতি-পুতিৰ পিণ্ড-তৰ্পণ পায়েই তোমালোক দুয়ো স্বৰ্গলোকলৈ যাব পাৰিবা।" এইবুলি কৈয়েই তেওঁ লিগিৰীজনীক আৰু এটা ঘিঁউৰে চপচপীয়া হৈ থকা কলহ আনিবলৈ ক'লে। ককায়েকহঁতৰ দৰেই দুঃশলাও এটা কলহৰ পৰা সময়ৰ মূৰকত জন্ম হ'ল। দুঃশলা যেতিয়া গাভৰু হ'ল, তেতিয়া তেওঁক সিন্ধু দেশৰ ৰজা জয়দ্ৰথলৈ বিয়া দিয়া হ'ল।

গান্ধাৰীৰ ফালৰ পৰা জন্ম হোৱা এই এশ এটি পুত্ৰ-কন্যাৰ উপৰিও ধৃতৰাষ্ট্ৰৰ আৰু এগৰাকী পুত্ৰ আছিল। তেওঁৰ নাম দুৰ্যোধনৰ প্ৰথমজন ভায়েকৰ লৈতে একে—যুযুৎসু। গান্ধাৰী যেতিয়া গৰ্ভৱতী অৱস্থাত ধৃতৰাষ্ট্ৰৰ ওচৰৰ পৰা আঁতৰি থাকিছিল, তেতিয়া এগৰাকী বৈশ্যবৰ্ণৰ লিগিৰীয়ে অন্ধ ধৃতৰাষ্ট্ৰৰ লাচনি-পাচনি কৰি দিছিল। এওঁলোক দুয়োৰো মিলনৰ ফলতে যুযুৎসুৰ জন্ম হৈছিল। পাচত কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত এওঁ পাণ্ডৱৰ ফলীয়া হৈ কৌৰৱসকলৰ বিপক্ষে যুদ্ধ কৰিছিল।

## ॥ পঞ্চ-পাণ্ডৱৰ জন্মকথা ॥

তেতিয়ালৈকে মহাৰাজ পাণ্ডুৰ কোনো সন্তান-সন্ততি হোৱা নাই। এদিনাখন মৃগয়া কৰিবলৈ গৈ হাবিৰ মাজত তেওঁ এহাল হৰিণা-হৰিণীলৈ এপাট কাঁড় মাৰি পঠিয়ালে। হৰিণাটো আৰু হৰিণীজনী তেতিয়া জগতখনক পাহৰি একাকাৰ হৈ পৰস্পৰে পৰস্পৰৰ মাজত বুৰ গৈ আছিল। পাণ্ডুৰ হাতৰ কাঁড়পাটে পুৰুষ-হৰিণাটো শালি পেলালে। মাটিত বাগৰি পৰিয়েই সি মাত লগালে, "কোনো জ্ঞানী মানুহে এনেকুৱা কাম নকৰে। আনকি, কাম আৰু ক্ৰোধৰ বশৱৰ্তী মূৰ্খ আৰু পাপীবিলাকেও এনেকুৱা নৃশংস কাম কৰিবলৈ কুণ্ঠা বোধ কৰে। মহাৰাজ, মই আচলতে কিমিন্দম মুনি। পুত্ৰৰ কামনা কৰি হৰিণাৰ ৰূপ ধৰি মই মোৰ পত্নীৰ লগত মিলিত হৈছিলোঁ। আপুনি হয়তো নেজানিছিল, মই যে এজন ব্ৰাহ্মণ। সেইকাৰণে, আপোনাৰ কোনো ব্ৰহ্ম হত্যাৰ পাপ নেলাগে। কিন্তু, মই আপোনাক শাপ দিছোঁ—আপুনি যেতিয়াই আপোনাৰ পত্নীৰ লগত মিলিত হ'ব, তেতিয়াই আপোনাৰ মৃত্যু ঘটিব।"

শাপগ্ৰস্ত পাণ্ডুৱে চিন্তা কৰি দেখিলে, তেওঁৰ পক্ষে সংসাৰ ত্যাগ কৰি সন্যাসী হৈ জীৱনৰ বাকীকেইটা দিন কটাই দিয়াটোৱেই একমাত্ৰ উপায়। গৃহস্থাশ্ৰমত সোমাই থাকি সন্তান-সন্ততিয়েই যদি জন্ম দিব নোৱাৰে, তেনেহ'লে গৃহস্থ হৈ থকাৰ পৰা কি লাভ? সকলো ভাবি-চিন্তি তেওঁ থিৰাং কৰিলে, তেওঁ আৰু ৰাজধানীলৈ উভতি নেযায়; সেই হাবিখনতে থাকি তপস্যা কৰি কাল কটাব। কথাষাৰ কুন্তী আৰু মাদ্ৰীক কোৱাৰ লগে লগে তেওঁলোকে ক'লে, "তেনেহ'লে আমিও উভতি নেযাওঁ। আমি আপোনাৰ ধৰ্মপত্নী। গতিকে, আমাক লগত লৈয়েই আপুনি তপস্যা কৰি দিন কটালে একো হানি নহয়। আমি আপোনাৰ আলপৈচান ধৰিম আৰু বাকীখিনি সময় তপস্যা কৰি কটাম। আমি আপোনাৰ দৰেই সংযমী হৈ থাকিম বুলি প্ৰতিশ্ৰুতি দিছোঁ।" ইয়াৰ পাচত তেওঁলোক তিনিওজন সন্ন্যাসী-সন্ন্যাসিনী হৈ পৰিল।

পাণ্ডুৱে তেওঁৰ পত্নী দুগৰাকীক লৈ হিমালয় পৰ্বতৰ কাষলৈ যাত্ৰা কৰিলে। নাগশত পাৰ হৈ চৈত্ৰৰথ পালেগৈ। তাৰ পাচত এখন এখনকৈ

কালকূট, গন্ধমাদন পৰ্বত, ইন্দ্ৰদ্যুম্ন সৰোবৰ আৰু হংসকূট ইত্যাদি কোনেও সচৰাচৰ ভাবিবে নোৱাৰা নোপোৱা ঠাইবোৰ পালেগৈ। অৱশেষত, হংসকূট পাৰ হৈ শতশৃংগ পৰ্বত পালেগৈ; আৰু তাতে সুচল পাই পাণ্ডু কঠোৰ তপস্যাত বহিল। তাতে কেইবাজনো ঋষিৰ লগত তেওঁৰ বন্ধুত্ব ঘটিল। এদিন সেই ঋষিসকলৰ মুখত শুনিবলৈ পালে, সেইদিনা ব্ৰহ্মলোকত এখন মহাসভা বহিব আৰু ঋষিসকলো তালৈ যাব। পাণ্ডুৱে খাটনি ধৰিলে, তেওঁকো লগত নিব লাগে। ঋষিসকলে উত্তৰ দিলে, "সেয়া অতি দুৰ্গম ঠাই। আপুনি যাব পাৰিলেও, এই ৰাজপুত্ৰী দুৰ্গবাকী কোনোমতেই যাব নোৱাৰিব। গতিকে, আপুনি নোযোৱাটোৱেই মংগল।"

পাণ্ডুৱে তেতিয়া হুমুনিয়াহ কাঢ়ি ক'লে, "মই এতিয়ালৈকে অপুত্ৰক। স্বৰ্গৰ দুৱাৰ মোৰ কাৰণে বন্ধ। সেয়েহে আপোনালোকৰ লগতে যাবলৈ ওলাইছিলোঁ। মই যাগ-যজ্ঞ কৰি, বেদ-পাঠ আৰু তপস্যা কৰি, আৰু অহিংসা নীতি খামুচি ধৰি মানুহ-জীৱনৰ ঋণৰ পৰা মুকলি হৈছোঁ। কিন্তু পুত্ৰৰ জন্ম দি, শ্ৰাদ্ধ-তৰ্পণৰ উপায় উলিয়াই পিতৃপুৰুষৰ ঋণৰ পৰা মুকলি হ'ব পৰা নাই। আপোনাসকলে মোক এটা উপায় দিয়ক।" ভৱিষ্যদ্ৰষ্টা ঋষিসকলে তেতিয়া ক'লে, "আমি দিব্য-চকুৰে দেখিবলৈ পাইছোঁ, আপুনি কেইবাজনো দেৱতুল্য পুত্ৰৰ পিতা হ'ব।"

পাণ্ডুৰ উলাহে নধৰা হ'ল। তেওঁ অলপ নিজানত বহি কুন্তীক ক'লে, "এতিয়া তুমি পুত্ৰ লাভৰ বাবে চেষ্টা কৰিব লাগিব। আপদৰ কালত পুত্ৰ কেইবাটাও নিয়মেৰে পাব পাৰি। সমান জাতি বা শ্ৰেষ্ঠ জাতিৰ কাৰোবাক নিয়োগ কৰি নাইবা দেৱৰক নিয়োগ কৰি পুত্ৰ পোৱাটোৱেই উত্তম উপায়। গতিকে, মই তোমাক অনুমতি দিছোঁ, ইয়াৰে যি কোনো এটা উপায় গ্ৰহণ কৰা।" কুন্তীয়ে তেতিয়া ক'লে, "মই শুনিছোঁ, ৰজা ব্যুষিতাশ্ব হেনো মৰাৰ পাচতো তেওঁৰ পত্নী ভদ্ৰা মৃত স্বামীৰ লগত মিলিত হৈ পুত্ৰৱতী হ'ব পাৰিছিল। গতিকে, আপোনাৰ তপস্যাৰ বলেৰে আপুনিও জানো মোৰ গৰ্ভত মানস পুত্ৰৰ সৃজন কৰিব নোৱাৰে?" পাণ্ডুৱে উত্তৰ দিলে, "ৰজা ব্যুষিতাশ্বৰ লগত

মোৰ তুলনা নকৰিবা। সিগৰাকী দেৱতুল্য মহৰ্ষি আছিল। সিজনাৰ পক্ষে যিটো সম্ভৱ আছিল, সেয়া মোৰ পক্ষে সম্ভৱ নহয়। পূৰ্বণি কালত নাৰী চৰাই-চিৰিকতিৰ দৰেই স্বাধীন আছিল। হিমালয়ৰ উত্তৰ দিশৰ ৰাজ্যবোৰত এতিয়াও সেই নিয়মেই চলি আছে। আমাৰ ইয়াত বেলেগ নিয়ম কেনেকৈ চলিবলৈ ল'লে, সেয়া কওঁ—শুনা।"

এইবুলি কৈ উঠি উশাহ সলাই লৈ পাণ্ডুৱে ক'লে, "উদ্দালক নামেৰে এগৰাকী মহৰ্ষি আছিল। তেওঁৰ পুত্ৰ শ্বেতকেতু। এদিন শ্বেতকেতুৰ সন্মুখতে আন এগৰাকী ব্ৰাহ্মণে তেওঁৰ মাকক টানি লৈ গ'ল। শ্বেতকেতুৱে দেখিলে, তেওঁৰ পিতাকৰ গাতেই নেলাগিল। বৰং পিতাকে এইদৰেহে ক'লে, 'খং কৰিবলৈ একো নাই; পশু-পক্ষীৰ দৰেই নাৰীও স্বাধীন।' শ্বেতকেতুৱে তেতিয়াই নতুন নিয়ম বান্ধিলে 'আজিৰ পৰা যি নাৰীয়ে স্বামীৰ বাহিৰে অন্য কোনোবা পুৰুষৰ ওচৰত পুত্ৰ-কন্যা প্ৰাৰ্থনা কৰিব, আৰু যি পুৰুষে পতিব্ৰতা পত্নী থাকোঁতেও অন্য নাৰীত আসক্তি প্ৰকাশ কৰিব, সেই উভয়েই মহাপাপীৰ লেখত পৰিব। আকৌ, পুত্ৰলাভৰ কামনাৰে স্বামীয়ে কাৰোবাক নিয়োগ কৰিলে, যদি কোনোবা পত্নীয়ে স্বামীৰ আদেশ লংঘন কৰে, তেৱোঁ পৰম পাতকিনী হ'ব।' কুন্তী, তুমি নজনা নহয়—মোৰ পিতায়ো যে আমাক জন্ম দিবৰ কাৰণে মহৰ্ষি ব্যাসৰ আশ্ৰয় লৈছিল। গতিকে, তুমি শুচি হৈ মোৰ মনোবাঞ্ছা পূৰণ কৰা।"

কুন্তীয়ে তেতিয়া তেওঁ দুৰ্বাসা ঋষিৰ পৰা লাভ কৰা বৰৰ কথা ভাঙিপাতি ক'লে। কুন্তীয়ে জনালে, "ইচ্ছা কৰিলে মই মন্ত্ৰৰ সহায়ত কোনোবা দেৱতাকো আহ্বান কৰিব পাৰোঁ। আপুনি অনুমতি দিলে, মই সেই কাম কৰিবলৈ সাজু আছোঁ।" পাণ্ডুৱে অতি বং মনেৰে সেই অনুমতি দিলে আৰু ক'লে, "প্ৰথমতে তুমি ধৰ্মকেই আহ্বান কৰা। কাৰণ, তেওঁ দেৱতাসকলৰ মাজত আটাইতকৈ পুণ্যবান।"

স্বামীৰ মনোবাঞ্ছা পূৰণ কৰি কুন্তী ধৰ্মৰ কালৰ পৰা গৰ্ভৱতী হ'ল। যথাসময়ত এটি পুত্ৰ-শিশুৰ জন্ম হ'ল। তেওঁৰ জন্মৰ সময়ত আকাশ-বাণী শুনা গ'ল, "এই শিশু শ্ৰেষ্ঠতম ধাৰ্মিক,

পৰম সত্যবাদী আৰু পৃথিৱীপতি হ'ব। এওঁৰ নাম যুধিষ্ঠিৰ ৰাখা।"

তাৰ পাচত, পাণ্ডুৰ ইচ্ছাত কুন্তীয়ে এজন এজনকৈ পৰম প্ৰতাপ-শালী দেৱতা বায়ু আৰু দেৱৰাজ ইন্দ্ৰক আহ্বান কৰিলে। তেওঁলোকৰ ফালৰ পৰা কুন্তীয়ে ভীম আৰু অৰ্জুন নামেৰে আৰু দুজন পুত্ৰ লাভ কৰিলে। ভীম জন্ম হোৱাৰ অলপ পাচতে ওচৰৰ হাবিখনৰ পৰা বাঘৰ গোজৰণি শুনা গৈছিল। কুন্তীয়ে ভয় খাই লৰ মাৰিব খোজোঁতে কোলাৰ পৰা ভীম ছিটিকি পৰিল; কিন্তু ভীমৰ একোৱেই নহ'ল। বৰং তেওঁ য'ত উফৰি পৰিলগৈ, সেই শিলটোহে ভাগি চুৰমাৰ হ'ল। ঠিক সেই সময়তে হস্তিনাপুৰত দুৰ্যোধনৰো জন্মলাভ হৈছিল। আকৌ, অৰ্জুন যেতিয়া উপজিছিল, তেতিয়া আকাশত দেৱতাসকলে দুন্দুভি বজাইছিল।

যি কি নহওক, এওঁলোক জন্ম হোৱাৰ পাচত পাণ্ডুৱে খাটনি ধৰা সত্বেও কুন্তীয়ে বাৰে বাৰে গৰ্ভধাৰণ কৰিবলৈ অসম্মতি প্ৰকাশ কৰিলে। মাদ্ৰীয়ে হেগ চাই পাণ্ডুক কুটুৰিলে, "মহাৰাজ, কথাষাৰ মই নিজে তেখেতক ক'বলৈ সাহস গোটাব পৰা নাই। হেজাৰ হওক, মই তেখেতৰ সতিনী। গতিকে, আপুনি ক'লে তেখেতে ৰাখিব; মোকো তেখেতে পুত্ৰৱতী কৰক।" পাণ্ডুৱে সেই মতে অনুৰোধ কৰিলত, কুন্তীয়ে মাদ্ৰীক মন্ত্ৰটো শিকাই দিলে। কুন্তীয়ে ক'লে, "এই মন্ত্ৰটো আওৰাই যি কোনো এজন দেৱতাক আহ্বান কৰিবা। সিজনাৰ পৰাই তুমি উপযুক্ত পুত্ৰ লাভ কৰিবা।"

মাদ্ৰীয়ে উলাহতে এজনৰ সলনি দুজন দেৱতাক একেলগে মাতিলে। দেৱতা দুজন হ'ল, দুয়োজন অশ্বিনীকুমাৰ। গতিকে, সময়ত মাদ্ৰীৰ দুজন যঁজা পুত্ৰ একেলগে উপজিল। তেওঁলোক ওপজোঁতেও আকাশ-বাণী হ'ল, "এওঁলোক দুয়ো পৰম ৰূপবান, গুণবান আৰু খ্যাতিমান হ'ব। এওঁলোকৰ নাম নকুল আৰু সহদেৱ বুলি জনাজাত হওক।"

তাৰ পাচতো মাদ্ৰীয়ে আকৌ এবাৰ কুন্তীৰ ওচৰ চাপিছিল। কিন্তু, কুন্তীয়ে তেওঁৰ অনুৰোধ নেৰাখি ক'লে, "তুমি একেলগে দুজন

দেৱতাক কিয় মাতিছিলা ? তেনেকুৱা বিশ্বাস নথকাজনক মই মন্ত্ৰ দিবলৈ টান পাওঁ ।” মাদ্ৰী মনে মনে ৰ'ল ।

এদিন পাণ্ডু আৰু অকলশৰীয়া মাদ্ৰী পাতলীয়া হাবিৰ মাজত ফুৰি আছিল । তেতিয়া বসন্ত কাল । আম আৰু পলাশৰ গছবোৰ ফুলি উঠিছে । চৰাই-চিৰিকতিবোৰে সুহুৰিয়াই-গুণগুণাই হাবিখন মুখৰিত কৰি তুলিছে । তাৰ মাজত মাদ্ৰীৰ ৰূপ-শোভাই পাণ্ডুৰ মনত কামনাৰ ঢৌ জগাই তুলিলে । পাণ্ডুৱে মাদ্ৰীক সাৱটি ধৰিব খুজিলে । মাদ্ৰীয়ে তেওঁক বাধা দিলে । তথাপি, পাণ্ডুৱে নেমানিলে । তেওঁ মৃগৰূপী মুনিৰ অভিশাপৰ কথা পাহৰি গ'ল । অৱশেষত, তেওঁ মাদ্ৰীক জোৰকৈ সাৱটি ধৰিলে । লগে লগে পাণ্ডুৰ মৃত্যু ঘটিল । মাদ্ৰীয়ে স্বামীৰ মৃতদেহটোকে সাৱটি ধৰি আৰ্তনাদ কৰি উঠিল ।

মাদ্ৰী আৰু পাণ্ডুক সেই অৱস্থাত দেখি কুন্তীয়ে পোনতে মাদ্ৰীক ভৰ্ৎসনা কৰিছিল, “মই ইমান সতৰ্ক হৈ তেখেতৰ আলপৈচান ধৰোঁ । আৰু তুমি মুহূৰ্ততে এনেকুৱা কাম কৰি পেলালা । তেখেতক এইদৰে প্ৰলোভিত কৰি তুলিবলৈ তোমাক কিহে পাইছিল ?” মাদ্ৰীয়ে নিজৰ নিৰ্দোষিতাৰ কথা সকলোখিনি ভাঙি-পাতি ক'লে । অৱশেষত, কুন্তী পতিয়ন গ'ল । তাৰ পাচত কুন্তীয়ে ক'লে, “মাদ্ৰী, তুমি মোৰ সন্তান-কেইটাক চাবা । যিহেতু মই তেখেতৰ ডাঙৰ ভাৰ্যা, গতিকে মই সহমৃত্যু বৰণ কৰিব খুজিছোঁ ।” মাদ্ৰীয়ে উত্তৰ দিলে, “বাইদেউ, তেনে কৰিলে ভুল হ'ব । মোৰ ওচৰত তেখেতৰ কামনা আধৰুৱা হৈ ৰ'ল । গতিকে, সিপুৰীত মোক তেখেতৰ সেই আধৰুৱা কামনা পূৰ কৰিবলৈ দিয়ক । মোৰ ল'ৰাহাল আপুনিয়েই চাব ।”

অৱশেষত, মাদ্ৰীৰেই জয় হ'ল । মাদ্ৰীয়ে সহমৃত্যু বৰণ কৰি স্বামীৰ মৃতদেহটো সাৱটি ধৰি প্ৰাণত্যাগ কৰিলে । ওচৰে-পাঁজৰে থকা আন ঋষিসকলে থিৰাং কৰিলে, পাণ্ডু আৰু মাদ্ৰীৰ মৃতদেহ হস্তিনাপুৰলৈ পঠিয়াই দিব লাগিব । লগতে কুন্তী আৰু পঞ্চপাণ্ডৱকো তালৈকে পঠিয়াই দিয়াৰো সিদ্ধান্ত কৰা হ'ল ।

## ॥ হস্তিনাপুৰত পাণ্ডৱসকল ॥

ধৃতৰাষ্ট্ৰৰ আদেশত বিদুৰেই পাণ্ডু আৰু মাদ্ৰীৰ শেষকৃত্য সমাপন কৰিলে। তেৰ দিনৰ দিনাখন শ্ৰাদ্ধ আদি কৰি উঠি সকলোৱে আকৌ নিত্যকৰ্মত মন দিলে। তাৰ মাজতে ব্যাসে সত্যৱতীক লগ ধৰি ক'লে, "আই, সুখৰ দিনবোৰ উকলিল বুলি ধৰি লওক। বসুন্ধৰা পৃথিৱীৰ যৌৱন শেষ হৈছে। এতিয়া লাহে লাহে পাপ বাঢ়ি যাব আৰু কৌৰৱ-বিলাকৰ দুৰ্নীতিৰ ফলত ধৰ্মকৰ্ম এইকালৰ পৰা লোপ পাই আহিব। গতিকে, আপুনি যদি কুৰুবংশৰ ধ্বংস নিজৰ চকুৰে চাবলৈ নিবিচাৰে, তেনেহ'লে আপুনি কোনোবা বনলৈ গৈ যোগ চৰ্চা কৰিবলৈ লওক। তাকে কৰিলে মনোকষ্ট পাবলগীয়া নহয়।" পুত্ৰেক ব্যাসৰ উপদেশ সত্যৱতীয়ে অনুমোদন কৰিলে। তেওঁ দুয়োজনী বোৱাৰীয়েক অম্বিকা আৰু অম্বালিকাকো তেওঁৰ লগতে বনলৈ ওলাবলৈ ক'লে। অৱশেষত, তিনিও একেলগে বানপ্ৰস্থী হ'ল।

আনপিনে, হস্তিনাপুৰলৈ আহি ৰাজ-কাৰেঙৰ সুখ-স্বাচ্ছন্দ্যৰ জুতি ল'বলৈ পাই পাণ্ডৱসকল সুখী হ'ল। হস্তিনাপুৰত ভৰি দিয়াৰ সময়ত যুধিষ্ঠিৰৰ বয়স ষোল, ভীমৰ পোন্ধৰ, অৰ্জুনৰ চৈধ্য আৰু নকুল-সহদেৱৰ মাথোন তেৰ বছৰ হৈছিল। ইমানদিনে অৰণ্যবাসীয়াকৈ আপোন ভাই-ককাই কেইজনৰ মাজতে মাথোন ধূলি-মাকতিৰে খেমালি কৰি কটোৱাৰ পাচত এতিয়া ৰজাঘৰীয়া ল'ৰাৰ খেমালি কৰিবলৈ বহুত লগৰীয়া বিচাৰি পালে। লাহে লাহে সকলোৱে উমান পাই আহিল, ভীমৰ গাত আন সকলোবোৰতকৈ বল-শক্তি বেচি। মালযুঁজ, দৌৰ আৰু সাঁতোৰ আদি সকলো বিষয়ৰ প্ৰতিযোগিতাতে ভীমক কোনেও হৰুৱাব নোৱাৰিছিল। মাজে মাজে অৱশ্যে ভীমে সীমা চেৰাই গৈ উৎপতীয়া খেমালি কৰি দুৰ্যোধনহঁতক আমনি নকৰাকৈয়ো নাছিল। খেমালি খেলিয়েই কাৰোবাক হয়তো চুলিকোছাত ধৰি মূৰটো পানীত হেঁচা মাৰি ধৰি বহি থাকে। কেতিয়াবা হয়তো কোনোবা দুজনৰ মূৰ দুটা খুঁজাই কিৰিলি পাৰিলে। এনেবোৰ উৎপতীয়া খেমালিৰ জুতি ল'বলগীয়া হৈ ধৃতৰাষ্ট্ৰৰ পুত্ৰেক কেইজন বাৰুকৈয়ে অতিষ্ঠ হৈ উঠিছিল।

লোও কৰি কাৰোবাৰ অনিষ্ট কৰাত দুৰ্যোধন ইতিমধ্যে পকি উঠিছিল। ভীমৰ উৎপতীয়া ধেমালিৰ প্ৰতিশোধ ল'বলৈ দুৰ্যোধনে থিৰাং কৰি পেলালে। কামটো কোনেও ধৰিব নোৱৰাকৈ কৰিবলৈ গংগা নদীৰ পাৰত প্ৰমাণকোটি নামৰ ঠাই এখনত এটা বিয়াগোম ঘৰ সজালে। ঘৰটোৰ সমুখতে এটা কৃত্ৰিম পুখুৰী খন্দালে; তাৰ ওচৰতে এখন অতি ধুনীয়া ফুলনি পতালে। ঘৰটোৰ নাম থ'লে, 'সাঁতোৰ-খেলুৱৈৰ জিৰণিঘৰ'। পুখুৰীৰ পানীত সাঁতুৰি-মেলি আহি জিৰণি লোৱাৰ আৰু জুতি লগাই খোৱা-লোৱা কৰাৰ সকলো ব্যৱস্থা কৰি সেই ঘৰটো অতি লোভনীয়কৈ গঢ়ি তোলা হ'ল। সকলো সম্পূৰ্ণ হ'লত, দুৰ্যোধনে এদিন পাণ্ডৱসকলক তালৈ নিমন্ত্ৰণ জনালে। তেওঁলোকেও অতি উলাহেৰে দুৰ্যোধনৰ নিমন্ত্ৰণ ৰক্ষা কৰিলে।

প্ৰমাণকোটিলৈ গৈ কৌৰৱ আৰু পাণ্ডৱসকলে অনেক খেল-ধেমালি কৰিলে। ফুলনিত গোট খাই ইজনে সিজনৰ মুখখন মেলি ধৰি লাড়ু-মিঠৈ খুৱাই উঠি ৰঙতে চাপৰি বজালে। ছেগ বুজি এবাৰ দুৰ্যোধনে মিঠৈত কালকূট বিহ মিহলি কৰি ভীমক খুৱাই একে নিচিনাকৈ আনন্দ কৰি দেখুৱালে। তাৰ পাচত, তেওঁলোক সকলোৱে গংগাত গা ধুবলৈগৈ। গা-ধুই উঠি কাপোৰ-কানি সলাবলৈ সকলোবোৰ জিৰণিঘৰত সোমালগৈ। মাথোন মধ্যম পাণ্ডৱ ভীম ভাগৰত লালকাল দি গংগাৰ পাৰৰ থাইনিতে পৰি ৰ'ল। লাহে লাহে বিহ-মিহলি মিঠৈৰ প্ৰভাৱত ভীম অচেতন হৈ পৰিল। বাকী কেইজন পাণ্ডৱে এই ঘটনাৰ একো উমান নেপালে। তেওঁলোকে জিৰণিঘৰ'ত ভীমক নেদেখিও একো টং কৰিব নোৱাৰিলে। ভাবিলে, ভীম চাগৈ কাপোৰ-কানি সলাই উঠিয়েই ৰাজধানীলৈ উভতি গ'লগৈ!

আনফালে, দুৰ্যোধনে এক টলকত শেষ কামকেইটা কৰি থৈ গৈছিল। ওচৰতে পোৱা বেইভালমান দীঘলীয়া লতা ছিঙি আনি অচেতন ভীমৰ হাত-ভৰিবোৰ কটকটীয়াকৈ বান্ধি পেলালে। তাৰ পাচত, ভীমক ঠেলা মাৰি গংগাৰ বুকুত পেলাই থৈ জিৰণিঘৰলৈ উভতি আহিল। সোনকালেই অচেতন ভীমৰ দেহাটো গংগাৰ ভটিয়াই সুৰংগপথেৰে সৰকি নাগলোকত

ওলালগৈ। চাৰিওপিনৰ পৰা বিষধৰ নাগবিলাকে আহি ভীমক আগুৰি ধৰিলে। তাৰ পাচত, নাগবিলাকে ভীমৰ অচেতন দেহটোকে খুটি খুটি তাহিলং কৰিলে। ভীমৰ কাৰণে সেয়েই ঔষধৰ কাম দিলে। সাপৰ কামোৰৰ বিষত কালকূটৰ বিষ ক্ষয় পাবলৈ ধৰিলে। কাৰণ, প্ৰতিটো কামোৰতে সাপে তেজৰ লগতে ভীমৰ দেহৰ পৰা কালকূটৰ বিষ শুহি নিছিল।

অৱশেষত, ভীমে তেওঁৰ চেতনা ঘূৰাই পালে। চেতনা পায়েই ভীমে ফণা ধৰি থকা সাপবিলাকক একালৰ পৰা বধ কৰি নিবলৈ ধৰিলে। বাৰ্তাবিটো পাই সৰ্পৰাজ বাসুকী ঢপলিয়াই আহিল। ভীমক দেখি সৰ্পৰাজে তেওঁক চিনি পাবলৈ সবহ পৰ নল'লে। সৰ্পৰাজে ভীমক আকোৱালি ধৰি ক'লে, "তুমি মোৰ নাতিৰো নাতি। তোমাৰ ককাদেউতাৰা ৰজা কুন্তিভোজ মোৰ নাতি।" তাৰ পাচত, সৰ্পৰাজে নাগবিলাকক আদেশ দিলে—ভীমক কেইকলহমান ধনসোণ দি সুখী কৰিব লাগে। কথাষাৰ শুনি নাগবিলাকে ক'লে, "ধন-সোণৰ কলহ দিয়াতকৈ আপোনাৰ নাতিৰো নাতিক দুষ্প্ৰাপ্য ৰসায়ন পান কৰিবলৈ দিয়ক।" তাৰ পাচত, সৰ্পৰাজৰ আদেশ পাই নাগবিলাকে ভীমক অমৃততুল্য ৰসায়নৰ কলহবোৰ দেখুৱাই দিলেগৈ। ভীমে হেঁপাহ পলুৱাই তাৰে আঠ কলহ ৰসায়ন খালে। ৰাতিটো নাগলোকতে কটাই পাচদিনা হস্তিনাপুৰলৈ খোজ দিলে।

মাজৰ সময়ছোৱাত বাকী চাৰিওজন পাণ্ডৱ আৰু মাক কুন্তীৰ বাবুকৈয়ে দুশ্চিন্তা হ'ল। কুন্তীয়ে বিদুৰক ক'লে, "এই অধম খলুৱা দুৰ্যোধনে ভীমৰ কিবা অপকাৰ কৰিলে বুলি মোৰ সন্দেহ হৈছে।" বিদুৰে কুন্তীক সান্ত্বনা দি ক'লে, "আপুনি একো ভয় নকৰিব। দুৰ্যোধনে ভীমৰ একো অপকাৰ কৰিব নোৱাৰে। মহৰ্ষি ব্যাসদেৱে নিজেই কৈ থৈ গৈছে, আপোনাৰ পুত্ৰসকল দীৰ্ঘায়ু হ'ব। দুৰ্যোধনৰ কথাও মুখলৈ নানিব। কাৰণ, ক'ৰবাত গম পালে, সি সকলোৰে অপকাৰ কৰাৰ সম্ভাৱনা আছে।"

আঠ দিন পাৰ হৈ যোৱাৰ পাচত, গাত নতুনকৈ অযুত হাতীৰ বল

লৈ মধ্যম পাণ্ডৱ ভীম হস্তিনাপুৰত আকৌ ওলালহি। সকলো কথা শুনাৰ পাছত যুধিষ্ঠিৰে ক'লে, "এতিয়া কোনেও কাকো একো নক'বা। মাথোন আটায়ে চকু-কাণ মুকলিকৈ ৰাখি চলিব লাগিব।" সকলোৱে সেইমতেই চলিবলৈ ধৰিলে।

ভীমক আকৌ সোঁ-শৰীৰেৰে দেখা পাই দুৰ্যোধনৰ চকুত টোপনি নহা হ'ল। চিন্তা কৰিবলৈ ধৰিলে, ভীমে বাৰু কেনেকৈ কালকূট বিষো জীণ নিয়াব পাৰিলে!

## ॥ দ্ৰোণৰ শিক্ষাদান ॥

ৰাজকোঁৱৰসকলক সদায় খেল-ধেমালি আৰু উৰণীয়া কামত লিপ্ত হৈ থকা বুলি গম পাই ধৃতৰাষ্ট্ৰই তেওঁলোকক উপযুক্ত শিক্ষা-দীক্ষা দিয়াবলৈ মন মেলিলে। সেই কামৰ বাবে কৃপাচাৰ্যক নিয়োগ কৰা হ'ল। তেওঁ অস্ত্ৰবিদ্যাত যিমান সুদক্ষ আছিল, বেদ-বেদাংগৰ জ্ঞানত সিমান পাৰ্গত নাছিল। তেওঁৰ পিতাক আছিল, মহৰ্ষি গৌতমৰ শিষ্য শৰদ্বান। তেওঁ হেনো জন্মৰ সময়তে হাতত শৰৰ তূণ এটা লৈ পৃথিৱীৰ পোহৰ দেখা পাইছিল; সেইবাবেই তেওঁৰ সেই নাম ৰখা হৈছিল। এবাৰ তেওঁৰ তপস্যাৰ একাগ্ৰতা দেখি স্বয়ং দেৱৰাজ ইন্দ্ৰও ভয়ত কঁপি উঠিছিল। ভয় খাই তেওঁৰ তপস্যা ভাঙিবৰ কাৰণে দেৱৰাজে জানপদী নামৰ এগৰাকী অপ্সৰাক পঠিয়াই দিলে। তেওঁৰ নৃত্য-গীতৰ প্ৰভাৱত শৰদ্বানৰ হাতৰ পৰা শৰৰ তূণটো খহি পৰিল। লগে লগে সেই তূণটোত তেওঁৰ গাৰ পৰা দুটোপাল জীৱন-কণিকাও সৰি পৰিল। সময়ত তাতে দুটি শিশু হৈ ধৰি উঠিল। ৰজা শান্তনুৱে মৃগয়া কৰিবলৈ আহি শিশু দুটিক পাই কাষেঙলৈ লৈ গ'ল। তেওঁৰ কৃপাতে ডাঙৰ-দীঘল হোৱা পুৰুষ-শিশুটিৰ নাম ৰখা হ'ল, কৃপ; আৰু স্ত্ৰী-শিশুটিৰ নাম ৰখা হ'ল, কৃপী।

কিছুদিনৰ পাছত শৰদ্বানে কৃপ আৰু কৃপীৰ সকলো কথা গম পালে। লগে লগে তেওঁ ৰাজধানীলৈ আহি কৃপ-কৃপীক নিজৰ সন্তান

বুলি চিনাকি দিলোঁহি। আৰু, কিছুদিন হস্তিনাপুৰতে থাকি শৰদ্বানে কৃপক ধনুৰ্বিদ্যাত পৰম পাৰদৰ্শী কৰি তুলিলে। বেদ-বেদাংগৰ জ্ঞানো অলপৰীয়াকৈ শিকাই উঠি শৰদ্বান আকৌ নিজৰ আশ্ৰমলৈ উভতি গ'ল।

কৃপীৰ বিয়া হ'ল, ভৰদ্বাজ ঋষিৰ পুত্ৰ দ্ৰোণৰ লগত। কৃপাচাৰ্যৰ লগতে পাচলৈ তেৰোঁ ধাৰ্তৰাষ্ট্ৰ আৰু পাণ্ডৱসকলৰ অন্য এগৰাকী নিযুক্ত হৈছিল। দ্ৰোণাচাৰ্যৰ জন্ম-কাহিনীও কৃপাচাৰ্যৰ জন্ম-কাহিনীৰ দৰেই পৰম ৰহস্যময়।

এদিন গা ধুই উঠিয়েই ভৰদ্বাজ ঋষিয়ে ঘৃতাচী নামৰ এগৰাকী অপ্সৰাক দেখা পালে। এনেতে এজাক বতাহে অপ্সৰাগৰাকীৰ গাৰ কাপোৰখন উৰুৱাই নিলে। ঋষি চঞ্চল হৈ উঠিল। তেওঁ তেওঁৰ গাৰ পৰা হঠাৎ সৰি পৰা জীৱন-কঠিয়াখিনি কলহ এটাত সাঁচি থ'লে। কলহটোৰ জোখ আছিল, মুঠতে এক দ্ৰোণ শস্য থ'ব পৰা এদোণীয়া। সময়ত তাৰ পৰাই জন্মলাভ কৰাৰ কাৰণেই ভৰদ্বাজৰ পুত্ৰগৰাকীৰ নাম থোৱা হৈছিল, দ্ৰোণ।

দ্ৰোণক তেওঁৰ পিতাকৰ শিষ্য অগ্নিবেশে অস্ত্ৰবিদ্যাৰ শিক্ষা দিছিল। শিক্ষা সম্পূৰ্ণ হৈ উঠাৰ পাচত অগ্নিবেশে গুৰুপুত্ৰক তেওঁৰ গুৰুৰ পৰা লাভ কৰা ভয়ংকৰ অগ্নিবাণ দান কৰে। এনেতে দ্ৰোণৰ কাণত পৰিলহি, জমদগ্নি ঋষিৰ পুত্ৰ পৰশুৰামে তেওঁৰ সকলো ধন-সম্পত্তি ব্ৰাহ্মণসকলক দান কৰিবলৈ থিৰাং কৰিছে। কথাষাৰ গম পায়েই দ্ৰোণ পৰশুৰামক ওচৰলৈ গ'ল। কিন্তু দীঘলীয়া বাট থচাকি গৈ পাওঁতে দ্ৰোণৰ পলম হ'ল। পৰশুৰামে দ্ৰোণৰ আশা-অভিপ্ৰায় জানি উঠি ক'লে, "হে দ্বিজবৰ, মই এতিয়া আপোনাক কি দিওঁ, আপুনিয়েই কওক। মোৰ সকলো ধন-সোণ ব্ৰাহ্মণসকলক বিলাই শেষ কৰিলোঁ। মোৰ বাহুবলেৰে মই যি পৃথিৱী জয় কৰিছিলোঁ, সেয়া মহৰ্ষি কশ্যপক দিলোঁ। এতিয়া মোৰ দিবলৈ বাকী আছে মাথোন মোৰ শৰীৰটো আৰু অলপ অস্ত্ৰ-শস্ত্ৰ। এই দুপদ বস্তুৰ ভিতৰত যিটোকে আপুনি বিচাৰিব, মই সেইটোকে দিম। আপুনি কোনটো বিচাৰে, কওক।" দ্ৰোণে তৎক্ষণাৎ ক'লে, "মোক তেনেহ'লে আপোনাৰ অস্ত্ৰ-শস্ত্ৰখিনিকে দিয়ক। লগতে শিকাক

কেনেকৈ প্ৰয়োগ আৰু প্ৰত্যাহাৰ কৰিব পাৰি, সেই বিদ্যাখিনিও দিয়ক।" পৰশুৰামে দ্ৰোণৰ প্ৰাৰ্থনা পূৰণ কৰিলে।

ইয়াৰ কিছুদিনৰ পাচতে কৃপীৰ গৰ্ভত দ্ৰোণৰ এটি পুত্ৰ-সন্তান জন্ম হ'ল। তেওঁ জন্ম হওঁতে, ওচৰতে থকা এটা ঘোঁৰাই হ'ঁহিয়াই উঠিছিল। সেইবাবে তেওঁৰ নাম থোৱা হ'ল অশ্বত্থামা।

যি কি নহওক, লাহে লাহে দ্ৰোণৰ জীৱনত ধনৰ নাটনিয়ে দেখা দিলেহি। এনেতে তেওঁ গম পালে, তেওঁৰ ধূলি-মাকতিৰে ওমলা দিনৰ বন্ধু দ্ৰুপদ ৰাজপাটত বহিছে। ওমলি থাকোঁতে দ্ৰুপদে ধেমালিতে কৈছিল, "বুজিছা বন্ধু মই যেতিয়া ৰজা হ'ম, তেতিয়া গোটেইখন ৰাজ্য আমাৰ দুয়োজনৰে হ'ব।" এদিন তেওঁ মন কৰিলে অশ্বত্থামাই গাখীৰ বুলি দিয়া এবাটি পিঠাগুৰি-মিহলি পানী আঁতৰাই থৈ শুধু গাখীৰৰ কাৰণে জেউৰ ধৰিছে। লগে লগে দ্ৰোণ ৰজা দ্ৰুপদৰ ওচৰলৈ গ'ল। দ্ৰুপদক তেওঁ পুৰণি বন্ধু বুলি চিনাকি দিলত, ৰজা হৈ পৰা দ্ৰুপদে তেওঁক অকণো আশয় নিদি ক'লে, "হেৰা, তুমি এইবোৰ কি কথা কৈছা? সমানে সমানেহে বন্ধু হ'ব পাৰি। পণ্ডিতৰ লগত মূৰ্খৰ, বীৰৰ লগত নপুংসকৰ, ৰজাৰ লগত ভিকহুৰ বন্ধুত্ব হ'ব পাৰে বুলি তুমি ক'ত শুনিলা? তথাপি বাৰু তুমি কি বিচাৰি আহিলা, কোৱা।"

দ্ৰুপদৰ কথা শুনি দ্ৰোণ খঙত কঁপিবলৈ ধৰিলে। সময়ত তেওঁ ইয়াৰ উপযুক্ত প্ৰতিশোধ ল'ব বুলি থিৰাং কৰিলে। ঘৰলৈ উভতি আহি তেওঁ কৃপী আৰু অশ্বত্থামাক লৈ জেঠেৰিয়েক কৃপাচাৰ্যৰ ওচৰতে আশ্ৰয় লোৱাৰ কথা চিন্তা কৰিলে। যেনে কথা তেনে কাম। পলম নকৰি দ্ৰোণ সপৰিয়ালে হস্তিনাপুৰলৈ ওলাল।

এদিন ৰাজকোঁৱৰসকল নগৰৰ বাহিৰলৈ গৈছিল। তাতে খেল-পথাৰ এখন পাই তেওঁলোকে টাংগুটি খেলিবলৈ ল'লে। কেনেবাকৈ এবাৰ টাংগুটিটো মাৰি পঠিয়াওঁতে ওচৰতে থকা শুকান কুঁৱা এটাত পৰিলগৈ। বহুত চেষ্টা কৰিও তেওঁলোকে টাংগুটিটো কুঁৱাৰ ভিতৰৰ পৰা তুলি আনিব নোৱাৰিলে। ওচৰতে এজন ব্ৰাহ্মণে অনুষ্টুপীয়াকৈ যজ্ঞ কৰি আছিল। তেওঁৰ গাটো ক'লা আৰু চুলিকোছা পকা।

সেই ব্ৰাহ্মণজন আন কোনো নাছিল ; তেওঁ আছিল দ্ৰোণ। কৌৰৱ-সকল তেওঁক দেখি ওচৰ চাপি গ'ল। দ্ৰোণে হাঁহি এটা মাৰি ক'লে, "তোমালোকো হবলা ক্ষত্ৰিয়! ভৰত বংশত উপজি সামান্য টাংগুটি এটাকে কুঁৱাৰ ভিতৰৰ পৰা তুলি আনিব নোৱাৰিলা। ব'লা, তোমালোকৰ টাংগুটিটো আৰু মোৰ এই আঙঠিটো কুঁৱাৰ ভিতৰৰ পৰা ক'হুৱা বনৰ লাঠিৰে তুলি দেখুৱাওঁগৈ। কিন্তু, তোমালোকে তাৰ সলনি মোক এসাজ খুৱাব লাগিব।" যুধিষ্ঠিৰে মাত লগালে, "এসাজ নালাগে, দুসাজৰ জোখাৰে নিতৌ আপোনাক দুটাকৈ সিধা দিম। আপুনি মাথোন আমাক কৌশলটো শিকাই দিয়ক।"

কুঁৱাটোৰ ওচৰলৈ গৈ দ্ৰোণে ক'হুৱাৰ আগ এটাৰে টাংগুটিটো শালি পেলালে। তাৰ পাচত ইডাল ক'হুৱাৰে সিডাল ক'হুৱা শালি এডাল এডালকৈ কেইবাডালো ক'হুৱা কাঁড়ৰ লেখীয়াকৈ মাৰি পঠিয়ালে। শেষত ওপৰৰ ক'হুৱাডাল ধৰি গোটেইকেইডাল ক'হুৱা টাংগুটিটোৰে সৈতে তুলি আনিলে। আঙঠিটো কুঁৱাৰ তলিত পেলাই দি ক'হুৱাৰ সলনি কেইবাডালো কাঁড় একে নিচিনাকৈ গুঁথি উঠি ওপৰলৈ তুলি আনি দেখুৱালে। তাৰ পাচত, ৰাজকোঁৱৰসকলে তেওঁৰ চিনাকিটো জানিবলৈ বিচৰাত দ্ৰোণে উত্তৰ দিলে, "তোমালোকে যি দেখিলা, সকলোখিনি ভীষ্মক ক'বাগৈ। তেওঁৰ পৰাই মোৰ চিনাকিটো পাবা।"

ৰাজকোঁৱৰসকলৰ মুখত গোটেই কথাখিনি শুনি উঠি ভীষ্মৰ বুজিবলৈ বাকী নেথাকিল, সেই ব্ৰাহ্মণজন কোন। ভীষ্মই দ্ৰোণক মাতি পঠিয়ালে। দ্ৰোণ আহিলত, তেওঁক বৰ আদৰ-সাদৰ কৰি বহুৱাই লৈ ক'লে, দ্ৰোণে ৰাজকোঁৱৰসকলৰ অস্ত্ৰশিক্ষা দিব লাগে। দ্ৰোণে উত্তৰ দিলে, "কৌৰৱ-সকলক শিক্ষা দিয়াৰ ভাৰ মই ল'লে, কৃপাচাৰ্যই মোক বেয়া পাব। গতিকে, মোক এমুঠি ধনেই দিয়ক। মই সন্তুষ্ট হৈ গুচি যাম।" ভীষ্মই নেৰিলে, "আপুনি চিন্তা নকৰিব। কৃপাচাৰ্য আৰু আপুনি দুয়োজনে তেওঁলোকক শিক্ষাদান কৰক। আপুনিও তেওঁলোকৰ গুৰু হওক।" লগে লগে ভীষ্মই দ্ৰোণাচাৰ্যৰ কাৰণে সুকীয়াকৈ ঘৰ-দুৱাৰ ঠিক কৰি দিলে।

দ্ৰোণাচাৰ্যই ৰাজকোঁৱৰসকলক অস্ত্ৰশিক্ষা দিবলৈ লৈয়েই ক'লে, "তোমা-লোকক মই উত্তমৰূপে অস্ত্ৰশিক্ষা দিম। কিন্তু শিক্ষা শেষ হোৱাৰ পাচত তোমালোকে মোক মই যি বিচাৰিম, তাকেই দিবা বুলি অংগীকাৰ কৰা।" কথাষাৰ শুনি, দুৰ্যোধন আৰু অন্যান্য ধাৰ্তৰাষ্ট্ৰসকল মনে মনে থাকিল। তেওঁলোকে অনুমান কৰিব নোৱাৰিলে, দ্ৰোণাচাৰ্যই তেওঁলোকৰ পৰা কি বিচাৰিব পাৰে। অৰ্জুনে ততালিকে উত্তৰ দিলে, "গুৰুদেৱ, মই আপোনাৰ অভিলাষ নিশ্চয়কৈ পালন কৰিম। যেতিয়াই সময় হ'লে, আদেশ কৰিব।" অৰ্জুনৰ ফটফটীয়া উত্তৰ পাই দ্ৰোণাচাৰ্য তেওঁৰ প্ৰতি পৰম সন্তুষ্ট হ'ল।

চাওঁতে চাওঁতে দ্ৰোণাচাৰ্যৰ ওচৰত অস্ত্ৰশিক্ষা ল'বলৈ আন বহুতো ৰাজ্যৰ বহুতো ৰাজকোঁৱৰ ঢপলিয়াই আহিল। এওঁলোকৰ লগতে আহিল, সূতপুত্ৰ কৰ্ণ। কৰ্ণই দুৰ্যোধনৰ উচটনিত প্ৰায়েই অৰ্জুনৰ লগত ফেৰিয়াফেৰি কৰিবলৈ ধৰিলে। কিন্তু, অৰ্জুনে একাগ্ৰতীয়া হৈ সেইবোৰ তুচ্ছ কথালৈ মন নকৰি দ্ৰোণাচাৰ্যৰ ওচৰত অস্ত্ৰশিক্ষাৰ পাঠ লবলৈ ধৰিলে। লাহে লাহে তেওঁ গুৰু দ্ৰোণাচাৰ্যৰ সমকক্ষ হৈ উঠিল। পোনতে দ্ৰোণাচাৰ্যই প্ৰত্যেককে একোপাটকৈ শৰ আৰু একোটাকৈ চিয়া ডিঙিৰ কলহ দিলে। তেওঁ নিয়ম বান্ধিলে, কলহটোত চপচপীয়াকৈ পানী ভৰাই উঠাৰ পাচতহে প্ৰত্যেকেই তেওঁৰ ওচৰলৈ আহি শিক্ষা গ্ৰহণ কৰিব। ইয়াৰ ভিতৰতে দ্ৰোণে তেওঁৰ পুতেক অশ্বত্থামাক চিয়া ডিঙিৰ কলহৰ সলনি এটা বহল মুখৰ কলহ দিছিল, যাতে অশ্বত্থামাই আনবোৰতকৈ আগেয়ে পানী ভৰাই তেওঁৰ ওচৰ পাবহি পাৰে। সেই ছেগতে দ্ৰোণাচাৰ্যই অশ্বত্থামাক নিজৌ দুই-চাৰিটা কিটিপ আৰু কৌশল ওপৰঞ্চিকৈ শিকাবলৈ লৈছিল। ঘটনাটো অৰ্জুনৰ সজাগ দৃষ্টিৰ পৰা সাৰি নগ'ল। গতিকে, অৰ্জুনেও সান্ধৰ বাহি বুদ্ধিৰে কাটিবলৈ ল'লে। বৰুণ-বাণ মাৰি অৰ্জুনে কলহটো চকুৰ পচাৰতে পানীৰে ওপচ খুৱাই কোনো আহি নো-পাওঁতেই দ্ৰোণৰ ওচৰ পোৱাহি হ'ল। দ্ৰোণে মনে মনে অৰ্জুনৰ উজ্জ্বলীয়া বুদ্ধিৰ প্ৰশংসা নকৰি নোৱাৰিলে।

এদিন দ্ৰোণাচাৰ্যই ৰাজকোঁৱৰসকলৰ ৰাজনীতিক লগ পাই ক'লে,

"তুমি ভাত-পানী দিলাওঁতে এটা কথা মনত ৰাখিবা। অৰ্জুনে যেন কাহানিও আন্ধাৰত ভাত খাবলগীয়া নহয়। কথাষাৰ অৰ্জুনক ভুলতো নক'বা।" তেতিয়াৰ পৰা অৰ্জুনক সদায় চাকিৰ সমুখতহে ৰাতিৰ ভাতসাজ খাবলৈ দিয়া হৈছিল। হঠাৎ এদিন খাই থাকোঁতেই চাকিগছ বতাহ লাগি নুমাই থাকিল। অৰ্জুনে কিন্তু আন্ধাৰ বুলি ভাত খাবলৈ নেৰিলে। তেওঁ ইয়াৰ ভিতৰতে মন কৰিলে, আন্ধাৰতো তেওঁৰ হাতখন ভাতৰ গৰাহ লৈ আপোনা-আপুনি মুখৰ আগলৈকে গৈ আছে। কথাষাৰ মন কৰি অৰ্জুনে আন এটা ডাঙৰ সত্যৰ উমান পালে, অভ্যাস কৰিলে চকুৰে দেখা নোপোৱা লক্ষ্যবস্তুলৈয়ো শৰ এৰি সফল হ'ব পাৰি। লগে লগে ৰাতিৰ আন্ধাৰতো ধনুত কাঁড় জুৰি লক্ষ্যভেদ কৰাৰ অভ্যাস কৰিবলৈ সাজু হ'ল। মাজৰাতি হঠাৎ ধনুৰ টংকাৰ শুনিয়েই দ্ৰোণে তৎক্ষণাৎ বুজি পালে, সেয়া অৰ্জুনৰ বাহিৰে আন কোনো নহয়। লৰালৰিকৈ দ্ৰোণে আহি অৰ্জুনৰ ওচৰ পালেহি। অৰ্জুনক অতি মৰমেৰে সাৱটি ধৰি তেওঁ ক'লে "বোপা, তোমাৰ তীক্ষ্ম বুদ্ধি দেখি মই অতি সন্তুষ্ট হৈছোঁ। মই তোমাৰ আগত শপত খাই কৈছোঁ, এই পৃথিৱীত যাতে তোমাৰ সমান ধনুৰ্ধৰ বীৰ আন কোনো হ'ব নোৱাৰে, মই তাৰ ব্যৱস্থা কৰিম।"

সেইদিনাৰ পৰা দ্ৰোণাচাৰ্যই অৰ্জুনক ধনু-কাঁড় যুদ্ধৰ সকলোবোৰ কৌশল আৰু কিটিপ তন্ন তন্নকৈ শিকাবলৈ লাগিল। হাতী, ঘোঁৰা আৰু ৰথ প্ৰত্যেকতে উঠি লৈ কেনেকৈ ভিন্ন ভিন্ন ধৰণেৰে যুদ্ধ কৰিব লাগে, তাকো শিকালে। গদাযুদ্ধ, অসিযুদ্ধ, ধনু-কাঁড় আৰু যাঠিৰ যুদ্ধৰ সকলোবোৰ সূক্ষ্মাতিসূক্ষ্ম কৌশলবোৰ শিকাই উঠিহে দ্ৰোণাচাৰ্য ক্ষান্ত হ'ল।

## ॥ একলব্যৰ গুৰুদক্ষিণা ॥

দ্ৰোণাচাৰ্যৰ অস্ত্ৰবিদ্যাত অসীম পাৰ্গতালিৰ কথা শুনিবলৈ পাই দূৰ-দূৰাতৰ পৰা হেজাৰ হেজাৰ ৰাজকোঁৱৰ তেওঁৰ শিষ্য হ'বলৈ ঢপলিয়াই আহিল। সেইসকল ৰাজকোঁৱৰৰ লগতে এদিন নিষাদৰাজ

হিৰণ্যধনুৰ পুত্ৰ একলব্যও হস্তিনাপুৰত ওলাইছি। তেওঁক দেখা পাই দ্ৰোণে খাতাং কথা শুনালে, "মই কোনো অস্পৃশ্য আৰু ম্লেচ্ছ জাতিৰ ল'ৰাক মোৰ শিষ্য হিচাপে নলওঁ।"

দ্ৰোণৰ তেনেকুৱা খাতাং কথা শুনি একলব্যৰ চকুহাল চলচলীয়া হৈ উঠিল। তেওঁ দ্ৰোণাচাৰ্যৰ ভৰিৰ দুখনত মূৰ থৈ প্ৰণাম কৰি তাৰ পৰা আঁতৰ হ'ল। তাৰ পাচত, গভীৰ অৰণ্যত সোমাই একলব্যই দ্ৰোণাচাৰ্যৰ এটা মাটিৰ মূৰ্তি সাজিলে। সেই মাটিৰ মূৰ্তিটোকে গুৰু বুলি সমুখত থৈ একলব্যই আপোন বুদ্ধিৰে অস্ত্ৰবিদ্যাৰ সাধনা কৰিবলৈ ল'লে। সোনকালেই তেওঁ তেওঁৰ সাধনাত সিদ্ধি লাভ কৰি অসাধাৰণ ধনুৰ্ধৰ হৈ উঠিল।

এদিন কৌৰৱ আৰু পাণ্ডৱসকল দ্ৰোণৰ আদেশত মৃগয়া কৰিবলৈ ওলাল। তেওঁলোকে লগত কেইটামান কুকুৰ আৰু কেইখনমান জাল লৈ গৈছিল। তাৰে এটা কুকুৰ ডাঠ হাবিত সোমাই একলব্যৰ সমুখত ওলালগৈ। কুকুৰটোৱে মলিয়ন কাপোৰ পিন্ধি থকা জটাধাৰী আৰু কংকালসাৰ একলব্যক দেখা পায়েই ভুকিবলৈ আৰম্ভ কৰিলে। একলব্যই সেই কুকুৰটোৰ ভুকভুকনি শাঁত পেলাবলৈ আৰু লগতে নিজৰো অস্ত্ৰ-প্ৰয়োগৰ পাৰদৰ্শিতা পৰীক্ষা কৰিবলৈ সাতপাট কাঁড় একেমুঠিয়ে মাৰি পঠিয়ালে। কাঁড় কেইপাটে কুকুৰটোৰ মুখৰ জাপ দুটা শালি ধৰিলে। মুখেৰে ভুকিব নোৱৰা হৈ সি দৌৰ মাৰি কৌৰৱসকলৰ আগত ওলালগৈ। গোটেইখন হাবি চলাথ কৰি তেওঁলোকে আন কাকো লগ নেপালে; মাথোন হাড়ে-ছালে লগা একলব্যকহে দেখা পালে। সমুখত তেওঁলোকৰ গুৰু দ্ৰোণাচাৰ্যৰ মাটিৰ মূৰ্তিটো দেখা পাই ৰাজকোঁৱৰসকলে তবধ মানিলে। অৱশেষত, তেওঁলোকে একলব্যক সুধিলে, "হে বীৰ, আপুনি কোন? আপোনাৰ পিতাই বা কোন?"

একলব্যই তেওঁৰ নিজৰ চিনাকি দি ক'লে, "মই নিষাদৰাজ হিৰণ্যধনুৰ পুত্ৰ আৰু বিখ্যাত দ্ৰোণাচাৰ্যৰ শিষ্য। মই এই আশ্ৰমত থাকি গুৰুদেৱৰ চৰণতলত অস্ত্ৰশিক্ষা অনুশীলন কৰিছোঁ।"

ৰাজকোঁৱৰসকল একলব্যৰ সকলো পৰিচয় লৈ ৰাজধানীলৈ উভতি

গ'ল। তাৰ পাচত, দ্ৰোণাচাৰ্যৰ ওচৰলৈ গৈ অৰ্জুনে অতি বিনয়েৰে ক'লে "গুৰুদেৱ, আপুনি অংগীকাৰ কৰিছিল, মোকেই আপুনি পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধনুৰ্ধৰ বীৰ কৰি তুলিব। কিন্তু, এতিয়া দেখোন আপোনাৰ আন এজন শিষ্যই মোকো চেৰ পেলাবলৈ লৈছে।" দ্ৰোণাচাৰ্যই অৰ্জুনৰ অনুযোগ শুনি তবধ মানিলে, তেনেকুৱা অঘটন কেনেকৈ ঘটিব পাৰে! বাকী ৰাজকোঁৱৰসকলৰ মুখতো একে ধৰণৰ কথা শুনি দ্ৰোণৰ কৌতুহল উপজিল।

অৱশেষত, শিষ্যসকলক লগত লৈ দ্ৰোণ হাবিৰ মাজ পালেগৈ। একলব্যই তেতিয়াও ধনু-কাঁড়ৰ অনুশীলন কৰি আছিল। লাহে লাহে দ্ৰোণ একলব্যৰ সমুখত থিয় হ'লগৈ। একলব্যই পোনতে ভাবি পোৱা নাছিল, সেয়া সপোন নে দিঠক! দিঠক বুলি গম পায়েই তেওঁ দ্ৰোণাচাৰ্যৰ ভৰি দুখন চুই প্ৰণাম কৰি উঠি ওচৰতে থৰ হৈ থিয় দি ৰ'ল। দ্ৰোণে তেতিয়া একলব্যক ক'লে, "হে বীৰ, তুমি যদি সঁচাকৈয়ে মোক গুৰু বুলি ভাবি লৈছা, তেনেহ'লে এতিয়া মোক গুৰুদক্ষিণা দিয়া।" একলব্যই আনন্দমনেৰে উত্তৰ দিলে, "প্ৰভু, আপোনাৰ চৰণত অদেয় একোৱেই নাই। আপুনি মাথোন আদেশ কৰক, গুৰুদক্ষিণা বুলি আপোনাক মই কি দিব লাগে।" দ্ৰোণে তেতিয়া ক'লে, "হে বীৰ, সঁচাকৈয়ে যদি মোৰ মনোবাঞ্ছা পূৰণ কৰি কিবা দিব খুজিছা, তেনেহ'লে মোক তুমি তোমাৰ সোঁ হাতৰ বুঢ়া আঙুলিটো কাটি গুৰুদক্ষিণা হিচাপে দিয়া।" গুৰু দ্ৰোণাচাৰ্যৰ মুখৰ পৰা এনে নিষ্ঠুৰ বচন শুনিবলৈ পোৱাৰ পাচতো একলব্যৰ হৃদয় নকঁপিল। তেওঁ তত্তালিকে থাপৰ তৰোৱাল উলিয়াই হাঁহি হাঁহি সোঁ হাতৰ বুঢ়া আঙুলিটো খাপ মাৰি গুৰিতে কাটি দ্ৰোণাচাৰ্যৰ হাতত তুলি দিলে। দ্ৰোণে তেওঁক আশীৰ্বাদ দি বিদায় ল'লে।

তাৰ পাচত, একলব্যই আন এটা আঙুলিৰে গুণ টানি দেখিলে, ধনুখনে আগৰ দৰে লেখীয়াকৈ স্থিৰ ল'ব নোখোজে। অৰ্জুনৰ মনৰ বুকত খোপ মাৰি উঠা সন্দেহৰ ভাৰবোৰ মুহূৰ্ততে আঁতৰি গ'ল। দ্ৰোণৰ শিক্ষা পাই অৰ্জুন অদ্বিতীয় ধনুৰ্ধৰ হৈ উঠিল; ভীম কাজাতক

গদাধাৰী বীৰ হৈ উঠিল ; আৰু যুধিষ্ঠিৰ অসাধাৰণ ৰথযোদ্ধা হৈ উঠিল। ঠিক তেনেকৈয়ে, নকুল আৰু সহদেৱো বিচিত্ৰ ধৰণৰ অসিযুদ্ধত অপ্ৰতিদ্বন্দ্বী হৈ উঠিল। দ্ৰোণৰ নিজ পুত্ৰ অশ্বত্থামাও সকলো ধৰণৰ যুদ্ধতে সমান পাৰদৰ্শী হৈ পিতৃগুৰুৰ প্ৰচুৰ আনন্দৰ কাৰণ হৈ উঠিল। এওঁলোক সকলোৱেই একোজন অতিৰথী বুলি পৰিগণিত হ'ল। যিজন অকলৈয়েই দহ হেজাৰ ৰথীৰ মুখামুখি হ'ব পাৰে, তেওঁকে মহাৰথী বুলি কোৱা হয়। সেইদৰে, যিজন অকলৈয়েই তেনেকুৱা কেইবাজনো মহাৰথীৰ মুখামুখি হ'ব পাৰে, তেওঁকে অতিৰথী বুলি কোৱা হয়।

শিক্ষাদান শেষ হ'লত, দ্ৰোণে তেওঁৰ শিষ্যসকলৰ জ্ঞান পৰীক্ষা কৰিবলৈ থিৰাং কৰিলে। দ্ৰোণে এজন বাঢ়ৈৰ হতুৱাই নীলা ৰঙৰ ৰহণ সনাই এটা কাঠৰ চৰাই গঢ়ালে। তাৰ পাচত, সেই কাঠৰ চৰাইটো এজোপা গছৰ ডালত থাপি থোৱাৰ দিহা কৰিলে। এইদৰে সকলোখিনি যা যোগাৰ কৰি উঠি দ্ৰোণে ৰাজকোঁৱৰসকলৰ পৰীক্ষা ল'বলৈ তেওঁলোকক মাতি পঠিয়ালে। পোনতে যুধিষ্ঠিৰক ধনু-কাঁড় লৈ সেই চৰাইটোৰ পিনে লক্ষ্য স্থিৰ কৰিবলৈ ক'লে। দ্ৰোণে তেতিয়া সুধিলে, "তুমি কি দেখিছা, কোঁৱৰ। তুমি বাৰু মোক আৰু অন্যান্য কোঁৱৰসকলক, গছৰ ডাল-পাত আৰু চৰাইটো দেখিছা নে ?" যুধিষ্ঠিৰে যেতিয়া তেওঁ সকলোবোৰ ভালকৈ দেখিছে বুলি ক'লে, তেতিয়া দ্ৰোণে তেওঁক ধনু-কাঁড় এৰি গুচি যাবলৈ ক'লে। এইদৰে সকলোকেইজন কোঁৱৰকে এজন এজনকৈ দ্ৰোণে একেষাৰ কথাকেই সুধিলে ; আৰু প্ৰত্যেকেই একেটা উত্তৰকে দিলে। গতিকে প্ৰত্যেকেই যুধিষ্ঠিৰৰ দৰে একে ককৰ্থনা শুনিলে। অৱশেষত, অৰ্জুনক ধনু-কাঁড় লৈ সেই চৰাইটোৰ পিনে চাবলৈ কোৱা হ'ল। দ্ৰোণে তেওঁকো সুধিলে, "তুমি বাৰু মোক আৰু অন্যান্য কোঁৱৰসকলক, গছৰ ডাল-পাত আৰু চৰাইটো দেখিছা নে ?" অৰ্জুনে উত্তৰ দিলে, "গুৰুদেৱ, মই আন একো দেখিবলৈ পোৱা নাই। মাথোন চৰাইটোহে দেখিছোঁ।" দ্ৰোণে তেওঁক নিৰ্দেশ দিলে, "ভালকৈ চাই থোৱাচোন।" তাৰ পাচত আকৌ সুধিলে,

"কোৱাচোন, বাকীবোৰ দেখিছা নে নাই? তুমি মাখোন চৰাইটোহে দেখিছা নে?" অৰ্জুনে উত্তৰ দিলে, "গুৰুদেৱ, এইবেলি মেখোন চৰাইটোও ভালকৈ দেখিবলৈ পোৱা নাই। মাথোন তাৰ ডিঙিটোহে দেখিছোঁ।" দ্ৰোণে তেতিয়া আদেশ দিলে, "তেনেহ'লে কাঁড়ডাল মাৰি চৰাইটো নমাই আনা।" দ্ৰোণৰ কথাষাৰ শেষ হওঁতে-নহওঁতেই অৰ্জুনে একেপাট শৰেৰে তাক বগৰাই পেলালে। লগে লগে দ্ৰোণৰ মুখত হাঁহি বিৰিঙি উঠিল। দুৰ্যোধন আৰু তেওঁৰ ভায়েক কেইজন ঈৰ্ষাৰ জুইত পুৰি মৰিবলৈ ধৰিলে।

মাথোন কেইদিনমানহে পাৰ হৈছিল। অনেক্তে দ্ৰোণাচাৰ্যৰ মূৰৰ ওপৰেদি এজাক বৰ ডাঙৰ বিপদৰ ধুমুহা পাৰ হৈ গ'ল। দ্ৰোণক এদিন গা ধুবলৈ যাওঁতে হঠাৎ এটা ঘৰিয়ালে ধৰিলেহি। তেওঁৰ কৰঙন এটাতে কামোৰ মাৰি ঘৰিয়ালটোৱে তেওঁক দ পানীলৈ টানি নিবলৈ ধৰিলে। অস্ত্ৰ-শস্ত্ৰহীন দ্ৰোণে উপায়-বিহুদিশ হৈ শিষ্যসকলক চিঞৰি চিঞৰি মাতিলে। কিন্তু, ইমানজাক বীৰ-মহাবীৰ ওচৰতে থকা সত্ত্বেও কোনেও তেওঁক ৰক্ষা কৰাৰ উপায় বিচাৰি নেপালে। মাথোন অৰ্জুনে মুহূৰ্ততে কেইপাটমান শৰ মাৰি ঘৰিয়ালটোক টুকুৰা-টুকুৰকৈ কাটি পেলালে। তাৰ মেলা মুখ মেলাভাগেই থাকিল; দ্ৰোণক সি গিলি পেলাব নোৱাৰিলে। গিলিব পৰা হ'লেও, তাৰ ডিঙিটোৰ সিপাৰে পৰিপাক-যন্ত্ৰটোৱেই নোহোৱা হ'ল। দ্ৰোণে পানীৰ পৰা উঠি আহি অৰ্জুনক সাৱটি ধৰিলে। তাৰ পাচত, দ্ৰোণে অৰ্জুনক এপাট অস্ত্ৰ দি ক'লে, "তোমাক এইপাট ব্ৰহ্মশিৰ দিলোঁ। কিন্তু সাৱধান, কোনো মানুহৰ বিৰুদ্ধে ইয়াক যেন প্ৰয়োগ নকৰা। কাৰণ, প্ৰতিৰোধ কৰিব নেজানিলে, এই অস্ত্ৰই সমস্ত পৃথিৱী ধ্বংস কৰিব পাৰে। মাথোন অমানুহক দমন কৰিবলগীয়া হ'লেহে এই অস্ত্ৰ প্ৰয়োগ কৰিবা।"

## ॥ নিপুণতাৰ বাজআহৰা প্ৰদৰ্শনী ॥

অৱশেষত, এদিন দ্ৰোণাচাৰ্যই ৰজা ধৃতৰাষ্ট্ৰক তেওঁৰ ৰাজকোঁৱৰ জনালেহি যে, ৰাজকোঁৱৰসকলৰ অস্ত্ৰশিক্ষা শেষ হৈছে। সেয়ে, তেওঁ

ৰাজহুৱাকৈ সকলোৰে আগত তেওঁলোকৰ বিচিত্ৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ ব্যৱস্থা ল'বলৈ মন মেলিছে। ধৃতৰাষ্ট্ৰই সেই কথা শুনি অতি আনন্দেৰে অনুমতি দি ক'লে, "আচাৰ্য, আপুনি অতি মহৎ কাৰ্য সম্পাদন কৰিলে। ময়ো যদি চকু থকা সকলো মানুহৰ দৰে কৌৰৱসকলৰ বীৰত্ব-পৰাক্ৰম নিজৰ চকুৰে চাই মনৰ হেঁপাহ পলুৱাব পাৰিলোহেঁতেন।"

ধৃতৰাষ্ট্ৰৰ আদেশত আৰু দ্ৰোণৰ নিৰ্দেশত বিদুৰে এজোখৰ ভাল সমান ঠাইত এখন বিয়াগোম খেল-পথাৰ যুগুতাই উলিয়ালে। দিন-বাৰ সঠিককৈ থিৰ কৰা হ'লত ঢোল পিটাই সকলোকে জাননী দিয়া হ'ল, সেই খেল-পথাৰত ৰাজকোঁৱৰসকলে কাহানি তেওঁলোকৰ নিজা নিজা প্ৰতিভা ৰাজহুৱাকৈ প্ৰদৰ্শন কৰিব। নিৰ্দিষ্ট দিনত সকলো প্ৰজা সেই খেল-পথাৰৰ চাৰিওপিনে উবুৰি খাই পৰিলহি। নিৰ্দিষ্ট প্ৰহৰত ভীষ্ম আৰু কৃপাচাৰ্যক সমুখত লৈ ৰজা ধৃতৰাষ্ট্ৰ সেই নিখুঁতকৈ সজাই তোলা খেল-পথাৰৰ সমুখত সজা আচুটীয়া টোলত সোমালহি। তেওঁলোকৰ পিচে পিচে আহিল, গান্ধাৰী আৰু কুন্তীৰ সৈতে কাৰেঙৰ জীয়ৰী-বোৱাৰীসকল। তদুপৰি, চুবুৰীয়া দেশবোৰৰ পৰা নিমন্ত্ৰিত হৈ অহা নানা দৰ্শকৰ সমাগমত চাৰিওপিনে তোলপাৰ লাগিল। নানা ধৰণৰ চিঞৰ-বাখৰ আৰু হাঁহি-কিৰিলিৰ সৈতে কেউপিনে বাজি উঠা ভিন ভিন বাদ্যযন্ত্ৰৰ সুৰীয়া কোলাহল লগ লাগি সেই জন-সমুদ্ৰত যেন বাসন্তী-জোৱাৰহে উথলি উঠিল।

অলপ পাচতে, গোটেই মূৰটোতে একোছা পকা চুলি লৈ, গাত শুকু বগা কাপোৰ আৰু ডিঙিত এধাৰ মালা পিন্ধি দ্ৰোণাচাৰ্য খেল-পথাৰৰ মাজলৈ সোমাই আহিল। তেওঁৰ কাষতে থিয় হৈ ৰ'লহি, তেওঁৰ পুত্ৰ অশ্বত্থামা। শুভ মুহূৰ্তত অনুষ্ঠানৰ শুভ সাফল্য প্ৰাৰ্থনা কৰি বেদ-মন্ত্ৰ পাঠ কৰাৰ পাচত ৰজা ধৃতৰাষ্ট্ৰই কৌৰৱসকলৰ দুয়োজনা গুৰু দ্ৰোণাচাৰ্য আৰু কৃপাচাৰ্যক সোণ-ৰূপৰ চৰু আগবঢ়াই দক্ষিণা দিলে। উৎসৱৰ আৰম্ভণি ঘোষণা কৰাৰ লগে লগে ৰাজকোঁৱৰসকল সাজি-কাচি খেল-পথাৰত থিয় হ'লহি। পোনতে সকলোতকৈ ডাঙৰ যুধিষ্ঠিৰক তেওঁৰ অস্ত্ৰ-কৌশল দেখুৱাবলৈ দিয়া হ'ল। যুধিষ্ঠিৰে

এখন ৰথত উঠি ৰথ-যুদ্ধৰ কৌশলবোৰ ধনুৰ্দ্ধাৰীক দেখুৱালে। তাৰ পাচত, বাকীসকলৰ কোনোবাই ঘোঁৰা চেকুৰাই দেখুৱালে, কোনোবাই ঢাল-তৰোৱালৰ খেল দেখুৱালে, আৰু কোনোবাই হয়তো ধনু-কাঁড়ৰ খেল দেখুৱালে। ভীম আৰু দুৰ্যোধন দুয়ো একেলগে গদা-যুদ্ধৰ কলা-কৌশল দেখুৱাবলৈ ল'লে। তাকে কৰোঁতে, দুয়োৰো মাজত তথিয়াতথি লাগিবলৈ আৰম্ভ কৰিলে। দৰ্শকসকলৰ মাজতো সেই উত্তেজনাৰ প্ৰভাৱ পৰিল। দৰ্শকসকলৰ এভাগে কুৰুপতি দুৰ্যোধনৰ জয়ধ্বনি দিবলৈ ধৰিলে, আৰু আন এভাগে বৃকোদৰ ভীমৰ জয়ধ্বনিৰে পাণ্ডৱৰ ফলীয়া হৈ মুখ পাতি ধৰিলে। চাই থাকোঁতেই খেল-পথাৰৰ পৰিস্থিতি উত্তপ্ত হৈ উঠিল। পৰিস্থিতি বিষম যেন দেখি দ্ৰোণাচাৰ্যই অশ্বত্থামাক আদেশ দিলে, তেওঁলোকৰ উগ্ৰ প্ৰতিদ্বন্দ্বিতা ভাঙি দিব লাগে। অশ্বত্থামাই মাজত সোমাই দুয়োকো দুফালে আঁতৰাই পঠিয়ালে।

দ্ৰোণে দৰ্শকমণ্ডলীক কিছু নিৰ্দোষ আনন্দৰ যোগান ধৰি আকৌ খেল-পথাৰৰ পৰিস্থিতি ঘূৰাই আনিবৰ কাৰণে অৰ্জুনক তেওঁৰ সমৰ-কৌশল দেখুৱাবলৈ মাতিলে। দ্ৰোণে অৰ্জুনক চিনাকি কৰি দি মুকলিকৈয়ে ক'লে, "এওঁ অৰ্জুন, মোৰ আটাইতকৈ প্ৰিয় শিষ্য। এওঁ সকলো ধৰণৰ অস্ত্ৰৰ ব্যৱহাৰেই অতি নিখুঁতকৈ জানে। এতিয়া আপোনাসকলে মোৰ এই পুত্ৰতুল্য শিষ্যৰ কৃতিত্ব চাওক।" দ্ৰোণৰ মুখত আপোন শিষ্যৰ এনে উচ্চ প্ৰশংসা শুনিবলৈ পাই দৰ্শকমণ্ডলীৰ আশা আৰু আনন্দ উথলি উঠিল। হঠাৎ চাৰিওপিনে পাৰ বাগৰা আনন্দৰ কিৰিলি শুনি বজা ধৃতৰাষ্ট্ৰই বিদুৰক তাৰ কাৰণ সুধিলে। বিদুৰে উত্তৰ দিলে, "এতিয়া অৰ্জুনে তেওঁৰ খেল দেখুৱাব।" ধৃতৰাষ্ট্ৰই তেতিয়া ক'লে, "কুন্তীৰ তিনিওজন পুত্ৰৰ গৌৰৱেৰে মই ধন্য মানিছোঁ, পৰম আনন্দ লভিছোঁ, আৰু নিজকে নিৰাপদ বোধ কৰিছোঁ।"

অৰ্জুনে প্ৰথমতে তেওঁৰ ধনুত অগ্নি বাণ জুৰিলে। সেই বাণ নিক্ষেপ কৰাৰ লগে লগে চাৰিওপিনে দপ্‌দপ্‌কৈ হেজাৰ-অযুতজুবা জুই জ্বলি উঠিল। নিমিষতে বৰুণ বাণ মাৰি তেওঁ আকাশৰ পৰা ধাৰাসাৰ বৰষুণৰ জল নমাই আনিলে। লগে লগে প্ৰলয়-কাণ্ড থমকি

পাৰিল। তাৰ পাচত, তেওঁ বায়ু বাণৰ সহায়ত ভয়ংকৰ ধুমুহা আৰু অনেক বা-মাৰলিৰ সৃষ্টি কৰিলে, পৰ্জন্য বাণৰ প্ৰভাৱেৰে আকাশত মেঘৰ সমাগম সৃষ্টি কৰিলে, আৰু ভূমিগৰ্ভ বাণেৰে পৃথিৱীৰ গৰ্ভ ফালি জানি জানি পাহাৰৰ সৃষ্টি কৰিলে। অৱশেষত, মায়ানাশী বাণ মাৰি চকুৰ পচাৰতে সেই সকলোবোৰ নোহোৱা কৰি পেলালে। অৰ্জুনৰ এনেবোৰ ধনুৰ্বিদ্যাৰ অপূৰ্ব জ্ঞান দেখি দৰ্শকমণ্ডলীয়ে তেওঁৰ কৃতিত্বৰ শলাগ লৈ জাউৰিয়ে জাউৰিয়ে হাতচাপৰি বজালে। ইয়াৰ পাচত, তেওঁ ধনুৰ্বিদ্যাৰ সূক্ষ্ম পদ্ধতিবোৰ দেখুৱাবলৈ ল'লে। পোনতে এটা পাক-ঘূৰণি লৈ থকা লোহাৰে সজা গাহৰিৰ মুখত একেকোবে পাঁচপাট শৰ সুমুৱাই দেখুৱালে। তাৰ পাচত, এডাল চুলি যেন লাহী সূতাত ওলমি থকা ম'হৰ শিঙৰ শিঙা এটাৰ মেলাহি মুখখনত এপাট এপাটকৈ একৈশপাট শৰ মাৰি শিঙাটো সৰি নপৰাকৈ থৈ দেখুৱালে। এইদৰে বিচিত্ৰ শৰসন্ধানৰ নানা কৌশল দেখুওৱাৰ পাচত ৰথ-যুদ্ধ আৰু গদা-যুদ্ধৰ কেইবাটাও সূক্ষ্ম কৌশল দেখুৱাই উঠি অৰ্জুন ক্ষান্ত হ'ল। আচাৰ্য দ্ৰোণে তেতিয়া তেওঁক ক'লে, "এতিয়া তুমি অংগীকাৰ কৰা, ভৱিষ্যতে তুমি মোৰ প্ৰতি-যোদ্ধা হ'বা।" অৰ্জুনে গুৰুৰ আগত সেইদৰে অংগীকাৰ কৰিলে।

এনেতে এটা প্ৰকাণ্ড বিস্ফোৰণৰ দৰে তৰ্জন-গৰ্জন কৰি মহাবীৰ কৰ্ণ খেলপথাৰত সোমালহি। বুকুত কবচ আৰু কাণত এযোৰ ক'ৰিয়া পিন্ধি অহা কৰ্ণই দ্ৰোণাচাৰ্য আৰু কৃপাচাৰ্যক মাথোন একোটাকৈ সেৱা জনায়েই সকলোৰে পিনে এবাৰ চাই লৈ ক'লে, "এওঁ যিবোৰ কলা-কৌশল দেখুৱালে, সেই সকলোবোৰ ময়ো দেখুৱাম।" দুয়ো একেগৰাকী মাতৃৰ পুত্ৰ বুলি নেজানি কৰ্ণই অৰ্জুনক ক'লে, "তুমি নেভাবিবা, মাথোন তুমিয়েই এইবোৰ দেখুৱাব পাৰা।" তাৰ পাচত, কৰ্ণই সঁচাসঁচিকৈয়ে অৰ্জুনে দেখুওৱা প্ৰতিটো অস্ত্ৰ-কৌশল দুনাই যোগান ধৰি দেখুৱালে। কৰ্ণৰ কৃতিত্বত দুৰ্যোধনে পৰম আনন্দ লভিলে। তেওঁ আগবাঢ়ি আহি কৰ্ণক সাৱটি ধৰি ক'লে, "হে মহাবীৰ, তোমাক মই হিয়াভৰা ওলগ যাচিছোঁ। তুমি তোমাৰ ইচ্ছামতে এই কুৰুৰাজ্য ভোগ কৰা।" কৰ্ণই উত্তৰ দিলে, "মোক ৰাজ্য নালাগে, বন্ধু। মই মাথোন

তোমাৰ বন্ধুত্বৰ ভিক্ষাৰী। মোৰ মাথোন এটাই বাসনা, অৰ্জুনৰ লগত দ্বন্দ্বযুদ্ধ কৰাৰ সুযোগ এটা লাগে।"

কৰ্ণৰ কথা শুনি অৰ্জুনৰ খং উঠিল। তেওঁ পোনপটীয়াকৈ ক'লে, "শুনা কৰ্ণ, যিবিলাক নমতাকৈয়ে আহে, যিবিলাকে গাত পৰি কথা কয়, সিবিলাক এনেয়েই যি নৰকলৈ যায়, মই তোমাক সেই নৰকলৈ এতিয়াই পঠাম।" কৰ্ণই উত্তৰ দিলে, "এই খেল-পথাৰলৈ অহাৰ অধিকাৰ প্ৰত্যেকৰে আছে; অকল তোমাৰেই সেই অধিকাৰ আছে বুলি নেভাবিবা। দুৰ্বলৰ চিনাকৈ তুমি মোক কিয় নিন্দা কৰিছা? কিবা যদি ক'বলগীয়াই আছে, ধনু-কাঁড় তুলি সেই কথা কাঁড়ৰ আগেৰে নোকোৱা কিয়? আজি মই গুৰুৰ সমুখতে তোমাৰ মূৰটো কাটিব নোৱাৰো যদি, ক'বা।" দ্ৰোণৰ অনুমতি লৈ লগে লগে অৰ্জুন কৰ্ণৰ মুখামুখি হ'ল। অৰ্জুনৰ পিচে পিচে তেওঁৰ চাৰিওজন ভাতৃও আগবাঢ়ি গ'ল। আনপিনে, কৰ্ণক সহায় কৰিবলৈ দুৰ্যোধন আৰু তেওঁৰ নিৰান্নৈজন ভায়েকো বুকু চপাৰিয়াই আগবাঢ়ি গ'ল। দেৱৰাজ ইন্দ্ৰ আৰু সূৰ্যয়ো নিজৰ নিজৰ পুত্ৰক চাবলৈ বুলি আকাশত থমকি ৰ'লহি। অৰ্জুনৰ মূৰৰ ওপৰত পৰিল, এমুঠি মেঘৰ ছাঁ; আৰু কৰ্ণৰ মূৰৰ ওপৰত পৰিল, এজাক ৰ'দৰ উম। দ্ৰোণ, কৃপাচাৰ্য আৰু ভীষ্ম লৰালৰিকৈ অৰ্জুনৰ ওচৰ চাপি আহিল। খেল-পথাৰৰ ভিতৰে-বাহিৰে সকলো মানুহ দুভাগত ভাগ হৈ পৰিল। তাৰ প্ৰতিক্ৰিয়া নাৰী-দৰ্শকসকলৰ মাজতো ঘটিল।

ইতিমধ্যে কৰ্ণক চিনিব পাৰি কুন্তী মূৰ্ছা গ'ল। বিদুৰৰ আদেশত লিগিৰীবিলাকে তেওঁৰ চকুৱে-মুখে পানী ছটিয়াবলৈ ধৰিলে। দুয়ো পুত্ৰকে ধনু-কাঁড় লৈ সাজু হোৱা দেখিবলৈ পাই মূৰ্ছা ভগাৰ পাচতো কুন্তী জলকা লাগি ৰ'ল। এনে সময়তে কৃপাচাৰ্যই কৰ্ণক ক'লে, "তুমি নিশ্চয় জানা, মহাবীৰ অৰ্জুন পাণ্ডু আৰু কুন্তীৰ পুত্ৰ। এওঁ তোমাৰ লগত দ্বন্দ্বযুদ্ধ কৰিবলৈ সাজু। তাৰ আগতে তোমাৰ পৰিচয় দিয়া, তুমি কোন বংশৰ সন্তান, তোমাৰ পিতৃ-মাতৃৰ নাম কি, আৰু তুমি কোন ৰাজবংশৰ ভূষণ? তাৰ পাচতহে দুয়োৰে যুদ্ধ হ'ব পাৰিব।

কাৰণ, কোনো ৰাজপুত্ৰেই অজান বংশৰ সন্তানৰ লগত সমানে সমানে যুদ্ধ নকৰে।" কৃপাচাৰ্যৰ কথাষাৰ শুনি অত্যন্ত লাজত কৰ্ণৰ মুৰটো বাৰিষাৰ বৰষুণে কোবোৱা পদুম ফুলৰ দৰে দোঁ খাই পৰিল। তেতিয়া নিলাজ দুৰ্যোধনে ক'লে, "গুৰুদেৱ, অৰ্জুনে যদি ৰজাৰ বাহিৰে আনৰ লগত যুদ্ধ নকৰে, তেনেহ'লে মই তাৰ প্ৰতিকাৰ কৰি কৰ্ণক এই মুহূৰ্তে অংগৰাজ্যৰ ৰজা পাতিছোঁ।" কথাষাৰ কৈ উঠিয়েই দুৰ্যোধনে এখন সোণৰ পীৰা অনাই কৰ্ণক বহুৱাই দৈ, ব্ৰাহ্মণ পুৰোহিতৰ হতুৱাই মূৰত ফুল আৰু আখৈ ছতিয়াই সেই মুহূৰ্ততে কৰ্ণক অংগৰাজ্যৰ ৰজা পাতি দিলে।

এনে সময়তে কৰ্ণৰ-পালনকাৰী পিতা অধিৰথ ঘামি-জামি কঁপি কঁপি বাঁহৰ টোকোনত ভৰ দি খেল-পথাৰলৈ সোমাই আহিল। পিতাকক দেখা পাই তেওঁক সেৱা কৰিবলৈ কৰ্ণ আগবাঢ়ি গ'ল। অধিৰথে ভৰি দুখন আঁৰ কৰি ধৰিলে, যাতে কোনেও তেওঁক কৰ্ণই সেৱা কৰা দৃশ্য দেখিবলৈ নেপায়। অধিৰথে চলচলীয়া চকুৰে কৰ্ণক সাৱটি ধৰিলে। ভীমে সুযোগটো নেৰিলে। তেওঁ কৰ্ণক ইতিকিং কৰি ক'লে, "হেৰা সূতপুত্ৰ, ওপজোঁতেই তুমি অৰ্জুনৰ হাতত মৰিবৰ যোগ্য হৈ অহা নাই। তোমাৰ হাতত অস্ত্ৰই শোভা নাপায়, লেকামৰ জৰীয়েহে শোভা পায়। কুকুৰে যেনেকৈ যজ্ঞৰ প্ৰসাদ চেলেকিব নাপায়, তুমিও তেনেকৈ ৰাজ্যৰ ভাগ ভোগ কৰিবলৈ ওলাব নাপায়।" দুৰ্যোধনে তেতিয়া মুখ পাতি ধৰিলে, "ভীম, তোমাৰ মুখত তেনেকুৱা কথা ওলোৱাটো তেনেই অনুচিত। কিয়, দ্ৰোণাচাৰ্য কলহৰ পৰা ওপজা নাই? কৃপাচাৰ্য শৰৰ তৃণৰ পৰা ওপজা নাই? আৰু, তোমালোকৰ জন্ম-কাহিনীও মোৰ জনা আছে। ওপজোঁতেই বুকুত কবচ আৰু কাণত কঁৰিয়া পিন্ধি অহা কৰ্ণ কেতিয়াও তলখাপৰ বংশত উপজিব নোৱাৰে। মাথোন অংগ-ৰাজ্য কিয়, এওঁ গোটেই পৃথিৱী ভোগ কৰিবৰ যোগ্য। যিবিলাকে আন ধৰণেৰে ভাবি আছে, সিবিলাক শেষ-যুদ্ধৰ কাৰণে সাজু হোৱাটোৱেই ভাল।"

এনেতে লাহ দিয়া বেলিটো দিগন্তত বুৰ গ'ল। দুৰ্যোধনে কৰ্ণৰ

হাতখন ধৰি খেল-পথাৰৰ পৰা সদৰ্পে বিদায় ল'লে। তাৰ পাচত, পাণ্ডৱসকল যাবলৈ ওলাল। দ্ৰোণ, কৃপাচাৰ্য আৰু ভীষ্মও ঘৰাঘৰি হ'ল। কুন্তীৰ হৃদয় গোপন আনন্দেৰে উপচি উঠিল—তেওঁৰ গাভৰুকালৰ পুত্ৰ কৰ্ণই অংগৰাজ্যৰ ৰজা হ'বলৈ পাইছে! যুধিষ্ঠিৰৰ ধাৰণা উপজিল, কৰ্ণৰ সমকক্ষ ধনুৰ্ধৰ পৃথিৱীতে নাই। যুধিষ্ঠিৰে মনটো অলপ আমোলাই পেলালে।

## ॥ দ্ৰোণৰ গুৰুদক্ষিণা-প্ৰাৰ্থনা ॥

কৌৰৱ আৰু পাণ্ডৱ ৰাজকোঁৱৰসকলৰ শিক্ষাকাল ওৰ পৰিলত দ্ৰোণাচাৰ্যই এদিন সকলোবোৰ শিষ্যকে একেলগে মাতি পঠিয়ালে। তেওঁলোক গোট খালত দ্ৰোণাচাৰ্যই সকলোকে সম্বোধি ক'লে, "তোমালোকৰ শিক্ষা সাং হৈছে। এতিয়া মই তোমালোকৰ পৰা গুৰু-দক্ষিণা বিচৰাৰ সময়। মোক ধন-সোণৰ গুৰুদক্ষিণা নালাগে। তোমালোকে যুদ্ধ কৰি পাঞ্চালৰাজ দ্ৰুপদক জীৱন্ত অৱস্থাত ধৰি আনি মোৰ ওচৰত শোধাই দিয়াহি। তাকে কৰিলেই তোমালোকে মোক আটাইতকৈ ডাঙৰ গুৰুদক্ষিণা দিয়া হ'ব।" কথাষাৰ দ্ৰোণে ক'বলৈহে পালে, তেওঁৰ শিষ্যসকল সাজি-কাচি ওলালেই।

দ্ৰুপদ ৰজাৰ ৰাজধানী আক্ৰমণ কৰাৰ লগে লগে, দ্ৰুপদ আৰু তেওঁৰ ভায়েকসকলে আগভেটি ধৰিলেহি। তাৰ আগতে কৌৰৱ আৰু পাণ্ডৱ-সকলৰ মাজত এটা সামান্য মনান্তৰ ঘটিল। দুৰ্যোধন আৰু কৰ্ণই ফিতাহি মাৰি ক'লে, দ্ৰুপদ ৰজাক ধৰি অনাৰ ভাৰ মাথোন কৌৰৱসকলক দিলেই হ'ব। অৰ্জুনে তেতিয়া দ্ৰোণাচাৰ্যক ক'লে, "গুৰুদেৱ, আপুনি তেওঁলোকক অকলেই যাবলৈ দিয়ক। আমি নগৰৰ বাহিৰতে চাউনী পাতি ৰওঁ। তেওঁলোকে নোৱাৰিলেহে আমি যাম। মোৰ বিশ্বাস, তেওঁলোকে আপোনাৰ মনোবাঞ্ছা পূৰণ কৰিব নোৱাৰে।" শেষত সেইটোৱেই ঘটিল। দ্ৰুপদ ৰজাৰ ভায়েক যজ্ঞসেনৰ আগত দুৰ্যোধন আৰু কৰ্ণ তিষ্ঠিব নোৱাৰিলে। যজ্ঞসেনে তেওঁৰ ৰথত উঠি এফালৰ পৰা

কৌৰৱ সেনাবাহিনীক মষিমূৰ কৰি আনিলে। স্বয়ং দ্ৰুপদৰ হাতৰ ধনুৰে কৌৰৱসকলৰ ওপৰত কাঁড়-বৰষুণ ঢালিবলৈ ল'লে। তাকে দেখি, ৰাজধানীৰ সাধাৰণ নাগৰিকসকলে, ল'ৰা-বুঢ়া যেয়ে য'ত যেনেকৈ পাৰে, কৌৰৱসকলক আক্ৰমণ কৰি উশাহ ল'ব নোৱৰা কৰিলে। পাঞ্চাল-সকলৰ প্ৰতি-আক্ৰমণত দুৰ্যোধনৰ সৈন্যবাহিনীয়ে ছত্ৰভংগ দিলে।

তেতিয়া ভীম আৰু অৰ্জুন ওলাল দ্ৰুপদ ৰজাক জীয়াই জীয়াই ধৰি আনিবলৈ। তেওঁলোক দুয়ো যুধিষ্ঠিৰক যাবলৈ নিদিলে। নকুল আৰু সহদেৱক ৰথীয়া পাতি যুধিষ্ঠিৰক চাউনীতে এৰি থৈ দুয়ো বীৰ ৰথত উঠিলগৈ। ভীমে হাতত গদা লৈ পাঞ্চালৰাজৰ হাতী, ঘোঁৰা আৰু ৰথ ধ্বংস কৰিবলৈ ধৰিলে। তাৰ পাচত, অৰ্জুনৰ লগত দ্ৰুপদ আৰু তেওঁৰ আন এজন ভায়েক সত্যজিতৰ ভীষণ যুদ্ধ আৰম্ভ হ'ল। অৰ্জুনৰ কাঁড়ৰ আঘাতত সত্যজিতৰ ৰথৰ সাৰথি আৰু ঘোঁৰা আটাইবোৰ মৰিল। উপায় নেপাই সত্যজিতে তাৰ পৰা পলাই পত্ৰং দিলে। তেতিয়া অৰ্জুনে তেওঁৰ কাঁড়-বৰষুণেৰে ৰজা দ্ৰুপদৰ হাতত থকা ধনুখনৰ গুণডাল কাটি পেলালে ; তাৰ পাচত, ৰথৰ ওপৰত থকা পতাকাখন ভাঙি পেলালে। লগে লগে ঘোঁৰা আৰু সাৰথিকো শৰবিদ্ধ কৰি লৈ, জাঁপ মাৰি অৰ্জুন দ্ৰুপদৰ ৰথত উঠিলগৈ। পাঞ্চাল সৈন্যবোৰ চাৰিওপিনে পলাবলৈ লাগিল। দ্ৰুপদক ধৰি উঠি অৰ্জুনে ভীমক ক'লে, "সৈন্যবোৰক বধ কৰিব নালাগে। পিছুতক মিছাকৈয়ে খেদি যাব নালাগে। আচল মানুহজনক মই এয়া বন্দী কৰিছোঁ, চাওক। আমি উভতি যাওঁগৈ, আহক। সোনকালে আমি আমাৰ গুৰুদক্ষিণা দি মুকলি হওঁগে।"

এইদৰে ৰজা দ্ৰুপদ আৰু তেওঁৰ মন্ত্ৰীগৰাকীক জীৱন্ত অৱস্থাতে ধৰি আনি অৰ্জুনে কৌৰৱসকলৰ হৈ দ্ৰোণাচাৰ্যক গুৰুদক্ষিণা শোধালেহি। দ্ৰোণৰ মুখত পৰম আনন্দৰ হাঁহি বিৰিঙি উঠিল। বন্দী দ্ৰুপদৰ পিনে চাই দ্ৰোণে ক'লে, "দ্ৰুপদ, মই তোমাৰ সৈন্যবাহিনীক পৰাস্ত কৰি তোমাৰ ৰাজধানী অধিকাৰ কৰিছোঁ। তুমি মোৰ ধূলি-মাকতিৰে ওমলা দিনৰে বন্ধু। পুৰণি বন্ধুত্বৰ কথা সুঁৱৰি তুমি মোক খুজিলেই হ'ল। তোমাক কি লাগে, কোৱাঁ। মই নিদিয়াকৈ নেথাকোঁ।" তাৰ পাচত,

বিদ্রূপৰ হাঁহি এটা মাৰি দ্ৰোণে দ্রুপদৰ পূৰ্বাণ কথা এবাৰকে দোহাৰি ক'লে, "সমানে সমানেহে বন্ধু হ'ব পাৰি। পণ্ডিতৰ লগত মূৰ্খৰ, বীৰৰ লগত নপুংসকৰ, ৰজাৰ লগত ভিকহুৰ বন্ধুত্ব অৱশ্যে অসম্ভৱ।" দ্ৰোণৰ কথাই দ্রুপদৰ কটা ঘা'ত চেঙা তেল দিলে। তেওঁ লাজত মূৰ দোঁৱালে।

অৱশেষত, নিৰৱতা ভাঙি দ্ৰোণে ক'লে, "দ্রুপদ, মই বাৰু তোমাক তোমাৰ জীৱন দান দিলোঁ। কাৰণ, মই এক সাধাৰণ ব্ৰাহ্মণ; আৰু ক্ষমাই ব্ৰাহ্মণৰ ধৰ্ম। তদুপৰি, তুমি নোখোজাকৈয়ে মই তোমাক অলপ আগতে জয় কৰি লোৱা ৰাজ্যৰ আধাখিনি দিছোঁ। কেতিয়াবা মন গ'লে তুমি মোক বন্ধু বুলি ভাবিবলৈ তেতিয়া নিশ্চয় টান নেপাবা।" ৰজা দ্রুপদে তেতিয়া ক'লে, "তুমি সঁচাকৈয়ে শক্তিমান মহাত্মা। মাথোন তোমাৰ পক্ষেই এনে মহত্বপূৰ্ণ আচৰণ সম্ভৱ। মই তোমাৰ মহত্ব দেখি মুগ্ধ হৈছোঁ। তোমাৰ বন্ধু হৈ থাকিব পৰাটো মোৰেই সৌভাগ্য।" দ্ৰোণে দ্রুপদৰ কথাত সন্তুষ্ট হৈ তেওঁক মুক্তি দান কৰিলে।

গংগাৰ দক্ষিণ পাৰত থকা মাকন্দী নগৰ আৰু কাম্পিল্যপুৰীকে ধৰি চৰ্মণ্বতী পৰ্যন্ত পূৰ্বৰ পাঞ্চাল ৰাজ্যৰ আধাখিনি দ্রুপদ ৰজাৰ অধিকাৰতে ৰ'ল। আনহাতে, গংগাৰ উত্তৰ পাৰৰ অহিচ্ছত্ৰ দেশ দ্ৰোণাচাৰ্যৰ ৰাজ্য হৈ পৰিল। লাজে-অপমানে জৰ্জৰিত দ্রুপদ ৰজাই উপযুক্ত পুত্ৰলাভৰ চেষ্টা কৰিবলৈ ধৰিলে। জানোচা উপযুক্ত পুত্ৰই দ্ৰোণৰ ওপৰত প্ৰতিশোধ লৈ মনৰ শান্তি ওভোতাই আনি দিব পাৰে।

## ॥ জতু গৃহদাহ ॥

ইয়াৰ পাচত এবছৰ উকলি গ'ল। শুভদিন চাই ৰজা ধৃতৰাষ্ট্ৰই যুধিষ্ঠিৰক যুৱৰাজ পাতিলে। যুধিষ্ঠিৰৰ ধৈৰ্য, সৰলতা আৰু সমদৰ্শিতাই প্ৰজাসাধাৰণৰ মন জয় কৰি আনিবলৈ ধৰিলে। তেওঁলোক সকলোকে মুকলিকৈয়ে ক'বলৈ ধৰিলে, যুধিষ্ঠিৰ ৰাজসিংহাসনত বহাৰ দিনটো যেন সোনকালেই আহে।

বাকী কেইজন পাণ্ডৱৰ ভিতৰত ভীমে বলোৰামৰ ওচৰত অসি-যুদ্ধ, গদা-যুদ্ধ আৰু ৰথ-যুদ্ধৰ আন ভালেমান কৌশল শিকিবলৈ ল'লে। নকুলে নীতিশাস্ত্র পঢ়িবলৈ লৈ সেই বিষয়ত পৰম পাৰদৰ্শিতা লাভ কৰিলে। সহদেৱে অসি-যুদ্ধৰ বৈচিত্ৰ্য অনুশীলন কৰিবলৈ ল'লে। সেয়ে, তেওঁ 'চিত্ৰযোধী' বুলি বিখ্যাত হৈ উঠিল। অৰ্জুনে তেওঁৰ পটুতাৰে ৰাজ্যৰ সীমা বৃদ্ধি কৰাত মন দিলে। এইদৰে চাৰিওপিনে পাণ্ডৱসকলৰ বাঢ়ি অহা খ্যাতিৰ কথা শুনিবলৈ পাই আৰু নিজৰ পুত্ৰ-সকলৰ সামান্যতম খ্যাতিৰ কথাও শুনিবলৈ নোপাৱাকৈ থাকি, লাহে লাহে ৰজা ধৃতৰাষ্ট্ৰৰ মনত পাণ্ডৱসকলৰ প্ৰতি ঈৰ্ষাৰ ভাব জাগিবলৈ ধৰিলে। তেওঁৰ ৰাতিও টোপনি নহা হ'ল।

ধৃতৰাষ্ট্ৰই এদিন তেওঁ মন্ত্ৰী কণিকক মাতি পঠিয়ালে। একান্ত গোপন কুঠৰীত তেওঁক কাষত বহুৱাই লৈ ধৃতৰাষ্ট্ৰই সুধিলে, "এতিয়া কি কৰা ভাল? আপুনি মোক পৰামৰ্শ দিয়ক, পাণ্ডৱসকলৰ প্ৰতি কেনে ব্যৱহাৰ কৰা উচিত হ'ব—সন্ধি নে বিগ্ৰহ?" পৰম কুটনীতিজ্ঞ কণিকে উত্তৰ দিলে, "মহাৰাজ, উপযুক্ত কাল নহালৈকে অমিত্ৰক কলহৰ দৰে কান্ধত কঢ়িয়াই ফুৰিব লাগে। সময়ত সুযোগ আহিলেই তাক শিলৰ ওপৰত আছাৰি পেলাব লাগে। বিজনে এই গধুৰ কামটো কৰিবলৈ ওলায়, তেওঁ সদায় হাঁহিমুখেৰে সকলো কাম কৰি যাব লাগে। কিন্তু আচল উদ্দেশ্যটো অন্তৰৰ ভিতৰত খুৰৰ লেখীয়াকৈ সদায় চোক দি পুহি থ'ব লাগে। নিষ্ঠুৰ কাম নকৰাকৈ বিপুল ঐশ্বৰ্য লাভ কৰিব নোৱাৰি।"

আনপিনে, পাণ্ডৱসকলক সমূলঞে আঁতৰাবলৈ দুৰ্যোধন উঠি-পৰি লাগিল। তেওঁ মোমায়েক সুবলৰ পুত্ৰ শকুনি আৰু পৰম বন্ধু কৰ্ণৰ লগত বহি মন্ত্ৰণা কৰিবলৈ ধৰিলে। তেওঁলোকৰ মন্ত্ৰণা শুনি দুৰ্যোধনে পিতাক ধৃতৰাষ্ট্ৰৰ ওচৰলৈ গৈ ক'লে, "নাগৰিকসকলে আপোনাক আৰু পিতামহ ভীষ্মক নেওচি যুধিষ্ঠিৰকেই ৰজা পাতিবলৈ বিচাৰিছে। আপুনি অন্ধ হোৱাৰ কাৰণেই ৰাজ্যৰ পৰা বঞ্চিত হ'ল। আপোনাৰ সলনি পাণ্ডু ৰাজসিংহাসনত বহিল। কিন্তু, পাণ্ডুৰ পুত্ৰবিলাকেই যদি

এইদৰে পুৰুষে-পুৰুষে ৰাজ্য পাই গৈ থাকে, তেনেহ'লে দেখোন আমাৰ বংশটোৰ কোনোৱেই কেতিয়াও ৰজা হ'বলৈ নেপায়। গতিকে, আপুনি কৌশল কৰি পাণ্ডৱবিলাকক বাৰণাৱতলৈ আঁতৰাই পঠিয়াওক। সেয়ে হ'লে, বাকীখিনি কাম কৰিবলৈ টান নহ'ব। আমিও তেতিয়া নিৰাপদে থাকিম।"

ধৃতৰাষ্ট্ৰই উত্তৰ দিলে, "পাণ্ডু যিদৰে প্ৰজাৰ অতি প্ৰিয় আছিল, দেখিছোঁ যুধিষ্ঠিৰে সেইদৰে সিবিলাকৰ প্ৰিয় হৈ পৰিছে। তেওঁৰ সহায়-সাৰথিও বহুত। এনেস্থলত, তেওঁক কেনেকৈ আঁতৰাই পঠিয়াওঁ? ভীষ্ম, দ্ৰোণ, বিদুৰ আৰু কৃপাচাৰ্যই তেনে কথাত সমৰ্থন নিদিব।" দুৰ্যোধনে উত্তৰ দিলে, "আপুনি ভয় নকৰিব। ধন আৰু সম্মান যাচি মই প্ৰজাসকলৰ মুখিয়াল সকলোকে বশ কৰি ৰাখিবলৈ পাহৰা নাই। মন্ত্ৰীসকল আৰু ৰাজকোষ আমাৰ হাততেই আছে। ভীষ্মৰ কোনো পক্ষপাতিতা নাই। অশ্বত্থামাৰ পৰা কোনো ভয় নাই; তেওঁ আমাৰ ফলীয়া। দ্ৰোণেও পুত্ৰৰ অনুসৰণ কৰিব। কৃপাচাৰ্যয়ো ভাগিনীয়েকক নেৰে। বিদুৰ যদিও আমাৰ ধনেৰেই পোহপাল হৈ আছে, তথাপি তেওঁ মনে মনে পাণ্ডৱৰ ফলীয়া বুলি জানো। কিন্তু, অকলেই তেওঁ আমাক বাধা দিব নোৱাৰে। গতিকে, আপুনি আজিয়েই পঞ্চপাণ্ডৱ আৰু কুন্তীক বাৰণাৱতলৈ পঠিওৱাৰ যো-জা কৰক।"

ধৃতৰাষ্ট্ৰৰ উপদেশমতে কেইবাজনো মন্ত্ৰী পাণ্ডৱসকলৰ ওচৰলৈ গ'ল। তেওঁলোকে বাৰণাৱত নগৰৰ গুণ-গান কৰি উঠি ক'লে, "আপোনা-সকল এবাৰ তালৈ যাওক। বৰ ধুনীয়া ঠাই, বতাহ-পানীও বৰ মনোৰম। অলপতে তাত পশুপতিৰ উৎসৱ হ'ব। সেই উপলক্ষে, তাত বহু মানুহ গোট খাব। এবাৰ চাই আহকগৈ।" তেওঁলোকৰ কথা শুনি পাণ্ডৱ-সকলৰো তালৈ যাবৰ মন গ'ল। ধৃতৰাষ্ট্ৰই প্ৰস্তাৱটো শুনিয়েই ক'লে, "বাৰণাৱত সঁচাকৈয়ে অতি মনোৰম ঠাই বুলি ময়ো শুনিছোঁ। তোমালোক এবাৰ গৈ আহাঁ। পশুপতিৰ উৎসৱ চাই-মেলি নিশ্চয় অতি আনন্দ পাবা। কিছুদিন তাতে কটাই আহাঁগৈ।" যুধিষ্ঠিৰে ধৃতৰাষ্ট্ৰৰ উৎসাহদায়ক কথা শুনি মনে মনে অলপ শংকা অনুভৱ কৰিলে। কিন্তু,

তেওঁ অসহায়ৰ দৰে ফুটাই একো নক'লে। অৱশেষত, তেওঁলোক সকলো বাৰণাৱতলৈ যাবৰ কাৰণে সাজু হ'ল।

দুৰ্যোধনৰ মনৰ আনন্দ কোৰোণ্যাৰে চপাব নোৱৰা হৈ পৰিল। তেওঁ পুৰোচন নামৰ এজন মন্ত্ৰীক মাতি পঠিয়ালে। দুষ্টৰ শিৰোমণি এই মন্ত্ৰীজনক অকলশৰীয়াকৈ দুৰ্যোধনে ক'লে, "তোমাৰ বাহিৰে আনক ক'ব নোৱাৰোঁ। তুমি আজিয়েই বাৰণাৱতলৈ ওলোৱাঁ। ভাল চাই বেগী ধৰণৰ ৰথ লৈ যাবা। গৈ পায়েই তাত এটা আটকধুনীয়া চাৰি কুঠৰীৰ ঘৰ সজাবা। ঘৰটোৰ মুখচ খেৰেৰে দিয়াবা। চাৰিওপিনে খাগৰি গুঁথি দেৱাল কৰাবা আৰু তাত মাটিৰ লেও দিওঁতে যিমান পাৰা সিমান ঘিউ, ধুনা আৰু লা মিহলাই দিবলৈ ক'বা। ঘৰটোৰ চাৰিওকাষে সহজতে জ্বলি উঠা শুকান কাঠ আৰু তেল-ঘিউ কাৰো চকুত নপৰাকৈ দ'মাই থোৱাবা। ক'বলৈ পাহৰিছোঁ, ঘৰৰ ভিতৰত ধুনীয়া বিছনা-পাটি আৰু আসন আদি যোগাৰ কৰি থ'বা। সেই জতুগৃহত তেওঁলোকক কিছুদিন আদৰ-সাদৰ কৰি ৰাখিবা। সময়ত যেতিয়া তেওঁলোক টোপনি গৈ থাকিব, তেতিয়া তাত জুই দি চিৰদিনলৈ শুৱাই ৰখাৰ ব্যৱস্থা কৰিব পাৰিলেই তোমাৰ কাম শেষ হ'ব।"

পুৰোচনে কামটো নিখুঁতকৈ কৰাৰ সকলো ভাৰ লৈ তত্তালিকে বাৰণাৱতলৈ যাত্ৰা কৰিলে। আনপিনে, বিদুৰে দুৰ্যোধনৰ আলেখ-লেখ চাই তেওঁৰ দুষ্ট অভিসন্ধিৰ উমান পালে। বিদুৰে থিৰাং কৰিলে, পাণ্ডৱক সতৰ্ক কৰি দিব লাগিব। কিন্তু, দুৰ্যোধন আৰু ভায়েকহ'তে বিদুৰৰ পিচ নেৰাই হ'ল।

কেইদিনমানৰ পাচতে পাণ্ডৱসকল বাৰণাৱতলৈ যাবলৈ ওলাল। বিদুৰৰ ওচৰত বিদায় ল'বলৈ যাওঁতে বিদুৰে যুধিষ্ঠিৰক আনে বুজি নোপোৱাকৈ ম্লেচ্ছ ভাষাত এইদৰে ক'লে, "যি শত্ৰুৰ অভিসন্ধি জানে, সি বিপদত নপৰে। মানুহ কেৱল লোহাৰে সজা অস্ত্ৰৰ আঘাততে নমৰে। জুয়ে শুকান হাবি পুৰি ছাই কৰিলেও, গাঁতত থকা প্ৰাণীবোৰৰ প্ৰাণহানি কৰিব নোৱাৰে। মানুহে সময়ত কেটেলা পহুৰ লেখীয়াকৈ গাঁতৰ ভিতৰৰ বাটেৰে পলাই গৈ আত্মৰক্ষা কৰিব পাৰে। যি মানুহে আকাশৰ নক্ষত্ৰ

চাই দিশ নির্ণয় কৰিব জানে, তেও" বাট নেহেৰুৱায় আৰু আন পাঁচ-জনকো বাট দেখুৱাই নিশ্চিত মৃত্যুৰ মুখৰ পৰা সৰুৱাব পাৰে।" যুধিষ্ঠিৰে থোৰতে সমিধান দিলে, "বুজিছোঁ।"

কুন্তীয়ে বিদুৰৰ কথাবোৰ শুনি আছিল যদিও একো ধৰিব পৰা নাছিল। বাটতে কুন্তীয়ে যুধিষ্ঠিৰক সুধিলে, "তুমি যে বুজিছা বুলি উত্তৰ দিছিলা, বিদুৰৰ সেই বাং-বিং কথাকেইষাৰৰ মানে বাৰু কি?" যুধিষ্ঠিৰে ক'লে, "সেয়া তেওঁ ম্লেচ্ছ ভাষাত কৈছিল। আমাক হেনো জুইত পুৰি মাৰিব খুজিছে। ঘৰত জুই লাগিলে সুৰংগৰ ভিতৰেদি পলাবলৈ সাজু হৈ থাকিলেই আমি ৰক্ষা পাম। পলাই সাৰিবৰ কাৰণে আগৰে পৰা বাট-ঘাট চিনি ৰাখিবলৈ যেন নেপাহৰোঁ।"

পাণ্ডৱসকল গৈ বাৰণাৱত পোৱাৰ লগে লগে নগৰখনৰ সকলো মানুহে তেওঁলোকক সংবৰ্ধনা জনালে। যুধিষ্ঠিৰেও তেওঁলোকৰ মৰমৰ সঁহাৰি দি ডাঙৰ-সৰু বিচাৰ নকৰাকৈ বহুতো নাগৰিকৰ ঘৰলৈ গৈ তেওঁলোকৰ ভু-ভা ল'লে। বাৰণাৱতত দহ দিন কটোৱাৰ পাচত পুৰোচনে তেওঁলোকক অতি আদৰ-সাদৰকৈ জতুগৃহলৈ লৈ গ'ল। ঘৰৰ ভিতৰত ভৰি দিয়েই যুধিষ্ঠিৰে ঘিউ, ধুনা আৰু লা'ৰ গোন্ধ স্পষ্টকৈ পালে। তেওঁ ভীমক কথাষাৰ ক'লে, "ঘৰটো নিপুণ কাৰিকৰে সহজতে জুই লগা বস্তু মিহলাই সাজিছে। পাপী পুৰোচনে আমাক ঘৰৰ ভিতৰতে পুৰি মাৰিব খুজিছে।" ভীমে তেতিয়া ক'লে, "ব'লক, আমি তেনেহ'লে উভতি গৈ আগৰ ঘৰটোতে থাকোঁ।" যুধিষ্ঠিৰে উত্তৰ দিলে, "উঁ-হো, সেইটো নকৰোঁ। আমি তাক সন্দেহ কৰিছোঁ বুলি গম পালে, সি আমাৰ ক্ষতি কৰিব। ইয়াৰ পৰা আঁতৰি গ'লেই দুৰ্যোধনৰ গুপ্তঘাতকবোৰে আমাক হত্যা কৰিব। গতিকে, মৃগয়া কৰিবলৈ যোৱাৰ ছলেৰে আমি এই ঠাইখনৰ বাট-ঘাট চিনি থওঁ। আমি এই 'জতুগৃহ'ত—মানে লা'ৰে সজা ঘৰটোত—গাঁত খান্দি মাটিৰ তলত বাস কৰিবলৈ ল'ম। কথাটো কাকো গম পাবলৈ নিদিলেই হ'ল।"

কিছুদিনৰ পাচতে এজন অচিনাকি মানুহে যুধিষ্ঠিৰক গোপনে লগ ধৰিবলেহি। মানুহজনে ক'লে, "মই মহামতি বিদুৰৰ আদেশত

আপোনাৰ ওচৰলৈ আহিছোঁ। মোক যে তেখেতেই পঠাইছে, তাৰ প্ৰমাণ দি লওঁ। ইয়ালৈ অহাৰ আগতে তেখেতে আপোনাক ম্লেচ্ছ ভাষাৰে সতৰ্ক কৰি দিছিল বুলি জানো। মোৰ বিশ্বস্ততাৰ প্ৰমাণ স্বৰূপে এইখিনিয়েই নিশ্চয় যথেষ্ট। মই সিন্ধি খন্দা, সুৰংগ সজা আৰু মাটিৰ তলত ঘৰ বন্ধা আদি কাম নিয়াৰিকৈ কৰি দিব পাৰোঁ। কোনোবা এটা কৃষ্ণপক্ষৰ চতুৰ্দশী তিথিত ৰাতি পুৰোচনে এই ঘৰৰ দুৱাৰত জুই দিব। এতিয়া মই কি কৰি দিব লাগে, কওক।" যুধিষ্ঠিৰে তেওঁৰ কথা শুনি লৈ ক'লে, "তুমি আমাৰ খুৰা বিদুৰৰ দৰেই আমাৰ শুভাকাংক্ষী। এতিয়া আমাক জুইত জাহ যোৱাৰ পৰা ৰক্ষা কৰা। দুৰ্যোধনৰ আদেশত পুৰোচনে এই ঘৰৰ ভিতৰত ভালেমান অস্ত্ৰ-শস্ত্ৰ লুকুৱাই থৈছেহি। গতিকে, আমি ইয়াৰ পৰা পলাই সাৰিব নোৱাৰোঁ। যান-বাহনো ভালেমান আছে। পলাব খুজিলেই আমাক আধা-বাটতে ধৰিবগৈ। সকলো ভাবি-গুণি চাই প্ৰাণৰক্ষাৰ ব্যৱস্থা কৰি দিয়া।"

মানুহজনে ঘৰৰ ভিতৰৰ পৰা ওচৰৰ হাবিৰ মাজলৈ এটা দীঘলীয়া সুৰংগ কাটিবলৈ ল'লে। সুৰংগলৈ সোমোৱাৰ বাটত এখন দুৱাৰ সাজি মজিয়াৰ লগত ধৰিব নোৱাৰাকৈ লিপিট খুৱাই দিলে। পুৰোচনে ইয়াৰ একো গম নেপালে। সি দুৱাৰ-বৰথীয়া হৈ থাকোঁতেই গ'ল। ইয়াৰ ভিতৰতে পাণ্ডৱসকলে নিতৌ মৃগয়ালৈ বুলি গৈ হাবিতলীয়া বাট-পথবোৰ ভুল নলগাকৈ চিনি থ'লে।

এনেকৈয়ে এবছৰ পাৰ হ'ল। পুৰোচনে ভাবি ল'লে, পাণ্ডৱসকল লাহে লাহে সন্দেহশূন্য হৈ আহিছে। কিন্তু, তাৰ সলনি যুধিষ্ঠিৰে বৰং নিতৌ ভায়েকহঁতক সকিয়াবলৈ নেপাহৰা হ'ল, "পুৰোচন জুই দিবলৈ সাজু হৈছে। সাৱধানে থাকিবা।" অৱশেষত, এদিন তেওঁ ক'লে, আমি এতিয়া পলাই সৰাৰ ব্যৱস্থা লোৱাহে উচিত হ'ব। পুৰোচনক তাৰ নিজৰ মতে দিন বাছি ল'বলৈ দিব নোৱাৰি। তাক আমিয়েই এই ঘৰত জুই দি মাৰিম। পলোৱাৰ সময়ত আমি ঘৰৰ ভিতৰত আন কোনোবা ছ'জনক থৈ যাব পাৰিলেই নিৰাপদে থাকিব পাৰিম।"

সেইদিনাখনেই এইবোৰ গুপ্তগ'থাৰ বিষয়ে একো নজনাকৈয়ে কুন্তীয়ে

ব্ৰাহ্মণ-ভোজন কৰাবলৈ লৈছিল। ৰাতি হোৱাৰ লগে লগে সকলো ব্ৰাহ্মণ অতিথি গ'লগৈ। ব্ৰাহ্মণসকলৰ লগতে এগৰাকী নিষাদ তিৰোতা আৰু তেওঁৰ পাঁচোটা পুতেকো আহিছিল। তেওঁলোকে অৱশিষ্ট মদ-মঙহ আৰু ভাতখিনি হেঁপাহ পলুৱাই খালে। গতিকে, যাব নোৱৰা হৈ তেওঁলোকে ৰাতিটো তাতে কটাই যাবলৈ অনুমতি বিচাৰিলে। যুধিষ্ঠিৰে ততালিকে অনুমতি দি তেওঁলোকক এটা শোৱনি-কোঠা দেখুৱাই দিলে। মদ-মঙহৰ ৰাগীত তেওঁলোকৰ টোপনি যাবুকৈয়ে গধুৰ হ'ল। ছেগ বুজি ভীমে পুৰোচনৰ শোৱনি-কোঠা আৰু জতুগৃহৰ দুৱাৰত জুই দিলে। তাৰ লগে লগে পঞ্চপাণ্ডৱ আৰু কুন্তী সুৰংগটোত সোমাই পৰিল।

জুই দিয়াৰ লগে লগে জতুগৃহ জ্বলি উঠিল। নিমিষতে জুইৰ শিখাই আকাশ চুলেগৈ। ৰাতিৰ আকাশ ৰঙচুৱা হৈ উঠিল। চাৰিওপিনে পোহৰ দেখি নগৰখনৰ বহুতেই ল'ৰি-ঢাপৰি জতুগৃহৰ ওচৰ পালেহি। তেওঁলোকৰ চকুৰ আগতে জতুগৃহ ভস্মীভূত হ'ল। সকলোৱে ক'বলৈ ধৰিলে, "এয়া পাপিষ্ঠ পুৰোচনৰেই কাম। দুৰাচাৰ দুৰ্যোধনৰ আদেশত সি মহাপাপীয়েই পাণ্ডৱসকলক পুৰি মাৰিলে। অন্ধ ধৃতৰাষ্ট্ৰও কম পাপী নহয়। তেওঁৰ অনুমতি পায়েই দুৰ্যোধনে এনে কাম কৰোৱালে।" পুৱাৰ ফাললৈ জুই ভালকৈ নুমালত সকলোৱে ছাইৰ দ'ম আঁতৰাই পাণ্ডৱৰ মৃতদেহকেইটা বিচাৰিলে। সুৰংগ খন্দা মানুহজনো ওলালহি। তেওঁ কোনেও গম নোপোৱাকৈ ছাইৰ দ'ম গচকি-ফেনেকি সুৰংগটোৰ মুখখন পুতি পেলালে। ইপিনে কিছুমানে পুৰোচনৰ মৃতদেহটো পাই আটাহ পাৰিবলৈ লাগিল, "পাপিষ্ঠটো নিজেই পুৰি মৰিল। ভেকুলীৰ পিঠিত নোম গজিছিল! বিধাতাই নসহিলে।" এনেতে আন কেইজন-মানে নিষাদ-তিৰোতাগৰাকী আৰু তেওঁৰ পুতেক পাঁচজনৰ মৃতদেহকেইটা দেখা পালে। সকলোৱে ভাবিলে, সেইকেইটা পঞ্চপাণ্ডৱ আৰু কুন্তীৰেই মৃতদেহ।

কোনেও গম নেপালে, তেওঁলোক যে সুৰংগপথেৰে পলাই সাৰিল। সুৰংগৰ পৰা ওলাই তেওঁলোকে হাবিৰ মাজ পালেগৈ। ওৰেটো ৰাতি

উজাগৰে থকাৰ পাচত হাবিতলীয়া বাটেৰে তেওঁলোকে খৰকৈ খোজ দিব নোৱৰা হ'ল। অৱস্থা বুজি মহাবলশালী ভীমে কুন্তীক বোকোচাত তুলি, নকুল আৰু সহদেৱক ডিঙিত ওলোমাই বুকুৰ দুয়োপিনে লৈ, যুধিষ্ঠিৰ আৰু অৰ্জুনক দুয়োকাষে খামুচি ধৰি বিজুলী বেগেৰে খোজ দিবলৈ ল'লে। কিছুপৰৰ পাচত তেওঁলোক গংগাৰ পাৰত ওলালগৈ। তাতে বিদুৰৰ এজন বিশ্বস্ত নাৱৰীয়া এখন 'বতাহৰ সকলো ধৰণৰ বেগ সহিব পৰা যন্ত্ৰযুক্ত পতাকাশোভিত নাও' ঘাটত চপাই তেওঁলোকলৈ বৈ আছিল। নাৱৰীয়াজনে তেওঁলোকক সেই নাওখনত তুলি গংগা পাৰ কৰি সিটো পাৰত থৈ আহিলগৈ।

নাওখনৰ পৰা নামিয়েই পাণ্ডৱসকলে আকাশৰ নক্ষত্ৰবোৰ চাই দিশকেইটা বুজি ল'লে। তাৰ পাচত, তেওঁলোকে দক্ষিণৰফালে খোজ দিলে। মানুহৰ বেছি চলাচল নথকা দীঘলীয়া বাট খচাঁক পাচঁদিনা গধূলি তেওঁলোক এখন অটব্য হাবিত ওলালগৈ। ভোকে-ভাগৰে সকলোৱে একাঁজলি পানীৰ কাৰণে হাবাথুৰি খোৱা দেখি ভীমে পানী বিচাৰিবলৈ ধৰিলে। এটা সৰোবৰত তেওঁ নিজৰ গাৰ কাপোৰখনকে তিয়াই পদুমৰ পাত এখিলাত পানী লৈ উভতি আহিল। সকলোৱে কাপোৰখন চেপি পানী উলিয়াই একাঁজলিকৈ খাই পিয়াহ পলুৱালে। সেই আটকীয়া পানীকণকে খাই আটায়ে এঘুমটি শুই ল'ব খুজিলে। কিন্তু, ভীমে সকলোকে শুবলৈ কৈ নিজে চকু নমুদাকৈ জাগৰ ৰাতি কটাবলৈ ল'লে।

আনপিনে, হস্তিনাপুৰত সকলোৱে বাতৰি পালে, পঞ্চপাণ্ডৱ চিৰকাললৈ টোপনি গ'ল। ধৃতৰাষ্ট্ৰই এবকলা বিলাপ কৰি দেখুৱালে। তাৰ পাচত, গিয়াতি-কুটুমক লগত লৈ ধৃতৰাষ্ট্ৰই গংগাত ভাইবোৱাৰীয়েক কুন্তী আৰু ভতিজাক পঞ্চপাণ্ডৱৰ নামত পিণ্ড দি হুমুনিয়াহ কাঢ়িলে। কান্দ-কাটি বহুতেই অস্থিৰ হ'ল। মাথোন বিদুৰে প্ৰতিটো দৃশ্য উপভোগ কৰিলে। তেওঁ মানুহৰ কপট আচৰণৰ অশ্লীল ৰূপটো দেখা পাই নিজেই নিজকে ধিক্কাৰ নিদিয়াকৈ নোৱাৰিলে।

## ॥ হিড়িম্ব-নিধন আৰু ঘটোৎকচৰ জন্ম ॥

পঞ্চপাণ্ডৱ আৰু কুন্তী য'ত শুই আছিল, তাৰ অলপ আঁতৰতে এজোপা শাল গছৰ তলত বহুত দিনৰ পৰা এটা ৰাক্ষসে থিত লৈছিলহি। তাৰ নাম আছিল, হিড়িম্ব। তাৰ চেহেৰা-পাতিও আছিল ভয়ংকৰ। গা'টো বাৰিষা কালৰ আকাশ ছাটি ধৰা মেঘৰ লেখীয়া কিচকিচকৈ ক'লা, চকুহাল যেনিবা দুটা পকা অঙঠা, দাঁতকেইটা ওঠ ফালি ওলাই থকা, দাড়ি-চুলিবোৰ ঠৰঙা আৰু ৰঙচুৱা, কাণ দুখন গাধৰ কাণৰ লেখীয়া দীঘল আৰু কণী-চানেকীয়া, আৰু কান্ধ দুখন ষাঁড় গৰুৰ কান্ধৰ নিচিনা দবহা। পাণ্ডৱসকলক দেখি তাৰ বহুত দিন জুতি ল'বলৈ নোপোৱা মানুহৰ মঙহ খোৱাৰ হেপাহটো উকমি উঠিল। সি তাৰ ভনীয়েক হিড়িম্বাক ক'লে, "খাবি নেকি মানুহৰ মঙহ? বহুত দিন খোৱাই নাই—মানুহৰ মঙহ! সৌকেইটা চা, নিজেই ওলাইছেহি। সিহঁতৰ গোন্ধ পায়েই মোৰ জিভাৰ পানী সৰ্-সৰকৈ পৰিছে। তই আগবাঢ়ি যাচোন, চকা কেইটামান শোধাই সিহঁতক আধা-মৰা কৰি লৈ আহগৈ। তাৰ পাচত, আমি একেলগে ভালকৈ এসাজ খাওঁ।"

ককায়েকৰ কথা শুনোৰ লগে লগে হিড়িম্বা গিৰিপকৈ উঠিল। তাই একেজাঁপেই পাণ্ডৱসকল শুই থকা ঠাইখিনি পালেহি। কিন্তু, ভীমক দেখিয়েই তাই ককায়েকৰ কথাষাৰ পাহৰিলে। তাই ভাবিবলৈ ধৰিলে, এই পাহোৱাল মানুহজনৰ ডিঙিতে যদি তাই মালাধাৰ পিন্ধাই সিজনক তাইৰ গিৰিহঁত পাতি ল'ব পাৰিলেহেঁতেন! তাই তাইৰ মায়াৰ বলেৰে লৰালৰিকৈ এজনী দীপুলিপ গাভৰুৰ ৰূপ ধৰি ল'লে। তাৰ পাচত, তাই ভীমৰ ওচৰ চাপিল আৰু লাজকুৰীয়া ছোৱালী এজনীৰ লেখীয়াকৈ ক'লে, "হে মহাবীৰ, আপুনি বাৰু কোন? ক'ৰ পৰা আহিছে এই বনলৈ? আৰু শুই থকা এখেতসকল নো কোন? মোৰ কথা শুনক, মই আপোনাৰ পৰা কোনো কথা লুকুৱাব খোজা নাই। এই বনত মোৰ ককাইটি হিড়িম্ব নামৰ এজন ৰাক্ষস আছে। তেওঁ আপোনালোকৰ মঙহেৰে ভোজ পাতিবলৈ মন কৰিছে আৰু মোক তাৰে আগতীয়া দিহা কৰিবলৈ পঠাইছে। মই কিন্তু তেওঁৰ কথা নুশুনো। ইয়াৰ ভিতৰতে

মই আপোনাক স্বামী হিচাপে বৰণ কৰিছোঁ। মোক আপোনাৰ চৰণত ঠাই দিব লাগে। মই আকাশতো উৰি ফুৰিব পাৰোঁ। আপুনি য'লৈকে যাব খোজে, ত'লৈকে আপোনাক লৈ যাবলৈ মই সাজু। আপুনি মাথোন মোৰ লগত ওলাওক।"

হিড়িম্বাৰ কথা শুনি ভীমে বৰ ৰহইচ পালে। ভীমে উত্তৰ দিলে, "হেৰা ৰাক্ষসী, তুমি সেইবোৰ কথা নুলিয়াবা। মোৰ আইক আৰু ককাই-ভাই চাৰিজনক ৰাক্ষসৰ হাতত গ'তাই থৈ মই ক'লৈকো যাব নোৱাৰোঁ।" হিড়িম্বাই তেতিয়া আকৌ ঠেও ধৰি ক'লে, "তেনেহ'লে তেখেতসকলক জগাই দিয়ক। মই আটাইকেয়োজনকে মোৰ বোকোচাত তুলি নিৰাপদ ঠাইলৈ কঢ়িয়াই লৈ যাওঁ।" ভীমে হাঁহি মাৰি ক'লে, "ৰাক্ষসী, মই বাৰু তোমাৰ কথাত পতিয়ন গৈছোঁ। কিন্তু, তেওঁলোক আটাইবোৰ ধুনীয়াকৈ শুই আছে। মই তেওঁলোকৰ চিকুণ টোপনিটো ভাঙিব নোৱাৰোঁ। আৰু শুনা, ৰাক্ষস হওক যক্ষ হওক গন্ধৰ্ব হওক, সকলোবোৰ মোৰ হাতত এটা পিটিকাৰ বন। তুমি গ'লেও যাব পাৰা, থাকিলেও থাকিব পাৰা, মই কাকো টোপনি গৈ থাকোঁতে আমনি কৰিব নোৱাৰোঁ। নহ'লে, তোমাৰ ককায়েৰাকে মাতি আনাগৈ ; মই তাৰ গতি লগাই থওঁ।"

ভনীয়েক উভতি যোৱাত পলম হোৱা দেখি ককায়েক হিড়িম্বই পাণ্ডৱবিলাক থকা ঠাইডোখৰৰ পিনে বেগাবেগিকৈ খোজ দিলে। ইপিনে হিড়িম্বাই ভীমক মিনতি জনালে, "আপোনালোক আটাইকেয়োজন মোৰ পিঠিত উঠক। মই আপোনালোকক নিৰাপদ ঠাইলৈ উৰুৱাই লৈ যাওঁ। পলম নকৰিব।" ভীমে হাঁহি এটা মাৰি ক'লে, "তুমি ভয় কৰিব নেলাগে। মানুহ বুলি তুমি মোক উলাই নকৰিবা।" হিড়িম্বই সেইখিনি পায়েই দেখিলে, ভনীয়েক হিড়িম্বা সাজি-কাচি তেনেই সুন্দৰী-জনী হৈ পৰিছে। খঙতে জ্বলি-পকি উঠি সি ভনীয়েকক ক'লে, "কটা অসতী, তোকো শুদাই নেৰোঁ। ইহঁত কেইটাৰ লগতে তোকো আজি যমৰ ঘৰলৈ পঠাম।" এই বুলি কৈয়েই সি পাণ্ডৱসকলৰ পিনে চোঁচা ল'লে। তাকে দেখি ভীমে মাত লগালে, "হেৰ' ৰাক্ষস, সেইপিনে যাব

নেলাগে—মোৰ পিনে আহ। আৰু এটা কথা শুন, ভনীয়েৰৰ গা'তো একো দোষ নাই। তাইক কামদেৱৰ শৰে বিন্ধিছে। বেচেৰীয়ে সেইকাৰণেহে তোৰ কথামতে কাম কৰিব নোৱাৰিলে।"

ভীমৰ কথা শুনি হিড়িম্বই খেদা মাৰি আহিল। জানোচা বাকী-সকলৰ টোপনি ভাঙে, সেই কথা ভাবি ভীমে তাক আগচি ধৰি অলপ আঁতৰলৈ চোচোৰাই নিলে। তাৰ পাচত, দুয়োৰো ভীষণ মাল-যুঁজ লাগিল। যুঁজৰ দপদপনি কাণত পৰিলত সকলোৰে টোপনি ভাগিল। সাৰ পাই উঠি কুন্তীয়ে ওচৰতে হিড়িম্বাক দেখা পাই সুধিলে, "আইটি, তুমি নো কোন? কোনোবা বনদেৱী, নে স্বৰ্গৰ অপেচৰী?" হিড়িম্বাই নিজৰ চিনাকিটো দি ক'লে, তাই এজনী ৰাক্ষসী—ভীমৰ চেহেৰা-পাতিয়ে তাইৰ মন মুহিছে। এনেতে অৰ্জুনে ভীমক ক'লে, "দাদা, তুমি পলম নকৰিবা। ৰাতি পুৱাবৰ হৈছে। দোকমোকালিৰ সময়ত ৰাক্ষসবোৰৰ বল বাঢ়ে। গতিকে, তাক লৈ উমলি নথকাটোৱেই ভাল।" অৰ্জুনৰ কথাষাৰ শুনিয়েই ভীমে হিড়িম্বক মুৰৰ ওপৰলৈ তুলি টাকুৰী ঘূৰোৱাদি ঘূৰাবলৈ ধৰিলে। তাৰ পাচত, তাক মাটিত থেকেচা মাৰি পেলাই দিলে। লগে লগে তাক ভৰিৰে গচকি ধৰিলে। অলপ পাচতে তাৰ প্ৰাণ-বায়ু বাজ হ'ল।

তাৰ পাচত অৰ্জুনে ক'লে, "মোৰ অনুমান, চহৰলৈ ইয়াৰ পৰা বেচি দূৰ নহয়। সোনকালেই আমি চহৰত সোমাব লাগে। নহ'লে, দুৰ্যোধনে গম পোৱাৰ সম্ভাৱনা, আমি যে জীয়াই আছোঁ।" ভীমে উত্তৰ দিলে, "খন্তেক ৰ'বা, এইবো গতি লগাই থওঁ। ৰাক্ষস জাতিৰ সঁজাত নাই। নহ'লে, ক'ত কি মায়া ধৰি কি শত্ৰুতা কৰে, তাৰ একো ঠিকনা নাই।" ভীমৰ কথা শুনি হিড়িম্বা কঁপিবলৈ ধৰিলে। যুধিষ্ঠিৰে মাত দিলে, 'ওঁ-হো, তুমি সেই কাম নকৰিবা। স্ত্ৰী-হত্যা কৰিব নেলাগে। তাই আমাৰ একো ক্ষতি নকৰে।" হিড়িম্বায়ো কুন্তীৰ ওচৰ চাপি হাত-যোৰকৈ ক'লে, "আই, মই মোৰ স্বজন ত্যাগ কৰি আপোনাৰ এই বীৰ পুত্ৰ গৰাকীক পতিৰূপে বৰণ কৰিছোঁ। এতিয়া মোক প্ৰত্যাখ্যান কৰিলে, মই আৰু বাচি নেথাকিম। ই মোৰ মুৰ্খতা বুলিয়েই ভাবক,

বা ভক্তি বুলিয়েই ভাবক, নাইবা আনুগত্য বুলিয়েই ভাবক, মুঠতে যিয়েই কি নেভাবক, তেখেতৰ লগত মোৰ মিলন ঘটাই দিয়ক। মই তেখেতক মোৰ বোকোচাত লৈ মোৰ ইচ্ছামতে নানা ঠাইলৈ আকাশ-পথেদি ফুৰাই আনোগৈ। তাৰ পাচত, আকৌ থৈ যামহি। মোক আপোনা-সকলে বিশ্বাস কৰক। সময়ত মোৰ পৰা আপোনাসকলে সামান্যকৈ হ'লেও সেৱা পাব।"

যুধিষ্ঠিৰে ক'লে, "কল্যাণী, তুমি অসংগত কথা একো কোৱা নাই। যি কি নহওক, তুমি এটা নিয়ম পালন কৰিব লাগিব। ভীমে নিতৌ গা-পা ধুই উঠি তোমাৰ লগত আকাশ-বিহাৰ কৰি আহিবগৈ। কিন্তু বেলি মাৰ যোৱাৰ লগে লগে তেওঁক তুমি ওভোতাই থৈ যাবহি লাগিব।" ভীমে তেতিয়া মাত লগালে, "ৰাক্ষসিনী, মই বাৰু দাদাৰ আদেশ পালন কৰি তোমাক গ্ৰহণ কৰিলোঁ। কিন্তু, যেতিয়া তোমাৰ গৰ্ভত মোৰ কোনো পুত্ৰ-সন্তান উপজিব, তেতিয়াৰ পৰা মই তোমাৰ লগ এৰিম।" হিড়িম্বাই সেই কথাত সম্মত হোৱাৰ পাচত ভীম সেই ৰাক্ষসীৰ লগত আকাশ-বিহাৰ কৰিবলৈ ওলাই গ'ল।

কিছুদিন সেইদৰে নানা ঠাইত বিহাৰ কৰাৰ পাচত হিড়িম্বা ভীমৰ ফালৰ পৰা গৰ্ভৱতী হ'ল। ৰাক্ষসীবিলাকৰ ক্ষেত্ৰত গৰ্ভৱতী হোৱাৰ লগে লগে সন্তানৰ জন্ম হয়। আকৌ, সন্তানবোৰেও পৃথিৱীৰ পোহৰ দেখাৰ লগে লগে লহপহকৈ বাঢ়ি যৌৱনৰ দুৱাৰদলি গচকেগৈ। হিড়িম্বাৰ সেই পুত্ৰ-সন্তানৰ নাম দুয়ো মিলি থ'লে, ঘটোৎকচ। ঘট মানে হাতীৰ মূৰ, আৰু উৎকোচ মানে হ'ল চুলিৰ সঁচ নোহোৱা তেনেই টকলা। ঘটোৎকচে কেইদিনমানৰ ভিতৰতে যুদ্ধ-বিদ্যাৰ সকলো কথা শিকি পেলালে। নিশাচৰী হিড়িম্বাই ভীমৰ লগ এৰিবৰ সময় হ'লহি বুলি জানি ঘটোৎকচক কুন্তী আৰু পঞ্চপাণ্ডৱৰ আগত ভেটালেহি। ঘটোৎকচে আটাইকে সেৱা কৰি উঠি সুধিলে, "মোক আপোনাসকলে কি কৰিব লাগিব, আদেশ কৰক।" আইতাক কুন্তীয়ে তেতিয়া মৰমমিহলি মাতেৰে ক'লে, "বোপা, তুমি কুৰুবংশত উপজিছা। তুমি ভীমৰ সকলো গুণৰ অধিকাৰী আৰু পঞ্চপাণ্ডৱৰ জ্যেষ্ঠ পুত্ৰ। গতিকে, সময়ত তুমি

আমাৰ সহায়-সাৰথি হ'বলৈ নেপাহৰিবা।" ঘটোৎকচে উত্তৰ দিলে, "আপোনালোকৰ যেতিয়াই প্ৰয়োজন হয়, মোৰ নাম ধৰিলেই হ'ব। মই য'তেই কি নেথাকোঁ, তৎক্ষণাৎ ওলামহি।" তাৰ পাচত, ঘটোৎকচে সকলোৰে পৰা বিদায় লৈ উত্তৰমুৱা হৈ গুচি গ'ল। মাক হিড়িম্বায়ো সকলোৰে পৰা বিদায় লৈ উৰা মাৰিলে।

পাণ্ডৱসকলেও মূৰত একোটা জটা বান্ধি, গা'ত গছৰ বাকলি-সাজ পিন্ধি, ক'কালত পহুছাল মেৰিয়াই তপস্বীৰ বেশ ধাৰণ কৰি সেই ঠাইৰ পৰা আঁতৰ হ'ল। তেওঁলোকে পোনতে মৎস্য দেশত সোমাই ত্ৰিগৰ্ভ দেশ অভিমুখে খোজ দিলে। তাৰ পাচত, তেওঁলোকে পাঞ্চাল দেশ পাৰ হৈ কীচক দেশত সোমালগৈ। সেইদৰে গৈ থাকোঁতে বাটত তেওঁলোকে উপনিষদ, বেদাংগ আৰু নীতিশাস্ত্ৰবোৰৰ কথা আওৰাই গৈছিল। এইদৰে যাওঁতে বাটতে এদিন পিতামহ ব্যাসদেৱক লগ পালে। সিজনাই তেওঁ-লোকক আশীৰ্বাদ কৰি ক'লে, "মই তোমালোকৰ সকলোবোৰ দুখ-দুৰ্গতিৰ কথা গম পাইছোঁ। সময়ত তোমালোক সুখী হ'বা, সন্দেহ নাই। সম্প্ৰতি তোমালোক ওচৰতে থকা একচক্ৰা নগৰীত বাস কৰাগৈ। মই আকৌ এবাৰ দেখা নিদিয়ালৈকে, তাতে তোমালোক এইটো ছদ্মবেশেৰেই থাকিবা।"

## ॥ বকৰাক্ষস নিধনৰ কাহিনী ॥

নগৰখনৰ নাম আছিল একচক্ৰা। ব্যাসদেৱৰ নিৰ্দেশক্ৰমে কুন্তী আৰু পঞ্চপাণ্ডৱে সেই নগৰৰে এঘৰ ব্ৰাহ্মণৰ আশ্ৰয়াৰ্থী হৈ বাস কৰিবলৈ লাগিল। নিতৌ তেওঁলোকে হাতে হাতে ভিক্ষাৰ মোনা লৈ ওলাই যায়। যি পায়, তাকে কুন্তীয়ে বান্ধি উঠি দুভাগ কৰে। তাৰে এভাগ ভীমক দিয়ে, আৰু বাকী ভাগ আকৌ পাঁচ ভাগ কৰি বাকী চাৰিজন পাণ্ডৱ আৰু কুন্তীয়ে খায়।

এদিনৰ কথা। সেইদিনা ভীম কিবা কাৰণত ভিক্ষালৈ ওলোৱা নাছিল, ঘৰতে আছিল। বাকী চাৰিজন ভিক্ষালৈ ওলাই গৈছিল।

বদুলনী-চ'ৰাতে বহি ভীমে মাক কুন্তীৰ লগত কথা পাতি আছিল। এনেতে তেওঁলোকৰ কাণত পৰিল, ঘৰঘৰৰ ফালে কন্দা-কটা লাগিছে। কুন্তীয়ে ভীমক ক'লে, "এওঁলোকে আমাক বৰ আদৰ-সাদৰ কৰি ৰাখি আমাৰ পৰম উপকাৰ সাধিছে। এতিয়া বা তেওঁলোকৰ কি দুখৰ কাৰণ ঘটিছে! পাৰিলে এই ব্ৰাহ্মণপৰাকীৰ দুখমোচন কৰাটো আমাৰ একান্ত কৰ্তব্য!" ভীমে সঁহাৰি জনাই ক'লে, "আই, তুমি ভিতৰলৈ গৈ জানি আহাঁচোন—তেওঁলোক নো কি দুখৰ মুখামুখি হৈছে! মই তেতিয়া তাৰ প্ৰতিকাৰ কৰিবলৈ যথাসাধ্য চেষ্টা কৰিম।"

এনেতে আকৌ তেওঁলোকৰ কাণত পৰিল, কান্দোনৰ শব্দটো চৰিছে। কুন্তী লৰালৰিকৈ ভিতৰলৈ সোমাই গ'ল। ভিতৰলৈ সোমায়েই দেখিলে, ব্ৰাহ্মণ আৰু ব্ৰাহ্মণীয়ে ডিঙিত ধৰাধৰিকৈ উৰাই-ঘূৰাই কান্দিছে। ওচৰতে থিয় হৈ ডাঙৰ ছোৱালীজনীয়েও কান্দি আছে। অলপ আঁতৰতে অকণমানি ল'ৰাটোৱে হাতত এছাৰি এডাল লৈ বেজাৰমুৱাকৈ চাই আছে। ব্ৰাহ্মণে শোকত অধীৰ হৈ ব্ৰাহ্মণীক কৈছে, "ইয়াকে কয়, মানুহৰ জীৱনটো কচুপাতৰ পানী বুলি। তোমাক মই কোন-কাহানিবাই কৈছিলো, এই দেশ এৰি আন ক'ৰবালৈ গুচি যাওঁগৈ ব'লা। তুমিহে তেতিয়া ক'লা—আই-বোপাই ওপজা, মিতিৰ-কুটুম থকা এই দেশ এৰি আন ক'লৈকো নেযাওঁ বুলি। এতিয়া কি হ'ল? তোমালোকৰ কাকোৱেই অকলে মৰিবলৈ এৰি দিব নোৱাৰো। ময়েই মৰিব লাগিব। কিন্তু, সেয়া কৰিলেও তোমালোক আটাইখন নিগমে মৰিবা। গতিকে, আমি গোটেইকেইটা, একেলগে মৰিবলৈ ওলোৱাই ভাল। উপায় সেইটোৱেই আছেগৈ।"

ব্ৰাহ্মণীয়ে ব্ৰাহ্মণক সান্ত্বনা দি কৈছে, "আপুনি জনা-বুজা মানুহ হৈ এইবোৰ কি বলকিছে? মোৰ কথা শুনক, উপাৰ্জলে মৰিবই লাগিব। গতিকে, মোকেই সেই ৰাক্ষসটোৰ ওচৰলৈ পঠিয়াই দিয়ক। আপুনি মৰিব নেলাগে, ময়েই মৰোঁগৈ। আপোনাৰ অবিহনে আমাৰ কি দশা হ'ব, ভাবি চাওক। ইহঁতহালক মই অকলে কেনেকৈ আৰবি ৰাখিম! কণমান ল'ৰাটোক মই বাৰু কেনেকৈ পঢ়ুৱাই-শুনুৱাই ডাঙৰ-

দীঘল কৰিম ? আৰু এই গাভৰু ছোৱালীজনীক কোনোবাই থপিয়াই নিবলৈ আহিলে মই বাৰু কেনেকৈ ৰক্ষা কৰিম ? বিধবা বুলি মই নিজেও দেখোন ঢাকোন নোহোৱা চৰু হৈ পৰিম। গতিকে, সকলোৰে হিত চিন্তি মোকেই মৰিবলৈ দিয়ক।"

ব্ৰাহ্মণ-ব্ৰাহ্মণীৰ কথা শুনি উঠি জীয়েকে মাত লগালে, "হে আই, হে পিতা, আপোনালোকে এইবোৰ অনাহক কথা চিন্তা নকৰিব। মোক তো এদিন নহয় এদিন আপোনালোকে বিদায় দিবই। কাৰণ, মই আপোনালোকৰ সংসাৰৰ অলপদীয়া দিনৰ আলহী। গতিকে, আপোনা-লোকে জানিবা দুদিন আগতীয়াকৈ মোক বিদায় দিলে, তাতে কি ক্ষতি হ'ব !" তাকে শুনি কণমান ল'ৰাটোৱেও থুনুক-থানাক মাতেৰে প্ৰবোধ দিলে, "তোমালোকে নেকান্দিবা। মই এই এছাৰিডালেৰে ৰাক্ষসটোক মাৰি পেলাম।" তাকে শুনি ব্ৰাহ্মণ-ব্ৰাহ্মণীৰ কান্দোনটো চৰি উঠিল।

কুন্তীয়ে তেতিয়া তেওঁলোকৰ ওচৰ চাপি সুধিলে, তেওঁলোকে সেইদৰে কন্দাৰ কাৰণ কি। লগতে ক'লে, যদি তেওঁৰ পক্ষে সম্ভৱ হয়, তেনেহ'লে তেওঁলোকৰ দুখমোচনৰ বাবে তেওঁ চেষ্টা কৰিব। ব্ৰাহ্মণে তাৰ উত্তৰত জনালে, "এই নগৰৰ ওচৰতে এটা মহা পৰাক্ৰমী ৰাক্ষস বাস কৰে। তাৰ নাম হ'ল, বক। আচলতে সিয়েই এই নগৰখনৰ গৰাকী। কাৰণ, দেশখনৰ আচল ৰজা একেবাৰে নিশকতীয়া আৰু নিৰ্বোধ ; তেওঁ প্ৰজাপালন কৰাৰ বিষয়ে একো নেজানে। সাতে-পাঁচে, বকৰাক্ষসেই নগৰখনৰ ৰখীয়া হৈ পৰিছে। তাৰ মজুৰি হিচাপে সি নিয়ম বান্ধিছে, নিতৌ এই নগৰৰ পৰা একোজন মানুহক লগত দুটাকৈ মহ আৰু সেই পৰিমাণে আন ধৰণৰ খোৱা বস্তু একোভাৰকৈ খাবলৈ যোগান ধৰিব লাগিব। সি সেই মহ দুটাৰে সৈতে গোটেইখিনি ভাত-আঞ্জা ধ্বংস কৰি উঠি মানুহটোৰে মুহুদি কৰে। আজি আমাৰ পাল পৰিছে। মোৰ এনে ধন-সোণ নাই যে, আন কোনোবা মানুহক কিনি আনি সেই ৰাক্ষসটোক যোগান ধৰোঁ। গতিকে থিৰাং কৰিছোঁ, আমি গোটেইটো পৰিয়ালেই তাৰ ওচৰলৈ যাওঁগে। সি আমাৰ আটাইকেয়োটাকে খাই সুখী হওক।"

কুন্তীয়ে তেতিয়া ব্ৰাহ্মণক ক'লে, "আপুনি দুখ কৰিব নেলাগে। মোৰ পাঁচ জন পুত্ৰ, তাৰে এজন আপোনাৰ সলনি ৰাক্ষসৰ ওচৰলৈ যাব।" ব্ৰাহ্মণে ক'লে, "সেইটো কেতিয়াও হ'ব নোৱাৰে। আপোনা-সকল মোৰ আশ্ৰয়াৰ্থী অতিথি। গতিকে, আমাৰ কাৰণে আপোনাৰ পুত্ৰসকলৰ কাৰোৰেই মই প্ৰাণ নাশ হ'বলৈ দিব নোৱাৰোঁ।" কুন্তীয়ে উত্তৰ দিলে, "মোৰ পুত্ৰৰ পৰাক্ৰম আপুনি নেজানে। তেওঁ মহাবীৰ, মহাতেজস্বী আৰু মন্ত্ৰসিদ্ধ। আপুনি নিশ্চিন্ত থাকক, তেওঁ ৰাক্ষসৰ খোৱা-বস্তুৰ যোগান ধৰি সোঁ-শৰীৰেৰে উভতি আহিব। আপুনি মাথোন কথাষাৰ কাকো নক'ব। কাৰণ, কথাষাৰ ফুটি-ফাটি গ'লে মানুহে আহি তেওঁৰ ওচৰত মন্ত্ৰ বিচাৰি আমনি কৰিব।" ব্ৰাহ্মণ কুন্তীৰ কথাত পতিয়ন গ'ল। কুন্তীৰ লগতে তেৱোঁ বুঢ়ৰী-চ'ৰালৈ ওলাই আহি ভীমক ৰাক্ষসৰ ওচৰলৈ যাবৰ বাবে প্ৰথমতে অনুৰোধ কৰিলে।

ইতিমধ্যে, বাকী চাৰিওজন পাণ্ডৱ দিনটোৰ ভিক্ষাকাৰ্য শেষ কৰি উভতি আহিল। সকলো কথা শুনি যুধিষ্ঠিৰ অতি চিন্তিত হ'ল। তেওঁ মাক কুন্তীৰ উদ্দেশ্য কৰি ক'লে, "আই, এয়া তুমি কি কৰিলা? যাৰ বাহুবলৰ ওপৰত নিৰ্ভৰ কৰি আমি নিশ্চিন্ত হৈ নিতৌ টোপনি যাওঁ, আৰু যাৰ ভয়ত উচপ খাই কৌৰৱবিলাক ৰাতিও জাগৰে কটায়, যিজনে আমাক জতুগৃহৰ নিশ্চিত মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিলে, তেওঁক বাৰু এইদৰে আপুনি কোন বুদ্ধিৰে পৰিত্যাগ কৰিবলৈ থিৰ কৰিলে।" কুন্তীয়ে তাৰ উত্তৰ দিলে, "বোপা যুধিষ্ঠিৰ, তুমি তেনেহ'লে ভীমৰ বীৰত্বৰ একোৱেই উমান নোপোৱা। শুনা, উপাজয়েই তেওঁ এটা পাহাৰৰ শিলত থেকেচা খাই পৰিছিল; ভীমৰ একোৱেই নহ'ল; শিলটোহে ভীমৰ দেহৰ ওজন সহিব নোৱাৰি ভাগি চূৰমাৰ হৈছিল। মই বুদ্ধি হেৰুৱাই এনে এটা কামলৈ ভীমক পঠিয়াছো বুলি নেভাবিবা। মই বাঢ়ৈয়াকৈ জানো, ভীমৰ দেহত অযুত হাতীৰ বল আছে। তেওঁ সেই ৰাক্ষসটোক একেটা চাপৰতে চেপেটা কৰি থৈ উভতি আহিব। আমি এই ব্ৰাহ্মণৰ ঘৰত এইকেইদিন শান্তিৰে কটালোঁ। আমি জানো তেওঁলোকৰ এইৰূপ উপকাৰ সাধিব নোৱাৰোঁ।"

ৰাতি পুৱালত ভীমে ভাত-পানীৰ ভাৰখন লৈ বকৰাক্ষস থকা হাবিখনত সোমাই তাৰ নাম ধৰি চিঞৰি-চিঞৰি মাতিবলৈ ধৰিলে। ৰাক্ষসটোৱে খঙত ৰুদ্ৰমূৰ্তি ধৰি আহি দেখিলে, ভীমে তাৰ ভাত-পানীখিনি এফালৰ পৰা চাঁহি-মুহি খাবলৈ ধৰিছে। তাৰ খঙে মূৰৰ চুলি পালেগৈ। সি সুধিলে, "হেৰ', তই কোন—মোৰ পাতত বহিছহি? মৰিবলৈ আৰু ঠাই বিচাৰি নেপালি?" ভীমে তাৰ তৰ্জন-গৰ্জনলৈ কাণ নিদি টকালি পাৰি খাবলৈ ধৰিলে। উপায় নেদেখি ৰাক্ষসটোৱে ভীমৰ পিঠিত ঢকা দুটমান মাৰিলে। কিন্তু, ভীমে মূৰটো তুলিও নেচালে! তাৰ পাচত, সেই ৰাক্ষসটোৱে শাল গজ এজোপা উঘালি আনিলেগৈ। ইতিমধ্যে, ভীমে খাই উঠি মুখ-হাত ধুই লৈ গছজোপা আলাসতে থাপ মাৰি ধৰিলে। লগে লগে ভীমে তাৰ বাহু দুটা খামোচ মাৰি ধৰিলে। তাৰ পাচত, তেওঁ তাক মূৰৰ ওপৰলৈ তুলি এবাৰ লাটুম ঘূৰোৱাদি ঘূৰাই লৈ আছাৰ মাৰি পঠিয়ালে। অৱশেষত, ভীমে তাক বুকুতে গচক মাৰি ধৰিলে। তাৰ গগন ফলা চিঞৰ শুনি লগৰ কিছুমান সৰুসুৰা ৰাক্ষসে ভুমুকিয়াই চালে। ভীমে সিহঁতলৈ চাই ক'লে, "দেখিলি নহয় তাৰ গতিটো? তহঁতো সাৱধানে থাকিবি, কোনো মানুহকে জুলুম নকৰিবি। নহ'লে তহঁতকো এটা এটাকৈ যমৰ আলহী কৰি থ'ম।" ভয়তে সিহঁত আটাইবোৰ তাপ মাৰিলে।

তাৰ পাচত, ভীমে তাৰ মৰা-শটো আনি নগৰখনৰ ঘাই-দুৱাৰৰ সমুখতে পেলাই দিলেহি আৰু কোনেও গম নোপোৱাকৈ ব্ৰাহ্মণৰ ঘৰলৈ উভতি আহি সকলোৰে দুশ্চিন্তা দূৰ কৰিলে। নগৰবাসী সকলোৱে বক ৰাক্ষসৰ মৰা-শটো দেখা পাই ব্ৰাহ্মণক সুধিলেহি—কি কথা, কি বতৰা, কেনেকৈ সেই আপদটো দূৰ হ'ল! ব্ৰাহ্মণে কুন্তীক দিয়া প্ৰতিশ্ৰুতিটো পালন কৰি ক'লে, "এগৰাকী মন্ত্ৰসিদ্ধ পুৰুষ আহিছিল। সিজনেই মোৰ সলনি ৰাক্ষসটোৰ ওচৰলৈ গৈছিল। সিজনেই নিশ্চয় এই অসম্ভৱ কামটো কৰি আমাৰ সকলোকে এইদৰে চিৰদিনলৈ উদ্ধাৰ কৰিলে।"

## ॥ পাণ্ডৱ সকলৰ পাঞ্চাল-যাত্ৰা ॥

তাৰ পাচত কেইদিনমান যাওঁতে নৌ-যাওঁতেই সেই আশ্ৰয়দাতা ব্ৰাহ্মণগৰাকীৰ ঘৰত আন এগৰাকী ব্ৰাহ্মণ আলহী হৈ ওলালহি। এওঁ সেইনিশা ইটো-সিটোকৈ বহুতো উপাখ্যান গৃহস্থঘৰৰ সকলোৰে আগত ক'লে। তাৰ মাজতে ক'লে, পাঞ্চালৰাজ দ্ৰুপদৰ জীয়েক দ্ৰৌপদীৰ স্বয়ম্বৰ হোৱাৰ কথা চলিছে; কিছুদিনৰ পাচতে হ'বগৈ। পাণ্ডৱসকলে কথাবাৰ আঁতি-গুৰি মাৰি জানিব খুজিলে। তেৱোঁ খৰচি মাৰি সকলো কথা ক'লে।

দ্ৰোণাচাৰ্যৰ হাতত পৰাজিত হৈ লঘু হোৱাৰ পাচত ৰজা দ্ৰুপদ প্ৰতিশোধ ল'বৰ বাবে অতি ব্যগ্ৰ হৈ উঠিছিল। তাৰে প্ৰথম ঢাপ হিচাপে তেওঁ এজন উপযুক্ত পুত্ৰ লাভৰ কথা চিন্তা কৰিছিল। এদিন তেওঁ গংগা আৰু যমুনাৰ পাৰৰ এখন ব্ৰাহ্মণ গাঁৱত ওলালগৈ। সেই গাঁওখনত যাজ আৰু উপযাজ নামেৰে দুজন ব্ৰহ্মৰ্ষি বাস কৰিছিল। পোনতে তেওঁ উপযাজৰ ওচৰ চাপিল। দ্ৰুপদে তেওঁৰ চৰণ বন্দনা কৰি ক'লে, "মই আপোনাক দহ কোটি গাই-গৰু দক্ষিণা দিম, আপুনি মাথোন মোক এনে এজন পুত্ৰ পোৱাই দিয়ক—যিজনে দ্ৰোণক বধ কৰিব পাৰিব।" উপযাজ কিন্তু তেওঁৰ কথাত মান্তি নহ'ল। তথাপি দ্ৰুপদে তেওঁৰ পাচ নেৰা হ'ল। উপায়-বুদ্ধিহীন হৈ অৱশেষত তেওঁ দ্ৰুপদক ক'লে, "মহাৰাজ, আপুনি এটা কাম কৰক। আপুনি মোৰ জ্যেষ্ঠ ভাতৃ যাজৰ ওচৰলৈ যাওক। তেওঁ আপোনাৰ উদ্দেশ্য সিদ্ধি কৰাৰ সম্ভাৱনা। কাৰণ, তেওঁ চুৱা-চুৱনি আওচলা-পথজাৰ মাজত বাচ-বিচাৰ একো নকৰে। মই নিজেই দেখা পাইছোঁ, তেওঁ মাটিত পৰা ফল-মূলো বুটলি খায়। আনকি, গুৰুঘৰত থাকোঁতেও তেওঁ আনে এৰি থৈ যোৱা ভাতৰ কাঁহীৰ পৰাও গৰাহে গৰাহে খাইছিল। মোৰ ধাৰণা, তেওঁ ধন-সোণৰ লুভীয়া। গতিকে, তেওঁক সন্তুষ্ট কৰিব পাৰিলে, তেওঁ আপোনাৰ কাৰণে পুত্ৰেষ্টি যজ্ঞ কৰি আপোনাৰ মনোবাঞ্ছা পূৰণ কৰিব।" কথা শুনি সংকোচ উপজিছিল যদিও ৰজা দ্ৰুপদ যাজৰ ওচৰ চাপিল। অলপ খাটনি ধৰিলতে যাজ সন্মত হ'ল।

পুত্ৰেষ্টি যজ্ঞ আৰম্ভ হ'ল। যজ্ঞৰ শেষত যাজে দ্ৰুপদ ৰজাৰ মহিষীক মাতি পঠিয়ালে। বোলে, অলপ পাচতে তেওঁলোকৰ দুজন সন্তান যজ্ঞৰ জুই-কুৰাৰ পৰা ওলাই আহিব। মহিষী অহালৈ বাট নেচাই যাজে যজ্ঞৰ জুইত পূৰ্ণাহুতি দিলে। লগে লগে সেই জুইৰ মাজৰ পৰা হাতত ধনু-কাঁড়, পিঠিত তূণ আৰু খাপত তৰোৱাল লৈ এগৰাকী ৰাজকোঁৱৰ ওলাই আহিল। লগে লগে আকাশ-বাণী শুনিবলৈ পোৱা গ'ল, "হে দ্ৰুপদ, এই ৰাজপুত্ৰই দ্ৰোণক বধ কৰি তোমাৰ শোক দূৰ কৰিব।" অলপ পাচতে সেই জুইকুৰাৰ মাজৰ পৰা আৰু এগৰাকী ৰাজকুঁৱৰী ওলাই আহিল। সকলোৰে মন কৰিলে—তেওঁৰ গা'ৰ বৰণ নীলচীয়া, চকুহাল পদুমৰ পাহিৰ দৰে। চুলিকোছা কেঁকোৰা-কেঁকুৰি আৰু গা'ৰ পৰা এটা ভুৰভুৰীয়া গোন্ধ ওলাই বহু দূৰলৈকে বিয়পি পৰিছে। সেইবাৰো আকাশ-বাণী শুনা গ'ল, "হে দ্ৰুপদ, এই ৰাজকন্যাৰ পৰা সময়ত কুৰুবংশৰ মহাভয় উপস্থিত হ'ব; এওঁ সকলো নাৰীৰ শ্ৰেষ্ঠা ৰূপে কৃষ্ণা নামেৰে পৰিচিতা হ'ব।"

এইদৰে যজ্ঞৰ বেদীৰ পৰা এহাল সন্তান লাভ কৰি পাঞ্চালৰাজ দ্ৰুপদ আৰু তেওঁৰ মহিষীৰ মনৰ পৰা সকলো দুখ আঁতৰ হ'ল। সময়ত ৰজা দ্ৰুপদে তেওঁৰ পুত্ৰ আৰু কন্যাৰ নাম থ'লে, ধৃষ্টদ্যুম্ন আৰু কৃষ্ণা। লোক-সমাজত দ্ৰুপদৰ কন্যা হেতুকেই কৃষ্ণা দ্ৰৌপদী নামেৰেই অধিক পৰিচিতা হৈ পৰিল।

অতিথি-ব্ৰাহ্মণৰ মুখত ধৃষ্টদ্যুম্ন আৰু দ্ৰৌপদীৰ জন্ম-বৃত্তান্ত শুনি পাণ্ডৱসকল অলপ চিন্তাকুল হৈ পৰিল। এনেতে কুন্তীয়ে যুধিষ্ঠিৰক ক'লে, "এটা কথা শুনা। আমি এই ব্ৰাহ্মণৰ ঘৰত বহুদিন ধৰি কটালোঁ। এইখন দেশৰ চাবলগীয়া ঠাই গোটেইবোৰেই চালোঁ। ইপিনে লাহে লাহে ভিক্ষা কৰিবলৈয়ো ঠাই নোহোৱা হৈ আহিছে। গতিকে, তোমালোকে যদি ভাল বুলি ভাবা, তেনেহ'লে পাঞ্চাল দেশলৈকে যাওঁ, ব'লা।" পাণ্ডৱসকলে কথাষাৰ ভাবি চাই, পাঞ্চাল দেশৰ পিনে যাবলৈকে থিৰাং কৰিলে।

এনেতে এদিন আকৌ ব্যাসে তেওঁলোকক দেখা দিলেহি। ব্যাসে

কথা-প্ৰসংগত তেওঁলোকৰ আগত ক'লে, "এজন ঋষিৰ এগৰাকী সুন্দৰী কন্যাৰ বিষয়ে কথা এষাৰ কওঁ, শুনি থোৱা। জীৱনত যে কত কিয়েই নঘটে! এই কন্যাগৰাকীয়ে পূৰ্বজন্মৰ কৰ্মদোষত স্বামীলাভ কৰিব পৰা নাছিল। গতিকে, সেইবাৰ তেওঁ মহাদেৱৰ তপস্যা কৰাত লাগিল। তেওঁৰ কঠোৰ তপস্যাত মহাদেৱ সন্তুষ্ট হ'ল। সোঁশৰীৰেৰে সেই ঋষিকন্যাৰ আগত দেখা দি মহাদেৱে ক'লে, "কি বৰ বিচাৰিছা, কোৱা।" ঋষিকন্যাই কেইবাবাৰো একেষাৰ কথাকেই দোহাৰিলে, তেওঁ সৰ্বগুণসম্পন্ন পতিলাভৰ কামনা কৰিছে। মহাদেৱে হাঁহি এটা মাৰি অৱশেষত ক'লে, "তুমি মোৰ ওচৰত পাঁচবাৰ পতিলাভৰ কামনা প্ৰকাশ কৰিলা। গতিকে, মই তোমাক এই বৰ দিলোঁ, পৰজন্মত তুমি ভৰত বংশত ওপজা পাঁচজন সৰ্বগুণসম্পন্ন পতি লাভ কৰি সুখী হ'বা।" এতিয়া তোমালোকক আচল কথাষাৰ কওঁ, শুনা। সেই ঋষিকন্যাগৰাকীয়েই দ্ৰুপদ ৰজাৰ কন্যা হৈ উপজিছে। তেওঁৱেই তোমালোকৰ পত্নী হৈ সুখী হ'ব। গতিকে, তোমালোক সোনকালেই পাঞ্চাল দেশৰ অভিমুখে যোৱা। তাতে তোমালোকে দ্ৰৌপদীক লাভ কৰি সুখী হোৱাঁগৈ।"

অতিথি-ব্ৰাহ্মণ আৰু ব্যাসৰ মুখত এইবোৰ আচহুৱা কথা শুনাৰ পাচত এদিন পাণ্ডৱসকল সাঁচাসঁচিকৈয়ে পাঞ্চাল ৰাজ্যমুৱা হ'ল। এদিন-এৰাতি পাৰ হোৱাৰ পাচত তেওঁলোক গংগাৰ পাৰত থকা সোমাশ্ৰয়ণ তীৰ্থৰ অভিমুখে যাত্ৰা কৰিলে।

আন্ধাৰত বাট দেখুৱাই নিবৰ কাৰণে হাতত জোৰ এটাঁৰ লৈ অৰ্জুন আগে আগে গৈ আছিল—পাচে পাচে বাকী চাৰিজন পাণ্ডৱ আৰু মাক কুন্তী। ঠিক সেই সময়তে গন্ধৰ্বসকলৰ ৰজা চিত্ৰৰথে, তেওঁৰ ৰাণীকেইগৰাকীক লৈ গংগাৰ পানীত সাঁতুৰি উমলিবলৈ ওলাই আহিছিল। এনেতে সন্মুখৰ ফালৰ পৰা আহি থকা পাণ্ডৱসকলৰ কথা-বতৰা শুনিবলৈ পাই গন্ধৰ্বৰাজৰ খং উঠিল। তেওঁ খংমুৱাকৈ ক'লে, "সেয়া কাৰ মাত শুনিছোঁ! তোমালোকে নেজানা নেকি, ৰাতিৰ সময়ছোৱা যে মাথোন যক্ষ, ৰক্ষ আৰু গন্ধৰ্বসকলৰ অধিকাৰত থকা সময়? মই যক্ষৰাজ

কুবেৰৰ সখা গন্ধৰ্বসকলৰ ৰজা অংগাৰপৰ্ণই কৈছোঁ, তোমালোক এই-পিনে নাহিবা। উভতি যোৱাঁগৈ।'' গন্ধৰ্বৰাজ চিত্ৰৰথ তথা অংগাৰপৰ্ণৰ কথা শুনি অৰ্জুনে উত্তৰ দিলে, "তুমি লাগিলে যেয়েই নোহোৱা, তোমাৰ আদেশতে আমি গংগাজল স্পৰ্শ নকৰিম নে? দিন হওক ৰাতি হওক—হিমালয়, সাগৰ আৰু গংগাৰ কাষলৈ যোৱাত কোনেও বাধা দিব নোৱাৰে।"

অৰ্জুনৰ উত্তৰ শুনি গন্ধৰ্বৰাজে পাণ্ডৱসকলক লক্ষ্য কৰি শৰ বৰ্ষণ কৰিবলৈ ধৰিলে। লগে লগে অৰ্জুনে হাতৰ জোৰগছি গদাৰ লেখীয়াকৈ ঘূৰাই গন্ধৰ্বৰাজৰ সকলোবোৰ শৰ ওফৰাই পঠিয়ালে। তাৰ পাচত, অৰ্জুনে তেওঁৰ গুৰু দ্ৰোণৰ পৰা পোৱা অগ্নিবাণ নিক্ষেপ কৰিলে। অগ্নিবাণৰ প্ৰকোপত গন্ধৰ্বৰাজৰ বিখ্যাত ৰথখন নিমিষতে পুৰি ভস্ম হ'ল; গন্ধৰ্বৰাজ নিজেও অচেতন হৈ মাটিত লুটি খাই পৰিল। অৰ্জুনে আগবাঢ়ি গৈ গন্ধৰ্বৰাজৰ মূৰত ফুলৰ মালা এধাৰ মেৰিয়াই থোৱা চুলিকোছাত ধৰি চোঁচোৰাই আনিবলৈ লৈছিল। তাকে দেখি গন্ধৰ্ব-ৰাজৰ এগৰাকী ৰাণীয়ে যুধিষ্ঠিৰৰ ওচৰ চাপি কাকুতি-মিনতি কৰি ক'লেহি, "আপোনাক কাকুতি কৰিছোঁ, হে মহাভাগ! মোৰ স্বামীৰ দোষ মাৰ্জনা কৰি তেওঁক মুক্তি দিয়ক।" যুধিষ্ঠিৰে গন্ধৰ্বৰাজৰ মহিষী কুম্ভীনসীৰ কাকুতি-মিনতি শুনি অৰ্জুনক ক'লে, "তেওঁক এৰি দিয়া, প্ৰাণ ল'ব নালাগে।" লগে লগে অৰ্জুনেও গন্ধৰ্বৰাজক এৰি দিলে।

জ্ঞান পাই উঠিয়েই গন্ধৰ্বৰাজে ক'লে, "হে মহাবীৰ, মই আপোনাৰ ওচৰত বশ্যতা স্বীকাৰ কৰিছোঁ। আজিৰ পৰা মই আৰু নিজকে অংগাৰ-পৰ্ণ বুলি চিনাকি দি অহংকাৰ নকৰোঁ। মোৰ বিচিত্ৰ ৰথখনো পুৰি ভস্ম হ'ল। গতিকে, মোৰ চিত্ৰৰথ নামটোও সলনি কৰি দগ্ধৰথ থোৱাই ভাল হ'ব। হে মহাত্মা, আপুনি মোৰ প্ৰাণদান কৰিছে; মই আপোনাক তাৰ বিনিময়ত কি দান কৰিব পাৰোঁ! মই আপোনাক চাক্ষুষী বিদ্যা দান কৰিব খুজিছোঁ। হে বীৰ, আপুনি এই বিদ্যাৰ বলেৰে স্বৰ্গ-মৰ্ত্য-পাতাল তিনিও লোকৰে যিহকে চাবলৈ ইচ্ছা কৰে, তাকেই চকুৰ আগতে চাই ল'ব পাৰিব। তদুপৰি, মই আপোনালোক পাঁচজনৰ

প্ৰত্যেককে এশ'টাকৈ গন্ধৰ্বৰাজ্যৰ দিব্যঘোঁৰা দিব খুজিছোঁ। ইঁহঁতৰ গুণ হৈছে, গৰাকীয়ে সিহঁতক সুঁৱৰিলেই দেখা দিয়েহি। আপুনি এতিয়া মোৰ দান গ্ৰহণ কৰি মোক কৃতাৰ্থ কৰক।"

অৰ্জুনে পোনতে সেইবোৰ দান লৈ গন্ধৰ্বৰাজৰ কটা ঘা'ত চেঙা তেল দিয়া হ'ব বুলি অলপ দোধোৰ-মোধোৰ কৰিছিল। গন্ধৰ্বৰাজে অৰ্জুনৰ মনৰ ভাব ধৰিব পাৰি দুনাই ক'লে, "আপুনি মোৰ জীৱন ওভোতাই দিছে; তাৰ সামান্য বিনিময়ত মই আপোনাক চাক্ষুষী বিদ্যাৰ মন্ত্ৰ দিছোঁ। তথাপি আপুনি ইচ্ছা কৰিলে মোক আপোনাৰ অগ্নিবাণৰ মন্ত্ৰ আৰু চিৰকলীয়া বন্ধুত্ব দিব পাৰে।" অৱশেষত, সেই প্ৰস্তাৱেই ৰজিল। দুয়ো চিৰকলীয়া বন্ধুত্বৰ পাশত আৱদ্ধ হ'ল।

ইয়াৰ পাচত, দুয়োৰো মাজত অনেক বন্ধুত্বপূৰ্ণ কথা-বতৰা হ'ল। অৰ্জুনৰ প্ৰশ্নৰ উত্তৰ দি গন্ধৰ্বৰাজে তেওঁক কুৰুবংশৰ উপৰি-পুৰুষ ৰজা সংবৰণ আৰু তেওঁৰ পত্নী তপতীৰ আখ্যানটোও ক'লে। তপতী আছিল সূৰ্যৰ কন্যা। সেইবাবেই, কুৰুবংশীয়সকল সূৰ্যবংশী বুলিও জনাজাত। লগতে ক'লে, কোনো কোনোৱে তেওঁলোকক তাপত্য বুলিও সম্বোধন কৰে। এইবোৰ কথাৰ মাজতে গন্ধৰ্বৰাজে অৰ্জুনক বশিষ্ঠ আৰু বিশ্বামিত্ৰৰ মাজত থকা অঁৰিয়াঅঁৰিখিনিৰ কথাবোৰো বহলাই ক'লে।

সেই দীঘলীয়া কাহিনীবোৰ শুনি উঠি অৰ্জুনে ক'লে, "বন্ধু, তোমাৰ কথাবোৰ শুনি মই বহুত নজনা কথা জানিলোঁ। তুমি অনেক কথা জানা। গতিকে, কোৱাচোন আমি কাক পুৰোহিত হিচাপে বৰণ কৰি লওঁ!" গন্ধৰ্বৰাজে ক'লে, "দেৱল মুনিৰ নুমলীয়া ভায়েক ধৌম্যই উৎকোচক তীৰ্থত তপস্যা কৰি আছে। তেওঁকেই তোমালোকে পুৰোহিত হিচাপে বৰণ কৰি লোৱাগৈ।" কথাষাৰ অৰ্জুনৰ মনঃপুত হ'ল। তাৰ পাচত, অৰ্জুনে গন্ধৰ্বৰাজক অগ্নিবাণৰ মন্ত্ৰটো শিকাই দিলে আৰু ক'লে, "বন্ধু, তুমি দিয়া ঘোঁৰাবোৰ এতিয়া তোমাৰ ওচৰতে থাওক। যেতিয়া মোক লাগিব, লৈ যামহি।"

॥ দ্ৰৌপদীৰ স্বয়ম্বৰ ॥

তাৰ পাচত, পাণ্ডৱসকল ধৌম্য ঋষিৰ আশ্ৰমলৈ গ'ল। তাতে তেওঁলোকে ধৌম্য ঋষিক পুৰোহিত হিচাপে বৰণ কৰি ল'লে। অৱশেষত, তেওঁলোকে দ্ৰৌপদীৰ স্বয়ম্বৰ চাবলৈ বুলি ব্ৰহ্মচাৰীৰ বেশেৰেই পাঞ্চাল ৰাজ্যৰ অভিমুখে ওলাই পৰিল। বাটত তেওঁলোকে দ্ৰৌপদীৰ স্বয়ম্বৰ চাবলৈ যোৱা বহুতো ব্ৰাহ্মণকে লগ পালে। তেওঁলোকৰ লগত সেই ব্ৰাহ্মণসকলৰ দুষোৰ-এষাৰ কথা পতাও হ'ল। ব্ৰাহ্মণসকলৰ বহুতেই তেওঁলোকক এইবুলি ক'বলৈ নেপাহৰিলে, "তোমালোক দেখিছোঁ দেৱতাৰ লেখীয়া ধুনীয়া। কোনে জানে, দ্ৰুপদ ৰজাৰ জীয়েকে হয়তো তোমা-লোকৰে কোনোবা এজনৰ ডিঙিত মালা পিন্ধাব!"

তাৰ পাচত, কেইবাখনো দেশ পাৰ হৈ তেওঁলোক পাঞ্চাল ৰাজ্যত সোমালগৈ। গৈয়েই তেওঁলোক এজন চহা কুমাৰৰ ঘৰত আলহী হৈ থাকিবলৈ ল'লে। দিনটো ব্ৰাহ্মণৰ বেশ ধৰি ঘৰে ঘৰে ভিক্ষা কৰে আৰু যি দুই-এমুঠি পায়, তাৰেই তেওঁলোকে পেটৰ জুই নুমুৱায়।

ইপিনে ৰজাৰ কাৰেঙত স্বয়ম্বৰ-সভাৰ যো-জা চলিবলৈ ধৰিলে। ৰজা দ্ৰুপদে মনে মনে ইচ্ছা এটা পুহিবলৈ লৈছিল, জীয়েক দ্ৰৌপদীক অৰ্জুনৰ হাতত যদি গ'তাব পাৰিলেহে'তেন! ভাবি-চিন্তি তেওঁ এনে এখন ধনু সজোৱালে যিখন যেয়ে সেয়ে ভিৰাবই নোৱাৰে। লগতে তেওঁ আকাশত এটা ঘূৰি থকা চকৰি থোৱালে; তাৰ সিপাৰে এটা সোণৰ লক্ষ্যবস্তু। দ্ৰুপদে ঘোষণা কৰিলে, যিজনে সেই ঘূৰি থকা চকৰিটোৰ সুৰঙাৰে এপাট পাঁচমুখীয়া শৰেৰে তাৰ সিপাৰে ওঁহি থকা সোণৰ লক্ষ্যবস্তুটো ভেদ কৰিব পাৰিব, দ্ৰৌপদীক তেওঁৱেই লাভ কৰিব। ঘোষণাটো শুনিবলৈ পাই কৰ্ণক লগত লৈ দুৰ্যোধন আদি কৌৰৱসকল আৰু বহুতো ৰজা-ৰাজোৱান পাঞ্চাল ৰাজ্যত ওলালহি। স্বয়ম্বৰ-সভাত দান-দক্ষিণাৰ ভাগ পোৱাৰ আশাত আৰু চকু জুৰাই চাই লোৱাৰ হেপাহত অনেক ব্ৰাহ্মণ-সজ্জনেও পাঞ্চাল ৰাজ্যৰ পিনে ঢাপলি মেলি আহিল।

ৰজা দ্ৰুপদেও সেইসকল অতিথিক সোধ-পোচ কৰাৰ বঢ়িয়া ব্যৱস্থা কৰি থৈছিল। নগৰৰ উত্তৰ-পূবপিনে এডোখৰ মুকলি ঠাইত এটা

বিতোপন সভাঘৰ নিৰ্মাণ কৰোৱা হৈছিল। তাৰ চাৰিওকাষে কেইবা-জানিও ঘৰ সজাই দিছিল, যাতে ৰজা-ৰাজকোঁৱৰসকল থাকিবহি পাৰে। সিবিলাকৰ কেউকাষে পৰিপাটিকৈ দেৱাল দিয়াই, লোৰ থাৰে কটাই, আৰু দুৱাৰ-তোৰণ সজাই আটকধুনীয়া কৰি তোলা হৈছিল। সভাঘৰৰ ভিতৰখনো তেনেকৈ ফুলাম আকাশী-কাপোৰ অ'ৰাই, চন্দনজল ছটিওৱাই আৰু অগৰু ধূপ জ্বলোৱাই সুগন্ধিৰে ভুৰভুৰীয়া কৰি তুলিলে। পোন্ধৰ দিন ধৰি সেই সভাঘৰতে নানা ধৰণৰ ৰং-ৰহইচৰ পোহাৰ বহিল। ৰজায়ো সেইকেইদিন ব্ৰাহ্মণ-সজ্জনক মুকলি হাতেৰে ধন-বস্ত্ৰ বিলালে।

এইদৰে যোল দিনৰ দিনাখন আচল স্বয়ম্বৰৰ দিন পৰিলহি। ৰজা-ৰাজকোঁৱৰসকল অয়-অলংকাৰ পিন্ধি, গা'ত সুগন্ধি-পানীৰ ছিটিকনি ছটিয়াই সভাঘৰত সজাই থোৱা আসনবোৰত বহিলহি। নগৰ আৰু গাঁওবিলাকৰ পৰা অহা সাধাৰণ ৰাইজো উবুৰি খাই পৰিলহি। একাষে মঞ্চৰ ওপৰত ব্ৰাহ্মণসকলে আসন ল'লেহি। তেওঁলোকৰ মাজতে ব্ৰাহ্মণবেশী পঞ্চ-পাণ্ডৱেও আসন বিচাৰি ল'লে।

অৱশেষত, দ্ৰৌপদীক সজাই-পৰাই কাৰেঙৰ ভিতৰৰ পৰা স্বয়ম্বৰ-সভালৈ উলিয়াই অনা হ'ল। লগে লগে দ্ৰুপদ ৰজাৰ কুলপুৰোহিতে হোমৰ জুইত শেষ-আহুতি ঢালি স্বস্তিবচন উচ্চাৰণ কৰিলে। সেয়া শেষ হ'লত, অতপৰে বাজি থকা গোটেইবোৰ বাদ্যযন্ত্ৰৰ শব্দ থমকি পৰিল। লগে লগে দ্ৰুপদ ৰজাৰ পুতেক ধৃষ্টদ্যুম্নই দ্ৰৌপদীক সভাঘৰৰ মাজ-মজিয়ালৈ আদৰি আনিলে। তাৰ পাচত তেওঁ গম্ভীৰ মাতেৰে ক'বলৈ ধৰিলে, "সমবেত নৃপতিমণ্ডলী, মোৰ কথা শুনক। এইখন ধনু, এইপাট কাঁড় আৰু সৌটো লক্ষ্যবস্তু। যিজনেই এই পাঁচমুখীয়া কাঁড়পাটেৰে সৌ ঘূৰি থকা চৰ্কিৰটোৰ মাজৰ বিন্ধাটোৰে সৰকাই তাৰ ওপৰত ভাঁহি থকা লক্ষ্যবস্তুটো ভেদ কৰিব পাৰিব, সেইজন মহাবীৰেই মোৰ ভনী কৃষ্ণা অৰ্থাৎ দ্ৰৌপদীক ভাৰ্যাৰূপে লাভ কৰিব। এইষাৰ কথা ধ্ৰুৱ সত্য বুলি জানিব।"

ঘোষণাটো কৰি উঠি ধৃষ্টদ্যুম্নই দ্ৰৌপদীক সভাত গোট খোৱা বীৰসকলৰ

ওচৰলৈ নি এজন-এজনকৈ চিনাকি কৰি দিবলৈ ধৰিলে। সেইসকল বীৰ ৰজা-ৰাজকোঁৱৰৰ মাজত আছিল ঃ দুৰ্যোধন আৰু তেওঁৰ ভায়েকসকল, কৰ্ণ, শকুনি, অশ্বত্থামা, ভোজৰাজ, বিৰাটৰাজ, কলিংগৰাজ, ৰজা ভগদত্ত, শল্য, বলৰাম, কৃষ্ণ, প্ৰদ্যুম্ন, জয়দ্ৰথ, শিশুপাল, জৰাসন্ধ আৰু অনেকজন। তেওঁলোকৰ প্ৰায় প্ৰত্যেকজনেই মনে মনে কল্পনা কৰিলে, দ্ৰৌপদীয়ে হয়তো তেওঁকেই বৰণ কৰিব!

শ্ৰীকৃষ্ণৰ চকুহালে পঞ্চ-পাণ্ডৱক বিচাৰি ফুৰিবলৈ ধৰিলে। হঠাৎ তেওঁৰ চকুত পৰিল, ব্ৰাহ্মণসকলৰ মাজত থোঁৱাই আগুৰি থোৱা জুইৰ লেখীয়া পাঁচজন ধুনীয়া ডেকা। তেওঁ তৎক্ষণাৎ চিনি পালে, সেই কেইজন পঞ্চ-পাণ্ডৱৰ বাহিৰে আন কোনো নহয়। ককায়েক বলৰামক তেওঁ সেইপিনে আঙুলিয়াই দেখুৱালে। আনবোৰ ৰজা-ৰাজকোঁৱৰে দ্ৰৌপদীৰ ৰূপলৈ থৰ লাগি চাই থাকোঁতে সভাঘৰৰ বাকী সমাগতসকলৰ পিনে চকু ফুৰাই চাবলৈ পাহৰিয়েই থাকিল। কোনেও গমকে নেপালে, পাণ্ডৱ-সকলো যে তাতেই আছেহি।

তাৰ পাচত, স্বয়ংবৰৰ চৰ্ত অনুযায়ী ৰজা আৰু ৰাজকোঁৱৰসকলৰ মাজত প্ৰতিযোগিতা আৰম্ভ হ'ল। এজনৰ পাচত এজনকৈ তেওঁলোক ধনুখনৰ ওচৰ চাপি গ'ল। বহুতে ধনুখন মাটিৰ পৰা দাঙিবই নোৱাৰিলে। কোনোজন আকৌ ধনুখনৰ গুণ টানিবলৈ লৈয়েই ছিটিকি কোনোবাখনত কৰ্ফাল খাই পৰিলগৈ। কোনোবাজনে ধনুখন দাঙি লৈয়েই থৰ-কাছুটি হেৰুৱালে। তেতিয়াহে সকলোৱে গম পালে, সেই বিয়াগোম ধনুখনৰ আচহুৱা গুণ-গৰিমাৰ কথা।

এনেতে মহাবীৰ কৰ্ণই আগবাঢ়ি আহি ধনুখন হাতত তুলি ল'লে আৰু সিখনৰ গুণত কাঁড়পাট জুৰি ল'লে। কৰ্ণক সেই মূৰ্তিত দেখা পাই পাণ্ডৱসকলে প্ৰমাদ গণিলে। তেওঁলোকে ভাবিলে, এইবেলি শেনৰ এক জাত। ঠিক সেই মুহূৰ্ততে দ্ৰৌপদীয়ে চিঞৰি উঠিল, "হ'বই নোৱাৰে। মই সূতৰ ল'ৰাক বৰণ নকৰোঁ।" কথাষাৰ শুনিয়েই কৰ্ণই খংমুৱাকৈ সূৰ্যটোৰ পিনে চাই খঙাল হাঁহি এটা মাৰি ধনুখন দলিয়াই থৈ নিজৰ আসনলৈ উভতি আহিল।

তাৰ পাচতো আন কেইবাজনো বীৰে চেষ্টা কৰি চালেগৈ। চেদিৰাজ শিশুপাল মাটিত হামখুৰি খাই পৰিলগৈ। জৰাসন্ধ আকৌ ধনুখন দাঙিয়েই ঠেৰেঙা লাগিল। মহাবীৰ শল্যয়ো থৰকবৰক কৰিবলৈ ধৰিলে। লাহে লাহে ক্ষত্ৰিয় বুলিবলৈ কোনো নেথাকিল।

তেতিয়া ব্ৰাহ্মণসকলৰ পাল পৰিল। হঠাৎ তেওঁলোকৰ মাজৰ পৰা ব্ৰাহ্মণবেশী অৰ্জুন থিয় হোৱা দেখি, আটায়ে অবাক মানিলে। দুজনমানে উপদেশৰ সুৰত ক'লে, "অতবোৰ ক্ষত্ৰিয় বীৰ-মহাবীৰে যিটো কাম কৰিবলৈ গৈ হাৰ মানিলে, তুমি সেইটো কাম কৰিবলৈ গৈ ব্ৰাহ্মণসকলক মিছাতে লঘু কৰিবলৈ নোলোৱাই ভাল।" আন এজনে মাত লগালে, "ক'ব নোৱাৰি, ব্ৰহ্ম তেজৰ কথা! ব্ৰাহ্মণৰ অসাধ্য একো নাই। বতাহ, পানী আৰু ফল-মূল খায়ো ব্ৰাহ্মণৰ গা'ত বল-বিক্ৰমৰ নাটনি নঘটে। আৰু এইজন! খোজ-কাটলবোৰত তেনেই সিংহ; বল-বিক্ৰমো নিশ্চয় হাতীৰ লেখীয়া হ'ব।"

ইপিনে অৰ্জুন ধনুখনৰ ওচৰ চাপি খন্তেক তভক মাৰি ৰ'ল। তাৰ পাচত, ধনুখনৰ চাৰিওপিনে এবাৰ ঘূৰি লৈ দেৱাদিদেৱ মহাদেৱলৈ প্ৰণাম জনাই কৃষ্ণক স্মৰণ কৰিলে আৰু সেই বিয়াগোম ধনুখন হেলাৰঙে দাঙি ল'লে। ধনুখন দাঙি লৈয়েই তাৰ গুণত কাঁড়পাট থাপ খুৱাই গুণ টানিলে। পাচ মুহূৰ্ততে ধনুৰ গুণৰ পৰা কাঁড়পাট ওলাই চকৰিটোৰ সুৰুঙাইদি সোমাই লক্ষ্যবস্তুত লাগিলগৈ। লগে লগে আকাশত ওঁাহি থকা সেই লক্ষ্যবস্তুটো মাটিত থেকেচা খাই পৰিলহি। লগে লগে গোটেইখন সভাঘৰ তুমুল কোলাহলেৰে উপচি উঠিল। ব্ৰাহ্মণসকলৰ মাজত আনন্দৰ জোৱাৰ বৈ গ'ল। ৰজা-ৰাজকোঁৱৰসকলে লাজত তলমূৰ কৰিলে। ৰজা দ্ৰুপদ পৰম আনন্দিত হ'ল। তেওঁৰ মনৰ বাঞ্ছা পূৰ হ'ল, এতিয়াৰ পৰা তেওঁৰ প্ৰচ্ছন্ন শত্ৰু দ্ৰোণাচাৰ্যই আৰু তেওঁক সঁচাই-মিছাই আমনি কৰি থাকিবলৈ সাহস নকৰে।

লক্ষ্যবস্তু বিন্ধ হোৱা দেখি আৰু দেৱৰাজ ইন্দ্ৰ তুল্য পাৰ্থক ভৰিৰ নখৰ পৰা মূৰৰ চুলিলৈকে বাৰে বাৰে চোৱাকৈ চাই কুমাৰী কৃষ্ণাই হাঁহোনে নেহাঁহোকৈ সামৰি ৰখা হাঁহিটো লৈ ইপিনে-সিপিনে চাবলৈ

ধৰিলে। যদিও তেওঁৰ ৰূপৰ জেউতি বহুতেই বহুতোবাৰ দেখা পাইছে, তথাপি সকলোৰে চকুত আৰু বেছি নতুন ৰূপেৰে উজ্জ্বলি উঠিল। যদিও তেওঁ মতলীয়া হৈ পৰা নাছিল, তথাপি যেন ভাবতে বিভোৰ হৈ পৰিছিল। যদিও তেওঁ মুখেৰে একো কথাই কোৱা নাছিল, তথাপি যেন তেওঁৰ চকুহালে বহুতো কথাই কৈছিল।

তাৰ পাচত, দ্ৰৌপদীয়ে হাঁহিমুখেৰে আগবাঢ়ি গৈ ব্ৰাহ্মণবেশী অৰ্জুনৰ ডিঙিত এধাৰ বগা ফুলৰ মালা পিন্ধাই তেওঁক বৰণ কৰিলে। ব্ৰাহ্মণসকলৰ মুখত জাউৰিয়ে জাউৰিয়ে প্ৰশংসাপূৰ্ণ কথা শুনি অৰ্জুনে দ্ৰৌপদীক হাতত ধৰি সভাঘৰৰ বাহিৰলৈ খোজ দিলে।

ইতিমধ্যে, নকুল আৰু সহদেৱক লগত লৈ যুধিষ্ঠিৰ তেওঁলোক আলহী হৈ থকা কুমাৰৰ ঘৰলৈ বুলি গুচি গৈছিল। কেৱল ভীম ৰৈ গৈছিল, জানোচা বিফলমনোৰথ ৰজা-ৰাজকোঁৱৰজাকে ক'ৰবাত কিবা অঘটন ঘটোৱাৰ চেষ্টা কৰে!

সঁচাসঁচিকৈয়ে সেইটোৱেই ঘটিল। লাজে-অপমানে জৰ্জৰিত হৈ সেই ৰজা-ৰাজকোঁৱৰবোৰ খঙত ফাটি পৰিল। তেওঁলোকে চিএৰ-বাখৰ লগাই ক'বলৈ ধৰিলে, "ৰজা দ্ৰুপদে আমাক মাতি আনি অপমান কৰিছে। অতবোৰ ৰজা-ৰাজোৱান থাকোঁতে পাঞ্চালৰাজে কন্যাদান কৰিবলৈ লৈছে এটা ভিকহু ব্ৰাহ্মণক! স্বয়ংবৰ বুলিলে ক্ষত্ৰিয়ৰহে তাত অধিকাৰ—ব্ৰাহ্মণৰ কোনো অধিকাৰ নাই। গতিকে, ভুলটো শুধৰাই দ্ৰৌপদীয়ে আমাৰে কাৰোবাক বৰণ কৰক। তাকে নকৰিলে, তাইক আমি জীয়াই জীয়াই সোঁ হোমৰ জুইত পেলাই থৈহে উভতি যাম। আৰু এই দ্ৰুপদ ৰজাকো শুদাই নেৰোঁ। তেওঁক বধ কৰি আমি আমাক কৰা অপমানৰ শোধ লৈ যাম।"

লাহে লাহে পৰিস্থিতি বিষম হৈ উঠিল। ৰজা দ্ৰুপদ ব্ৰাহ্মণসকলৰ কাষ চাপিল। ব্ৰাহ্মণসকলে তেওঁক অভয় দি ক'লে, "ভয় নকৰিব, মহাৰাজ! আমি আপোনাৰ হৈ যুদ্ধ কৰিম।" এনেতে ভীমে ওচৰতে থকা এজোপা গছ শিপাৰে সৈতে উঘালি আনি অৰ্জুনৰ ওচৰত থিয় দিলেহি। তাৰ পাচত, ঢাল-ঢেঙুলিবোৰ ভাঙি-চিকুণাই লৈ ক'লে,

"গোটেই সোপাকে ভাইলং কৰিম। কোনটো আছ, আহ।" অৰ্জুনেও হাঁহি হাঁহি ক'লে, "আপোনালোকে একাষৰীয়া হৈ চাই থাকক। মই শত-সহস্ৰ বাণেৰে এই ৰজাবোৰৰ গতি লগাওঁ। গোটেইবোৰকে আজি যমৰ আলহী কৰোঁ, চাই থাকক।"

অলপ পাচতে ৰজা-ৰাজকোঁৱৰৰ দল ব্ৰাহ্মণসকলৰ ওপৰত জাঁপিয়াই পৰিল। কৰ্ণই অৰ্জুনক আৰু শল্যই ভীমক আক্ৰমণ কৰিলে। অৰ্জুনৰ শৰ নিক্ষেপৰ নৈপুণ্য দেখি কৰ্ণ তবধ লাগিল। কৰ্ণই নকৈ নোৱাৰিলে, "হে বিপ্ৰশ্ৰেষ্ঠ, তুমি বাৰু কোন? স্বয়ং বিষ্ণু নেকি? দেখিছোঁ, তুমি এক মূৰ্তিমান ধনুৰ্বেদ!" অৰ্জুনে উত্তৰ দিলে, "মই কেৱল এক সামান্য ব্ৰাহ্মণ। মোৰ এই অস্ত্ৰজ্ঞান মাথোন মোৰ গুৰুৰ দান।" চাওঁতে চাওঁতে অৰ্জুনৰ শৰ-প্ৰহাৰত কৰ্ণৰ আটাইকেইখন ধনু ভাগি-ছিগি টুকুৰাটুকুৰ হ'ল। অস্ত্ৰহীন হৈ কৰ্ণই সেই সভাঘৰৰ ৰণ এৰি বাহিৰলৈ ওলাই গ'ল। ইফালে শল্য আৰু ভীমৰ দবৰাদবৰিত ধৰণী কঁপি উঠিছিল। ভীমৰ ভুকুবোৰ যেনিবা ভুকু নহয়—একোটা হাতুৰীৰহে কোব! লাহে লাহে শল্য অৱশ হৈ আহিছিল। এবাৰ ভীমে সাউৎকৈ শল্যক দাঙি লৈ মূৰৰ ওপৰত ঘূৰাবলৈ ধৰিলে। তাৰ পাচত, ভীমে তেওঁক দলি মাৰি পঠিয়ালে। শল্য মাটিত থেকেচা খাই পৰিলগৈ—কথমপিহে নমৰাকৈ থাকিল। ব্ৰাহ্মণসকলৰ মাজত হাঁহিৰ খলকনি উঠিল। ৰজাবিলাকেও নকৈ নোৱাৰিলে, "যুদ্ধ বন্ধ কৰাই ভাল। নহ'লে, আমাৰহে ক্ষয়-ক্ষতিৰ আশংকা।" কৃষ্ণই তেওঁলোকক ক'লে, "এৰা, আপোনালোক যাওকগৈ। এওঁলোকে ধৰ্ম অনুসৰিয়েই দ্ৰৌপদীক লাভ কৰিছে। গতিকে, ক্ষোভ নকৰিব।" তেওঁলোকৰ সৰহভাগৰে মাহৰ মাৰ দেখি তিলে বেত মেলা অৱস্থা হৈছিল। গতিকে, তেওঁলোকে মানে-মানে আঁতৰাই ভাল বুলিলে।

দ্ৰৌপদীক লগত লৈ ভীম আৰু অৰ্জুন তেওঁলোক যাৰ ঘৰত আলহী হৈ আছিলহি, সেই কুমাৰজনৰ ঘৰলৈ উভতি আহিল। তেওঁলোকে উলাহতে পদুলিৰ পৰাই মাক কুন্তীক মাত লগাই ক'লে, "আই, চোৱাহিচোন আমি আজি কি ভিক্ষা পাই আনিছোঁ!" মাক কুন্তীয়ে ভিতৰৰ পৰাই

উত্তৰ দিলে, “বাঢ়িয়া হৈছে। তোমালোক আটাইকেয়োজনে মিলি ভোগ কৰা।” তাৰ পাচত বাহিৰলৈ ওলাই আহিয়েই দ্ৰৌপদীক দেখি তেওঁ জিভা কামুৰিবলৈ ধৰিলে, “মই যে কি ক’ব লাগিছিল, কি কৈ পেলালোঁ!” উপায়-বুদ্ধি হেৰুৱাই তেওঁ দ্ৰৌপদীক লগত লৈ যুধিষ্ঠিৰৰ ওচৰ পালেগৈ। যুধিষ্ঠিৰক সুধিলে, “বোপা, তুমিয়েই উপায় এটা দিয়া। তোমাৰ দুই ভায়েৰাই এওঁক জয় কৰি আনিছে। ভুলতে মই কথা এষাৰ উচ্চাৰণ কৰিলোঁ—তোমালোক আটাইকেয়োজনে মিলি ভোগ কৰা। এতিয়া যাতে কাকো পাপে চুব নোৱাৰে, তাৰ ব্যৱস্থাটো কৰি দিয়া।”

অলপ পৰ চিন্তা কৰি লৈ যুধিষ্ঠিৰে অৰ্জুনৰ মুখলৈ চাই ক’লে, “অৰ্জুন, তুমিয়েই এওঁক জয় কৰি আনিছা। গতিকে, তুমিয়েই এওঁক ধৰ্মমতে, বিবাহ কৰি গ্ৰহণ কৰা।” অৰ্জুনে উত্তৰ দিলে, “সেইটো কেনেকৈ হ’ব, মহাৰাজ? মোক আপুনি অধৰ্মৰ ভাগী নকৰিব। পোনতে আপোনাৰ বিবাহ; তাৰ পাচত ভীমৰ; তাৰ পাচতহে মোৰ; শেষত নকুল আৰু সহদেৱৰ বিবাহ হ’ব।” অৰ্জুনৰ কথা শুনি যুধিষ্ঠিৰে আকৌ চিন্তা কৰিলে। তেওঁৰ মনত পৰিল, ব্যাসদেৱে তেওঁলোকৰ আগত কোৱা দ্ৰৌপদীৰ জন্ম-বৃত্তান্তৰ কথাখিনি। ভাবিলে—তাকে নকৰিলে, জানোচা পাঁচজন ককাই-ভাইৰ মাজত খিয়লাখিয়লি ওপজে! গতিকে, শেষত তেওঁ সিদ্ধান্তটো দিলে, “এওঁ আমাৰ পাঁচজনৰে ধৰ্মপত্নী হ’ব।”

## ॥ ৰজা দ্ৰুপদৰ সম্মতিদান ॥

স্বয়ম্বৰ-সভাত দ্ৰৌপদীক জয় কৰি যেতিয়া ভীম আৰু অৰ্জুন কুমাৰজনৰ ঘৰলৈ উভতি আহিছিল, তেতিয়া তেওঁলোকে ক’ব নোৱাৰাকৈ ধৃষ্টদ্যুম্নও পিচে পিচে আহি আছিল। তেওঁলোক ঘৰৰ ভিতৰলৈ সোমোৱাৰ লগে লগে তেওঁলোকৰ আলেখ-লেখ লৈ থাকিবলৈ ধৃষ্টদ্যুম্নই ঘৰটোৰ চাৰিওফালে কেইজনমান চোৰাংচোৱা ভিন ভিন

ঠাইত থৈ নিজেও গা লুকুৱাই এঠাইত বৈ থাকিল। তাৰ পৰাই তেওঁ কথাবোৰ মন কৰিলে।

গধূলিৰ লগে লগে কুন্তী ৰান্ধনিঘৰত সোমাল। ভিক্ষা কৰি পোৱা চাউল-ডাইলখিনিকে তেওঁ ৰান্ধি উলিয়ালে। দ্ৰৌপদীক সেইখিনি দি তেওঁ ক'লে, "আইটি, তুমি এয়া লোৱাচোন। পোনতে এভাগ দেৱতাৰ নামত উছৰ্গা কৰি কোনোবা ব্ৰাহ্মণ-অতিথি থাকিলে খুৱাব লোৱা। তাৰ পাচত, বাকীখিনি দুভাগ কৰি এভাগ ভীমক দিবা; বাকী যিখিনি থাকে, সেইখিনি যুধিষ্ঠিৰহঁতক দিবা আৰু তোমালৈ ল'বা, মোকো দিবা।" দ্ৰৌপদীয়ে সেইমতেই ভাত-ডাইলখিনি বাঢ়ি দিলে। খাই-বৈ উঠাৰ পাচত সহদেৱে কুশবন মেলি ডাঙৰকৈ বিছনা এখন পাৰি দিলে। তাতে প্ৰত্যেকে নিজৰ বৰীয়াকৈ পহুছাল একোখন পাৰি শুই পৰিল। কুন্তী শুলে, তেওঁলোকৰ মুৰ-শিতানত—পথালিয়ে পথালিয়ে। আৰু দ্ৰৌপদী শুলে একেধৰণেৰে ভৰি-পথানৰ ফালে। টোপনি নহালৈকে পাণ্ডৱসকলে শুই শুয়েই অস্ত্ৰ-শস্ত্ৰ আৰু হাতী-ঘোঁৰাৰ চাল-চলনৰ বিষয়ে নানা কথা আলোচনা কৰিলে। ইপিনে ধৃষ্টদ্যুম্নই বেৰৰ জলঙাৰে চাই চাই সকলো ঘটনা দেখিলে আৰু আঁৰৰ পৰাই সকলোবোৰ কথা-বতৰা শুনিলে। তেওঁৰ ৰিণিকি-ৰিণিকি ধাৰণা এটা উপজিল, এওঁলোক নিশ্চয়কৈ ক্ষত্ৰিয় আৰু হয়তোবা পঞ্চ-পাণ্ডৱেই !

ধৃষ্টদ্যুম্ন ৰাতিয়েই কাৰেঙলৈ উভতিল। দেখিলে, ৰজা দ্ৰুপদ গভীৰ চিন্তাত বুৰ গৈ আছে। তেওঁ চিন্তা কৰিছিল, অৱশেষত তেওঁৰ কন্যাক বাৰু কোনে নিলেহি? জানোচা আলফুলীয়া ফুলৰ মালাধাৰ শ্মশানৰ ছাইতে পৰিল! ধৃষ্টদ্যুম্নৰ মুখে সকলো কথা শুনি তেওঁ আশাৰ ৰেঙনি দেখিলে। তেওঁ শুনিবলৈ পাইছিল, পাণ্ডৱসকল জতু-গৃহত জাহ যোৱা নাই—ৰক্ষা পৰিছে। ধৃষ্টদ্যুম্নৰ মুখত কথাবোৰ যিমানে বেচিকৈ শুনিলে, সিমানে তেওঁৰ বিশ্বাসটো গজগজীয়া হৈ আহিল, নিশ্চয় তেওঁলোক পাণ্ডৱ—তেওঁৰ ডাহানিকালৰ প্ৰিয় বন্ধু পাণ্ডুৰেই পঞ্চ পুত্ৰ। অৱশেষত, তেওঁ তেওঁলোকৰ কুলপুৰোহিতক

পাণ্ডৱসকলৰ ওচৰলৈ পঠিয়াই দিলে। তেওঁৰ মুখতে কৈ পঠিয়ালে, বিধিমতে বিবাহখনো সম্পাদন কৰাই দিওৱাৰ মন।

যুধিষ্ঠিৰে ৰজা দ্ৰুপদৰ কুলপুৰোহিতক আদৰ-অভ্যৰ্থনা জনালে। যুধিষ্ঠিৰে মুকলিকৈয়ে ক'লে, পাঞ্চালৰাজে যে তেওঁৰ কন্যাৰ বিবাহ দিবলৈ লৈ জাতি-কুলৰ কোনো বিচাৰ লোৱাৰ কথাই ভবা নাই, ই সিগৰাকীৰ উদাৰ মনৰ চিনাকি। যি কি নহওক, মহাৰাজে অনুতাপ কৰাৰ কোনো কাৰণ ঘটিব নেলাগে। সোনকালেই সিগৰাকীৰ মনোবাঞ্ছা পূৰণ হ'ব লাগে।

অলপ পাচতে দ্ৰুপদ ৰজাৰ ওচৰৰ পৰা এজন দূতে আহি ওলালহি। তেওঁ ক'লেহি, বৰপক্ষৰ সকলোৱে ৰাতিৰ ভাতসাজ কাৰেঙতে খাবগৈ লাগে। পদূলিতে ৰজাঘৰীয়া ৰথ বৈ আছেহি। যুধিষ্ঠিৰে সেই নিমন্ত্ৰণ গ্ৰহণ কৰিলে। সেইমতে পঞ্চ-পাণ্ডৱ, কুন্তী আৰু দ্ৰৌপদীয়ে ৰাজ-কাৰেঙলৈ যাত্ৰা কৰিলে।

কাৰেঙলৈ গৈয়েই তেওঁলোকে মন কৰিলে, তেওঁলোকক উপঢৌকন দিবলৈ বুলি চাৰি ঠাইত চাৰিবিধ বস্তু বেলেগে বেলেগে থুপ খুৱাই থৈ দিয়া আছে। এঠাইত নানা ধৰণৰ ফুল আৰু ফল-মূল, আন এঠাইত ঢাল-তৰোৱাল আৰু গদা-যাঠিৰ লেখীয়া যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, ওচৰতে কোৰ-নাঙল আৰু কঠিয়াৰ টোম ইত্যাদি খেতি-বাতিৰ সঁজুলি, সিপিনে হাতুৰী-বটালিৰ লেখীয়া বাটে-খনিকৰৰ কামৰ আহিলা-পাতি। পাণ্ডৱ-সকলে সেইবোৰ উপহাৰ-উপঢৌকনৰ পিনে কেৰাহিকৈয়ো নোচোৱাকৈ তেওঁলোকৰ বাবে সজাই থোৱা আসনবোৰত বহিলগৈ। দ্ৰৌপদী আৰু কুন্তী পোনে পোনে অন্তেষপুৰলৈ সোমাই গ'ল। অলপ পাচতে কাৰেঙৰ লগুৱা-লিগিৰা আৰু লিগিৰীবিলাকে সোণ-ৰূপৰ কাঁহী-বাটিত নানাবিধ খাদ্য-পানীয় পৰিবেশন কৰি গ'লহি। পাণ্ডৱসকলে মনৰ ৰঙেৰে সেই সকলোবোৰ উদৰ পূৰণ কৰি খালে। তাৰ পাচত, তেওঁ-লোকক যেতিয়া উপঢৌকনবোৰ আঙুলিয়াই দেখুওৱা হ'ল, আটাইকেইজন অস্ত্ৰ-শস্ত্ৰৰ থুপটোৰ পিনে আগবাঢ়ি গ'ল। ৰজা দ্ৰুপদ, ধৃষ্টদ্যুম্ন আৰু পাত্ৰ-মন্ত্ৰী কাৰো মনত কোনো খুদুৱনি নেথাকিল, তেওঁলোক

ক্ষত্ৰিয় নহয় বুলি। সকলোৱে অনুমান কৰি ল'লে, এওঁলোক পঞ্চ-পাণ্ডৱ আৰু মাকগৰাকী কুন্তী।

যুধিষ্ঠিৰে তেতিয়া আপোন পৰিচয়বোৰ দি লৈ ক'লে, "মহাৰাজ, আপুনি নিশ্চিন্ত থাকক। পদুম ফুল যেনেকৈ পানীৰ সোঁতত ওপঙি এটা সৰোবৰৰ পৰা ওলাই আন এটা সৰোবৰত সোমাই ফুলি থাকেগৈ, আপোনাৰ কন্যাও তেনেকৈ এটা ৰাজকাৰেঙৰ পৰা ওলাই আন এটা ৰাজকাৰেঙলৈকে গৈ শোভি উঠিবলৈ লৈছে।" দ্ৰুপদে তেতিয়া ক'লে, "তেনেহ'লে আজিয়েই অৰ্জুনৰ লগত মোৰ কন্যাৰ বিয়াখন হৈ যাওক।" যুধিষ্ঠিৰে ক'লে, "কিন্তু তাৰ আগতে মোৰ বিয়াও পাতিব লাগিব।" দ্ৰুপদে তেতিয়া প্ৰস্তাৱ দিলে, "দ্ৰৌপদীক তেনেহ'লে তুমিয়েই বিয়া কৰোৱা। মোৰ কোনো আপত্তি নাই।" যুধিষ্ঠিৰে তেতিয়া ভাঙি ক'লে, "নহয় মহাৰাজ, দ্ৰৌপদীক আমি আটাইকেয়োজনে বিয়া কৰিম। আমাৰ মাতৃদেৱীৰ সেইটোৱেই আদেশ। আমাৰ কোনোবাজনে কিবা বস্তু লাভ কৰিলে, আটাইকেইজনে ভাগ কৰি ভোগ কৰাটোৱেই আমাৰ নিয়ম। আমি সেই নিয়ম কোনোমতেই ভংগ কৰিব নোৱাৰোঁ।"

এনেবোৰ নোহোৱা-নোপজা নিয়মৰ কথা শুনি দ্ৰুপদে অলপ টানকৈয়ে ক'লে, "ব'বা, তুমি এইবোৰ কি কথা কৈছা? এজন পুৰুষৰ কেইবাগৰাকীও ভাৰ্যা থকাৰ কথা গম পাওঁ। কিন্তু এগৰাকী মহিলাৰ কেইবাজনো স্বামী থকাৰ কথা মই ক'তো শুনা নাই। তোমাক মই ধৰ্ম-অধৰ্মৰ কথা ভালদৰে জনা মানুহ বুলিয়েই জানো। তোমাৰ মুখত বাৰু এনেবোৰ অধৰ্মী কথা ওলায় কেনেকৈ?" যুধিষ্ঠিৰে কিন্তু আগৰ কথাষাৰকে খামুচি ধৰি ক'লে, "ধৰ্মৰ গতি অতি সুক্ষ্ম। সকলোৱে সেই গতিৰ উমান নেপায়, মাথোন মহাজনসকল যোৱা বাটেদিয়েই গৈ থাকে। আপুনি ভুল নকৰিব, মই কিবা অধৰ্মী কামৰ বাট উলিয়াবলৈ লৈছোঁ বুলি। মই মোৰ মাতৃৰ আদেশ পালন কৰাটোৱেই মোৰ বাবে আটাইতকৈ ডাঙৰ ধৰ্ম।"

ঠিক সেই সময়তে মহৰ্ষি ব্যাসদেৱ ওলালহি। তেওঁক দেখি সকলোৱে মুখলৈ পানী আহিল। দ্ৰুপদে ব্যাসদেৱৰ আগত গোটেই-

খিনি কথা সবিস্তাৰে কৈ উঠি নিজৰ অভিমত দাঙি ধৰিলে, "হে মহাজ্ঞানী, আপুনিয়েই কথাষাৰ মীমাংসা কৰি দিয়ক, এগৰাকী নাৰীৰ বহুতো স্বামী থকাটো বেদবিৰুদ্ধ হয়নে নহয় ?" ধৃষ্টদ্যুম্নই তাতে আৰু এষাৰ যোগ দি ক'লে, "কওকচোন বাৰু, হে মহাজ্ঞানী। বৰজনাকে কেনেকৈ ভাই-বোৱাৰীৰ ওচৰত লাজ-মানৰ মূৰ চোবায়গৈ ?" যুধিষ্ঠিৰে নিজৰ কলীয়া যুক্তিটো দাঙি ধৰিলে, "পুৰাণত দেখোন পাইছোঁ, গোতম বংশৰ জটিলা নামৰ নাৰীগৰাকী সাতজন ঋষিৰ পত্নী আছিল। আকৌ, মুনিকন্যা বাৰ্ক্ষীৰ হেনো দহজন স্বামী আছিল আৰু তেওঁলোকৰ প্ৰত্যেকৰে হেনো নামটো প্ৰচেতা আছিল। এতিয়া মাতৃ-আদেশ পালন কৰিবলৈ লৈ সেইসকলৰ বাটেদি গ'লে, ধৰ্মৰ বিৰুদ্ধ কাম হ'বনে ? মাতৃ-আদেশ লংঘন কৰি আন কিবা কৰিবলৈ ল'লে, আমাক মহাপাপে নুচুৱনে ?" কুন্তীয়েও ক'লে, "মই আসৈ মাতোঁ কেনেকৈ. কথাষাৰ মই কোৱা নাছিলোঁ বুলি। মই কৈছিলোঁ—যি পাইছা, ভাগ কৰি লৈ ভোগ কৰা। এতিয়া কওক, আমি কেনেকৈ এই বিপদৰ পৰা ৰক্ষা পৰিব পাৰোঁ।" ব্যাসে তেতিয়া দ্ৰুপদৰ পিনে চাই ক'লে, "শুনক পাঞ্চালৰাজ, যুধিষ্ঠিৰে আপোনাক যি কৈছে, সেয়েই সনাতন ধৰ্ম। অৱশ্যে, সি সকলোৰে বাবে নহয়।" এই বুলি কৈয়েই ব্যাসদেৱে দ্ৰুপদৰ হাত এখন খামুচি ধৰি তেওঁক আন এটা কোঠালৈ লৈ গ'ল।

নিৰলাত বহি লৈ ব্ৰহ্মৰ্ষি ব্যাসদেৱে ৰজা দ্ৰুপদক ক'লে; "এইবোৰ বহুত কথা। কওঁ, শুনক। বহুত বছৰৰ আগতে দেৱতাসকলে এবাৰ নৈমিষাৰণ্যত এটা যজ্ঞ পাতিছিল। যম আছিল সেই যজ্ঞৰ পুৰোহিত। যম যজ্ঞৰ কামত ব্যস্ত হৈ থাকোঁতে, মানুহৰ মৰণ ঘটোৱা কাৰ্য বন্ধ হৈ ৰ'ল। গতিকে, পৃথিৱীত মানুহৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিলে। দেৱতাসকল ব্ৰহ্মাৰ ওচৰ পালেগৈ। সকলো কথা শুনি ব্ৰহ্মাই তেওঁলোকক অভয় দিলে, "যজ্ঞ শেষ হ'লেই যমে আকৌ নিজৰ কাম কৰিবলৈ ল'ব। আকৌ মানুহ উপজি মৰিবলৈ ধৰিব।" ব্ৰহ্মাৰ আশ্বাসবাক্য শুনি দেৱতাসকল যজ্ঞ থলীৰ পিনে ওলাল। চাবগৈ, যজ্ঞ কেতিয়া শেষ হ'ব।

সেইদৰে যাওঁতে বাটতে তেওঁলোকে গংগাৰ পানীত ফুলি থকা এপাহ সোণৰ পদুম ফুল দেখা পালে। ইন্দ্ৰই সেই ফুলপাহ ছিঙি আনিবলৈ হাত মেলিয়েই দেখিলে, এজনী জুই-ৰঙচুৱা ৰঙৰ গাভৰুৱে এক'কাল পানীত বহি গৈ চকু পানী টুকি আছে; চকুপানীৰ প্ৰতিটো টোপাল পানীত পৰাৰ লগে লগে একোপাহ সোণৰ পদুম ফুল হৈ ওপঙি উঠিছে। ইন্দ্ৰই সেই ৰূপহী গাভৰুগৰাকীক সুধিলে, তেওঁ কিয় কান্দি আছে। গাভৰুগৰাকীয়ে উত্তৰ দিলে, "মোৰ পিচে পিচে আহক। কাৰণটো তেতিয়া নিজেই বুজি পাব।" তেওঁৰ লগত অলপ দূৰ গৈয়েই ইন্দ্ৰই দেখা পালে, সমুখত হিমালয় পাহাৰৰ চূড়া। তাতে বাঘছাল এখনত বহি এহাল ডেকা-গাভৰুৱে একমনে পাশা খেলি আছে। দেৱৰাজ ইন্দ্ৰক ওচৰতে থিয় হৈ থকাহি দেখিও তেওঁলোকে কেৰেপকে নকৰিলে। ইন্দ্ৰই তেতিয়া অলপ খং কৰিয়েই ক'লে, "শুনা, ময়েই এই বিশ্বখনৰ ঈশ্বৰ। এই বিশ্বখন মোৰেই আঙুলি-সংকেতত চলে।" ইন্দ্ৰৰ মুখৰ কথাষাৰ শুনি ডেকাজনে মূৰ তুলি চালে আৰু হাঁহি এটা মাৰি দিলে। লগে লগে ইন্দ্ৰ শিল এটাৰ দৰে থৰ হৈ পৰিল।

অলপ পাচতে খেলা সাং কৰি উঠি সেই ডেকাজনে লগৰ গাভৰু-গৰাকীক ক'লে, "সেই গণ্ডপীটোক মোৰ ওচৰলৈ লৈ আনাচোন। চাওঁচোন, তাৰ ঈশ্বৰ বোলাব খোজা অহংকাৰটো।" কিন্তু, আচৰিত কথা! গাভৰুগৰাকীয়ে গা'ত হাতে দিয়াৰ লগে লগে ইন্দ্ৰ মাটিত লুটি খাই পৰিল। তেতিয়া সেই ডেকাগৰাকীয়ে ক'লে, "ইন্দ্ৰ, তুমি চাগৈ অত্তপৰে চিনি পাইছা—মই মহাদেৱ। মিছাতে কিতাহি মৰা কথাবোৰ য'তে-ত'তে কৈ নফুৰিবা। বাৰু, এতিয়া তুমি সৌ পৰ্বতটো আঁতৰাই ভিতৰৰ গুহাটোত এবাৰ ভুমুকি এটা মাৰি আহাগৈ। তোমাৰ গা'ত বল আছে, পৰ্বতটো অনায়াসে আঁতৰাব পাৰিবা।" মহাদেৱৰ আদেশ মানি ইন্দ্ৰ গুহাটোৰ ভিতৰত সোমালগৈ। তেওঁৰ চকুত পৰিল, ঠিক তেওঁৰে নিচিনা চাৰিজন পুৰুষ তাত আগৰে পৰা সোমাই আছে। মহাদেৱে ক'লে, "এওঁলোকো তোমাৰে লেখীয়া আগৰ পুৰুষৰ ইন্দ্ৰ আছিল। তোমাৰে লেখীয়াকৈ দম্ভ দেখুৱাওঁতেই এই দশা হ'লহি।

এতিয়া তুমিও তেওঁলোকৰ লগতে থাকা। পাচত তোমালোক আটাইকেয়োজন মানুহ হৈ উপজিবা আৰু বহুত শত্ৰু বিনাশ কৰি উঠি ইন্দ্ৰলোকলৈ উভতি আহিবা।" নতুন ইন্দ্ৰজন ভয়তে কঁপিবলৈ লাগিল।

পূৰ্বৰ ইন্দ্ৰ চাৰিজনে মহাদেৱক জনালে, "আমাক তেনেহ'লে ধৰ্ম, বায়ু আৰু অশ্বিনী কুমাৰ দুজনৰ পুত্ৰ হৈ কোনোবা নাৰীৰ সন্তানৰূপে উপজিবলৈ দিব লাগে।" নতুন ইন্দ্ৰজনে প্ৰাৰ্থনা কৰিলে, "মোক তেনেহ'লে মোৰ পৰাই সৃষ্টি হোৱা এজন ইন্দ্ৰৰ পুত্ৰ হৈ একেদৰে কোনোবা নাৰীৰ সন্তানৰূপে উপজিবলৈ দিব।" মহাদেৱে আটাইকেয়োজন ইন্দ্ৰৰ প্ৰাৰ্থনা শুনি সন্মতি জনালে। লগতে ক'লে, "সৌ চকুপানী টুকি থকা গাভৰুগৰাকীয়েও মানুহৰ জনম ল'বগৈ। তেওঁ লক্ষ্মী। তেওঁৱেই তোমালোক আটাইকেয়োজনৰে ভাৰ্যা হ'বগৈ।" ইফালে ঠিক সেই সময়তে নাৰায়ণে তেওঁৰ নিজৰ মূৰত হাত ফুৰাই উঠি দুডাল চুলি এনেয়ে উঘালি আনিছিল। তাৰে এডাল ক'লা, আনডাল বগা। সেই চুলি দুগছিও দেৱকী আৰু ৰোহিণীৰ গৰ্ভত বাহ ল'লেহি। সময়ত মানুহৰ ৰূপ লৈ বগা আৰু পকা চুলিগছিৰ পৰাই বলৰাম উপজিল। সেইদৰে ক'লা আৰু কেঁচা চুলিগছিৰ পৰাই কৃষ্ণ উপজিল। নাৰায়ণৰ চুলিৰ পৰা ওপজা কাৰণেই দুয়োৰো উমৈহতীয়া নাম কেশৱ।

ব্যাসদেৱে গোটেইখিনি কথাৰ মোৰ্থনি মাৰি ক'লে, "সেই পাঁচজন ইন্দ্ৰই পঞ্চ-পাণ্ডৱ হৈ উপজিছে আৰু চকু-লো'ৰ টোপালেৰে সোণৰ পদুম কৰুল সৰুওৱা গাভৰুবেশী লক্ষ্মীয়েই আপোনাৰ কন্যা দ্ৰৌপদী; তেওঁ মহাদেৱৰ ওচৰত উপযুক্ত পতি লাভৰ বাবে পাঁচবাৰ বৰ বিচাৰিছিল। সেইবাবে মহাদেৱে তেওঁক পঞ্চ পতিৰ ভাৰ্যা হ'বলৈ বৰ দিছিল। এতিয়া মই আপোনাক দিব্যদৃষ্টি দান কৰিছোঁ, আপুনি নিজৰ চকুৰে চাই লওক —পঞ্চ-পাণ্ডৱ কোন, দ্ৰৌপদীয়েই বা কোন।" দিব্যদৃষ্টি লাভ কৰি ৰজা দ্ৰুপদে প্ৰত্যেকৰে পূৰ্বমূৰ্তি হেঁপাহ পলুৱাই চালে। আনন্দ আৰু বিস্ময়ত অভিভূত হৈ তেওঁ ব্ৰহ্মৰ্ষি ব্যাসদেৱৰ চৰণত দীঘল দি পৰিল। ব্যাসদেৱে তেতিয়া ক'লে, "মহাৰাজ, মানুহে এইবোৰ কথাৰ ভু নেপায়। এই আটাইবোৰ দেৱ-দেৱীৰ মনুষ্যৰূপ। মানুহৰ সমাজত বিবোৰ কথা

অচল, সেইবোৰ এওঁলোকৰ ক্ষেত্ৰত সচল। মহাদেৱৰ বৰ অথলে নেযায় ; দ্ৰৌপদী পঞ্চ-পাণ্ডৱৰ পত্নী হোৱাটো অনিবাৰ্য।"

তাৰ পাচত, বিয়াৰ প্ৰস্তুতি চলিল। ৰজা দ্ৰুপদে উলহমালহকৈ প্ৰত্যেকদিনেই একোজন পাণ্ডৱৰ লগত দ্ৰৌপদীৰ বিবাহ দিলে। এইদৰে ধৌম্যৰ পৌৰোহিত্যত পাঁচজন পাণ্ডৱ আৰু দ্ৰৌপদীৰ বিবাহ সুন্দৰকৈ সম্পন্ন হ'ল। এইদৰে জ্যেষ্ঠ যুধিষ্ঠিৰ দ্ৰৌপদীৰ একাধাৰে গিৰিহঁত আৰু ৰবজনা হ'ল, কনিষ্ঠ সহদেৱ একাধাৰে গিৰিহঁত আৰু দেৱৰ হ'ল, মাজৰ তিনিজন ককায়েক-ভায়েক একে আঁজলিতে গিৰিহঁত, ৰবজনা আৰু দেৱৰ হৈ পৰিল। প্ৰত্যেকবাৰ আনজন ভায়েকৰ লগত বিয়া হোৱাৰ আগতে দ্ৰৌপদীয়ে ব্ৰহ্মৰ্ষি ব্যাসৰ আগত আঠু লৈছিলহি ; আৰু ব্যাসদেৱে তেওঁক এটা আচহুৱা ধৰণৰ আশীৰ্বাদ দিছিল, "তুমি যেন আকৌ কুমাৰী হৈ পৰা !"

## ॥ হস্তিনাপুৰত প্ৰতিক্ৰিয়া ॥

কথাষাৰ লাহে লাহে ৰজনজনা হৈ পৰিল। সকলোৱে গম পালে, জতুগৃহত পঞ্চ-পাণ্ডৱৰ কোনো মৰা নাই, তেওঁলোকে দ্ৰৌপদীক লাভ কৰিছে, দুৰ্যোধন আৰু ভায়েকহঁতৰ লাজ-থ'বলৈ ঠাই নাইকিয়া হৈছে। এদিন বিদুৰে ছেগ চাই কথাষাৰ ধৃতৰাষ্ট্ৰৰ আগত উলিয়ালে, "মহাৰাজ, কুৰুবংশৰ জীৱনত ভাগ্যৰবিয়ে আকৌ হাঁহিবলৈ লৈছেহি। দ্ৰৌপদীক লাভ কৰা কম আনন্দৰ কথা নহয় !" ধৃতৰাষ্ট্ৰই ভাবি ল'লে, দুৰ্যোধনেই দ্ৰৌপদীক জয় কৰি আনিছে। গতিকে, বিদুৰৰ কথাত সঁহাৰি জনাই ক'লে, "এৰা, বৰ সৌভাগ্যৰ কথা ! দ্ৰৌপদীৰ কাৰণে ভাল অলংকাৰ-পাতি কিছুমান গঢ়াব লাগিছিল। দুৰ্যোধনক ক'বা, সেইবোৰ পিন্ধাই মেলি দ্ৰৌপদীক মোৰ ওচৰলৈ আনিব।" বিদুৰে ৰং চাই উঠি উৰহী গছৰ ওম দিলে। বোলে, গোটেইবোৰ ৰজা-ৰাজকোঁৱৰৰ কোনেও ধনুৰ গুণ টানিবই নোৱাৰিলে। ধৃতৰাষ্ট্ৰই তেতিয়া কপট আনন্দ দেখুৱাই ক'লে, "কথা একেটাই। যুধিষ্ঠিৰহঁত জিলে পাণ্ডুৰ ল'ৰা, সেইদৰে

মোৰো ল'ৰা। ময়ো সিহঁতক সমানে মৰম কৰোঁ। সিহঁত যে সুখে-সন্তোষে জীয়াই আছে, নামজলা ঘৰৰ মিতিৰ হ'বগে পাৰিছে, মোৰো সেয়ে সন্তোষ। নথৈ সন্তোষ পাইছোঁ, বিদুৰ।" বিদুৰে হাঁহি এটা মাৰি ক'লে, "মহাৰাজ, আপোনাৰ এই বুদ্ধি চিৰকলীয়া হওক।"

বিদুৰ গ'লগৈ। তাৰ পাচতে দুৰ্যোধন আৰু কৰ্ণই ধৃতৰাষ্ট্ৰক মনৰ কথা উবুৰিয়াই ক'লে, "আমি কিন্তু দিন বেয়াকৈ অহা যেনহে পাইছোঁ। আপুনি আমাৰ শত্ৰুপক্ষৰ উন্নতিকেই কুৰু বংশৰ উন্নতি বুলি ভাবিছে। কিন্তু, এতিয়া আমি পাণ্ডৱৰ উন্নতি চাই হাত সাৰটি বহি থাকিলে, আমাৰ ভৱিষ্যত অন্ধকাৰ। গতিকে, অলপ চিন্তা কৰাৰ সময় আহি পৰিছে।"

ধৃতৰাষ্ট্ৰই তেতিয়া উত্তৰ দিলে, "ময়ো সেইদৰেই ভাবিছোঁ। কিন্তু, টেটকুটীয়া বিদুৰক মই পেটৰ কথাযাৰ কোৱা নাই। তোমালোকেনো ভাবি-গুণি কি পাইছা, কোৱাচোন।"

দুৰ্যোধনে তেতিয়াহে স্বস্তিৰ নিশাহ পেলালে আৰু ক'লে, "পোনতে আমি চতুৰ আৰু বিশ্বাসী ব্ৰাহ্মণৰ হতুৱাই সিহঁতৰ মাজত খৰিয়াল লগাই দিয়াব লাগিব। তাৰ পাচত, দ্ৰুপদ ৰজাক ধন-সোণৰ ভাৰ-ভেটি দি সিহঁতক ভেওঁৰ ৰাজ্যৰ পৰা খেদি পঠোৱাৰ বাবে উচটনি দিব লাগিব। দ্ৰৌপদীৰ কেইবাটাও পৈয়েক। গতিকে, সিজনীকো আন দুটামান ডেকা-ল'ৰা গোটাই দি সিহঁতৰ সংসাৰত জুই দিবলৈ সহজ হৈ আছে। আৰু, ভীমক যেনে তেনে হত্যা কৰাব লাগিব। সি মৰিলেই সিহঁতৰ আধাখিনি বল টুটিব।"

কৰ্ণই মাত লগালে, "উঁহো, সেইবোৰ পানীৰ লাড়ু সাজি লাভ নাই। আগতেই একো কৰিব নোৱাৰিলা, বিফল হ'লা। এতিয়া সিহঁতৰ বল-বিক্ৰমো বাঢ়িল, আছেও বিদেশত আৰু মিতিৰ-কুটুমো যথেষ্ট হ'ল। টুটকীয়া কথাৰেও কাম নিসিজে। পাঁচজনকৈ স্বামী থকা দ্ৰৌপদীৰো লটিঘটি ঘটোৱা অসম্ভৱ। দ্ৰুপদ ৰজাকো ভাৰ-ভেটি দি জোঁৱায়েকহঁতৰ লগত মনোমালিন্যৰ সৃষ্টি কৰিব নোৱাৰা। দ্ৰুপদ ৰজাৰ ধন-সোণৰো নাটনি পৰা নাই। গতিকে, বাস্তৱ উপায়ৰ কথা চিন্তা

কৰা। মোৰ মত হ'ল—দ্ৰুপদ ৰজা এতিয়াও দুৰ্বল হৈয়েই আছে; পাণ্ডৱবিলাকেও এতিয়ালৈকে সৈন্য-সামন্ত গোটাই বৰ বেচি শক্তি সংগ্ৰহ কৰিব পৰা নাই। গতিকে, কৃষ্ণই তেওঁৰ যাদৱ বাহিনী লৈ সিহঁতক সহায় কৰিবলৈ নৌ-পাওঁতেই আমি পাঞ্চাল ৰাজ্য আক্ৰমণ কৰিবগৈ লাগে। দ্ৰুপদ ৰজাক যুদ্ধত হৰুৱাই পাণ্ডৱবিলাকক ইয়ালৈ লৈ অহাটোহে কথা।"

ধৃতৰাষ্ট্ৰই তেতিয়া ক'লে, "কৰ্ণ, তোমাৰ কথাবোৰ মোৰ মনঃপূত হৈছে। তুমি সঁচাসঁচিকৈয়ে বীৰৰ লেখীয়া কথা কৈছা। এনেবোৰ কথা তোমাৰ মুখতহে শুৱায়। যি কি নহওক, এই বিষয়ে ভীষ্ম, দ্ৰোণ আৰু বিদুৰৰ লগতো আলোচনা কৰি লোৱা উচিত হ'ব।" এই বুলি কৈয়েই তেওঁ তিনিওজনকে মাতি পঠিয়ালে।

সকলো কথা শুনাৰ পাচত ভীষ্মই ক'লে, "মহাৰাজ, পাণ্ডুৰ পুত্ৰবিলাকৰ লগত যুদ্ধ কৰাৰ কথা মোৰ বাবে মুঠেই মনঃপূত নহয়। মোৰ দৃষ্টিত ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু দুয়ো সমান। মই জানো—দুৰ্যোধনে যিদৰে এই ৰাজ্য নিজৰ বুলি ভাবে, যুধিষ্ঠিৰেও সেইদৰে এই ৰাজ্য নিজৰ বুলি ভাবে। গতিকে, মহাৰাজে যদি পাণ্ডৱসকলক বঞ্চনা কৰাৰ কথা চিন্তা কৰিছে, তেনেহ'লে অন্যায় কৰা হ'ব। আৰু দুৰ্যোধন, তোমাকো কওঁ শুনা। তুমি কুৰু বংশৰ কাৰণে উচিত ধৰ্ম পালন কৰা। আমাৰ সৌভাগ্য, কুন্তী আৰু পাণ্ডৱসকল এতিয়াও বাচি আছে। নহ'লে, মানুহৰ আগত মুখ দেখুওৱা টান হৈ আহিছিল। মানুহে জতুগৃহৰ ঘটনাটোৰ বাবে পুৰোচনক সিমান দোষী বুলি নেভাবে, যিমান দোষী বুলি ভাবে তোমাক। গতিকে মোৰ পৰামৰ্শ হ'ল, সময় থাকোঁতেই তোমালোকে আধা ৰাজ্য পাণ্ডৱসকলক দি বাকী আধা ৰাজ্য ভোগ কৰা।"

দ্ৰোণেও ক'লে, "মহাৰাজ, মোৰো সেইটোৱেই মত। আপুনি কিছু উপঢৌকনেৰে সৈতে ৰজা দ্ৰুপদৰ ওচৰলৈ মানুহ পঠাওক। তেওঁক এই বুলি ক'বলৈ দিব, দ্ৰুপদৰ লগত মিত্ৰিৰ-সম্বন্ধ ঘটাত আপুনি আৰু দুৰ্যোধনে নথৈ আনন্দ পাইছে। তাৰ পাচত পাণ্ডৱবিলাকক দেশলৈ

ঘূৰাই আনিবৰ কাৰণে দুঃশাসন আৰু দুৰ্জনমান ভায়েকক পাণ্চাল ৰাজ্যলৈ পঠিয়াই দিব। তেওঁলোক অহাৰ লগে লগে প্ৰজাৰ সম্মতি লৈ পাণ্ডৱক আধা ৰাজ্যৰ গৰাকী পাতি দিব। সেয়ে হ'লে, আপুনি বহুত কলংকৰ পৰা হাত সাৰিব পাৰিব।"

ভীষ্ম আৰু দ্ৰোণৰ কথাবোৰ কৰ্ণৰ কাণত তপত সীহৰ টোপাল হৈ পৰিছিল। কৰ্ণই উপলুঙা কৰি ক'লে, "পিতামহ ভীষ্ম আৰু আচাৰ্য দ্ৰোণেই যদি মহাৰাজক সৎ পৰামৰ্শ নিদিয়ে, তেনেহ'লে আৰু কোনে দিব! দুয়ো মহাৰাজৰ ওচৰত ধন-মানৰ ঋণী। সৎ পৰামৰ্শৰ যোগান ধৰি ঋণশোধ কৰাটো সাধু পুৰুষৰ লক্ষণেই। অৱশ্যে, আধা ৰাজ্য থাউকতে হেৰুৱাবলৈ দিয়া পৰামৰ্শ অতি সৎ পৰামৰ্শ। মহাৰাজে মাথোন এবাৰ কথা মনত ৰাখিলেই হ'ব, সাধু আৰু অসাধু মন্ত্ৰণাদাতা চিনি পোৱা বৰ টান।"

দ্ৰোণে তেতিয়া নকৈ নোৱাৰিলে, "শুনা কৰ্ণ, তুমি যে দুষ্ট বুদ্ধিৰ শিৰোমণি, সেয়া সকলোৱে জানে! সেইকাৰণেই, তুমি আমাৰ কথা ভুঁজুৱা বুলি কব পাৰিছা। আমি যি কৈছোঁ, সকলোৰে হিত চিন্তিয়েই কৈছোঁ। কোনোবাই নুশুনিলে নাই। কিন্তু, তাকে নুশুনি আন কিবা কৰিবলৈ গ'লে, কুৰু বংশ ধ্বংস হ'ব—এইষাৰ কথা শিলৰ ৰেখা।"

লগে লগে বিদুৰে ক'লে, "মহাৰাজ, আপোনাৰ শুভাকাংক্ষীসকলে আপোনাৰ হিত চিন্তিয়েই উপদেশ-পৰামৰ্শ দিছে। সেয়া পালন কৰা-নকৰা আপোনাৰ নিজৰ কথা। কিন্তু জানি ৰাখক, মহামতি ভীষ্ম আৰু আচাৰ্য দ্ৰোণতকৈ অধিক বিজ্ঞ আৰু আপোনাৰ শুভাকাংক্ষী আন কোনো নাই। দুয়ো পৰম ধাৰ্মিক আৰু চূড়ান্ত অপক্ষপাতী। আৰু জানি ৰাখক, পাণ্ডৱক পৰাভূত কৰাৰ কল্পনা নিষ্ফল। বলৰাম আৰু সাত্যকি যাৰ বাহুবল, কৃষ্ণ যাৰ মন্ত্ৰণাদাতা, দ্ৰুপদ আৰু ধৃষ্টদ্যুম্ন যাৰ পৰম আত্মীয়, সেই পাণ্ডৱক কোনে জয় কৰে? আপুনি দুৰ্যোধন, কৰ্ণ আৰু শকুনিৰ পৰামৰ্শ গ্ৰহণ কৰি নিজৰ সৰ্বনাশ নিজে মাতি আনিবলৈ নেযাব। সিহঁত আটাইকেয়োটা অধৰমী, কুটবুদ্ধি আৰু কাণ্ডজ্ঞানহীন।"

বিদুৰৰ ভৎসনা শুনি ধৃতৰাষ্ট্ৰই অৱশেষত ক'লে, "আপোনালোক সকলোৱেই মোৰ কল্যাণ চিন্তা কৰিয়েই পৰামৰ্শবোৰ দিছে, সন্দেহ নাই। যুধিষ্ঠিৰহঁত যিদৰে পাণ্ডুৰ পুত্ৰ, সেইদৰে মোৰো পুত্ৰ। গতিকে, হেৰা বিদুৰ, তুমি সোনকালেই পাঞ্চাল ৰাজ্যলৈ যোৱাঁ। পঞ্চ-পাণ্ডৱ আৰু কুন্তীক আৰু দ্ৰৌপদীক আদৰ-অভ্যৰ্থনা কৰি হস্তিনাপুৰলৈ লৈ আহাঁগৈ।"

ধৃতৰাষ্ট্ৰৰ আদেশ অনুযায়ী বিদুৰেও বহুতো মূল্যবান উপঢৌকন লৈ দ্ৰুপদৰ ৰাজ্যলৈ যাত্ৰা কৰিলে।

## ॥ খাণ্ডৱপ্ৰস্থত পাণ্ডৱৰাজ্য ॥

বিদুৰে পাঞ্চাল ৰাজ্য পায়েই ৰজা দ্ৰুপদক দেখা কৰিলেগৈ। কুৰুপতি ধৃতৰাষ্ট্ৰৰ হৈ তেওঁ দ্ৰুপদক অভিনন্দন জনালে। লগতে ক'লে, "মহামতি ভীষ্ময়ো আপোনাক সম্ভাষণ জনাইছে। তদুপৰি, আপোনাৰ সখী দ্ৰোণাচাৰ্যয়ো হিয়াভৰা প্ৰীতিৰ অঞ্জলি যাচিছে। তেখেতসকলৰ অনুৰোধ, পাণ্ডৱসকল নিজৰ দেশলৈ উভতি যাব লাগে। কুৰু বংশৰ সকলো নাৰী আৰু ৰাজ্যৰ সকলো প্ৰজাই আপোনাৰ কন্যা পাঞ্চালীৰ দৰ্শন পাবৰ কাৰণে ব্যাকুল হৈ উঠিছে।"

বিদুৰৰ কথা শুনি ৰজা দ্ৰুপদে ক'লে, "আপুনি অতি উত্তম প্ৰস্তাৱ দিছে, সন্দেহ নাই। কিন্তু, সিদ্ধান্ত কৰাৰ ভাৰ মোৰ নহয়—পাণ্ডৱসকলৰহে। গতিকে, তেওঁলোককে সোধপোছ কৰক। তদুপৰি, পাণ্ডৱসকলৰ পৰম বন্ধু বলৰাম আৰু কৃষ্ণও ইয়াতে আছেহি। তেওঁলোকৰো পৰামৰ্শ গ্ৰহণ কৰা অৱশ্যে বাঞ্ছনীয়।"

বিদুৰে তেতিয়া পাণ্ডৱসখা কৃষ্ণকো কথাষাৰ সুধিলে। কৃষ্ণই ক'লে, "মোৰ বিবেচনাত পাণ্ডৱসকলে ৰজা ধৃতৰাষ্ট্ৰৰ নিমন্ত্ৰণ ৰক্ষা কৰা উচিত। মহাৰাজ দ্ৰুপদ ধৰ্মজ্ঞ। তেখেতেই শেষ সিদ্ধান্তটো দিয়ক।"

ৰজা দ্ৰুপদে তেতিয়া হৃদয়ৰ দি ক'লে, "পুৰুষোত্তম কৃষ্ণই যি কথা কালোচিত বুলি ভাবিছে, তাৰ ওপৰত কোনে কি ক'ব পাৰে! ময়ো পাণ্ডৱসকলে নিমন্ত্ৰণ ৰক্ষা কৰাটোৱেই উচিত বিবেচনা কৰিছোঁ।"

সেইমতে শুভদিন চাই পাণ্ডৱসকল হস্তিনাপুৰলৈ উভতিল। হস্তিনাপুৰ পোৱাৰ লগে লগে দুৰ্যোধনৰ মহিষী আৰু কুৰু বংশৰ সকলো নাৰীয়ে দ্ৰৌপদীক শুৱাগুৰি তুলি অন্তঃপুৰলৈ লৈ গ'ল। গান্ধাৰীয়ে তেওঁক কপালত চুমা খাই সাৱটি ধৰিলে। সেই মুহূৰ্ত্তে গান্ধাৰীৰ মনত ছঁয়াময়াকৈ এষাৰ ব্যাখ্যাহীন কথা খেলাই গৈছিলহি, 'এই পাঞ্চালীৰ অভিশাপতেই মোৰ পুত্ৰবোৰৰ মৰণ ঘটিব।'

কেইদিনমান যোৱাৰ পাচতে ভীষ্মৰ সমুখতে ধৃতৰাষ্ট্ৰই যুধিষ্ঠিৰক কথাষাৰ ক'লে, "মই ভাবিছোঁ, মোৰ জীৱনকালতে তোমালোকৰ মাজত ভৱিষ্যত বিৰোধৰ সকলো সম্ভাৱনা নোহোৱা কৰি থৈ যাওঁ। ৰাজ্যৰ আধা ভাগ তোমালোকে লোৱাঁ আৰু বাকী আধা ভাগ সম্প্ৰতি মোৰ হাততেই থাওক। তোমালোকে কি বোলা ?"

ধৃতৰাষ্ট্ৰৰ প্ৰস্তাৱত পাণ্ডৱসকল মান্তি হ'ল। তেওঁলোকে অন্য কোনো প্ৰশ্ন নুতুলিলে।

ধৃতৰাষ্ট্ৰৰ নিৰ্বন্ধ অনুসৰি খাণ্ডৱপ্ৰস্থ নামৰ দুৰ্ঘোৰ বনাঞ্চল পাণ্ডৱ-সকলৰ ভাগত পৰিল। সময়ত কৃষ্ণক বাটকটীয়া হিচাপে লৈ হাবিতলীয়া বাটেৰে তেওঁলোকে তালৈ যাত্ৰা কৰিলে। তাতে তেওঁলোকে এখন নতুন ৰাজ্যৰ ৰাজধানী পাতিলে। লাহে লাহে তাৰ চাৰিওকাষে গড় মৰাই, দেৱাল গঢ়াই, নলা-খাৱৈ কটাই, পুখুৰী-সৰোবৰ খন্দাই আৰু ফুলনি-বননি সজাই সেই নতুন নগৰখন আটকধুনীয়া কৰি তুলিলে। নতুন নগৰৰ নামটোও নতুনকৈ থ'লে—ইন্দ্ৰপ্ৰস্থ !

তাতে পাণ্ডৱসকলক থাপি-থুপি থৈ বলৰাম আৰু কৃষ্ণ দ্বাৰকালৈ উভতি গ'ল। পাণ্ডৱসকলেও মহাসুখেৰে দিন কটাবলৈ ধৰিলে।

তাৰ ভিতৰতে এদিন দেৱৰ্ষি নাৰদে ইন্দ্ৰপ্ৰস্থত ভুমুকিয়াই গ'লহি। পাণ্ডৱসকলৰ আদৰ-অভ্যৰ্থনাত তেওঁ অতি সন্তুষ্ট হ'ল। দ্ৰৌপদীয়েও মূৰত ওৰণি লৈ গোটেই মুখখন ঢাকি দেৱৰ্ষিৰ আগত আঠু ল'লেহি। নাৰদে দ্ৰৌপদীক এজোলোকা আশীৰ্বাদ দি উঠি ক'লে, "আইটি, তুমি এতিয়া ভিতৰলৈ যোৱাঁ। মই এওঁলোকক দুষাৰমান দৰকাৰী কথা ক'ব খুজিছোঁ।"

দ্ৰৌপদী ভিতৰলৈ সোমালত নাৰদে পাণ্ডৱসকলক অকলশৰীয়াকৈ ক'লে, "এটা কথা কওঁ শুনা। দ্ৰৌপদী তোমালোক আটাইকেয়োজনৰে ধৰ্মপত্নী। গতিকে, তোমালোকে এটা নিয়ম বান্ধি লোৱা উচিত, যাতে তোমালোকৰ মাজত কোনো মনোমালিন্যৰ কাৰণ ঘটিবলৈ নেপায়। কোনেও ক'ব নোৱাৰে, কেতিয়াবা তেনেকুৱা নঘটিবলগীয়া ঘটনা হঠাতে সঘটে বুলি। ৰ'বা, তোমালোকক সুন্দ-উপসুন্দৰ কাহিনীটো কৈ লওঁ।"

তাৰ পাচত নাৰদে কাহিনীটো চমুকৈ এইদৰে ক'লে, "ভাহানিখন হিৰণ্যকশিপুৰ বংশত দৈত্যৰাজ নিকুম্ভৰ দুজন পুত্ৰ আছিল। নাম দুটা আছিল, সুন্দ আৰু উপসুন্দ। দুয়োজনৰ মাজত বৰ মিল আছিল আৰু যিহকে কৰিছিল, তাকে সদায় একে লগীয়ে পানী খোৱাকৈ কৰিছিল। এবাৰ তেওঁলোকে বিন্ধ্য পৰ্বতলৈ গৈ কঠোৰ তপস্যা আৰম্ভ কৰিছিল। দেৱতাসকলে অনেক চেষ্টা কৰিও তেওঁলোকৰ তপস্যা ভংগ কৰিব নোৱাৰিলত ব্ৰহ্মাই তেওঁলোকৰ সমুখত দেখা দিলেহি। ব্ৰহ্মাই সুধিলে, তেওঁলোকক কি বৰ লাগে! তেওঁলোকে অমৰ হোৱাৰ বৰ বিচাৰিলে। ব্ৰহ্মাই তেতিয়া উত্তৰ দিলে, যিহেতু তেওঁলোকে স্বৰ্গ-মৰ্ত্ত্য-পাতাল তিনিও লোক জয় কৰিবৰ বাসনাৰে তপস্যা কৰিছে, গতিকে তেওঁলোকক অমৰ হোৱাৰ বৰ দিব নোৱাৰে। সুন্দ আৰু উপসুন্দই তেতিয়া ক'লে, যদি অমৰত্বৰ বৰ দিয়াটো সম্ভৱ নহয়, তেনেহ'লে তেওঁলোকৰ মৰণ পৰস্পৰৰ হাতত হোৱাৰ বৰ দিলেও হ'ব। তেওঁলোকৰ বিশ্বাস আছিল, দুয়োৰো ইজন-সিজনৰ মাজত কোনোকালেই কোনো বিৰোধ ঘটিব নোৱাৰে। ব্ৰহ্মাই তেওঁলোকে বিচৰা বৰটোকেই দিলে।

"সময়ত তেওঁলোকে সঁচাসঁচিকৈয়ে স্বৰ্গলোক, মৰ্ত্ত্যলোক আৰু নাগলোক এই তিনিও লোক জয় কৰি মনৰ বাঞ্ছা পূৰণ কৰিলে। দেৱতাসকলে যেতিয়া দেখিলে দুখৰ নিশা পুৱাবৰ কোনো আশা নাই, তেতিয়া তেওঁলোক ব্ৰহ্মাৰ ওচৰ চাপিল। ব্ৰহ্মাই লগে লগে বিশ্বকৰ্মাক আদেশ দিলে, এনে এগৰাকী-নাৰীমূৰ্ত্তি গঢ়ি তুলিব লাগে, যি নাৰী জগতৰ ভিতৰতেই অতুলনীয়া। বিশ্বকৰ্মাই তিনিও জগতৰ প্ৰতিটো ধুনীয়া বস্তুৰ পৰা কণ কণকৈ গোটাই আনি ধুপ ধুৱাই এক নাৰীমূৰ্ত্তি

গঢ়ি তুলিলে। ব্ৰহ্মাই সেই নাৰীমূৰ্তিত জীৱনৰ এমুঠি উশাহৰ বা' দি নাম থ'লে—তিলোত্তমা। তাৰ পাচত, তেওঁ তিলোত্তমাক আদেশ দিলে, সুন্দ-উপসুন্দৰ মন হৰিবগৈ লাগে।

"তিলোত্তমাই সুন্দ-উপসুন্দৰ ওচৰলৈ যোৱাৰ আগতে দেৱতাসকলক প্ৰদক্ষিণ কৰি ল'বলৈ ধৰিলে। তিলোত্তমাৰ ৰূপ দেখি স্বয়ং ব্ৰহ্মাও ভোল গ'ল। তিলোত্তমাই যেনিয়ে খোজ দিয়ে, সেইপিনেই ব্ৰহ্মাৰ একোখনকৈ মুখৰ আবিৰ্ভাৱ হয়। এইদৰে সোঁৱে-বাওঁৱে আৰু আগে-পিচে ব্ৰহ্মাৰ চাৰিখন মুখ হৈ পৰিল। ইন্দ্ৰৰ অৱস্থাও একে হ'ল; তেওঁৰ মুখত এহেজাৰটা চকু গজিল। সেইকাৰণেই, ব্ৰহ্মাৰ আন এটা নাম চতুৰানন—মানে চাৰিমুখীয়া! আৰু ইন্দ্ৰৰো আনটো নাম সহস্ৰলোচন —মানে হেজাৰচকুৱা! দেৱতাসকলৰ মাজত মাথোন শিৱহে থিৰেৰে ৰ'ল। সেইকাৰণেই, তেওঁ স্থাণু নামেৰেও পৰিচিত। যাবৰ, সেইবোৰ কথা থাওক। ঘাই কথাখাৰ কওঁ।"

"সুন্দ আৰু উপসুন্দ দুয়োভয়া বিন্ধ্য পৰ্বতৰ ওচৰৰ এখন পাতলীয়া হাবিত সুৰাপান কৰি মতলীয়া হৈ ফুৰি আছিল। তিলোত্তমা তাতে ওলালগৈ। তেওঁক দেখা পায়েই ককায়েক-ভায়েক হালেই ঢপলিয়াই আহি তেওঁৰ ওচৰ পালেহি। সুন্দই তেওঁৰ সোঁ হাতখন খামোচ মাৰি ধৰিলেহি। উপসুন্দয়ো একেদৰে খামুচি ধৰিলেহি তিলোত্তমাৰ বাওঁ হাতখন। সুন্দই ভমুৱাকৈ ক'লে, এওঁ মোৰ পৰিবাৰ—তোমাৰ বৌৱেৰা নহয় জানো! উপসুন্দই ভেকাহি মাৰি ক'লে, "এওঁ মোৰ পৰিবাৰ—তোমাৰ দেখোন ভাই-বোৱাৰী! পোনতে মুখ-চুপতি; অলপ পাচত তৰ্থিয়াতৰ্থি; তাৰ পাচত গদা-যুদ্ধ; শেষত দুয়ো যমৰ ঘৰৰ আলহী হ'লগৈ। দেৱতাসকলে জাকে জাকে নামি আহি তিলোত্তমাৰ অশেষ প্ৰশংসা কৰিলে আৰু নথৈ শলাগ ল'লে। অৱশেষত, ব্ৰহ্মাৰ আদেশত তেওঁ আদিত্যলোক পালেগৈ। সেয়ে নোহোৱা হ'লে, তেওঁক লৈ দেৱতাসকলৰ মাজতো নিতৌ একোখনকৈ যুদ্ধ লাগিলহেঁতেন।"

এই ইংগিতময় কাহিনীটো কৈ উঠি নাৰদে মাথোন এষাৰ কথা

খোৱাতে ক'লে, "সুখে-সন্তোষে থাকিবলৈ হ'লে নিয়মৰ মেৰ এটা মানি চলিব লাগে।" তাৰ পাচত, নাৰদে সকলোৰে ওচৰত বিদায় ল'লে।

পাণ্ডৱসকলে লগে লগে এটা নিয়ম বান্ধি ল'লে, দ্ৰৌপদীয়ে প্ৰতি বছৰতে তেওঁলোকৰ মাজত একাদিক্ৰমে মাথোন এজনৰ লগতহে বছৰটোলৈ সংসাৰ কৰিব। সেই সময়ছোৱাত আন চাৰিজনৰ কোনেও সিজনৰ আৰু দ্ৰৌপদীৰ ঘৰুৱা জীৱন কটোৱা কোঠালিত সোমাবগৈ নোৱাৰিব। যিজনেই এই নিয়ম লংঘন কৰিব, সিজনেই ব্ৰহ্মচাৰী হৈ বাৰ বছৰকাল বনবাস খাটিব লাগিব।

## ॥ অৰ্জুনৰ বনবাস ॥

পোনতে অৰ্জুনেই বনবাস খাটিবলগীয়া হ'ল। এদিন কেইজনমান ব্ৰাহ্মণ খঙত টিঙিৰি-তুলা হৈ ইন্দ্ৰপ্ৰস্থ পাইছিলহি। মুখামুখিকৈ অৰ্জুনক লগ পাই, তেওঁৰ আগতে খং গোটেইখিনি উজাৰি দিলে। বোলে, ৰজাই কৰ ল'বহে জানে; প্ৰজাৰ সুখ-শান্তি, ৰক্ষা কৰিব নেজানে! এনেকুৱা ৰজাকে অধৰমী বুলি কয়! ইফালে কৰৰ হেঁচাটোও এলাপেচা বিধৰ নহয়; শইচ যিমানখিনি পায়, তাৰ ছ'ভাগৰ এভাগ কৰ বুলি ৰজাৰ ভঁৰালত দিব লাগে। অৰ্জুনে সুধিলে, কি কথাত নো ব্ৰাহ্মণসকল সেইদৰে জ্বলি-পাকি উঠিছে! ব্ৰাহ্মণকেইজনে উত্তৰ দিলে, তেওঁলোকৰ সম্পত্তি বুলিবলৈ যিবা গৰু-গাই কেইটামান আছে, তাকো চোৰডকাইতে নি শেষ কৰিবলৈ ধৰিছে; উদ্ধাৰ কৰি দিওঁতা কোনো নাই। তেওঁলোকৰ কথা শুনি অৰ্জুনে তেওঁলোকক আশ্বাস দিলে, তেওঁ নিজেই সেইবোৰ উদ্ধাৰ কৰি দিবগৈ। এই বুলি কৈয়েই তেওঁ অস্ত্ৰশস্ত্ৰ আনিবলৈ কাষৰেঙৰ ভিতৰ সোমাল।

কিন্তু, ভিতৰলৈ সোমায়েই তেওঁ থমকি বৈ গ'ল। যিটো কোঠালিত অস্ত্ৰ-শস্ত্ৰবোৰ থৈছিল, সেইটো কোঠালি তেতিয়া যুধিষ্ঠিৰ আৰু দ্ৰৌপদীৰ ঘৰুৱা অধিকাৰত। তাৰ দুৱাৰদলি গচকি ভিতৰ সোমোৱা মানেই বান্ধি লোৱা নিয়ম ভংগ কৰা; আৰু নিয়ম ভংগ কৰা মানেই

বাৰ বছৰ বনবাস খাটিবলগীয়া হোৱা। আকৌ, ব্ৰাহ্মণসকলৰ গৰু-গাই উদ্ধাৰ কৰিবলৈ নোযোৱা মানে ৰজা যুধিষ্ঠিৰৰ নামত অধৰমীৰ অপযশ চপোৱা। অৰ্জুন চিন্তাত পৰিল, এতিয়া কি কৰা ভাল হ'ব! অৱশেষত সিদ্ধান্ত কৰিলে, যেনে তেনে ধৰ্ম ৰক্ষা কৰাই উচিত হ'ব। অৰ্জুন লৰালৰিকৈ কোঠালিটোৰ ভিতৰত সোমাল আৰু যুধিষ্ঠিৰৰ অনুমতি লৈ গোটাচেৰেক কাঁড় আৰু ধনু এখনেৰে সৈতে ওলাই আহিল। ওলায়েই ব্ৰাহ্মণ কেইজনক ক'লে, "ব'লক। সিহঁত চাগে বেচি দূৰ বাট যাব পৰা নাই!" এই বুলি কৈয়েই তেওঁ ৰথ এখনত উঠি গৰু চোৰবিলাকৰ সন্ধানত ওলাল।

অলপ পাচতে সিহঁতক যথাযোগ্য শাস্তি দি গৰুজাক উদ্ধাৰ কৰি লৈ অৰ্জুন উভতি আহিল। হেৰোৱা গৰু-গাইবোৰ পাই ব্ৰাহ্মণসকলৰ মুখত হাঁহি বিৰিঙি উঠিল। তেওঁলোক সকলোৱে ধৰ্মৰাজ যুধিষ্ঠিৰৰ নামত অনেক প্ৰশংসাবচন বুলিলে।

উভতি আহিয়েই অৰ্জুন যুধিষ্ঠিৰৰ ওচৰলৈ গ'ল। যুধিষ্ঠিৰক লগ পায়েই তেওঁ ক'লে, "মহাৰাজ, মই নিয়ম লংঘন কৰিলোঁ। গতিকে, মোক বনবাস খাটি প্ৰায়শ্চিত্ত কৰিবলৈ অনুমতি দিয়ক।" যুধিষ্ঠিৰে বাধা দি ক'লে, "তুমি মোৰ কোঠাত সোমোৱাৰ বাবে মই অকণো অসন্তুষ্ট হোৱা নাই। কনিষ্ঠজন জ্যেষ্ঠজনৰ কোঠালৈ সোমালে দোষে নোচোৱে —তাৰ ওলোটাটো হ'লেহে দোষ হয়। গতিকে, তোমাৰ প্ৰায়শ্চিত্ত কৰাৰ প্ৰশ্ন নুঠে।" অৰ্জুনে উত্তৰ দিলে, "মহাৰাজ, আপোনাৰ মুখতেই শুনিছোঁ—ধৰ্মৰ বাটত ছল-চাতুৰীৰ ঠাই নাই। মই অগ্নি স্পৰ্শ কৰি যি শপথ লৈছিলোঁ, তাৰ পৰা খহি পৰিবলৈ নক'ব। ধৰ্মৰাজ, মই কাকূতি কৰিছোঁ—মোক আপুনি ধৰ্ম পালন কৰিবলৈ অনুমতি দিয়ক।" অৱশেষত, যুধিষ্ঠিৰে খোকাথুকি মাতেৰে অৰ্জুনক বাৰ বছৰৰ বাবে বনলৈ যাবলৈ অনুমতি দিলে।

বহুদিন ধৰি অৰণ্যে-দৰণ্যে ঘূৰি ফুৰাৰ পাচত অৰ্জুন গংগাদ্বাৰ নামৰ ঠাইত উপস্থিত হ'লগৈ। এদিন গা ধুবলৈ বুলি গংগাৰ পানীত নামোতেই নাগৰাজৰ কন্যা উলুপীয়ে তেওঁক টানি লৈ গ'লহি। পানীৰ তলৰ

সুৰংগপথেদি টানি নি তেওঁক কোনোবাখিনি পোৱালেগৈ। বাটে বাটে নিজৰ পৰিচয় দি উলূপীয়ে তেওঁক ক'লে, "মই ঐৰাৱত বংশৰ কৌৰব্য নামৰ এগৰাকী নাগৰজাৰ কন্যা। মই আপোনাৰ প্ৰতি গভীৰ আসক্তি অনুভৱ কৰিছোঁ। আপুনি মোৰ অনুৰাগৰ সম্মান ৰক্ষা কৰক। সেইদৰে মোৰ প্ৰাণৰক্ষা কৰিলে আপোনাৰ ধৰ্ম নষ্ট নহয়। আপোনাৰ ব্ৰহ্মচৰ্য পালনৰ প্ৰতিজ্ঞা কেৱল দ্ৰৌপদীৰ সম্পৰ্কতেই প্ৰযোজ্য। মোৰ বা আন কোনো নাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।" উলূপীৰ কথাত অৰ্জুনৰ হৃদয় পমিল। অৰ্জুনে উলূপীৰ প্ৰাৰ্থনা পূৰণ কৰিলে। তাৰ পাচত উলূপীৰ পৰা বিদায় ল'বৰ পৰত উলূপীয়ে তেওঁক এই বুলি বৰ দিলে, "এতিয়াৰ পৰা আপুনি সাগৰ, নদী আৰু সৰোবৰ যিয়েই কি নহওক, সকলো ধৰণৰ পানীত অজেয় হৈ থাকিব, সকলো জলচৰ প্ৰাণীয়েই আপোনাৰ বশীভূত হৈ ৰ'ব।"

উলূপীৰ পৰা বিদায় লৈ অৰ্জুন মহেন্দ্ৰ পৰ্বত পালেগৈ। তাৰ পাচত আৰু বহুতো তীৰ্থ ভ্ৰমণ কৰি সাগৰৰ পাৰে পাৰে গৈ গৈ মণিপুৰ ৰাজ্যত উপস্থিত হ'ল। তাতে এদিন সেই দেশৰ ৰজা চিত্ৰবাহনৰ কন্যা চিত্ৰাংগদাক তেওঁ দেখা পালে। চিত্ৰাংগদাৰ অপূৰ্ব ৰূপে তেওঁক মুহূৰ্ততে মুগ্ধ কৰি পেলালে। তেওঁ যেতিয়া নিজৰ পৰিচয় দি চিত্ৰাংগদাৰ পাণিপ্ৰাৰ্থী হ'ল, তেতিয়া ৰজা চিত্ৰবাহনে ক'লে, "যদি তুমি প্ৰতিজ্ঞা কৰা, চিত্ৰাংগদা আৰু তোমাৰ দি সন্তান হ'ব, তেওঁ মণিপুৰতেই থাকিব, তেনেহ'লে তোমাৰ প্ৰাৰ্থনা পূৰণ কৰাত মোৰ আপত্তি নাই। কাৰণ, মোৰ কোনো পুত্ৰসন্তান নাই। চিত্ৰাংগদাই মোৰ পুত্ৰতুল্য। মোৰ পূৰ্বপুৰুষ প্ৰভঞ্জনক মহাদেৱে বৰ দিছিল, আমাৰ বংশত পুৰুষে পুৰুষে মাথোন এজনকৈহে সন্তান হ'ব। গতিকে, তুমি যদি চিত্ৰাংগদাৰ পুত্ৰক ইয়াৰ পৰা লৈ যোৱা, তেনেহ'লে আমাৰ ৰাজবংশৰ ধাৰা ছিগি পৰিব।" অৰ্জুনে সেইৰূপে অংগীকাৰ কৰিলত চিত্ৰাংগদাৰ লগত তেওঁৰ বিবাহ সম্পন্ন হোৱাত কোনো বাধা নেথাকিল।

মণিপুৰতে অৰ্জুন তিনি বছৰ থাকিল। তাৰ পাচত, তেওঁৰ এটি পুত্ৰসন্তান উপজিল। অৰ্জুনে তেওঁৰ নাম থ'লে, বভ্ৰুবাহন। বভ্ৰু-

বাহন জন্ম হোৱাৰ কিছুদিন পাচতে অৰ্জুন আকৌ তীৰ্থভ্ৰমণ কৰিবলৈ ওলাই পৰিল।

দুখনমান তীৰ্থ ভ্ৰমণ কৰিয়েই অৰ্জুনে গম পালে, তীৰ্থযাত্ৰীসকলে পাঁচখন তীৰ্থলৈ যোৱাৰ কথা নুলিয়ায়। আৰু গম পালে, সেই পাঁচখন তীৰ্থৰ প্ৰত্যেকখনতে একোটাকৈ ভয়ংকৰ ঘৰিয়াল আছে। মানুহ দেখিলেই ঘৰিয়ালে টানি লৈ যায়। গতিকে, সকলোৱে পঞ্চতীৰ্থৰ নাম শুনিলেই উচপ্ খাই উঠে। অৰ্জুনে থিৰাং কৰিলে, তেওঁ সেই তীৰ্থকেইখনতো স্নান কৰিবগৈ। পোনতে সৌভদ্ৰ তীৰ্থলৈ গ'ল। পানীত নমাৰ লগে লগে বিয়াগোম ঘৰিয়াল এটাই আহি অৰ্জুনৰ ভৰি এখন কামুৰি ধৰিলেহি। অৰ্জুনেও তাক থামোচ মাৰি দাঙি আনিলে; ভাবিলে, থেকেচা মাৰি থৈ দিব! পিচে, দাঙি অনাৰ লগে লগে ঘৰিয়ালটো এজনী ৰূপহী নাৰী হৈ পৰিল। ৰূপহীগৰাকীয়ে মাত লগালে, "মই এজনী অপেচৰী। মোৰ নাম বৰ্গা—কুবেৰৰ সংগিনী। মই আৰু মোৰ চাৰিজনী সখী ইন্দ্ৰলোকলৈ গৈ আছিলোঁ। বাটতে এজন পৰম ৰূপবান ব্ৰাহ্মণক এটুকুৰা নিৰ্জন ঠাইত বেদ পাঠ কৰি থকা দেখা পালোঁ। আমাৰ দুষ্ট বুদ্ধি খেলালে। ভাবিলোঁ, অলপ নাচ-গান দেখুৱাই তেওঁক আমনি কৰোঁ। আমনি পাই তেওঁ আমাক অভিশাপ দিলে, তহঁত এশ বছৰলৈ ঘৰিয়াল হৈ পানীত বাস কৰগৈ। আমাৰ কাকুতি-মিনতি শুনি ক'লে, কোনোবা মহাত্মাই যদি কেনেবাকৈ তহঁতক পানীৰ ওপৰলৈ তুলি আনে, তেনেহ'লে তহঁত উদ্ধাৰ হ'বি। দেৱৰ্ষি নাৰদে আমাৰ দুৰ্ভাগ্যৰ কথা শুনি উপদেশ দিলে, তোমালোক দক্ষিণৰ পিনে সাগৰপাৰত থকা পঞ্চতীৰ্থলৈ যোৱা, তাতে থাকাঁগৈ। সময়ত মহাবীৰ অৰ্জুনে তোমালোকক শাপমুক্ত কৰিবগৈ। আজি আপুনি মোক শাপমুক্ত কৰিলে। এতিয়া আপুনি মোৰ সখী চাৰিগৰাকীকো মুক্তি দিয়কগৈ।"

অৰ্জুনে সেই অপ্সৰাগৰাকীৰ নিৰ্দেশমতেই ক্ৰমে অগস্ত্য, পৌলম, কাৰন্ধম আৰু ভৰদ্বাজ তীৰ্থ চাৰিখনলৈ গৈ বাকী চাৰিগৰাকী অপ্সৰাকো শাপমুক্ত কৰিলে। এইদৰে যথেষ্ট পুণ্য আৰ্জন কৰি উঠি অৰ্জুন আকৌ

এবাৰ মণিপুৰ পালেহি। এইবুলি তেওঁ পুতেক বভ্ৰুবাহনক ৰজা চিত্ৰবাহনৰ ওচৰত গ'তাই দি ক'লে, "মোৰ প্ৰতিজ্ঞা অনুযায়ী আপোনাৰ সিংহাসনৰ ভৱিষ্যত অধিকাৰীক আপোনাৰ হাতত দি থৈ গ'লোঁ।" তাৰ পাচত, তেওঁ চিত্ৰাংগদাক ক'লে, "সম্প্ৰতি তুমি ইয়াতে থাকি বভ্ৰুবাহনৰ আদৰ-যত্ন লৈ সময় কটোৱাঁ। পাচত ইন্দ্ৰপ্ৰস্থলৈ লৈ যামহি; তেতিয়া আমাৰ আপোন-মানুহখিনিৰ লগ লাগিবাগৈ। যুধিষ্ঠিৰে যেতিয়া ৰাজসূয় যজ্ঞ পাতিব, তেতিয়া তুমি পিতাৰ লগত তালৈ নিশ্চয় যাবা।"

তাৰ পাচত, অৰ্জুন পশ্চিমৰ পিনে থকা সাগৰপাৰৰ তীৰ্থবোৰলৈ ওলাল। অৱশেষত, তেওঁ প্ৰভাস তীৰ্থ পালেগৈ। বাতৰি পায়েই কৃষ্ণ আগবাঢ়ি আহিল। কৃষ্ণই তেওঁক ৰৈৱতক পৰ্বতলৈ লৈ গ'ল। কেইদিনমান তাতে আনন্দ-উছৱৰ মাজত কটাই কৃষ্ণৰ লগত অৰ্জুন দ্বাৰকা নগৰী পালেগৈ। দ্বাৰকাৰ সকলোৱে তেওঁক আপোনজন বুলি সাৱটি ল'লে।

## ॥ সুভদ্ৰাহৰণৰ কথা ॥

দ্বাৰকাৰ সকলোৱে মাজে মাজে ৰৈৱতক পৰ্বতত ইটো-সিটো উছৱ পাতি যায়হি। কেইবাদিনো ধৰি সেইবোৰ উছৱ-সমাৰোহ চলে। জাকে জাকে মানুহ তালৈ যায়। যোৱ পাতি মুনিহ-তিৰোতাবোৰে দৃশ্য-শোভা চাই ঘূৰি ফুৰে। কেইদিনমানলৈ আটাইবোৰৰে মন উৰণীয়া হৈ পৰে।

তেনেকুৱা এটা উছৱতে এবাৰ অৰ্জুনে কৃষ্ণৰ ভনীয়েক সুভদ্ৰাক দূৰৰ পৰাই দেখা পালে। লগে লগে তেওঁ অলপ চঞ্চল হৈ পৰিল। কৃষ্ণই তাকে দেখি হাঁহি এটা মাৰি সুধিলে, "কি হ'ল, সখা? বনলৈ আহি মনৰ পাখি গজিল নেকি?" তাৰ পাচত, অলপ ৰৈ ক'লে, "শুনা, তাই মোৰ ভনী। নাম সুভদ্ৰা। পিতাৰ অতি মৰমৰ জীয়াৰী। তুমি যদি অনুমতি দিয়া, তেনেহ'লে মই নিজেই পিতাৰ আগত ক'ব

পাৰোঁ।” অৰ্জুনে তেতিয়া মুকলিকৈ ক'লে, “সখা, তাৰ আগতে তুমি মোক কোৱা—তেওঁক কেনেকৈ পাব পাৰোঁ?” কৃষ্ণই উত্তৰ দিলে, “ক্ষত্ৰিয়ৰ ক্ষেত্ৰত স্বয়ম্বৰেই সৰ্বোত্তম। কিন্তু, স্বয়ম্বৰ বুলিলেই ক'ব বতাহে কেনি উৰুৱাই নিয়ে—কোনেও ক'ব নোৱাৰে! গতিকে, তুমি মোৰ ভনীজনীক জোৰ কৰি পলুৱাই নিয়া। ধৰ্মজ্ঞসকলৰ মতে, বীৰৰ ক্ষেত্ৰত সেইটোৱেই আটাইতকৈ শোভনীয়।”

তাৰ পাচত, কৃষ্ণ আৰু অৰ্জুনে লৰালৰিকৈ এজন দূত পঠিয়াই যুধিষ্ঠিৰৰ সম্মতি আনি ল'লে।

ইফালে অৰ্জুনে সাজি-কাচি এখন সোণখটোৱা ৰথত উঠি মৃগয়া কৰিবলৈ ওলোৱাৰ দৰে ওলাই গ'ল। সুভদ্ৰাই তেতিয়া দৈনন্দিন পূজাৰ পাচত ৰৈৱতক পৰ্বত প্ৰদক্ষিণ কৰি উঠি দ্বাৰকালৈ উভতি অহাৰ বাট ধৰিছিল। অৰ্জুনে ৰথৰ পৰা নামি গৈ সুভদ্ৰাক জোৰকৈ ধৰি আনি নিজৰ ৰথত তুলিলেহি। তাৰ পাচত, অৰ্জুনে তেওঁৰ ৰথ ইন্দ্ৰপ্ৰস্থৰ অভিমুখে বতাহৰ বেগেৰে চলাই নিবলৈ ধৰিলে।

ঘটনাটোৰ কথা মুহূৰ্ততে চাৰিওপিনে বিয়পি পৰিল। লগে লগে মন্ত্ৰণাসভা মাতি ভেৰী বজোৱা হ'ল। ভেৰীৰ শব্দ শুনি সকলোৱে ৰং-ধেমালি সামৰি দ্বাৰকালৈ ঢাপলি মেলিলে। মন্ত্ৰণাসভাত অৰ্জুনৰ আচৰণৰ কথা শুনি আটাইবোৰ জাঙুলে থাই উঠিল। সকলোৱে এক মুখে ক'লে, “সেই দুৰ্জনটোক প্ৰচণ্ড শাস্তি দিব লাগিব। তাক ক্ষমা কৰাৰ কোনো প্ৰশ্ন নুঠে।”

সুৰাৰ ৰাগীত মতলীয়া হৈ থকা বলৰামো সেই মন্ত্ৰণাসভাত উপস্থিত আছিল। তেওঁৰ চকুহাল ঢুলঢুলীয়া হৈ আছিল। হঠাৎ তেওঁ কৈ উঠিল, “ৰ'বা। তোমালোকে যে ইমান তৰ্জন-গৰ্জন কৰিছা, কৃষ্ণক জানো সুধি চাইছা—কি কৰিলে ভাল হ'ব?” তেতিয়াহে সকলোৰে মনত পৰিল, কৃষ্ণও সেই মন্ত্ৰণাসভাত আছে, তেওঁক একো কথাই সোধা হোৱা নাই!

বলৰামে কৃষ্ণলৈ চাই ক'বলৈ ধৰিলে, “তোমাৰ কাৰণেই আমি এই অপমানৰ মুখামুখি হ'বলগীয়া হৈছোঁ। তোমাৰ মুখলৈ চায়েই আমি

সকলোৱে অৰ্জুনক মৰম কৰিছিলোঁ, শ্ৰদ্ধা কৰিছিলোঁ। কিন্তু, সি তাৰ যোগ্য নাছিল। ভাল বংশত উপজি কোন কুলাংগাৰে বাৰু খোৱা কাঁহীখন থাই উঠি থেকেচি ভাঙে! সুভদ্ৰাক হৰণ কৰি সি আমাৰ মূৰত ভাঙিৰ সাঁচ থ'বলৈ সাহস পাইছে! কোনেও নোৱাৰে যদি কওক, মই অকলে এই অপমানৰ পোতক তুলিব পাৰোঁ।" বলৰামৰ কথাত সকলোৱে হয়ভৰ দিলে।

অৱশেষত, কৃষ্ণই মাত দিলে, "অৰ্জুনে আমাৰ বংশৰ কোনো অপমান কৰা নাই। বৰং সুভদ্ৰাক হৰণ কৰি তেওঁ যদুবংশক সম্মানিত কৰিছে। অৰ্জুনে জানে, ধনৰ লোভ দেখুৱাই বেচি যৌতুক যাচি যদুবংশৰ জীয়ৰী কিনিব নোৱাৰি। আৰু জানে, স্বয়ংবৰৰ পৰিণতি অনিশ্চিত। গতিকে, তেওঁ ক্ষত্ৰিয়ৰ ধৰ্ম পালন কৰি সুভদ্ৰাক হৰণ কৰি নিছে। অৰ্জুনৰ বংশ-গৌৰৱ যদুবংশতকৈ কোনো প্ৰকাৰেই হীন নহয়। মোৰ মত হৈছে, তেওঁক ফুচুলাই-মেলি আথাবাটৰ পৰা ওভোতাই আনিবগৈ লাগে। যুঁজ-বাগৰ কৰি অৰ্জুনৰ হাতত পৰাজিত হ'লেহে আমাৰ বংশ-গৌৰৱ নেথাকিব। মিঠা কথা কৈ সৎ পাত্ৰক আপোন কৰি ল'ব পৰাতহে আচল খ্যাতি। সকলোৱে জানি ৰাখক, অৰ্জুন অজেয়। আনহাতে, অৰ্জুন আমাৰ আপোন পেহীৰ ল'ৰা ; তেওঁ আমাৰ শত্ৰুতা কৰাৰ কথা নিশ্চয় ভবা নাই।" কৃষ্ণৰ বুজনিয়ে সকলোৰে খঙৰ জুইত চেঁচা পানী ঢালিলে। সকলো যাদৱ তেওঁৰ কথাত সৈমান হ'ল।

কেইজনমান যাদৱে তেতিয়া আগবাঢ়ি গৈ অৰ্জুনক ওভোতাই আনিলে। দ্বাৰকা পোৱাৰ লগে লগে তেওঁক সকলো নগৰবাসীয়ে সুৱাগুৰি তুলিলে। তাৰ পাচত, মহাৰঙেৰে তেওঁৰ লগত সুভদ্ৰাৰ বিবাহ কাৰ্য সমাপন কৰা হ'ল।

বিয়াৰ পাচত আৰু এবছৰ কাল অৰ্জুনে দ্বাৰকাতেই কটাই দিলে। বনবাসৰ সময় উকলি যাওঁ-যাওঁ হোৱা দিনকেইটা অৰ্জুনে পুষ্কৰ তীৰ্থত কটালেগৈ। অৱশেষত বাৰ বছৰ পূৰ্ণ হ'লত সুভদ্ৰাক লগত লৈ অৰ্জুন ইন্দ্ৰপ্ৰস্থলৈ উলটি গ'ল।

অৰ্জুনক দেখা পাই দ্ৰৌপদীয়ে অলপ বেজাৰ পাতি ক'লে, "কুন্তীনন্দন,

তুমি দেখোন সুভদ্ৰাৰ ওচৰলৈ যোৱাই ভাল। মোক নো কি বুলি মাত দিবলৈ আহিলা ? তুমিতো জানাই, দুনাই বান্ধোনত সোমালে আগৰ বান্ধোনটো সোলোকঢোলোক হয়েই।" অৰ্জুনে তেতিয়া কেইবাবাৰো দ্ৰৌপদীৰ ওচৰত ক্ষমা ভিক্ষা কৰি তেওঁৰ খং মাৰ নিয়াব খুজিলে। ইপিনে সুভদ্ৰাক তেওঁ মাক কুন্তীৰ ওচৰলৈ পঠিয়াই দিলে। কুন্তীক সেৱা কৰিলতে তেওঁ সুভদ্ৰাক প্ৰাণভৰি আশীৰ্বাদ কৰিলে। তাৰ পাচত, সুভদ্ৰাই দ্ৰৌপদীৰ ওচৰলৈ আহি তেওঁকো পৰম ভক্তিৰে সেৱা কৰি ক'লে, "বাইদেউ, মোক আপোনাৰ দাসী বুলিয়েই গণ্য কৰিব।" উত্তৰত দ্ৰৌপদীয়ে তেওঁক সাৱটি ধৰি ক'লে, "তোমাৰ স্বামীৰ যেন কোনো শত্ৰু নাথাকে !"

এনে সময়তে কৃষ্ণ, বলৰাম আৰু আন আন যদুবংশী বীৰসকল আহি ওলালহি। তেওঁলোকে লগত বহুতো ধন বস্ত্ৰ আৰু মূল্যবান সা-সঁজুলিৰ যৌতুক লৈ আহিছিল। কেইদিনমান ইন্দ্ৰপ্ৰস্থত থাকি আনন্দ-ভাত খাই কৃষ্ণৰ বাহিৰে বাকী সকলোবোৰ দ্বাৰকালৈ উলটি গ'লগৈ।

কৃষ্ণ আৰু অৰ্জুন দুয়ো সখীয়ে মাজে মাজে যমুনা নৈৰ পাৰত মৃগয়া কৰি ফুৰিবলৈ ধৰিলে।

আকৌ, এই সময়ছোৱাতে সুভদ্ৰাৰ এটি পুত্ৰ-সন্তান উপজিল। অৰ্জুনে তেওঁৰ নাম থ'লে, অভিমন্যু। সেই নামটোৰ মানে হ'ল, নিৰ্ভীক আৰু তেজস্বী। এইদৰে এইছোৱা সময়তে অৰ্জুন কেইবাজনো ভৱিষ্যত বীৰপুত্ৰৰ পিতা হৈ পৰিছিল। তেওঁলোক হ'ল, উলুপীৰ কোলৰ পৰা ইৰাবান, চিত্ৰাংগদাৰ কোলৰ পৰা বভ্ৰুবাহন আৰু দ্ৰৌপদীৰ কোলৰ পৰা ওপজা পাঁচজন পাণ্ডৱৰ পাঁচজন পুত্ৰ-সন্তানৰ এজন— যিকেইজনৰ নাম আছিল একাদিক্ৰমে প্ৰতিবিন্ধ্য, সুতসোম, শ্ৰুতকৰ্মা, শতানীক আৰু শ্ৰুতসেন। সময়ত তেওঁলোক প্ৰত্যেকেই পাণ্ডৱসকলৰ বহু গৌৰৱ আৰু দুৰ্ভাগ্যৰ অংশীদাৰ হৈ পৰিছিল। সকলোকে চেৰাই গৈছিল, অভিমন্যুৰ বীৰত্ব-গৌৰৱে।

॥ খাণ্ডৱদাহৰ ইতিকথা ॥

কৃষ্ণই ইন্দ্ৰপ্ৰস্থত কটাই যোৱা দিনকেইটাৰে কথা। এদিন কৃষ্ণ আৰু অৰ্জুনে লগত কেইজনমান লগৰীয়া আৰু পুৰনাৰীক লৈ যমুনা নৈত নাৱত উঠি ফুৰি আহিবলৈ গৈছিল। নাৱত উঠি ফুৰি ফুৰোঁতে তেওঁলোকৰ চকুত পৰিল, সমুখত খাণ্ডৱ বন। তেওঁলোক নাৱৰ পৰা নামি গৈ তাতে বনভোজৰ আয়োজন কৰিলে। লগে লগে সকলোবোৰ নানা ধৰণৰ ৰং-ধেমালিত মত্ত হৈ পৰিল। কৃষ্ণ আৰু অৰ্জুন দুয়ো অলপ আঁতৰি গৈ দুখন মুখামুখিকৈ থোৱা আসনত বহি অলপ গহীন আলোচনাত মগ্ন হ'ল।

এনেতে তেওঁলোকৰ সমুখত এগৰাকী ব্ৰাহ্মণ ওলালহি। সিজনৰ শৰীৰ অতি প্ৰকাণ্ড, গা'ৰ ৰং জুইত পুৰি উলিয়াই অনা তপত সোণৰ লেখীয়া, গোটেই মুখ আৱৰি থোৱা দাড়িকোছা যেনিবা একুৰা খণ্ডুৱা জুইৰ শিখা, মূৰৰ চুলিৰে বন্ধা জটাৰ মুপটোও যেনিবা এটা মন্দিৰৰ চূড়া, আৰু গোটেই দেহত কাপোৰ বুলিবলৈ মাথোন এখন সামান্য কৌপীন। তেওঁ দেখা দিয়েই কোনো ভূমিকা নোহোৱাকৈ ক'বলৈ ধৰিলে, "হে কৃষ্ণাৰ্জুন, মই এক বহুভোজী ব্ৰাহ্মণ। মোক তোমালোকে উদৰ পূৰণ কৰিব পৰাকৈ ভোজনৰ যোগান ধৰা। মোৰ অন্য নাম অগ্নি। গতিকে, মোক অন্য কোনো অন্ন নালাগে ; মাথোন মোক খাণ্ডৱ বন দাহ কৰাত অলপ সহায় কৰি দিলেই হ'ব। এই বনত তক্ষক নাগ সপৰিবাৰে বাস কৰে। যিহেতু তক্ষক নাগ ইন্দ্ৰৰ সখা, সেইবাবে স্বয়ং ইন্দ্ৰ এই বনৰ ৰক্ষক ; আৰু ইন্দ্ৰই বাধা দিয়ে কাৰণেই মই এই বন দাহ কৰিব পৰা নাই। তোমালোক দুয়ো অতি দুৰ্ধৰ্ষ যোদ্ধা। গতিকে, তোমালোকৰ পৰা অলপ সহায় পালেই এই বিশাল খাণ্ডৱ বন দাহ কৰি মই মোৰ ক্ষুধা নিবাৰণ কৰিব পাৰিম।"

আচলতে অগ্নিৰ অগ্নিমান্দ্য ঘটিছিল। তাৰ কাৰণ হ'ল, শ্বেতকি নামৰ এজন ৰজাই বহুকাল ধৰি ঘন ঘনকৈ ইটো-সিটো নানা যজ্ঞ কৰি দিন নিয়াইছিল। এইদৰে প্ৰায়েই যজ্ঞ কৰিবলগীয়া হোৱাত তেওঁৰ পুৰোহিতবিলাকৰ চকু যজ্ঞৰ ধোঁৱা লাগি ঘোলা হৈ পৰিছিল।

গাতকে, তেওঁলোকে যজ্ঞৰ পৌৰোহিত্য কৰিবলৈ নহা হ'ল। উপায় নেপাই ৰজাই মহাদেৱৰ বৰ বিচাৰি তপস্যা কৰিবলৈ ধৰিলে। মহাদেৱে যেতিয়া শ্বেতকিক কি বৰ লাগে সুধিলে, তেতিয়া তেওঁ মহাদেৱকেই তেওঁৰ যজ্ঞৰ পুৰোহিত হ'বলৈ খাটনি ধৰিলে। মহাদেৱে তেতিয়া ক'লে, "মোৰ দ্বাৰা সেই কাম কৰা অসম্ভৱ। তুমি বৰং দুৰ্বাসা ঋষিক ধৰাগৈ।" মহাদেৱৰ আদেশত দুৰ্বাসা ঋষিয়েই ছেদ-ভেদ নোহোৱাকৈ বাৰ বছৰ ধৰি এক মহাযজ্ঞৰ পৌৰোহিত্য কৰি দিলে। সেই বাৰ বছৰ ধৰি একেৰাহে মাখোন ঘিউ খাই খাই অগ্নিদেৱতাৰ পেটৰ জুইৰ চোক কমি আহিল। শেষত তেওঁ ঘিউ খোৱাৰ পৰা নিস্কৃতি পাই ব্ৰহ্মাৰ ওচৰ চাপি প্ৰতিকাৰৰ উপায় বিচাৰিলে। ব্ৰহ্মাই হাঁহি এটা মাৰি ক'লে, "তুমি এটা কাম কৰা। খাণ্ডৱ বন দাহ কৰি তাৰ সকলোবোৰ প্ৰাণীৰ তেজ-মঙহ ভক্ষণ কৰাগৈ। সেয়ে হ'লে, তোমাৰ অগ্নিমান্দ্য ৰোগৰ উপশম ঘটিব।" অগ্নিয়ে এবাৰ-দুবাৰ নহয়, সাতবাৰ খাণ্ডৱ বন দাহ কৰাৰ চেষ্টা কৰিছিল; কিন্তু প্ৰত্যেকবাৰেই তেওঁ বিফল হ'বলগীয়া হ'ল। কাৰণ, খাণ্ডৱ বনত থকা শ শ হাতীয়ে শুড়েৰে আৰু হেজাৰ হেজাৰ নাগে ফেঁট তুলি পানী ছটিয়াই জ্বলি উঠা জুই মুহূৰ্ত'তে নুমুৱাই পেলায়। অৱশেষত, অগ্নি আকৌ এবাৰ ব্ৰহ্মাৰ ওচৰ চাপিল। এইবেলি ব্ৰহ্মাই ক'লে, "তুমি তৎক্ষণাৎ কৃষ্ণাৰ্জুনক লগ ধৰাগৈ। দুয়ো এতিয়া খাণ্ডৱ বনতেই আছেগৈ। তেওঁলোক তোমাৰ সহায় হ'লে, খাণ্ডৱ বন অনায়াসে দাহ কৰিব পাৰিবা।"

অগ্নিয়ে এই গোটেইখিনি কথা ভাঙি-পাতি কৈ কৃষ্ণাৰ্জুনৰ সহায় প্ৰাৰ্থনা কৰিলে। অৰ্জুনে তেতিয়া মাত দিলে, "প্ৰভু, আমি আপোনাক নিশ্চয় সহায় কৰি দিম। মোৰ হাতত অনেক দিব্য বাণ আছে। কিন্তু সিবিলাক ব্যৱহাৰৰ উপযোগীকৈ ধনু এখনহে সম্প্ৰতি মোৰ হাতত নাই। মোৰ সখা কৃষ্ণৰ হাততো এই মুহূৰ্ত্তত একো অস্ত্ৰ নাই। আপুনি এটা উপায় দিয়ক যাতে ইন্দ্ৰই আমাক আক্ৰমণ কৰিলে, আমি তাৰ প্ৰতিকাৰ কৰিব পাৰো।" অগ্নিয়ে তেতিয়া লোকপাল বৰুণক আহ্বান কৰি মন্ত্ৰ জপিলে। লগে লগে বৰুণে দেখা দিলেহি। অগ্নিয়ে বৰুণক

কৃষ্ণাৰ্জুনৰ বাবে অস্ত্ৰ বিচাৰিলে। বৰুণৰ পৰা লৈ অগ্নিয়ে অৰ্জুনক এখন গাণ্ডীৱ ধনু, শেষ নোহোৱা কাঁড়ৰ যোগান ধৰা এটা অক্ষয় তূণ আৰু আলাসতে চলাব পৰা এখন কপিধ্বজ ৰথ দিলে; আৰু কৃষ্ণক এপাট চক্ৰ আৰু কৌমোদকী গদা দিলে।

তাৰ পাচত, কৃষ্ণ আৰু অৰ্জুন দুয়ো ৰথত উঠাৰ লগে লগে অগ্নিয়ে খাণ্ডৱ বন দাহ কৰি নিবলৈ আৰম্ভ কৰিলে। চৰাই-চিৰিকতি আৰু জন্তুবোৰে চিঞৰত গগন ফালি পলাবলৈ ধৰিলে। কিন্তু, অৰ্জুনৰ শৰ-প্ৰহাৰত বন্দী হৈ সেই সকলোবোৰ অগ্নিৰ সমুখত পৰিবলৈ বাধ্য হ'ল। কোনো প্ৰাণীয়েই অগ্নিৰ হাতৰ পৰা নিস্তাৰ নেপালে। অগ্নিৰ বাঢ়ি অহা শিখাৰ ভমক দেখি দেৱতাসকল চিন্তিত হৈ পৰিল। দেৱৰাজ ইন্দ্ৰই তেওঁৰ সখা তক্ষকৰ পৰিয়ালটো ৰক্ষা কৰিবৰ বাবে জাকে জাকে দোপাল-পিটা বৰষুণ ঢালিবলৈ ধৰিলে। কিন্তু, আকাশ চুই যোৱা জুইৰ শিখাৰ ভমকত সেই বৰষুণৰ ধাৰ আধাবাটতে শুকাই ভাপ হৈ গ'ল।

নাগৰাজ তক্ষক তেতিয়া খাণ্ডৱ বনত নাছিল—কুৰুক্ষেত্ৰত আছিলগৈ। তক্ষকৰ ঘৈণীয়েকে পুতেক অশ্বসেনক বচাই ৰাখিবৰ বাবে চেষ্টাৰ ত্ৰুটি নকৰিলে। অশ্বসেনক গিলি পেটৰ ভিতৰত সুমুৱাই লৈ বনৰ বাহিৰ ওলাবলৈ ঢাপলি মেলিলে। এনেতে অৰ্জুনে এপাট কাঁড়েৰে তাইৰ ডিঙিটো কাটি পেলালে। ইন্দ্ৰই উপায় নেদেখি এজাক ধুলিয়ৰি বতাহ মেলি দি অৰ্জুনৰ চকুহাল খন্তেকলৈ ধোঁৱাকোঁৱা কৰি দিলে। সেই ছেগতে অশ্বসেন মাকৰ কটা যোৱা ডিঙিয়েদি ওলাই লৰ মাৰিলে। ইন্দ্ৰই তেওঁৰ কামত অগা-ডেৱা কৰা দেখি অৰ্জুনৰ ভীষণ খং উঠিল। অৰ্জুনে গোটেইখন আকাশ শৰজালেৰে ঢাকি পেলালে।

তাৰ পাচত, ইন্দ্ৰ আৰু অৰ্জুনৰ মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল। আনপিনে, খাণ্ডৱ বনত ইটো-সিটো আপোনজনৰ বিপদ দেখি যক্ষ, গন্ধৰ্ব, অসুৰ আৰু ৰাক্ষসৰ দলো কৃষ্ণাৰ্জুনৰ ওপৰত জাপিয়াই পৰিলহি। কিন্তু, অৰ্জুনৰ শৰ-প্ৰহাৰত আৰু কৃষ্ণৰ চক্ৰ-ছেদনত থাকিব নোৱাৰি সিহঁত আটাইবোৰ পলাই পত্ৰং দিলে। ইন্দ্ৰই তেওঁৰ বজ্ৰ আৰু আনবোৰ

দেৱতাই তেওঁলোকৰ নামে নামে থকা তিন তিন অস্ত্র লৈয়ো কৃষ্ণাৰ্জুনৰ সন্মুখত তিষ্ঠিব নোৱাৰিলে। অৱশেষত, ইন্দ্ৰই মন্দৰ পৰ্বতৰ এটা বিশাল শৃংগ থহাই আনি অৰ্জুনৰ গা'লৈ দলি মাৰি পঠিয়ালে। কিন্তু, অৰ্জুনৰ শৰ-প্ৰহাৰত সেই বিশাল পৰ্বত-শৃংগটো আকাশতে ভাগি চূৰমাৰ হৈ পৰিল। ইন্দ্ৰই কৃষ্ণ আৰু অৰ্জুনৰ প্ৰবল পৰাক্ৰম আৰু অপূৰ্ব সমৰকৌশলৰ প্ৰশংসা নকৰাকৈ থাকিব নোৱাৰিলে।

এনে সময়তে গম্ভীৰ আকাশ-বাণী শুনা গ'ল, "হে দেৱৰাজ, তোমাৰ বন্ধু তক্ষক অগ্নিদগ্ধ হোৱা নাই ; তেওঁ অক্ষতদেহে কুৰুক্ষেত্ৰত আছে। অৰ্জুন আৰু কৃষ্ণ অজেয়। তেওঁলোকৰ কামত বাধা দি কোনো লাভ নাই।" সেই আকাশ-বাণী শুনাৰ পাচত ইন্দ্ৰ আৰু দেৱতাসকল ক্ষান্ত হৈ উভতি গুচি গ'ল। অগ্নিয়ে তেতিয়া নিশ্চিন্তমনে প্ৰাণীবোৰৰ মঙহ আৰু তেজ আৰু চৰ্বি হেঁপাহ পলুৱাই খাবলৈ ধৰিলে। হঠাৎ অগ্নিৰ চকুত পৰিল, ময়-দানৱ নামৰ এটা অসুৰ খাণ্ডৱ বনৰ পৰা পলাবলৈ লৈছে। অগ্নিয়ে তাক ধৰি দিবলৈ কোৱাত কৃষ্ণই চক্ৰখন তুলি ল'লে। কিন্তু, সি বিপদে হাতযোৰকৈ কৃষ্ণাৰ্জুনৰ পিনে চাই কৰুণ মিনতি জনালে, অৰ্জুনৰ হঠাৎ তালৈ কিবা মৰম এটা লাগি গ'ল। অৰ্জুনে কৃষ্ণক ক'লে, "সখা, তাক যাবলৈ দিয়া।"

অগ্নিয়ে এইদৰে পোন্ধৰ দিন ধৰি খাণ্ডৱ বন দাহ কৰি অসংখ্য জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ গতি লগালে। লাহে লাহে অগ্নিৰ খিউ খোৱা পেটৰ টেঙা-উগাৰ বন্ধ হ'ল, পৰিপাক-যন্ত্ৰটোও আগৰ দৰে সচল হৈ আহিল। ইপিনে খাণ্ডৱ বনৰ সকলো প্ৰাণীয়েই মৰি উজাৰ হ'ল ; থাকিল মাথোন ছ'টা প্ৰাণী—তক্ষকৰ পুতেক অশ্বসেন, ময়-দানৱ নামৰ এজন অসুৰ আৰু চাৰিটা সাৰেং চৰাই।

সাৰেং চৰাই চাৰিটা খাণ্ডৱ দাহৰ সময়ত আচলতে কণীৰ ভিতৰৰ কুহুম হৈয়েই আছিল—পাখি থকা চৰাই হৈ উঠাগৈয়ে নাছিল। কণীৰ পৰা বাহিৰলৈ ওলোৱা হ'লেও চৰাই নহৈ ব্ৰহ্মবাদী মানুহৰ ৰূপহে ল'লে-হেঁতেন, সেই কুহুমকেইটাই। মন্দপাল নামৰ এজন তপস্বী আছিল। মৃত্যুৰ পাচত তেওঁ পিতৃলোকলৈ যাব নোৱাৰিলে। দেৱতাসকলে তেওঁক

ক'লে, "তুমি পৃথিৱীলৈ গৈ পুত্ৰ-সন্তানৰ অধিকাৰী হৈ তাৰ পাচত আহিবা।" মন্দপালে সোনকালে পিতা হোৱাৰ অভিপ্ৰায়েৰে সাৰেং চৰাই হৈ উভতি আহিল। সময়ত জৰিতা নামৰ এজনী গাভৰু-চৰাইৰ লগ ল'লে। খাণ্ডৱ বনত তাইৰ বাহতেই হ'বলগীয়া চাৰিজন ব্ৰহ্মবাদী পুত্ৰ-সন্তান থকা কণী চাৰিটা আছিল। মন্দপালৰ প্ৰাৰ্থনা শুনিয়েই অগ্নিয়ে সেই কণী চাৰিটা নুচুলে।

খাণ্ডৱ বন দাহ কৰা কাম শেষ হ'লত, দেৱতাসকলৰ লগতে ইন্দ্ৰ নামি আহিল। ইন্দ্ৰই ক'লে, "তোমালোক দুয়োৰো কাম দেখি মই বৰ আনন্দ পাইছোঁ। এতিয়া তোমালোকক কি বৰ লাগে, কোৱা।" অৰ্জুনে তেতিয়া ইন্দ্ৰৰ সকলোবোৰ অস্ত্ৰ প্ৰাৰ্থনা কৰিলে। ইন্দ্ৰই উত্তৰ দিলে, "সময়ত মোৰ সকলোবোৰ অস্ত্ৰ তোমাক দিম। তাৰ আগতে তুমি মহাদেৱক তুষ্ট কৰি ল'ব লাগিব। কাৰণ, সিজনাই ইবোৰৰ আচল গৰাকী।" তাৰ পাচত কৃষ্ণই তেওঁৰ প্ৰাৰ্থনা জনালে, "দেৱৰাজ, মোক এই বৰ দিয়ক—যেন অৰ্জুনৰ লগত মোৰ সম্বন্ধটো নজহা-নপমা হৈ ৰয়।" ইন্দ্ৰই সেই বৰ দি ক'লে, "সেয়ে হওক!"

তাৰ পাচত, অগ্নি ওলালহি। তেওঁ অতি শান্ত কণ্ঠস্বৰেৰে ক'লে, "তোমালোক দুয়োকো এনেয়ে আমনি দিলোঁ। মই সম্পূৰ্ণ পৰিতৃপ্ত। এতিয়া তোমালোক যাব পাৰা!"

কৃষ্ণ আৰু অৰ্জুন দুয়ো যমুনা নৈৰ পাৰত বহিলগৈ। তাতে তেওঁলোকক ময়-দানৱে লগ ধৰিলেহি।

# ঃ সভাপৰ্ব ঃ

## ॥ ময় দানৱৰ সভাগৃহ-নিৰ্মাণ ॥

যমুনা নৈৰ পাৰত কৃষ্ণ আৰু অৰ্জুন দুয়ো জিৰণি ল'বলৈ বহোঁতেই ময়-দানৱে আহি হাতযোৰকৈ অৰ্জুনক ক'লেহি, "হে মহাভাগ, আপোনাৰ দয়াতেই মই কৃষ্ণৰ ক্ৰোধ আৰু অগ্নিৰ দহনৰ পৰা ৰক্ষা পৰিছোঁ। এই অসীম দয়াৰ শলাগ লোৱাৰ জোখাৰে মোৰ ভাষাৰ নাটনি। এতিয়া মই আপোনাৰ কি প্ৰতি-উপকাৰ কৰিব পাৰোঁ, আদেশ কৰক।

ময়দানৱৰ কথাত মুগ্ধ হৈ অৰ্জুনে উত্তৰ দিলে, "তুমি তোমাৰ কৰণীয় সকলোখিনি কৰিছা। আৰু তুমি একো কৰি দিব নেলাগে। তোমাৰ আৰু মোৰ মাজত বন্ধুত্বৰ বান্ধোনটো যেন সদায় থাকে—সেইটোকে আশা কৰিলোঁ।"

ময়-দানৱে কিন্তু থাটনি ধৰিবলৈ নেৰিলে, "মোক আপুনি দানৱ-সকলৰ বিশ্বকৰ্মা বুলি ক'ব পাৰে। মই ৰাজপ্ৰাসাদ, অট্টালিকা আদি সুন্দৰকৈ নিৰ্মাণ কৰিব জানো। গতিকে, মই আপোনাক তেনেকুৱা কিবা কাম কৰি কিঞ্চিৎ উপকাৰত আহিব খোজোঁ।"

অৰ্জুনে তেতিয়া ক'লে, "মই মূল্য বিচাৰি তোমাৰ প্ৰাণৰক্ষা কৰা নাছিলোঁ। গতিকে, তোমাৰ হতুৱাই কিবা কৰাই লোৱাটো মোৰ বাবে মুঠেই ৰুচিকৰ নহয়। অথচ, তোমাৰ হেপাহটোও ধৰিব পাৰিছোঁ। তাকো একেবাৰে নেওচা দিবলৈ মই ইচ্ছা কৰা নাই। গতিকে, তুমি মোৰ সখা কৃষ্ণৰ কাৰণেই যি মন যায়, তাকে কৰি দিয়া। মই তাতে সন্তুষ্ট হ'ম।"

ময়-দানৱে তেতিয়া কৃষ্ণক কুটুৰিবলৈ ধৰিলে। কৃষ্ণই অলপ পৰ গমি চাই ক'লে, "তুমি তেনেহ'লে ধৰ্মৰাজ যুধিষ্ঠিৰৰ কাৰণে এটা আটকধুনীয়া সভাঘৰ নিৰ্মাণ কৰি দিয়া। এনেকুৱা সভাঘৰ সাজি দিবা,

যিটো কোনেও ক'তো অনুকৰণ কৰি দ্বিতীয়টো বুলি ক'ব পৰাকৈ সাজিব নোৱাৰে। সেয়ে হ'লে, আমি দুয়ো পৰম সন্তুষ্ট হ'ম।" ময়-দানৱে মনৰ হেপাহ পূৰাব পৰাকৈ কাম এটা কৰিবলৈ পাই অতি আনন্দ পালে।

কৃষ্ণ আৰু অৰ্জুনে ময়-দানৱক লগত নি যুধিষ্ঠিৰৰ আগত ভেটিলেগৈ। ময়-দানৱে কেইবাদিনো চিন্তা কৰি যুধিষ্ঠিৰৰ ৰাজসভাৰ উপযোগীকৈ এটা প্ৰকাণ্ড সভাঘৰৰ ছবি আঁকি উলিয়ালে। তাৰ পাচত, শুভদিন শুভক্ষণ চাই এদিন পুৱাৰ কাললৈ ইন্দ্ৰপ্ৰস্থ নগৰীৰ মুকলি ঠাই এডোখৰত চাৰিওপিনে দহ হেজাৰ হাত পৰিমাণৰ মাটি জুখি সভাঘৰৰ আধাৰশিলা থাপিলে।

শুভকাম আৰম্ভ কৰিয়েই কৃষ্ণই অতদিন ৰং-ধেমালি কৰি কটোৱা ইন্দ্ৰপ্ৰস্থৰ পৰা বিদায় ল'লে। পাণ্ডৱসকলে আৰু ইন্দ্ৰপ্ৰস্থৰ সকলো নাগৰিকে সদলবলে ওলাই কৃষ্ণক আগবঢ়াই থৈ আহিলগৈ। কৃষ্ণক বিদায় দি সকলোৰে চকুবোৰ চলচলীয়া হৈ পৰিল। তেওঁৰ ৰথখন চকুৰে নেদেখা নোহোৱালৈকে সকলোৱে সেইপিনে চাই ৰ'ল।

ময়-দানৱে এদিন ছেগ বুজি অৰ্জুনক ক'লে, "মোক এবাৰ কৈলাসৰ সিপাৰে থকা মৈনাক পৰ্বতত পাক এটা মাৰি আহিবলৈ অনুমতি দিয়ক। বহুত দিনৰ আগৰ কথা, এবাৰ দানৱসকলে তাত এটা যজ্ঞ পাতিবলৈ যো-জা কৰিছিল। সেই যজ্ঞৰ বাবে নিৰ্মাণ কৰা সভাঘৰত ইপিনে-সিপিনে দেৱালে-স্তম্ভে খাঁজিবলৈ মই বিন্দুসৰোবৰৰ ওচৰৰ পৰা অজস্ৰ বিচিত্ৰ ধৰণৰ মণি-মুকুতা গোটাই আনিছিলোঁ। সেইবোৰ এতিয়াও তাত থুপ খাই এনেয়ে পৰি থাকিব লাগে। ভাবিছোঁ, সেইবোৰ আকৌ বুটলি আনোগৈ; তেতিয়া হ'লে সভাঘৰৰ জেউতি চৰাবলৈ সেইবোৰ কামত লগাব পাৰিম! আৰু এটা কথা। ওচৰতে থকা বিন্দু সৰোবৰৰ পাৰত দানৱসকলৰ ৰজা বৃষপৰ্বাৰ গদাডাল হয়তো বিচাৰি পাম। সেইডাল অতি বিখ্যাত গদা। গোটেইডাল গদাতে সোণপানী চৰোৱা আছে; মুঠিটো লাহী—যেনি-তেনি ধৰিবলৈ সহজ আৰু টানকৈ থামুচি ধৰিব পাৰি; আৰু তাৰ ডিলাটোৰ একোব লাগিলেই শত্ৰু যমৰ আলহী হয়গৈ। সেই গদাডাল ভীমসেনক দিম হি। তাতে দেৱদত্ত নামৰ বৰুণ দেৱতাৰ বিখ্যাত শংখটোও আছে। আপোনালৈ সেই শংখটোকে লৈ আনিম।"

অৰ্জুনৰ অনুমতি লৈ ময়-দানৱ মৈনাক পৰ্বত অভিমুখে গ'লগৈ। কেইদিনমানৰ পাচতে তেওঁ সকলোবোৰ বস্তু লৈ উভতি আহিল। গদা-

ডাল পাই ভীম বৰ সন্তুষ্ট হ'ল। তাৰ পাচত, ময়-দানৱে দিন-ৰাতিৰ ভেদ নৰখাকৈ সভাঘৰ নির্মাণ কৰাত মন দিলে। চাওঁতে চাওঁতে সেই বিৰাট আৰু বিচিত্র মণিময় সভাঘৰ গঢ় লৈ উঠিল। সকলোৰে ধাৰণা উপজিল, সেয়া যেন কোনো মহাশিল্পীয়ে হাতেৰে গঢ়ি তোলা এটা অপূর্ব স্থাপত্য-কীর্তি নহয়—বৰং ক'ব পাৰি, স্বর্গৰ ইন্দ্রসভাৰ এক মূর্তমান প্রতিধ্বনিহে! সম্পূর্ণ চৈধ্য মাহ জোৰা কঠোৰ পৰিশ্রমৰ অন্তত যুধিষ্ঠিৰৰ ৰাজসভা ইন্দ্রসভাৰ প্রতিধ্বনিস্বৰূপ হৈ গঢ় লৈ উঠিল।

শুভদিনত সেই ৰাজসভা মুকলি কৰা হ'ল। সেই উপলক্ষে কেইবাদিনো ধৰি উৎসৱৰ মহামেল বহিল। দেশ-বিদেশৰ অনেক ঋষি আৰু ৰজাৰ দলে ইন্দ্রপ্রস্থৰ সেই ৰাজসভা চাই শতমুখে প্রশংসা কৰি গ'লহি।

কিছুদিনৰ পাচত দেৱর্ষি নাৰদে আৰু চাৰিজন ঋষিক লগত লৈ যুধিষ্ঠিৰৰ ৰাজসভা চালেহি। যুধিষ্ঠিৰে যথাবিধি আসন আগবঢ়াই আটাইকেয়োজনকে অভ্যর্থনা জনালে। পৰম সন্তুষ্ট হৈ নাৰদে যুধিষ্ঠিৰক দীঘলীয়া উপদেশ দিলে, "মহাৰাজ, তুমি অর্থচিন্তাৰ লগতে ধর্মচিন্তাও নকৰাকৈ নেথাকিবা। সময় সমানে তিনি ভাগ কৰি ধর্ম, অর্থ আৰু কামৰ সেৱাত ব্যয় কৰিবা। তোমাৰ ৰাজ্যৰ দুর্গসমূহ ধন, ধান, জল, অস্ত্র, যন্ত্র, যোদ্ধা আৰু শিল্পীৰে পৰিপূর্ণ কৰি ৰাখিবা। অনাহকতে কঠোৰ দণ্ডৰ আশ্রয় লৈ প্রজাৰ অৱজ্ঞাভাজন হ'বলৈ নেযাবা। সৈন্যবোৰক সদায় সময়ৰ মূৰকত খাদ্য আৰু বেতনৰ যোগান ধৰিবা। পৰৰাজ্য জয় কৰি যি ধন-ৰত্ন পোৱা, সেয়া প্রধান যোদ্ধাবোৰৰ মাজত যোগ্যতা অনুসাৰে বিলাই দিবা। ৰাজকোষৰ হিচাপ-ৰক্ষকসকলৰ পৰা নিতৌ পুৱাৰ ভাগতে আয়-ব্যয়ৰ হিচাপ ল'বা। ৰাজ্যৰ সকলোবোৰ পুখুৰী পানীৰে সদায় ভৰপূৰ হৈ থকাৰ ব্যৱস্থা কৰাবা, যাতে খেতিয়কসকলে কেৱল বৰষুণৰ ওপৰত নির্ভৰ কৰিব নালাগে। খেতিয়কসকলৰ কঠিয়া আৰু খাদ্যবস্তুৰ যাতে কেতিয়াও অভাৱ নঘটে; তেওঁলোকে যাতে অলপীয়া সুদতে ধাৰ কৰিব পৰাকৈ ধনৰ যোগান পায়, তাৰো ব্যৱস্থা কৰিবা। তুমি তিৰোতা মানুহৰ লগত কথা পাতোঁতে সদায় মিঠা কথা ক'বা; কিন্তু তেওঁলোকক কোনো গোপনীয় কথা নক'বা। চহকী মানুহৰ লগত কোনোবা চহা মানুহৰ বিবাদ লাগিলে, তোমাৰ অমাত্যবোৰে যাতে ভাৰ-ভেটি লৈ বিচাৰৰ প্রহসন নকৰে, তালৈ চকু ৰাখিবা। অন্ধ, মূক, পংগু, অনাথ আৰু ভিক্ষুবিলাকক পিতৃৰ নিচিনাকৈ পালন কৰিবা।"

এইদৰে নাৰদে আৰু বহুতো জ্ঞানগর্ভ উপদেশ দিলে। তাৰ পাচত,

যুধিষ্ঠিৰে দেৱৰ্ষি নাৰদৰ চৰণ চুই ক'লে, "আপোনাৰ এই বহুমূলীয়া উপদেশৰ ফলত মোৰ জ্ঞান বহুতো বাঢ়িল। আপুনি যিবোৰ কথা ক'লে, সিবোৰ মই আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰিম।"

তাৰ পাচত, নাৰদে যুধিষ্ঠিৰৰ ৰাজসভাৰ ভূয়সী প্ৰশংসা কৰিলে। সেই প্ৰসংগতে নাৰদে ইন্দ্ৰসভাৰ বৰ্ণনা দি ক'লে, "ইন্দ্ৰৰ ৰাজসভাৰ লগত অন্য কোনো সভাৰ তুলনা নহয়। সেই সভা যিদৰে অতি বিশাল, সিদৰে অতি অসাধাৰণ। সেই সভা শোভা কৰি থকা পাৰিষদবৰ্গও অনন্য-সাধাৰণ। সকলো দেৱতা, অসংখ্য মহৰ্ষি, ৰজা হৰিশ্চন্দ্ৰ, বহু গন্ধৰ্ব আৰু অপ্সৰাক লৈ সেই সভাৰ পাৰিষদবৰ্গ।" সেই বৰ্ণনা শুনি যুধিষ্ঠিৰে নোসোধাকৈ নোৱাৰিলে, "হে মহামুনি, ইন্দ্ৰসভাৰ বৰ্ণনাপ্ৰসংগত আপুনি যে অসংখ্য ৰজা-মহাৰজাৰ মাজত একমাত্ৰ ৰজা হৰিশ্চন্দ্ৰৰ নাম উচ্চাৰণ কৰিলে, তাৰ কাৰণ কি? সিজনাই নো কোন কৰ্মৰ ফলত ইন্দ্ৰসভাৰ পাৰিষদ হ'বগৈ পাৰিলে?"

নাৰদে উত্তৰ দিলে, "মহাৰাজ, কাৰণটো অতি স্পষ্ট। ৰজা হৰিশ্চন্দ্ৰ অন্য সকলো ৰজাৰ শিৰোমণিস্বৰূপ হ'ব পাৰিছিল। কাৰণ, তেওঁ ৰাজসূয় যজ্ঞ অনুষ্ঠিত কৰি উঠি মৃত্যু লভিছিল। যি ৰজাই ৰাজসূয় যজ্ঞ সম্পাদন কৰে, ৰণক্ষেত্ৰত পলায়ন নকৰাকৈ মৃত্যু বৰণ কৰে, আৰু তপস্যা কৰি থকা অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে, সেই ৰজাইহে ইন্দ্ৰসভাৰ পাৰিষদ হ'বগৈ পাৰে। পৰলোকত ৰজা হৰিশ্চন্দ্ৰৰ প্ৰতিপত্তি দেখি তোমাৰ পিতা পাণ্ডু অতি বিস্মিত হৈছে। তেওঁ তোমাক এই-বুলি ক'বলৈ মোক কৈ পঠাইছে, তুমি যেন ৰাজসূয় যজ্ঞৰ অনুষ্ঠান কৰি হৰিশ্চন্দ্ৰৰ দেখাদেখিকৈ ইন্দ্ৰসভাৰ সুখ উপভোগ কৰাৰ বাবে চেষ্টাৰ ত্ৰুটি নকৰা।"

তাৰ পাচত, নাৰদে যুধিষ্ঠিৰৰ পৰা বিদায় লৈ লগত অহা ঋষি চাৰিগৰাকীৰ সৈতে দ্বাৰকাৰ অভিমুখে যাত্ৰা কৰিলে।

## ॥ ৰাজসূয় আৰু জৰাসন্ধ ॥

নাৰদৰ মুখত ৰাজসূয় যজ্ঞৰ মহিমাৰ কথা শুনাৰ পাচৰে পৰা যুধিষ্ঠিৰৰ মনত বিষয়টোৱে যেতিয়াই তেতিয়াই ভুমুকিয়াই যাবলৈ ধৰিলে। যিমানে তেওঁ ৰাজসূয় যজ্ঞৰ কথা ভাবে, সিমানে তেওঁৰ মন ধৰ্ম অনুসাৰে ৰাজ্য শাসন কৰাৰ পিনে আৰু বেচি ঢাল খাবলৈ ধৰিলে। প্ৰজাবিলাকেও তাৰ প্ৰতি অনুকূল সঁহাৰি দিবলৈ ধৰিলে। তেওঁৰ শত্ৰু বুলিবলৈ কোনো নোহোৱা হৈ আহিল। সেইবাবে, বহুতে তেওঁক অজাতশত্ৰু বুলি মাতিবলৈ ল'লে।

যুধিষ্ঠিৰে ভায়েকহঁতক সুধি চালে, ৰাজসূয় যজ্ঞ পতা-নপতাৰ কথা। তেওঁলোক আটাইকেয়োজনে যুধিষ্ঠিৰক সেই যজ্ঞ পাতিবলৈ উৎসাহ দিলে। পাত্ৰ-মন্ত্ৰী সকলকো সুধিলে। সকলোৱে কথাটো সমৰ্থন কৰি ক'লে, "মহাৰাজ, তাতকৈ উত্তম কথা আৰু কি হ'ব পাৰে! সম্ৰাট হ'বৰ বাবে আপোনাতকৈ বেচি উপযুক্ত নৃপতি এই ভাৰতবৰ্ষত আৰু কোন আছে! ৰাজসূয় যজ্ঞ পাতিবৰ বাবে এয়েই উৎকৃষ্ট সময়। কিন্তু, তাৰ আগতে আপোনাৰ শুভাকাংক্ষী দ্বাৰকাধিপতি কৃষ্ণৰ পৰামৰ্শ লোৱা প্ৰয়োজন।"

সকলো কথা ভাবি-চিন্তি যুধিষ্ঠিৰে কৃষ্ণৰ পৰামৰ্শ বিচাৰি এজন অতি খৰতকীয়া দূতে দ্বাৰকালৈ পঠিয়াই দিলে। আনুষ্ঠানিক উত্তৰ এটা দিবলৈ মন নকৰি কৃষ্ণ নিজেই সোঁ-শৰীৰেৰে ইন্দ্ৰপ্ৰস্থত ওলালহি। তাৰ পাচত, কৃষ্ণ আৰু পাণ্ডৱসকলৰ মন্ত্ৰণা-সভা বহিল।

কৃষ্ণই আৰম্ভ কৰিলে, "মহাৰাজ, যজ্ঞৰ অধিকাৰী হ'ব পৰা সকলো গুণেই আপোনাৰ আছে। কিন্তু, তাৰ আগতে মই কেইটামান কথা কৈ ল'ব খুজিছোঁ, শুনক। পৃথিৱীত এতিয়া যিমানবোৰ ৰজা আছে, সেই সকলোবোৰ পুৰুৰবা বা ইক্ষ্বাকুৰ বংশধৰ। চাৰিওপিনে তেওঁলোকৰেই ৰাজত্ব। গোটেইখন পৃথিৱী যাৰ বশীভূত, তেওঁৱেই সম্ৰাট পদৰ অধিকাৰী। এতিয়া কথা হ'ল, এই সকলোবোৰ ৰজাক পাকে-প্ৰকাৰে বশীভূত কৰি ৰাখিছে, মগধৰ ৰজা জৰাসন্ধই। শিশুপাল সেই জৰাসন্ধৰ সেনাপতি। গতিকে, জৰাসন্ধ জীয়াই থকালৈকে, তেওঁ যে

কাৰোবাৰ বশ্যতা স্বীকাৰ কৰিব, সেয়া মোৰ মনে নধৰে। তদুপৰি, সকলোবোৰ ৰজাই জৰাসন্ধৰ ভয়তে আপোনাৰ বিৰোধিতা কৰিব, এই কথা খাটাং। কেৱল আপোনাৰ মোমাইদেৱেক পশ্চিম আৰু দক্ষিণ দেশৰ ৰজা পুৰুজিৎ আপোনাৰ পক্ষে থাকিব। আনহাতে, আনকি আমাৰ কুটুম্বস্বৰূপ ৰজা ভীষ্মকেও হয়তো আপোনাৰ পক্ষ ল'বলৈ দোধোৰ-মোধোৰ কৰাৰ সম্ভাৱনা।"

"মহাৰাজ, এই জৰাসন্ধৰ বিষয়ে আৰু দুটামান কথা কওঁ, শুনক। জৰাসন্ধ মহাদুৰ্মতি কংসৰ শহুৰেক। কংসই জৰাসন্ধৰ দুজনী জীয়েক অস্তি আৰু প্ৰাপ্তিক বিয়া কৰাইছিল। শহুৰেকৰ বল-পৰাক্ৰমৰ ওপৰত নিৰ্ভৰ কৰিয়েই কংসই সকলোৰে ওপৰত দৌৰাত্ম্য কৰি ফুৰিছিল। তাৰ পাচত, দাদা বলৰাম আৰু মই কংসক বধ কৰি সকলোকে অলপ স্বস্তিৰ নিশ্বাস ল'বলৈ দিলোঁ। কিন্তু, জৰাসন্ধক আমি জোকাই নল'লোঁ। কাৰণ, আমি বুজি লৈ দেখিছিলোঁ, প্ৰায় তিনি শ বছৰ নেৰানেপেৰাকৈ যুঁজ কৰিব পাৰিলেহে জৰাসন্ধৰ সেনাবাহিনী সংহাৰ কৰিব পাৰিম।"

"আমি নো কিয় মথুৰা এৰি দ্বাৰকালৈ আহি নতুন এখন দেশ পাতি ল'লোঁ,—সেয়াও কওঁ, শুনক। হংস আৰু ডিম্ভক নামেৰে দুজন ৰজা জৰাসন্ধৰ সোঁ হাত বাওঁ হাতৰ লেখীয়া আছিল। তেওঁলোকৰ লগতো আমাৰ দীঘলীয়া যুদ্ধ হৈছিল। অৱশেষত, বলৰামে হংস বোলাজনক বধ কৰিলে। তাতে মনৰ দুখত ডিম্ভক বোলাজনে পানীত জাঁপ দি আত্মহত্যা কৰিলে। থাকিলগৈ অকলশৰীয়া জৰাসন্ধ। জৰাসন্ধই কোনোবা দিনা জোঁৱায়েক কংসৰ মৃত্যুৰ শোধ ল'বলৈ মথুৰা আক্ৰমণ কৰে বুলিয়েই আমি ৰৈৱতক পৰ্বতৰ কাষত দ্বাৰকাত নগৰ পাতি ল'লোঁহি। এই নগৰ এনে দুৰ্গম যে জৰাসন্ধহে নেলাগে, কোনো দেৱতায়ো তাত প্ৰৱেশ কৰিব নোৱাৰে; আৰু এই নগৰ প্ৰাকৃতিক বাধাৰ দ্বাৰাই এনে সুৰক্ষিত যে, আনকি তিৰোতা-প্ৰহৰীয়েও তাক ৰক্ষা কৰিব পাৰে। তথাপি, যদুবংশৰ সকলোৱে মথুৰাৰ কথা সদায় সোঁৱৰে।"

"মহাৰাজ, সেইকাৰণেই কৈছোঁ—জৰাসন্ধ জীয়াই থকালৈকে আপুনি ৰাজসূয় যজ্ঞ পাতিব নোৱাৰিব নেকি! জৰাসন্ধই মহাদেৱৰ বৰ পাই

চাৰি কুৰি ছ'জন ৰজাৰ ৰাজ্য জয় কৰি তেওঁৰ ৰাজধানীত কাৰাবন্দী কৰি থৈছে। আৰু চৈধ্যজন ৰজাক বন্দী কৰি অনা দিনলৈ তেওঁ বাট চাই আছে। এশ' জন হ'লেই জৰাসন্ধই তেওঁলোকক ৰাজহুৱাকৈ বলি দিব। আপুনি যদি সঁচাসঁচিকৈয়ে ৰাজসূয় যজ্ঞ পাতিবলৈ হেঁপাহ কৰিছে, তেনেহ'লে এই ৰজাকেইজনক মুক্তি দিয়াৰ আৰু জৰাসন্ধক বধ কৰাৰ বাবে চেষ্টা কৰিব লাগিব।"

কৃষ্ণৰ মুখত সকলো কথা শুনাৰ পাচত ভীমে মাত লগালে, "কৃষ্ণ, অৰ্জুন আৰু মই—আমি তিনিওজনে মিলি জৰাসন্ধক জানো জয় কৰিব নোৱাৰিম! নিশ্চয় পাৰিম।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "ভীম আৰু অৰ্জুন যেনিবা মোৰ দুটা চকু। আৰু জনাৰ্দন কৃষ্ণ হ'ল মোৰ হৃদয়! এই তিনিওজনকে মই সেই মহাবিপদৰ মুখলৈ ঠেলি দি কেনেকৈ জীৱন ধাৰণ কৰিম! যি বুজিছোঁ, এই জৰাসন্ধক স্বয়ং যমৰাজেও পৰাভূত কৰিব নোৱাৰে। গতিকে, কোনো প্ৰয়োজন নাই ৰাজসূয় যজ্ঞ পাতি বিলাস কৰাৰ। মই সেইবোৰ বাসনা ত্যাগ কৰিলোঁ।"

অৰ্জুনে মাত দিলে, "মহাৰাজ, আমি যথেষ্ট বাহুবল, বহু দুৰ্লভ অস্ত্ৰ-শস্ত্ৰ, এক দুৰন্ত যৌৱন আৰু প্ৰচুৰ সদিচ্ছাৰ অধিকাৰী। এনে ক্ষেত্ৰত মই বল প্ৰয়োগ কৰাটোকেই সমীচীন বুলি ভাবিছোঁ। তথাপি, আপুনি যদি আপোনাৰ সংকল্প ত্যাগ কৰে, তেনেহ'লে আপোনাৰ অক্ষমতাহে প্ৰকাশ পাব। যদি শান্তিকামী সন্ন্যাসী হ'ব খুজিছে, তেনে-হ'লে এতিয়াৰ পৰা গেৰুৱা কাপোৰ পিন্ধিবলৈ লওক। আৰু যদি ৰাজত্ব কৰিব খুজিছে, তেনেহ'লে সম্ৰাট হওক আৰু শত্ৰুক দমন কৰিবলৈ প্ৰস্তুত হওক।"

কৃষ্ণই তেতিয়া ক'লে, "সখা অৰ্জুনে ভৰতবংশীয় বীৰৰ মুখত শোভা পোৱা কথাকেই কৈছে। পৰিস্থিতিৰ মুখামুখি নোহোৱাকৈ কোনোবা কেতিয়াবা অমৰ হৈছে বুলি মই শুনা নাই। কেতিয়াবা সন্মুখ-যুদ্ধ নকৰাকৈয়ো পৰিস্থিতিৰ মুখামুখি হ'ব পাৰি। জৰাসন্ধ সম্বন্ধেও মোৰ সেইটোৱেই মত। জৰাসন্ধক ছল-চাতুৰীৰে দমন কৰিব লাগিব।

আমি ছদ্মবেশ ধাৰণ কৰি জৰাসন্ধৰ ঘৰত সোমাবগৈ লাগিব আৰু তেওঁক অকলশৰীয়াকৈ লগ ধৰি বধ কৰিব লাগিব। বহুতো নৃপতিক নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈহে আমি এই কাম কৰিম। তাৰ ফলত যদি আমি কেনেবাকৈ মৰোঁ, তেনেহ'লে আমি স্বৰ্গলাভ কৰিম।"

এনেতে যুধিষ্ঠিৰে সুধিলে, "কৃষ্ণ, তুমি যাৰ কোৰাচোন—এই জৰাসন্ধ নো আচলতে কোন? কেনেকৈ সি ইমান পৰাক্ৰমী হৈ উঠিল যে, অগ্নিতুল্য তোমাক স্পৰ্শ কৰিও সি ছগাৰ লেখীয়াকৈ পুৰি মৰাৰ সলনি দুৰ্দান্ত প্ৰতাপেৰে জীয়াই থাকে?"

কৃষ্ণই তেতিয়া ক'বলৈ আৰম্ভ কৰিলে, "মহাৰাজ, কওঁ শুনক, এই জৰাসন্ধ কোন আৰু তাৰ জন্মকথা—যাৰ অত্যাচাৰত আমি মথুৰা এৰি দ্বাৰকা পালোঁগৈ। বৃহদ্ৰথ নামেৰে মগধত এজন ৰজা আছিল। মহা প্ৰতাপী ৰজা—তিনি অক্ষৌহিণী সেনাৰ অধিপতি। তেওঁ কাশীৰাজৰ দুজনী যঁজা জীয়েকক বিয়া কৰাইছিল। তেওঁ দুয়োজনী ৰাণীকে কৈ থৈছিল, পুত্ৰ-সন্তান হ'লে দুয়োৰে দুয়োজন পুত্ৰক আধা-আধা ৰাজ্যৰ ৰজা পাতিব। পিচে বয়স উকলি যাওঁ-যাওঁ হ'লগৈ, কিন্তু তেওঁ সন্তানৰ মুখেই দেখা নেপালে। এদিন চণ্ডকৌশিক নামৰ এগৰাকী মুনিয়ে বৃহদ্ৰথ ৰজাক আম এটা দিলে আৰু পুত্ৰলাভৰ কামনাৰে ৰাণীক খাবলৈ দিবলৈ ক'লে। ৰজাই আমটো দুফাল কৰি দুয়োগৰাকী ৰাণীকে খাবলৈ দিলে। সময়ত দুয়োজনী ৰাণীয়ে দুছিৰা ল'ৰাৰ জন্ম দিলে। একে-দিনাই একেসময়তে দুয়োছিৰা ল'ৰা পৃথিৱী পালেহি। আধাফাল মূৰ, এটা চকু, এখন হাত, এখন ভৰি আৰু আধাফাল পেটৰ গৰাকী—এছিৰা ল'ৰাও ওপজাতে থৰ নহয়। ভাবি-চিন্তি দুয়োজনী ৰাণীৰ ধাই দুজনীয়ে কাপোৰ একোখনেৰে ঢাকোন দি বাহিৰ-চোতালত সেই সন্তান দুছিৰা পেলাই থৈ আহিলগৈ।

"তেনেকুৱাতে সেইপিনেদি জৰা নামৰ ৰাক্ষসিনী এজনী গৈ আছিল। মঙহৰ গোন্ধ পাই গুৰ চাপি আহিল। তাইৰ কিবা মন গ'ল, দুয়োছিৰা কেঁচুৱা চপাই আনি কাটে কাটে জোৰা দি উলিয়ালে। লগে লগে সেইটো তেনেই গোটাসজীয়া কেঁচুৱা এটা হৈ পৰিল! ৰাক্ষসিনীয়ে

দাঙিবলৈ লৈয়ো তাক দাঙিবই নোৱাৰিলে। কেঁচুৱাটোৱে হাতৰ মুঠিটোকে মুখত লৈ চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। জৰা ৰাক্ষসীয়ে তেতিয়া মাক এজনীৰ মূৰ্ত্তি ধাৰণ কৰি কেঁচুৱাটো কোলাত তুলি ল'লে। তাই কেঁচুৱাটো আনি ৰজাক ভেটিয়ালেহি।"

"ৰজাই তাইক সুধিছিল, তুমি কোন? তাই উত্তৰ দিছিল, মই আপোনাৰ কাৰেঙতে থাকোঁ। প্ৰত্যেক মানুহৰ ঘৰতে গৃহস্থৰ কল্যাণ কামনা কৰা একোগৰাকী অশৰীৰী কোনোবা থাকে। তেওঁলোকক ব্ৰহ্মাই সৃষ্টি কৰিছে। তেওঁলোকেই কাৰোবাৰ বাবে গৃহলক্ষ্মী, কাৰোবাৰ বাবে ঘৰজেউঁতি। ময়ো তেনেকুৱাই এগৰাকী কোনোবা। অৱশ্যে, মই ৰাক্ষসী। আপোনাৰ কাৰেঙৰ দেৱালে-দেৱালে মোৰ ছবি আঁকি থৈ মোক যে ধূপ-ধূনা জ্বলাই নিতৌ অৰ্চনা কৰে, মই সেইবাবেই আপোনাৰ কল্যাণ কামনা কৰোঁ। এইবুলি কৈয়েই জৰা ৰাক্ষসী নোহোৱা হৈ পৰিল।"

"জৰা ৰাক্ষসীয়ে যে দুছিৰা কেঁচুৱাৰ সন্ধি ঘটাই এটা গোটাসজীয়া কেঁচুৱা কৰি পুনৰ্জীৱন দিছিল, সেইবাবেই তাৰ নাম থোৱা হ'ল— জৰাসন্ধ! সেই জৰাসন্ধই মহাদেৱৰ নিৰ্মালি পাই প্ৰচণ্ড শক্তিৰ অধিকাৰী হৈ পৰিছে। এবাৰ সি তাৰ বিৰাট গদাডাল নিৰানব্বৈ বাৰ মূৰৰ ওপৰত ঘূৰাই তাৰ মগধ ৰাজ্যৰ ৰাজধানী গিৰিব্ৰজৰ পৰা মই বাস কৰা মথুৰালৈ দলি মাৰি পঠাইছিল। সেই গদা নিৰানব্বৈ যোজন আঁতৰত থকা মথুৰাৰ ওচৰত ঠাই এখনত পৰিছিলহি। সেই ঠাইডোখৰৰে নাম গদাবসান। তাৰ হিচাপত অকণমান খেলিমেলি হৈছিল বুলিয়েই জানিবা মোৰ জীৱনাবসান নঘটিল।"

তাৰ পাচত, কৃষ্ণই গোটেইখিনি কথাৰ মোখনি মাৰি ক'লে, "সেই-কাৰণেই মই কৈছোঁ, জৰাসন্ধক আঁতৰাবলৈ হ'লে মুখামুখি যুঁজৰ বাট ল'ব নোৱাৰি। তাক ছল-চাতুৰী কৰিহে আঁতৰাব পৰা যাব। সি এতিয়া তেনেই অকলশৰীয়া। কংসক মই বধ কৰিছোঁ; হংসক বলৰামে বধ কৰিছে; ডিম্ভক আপোনঘাতী হৈছে। গতিকে, জৰাসন্ধ বধৰ এয়েই সময়। আপোনাৰ আশীৰ্বাদত মই ৰণকৌশলী, ভীম মহা বাহুবলী

আৰু অৰ্জুন সুদক্ষ শস্ত্ৰবিদ্। গতিকে, আমি তিনিজন মিলি তাৰ বাবে এক নিশ্চিত মৃত্যু। নিৰ্জন ঠাইলৈ গৈ আমি যদি তাক আহ্বান কৰোঁ, সি নিশ্চয় আমাৰ এজনৰ লগত যুদ্ধ কৰিবলৈ সম্মত হ'বই। আকৌ, সি যিহেতু বাহুবলী বুলি মনে মনে বাৰুকৈয়ে অহংকাৰী, সি মোৰ বা অৰ্জুনৰ লগত যুদ্ধ কৰাটো অপমানৰ কথা বুলিয়েই বিবেচনা কৰিব। সি মহাবলী ভীমকেই মল্লযুদ্ধ কৰিবলৈ প্ৰত্যাহ্বান জনাব। সেয়ে হ'লে, ভীমৰ হাতত তাৰ মৰণ সুনিশ্চিত। সি নেজানে, ভীমে তাৰ জোৰা লাগি থকা দুছিৰা মানুহটোক আকৌ জোৰা সোলোকাই দুছিৰা কৰি পেলাব।"

কৃষ্ণৰ কথাত অৰ্জুন সন্তুষ্ট হ'ল, ভীম উদ্বুদ্ধ হ'ল আৰু যুধিষ্ঠিৰ আশ্বস্ত হ'ল। যুধিষ্ঠিৰে নীৰৱতা ভংগ কৰি ক'লে, "হে জনাৰ্দন, মোৰ বিশ্বাস হৈছে—জৰাসন্ধ নিহত হ'ব, বন্দীঘৰ যন্ত্ৰণা ভোগ কৰি থকা ৰজাবিলাকে মুক্তি লাভ কৰিব আৰু মোৰ স্বৰ্গীয় পিতাৰ মনোবাঞ্ছা পূৰণ কৰি মই ৰাজসূয় যজ্ঞ সম্পন্ন কৰিবলৈ সক্ষম হ'ম।"

## ॥ জৰাসন্ধ বধ ॥

কেইদিনমানৰ পাচতে ব্ৰহ্মচৰ্যাশ্ৰম শেষ কৰি গৃহস্থাশ্ৰমত সদ্যহতে প্ৰবেশ কৰা তিনিজন স্নাতক-ব্ৰাহ্মণৰ ছদ্মবেশ ধাৰণ কৰি কৃষ্ণ, ভীম আৰু অৰ্জুনে মগধৰ অভিমুখে যাত্ৰা কৰিলে। কেইবাখনো দেশ আৰু নদী পাৰ হৈ তেওঁলোক মগধৰ ৰাজধানী গিৰিব্ৰজৰ উপকণ্ঠত উপস্থিত হ'লহি। তাতে তেওঁলোক অলপ থমকি ৰৈ এটা সৰুসুৰা ধৰণৰ অঘটন ঘটাই লোৱাৰ কথা চিন্তা কৰিলে। তেওঁলোকে ওচৰতে থকা চৈত্যক নামৰ পাহাৰটোৰ এটা শৃংগ ভাঙি দুফাল কৰিলে। তাৰ পাচত, সেইফালেদিয়েই আহি তেওঁলোকে নগৰৰ পিচ-দুৱাৰেদি ধুমুহাৰ বেগেৰে ৰাজধানীত প্ৰৱেশ কৰিলেহি।

তাৰ পাচত, তেওঁলোক তিনিও জৰাসন্ধৰ ৰাজ-কাৰেঙৰ ভিতৰ-চ'ৰাত সোমাল। কোনেও তৰ্ক'বই নোৱাৰিলে। জৰাসন্ধই সেইদিনাখন

কিবা এটা ব্ৰত পালন কৰি লঘোণ খাটি আছিল। সমুখত তিনিজন স্নাতক-ব্ৰাহ্মণ দেখা পাই তিনিখন শৰাইত ফল-মূলৰ উপচাৰ আগবঢ়াই দি জৰাসন্ধই তেওঁলোকক আদৰি লৈ বহিবলৈ দিলে। তেওঁলোকে যেতিয়া আসন গ্ৰহণ কৰিলে তেতিয়া জৰাসন্ধই সুধিলে, "আপোনালোকক তেনেই ব্ৰাহ্মণৰ লেখীয়াই দেখিছোঁ। কিন্তু মই মন কৰিছোঁ, আপোনালোকৰ বাহুত দেখোন ক্ষত্ৰিয়সকলৰ দৰে সদায় কাঢ়িয়াই লৈ ফুৰোৱা ধনুৰ গুণডালে কটা সাঁচ। আপোনাসকলে ফল-মূলৰ উপচাৰো নছুলে, আশীৰ্বাদ বুলিও বচন এটা উচ্চাৰণ নকৰিলে! নগৰতো সোমালাহি পিচ-দুৱাৰেদি, মোৰ কাৰেঙতো সোমালাহি পিচ-দুৱাৰেদি। গোটেইবোৰ কথা মোৰ আচহুৱা যেন লাগিছে। আপোনালোকে বাৰু মোৰ কৌতূহল দূৰ কৰিব নে?"

কৃষ্ণই তেতিয়া গম্ভীৰ মাতেৰে ক'বলৈ ধৰিলে, "মহাৰাজ, শুনক তেনেহ'লে। আমি তিনিওজন ক্ষত্ৰিয়; আপুনি জানেই, ক্ষত্ৰিয়ৰ পিন্ধন-উৰণৰ ধৰণ ব্ৰাহ্মণৰ লেখীয়াই। ক্ষত্ৰিয়ৰ বাক্যবল বাহুবলতকৈ তাকৰীয়া। সেইকাৰণেই, আশীৰ্বাদ দিবৰ জোখাৰে বাক্যৰ নাটনি হ'ল। বাহুবল চাব খুজিলে, দেখুৱাম। আকৌ, আমি যে আগ-দুৱাৰেদি নোসোমাই পিচ-দুৱাৰেদি সোমালোঁহি, শত্ৰুৰ কাষলৈ যোৱাৰ নিয়ম সেইটোৱেই। আৰু সেইকাৰণেই আমি আপুনি আগবঢ়োৱা ফল-মূলৰ শৰাইবোৰ নছুলোঁ।"

জৰাসন্ধই আচৰিত মানি ক'লে, "মোৰ দেখোন আপোনালোকৰ লগত শত্ৰুতা কৰাৰ কথা মনতে নপৰে। মোক আকৌ শত্ৰু পাতিছেহি কিয়?"

কৃষ্ণই এইবেলি আৰু অলপ কঠুৱা মাতেৰে ক'লে, "তুমি গোটেই ক্ষত্ৰিয় জাতিৰে উমৈহতীয়া শত্ৰু। তুমি অতবোৰ ক্ষত্ৰিয় ৰজাক বন্দী কৰি থৈছাহি কোনোবা দেৱতাৰ আগত বলি দিবলৈ, তোমাক কোন ক্ষত্ৰিয়ই শত্ৰু বুলি নেভাবিব। তোমাক ক্ষমা কৰিলে, আমাকো পাপে চুব। তুমি নিজে ক্ষত্ৰিয় হৈ ক্ষত্ৰিয় ৰজাৰ দলক পহু-ছাগলীৰ দৰে বলি দিবা বুলি ভাবি থৈছা। আমি তাৰে গোতক তুলিবলৈ আহিছোঁ।

আমাৰ পৰিচয়কেইটা দিছোঁ, শুনা। মই তোমালোকৰ কংসৰ নিধন-কৰোঁতা কৃষ্ণ; এওঁলোক দুজন পাণ্ডুপুত্ৰ। আমি তোমাক আদেশ দিছোঁ, হয় ৰজাসকলক মুক্তি দিয়া, নহয় যমৰ আলহী হ'বলৈ সাজু হোৱা।"

জৰাসন্ধই উত্তৰ দিলে, "কৃষ্ণ, জয় কৰি অন্যজনক লৈ যিহকে ইচ্ছা যায়, তিহকে কৰাটোৱেই ক্ষত্ৰিয়ৰ নিয়মবিধি। মই সিহঁতক বলি দিম বুলিয়েই আনি থৈছোঁ, এতিয়া তোমাৰ ঘোপা চকু দেখিয়েই বন্দীশাল উদং কৰি দিম নে? তোমালোকে মোৰ লগত কেনেদৰে যুঁজিবলৈ আহিছা, কোৱাঁ। অকলশৰীয়াকৈ এজন এজনকৈ নে একেলগে তিনিওজনে?"

কৃষ্ণই ক'লে, "তুমিয়েই কোৱা, কোনজনৰ লগত যুঁজি মৰিব খুজিছা?"

জৰাসন্ধই ভীমৰ লগতে যুঁজিবলৈ থিৰাং কৰিলে। ভীমেও টকালি পাৰি উঠিল। ভীম আৰু জৰাসন্ধ দুয়ো ভাবিলে, এইবেলি শেনৰ এক জাত!

তাৰ পাচত, দুয়োৰো মাজত প্ৰবল মাল-যুঁজ আৰম্ভ হ'ল। ইজনে-সিজনৰ সিজনে-ইজনৰ বাহুত খামুচি ধৰি, ক'কালত মেৰাই ধৰিও কোনেও কাকো বগৰাব নোৱাৰিলে। মাথোন ভুকুৱাই-চপৰিয়াই ইজনে-সিজনৰ গা'টো উখহালে। এইদৰে কাতি মাহৰ আৰম্ভণিৰ পৰা চৈধ্য দিন চৈধ্য ৰাতি একেৰাহে যুঁজ চলিয়েই থাকিল। কৃষ্ণই মন কৰিলে, জৰাসন্ধৰ বল লাহে লাহে ভাগি আহিছে। তাকে দেখি তেওঁ ভীমক সকীয়াই দিলে, "ভাগৰি পৰা শত্ৰুক বেচিকৈ খেকেচিলে তেওঁ মৰাৰ আশংকা থাকে। গতিকে, অলপ-অচৰপ ঢিলাই দিলেহে শত্ৰুৱে তৰণি পায়।" ঠাৰে-চিয়াৰে কোৱা কথাষাৰৰ অৰ্থ ভীমে ধৰিব পাৰিলে। ভীমে জৰাসন্ধক আৰু অলপ নিকপকেপীয়াকৈ খামুচি ধৰিলে। অলপ পাচতে ভীমে তেওঁক খেকেচিবলৈ লাগিল। কৃষ্ণই আকো সকীয়াই দিলে, "এইবাৰ তুমি বজাই দিয়া, তুমি যে বায়ুনন্দন!"

লগে লগে ভীমে জৰাসন্ধক মুৰৰ ওপৰলৈ দাঙি টাকুৰী ঘূৰোৱাদি

ঘৰাবলৈ ধৰিলে। তাৰ পাচত, জৰাসন্ধক দলি মাৰি পঠিয়ালে। জৰাসন্ধ মাটিৰ পৰা উঠিবলৈ নৌ-পাওঁতেই ভীমে তেওঁৰ ভৰি এখন গচক মাৰি ধৰিলে। তাৰ পাচত, আনখন ভৰি দুয়ো হাতেৰে খামুচি ধৰি ফেৰেকামুৰাকৈ তুলি ধৰিলে। হঠাৎ, জৰাসন্ধ মানুহটো দীঘলে-দীঘলে দুছিৰা হৈ পৰিল। তাৰ আগে আগে মাথোন এটা আকাশ ফালি নিয়া চিঞৰৰ শুনা গ'ল। তাৰ লগতে মিহলি হৈ পৰিল, ভীমৰ মুখৰ পৰা ওলোৱা এটা মেঘৰ লেখীয়া গাৰ্জনি।

ভীমে জৰাসন্ধৰ মৰা-শ দুছিৰা কাৰেঙৰ বাহিৰত পেলাই থৈ আহিলগৈ। তাৰ পাচত, তিনিওজনে একেলগে গৈ বন্দীশালৰ পৰা বান্দ দিবলৈ বুলি বন্দী কৰি থোৱা ৰজাসকলক মুকলি কৰি দিলে। তেওঁলোক সকলোৱে কৃষ্ণ আৰু ভীমাৰ্জুনৰ ওচৰলৈ আহি তেওঁলোকৰ অন্তৰৰ কৃতজ্ঞতা নিবেদন কৰিলে। তেওঁলোকে সমূহীয়াকৈ সুধিলে, "আমি আপোনাসকলক কেনেকৈ সন্তুষ্ট কৰিব পাৰোঁ, কওক। আপোনাসকলৰ কাৰণে মানুহৰ বাবে দুঃসাধ্য কাম কৰি দিবলৈয়ো প্ৰস্তুত।"

কৃষ্ণই তেওঁলোকক ক'লে, "আপোনালোকে আন একো কৰি দিব নেলাগে। মাথোন ধৰ্মৰাজ যুধিষ্ঠিৰে পাতিবলৈ লোৱা ৰাজসূয় যজ্ঞ যাতে সুকলমে পাতিব পাৰে, সেই বিষয়ত কণমান সহায় কৰি দিলেই হ'ব।"

ৰজাসকলে সন্মতি জনাই নিজ নিজ দেশলৈ বং মনেৰে যাত্ৰা কৰিলে। তেওঁলোকক বিদায় দিয়াৰ পাচত কৃষ্ণ ভীমাৰ্জুনে জৰাসন্ধৰ পুতেক সহদেৱক মগধৰ ৰাজসিংহাসনত বহুৱাই ইন্দ্ৰপ্ৰস্থ অভিমুখে যাত্ৰা কৰিলে।

## ॥ ৰাজসূয় যজ্ঞ ॥

জৰাসন্ধক বধ কৰাৰ পাচত যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ অনুষ্ঠানৰ কাম অতি সহজ হৈ পৰিল। সোনকালে চাৰিওজন ভায়েকে যুধিষ্ঠিৰৰ হৈ দিগ্বিজয়ৰ দায়িত্ব ভগাই ল'লে। অৰ্জুন ওলাল, উত্তৰৰ ৰাজ্যবোৰ কৰতলীয়া কৰিবৰ কাৰণে। ভীমৰ ভাগত পৰিল, পূবৰ ৰাজ্যবোৰ।

সেইদৰে সহদেৱৰ ভাগত পৰিল দক্ষিণৰ ৰাজ্যবোৰ আৰু নকুলৰ ভাগত পশ্চিমৰ ৰাজ্যবোৰ। প্ৰত্যেকেই অনায়াসে সেই ৰাজ্যবোৰ কৰতলীয়া কৰি ইন্দ্ৰপ্ৰস্থলৈ উভতি আহিল। মাথোন অৰ্জুনেহে প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তক সিমান সহজে কৰতলীয়া কৰিব পৰা নাছিল। ভগদত্ত ৰজাই কিৰাত আৰু অন্যান্য সৈন্যসকলক লৈ অৰ্জুনৰ লগত দুৰ্ধোৰ যুদ্ধ দিছিল। আঠ দিন একেৰাহে যুদ্ধ কৰাৰ পাচতো অৰ্জুনক অকণো ভাগিব নপৰা দেখি বৃদ্ধ ভগদত্তই হাঁহি হাঁহি কৈছিল, "বোপা, তুমি সঁচাসঁচিকৈয়ে ইন্দ্ৰপুত্ৰ আখ্যা পোৱাৰ উপযুক্ত। মই ইন্দ্ৰৰ সখা, তথাপি তোমাক পৰাভূত কৰিব পৰা নাই। তুমি কি বিচাৰি আহিছা, কোৱা।" অৰ্জুনে যুধিষ্ঠিৰৰ সম্ৰাট হোৱাৰ ইচ্ছাৰ কথা ক'লে আৰু ভগদত্তৰ ওচৰত তাৰ অনুমোদন বিচাৰিলে। ৰজা ভগদত্তই অৰ্জুনৰ লগত মিত্ৰতা কৰি ৰাজসূয় যজ্ঞ উপলক্ষে যুধিষ্ঠিৰলৈ বহু উপঢৌকন থাচিলে।

তাৰ পাচত, ৰজা যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ যথাযথ আয়োজন কৰিলে। কৃষ্ণৰ দিহা-পৰামৰ্শ লৈ সকলোবোৰ দেশৰ ৰজালৈ নিমন্ত্ৰণ পঠিয়ালে। ৰজাসকল আৰু ব্ৰাহ্মণসকলক অতিথি হিচাপে ৰাখিবলৈ অসংখ্য বাহৰ সজালে আৰু তামিঘৰা তৰি দিয়ালে। ব্যাসদেৱক প্ৰধান পুৰোহিত নিযুক্ত কৰিলে। লগতে আৰু বহুতক বিভিন্ন কামত সহায় কৰি দিবলৈ পাচনি-পুৰোহিত নিয়োগ কৰিলে।

যজ্ঞলৈ মাথোন কেইদিনমান থাকোঁতে গোটেইখন ভাৰতবৰ্ষৰ প্ৰায়-বোৰ ৰজা-ৰাজকোঁৱৰ ইন্দ্ৰপ্ৰস্থত উৰুৰি খাই পৰিলহি। যুধিষ্ঠিৰে সকলোকে পৰম সমাদৰেৰে অভ্যৰ্থনা জনালে। পিতামহ ভীষ্ম আৰু আচাৰ্য দ্ৰোণক সেৱা কৰি ক'লে, "আপোনাসকলৰ ওচৰতে মই সকলো-বোৰ দিহা-পৰামৰ্শ ল'ম। আপোনাসকলে এই বিষয়ত মোক অনুগ্ৰহ কৰিব।" তাৰ পাচত, যুধিষ্ঠিৰে সকলোকে গোটাই আনি কামৰ ভাৰ যোগ্যতা অনুসাৰে ভগাই দিলে। দুঃশাসনে খাদ্যবস্তুৰ ভঁৰালটোৰ ভাৰ ল'ব, অশ্বত্থামাই ব্ৰাহ্মণসকলক আদৰি অনাৰ দায়িত্ব ল'ব, সঞ্জয়ে ল'লে ৰজাসকলক অভ্যৰ্থনা জনোৱাৰ ভাৰ, কৃপাচাৰ্যক দিয়া হ'ল ধনৰত্ন

ৰখা আৰু দক্ষিণা দিয়াৰ ভাৰ। শেষত, বিদুৰক দিয়া হ'ল খৰচৰ ওপৰত চকু ৰখাৰ ভাৰ ; আৰু দুৰ্যোধনক দিয়া হ'ল অতিথিসকলে আগবঢ়োৱা উপহাৰ-উপঢৌকন হাঁহিমুখে গ্ৰহণ কৰাৰ ভাৰ। কৃষ্ণই নিজেই ক'লে, "মই ভাৰ ল'লোঁ, ভকত-অতিথিসকলৰ চৰণ পখালি দিয়াৰ ভাৰ।"

অৱশেষত, যজ্ঞৰ দিনটো পালেহি। দেৱৰ্ষি নাৰদ আৰু আন আন মহৰ্ষিসকল যজ্ঞশালাত সোমালহি। চাৰিওপিনে উৰুঙা কথাৰ হাই-উৰুমিৰে খলক লাগি পৰিল। প্ৰত্যেকেই দেখুৱাব খুজিলে, শাস্ত্ৰৰ কথা তেওঁতকৈ কোনেও বেচি নেজানে। সেইকাৰণে, কোনে যে কিমান সৰু-সুৰা কথা একোটাতে ডাঙৰ খুত এটা ধৰি তাকে উথহাই-ওফোন্দাই বিয়াগোম ভুল যেন কৰি দেখুৱালে, তাৰ লেখ দিব নোৱাৰি। টুলুঙা কথা একোটাও গহীন হৈ পৰিল, গহীন কথা একোটাও আন কথাৰ লাচতে তল পৰিল। সেইবোৰ উৰুঙা কথাৰ ঢল বৈ আছে আৰু নাৰদে মনে মনে আচল কথাষাৰ গমি চাইছে, 'হায়, এই ৰজাবোৰে যদি জানিলেহেঁতেন, ইহঁত সকলোকে নাৰায়ণে নিজেই সংহাৰ কৰিম বুলি পৃথিৱীত অৱতাৰ হৈছেহি।'

এনেতে ভীষ্মই যুধিষ্ঠিৰক ক'লে, "এতিয়া ৰজাসকলক যথাযোগ্য অৰ্ঘ্য নিবেদন কৰাৰ সময় হৈছে। ছ'বিধ মানুহক অৰ্ঘ্য দিব পাৰি। তেওঁলোক হ'ল গুৰু, পুৰোহিত, সম্পৰ্কীয়জন, স্নাতক, হিতৈষী বন্ধু আৰু ৰজা। ইচ্ছা কৰিলে এওঁলোকৰ ভিতৰত সৰ্বশ্ৰেষ্ঠজনকে অৰ্ঘ্য দি কাম চমুৱাব পাৰা।"

যুধিষ্ঠিৰে ক'লে, "পিতামহ, আপুনি এওঁলোকৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ-জনৰ নামটো কওকচোন, যিজনক অৰ্ঘ্য নিবেদন কৰিলে সকলোকে অৰ্ঘ্য দিয়াৰ সমতুল্য হ'ব। মই এইটো অনুষ্ঠান চমু কৰোঁ বুলি ভাবিছোঁ।"

ভীষ্মই উত্তৰ দিলে, "নিঃসন্দেহে কৃষ্ণ। সূৰ্যৰ পোহৰে যিদৰে অন্ধকাৰ দূৰ কৰে, বায়ুৱে ছাটিয়ে যিদৰে নিষ্চলতা দূৰ কৰে, সেইদৰে কৃষ্ণই এই সভা পোহৰাই তুলিছে আৰু প্ৰাণময় কৰি ৰাখিছে।"

ভীষ্মৰ পৰামৰ্শ লৈ যুধিষ্ঠিৰে সহদেৱৰ হতুৱাই কৃষ্ণৰ ওচৰলৈ গৈ

সভাৰ সৰ্বশ্ৰেষ্ঠজন বুলি অৰ্ঘ্য নিবেদন কৰিলে। কৃষ্ণয়ো সেই অৰ্ঘ্য অতি বিনয়েৰে গ্ৰহণ কৰিলে। তাকে দেখি চেদিৰাজ শিশুপাল খণ্ডত টিঙিৰি-তুলা হৈ উঠিল। যুধিষ্ঠিৰৰ ওচৰলৈ গৈ শিশুপালে কৃষ্ণক নিন্দা কৰিবলৈ ধৰিলে, "শুনা যুধিষ্ঠিৰ, ইমানবোৰ ৰজা-মহাৰজা থাকোঁতে, তেওঁলোকক নেওচি কৃষ্ণক তুমি শ্ৰেষ্ঠজনৰ প্ৰাপ্য অৰ্ঘ্য কি বুলি যাচিলা ? মই বাৰু মানি লʼলোঁ, তোমালোক সৰু লʼৰা—ধৰ্মৰ সূক্ষ্ম তত্ত্ব নেজানা ; কিন্তু ভীষ্মক কিহে পালে, এনে অধৰমী কাম কৰিবৰ বাবে তোমালোকক উপদেশ দিবলৈ ? কৃষ্ণ কোন ৰাজ্যৰ ৰজা ? কৃষ্ণ যে কোনো ৰাজ্যৰ ৰজা নহয়, নেজানা নে ? আৰু যদি বয়োবৃদ্ধজনক অৰ্ঘ্য দিয়াৰ কথা ভাবিছিলা, তেনেহʼলে বসুদেৱ থাকোঁতে সিজনৰ পুতেকক অৰ্ঘ্য যাচিলা কিয় ? আকৌ যদি পাণ্ডৱৰ হিতৈষী কোনোবা বুলি অৰ্ঘ্য দিছিলা, তেনেহʼলে ৰজা দ্ৰুপদক পাহৰি কৃষ্ণক কি বুলি অৰ্ঘ্য যাচিলা ? আৰু যদি আচাৰ্য বুলি অৰ্ঘ্য দিছিলা, দ্ৰোণাচাৰ্যক পাহৰিলা কেনেকৈ ? যদি কৃষ্ণক পুৰোহিত বুলি ভাবিয়েই অৰ্ঘ্য দিছিলা, তেনেহʼলে বৃদ্ধ ব্যাসদেৱক পাহৰিলা কোন বুদ্ধিৰে ? শুনা যুধিষ্ঠিৰ, কাকোৱেই তোমাৰ মনত নপৰিল নে—মৃত্যু যাৰ ইচ্ছাধীন, সেই পুৰুষশ্ৰেষ্ঠ ভীষ্মক ? সৰ্বশাস্ত্ৰবিশাৰদ বীৰ অশ্বত্থামাক ? তোমাৰ পিতাৰাৰ বন্ধু ৰজা ভীষ্মকক ? অথবা অতবোৰ ৰজা-মহাৰজাসকলৰ মাজৰ অন্য কাকোৱেই ?"

অলপ থমকি ৰৈয়েই শিশুপালে আকৌ আৰম্ভ কৰিলে, "শুনা যুধিষ্ঠিৰ, আমি যে তোমাক কৰ দিছোঁ, সেয়া তোমালৈ ভয় কৰি অথবা কিহবালৈ লোভ কৰি দিয়া নাই। তোমাৰ ধৰ্মৰ প্ৰতি অনুৰাগ দেখিয়েই দিছোঁ। কিন্তু, তুমি সকলোকে মাতি আনি অপমান কৰিলা কিয় ? যি দুৰাত্মাই অন্যায় পথ লৈ জৰাসন্ধক হত্যা কৰিলে, সেই কৃষ্ণকেই অৰ্ঘ্য যাচি তুমি তোমাৰ ধৰ্মাত্মা-খ্যাতি নষ্ট কৰি দিলা। আৰু কৃষ্ণ, তোমাকো কৈছোঁ—তুমি বাৰু নিজকে অযোগ্য বুলি জানিও বুদ্ধিহত পাণ্ডৱৰ অৰ্ঘ্য গ্ৰহণ কৰিলা কিয় ? কুকুৰে যেনেকৈ ঘিউ পালে নেচেলেকি নোৱাৰে, তুমিও তেনেকৈ অৰ্ঘ্য পায়েই নলৈ নোৱাৰিলা !" এইদৰে আৰু

অনেক কথা বলাকি শিশুপাল আৰু কেইজনমান ৰজাক লগত লৈ যজ্ঞস্থলী ত্যাগ কৰি যাবলৈকে ওলাল।

যুধিষ্ঠিৰে শিশুপালৰ পিচে পিচে গৈ অনুনয়-বিনয় কৰি শিশুপালক মিঠা কথাৰে বুজাবলৈ ধৰিলে। ভীষ্ময়ো কৃষ্ণ যে অদ্বিতীয়, সেই কথাষাৰে ফঁহিয়াই ক'লে। তাৰ পাচতো শিশুপালৰ চটফটনি নকমা দেখি হঠাৎ সহদেৱৰ খঙে মূৰৰ চুলি পালেগৈ। সহদেৱে খাটাংকৈ কৈ দিলে, "কৃষ্ণক আমি অৰ্ঘ্য দিমেই। যিবিলাক ৰজাই তাকে সহ্য কৰিব পৰা নাই, মই সিবিলাকৰ মূৰত গোৰ শোধাওঁ। কাৰোবাৰ সাহস আছে যদি আগবাঢ়ি আহক, মই তাৰ প্ৰাণ লওঁ।" এইবুলি কৈ সহদেৱে ভৰি এখন দাঙি দেখুৱালতো কোনেও প্ৰতিবাদ কৰিবলৈ সাহস নকৰিলে।

ঘটনাৰ গতি দেখি যুধিষ্ঠিৰে প্ৰমাদ গণিলে। ভীষ্মই তেওঁক সান্ত্বনা দি ক'লে, "ভয় নকৰিবা, যুধিষ্ঠিৰ! পৰুৱাৰ পাখি গজে মাথোন মৰিবৰ বাবে। শিশুপালে এতিয়াও চিনি পোৱা নাই, কৃষ্ণ কোন!"

শিশুপাল আৰু একোব চৰিল। শিশুপালৰ ফলীয়া ৰজকেইজনেও ভীষ্ম আৰু কৃষ্ণক নানা কটু কথা কৈ জিভাৰ ফৰফৰণি মাৰিলে। লগে লগে শিশুপালে কৃষ্ণক ইতিকিং কৰি ক'বলৈ ধৰিলে, "আঃ, ভীষ্ম! তুমিও আমাক কৃষ্ণৰ কীৰ্ত্তিৰ কথা ক'বলৈ আহিলা? জনা আছে, কৃষ্ণৰ কীৰ্ত্তিৰ কথা। কেঁচুৱা হৈ থাকোঁতেই বোলে পূতনাক বধ কৰিছিল, তাৰ পাচত বোলে বৃষভাসুৰক বধিলে, কাঠৰ গাড়ী হেনো লাথিয়াই ভাঙিলে! সেইবোৰো আকৌ কীৰ্ত্তি! কটা স্ত্ৰী-হত্যাকাৰী, গো-হত্যাকাৰী! তাকে তোমালোকে শ্ৰেষ্ঠ পুৰুষ বুলি ক'বা? আকৌ বোলে গোবৰ্দ্ধন পৰ্বত নামৰ উঁই-হাফলু এটা মূৰৰ ওপৰত সাদিন লৈ আছিল! সেইটো নো কোনে কৰিব নোৱাৰে? কৃষ্ণই হেনো এদিন ক'ৰবাত খেলা খেলি থাকোঁতেই চেৰ খাই পেলালে! সেইটোও নো আচৰিত কথা হ'ল নে? আচৰিত কথা হ'ল, যি কংসৰ অন্ন খাই জীৱন ৰক্ষা কৰিছিল, সেই কংসকে হত্যা কৰিলে! হেৰা ভীষ্ম, তুমি বোলে মস্ত ধৰ্মজ্ঞ। তেন্তে লোকৰ বাগ্‌দত্তা অম্বাক হৰণ কৰিছিলা কিয়? তুমি বোলে সাংঘাতিক জ্ঞানী। তেনেহ'লে তোমালোকৰ

বংশ ৰক্ষা কৰিবলৈ তোমাৰ ভাই-বোৱাৰীক ব্যাসে কিয় সহায় কৰি দিবহি লগা হৈছিল কিয়? তোমাৰ একো ধৰ্ম নাই। তোমাৰ ব্ৰহ্মচৰ্য মাথোন এটা ফাকি। তোমাৰ ব্ৰহ্মচাৰী ৰূপ তোমাৰ ক্লীবতাৰেই সাক্ষী। নিঃসন্তানৰ যজ্ঞ কাৰ্য, দান-উপবাস সকলো ব্যৰ্থ। তুমি নিশ্চয় এইবোৰ কথা জানা।"

তাৰ পাচত শিশুপালে আকৌ এবাৰ কৃষ্ণক ভৰ্ৎসনা কৰা দেখি ভীমৰ খং উঠিল। ভীমে শিশুপালৰ পিনে চোঁচা লোৱা দেখি ভীষ্মই তেওঁক আগচি ধৰিলে আৰু ক'লে, "ভীম, তাক আপোনাৰ মৃত্যু আপুনি মাতি আনিবলৈ দিয়া। এই শিশুপাল উপজিবৰ সময়ত তাৰ চকু তিনিটা আৰু হাত চাৰিখন আছিল আৰু সি উপজিয়েই গাধৰ দৰে মাত মাতিছিল। তাক তাৰ মাক-বাপেকে পেলাই দিবলৈ ওলাইছিল। এনেতে তেওঁলোকৰ কাণত পৰিল দৈববাণী, বোলে তাৰ মৰিবৰ সময় হোৱাহি নাই—মাৰোঁতাজনেহে তাক মাৰিবহি। দুয়ো আকাশলৈ চাই সুধিলে, মাৰোঁতাজন নো কোন? আকৌ দৈববাণী হৈছিল, যিজনে তাক কোলাত ল'লেই ওপৰঞ্চি চকুটো আৰু ওপৰঞ্চি হাত দুখন খহি পৰিব, তেওঁৰ হাততে সি সময়ত মৰিবগৈ। তাৰ পাচত, বহুতে বহুতবাৰ তাক কোলাত ল'লে, সি কিন্তু কিম্ভুতকিমাকাৰ হৈয়েই ৰ'ল। এবাৰ কৃষ্ণ আৰু বলৰাম গৈছিল, পেহাক-পেহীয়েকক দেখা কৰি আহিবলৈ। শিশুপালক কৃষ্ণই কোলাত ল'বলৈহে পালে, তাৰ ওপৰঞ্চি হাত দুখন আপোনাআপুনি খহি পৰিল আৰু ওপৰঞ্চি চকুটোও মচ খাই গ'ল। পেহীয়েকে ভয় খাই কৃষ্ণক ক'লে, তুমি তাক ক্ষমা কৰা—তাক নেমাৰিবা। কৃষ্ণই ক'লে, ভয় নাই। মই তিনি সইত খাই কৈছোঁ, তাৰ এশ দোষ ক্ষমা কৰিম। এতিয়া দেখিছোঁ, শিশুপালে এশ দোষৰ ডেওনা পাৰ হ'বলৈ লৈছে।"

ভীষ্মৰ কথা শুনি শিশুপালে গৰজি উঠিল। কৃষ্ণই তেতিয়া শিশুপালৰ উভণ্ডাজিৰ তালিকাখন এফালৰ পৰা আওৰাই গ'ল, "হে ৰাজন্যবৰ্গ, আপোনালোকে চাওক, আমি যাদৱসকলে কোনেও শিশুপালৰ একো অন্যায় কৰা নাছিলোঁ। অথচ, আমি যেতিয়া প্ৰাগজ্যোতিষপুৰত

আছিলোঁগৈ, তেতিয়া সি আমাৰ দ্বাৰকা নগৰী পুৰি ছাৰখাৰ কৰি থৈ গৈছিল। ই মহাপাপীয়ে মোৰ পিতাৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰাটো চুৰ কৰি নিছিল। আকৌ, ই তাৰ মোমায়েকৰ জীয়েক ভদ্ৰাক পলুৱাই নিছিল, তাৰ বন্ধু-ৰজা এজনৰ হাতত গতাবৰ কাৰণে। আপোনা মানুহ বুলি সকলোবোৰ ক্ষমা কৰি গৈছিলোঁ। কিন্তু, তাৰ ডেওদোপাল চৰি আহিছে। তাৰ দোষৰ পৰিমাণে এশৰ ডেওনা চেৰাই গ'ল। গতিকে, মই তাক যথাযোগ্য শাস্তি দি ৰাজসূয় যজ্ঞৰ পৱিত্ৰতা ৰক্ষা কৰোঁ।" এইবুলি কৈয়েই কৃষ্ণই তেওঁৰ হাতৰ চক্ৰটোক শিশুপালৰ পিনে চলাই দিলে। লগে লগে শিশুপালৰ ডিঙিটো কটা গ'ল। মূৰটো ছিগি কোনোবাখিনিত পৰিলগৈ।

তাৰ পাচত, যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ বাধা-বিঘিনি নোহোৱাকৈ চলিবলৈ ধৰিলে। যজ্ঞৰ শেষত যুধিষ্ঠিৰক স্নান কৰোৱা হ'ল। সকলোবোৰ ৰজাই মানি ল'লে, ধৰ্মৰাজ যুধিষ্ঠিৰ চক্ৰৱৰ্তী সম্ৰাট হৈ পৰিল।

## ॥ কপট পাশাখেলৰ আয়োজন ॥

ইন্দ্ৰপ্ৰস্থত আলহী হৈ থকা কেইদিন দুৰ্যোধনে তেওঁৰ মোমায়েক শকুনিৰ লগ এৰা নাছিল। সেইকেইদিন দুৰ্যোধনে ইন্দ্ৰপ্ৰস্থৰ ৰাজসভাৰ ঐশ্বৰ্য-বিভূতিও খুটিয়াই খুটিয়াই চালে। যিমানে চালে সিমানে তেওঁ ভোল গ'ল, ঈৰ্ষাৰ দহনো অনুভৱ কৰিলে, অলপ-অচৰপ লাজতো পৰিব-লগীয়া হ'ল। ক'ৰবাত হয়তো ফটফটীয়া ফটিকৰ মজিয়াখনকে কৃত্ৰিম পুখুৰী বুলি ভাবি চুৰিয়া কোঁচাই লৈ পাচ মুহূৰ্তত ভুলটো ধৰিব পাৰি নিজেই নিজৰ আগত লাজ পালে। আকৌ ক'ৰবাত সঁচাসঁচি পুখুৰীৰ পানীখিনি ফটিকৰ মজিয়া বুলি ভাবি পিছল খাই পৰিল। জিগিৰা-জিগিৰীয়ে মুখৰ ভিতৰতে হাঁহি তিতা কাপোৰ সলাবলৈ শুকান কাপোৰ আনি দিবলগীয়া হ'ল। অন্য ক'ৰবাত হয়তো চকচকীয়া দাপোণ আঁৰি থোৱা দেৱালৰ মাজেদিয়েই যাবলৈ ওলাই কপালত খুন্দা

থালে। আকৌ অন্য ক'ৰবাত হুমড়ী খাই পৰিল। দ্ৰৌপদীৰ উপৰিও আন মানুহবোৰ হাঁহিব ধৰিলে। তেওঁ আৰু লাজত পৰিল। এইদৰে তেওঁৰ বহুত লজ্জা-লাঞ্ছনা হ'ল। পাণ্ডৱসকলক দেখি তেওঁ লাজ যেনেকৈ পালে, পেটে পেটে তেনেকৈ ঈৰ্ষাও অনুভৱ কৰিবলৈ ধৰিলে।

হস্তিনাপুৰলৈ উভতি যোৱাৰ পাচতো দুৰ্যোধনৰ মনত শান্তি নোহোৱা হৈয়েই থাকিল। এদিন শকুনিয়ে সুধিলে, "ভাগিন, তোমাৰ কি হৈছে? আজিকালি তোমাক সদায় মন মাৰি থকা দেখোঁ।" দুৰ্যোধনে তেতিয়া মনৰ কথা উজাৰি ক'লে, "মামা, দেখিছে নহয় যুধিষ্ঠিৰৰ ঐশ্বৰ্য-বিভূতি আৰু ক্ষমতা-প্ৰতিপত্তি! জুইত জাঁপ দি মৰিবৰ মন গৈছে, বিহ খাই মৰিবৰ মন গৈছে, নৈত জঁপিয়াই মৰিবৰ মন গৈছে। বাচি থাকি কি লাভ! কোনোবাই যে মোক যুধিষ্ঠিৰৰ ঐশ্বৰ্য-বিভূতি আৰু ক্ষমতা-প্ৰতিপত্তিৰ অধিকাৰী হ'বলৈ কিবা সহায় কৰিব, সেই আশা মুঠেই দেখা নাই। ভীম-অৰ্জুনক মাৰিবাৰ কাৰণে কিমান যত্ন কৰিলোঁ, সকলো বিফলে গ'ল। তথাপি, দৈৱই সিহঁতৰ কপালতহে হাঁহিৰ যোগান ধৰিছে। আমি বিপিনেই যাওঁ, সাগৰ শুকাই আছে।"

শকুনিয়ে ক'লে, "শুনা ভাগিন, যুধিষ্ঠিৰক তুমি হিংসা নকৰিবা। পঞ্চ পাণ্ডৱে তেওঁলোকৰ পিতৃৰাজ্যৰ আধাভাগ পাইছে; তাকে তেওঁলোকে নিজৰ শক্তিৰে বঢ়াই-মেলি লৈছে। সেইকাৰণে, তুমি দুখ কৰিবলৈ কিটো আছে? তোমাৰো শক্তি-সামৰ্থ্য আছে? তোমাৰো নিৰানব্বৈটা ভাই আছে; দ্ৰোণ আৰু কৰ্ণৰ দৰে, অশ্বত্থামা আৰু কৃপাচাৰ্যৰ দৰে সহায় কৰোঁতা আছে। এওঁলোকক লৈ তুমিও দেখোন গোটেই পৃথিৱী জয় কৰি ল'ব পাৰা।"

দুৰ্যোধনে উত্তৰ দিলে, "সেইবোৰ জানো। কিন্তু, মই যে তাৰ কোনো আশাই দেখা নাই।"

শকুনিয়ে হেঁপ চাই দুৰ্যোধনক সান্ত্বনা দিলে, "ব'বা, মই তোমাক সেই উপায়টোৰ কথা কওঁ, যিটো উপায়েৰে যুধিষ্ঠিৰক অতি সহজতে বাটৰ ভিখাৰী কৰি দিব পাৰিবা। যুধিষ্ঠিৰে পাশা খেলিবলৈ বৰ ভাল

পায় ; কিন্তু তেওঁ পাশা খেলিব নেজানে। তুমি বোধকৰোঁ জানা, মই এই পৃথিৱীৰ অদ্বিতীয় পাশা-খেলুৱৈ। যুধিষ্ঠিৰক পাশা খেলিবলৈ মাতি পঠিওৱা। তেওঁ নিশ্চয় নহাকৈ নেথাকে। তেতিয়া হ'লে, তোমাৰ হৈ পাশা খেলি মই তোমাক যুধিষ্ঠিৰৰ ৰাজ্য আৰু ৰাজলক্ষ্মী কাঢ়ি লৈ তোমাৰ হাতত সঁপি দিম। মাথোন তাৰ আগতে ধৃতৰাষ্ট্ৰৰ অনুমতি লৈ লোৱাঁ।"

দুৰ্যোধনৰ চকুত মুহূৰ্তৰ বাবে এক বিজুলী-লহৰ খেলাই গ'ল। ক'লে, "নহয় মামা, আপুনিয়েই সেইটো উলিয়াই লওক।"

তাৰ পাচত, শকুনিয়ে এদিন ছেগ চাই কথাবাৰ ধৃতৰাষ্ট্ৰৰ আগত উলিয়ালে, "মহাৰাজ, দুৰ্যোধনৰ মনটো বৰ মৰা যেন দেখিছোঁ। মানুহ-টোও শুকাই-খীণাই আহিবলৈ লৈছে। কি হ'ল জানো, কেৱল হুমুনিয়াহ কাঢ়ি থকা দেখা পাওঁ।"

ধৃতৰাষ্ট্ৰই দুৰ্যোধনক ততালিকে মাতি পঠিয়ালে। দুৰ্যোধন আহি পোৱাৰ লগে লগে মূৰে-গা'য়ে হাত ফুৰাই সুধিলে, "বোপা, তোমাৰ কি হৈছে? তোমাক আধাৰাজ্য দিছোঁ, তোমাৰ মূৰৰ ওপৰত ৰাজছত্ৰ আৰু দেহৰ নামনিত ৰাজ সিংহাসন দিছোঁ। তোমাৰ দেখোন একোৰে নাটনি নাই। তথাপি, তোমাৰ মন বিষাদেৰে ভৰপূৰ হোৱাৰ কাৰণ কি?"

দুৰ্যোধনে উত্তৰ দিলে, "পিতা, মই জানো জীৱন যাপন কৰিছোঁ। মোৰ চকুৰ আগতে মোৰ শত্ৰুবিলাকৰ ঐশ্বৰ্য-বিভূতি নিতৌ বাঢ়ি আহিছে। আৰু মই কেৱল সিহঁতৰ বিভূতি চাই নিশ্চেষ্টৰ দৰে বহি আছোঁ। যুধিষ্ঠিৰৰ কাৰেঙত নিতৌ কিমানজনে সোণৰ কাঁহী-বাটিত উত্তম অন্ন ভোজন কৰে জানেনে? দহ হেজাৰ মানুহে। ৰাজসূয় যজ্ঞ উপলক্ষে কিমানজন আলহী-অতিথি হৈছিল জানেনে? ৮৮ হেজাৰজন। মোৰ ধাৰণা হৈছে, আনকি ইন্দ্ৰ আৰু কুবেৰৰো যুধিষ্ঠিৰৰ সমান ঐশ্বৰ্য নাই। তেওঁৰ তুলনাত মই বাটৰ ভিকহু। তথাপি, আপুনি ক'ব খোজে নেকি মই মূৰ্খৰ দৰে হাঁহি-মাতি সময়বোৰ পাৰ কৰি দিব লাগে। হে মহাৰাজ, আপুনি অনুমতি দিয়ক, মোৰ এই নিপুণ পাশা-খেলুৱৈ

মামাই এবাৰ যুধিষ্ঠিৰৰ লগত পাশা খেলি যুধিষ্ঠিৰৰ সকলো সম্পত্তি কাঢ়ি অনাৰ সুযোগ লওক।”

ধৃতৰাষ্ট্ৰই ক'লে, “পুত্ৰ দুৰ্যোধন, মোক বাৰু এবাৰ বিদুৰৰ উপদেশ সুধি ল'বলৈ দিয়া। তাৰ পাচত, অনুমতি দিয়া-নিদিয়াৰ কথাবাৰ থিৰাং কৰিম। তুমি তো জানাই, মই সকলো কথাতে বিদুৰৰ উপদেশ লৈ চলোঁ।”

দুৰ্যোধনে উত্তৰ দিলে, “মহাৰাজ, আপুনি তেনেহ'লে বিদুৰক লৈয়েই সুখেৰে থাকক। মোক মৰিবলৈ দিয়ক। বিদুৰক আপুনি কিমান চিনি পায়, মোৰ সন্দেহ।”

ধৃতৰাষ্ট্ৰই তেতিয়া অমাত্যসকলক মাতি আনি আদেশ দিলে, “তোমালোকে শিল্পীবিলাকক কোৱা, দুৰ্যোধনৰ ৰাজসভাৰ উপযোগীকৈ এটা প্ৰকাণ্ড সভাঘৰ নিৰ্মাণ কৰক। সেই সভাঘৰত এহেজাৰটা স্তম্ভ আৰু এশখন দুৱাৰ থাকিব লাগিব। আৰু— ।”

দুৰ্যোধনে মাজতে মাত দিলে, “মহাৰাজ, আপুনি একো অনুমান কৰিব পৰা নাই। যুধিষ্ঠিৰৰ যজ্ঞলৈ ভিন ভিন দেশৰ ভিন ভিন ৰজাই কিমান কি উপহাৰ আনিছিল—মই কৈ যাওঁ, শুনক। কম্বোজৰ ৰজাই আনিছিল সোণ খটোৱা ভেৰাৰ নোমেৰে আৰু গাঁতত থকা প্ৰাণীৰ ছালেৰে তৈয়াৰী কিছুমান মূল্যবান আৱৰণ-বস্ত্ৰ। ৰজা ভগদত্তই আনিছিল বহুতো ঘোঁৰা, মণি-মুক্তাখচিত অয়-অলংকাৰ আৰু হাতী-দাঁতীয়া মুঠি থকা কেইখনমান তৰোৱাল। মেৰু আৰু মন্দৰ পৰ্বতৰ ৰজাসকলে আনিছিল মাটিৰ তলৰ পৰা পৰুৱাৰ জাকে গোটাই আনি গাঁতৰ সমুখত থোৱা বালিচ'হীয়া সোণৰ টোপোলা। এদল ৰজাই দি থৈ গ'লহি, চৈধ্য হেজাৰ হাতী। দ্ৰৌপদী ভাগৰি পৰিছিল, তেনেকুৱা শ শ ৰজা আৰু হেজাৰ হেজাৰ ব্ৰাহ্মণ অভ্যাগতক আদৰ-অভ্যৰ্থনা জনাবলগীয়া হৈ, সিবিলাকৰ পৰা ভাৰে-ভাৰে উপহাৰ-উপঢৌকন লৈ। ৰাজসূয় যজ্ঞ কৰি যুধিষ্ঠিৰে ৰজা হৰিশ্চন্দ্ৰৰ সমান সম্মান আৰু সমৃদ্ধি লাভ কৰিছে। এইবোৰ কথাই মোৰ চকুৰ টোপনি কাঢ়ি নিছে। ভাবিছোঁ, মৰণ ইয়াতকৈ বহুত ভাল।”

ধৃতৰাষ্ট্ৰই সান্ত্বনা দি ক'লে, "পুত্ৰ দুৰ্যোধন, তুমি অনাহকতে দুখ কৰিছা। যুধিষ্ঠিৰৰ যি অৰ্থবল আৰু মিত্ৰবল আছে, তোমাৰো সেই দুই বল সমান পৰিমাণে আছে। তোমাৰ আৰু পাণ্ডৱৰ পিতামহ একেজনেই। গতিকে, তুমি পাশাখেল পাতি যুধিষ্ঠিৰৰ সা-সম্পত্তি হৰণ কৰাৰ কথা কিয় চিন্তা কৰিছা? তুমি যদি ভাবিছা, যজ্ঞ কৰিয়েই যুধিষ্ঠিৰে তেওঁৰ সা-সম্পত্তি বঢ়ালে, তেনেহ'লে তুমিও এটা যজ্ঞ কৰি উপহাৰ-উপঢৌকন ঘটি লোৱাত কোনো বাধা দেখা নাই। পাণ্ডৱবোৰৰ দৰে তুমিও যজ্ঞ পাতা, চহকী হৈ লোৱা, আৰু লাহ-বিলাহৰ নাটনি পুৰাই লোৱা। মাথোন এষাৰ কথা মনত ৰাখিবা, কোনো অধৰ্মৰ আশ্ৰয় লোৱা অনুচিত।"

দুৰ্যোধনে উভতি উত্তৰ দি ক'লে, "যাৰ নিজৰ বুদ্ধি-বৃত্তি নাই, সেইবোৰ মানুহেই লোকৰ মুখত শুনা জধলা কথা কিছুমানকে শাস্ত্ৰৰ বচন বুলি হোৱাই-নোহোৱাই আওৰাই ফুৰে। লোকৰ মুখত শুনি শাস্ত্ৰজ্ঞানৰ আখৈ ফুটোৱা মানে কৰচলিয়ে মাহৰ আঞ্জাৰ জুতি লোৱাৰ লেখীয়া। আপুনি আনৰ পৰা পোৱা বুদ্ধিৰে চলি আহিছে বুলিয়েই ময়ো সেই বুদ্ধিৰে চলিব লাগিব নেকি? বৃহস্পতিয়ে কৈ গৈছে, ৰজাৰ আচাৰ-আচৰণ আৰু সাধাৰণ প্ৰজাৰ আচাৰ-আচৰণ বেলেগ। ৰজা চলিব লাগে, আপোন স্বাৰ্থৰ চিন্তা আগত ৰাখি। প্ৰতিদ্বন্দ্বিতাত জয়লাভেই ক্ষত্ৰিয়ৰ বৃত্তি, ধৰ্ম-অধৰ্মৰ বিচাৰ অপ্ৰাসংগিক। কোন শত্ৰু, কোন মিত্ৰ—সেইষাৰ কথাৰ কোনো সাক্ষী-প্ৰমাণ বিচাৰি পোৱা নেযায়; কোনেও নিজৰ কপালৰ আগত সেইষাৰ কথা লিখি লৈয়ো নুফুৰে। যেয়েই আপোনাৰ দুখ-যন্ত্ৰণাৰ কাৰণ হয়, সেয়েই আপোনাৰ শত্ৰু।"

তাৰ পাচত, ধৃতৰাষ্ট্ৰ আৰু দুৰ্যোধন আৰু শকুনি তিনিওজনৰ মাজত বহুতো উথনাউথনি হ'ল। শেষত শকুনিয়ে দুৰ্যোধনক ক'লে, "যুধিষ্ঠিৰৰ সমৃদ্ধি দেখি তোমাৰ হুতাশ হোৱাৰ কাৰণ নেদেখোঁ। মই তোমাক কৈছোঁৱেই, মই নিপুণ পাশা-খেলুৱৈ; দুই-চাৰি হাত খেলিয়েই যুধিষ্ঠিৰৰ সকলো সা-সম্পত্তি জিকি লৈ তোমাক আনি দিম। সিহঁতে ধনু-কাঁড়ৰ যুঁজহে চিনি পায়, পাশাখেলৰ পাশতিৰ দান আৰু গুটিৰ চালনা ইত্যাদিৰ

একো ভু নেপায়। মোৰ বৌলিকৰ পণবোৰেই হ'ল মোৰ ধনু, পাশাতি তিনিটাই মোৰ বাণ, দান পেলোৱাৰ ধৰণটোৱেই মোৰ ধনুৰ গুণডাল, আৰু পাশাৰ ঢালখনেই মোৰ ৰথ। এইখিনিকে লৈয়েই মই পাশা-যুদ্ধৰ অদ্বিতীয় বীৰ।" আনহাতে, ধৃতৰাষ্ট্ৰই ক'লে, "পুত্ৰ দুৰ্যোধন, মই সদায় মহাত্মা বিদুৰৰ উপদেশ-পৰামৰ্শমতেই চলোঁ। তেওঁক সুধিহে মই শেষ কথাষাৰ কম। আৰু এষাৰ কথা। প্ৰবলৰ লগত কলহ কৰাত মোৰ মুঠেই সমৰ্থন নাই। কলহ যুদ্ধিলেই অদৃশ্য অস্ত্ৰৰ নিচিনা। তাৰ আঘাতত বহু ৰক্তক্ষয় হয়।"

দুৰ্যোধনে মাতটো মিঠাকৈ উলিয়াই ক'লে, "মহাৰাজ, বিদুৰে আপোনাৰ বুদ্ধিনাশ ঘটাইছে। ঘটাবই। কাৰণ, তেওঁ কৌৰৱৰ চাউল খাই পাণ্ডৱৰ গুণ গোৱা মানুহ। আপুনি এনেয়ে সন্দেহ কৰিছে, পাশাখেলৰ পৰা যুদ্ধ-বিগ্ৰহ হ'বগৈ বুলি। খেলত হৰা-জিকা আছেই। সকলো দৈৱৰ কথা। দৈৱই আমাকো অনুগ্ৰহ কৰিব পাৰে, পাণ্ডৱ-বিলাককো অনুগ্ৰহ কৰিব পাৰে। গতিকে, আপুনি মামাৰ কথা শুনি তেওঁলোকক মাতি পঠিয়াওক ; আমি অলপ ৰং-ধেমালিৰ সোৱাদ লওঁ।"

অৱশেষত, ধৃতৰাষ্ট্ৰ দুৰ্যোধনৰ কথাত পমিল। লগে লগে বাৰ্তাৰ লোৱালে, দুৰ্যোধনৰ সভাঘৰ নিৰ্মাণ হ'বলৈ কিমান দিন লাগিব !

মাজৰ কেইদিন শকুনি আৰু দুৰ্যোধনে ধৃতৰাষ্ট্ৰৰ ওচৰত একেটা কথাকে পেঘেনিয়াই কটালেহি। ইতিমধ্যে সভাঘৰ সাজা হৈ গ'ল। এদিন ধৃতৰাষ্ট্ৰই তেওঁৰ প্ৰধান মন্ত্ৰী বিদুৰক মাতি পঠিয়ালে। বিদুৰ আহি পোৱাতে ধৃতৰাষ্ট্ৰই ভূমিকা নকৰাকৈ ক'লে, "বিদুৰ, তুমি ইন্দ্ৰপ্ৰস্থলৈ যোৱা আৰু যুধিষ্ঠিৰক মাতি আনাগৈ। তেওঁ ভায়েকহঁতক লৈ আমাৰ সভাঘৰ চাই-মেলি দুই-চাৰি বাজিমান পাশা খেলি ৰং-ধেমালি কৰি যাওকহি।"

বিদুৰে প্ৰমাদ গণিলে। ফুটাই ক'লে, "মহাৰাজ, মই আপোনাৰ আদেশ প্ৰশংসা কৰিব নোৱাৰিলোঁ। পাশাখেল খেলিবলৈ গ'লেই বংশ-নাশ হ'ব, কোনেও ৰোধ কৰিব নোৱাৰিব।"

ধৃতৰাষ্ট্ৰই উত্তৰ দিলে, "তুমি সেইবোৰ চিন্তা কৰিব নেলাগে, বিদুৰ।

দৈৱ প্ৰতিকূল নহ'লে, সৰ্‌মৰা কথাৰ পৰা সিমান ডাঙৰ পৰিণতি নঘটে। বিধাতাই গোটেইখন জগত দৈৱৰে অধীন কৰি থৈছে। যি কি নহওক, তুমি মোৰ আদেশ পালন কৰাগৈ, যোৱা।"

## ॥ সৰ্বনাশীয়া পাশাখেল ॥

বিদুৰক দেখা পায়েই যুধিষ্ঠিৰে তেওঁক আদৰ-অভ্যৰ্থনা কৰি উঠি সুধিলে, "খুৰা, আপোনাক চিন্তিত যেন দেখিছোঁ। সকলোবোৰ বাৰু কুশলে আছে নে?" বিদুৰে পোনপটীয়া উত্তৰ নিদি ক'লে, "ৰজা ধৃতৰাষ্ট্ৰই তোমাক কথাষাৰ জনাবলৈ মোক কটকী পঠিছে। বোলে, ত'ত যিটো সভাঘৰ সজাই উলিয়ালে, সেইটো তোমাৰটোৰেই লেখীয়া হৈছে। এবাৰ চাই উঠি চকু জুৰাই আহিবগৈ লাগে। আৰু কৈ পঠিয়াইছে—বোলে, তুমি তোমাৰ ভায়েৰাহ'তৰ লগত ধেমালিকৈয়ে দুবাজিমান পাশা খেলি আহিলে মনটো ফৰকাল লাগিব। থোৰতে ক'বলৈ হ'লে, তোমাক সোনকালে মাতি পঠিয়াইছে।"

যুধিষ্ঠিৰ উচপ্ খাই উঠিল। ফুটাই ক'লে, "খুৰা, মোৰ ধাৰণা—পাশাখেল মানেই খৰিয়ালৰ আলপৈচান। গতিকে, বুধিয়ক মানুহ তাৰ পৰা আঁতৰি থাকে। আপুনি বাৰু কি বুলি কয়?"

বিদুৰে ক'লে, "মোৰো সেইটোৱেই ধাৰণা, পাশাখেল যতমানে আপদীয়া ঘটনাৰ কাল। মহাৰাজ ধৃতৰাষ্ট্ৰক কৈছিলোঁ। কিন্তু, সিজন আঁকোৰগোজ হৈয়েই থ'ল। যুধিষ্ঠিৰ, তুমি শাস্ত্ৰৰ কথা বাঢ়িয়াকৈ জানা। গতিকে, যিটো ভাল বুলি ভাবিছা, সেইটোকেই কৰা।"

যুধিষ্ঠিৰে স্পষ্টকৈ ক'লে, "শকুনিৰ লগত খেলিবলৈ মোৰ মুঠেই ইচ্ছা নাই। কিন্তু, মহাৰাজ ধৃতৰাষ্ট্ৰৰ আদেশ অমান্য কৰিবলৈ মোৰ বিবেকে নকয়। সেইবাবে, মহাৰাজৰ আদেশ শিৰোধাৰ্য কৰি আমি গৈ অহাটোৱেই উচিত হ'ব।"

অৱশেষত, সেইটোৱেই থিৰাং হ'ল। পাচদিনাই পঞ্চ-পাণ্ডৱ আৰু দ্ৰৌপদী হাস্তিনাপুৰৰ অভিমুখে ওলাল। হাস্তিনাপুৰত তেওঁলোকক অতি

আদৰ-সাদৰকৈ অভ্যৰ্থনা জনোৱা হ'ল। মাথোন ধৃতৰাষ্ট্ৰৰ ঘোৱাৰীয়েক বিলাকেহে দ্ৰৌপদীৰ জাকজমক সাজ-পাৰ দেখি মনে মনে অলপ ঈৰ্ষা অনুভৱ কৰিছিল।

পাচদিনা পাশাখেলৰ সমাৰোহলৈ পাণ্ডৱসকল অনিচ্ছাসত্ত্বেও গ'ল। যুধিষ্ঠিৰ গৈ পোৱাৰ লগে লগে শকুনিয়ে উলহমালহকৈ আদৰণি জনাই ক'লে, "তোমাৰ কাৰণেই সকলোৱে অতপৰে বাট চাই আছে। পলম কৰাৰ সকাম নাই। সোনকালে আৰম্ভ কৰাই ভাল।"

যুধিষ্ঠিৰে ক'লে, "খেলিব লাগে খেলিম। আপুনি মাথোন একো অন্যায়ৰ আশ্ৰয় নল'ব। এইবোৰ ঘৰুৱা ধৰণৰ খেলাত অন্যায়-ফাকি-বাজীৰ চিটিকনি পৰিব নেলাগে। হয়নে নহয়, কওক।"

শকুনিয়ে হাঁহি হাঁহি ক'লে, "তোমাৰ দৰে নিপুণ পাশা-খেলুৱৈৰ লগত খেলিবলৈ পোৱাটোৱেই পৰম সৌভাগ্য। তুমি দেখোন পাশতি কেইডাল হাতত লওঁতেই কৈ দিব পাৰা, কি দান পৰিব! তোমাক নো কোনোবাই অন্যায়কৈ ঠগিব পাৰে নে? মোৰ ভয়েই লাগিছে, আমি চাগৈ বৰ বেয়া ধৰণেৰে হাৰিম। তথাপি, দুবাজিমান খেলি ভাল লাগিব।"

যুধিষ্ঠিৰে আকৌ সকীয়াই দিলে, "মই ঠগবাজী কৰি জিকিবলৈ নিবিচাৰোঁ। মোৰ ফালৰ পৰা ভয় নকৰিবৰ। মই মাথোন ক'ব খুজিছোঁ, কোনেও যেন অন্যায়ৰ আশ্ৰয় নলয়।"

শকুনিয়ে এইবাৰ বেলেগ ধৰণৰ সমিধান দিলে, "হাতে হাতে ধৰা নপৰাকৈ ছল-চাতুৰী কৰিব পৰাটো বুদ্ধিৰ বল বুলিয়েই কোৱা হয়। যি কি নহওক, তুমি যদি আপত্তি অথবা ভয় কৰা, তেনেহ'লে কোনো কথা নাই। জানিবা ল'ব খোজা আনন্দটো নল'লোঁৱেই।"

যুধিষ্ঠিৰে উত্তৰ দিলে, "ঔ-হো, মই সামৰিবলৈ ক'ব খোজা নাই। কোনোবাই আহ্বান কৰিলে, পাচ-হুঁহকি যোৱাটো মোৰ নিয়মেই নহয়। এতিয়া কওক—কোনে কি পণ কৰি মোৰ লগত খেলিব খুজিছে?"

দুৰ্যোধনে উত্তৰ দিলে, "পণৰ ধন-সোণ মঞেই দিম। মোৰ হৈ খেলিব মামা শকুনিয়ে।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "এনেকুৱা আচহুৱা কথা মই ক'তো শুনা নাই—এজনে পণ কৰিব আৰু আন এজনে খেলিব। বাৰু, তোমালোকে যি ভাল দেখা, তাকেই কৰা।"

এনে সময়তে ৰজা ধৃতৰাষ্ট্ৰ সভাঘৰত সোমালহি। ভীষ্ম, দ্ৰোণ, বিদুৰ আদি সভাসদসকল বহাৰ লগে লগে খেল আৰম্ভ হ'ল। যুধিষ্ঠিৰে তেওঁৰ ডিঙিৰ গলপত্তাধাৰৰ পৰা এটা মণি সোলোকাই লৈ ক'লে, "চোৱাঁ দুৰ্যোধন, এইটো এটা মহামূল্য মণি—সাগৰৰ গভীৰ তলিৰ পৰা উথলি উঠা চাকনৈয়াত উজাৰ খাই ওলাই অহা মণি। মই এইটোকে পণ হিচাপে থলোঁ। তুমি তোমাৰ ফালৰ পৰা কি পণ থ'বা?"

দুৰ্যোধনে উত্তৰ দিলে, "মোৰ মণি-মুকুতা যথেষ্ট আছে। মই বাৰু মোৰ ফালৰ পৰা সেই সকলোবোৰ পণ কৰি থ'লোঁ।"

পোনৰ দানটো শকুনিয়েই দিবলৈ ল'লে। শকুনিয়ে চিঞৰ এটা মাৰি ক'লে, "এয়া চোৱাঁ, মোৰ দান—ছয়-তিনি ন।" সঁচাসঁচিকৈয়ে তেওঁৰ হাতৰ পৰা পাশতি তিনিডালৰ এডালত ছয় আৰু বাকী দুডালত দুই আৰু এক ফুটিল। শকুনিয়ে যুধিষ্ঠিৰে চালখনৰ ওচৰত থাপি থোৱা মণিটো চপাই থ'লে।

যুধিষ্ঠিৰে তাৰ পাচৰবাৰ পণ থ'বলৈ লৈ ক'লে, "মোৰ সোণেৰে ঠাহ খাই থকা এহেজাৰটা পেৰা-পেটাঁৰি আছে। এইবাৰ বাৰু সেইখিনি পণ থৈছোঁ।" সেইবাৰ যুধিষ্ঠিৰে তেওঁৰ গুটিবোৰ সজালেহে সজালে, শকুনিয়ে অলপ সময়ৰ ভিতৰতে আটাইকেয়োটা গুটি কাটিলে। শেষৰ গুটিটো থাকোঁতে শকুনিৰ হাতৰ পৰা বিচৰা দানটোৱেই পৰিল। শকুনিয়ে আকৌ চিঞৰি দিলে, "এইবাৰো জিকিলোঁ।"

এইদৰে যুধিষ্ঠিৰে একালৰ পৰা এইবোৰ পণ থৈ গ'ল: এহেজাৰ হাতী, গন্ধৰ্বৰাজে অৰ্জুনক দিয়া ঘোঁৰাজাক, এক লাখ লিগিৰা-লিগিৰী ইত্যাদি। সেই সকলোবোৰ শকুনিয়ে জিকি নিলে। যুধিষ্ঠিৰে এবাৰো এখন খেলো জিকিব নোৱাৰিলে। চাওঁতে-চাওঁতে যুধিষ্ঠিৰৰ সকলো সম্পত্তিৰ পৰাজি পৰি একোৱেই নোহোৱা হৈ থাকিল।

ধৰ্মৰাজ যুধিষ্ঠিৰৰ সৰ্বনাশ ঘটিছে দেখি বিদুৰ জাঁপি উঠিল। তেওঁ

ধৃতৰাষ্ট্ৰক ক'লে, "মহাৰাজ, মৰণযাত্ৰী ৰোগীৰ ঔষধৰ প্ৰতি বিৰাগ ওপজা স্বাভাৱিক। মোৰ কথাবোৰো হয়তো আপোনাৰ তেনেকুৱা যেনেই লাগিব। তথাপি, নকৈ নোৱাৰিলোঁ। এই দুৰ্যোধনে কুৰুবংশ ধ্বংস কৰিব। এওঁ ওপজাৰ লগে লগে যে দিনতে শিয়ালৰ জাকে হোৱা দিছিল, এনেয়ে নহয়। আপুনি জানে, কংসৰ উৎপাত বাঢ়ি অহা দেখি তেওঁৰ আপোন মানুহবোৰে কংসক ত্যাগ কৰিছিল; তেওঁলোকৰ অনুৰোধতে কৃষ্ণই কংসক বধ কৰিছিল। আপোনাৰো তেনেকৈ শেষ সিদ্ধান্ত লোৱাৰ সময় আহি পৰিছে। আপুনি সব্যসাচী অৰ্জুনক নিয়োগ কৰক, অৰ্জুনে দুৰ্যোধনক বধ কৰি কুৰুবংশক সৰ্বনাশৰ পৰা ৰক্ষা কৰক। আপুনি শিয়ালৰ দলক ত্যাগ কৰি সিংহৰ জাকটো আপোন বুলি সাৱটি লওক। মহাৰাজ, আপুনি হয়তো পুত্ৰস্নেহত বন্দী হৈ দুৰ্যোধনৰ সা-সম্পত্তি বাঢ়িল বুলি আনন্দ কৰিছে। কিন্তু জানি ৰাখক, এই যে মনোমালিন্যৰ সৃষ্টি হ'ল, ইয়াৰ পৰিণামত বিৰাট যুদ্ধ হ'বগৈ। সেই যুদ্ধত এটা প্ৰাণীয়েও ৰক্ষা নেপায়—সকলো মৰিব। গতিকে, এষাৰ কথা মনত ৰাখিব—গাঁও ৰক্ষাৰ কাৰণে কুল, জনপদ ৰক্ষাৰ কাৰণে গাঁও আৰু আত্মৰক্ষাৰ কাৰণে পৃথিৱীও ত্যাগ কৰা উচিত। আপুনি মনত ৰাখিব—অজাতশত্ৰু যুধিষ্ঠিৰৰো খং উঠিব পাৰে। সেয়ে হ'লে, ভীম আৰু অৰ্জুন, নকুল আৰু সহদেৱৰ চোকা তৰোৱালৰ আগত এটাও জীয়াই নেথাকে। প্ৰত্যেকটো কুলাংগাৰেই যুধিষ্ঠিৰৰ খঙৰ জুইত পুৰি নিমিষতে ভস্ম হ'ব। মোৰ উপদেশ শুনক, এই দুষ্টৰ শিৰোমণি শকুনিক এই মুহূৰ্ততে তাৰ পাহাৰী ৰাজ্যলৈ খেদাই পঠাওক। সি কপট পাশাখেলৰ পকা খেলুৱৈ। সি প্ৰত্যেকবাৰৰ খেলতে অন্যায়কৈ তাৰ নিজৰ কেঁচা গুটি পকা কৰিছে, লোকৰ পকা গুটিৰ ঘৰ সলাই কেঁচা কৰিছে আৰু ছেগ বুজি পাশতিত দান ফুটাই গুটি কাটিছে। সি য'ৰ মানুহ, তলৈ উভতি যাবলৈ দিয়ক; কৌৰৱ আৰু পাণ্ডৱক মিলি-জুলি থাকিবলৈ দিয়ক।"

দুৰ্যোধনে গেঙেৰি উঠি ক'লে, "খুৰা, আপুনি দেখিছোঁ—মুখত যি আহিছে, তাকে বকিছে। আমাৰে চাউল খাইছে, আমাৰে শত্ৰুৰ

শালিছে। মই বহুত সহ্য কৰিছোঁ। আৰু সহ্য নকৰোঁ। শত্ৰুৰ লগত মিত্ৰতা থাকিলে, শত্ৰুৰ লগতে থাকিবগৈ লাগে। আপুনি ইয়াৰ পৰা গুলাই যাওক। য'তে ইচ্ছা, ত'তে খোপনি লওকগৈ।"

বিদুৰে গহীনাই উত্তৰ দিলে, "যোলো ৰাজকোঁৱৰ, যোল বছৰীয়া গাভৰু যেনেকৈ ষাঠি বছৰীয়া বুঢ়া গিৰিহঁতৰ মাত সহিব নোৱাৰেই। এতিয়াৰে পৰা তোমাক কিবা উপদেশ লাগিলে, কাণৰ কাষত কুহুলিয়াই থকা কেঁচা-গাভৰু, নহ'লে ভোঁটা বুদ্ধিৰ কুঁজা-কোঙা, নহ'লেবা অধামূৰ্খ কোনোবা—এইবোৰৰ পৰাই ল'বা। এই পৃথিৱীত চাটু কথাৰে চিৰা তিয়াই খোৱা মানুহৰ অভাৱ নাই। অভাৱ আছে, কাণৰ বিন্ধাত জমজমাই যোৱা সজ কথা কওঁতাৰ আৰু শুনোতাৰ। মহাৰাজ ধৃতৰাষ্ট্ৰ, মই মাথোন পুণ্যশ্লোক বিচিত্ৰবীৰ্যৰ বংশধৰসকলৰ কল্যাণ কামনা কৰোঁ। আপোনাক নমস্কাৰ কৰিছোঁ, আপোনাৰ শুভবুদ্ধি হওক।"

বিদুৰ আৰু দুৰ্যোধনৰ এইবোৰ উথনাউথনিলৈ বাকীবোৰে কাণ দিবলৈ আজৰি নেপালে। খেল চলিয়েই থাকিল। লাহে লাহে গধূলি হৈ আহিল। যুধিষ্ঠিৰে পণ থৈ থৈ সকলো হেৰুৱালে। হেৰুৱালে তেওঁৰ সমস্ত ৰাজকোষ, দেৱতাৰো ঈৰ্ষাৰ বস্তু মণি-মুক্তাখচিত ইন্দ্ৰপ্ৰস্থ আৰু শস্যশ্যামল প্ৰান্তৰেৰে পৰিপূৰ্ণ সমস্ত ৰাজ্য। থাকিলগৈ মাথোন তেওঁৰ চাৰিজন ভায়েক—অবাক নয়নেৰে চাই আছে, তেওঁলোকৰ অগ্ৰজ যুধিষ্ঠিৰ এবাৰ অন্ততঃ জিকিব!

যুধিষ্ঠিৰে অৱশেষত পণ থ'লে, নকুলক। তাৰ পাচত, সহদেৱক। তেওঁলোক দুয়োকো জিকি লৈ শকুনিয়ে ইতিকিং কৰি ক'লে, "যুধিষ্ঠিৰ, দুই মাদ্ৰীপুত্ৰক জিকিলোঁ। আৰু তো তোমাৰ দিবলৈ একো নাই। ভীম আৰু অৰ্জুনক তো পণ থ'ব নোৱাৰিবা। তেওঁলোক হ'লগৈ তোমাৰ নিজৰ জননী কুন্তীৰ পুত্ৰ!"

যুধিষ্ঠিৰৰ খং উঠি গ'ল। ক'লে, "মূৰ্খ, তুমি আমাক ফালি দুফাল কৰিব খুজিছা!"

শকুনিয়ে উত্তৰ দিলে, "এৰা যুধিষ্ঠিৰ, মদপী কেনেবাকৈ শুকান কুঁৰাত পৰিলেগৈ, সি যিহকে তিহকে বলকেই। পাশাখেল তো জানাই

এবিধ জুৱা ; আৰু জুৱা খেলা মানেই মদ খোৱাৰে লেখীয়া। সেইকাৰণেই যদি নক'বলগীয়া কিবা কৈ দিলোঁ, তুমি দায় নধৰিবা। আৰু, তোমাক বাৰু সেইবাবে এটা নমস্কাৰ কৰিছোঁ। কাৰণ, বয়সৰ ফালৰ পৰা তুমি মোতকৈ ডাঙৰ।"

যুধিষ্ঠিৰে উঠি অহা খংটো দমাই লৈ অৰ্জুনক পণ থৈ আকৌ খেলিলে। শকুনিয়ে দান দি চিঞৰি এটা মাৰিলে, "পোৱা বাৰ।" সঁচাসঁচিকৈয়ে পাশাত তিনিডালত সেইটোৱেই ফুটিল : দুডালত দুটা ছয় আৰু এডালত এটা অকলশৰীয়া এক। অৰ্জুনক হেৰুৱাৰ পাচতে ভীমক হেৰুৱালে। তাৰ পাচত নিজেও হেৰাল।

শকুনিয়ে ক'লে, "এৰা যুধিষ্ঠিৰ, কথাটো কেনেবাকেনেবি হ'ল। তুমি নিজকে পণ থৈ হেৰুৱালা, অথচ তোমাৰ হাতত থকা এমুঠি আচল ধন থাউকতে আঁতৰাই থৈ দিলা। এনেকুৱা কথাতে ডাঙৰ পাপ লাগে।"

যুধিষ্ঠিৰে পোনতে ধৰিব পৰা নাছিল। শকুনিয়ে ভাঙি ক'লে, "কিয়, তোমাৰ আটাইতকৈ মৰমৰ পাঞ্চালী দেখোন পণৰ বাহিৰতে ৰ'ল। এইবাৰ তুমি তেওঁক পণ থোৱা। আমি পণ ধ'লোঁ তোমাক। আমি যদি হাৰোঁ, তুমি মুকলি হ'বা।"

যুধিষ্ঠিৰে তাকেই কৰিলে। হিতাহিত বিবেচনা নকৰাকৈ কৈ পেলালে ; "শুনা শকুনি, মই এইবাৰ লক্ষ্মীস্বৰূপা দ্ৰৌপদীকেই পণ ধ'লো।"

ধৰ্মৰাজ যুধিষ্ঠিৰৰ এই ভীষণ কথাষাৰ শুনি সভাৰ সকলোৱেই ধিক্কাৰ দি উঠিল। ভীষ্ম, দ্ৰোণ আৰু কৃপ—এই তিনিজন ঘামিবলৈ লাগিল। বিদুৰ থৰ লাগি ৰ'ল, চকুহাল সেমেকি উঠিল। তাৰ মাজত ধৃতৰাষ্ট্ৰই মনৰ আনন্দ ঢাকি ৰাখিব নোৱাৰি উধাতু খাই সুধিলে, "জিকিল নে? জিকিব পাৰিলে নে?" দুৰ্যোধনৰ চকুত বিজুলী খেলি গ'ল। শকুনিয়ে শেষ দান দিবলৈ লৈ চিঞৰি মাৰি দিলে, "এই চোৱা, ছয় তিনি গুণে ওঠৰ।" শকুনিয়ে যুধিষ্ঠিৰৰ শেষ গুটিটো কাটি লৈ ক'লে, "জিকিলোঁ।"

দুৰ্যোধন-কৰ্ণহঁতৰ আনন্দৰ খলকনিয়ে পাৰ ভাঙি নিলে। নিৰপেক্ষ সভাসদৰ দলে মুখ লুকুৱাই চকু-লো মচিবলৈ ধৰিলে।

দুৰ্যোধনে বিদুৰক ক'লে, "যাওক খুৰা, দ্ৰৌপদী নামৰ লিগৰী-জনীক মাতি আনকগৈ। তাই এই মজিয়াখন সাৰি থৈ যাওকহি।"

দুৰ্যোধনৰ মুখত তেনেকুৱা অশিষ্ট কথা শুনাৰ লগে লগে বিদুৰে গৰজি উঠিল, "হ'বই নোৱাৰে, কৃষ্ণাৰ নিচিনা সতী নাৰী কোনোকালেই কাৰো লিগৰী হ'ব নোৱাৰে। মূৰ্খ, তোমাৰ মূৰৰ ওপৰত ফেঁট মেলি নাচি থকা মহাসৰ্পক জোকাই নল'বা ; পোনে পোনে যমৰ আলহী হ'বলৈ নোলাবা। বুজিছোঁ, ধৃতৰাষ্ট্ৰৰ এই মহাপাপী পুত্ৰ নৰকৰ দুৱাৰদলিত থিয় হৈছেহি। চিৰকাল নৰকৰ পুতিগন্ধত পচি থাকিবলৈ সি সাজু হৈছে। লগতে সি ভায়েকহঁতৰ সৈতে গোটেই কুৰুবংশকে নৰকলৈ টানি লৈ যাবলৈ ওলাইছে।"

## ॥ দ্ৰৌপদীৰ লাঞ্ছনা ॥

বিদুৰৰ নীতিকথা শুনিবলৈ তেতিয়া দুৰ্যোধনৰ সময় নাই। দুৰ্যোধনে তেওঁৰ ৰথৰ সাৰথিজনক ওচৰলৈ মাতি আদেশ দিলে, "প্ৰাতিকামী, তুমি ভিতৰ-চ'ৰালৈ গৈ দ্ৰৌপদীক ইয়ালৈ লৈ আহাঁ। তোমাৰ কোনো ভয় নাই। যোৱা, লৈ আহাঁগৈ।"

প্ৰাতিকামী ভিতৰলৈ সোমাই গ'ল। দ্ৰৌপদীৰ ওচৰ পায়েই সি ক'লেগৈ, "যাজ্ঞসেনী, মোক ক্ষমা কৰিব। পাশাখেলত মহাৰাজ যুধিষ্ঠিৰে চাৰিওজন ভায়েক আৰু নিজকে পণ থৈ হাৰিল। আপোনাকো পণ থৈছিল। যুৱৰাজ দুৰ্যোধনে আপোনাৰ গৰাকী হৈ উঠি আপোনাক মাতি পঠিয়াইছে। আপুনি মোৰ লগতে ব'লক।"

প্ৰাতিকামীৰ কথা শুনি দ্ৰৌপদী জঁয় পৰি গ'ল। অৱশেষত, নিজকে চম্ভালি লৈ ক'লে, "সূতপুত্ৰ, তুমি পোনতে মহাৰাজ যুধিষ্ঠিৰক সুধি আহাঁগৈ, নিজনে কাক আগতে হেৰুৱাইছিল—মোক নে নিজকে ?"

প্ৰাতিকামীয়ে সভালৈ উভতি গৈ দ্ৰৌপদীৰ প্ৰশ্নটো যুধিষ্ঠিৰক জনালে।

যুধিষ্ঠিৰ শিলৰ মূৰ্তিৰ দৰে থৰ লাগি ৰ'ল। দুৰ্যোধনে সমিধান দিলে, "প্ৰাতিকামী, তুমি আকৌ যোৱা। পাঞ্চালীক কোৱাগৈ, কিবা সুধিব-লগীয়া থাকিলে ইয়াতে সোধকহি। লিগিৰীৰ আকৌ ইমান ভেম।"

প্ৰাতিকামীয়ে আকৌ দ্ৰৌপদীক মাতিলেগৈ। সেইবাৰ দ্ৰৌপদীয়ে ক'লে, "তেনেহ'লে তুমি সভাসদসকলকে সুধি আহাঁগৈ, মোক তেখেতসকলে কি কৰিবলৈ কয়। তেখেতসকলে যি কৰিবলৈ কয়, মই তাকেই কৰিম।"

সভালৈ ঘূৰি আহি প্ৰাতিকামীয়ে কথাষাৰ জনালত, সকলোৱেই তল-মূৰ কৰি ৰ'ল। ইতিমধ্যে, যুধিষ্ঠিৰে এজন বিশ্বাসী লোকৰ আগত দ্ৰৌপদীলৈ কৈ পঠিয়ালে, তেওঁ যেন সভালৈ আহি মহাৰাজ ধৃতৰাষ্ট্ৰৰ সমুখত উপস্থিত হয়হি।

দুৰ্যোধনে প্ৰাতিকামীক আকৌ আদেশ দিলে, "যোৱা প্ৰাতিকামী, দ্ৰৌপদীক লৈ আহাঁগৈ।" প্ৰাতিকামীয়ে নিৰুপায় হৈ ক'লে, "তেওঁক মই কি বুলি ক'মগৈ ?"

দুৰ্যোধনৰ ধৈৰ্যৰ বান্ধ সুলকি গ'ল। দুঃশাসনলৈ চাই ক'লে, "ই ভীমলৈ ভয় কৰিছে যেন পাইছোঁ। তুমিয়েই তাইক ধৰি লৈ আনাগৈ। তাইৰ ভেম আৰু বেচি বাঢ়িবলৈ দিব নোৱাৰি।"

লগে লগে দুঃশাসন ভিতৰ-চ'ৰা পালেগৈ। দ্ৰৌপদীৰ ওচৰ পায়েই দুঃশাসনে বিকট হাঁহি এটা মাৰি ক'লে, "পাঞ্চালী, লাজ কৰি লাভ নাই। ব'লা, দুৰ্যোধনক এবাৰ দেখা কৰি আহিবাগৈ। এতিয়া কৌৰৱসকলেই তোমাৰ গৰাকী হৈছে।" দ্ৰৌপদীয়ে দুঃশাসনৰ ধৰণটো বেয়া যেন দেখি ধৃতৰাষ্ট্ৰৰ বোৱাৰীবিলাকৰ মাজত আশ্ৰয় বিচাৰিবলৈ ধৰিলে। তাকে দেখি দুঃশাসনে দ্ৰৌপদীৰ চুলিকোছা খাপ মাৰি ধৰিলে। সেই চুলিকোছা আছিল পৰম পবিত্ৰ—ৰাজসূয় যজ্ঞৰ মন্ত্ৰপূত জলেৰে পখালি লোৱা চুলি। দুঃশাসনে সেই চুলিকোছাত ধৰি টানিবলৈ লোৱাত দ্ৰৌপদীৰ গা'টো হালি পৰিল। দ্ৰৌপদীয়ে চিঞৰি চিঞৰি ক'লে, "অসভ্য নৰপিশাচ, মোক এৰি দে। মই বিধুতি হৈ আছোঁ। দেখা নাই নে মাথোন এখন কাপোৰ পিন্ধি আছোঁ।"

দুঃশাসনে দাঁত-মুৰ কৰচি ধৰি ক'লে, "মই সেইবোৰ কথা নেজানো—

ধ্ৰুতি হৈয়েই আছ নে বিধ্ৰুতি হৈ আছ, এখন কাপোৰ পিন্ধিয়েই আছ নে এখনো কাপোৰ নিপিন্ধাকৈ আছ। আমাৰ কথা হ'ল, খেলত জিকি আমি লিগিৰী এজনী পাইছোঁ। লিগিৰীৰ মুখৰ ছলাহী কথা শুনিবলৈ নাই, ব'ল।" এইবুলি কৈয়েই দুঃশাসনে দ্ৰৌপদীৰ চুলিকোছাত ধৰি চোঁচোৰাই নিয়াৰ দৰে নি তেওঁক সভাঘৰৰ মাজ-মজিয়া পোৱালেগৈ। তাতে তেওঁক খেকেচা মাৰি থ'লেগৈ।

দ্ৰৌপদীয়ে খং আৰু লাজ-অপমানত অধীৰ হৈ থোকাথুকি মাতেৰে ক'বলৈ ধৰিলে, "এই পাষণ্ডৰ নিস্তাৰ নাই। আৰু আপোনাসকল কুৰুবীৰৰ দল! মোক—এজনী নাৰীক এইদৰে এইটো অৱস্থাত আপোনাসকলৰ চকুৰ আগতে এই মহত্তী সভালৈ চুলিত ধৰি চোঁচোৰাই অনা হ'ল! অথচ, তাক ধিক্কাৰ দি এটা কথা উচ্চাৰণ কৰিবলৈয়ো আপোনাসকলৰ মাজত কোনোৱেই নোলাল! ধন্য, কুৰু ৰাজসভা! কোনে ক'ব—ভীষ্ম, দ্ৰোণ, বিদুৰ আৰু ধৃতৰাষ্ট্ৰৰ প্ৰাণত ধৰ্মৰ স্পন্দন আছিল বুলি! ধিক এই ভৰতবংশ, ধৰ্ম আৰু চৰিত্ৰ যাৰ লুপ্ত হৈছে।" দ্ৰৌপদীয়ে এইদৰে সকলোকে ধিক্কাৰ দি লৈ তেওঁৰ স্বামীসকল কোনপিনে বহি আছে, সেয়া চাবলৈ চকু ফুৰালে। এনেতে দুঃশাসনে দ্ৰৌপদীক ঠেলামাৰি এটা দি অলপ ৰগৰ কৰি ক'লে, "বোলো, হেৰ' লিগিৰী!" তাতে ৰস পাই কৰ্ণই সভাঘৰ ৰজনজনাই যোৱাকৈ ঢেকঢেকাই হাঁহিবলৈ ধৰিলে। শকুনিয়েও হাঁহিলে—নীৰৱে, মাথোন চকুৰ দুটা কোণত অলপ বিৰিঙি উঠাকৈ।

দ্ৰৌপদীয়ে তেতিয়া গোটেই সভাকে সম্বোধন কৰি ক'লে, "হে সভাসদসকল, এবাৰ আপোনাসকলে মোৰ কথাৰ উত্তৰ দিয়ক। যুধিষ্ঠিৰ এই অন্যায় পাশাখেললৈ আহিব খোজা নাছিল। ধূৰ্ত শকুনিয়ে আহ্বান কৰাত তেওঁ খেলিবলৈ বাধ্য হ'ল। এতিয়া মোক কওক, সঁচাসঁচিকৈয়ে মোক জয় কৰা হৈছে নেকি! এইখন সভাত কুৰুবংশৰ সকলোবোৰ প্ৰাজ্ঞ আৰু প্ৰৌঢ় সভাসদেই উপস্থিত আছে। তেখেতসকল কুৰুবংশৰ সকলোবোৰ জীয়ৰী-বোৱাৰীৰ অভিভাৱক। তেখেতসকলৰ ওচৰতেই সুবিচাৰ প্ৰাৰ্থনা কৰিছোঁ।"

দ্ৰৌপদীৰ প্ৰশ্নৰ উত্তৰ সভাৰ কোনেও দিব নোৱাৰিলে। নিস্তব্ধতা ভংগ কৰি মাথোন ভীষ্মই এবাৰ কথা ক'লে, "আই, ধৰ্মৰ গতি অতি সূক্ষ্ম। মই তোমাৰ প্ৰশ্নৰ যথাৰ্থ উত্তৰ বাৰু কেনেকৈ দিম ?"

কেৱল ভীমে সেই প্ৰশ্নটোৰ উত্তৰ নিজৰ ধৰণেৰে দিবলৈ ল'লে। তেওঁ যুধিষ্ঠিৰৰ মুখলৈ চাই ক'লে, "কোনো জুৱাৰীয়েই নিজৰ ঘৈণীয়েকহে নেলাগে, আনকি তাৰ লগত হাট-বাট কৰা বজৰুৱা তিৰোতা এজনীকো পণ থৈ নেখেলে। আৰু তুমি ঘৰৰ লক্ষ্মীকো পণ থৈ খেলিবলৈ ভোচ্ নকৰিলা! তোমাৰ অন্তৰত বাৰু দয়া-মায়া বোলা বস্তুটো আছে নে নাই ? আমাৰ সকলোবোৰ গ'ল—হাতী, ঘোঁৰা, মণি-মুকুতা, নগৰ-চহৰভৰা গোটেই ৰাজ্য সকলোবোৰ। শেষত আমি মানুহকেইটাও গ'লোঁ। সেইবোৰতো মোৰ কোনো অসন্তোষ নাই। কাৰণ, তুমিয়েই সেই সকলোবোৰৰ গৰাকী। কিন্তু, পাণ্ডৱৰ ভাৰ্যা দ্ৰৌপদী কিয় এই লাঞ্ছনাৰ মুখামুখি হ'বলগীয়া হ'ল ? এই কাণ্ডজ্ঞানহীন জুৱা খেলৰ প্ৰতি থকা তোমাৰ দুৰ্বলতাটোৱেই তাৰ বাবে আচলতে দায়ী। তোমাৰ এই জুৱা খেল খেলা হাতখনেই দ্ৰৌপদীৰ এই লাঞ্ছনাৰ বাবে দায়ী। আজি সেইখন পুৰি পেলাম। যোৱাচোন সহদেৱ, জুই ধৰি জুমুখি এটা লৈ আনাগে। মই জুৱাৰী হাতখন পুৰি শেষ কৰি থওঁ।"

অৰ্জুনে তেওঁৰ হাতে-ভৰিয়ে ধৰি ভীমক কোনোমতে শান্ত কৰিলে। এনেতে ধৃতৰাষ্ট্ৰৰ তৃতীয় পুত্ৰ বিকৰ্ণই থিয় হৈ সভাক সম্বোধন কৰিলে, "পাঞ্চালীয়ে আপোনাসকলক যিধাৰ কথা সুধিছে, আপোনাসকলে সুবিচাৰ কৰি উত্তৰ দিয়ক। সেয়ে নহ'লে, আমি সকলোবোৰ নৰকলৈ যাম। পিতামহ ভীষ্ম আৰু পিতা ধৃতৰাষ্ট্ৰ কুৰুবংশৰ বয়ঃশ্ৰেষ্ঠ; মহাজ্ঞানী বিদুৰ, আচাৰ্য দ্ৰোণ আৰু কৃপ—এইসকল কিয় নীৰৱে আছে, মই বুজিব পৰা নাই।" বহুপৰ ধৰ্মাক বৈ কাৰো মুখৰ পৰা কোনো কথা শুনিবলৈ নোপোৱাৰ পাচত বিকৰ্ণই ক'লে, "আপোনাসকল যেতিয়া মনে মনে ৰ'ল, ময়েই তেতিয়া মোৰ জ্ঞান-বুদ্ধিয়ে চুকি পোৱা কথাকেইটা মুকলিকৈ কওঁ। মোৰ মতে, চাৰিটা কাৰণত পাঞ্চালীক পণ থোৱা কামটো অন্যায়। প্ৰথম কাৰণটো হ'ল—পাশাখেল খেলাটোও

চিন্কাৰলৈ যোৱা আৰু স্বৰাৰ সেৱা কৰাৰ লেখীয়া ৰজা-মহাৰজাসকলৰ বাবে এবিধ নিচাৰ আসক্তি। নিচাৰ বাগীত ৰজা-মহাৰজাসকলে যিবোৰ কাম কৰে, সেইবোৰ ধৰ্মসংগত বুলি স্বীকৃত নহয়। দ্বিতীয় কাৰণটো হ'ল—নিজেই আনৰ দাস হৈ পৰাৰ পাচত, তেওঁ কাৰো গৰাকী হৈ থাকিব নোৱাৰে। তৃতীয় কাৰণটো হ'ল—কাৰোবাৰ উচটনিত পৰি কোনোবাই কিবা পণ ৰাখিলে, সেই পণ বিধিসংগত নহয়। চতুৰ্থ কাৰণটো হ'ল—সমান স্বত্বৰ অধিকাৰী বাকীসকলৰ অনুমতি নোলোৱাকৈ কোনোৱেই অকলশৰীয়াকৈ উমৈহতীয়া সম্পত্তিৰ গৰাকী হ'ব নোৱাৰে, হস্তান্তৰো কৰিব নোৱাৰে। এই আটাইকেয়োটা বিচাৰতে পাঞ্চালীক পণ থোৱা কামটো অন্যায়, অযুক্তিকৰ আৰু ধৰ্মবিৰোধী। গতিকে, পাঞ্চালীক কোনেও জয় কৰা নাই।"

লগে লগে সভাত আনন্দৰ ঢৌ বৈ গ'ল। বহুতে বিকৰ্ণৰ যুক্তিৰ প্ৰশংসা কৰিলে আৰু বহুতে শকুনিৰ দুষ্ট বুদ্ধিৰ গৰিহণা দিলে। কৰ্ণই খঙত অধীৰ হৈ চিঞৰি চিঞৰি ক'বলৈ ধৰিলে, "অতবোৰ প্ৰবীণ সভাসদ যে অতপৰে নিমাত হৈ আছে, তাৰ কাৰণ হ'ল তেখেতসকলে স্বীকাৰ কৰে দ্ৰৌপদীক দুৰ্যোধনে জিকি লৈছে। শুনা বিকৰ্ণ, তুমি এতিয়াও পেন্দুকণা ল'ৰা হৈয়েই আছা; তুমি আকৌ কি ধৰ্ম-অধৰ্মৰ কথা ক'বলৈ ওলাইছা! ধৰ্মৰ কথা জনাৰ বয়স তোমাৰ হোৱাই নাই। শুনা, যুধিষ্ঠিৰে পণ থওঁতে সৰ্বস্ব পণ কৰাৰ কথা কৈছিল। দ্ৰৌপদী জানো সৰ্বস্বৰ অন্তৰ্ভুক্ত নহয়? জানিবা নহয়েই, তেওঁ দেখোন স্পষ্টকৈ কৈছিল, দ্ৰৌপদীক পণ থোৱা বুলি! ক'তা, পাণ্ডৱবোৰে দেখোন তেতিয়া একো আপত্তি কৰা নাছিল? আৰু শুনা, তিৰোতা মানুহৰ মাথোন এজন পতি থকাটোৱেই বেদৰ নিয়ম; দ্ৰৌপদীৰ কেইবাজনো পতি। তাৰ মানে দ্ৰৌপদী অধইচ তিৰোতা। শকুনিয়ে সকলো সা-সম্পত্তি আৰু দ্ৰৌপদীৰে সৈতে পঞ্চপাণ্ডৱক জয় কৰি লৈছে। দুঃশাসন, কি চাই আছা? তুমি পাণ্ডৱহঁতৰ আৰু দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কৰা।"

লগে লগে পাণ্ডৱসকলৰ প্ৰত্যেকেই গা'ত লৈ থকা চাদৰখন সোলোকাই সমুখতে দলি মাৰি পেলাই দিলে। তাৰ পাচতে দুঃশাসন দ্ৰৌপদীৰ গা'ৰ

কাপোৰখন আঁজুৰি লোলোকাই আনিবলৈ ওজৰ চাপি গ'ল। দ্ৰৌপদীয়ে অন্য একো উপায় নেদেখি হাতযোৰকৈ ঈশ্বৰস্বৰূপে কৃষ্ণক সুঁৱৰি কাকুতি জনালে, যেন সিজনাই তেওঁক চৰম লাজৰ পৰা ৰক্ষা কৰে। স্বয়ং ঈশ্বৰ-কৃষ্ণই বস্ত্ৰৰ ৰূপ ধৰি দ্ৰৌপদীক আবৰি ধৰিলেহি। দুঃশাসনে দ্ৰৌপদীৰ গা'ৰ কাপোৰখন যিমানে টানিবলৈ ধৰিলে, সিমানে সেই বিচিত্ৰ কাপোৰখন শেষেই হ'ব নোখোজাকৈ দ্ৰৌপদীৰ গা'ৰ পৰা সুলকি সুলকি ওলায়েই থাকিল। সভাসদসকলে বিস্ময় মানিলে। সকলোৱে মনে মনে স্বীকাৰ কৰি ল'লে, পৃথিৱীৰ পৰা ধৰ্মই তেতিয়াও বিদায় লোৱা নাই!

এনেতে ভীমে নিজেই নিজৰ হাত মচৰি ধৰি ক'পা-ক'পা মাতেৰে সকলোৱে শুনাকৈ ক'লে, "হে সভাসদসকল, মোৰ কথা শুনি ৰাখক। এদিন যদি যুদ্ধক্ষেত্ৰত মই এই পাষণ্ড কুৰুকুলৰ কলংক দুঃশাসনৰ বুকু ছিৰি তেজ নিপিয়াকৈ থাকোঁ, তেনেহ'লে মোৰ উপৰি-পুৰুষৰ কোনোৱেই নৰকত পতিত হোৱাৰ পৰা নিস্কৃতি নেপাব।" ভীমৰ সেই ভীষণ প্ৰতিজ্ঞা শুনি সকলোৰে গা'ৰ নোম শিয়ঁৰি উঠিল। কিন্তু, নৰাধম দুঃশাসন তেতিয়াও বস্ত্ৰহৰণৰ বিফল পৰিশ্ৰমতেই ব্যস্ত হৈ আছিল। অৱশেষত, দুঃশাসন ভাগৰি পৰিল। এজনী নাৰীৰ ওচৰত হাৰ মানি দুঃশাসনৰ লাজ থ'বলৈ ঠাই নাইকিয়া হ'ল। দুঃশাসনে মজিয়াত বহি তাৰ সন্মুখত থকা পৰ্বতপ্ৰমাণ কাপোৰৰ দ'মটোলৈ অবাক হৈ চাবলৈ ধৰিলে। এনেতে কৰ্ণই দুঃশাসনক ক'লে, "এই দাসীজনীক ভিতৰত থৈ আহাগৈ, দুঃশাসন।"

দ্ৰৌপদী অলৰ অচৰ হৈ ৰ'ল। পিতামহ ভীষ্মই মাত দিলে, "আই, মই তোমাক আগতেই কৈছোঁ—ধৰ্মৰ গতি অতি সূক্ষ্ম। কৌৰৱবিলাক লোভ আৰু মোহৰ ফান্দত পৰিছে। সোনকালেই ইহঁত উছন যাব—সকলোৱেই সেয়া দেখা পাব।"

কিন্তু, সেই ভয়ংকৰ ভৱিষ্যত-বাণীৰ এটা শব্দও দুৰ্যোধনৰ কাণত নপৰিল। দুৰ্যোধন ব্যস্ত আছিল কেৱল দ্ৰৌপদীৰ সন্মুখত থকা অপমানৰ বিষপাত্ৰ আৰু কিছুৰ যোগান ধৰি কৃতাৰ্থ হোৱাত। দুৰ্যোধনে বিদুৰৰ

হাঁহি এটা মাৰি ক'লে, "পাঞ্চালী, তোমাৰ ভীম আৰু অৰ্জুনে, নকুল আৰু সহদেৱে একমুখে কওক যুধিষ্ঠিৰ তোমাৰ স্বামী নহয়, যুধিষ্ঠিৰ এটা জঘন্য মিথ্যাবাদী! তেনেহ'লে, মই তোমাক এই মুহূৰ্ত'তে দাসীত্বৰ পৰা মুক্তি দিম। নহ'লে, ধৰ্মপুত্ৰ যুধিষ্ঠিৰেই মুখ ফালি কওক, তেওঁ তোমাৰ স্বামী বুলি শুনা কথাষাৰ মাথোন এটা মিছা জনৰৱ। তেতিয়াও মই তোমাক পাশাখেলৰ পণ হিচাপে পোৱা অধিকাৰ এৰি দিবলৈ প্ৰস্তুত।"

এনেতে ভীমে গৰজি উঠিল, "ধৰ্মৰাজ যুধিষ্ঠিৰ যদি মোৰ গুৰু-স্থানীয় অগ্ৰজ নহ'লহে'তেন, তেনেহ'লে মই এই পাষণ্ডবোৰক ক্ষমা কৰা-নকৰাৰ প্ৰশ্ন নুঠিলহে'তেন! এতিয়াও সিজনে মোক অনুমতি দিয়ক, মই এই ধৃতৰাষ্ট্ৰৰ পুত্ৰবোৰক একাষৰ পৰা পিহি-খুন্দি তহিলং কৰি পেলাওঁ।"

দুৰ্যোধনে তেতিয়া বজ্ৰাহতৰ দৰে থৰ লাগি থকা যুধিষ্ঠিৰৰ ফালে চাই ঠাট্টাৰ সুৰত ক'লে, "শুনিলে নহয় ধৰ্মৰাজ, ভীম-অৰ্জুন সকলোৱেই আপোনাৰ আজ্ঞাধীন? সেয়ে যদি হয়, আপুনিয়েই উত্তৰ দিয়ক দ্ৰৌপদীৰ প্ৰশ্নটোৰ। উত্তৰটো মই দিব লাগিব নেকি?" এইবুলি কৈয়েই কৰ্ণৰ ফালে চাই লেতেৰা হাঁহি এটা মাৰি দ্ৰৌপদীক নিজৰ বাঁও কৰঙনটো উদঙাই ভাতে চাপৰ এটা মাৰি দেখুৱালে। সেই অশ্লীল ভংগীটো দেখা পায়েই ভীমে মাটিতে ভুকু এটা মাৰি ক'লে, "হ'বলগীয়া মহাযুদ্ধত মই যদি তোৰ সেই কৰঙনটো মোৰ গদাৰ কোবেৰে ভাঙি চুৰমাৰ কৰিবলৈ পাহৰোঁ, তেনেহ'লে মোৰ যেন নৰকবাস হয়।"

ভীমৰ মুখত আৰু এটা ভীষণ প্ৰতিজ্ঞা শুনি বিদুৰে মাত দিলে, "এই ভীমসেনক জোকাই তোলাৰ পৰিণাম অতি ভীষণ হ'ব—মই আজিয়েই কৈ থ'লোঁ। তোমালোকে বজাবৰীয়া পাশাখেলক বজাৰৰ জুৱাখেল পাতিলা, ৰাজসভালৈ ঘৰৰ ভিতৰৰ বোৱাৰী মাতি আনি লাঞ্ছনা কৰিলা, আৰু ধৰ্মাধৰ্মৰ সকলো নীতি জলাঞ্জলি দিলা। সভাত যেতিয়া ধৰ্মই কষ্ট পায়, তেতিয়া সভাৰ পবিত্ৰতা নষ্ট হয়। যুক্তিৰ বিচাৰত এইষাৰ কথা নিৰ্ভুল—নিজেই নিজকে হেৰুওৱাৰ আগতেকে

যুধিষ্ঠিৰৰ দ্ৰৌপদীক পণ হিচাপে থোৱাৰ অধিকাৰ থকা-নথকাৰ প্ৰশ্ন উঠিব পাৰে ; কিন্তু তাৰ পাচত যেতিয়া নিজেই নিজৰ গৰাকী হৈ নেথাকে, তেতিয়া সেই প্ৰশ্ন অবান্তৰ।"

বিদুৰে কথাষাৰ কৈ শেষ কৰাৰ পাচতে সকলোৱে শুনিবলৈ পালে, ধৃতৰাষ্ট্ৰৰ গোসাঁইঘৰৰ ভিতৰত সোমাই এটা শিয়ালে অসময়ত হোৱা-হোৱাকৈ বাউচি জুৰিবলৈ লৈছে। তাকে সিঞাৰি সিঞাৰি মাত দিয়া কেইটামান গাধৰ মুখৰ বিকট চিঞৰো শুনিবলৈ পোৱা গ'ল। আৰু শুনা গ'ল, কেইটামান নিয়তী চৰাইৰ আপদীয়া মাত। সেইবোৰ শুনি ভীষ্ম, দ্ৰোণ আৰু কৃপাচাৰ্যই শান্তি-মন্ত্ৰ আওৰাবলৈ ধৰিলে। হয়তো ধৃতৰাষ্ট্ৰয়ো অমংগলৰ উমান পালে।

লৰালৰিকৈ ধৃতৰাষ্ট্ৰই দুৰ্যোধনক ওচৰলৈ মাতি ক'লে, "মূৰ্খ দুৰ্যোধন, নিজৰ মৰণ নিজেই মাতি লৈছ ? কৌৰৱৰ সভালৈ পাণ্ডৱৰ ধৰ্মপত্নীক মাতি আনি ওৰণি-আবুৰ একো নেৰাখি মুখামুখি হ'লি ! তোৰ গতি বেয়া হ'ব—ধ্ৰুৱাপ জানিবি।"

তাৰ পাচত, তেওঁ দ্ৰৌপদীক ওচৰলৈ মাতি সান্ত্বনা দিয়াৰ সুৰত ক'লে, "আই, তুমি মোৰ সকলোবোৰ বোৱাৰীৰ মুকুটমণি—কোনোৱেই তোমাৰ সৈতে তুলনীয়া নহয়। তুমি মহাসতী আৰু পৰম ধৰ্মশীলা। মোৰ পৰা তুমি মনৰ হেঁপাহ পলুৱাই বৰ বিচাৰা, মই সেয়া মুকলিকৈ দিম।"

দ্ৰৌপদীয়ে তেতিয়া দুয়োহাত জুৰি ক'লে, "হে সম্ৰাট, তেনেহ'লে মোক এই বৰ দিয়ক যে ধৰ্মৰাজ যুধিষ্ঠিৰ দাসত্বৰ পৰা মুকলি হ'ব, যাতে মোৰ পুত্ৰ প্ৰতিবিন্ধ্যক কোনেও দাসপুত্ৰ বুলি ক'বলৈ সুবিধা বিচাৰি নেপায়।" লগে লগে ধৃতৰাষ্ট্ৰই তেওঁৰ মনোবাঞ্ছা পূৰণ কৰি বৰ দিলে, "আই, মই তোমাক সেই বৰ দিলোঁ। আৰু দ্বিতীয় বৰটো কি বিচাৰিছা, কোৱাঁ। মোৰ মনে কৈছে, তুমি মাত্ৰ এটা বৰৰ অধিকাৰিণী নোহোৱা। কোৱাঁ, তোমাক আৰু কি বৰ লাগে ?" দ্ৰৌপদীয়ে অলপ থমকি ৰৈয়েই ক'লে, "মহাৰাজ, তেনেহ'লে মোক এই বৰ দিয়ক যে ধৰ্মৰাজ যুধিষ্ঠিৰৰ বাকী চাৰিজন ভায়েকো দাসত্বৰ

পৰা মুকলি হ'ব।" ধৃতৰাষ্ট্ৰই দ্ৰৌপদীৰ সেই মনোবাঞ্ছাও পূৰণ কৰিলে, "আই, মই তোমাক সেই বৰ দিলোঁ। আৰু কি বৰ লাগে, কোৱা। তোমাৰ ক্ষেত্ৰত মাথোন দুটা বৰ দি সন্তুষ্ট হ'ব পৰা নাই। তুমি তৃতীয় বৰটো মোৰ পৰা বিচাৰা। মই প্ৰসন্নচিত্তে সেই বৰ তোমাক দিম।" দ্ৰৌপদীয়ে অতি বিনয়েৰে উত্তৰ দিলে, "মহাৰাজ, মোক মাৰ্জনা কৰক। অধিক লোভ মানেই ধৰ্মৰ বাটৰ পৰা পিছলি পৰা। তদুপৰি, শাস্ত্ৰমতে হেনো কোনো ক্ষত্ৰিয় নাৰী দুটাতকৈ আৰু এটাও বেচি বৰ লোৱাৰ অধিকাৰিণী নহয়। আপুনি পৰম দয়া কৰি মোৰ স্বামীসকলক দাসত্ব-বন্ধনৰ পৰা মুক্তি দিছে। বাকীখিনি তেওঁলোকে আপোন পুণ্যকৰ্মৰ বলেৰে আৰ্জন কৰি ল'বলৈ অনুমতি দিয়ক।"

ঘটনাৰ সোঁত সলনি হোৱা দেখি চাৰিওপিনে কোঢ়াল লাগি পৰিল। তাৰ মাজতে অংগৰাজ কৰ্ণ হঠাৎ দ্ৰৌপদীৰ প্ৰশংসাত মুখৰিত হৈ উঠিল। সকলোৱে শুনাকৈ তেওঁ ক'লে, "আজি দ্ৰৌপদীয়ে যি অসাধ্যসাধন কৰি দেখুৱালে, কোনো নাৰীয়েই তাৰ লগত তুলনা হ'ব পৰা কোনো কাম কোনোকালেই কৰা নাই। দুখ-সাগৰত থাউকি নেপাই ককবকাই থকা পাণ্ডৱবিলাকক তেওঁ উদ্ধাৰ কৰি নিজে খেৱা-নাও হৈ পাৰত তুলিলেগৈ।"

আনপিনে পাণ্ডৱসকলৰ মাজত নিজৰ ভিতৰতে দুৱাৰ-এৱাৰ উমাজলীয়া কথাৰ ফুট উঠিল। ভীমে অতি দুখমনেৰে ভায়েকহঁতক ক'লে, "তোমালোকেতো জানাই, পুৰুষৰ তেজ তিনিটা কথাত প্ৰকাশ পায়: সন্তানৰ সুখ্যাতি, কৰ্মৰ গৌৰৱ আৰু বিদ্যাৰ সাধনা। কিন্তু, আমাৰ পত্নীৰ অপমানে আমাৰ সন্তানবোৰৰ সুখ্যাতিকো জানো আমনি নকৰিব?" অৰ্জুনে তেওঁৰ অগ্ৰজ ভীমক সান্ত্বনা দি ক'লে, "ওঁ-হো, সেই দুশ্চিন্তাৰ প্ৰয়োজন নাই। হীন মানুহবোৰে কি কয় কি নকয়, সিবোৰক লৈ নিজৰ ধৰ্মত চলা মানুহে চিন্তা নকৰে। তেওঁলোকে চিন্তা কৰে কেৱল আপোন ক্ষমতাৰ কথা। সেই ক্ষমতাৰ বলেৰে তেওঁলোকে অতীতৰ সকলো অগৌৰৱ মচি পেলায়।" ভীমে তোঁতয়া যুধিষ্ঠিৰক ক'লে, "মহাৰাজ, অনৰ্থক জল্পনা-কল্পনা কৰি কি লাভ! মই

আজিয়েই এই শত্ৰুবোৰক নিৰ্মূল কৰি পেলাওঁ। তাৰ পাচত, আপুনি পৃথিৱী শাসন কৰিব।" যুধিষ্ঠিৰে যথেষ্ট বুজাই-বঢ়াইহে অশান্ত ভীমক শান্ত কৰিলে।

তাৰ পাচত, যুধিষ্ঠিৰে ধৃতৰাষ্ট্ৰৰ ওচৰ চাপি তেওঁক বন্দনা কৰি উঠি ক'লে, "মহাৰাজ, আমি সদায় আপোনাৰ আদেশ পালন কৰি আহিছোঁ। গতিকে আদেশ কৰক, আমি এতিয়া কি কৰিম।"

ধৃতৰাষ্ট্ৰই তেতিয়া উত্তৰ দিলে, "যুধিষ্ঠিৰ, তুমি অজাতশত্ৰু। তোমাক অন্তৰৰ পৰা আশীৰ্বাদ কৰিছোঁ, তোমাৰ মংগল হওক। তুমি তোমাৰ সকলো সা-সম্পত্তি ঘূৰাই লৈ কোনো হকা-বাধা নোহোৱাকৈ উভতি যোৱাগৈ। আগৰ নিচিনাকৈয়ে খ্যাতি-গৌৰৱেৰে নিজৰ ৰাজ্য শাসন কৰি থাকাগৈ। তুমি ধৰ্মৰ সূক্ষ্ম গতি কেনেকুৱা, সেয়া জানা। তুমি অতি অমায়িক আৰু গুৰুজনৰ প্ৰতি শ্ৰদ্ধাশীল। তুমি আনৰ ডাঙৰ দোষবোৰো তেনেই সৰুকৈ দেখি সিবোৰ আওকাণ কৰিব জানা; আৰু সিবিলাকৰ সৰু গুণ এটাকে শতগুণে বঢ়াই লৈ উপকাৰ কৰিবও জানা। এই সভাত তুমি যি সাধু আচৰণ দেখুৱালা, তাৰ তুলনা নাই।" এইবুলি কৈয়েই অলপ থমকি লৈ আকৌ ক'লে, "বোপা যুধিষ্ঠিৰ, তুমি দুৰ্যোধনৰ নিষ্ঠুৰতাৰ কথা মনত নেৰাখিবা। মই তোমাৰ শুভাকাংক্ষী, বৃদ্ধ আৰু অন্ধ, তোমাৰ পিতাৰ তুল্য। মোৰ অনুগামিনী স্বেচ্ছাই অন্ধ নাৰী গান্ধাৰীও তোমাৰ মাতৃসমা। মাথোন তুমিয়েই আমাৰ দুয়োৰে পৰম নিৰ্ভৰ। মোৰ ভুল হৈছিল, মই যে এই সৰ্বনশীয়া পাশাখেল-খন পাতিবৰ বাবে অনুমতি দিছিলোঁ। আশা কৰিছোঁ, তুমি তাৰ গ্লানিৰ স্মৃতি মনৰ পটৰ পৰা মচি পেলাবা। এতিয়া তুমি ইন্দ্ৰপ্ৰস্থলৈ উভতি যোৱাগৈ। মনৰ শান্তিৰে তুমি তাতে ৰাজত্ব কৰি থাকাগৈ।"

তাৰ পাচত, আটাইকেয়োজন পাণ্ডৱ আৰু দ্ৰৌপদী সভাঘৰৰ পৰা ওলাই গ'ল।

॥ আকৌ এখন পাশাখেল ॥

পাণ্ডৱসকল গুলাই যোৱাৰ পাচতে দুৰ্যোধন, দুঃশাসন, কৰ্ণ আৰু শকুনিৰ গোপন মেল বহিল। দুঃশাসনে হাতেৰে কপাল চপৰিয়াই ক'লে, "উস্! হাতৰ মুঠিতে পোৱা অতবোৰ ধন-সম্পত্তি হাতত্তে হেৰাল। আমাৰ গোটেই পৰিশ্ৰম অথলে গ'ল। বুঢ়া ৰজাক কিহে পাইছিল বাৰু এইদৰে অগা-ডেৱা কৰিবলৈ!"

কৰ্ণ আৰু শকুনিয়ে পৰামৰ্শ দিলে, সাপক এবাৰ জোকাই লৈ পাচত গাথীৰ খুৱাই নিচুকাব নোৱাৰি। পাণ্ডৱক লঘু-লাঞ্ছনা কৰি উঠি ৰাজ্য খাবলৈ এৰি দিলে বিপদ আছে। বৰুতো গুণা-গ'থা কৰাৰ পাচত তেওঁলোকে থিৰাং কৰিলে, আকৌ এখন পাশাখেল পাতি যুধিষ্ঠিৰহঁতক বনবাস খটুৱাব লাগিব।

দুৰ্যোধন পিতাক ধৃতৰাষ্ট্ৰৰ ওচৰ পালেগৈ আৰু তেওঁক কুটুৰিবলৈ ধৰিলে, "মহাৰাজ, আপুনি আমাক ৰক্ষা কৰক। স্বয়ং বৃহস্পতিৰ উপদেশ—যিবোৰ শত্ৰুৱে তোমাৰ অনিষ্ট কৰাৰ সম্ভাৱনা, সিহঁতক ঠন ধৰি উঠাৰ আগতে জইনু মাৰি থ'বা। পিতা, পাণ্ডৱহঁতৰ খং অকণো শাম কটা নাই। সিহঁতে এনেয়ে ফোচফোচাই যোৱা নাই। ছেগ পালেই সিহঁতে আমাক পুলিয়ে-পোখাই উঘালি শেষ কৰি থ'ব। গতিকে, সময় থাকোঁতেই তাৰ জইনু মাৰি থ'ব খুজিছোঁ। সিহঁতক আকৌ এবোল পাশাখেলত বহিবলৈ মাতোঁ। এইবাৰ দুয়ো ফালক পৰা পণ থোৱা হ'ব : যেয়ে হাৰে সেয়ে বাৰ বছৰৰ বাবে বনবাস খাটিব আৰু তাৰ পাচত এবছৰলৈ অজ্ঞাতবাস। তেৰ বছৰৰ পাচত সিহঁতৰ ক'কাল ভাগিব; আৰু আমিও সিহঁতৰ মুখামুখি হ'ব পৰাকৈ সৈন্য-সামন্ত, হাতী-ঘোঁৰা গোটাই ল'ব পাৰিম। এতিয়া কথা হ'ল, আপুনি আমাক সেই সুযোগটো দিব লাগে। সিহঁতক পাশা খেলিবলৈ আকৌ মাতি পঠিয়াব লাগে।"

দুৰ্যোধনৰ খট-বান্ধ শুনি পোনতে দোধোৰমোধোৰ কৰি অৱশেষত তেওঁ সম্মতি জনালে, "পাণ্ডৱবিলাকক বাৰু ওভোতাই আনাগৈ।"

গান্ধাৰীয়ে কিন্তু ধৃতৰাষ্ট্ৰক সোঁৱৰাই দিবলৈ নেপাহৰিলে, "মহাৰাজ,

দুৰ্যোধন ওপজাৰ সময়ত বিদুৰে ভালেই কৈছিল—এই কুলাংগাৰটোক এতিয়াই সিপুৰীলৈ পঠিয়াই দিয়া উচিত। আপুনি দেখিছোঁ নিজৰ দোষতে দুখৰ সাগৰত তল যাব! সি অতি নিৰ্বোধ আৰু উদণ্ড; তাৰ কথা শুনিবলৈ নেযাব। আপুনি তাক মৰম কৰি বেচি আশয় দিছে। এতিয়া ফল হ'বগৈ, তাৰ কাৰণেই বংশনাশ হ'ব! মই ক'বলৈ হ'লে, পাণ্ডৱবিলাক জুৰ পৰি আহিছিল; এইবাৰ সিহঁত জাঙুল খাই উঠিব।"

ধৃতৰাষ্ট্ৰই উত্তৰ দিলে, "বংশ যে নাশ হ'ব, আমাৰ নামত চাকি এগছ দিবলৈয়ো যে কোনো নেথাকিব—সেয়া ধ্ৰুৱ। কিন্তু, মই নিৰুপায়। সিহঁতে সেইবাবে যি কৰিব খুজিছে, তাকেই কৰক।"

দুৰ্যোধনে আকৌ তেওঁৰ ৰথৰ সাৰথি প্ৰাতিকামীকেই ধৃতৰাষ্ট্ৰৰ দূত হৈ যুধিষ্ঠিৰক মাতি আনিবলৈ পঠিলে। প্ৰাতিকামীয়ে যুধিষ্ঠিৰক ইন্দ্ৰপ্ৰস্থ নৌ-পাওঁতেই লগ পালেগৈ। লগ পায়েই কথাষাৰ জনালে, আকৌ এবাজি পাশাখেল খেলিবলৈ উভতি যাব লাগে! কথাষাৰ শুনিয়েই সকলোবোৰ উচপ্ খাই উঠিল যদিও যুধিষ্ঠিৰে নিৰ্বিকাৰভাৱে ক'লে, "বিধাতাৰ বিধি অনুসৰিয়েই জীৱৰ ভাগ্যত মংগল আৰু অমংগলৰ ছাঁ পৰে। বৃদ্ধ ধৃতৰাষ্ট্ৰই যেতিয়া মাতি পঠিয়াইছে, তেতিয়া বিপদ ঘটিব পাৰে বুলি জানিও মই যাবই লাগিব। তাহানি ৰামে যদিও জানিছিল যে সোণেৰে গঢ়া জন্তু ক'তোৱেই নাই, তথাপি তেওঁ সোণৰ হৰিণাৰ পম খেদিছিল। বিপদে যেতিয়া কাৰোবাক হাতবাউল দিয়েহি, তেতিয়া মানুহৰ জ্ঞান-বুদ্ধিত খেলিমেলি লগাটোৱেই স্বাভাৱিক।"

পাণ্ডৱসকল আকৌ হস্তিনাপুৰ পালেহি। শকুনিয়ে পাশাৰ চালখন মেলিয়েই থৈছিল—সামৰাই নাছিল। যুধিষ্ঠিৰ আহি পোৱাৰ লগে লগে শকুনিয়ে যুধিষ্ঠিৰক ক'লে, "বৰ ভাল কৰিলা সোনকালে আহি। আমি আৰু এবাজি খেলাৰ কথা ভাবিছোঁ। নহ'লে খেলখন আধৰুৱা হৈ ৰয়। এইবোৰ বজাঘৰীয়া খেল খুচুৰা কথাতে লাগি আধা-ডুখৰীয়াকৈ খেলিব নেপায়। যি কি নহওক, মহাৰাজ ধৃতৰাষ্ট্ৰই তোমালোকৰ ধন-সম্পত্তিবোৰ ঘূৰাই দি বৰ মহৎ কাম কৰিছে। কথা

হ'ল, এইবুলি আমি সেইবোৰ পণ থৈ নেখেলোঁ। মই ভাবিছোঁ, আমি দুয়ো পক্ষই মাথোন কথা এবাৰৰ পণ থওঁ। কথাষাৰ হ'ল—আমি যদি হাৰো তেনেহ'লে আমি পহুছালৰ সাজ পিন্ধি বাৰ বছৰকাল হাবিয়ে-বননিয়ে কটামগৈ আৰু তাৰ পাচত এবছৰলৈ মিতিৰ-কুটুমে গম নোপোৱাকৈ ক'ৰবাত থাকিমগৈ। আকৌ, যদি সেইটো বছৰত আমাক কোনোবাই কেনেবাকৈ ধৰা পেলাব পাৰে, তেনেহ'লে আৰু বাৰ বছৰলৈ আমি বনবাস খাটিব লাগিব। তোমালোক কেনেবাকৈ হাৰিলে—নেহাৰা দিয়াচোন—সেই একেটা নিয়মেৰেই বনবাস আৰু অজ্ঞাতবাস খাটিব লাগিব। তেৰ বছৰ উকলি গ'লেই তোমালোক আকৌ নিজৰ ৰাজ্যৰ গৰাকী হ'বাহি। আহাঁ, এইবাৰ খেলোঁ।"

সভাত এটা গুণগুণনি উঠিল। বোলে, কোনেও নো বাৰু পাণ্ডৱসকলক সাৱধান কৰি দিব নেলাগে নে? পাণ্ডৱসকলেও বাৰু এনে অপমানতীয়া কথাত সঁহাৰি দিব লাগে নে? যুধিষ্ঠিৰে ক'লে, "নিয়ম মানি চলাটোকে মই ধৰ্মৰ পথেৰে চলা বুলি ভাবোঁ। পাশা-খেলুৱৈৰ বাবে নিয়মটো হ'ল—কোনোবাই আহ্বান কৰিলে, তেওঁ নেখেলাকৈ নোৱাৰিব। সেইবাবে, মই খেলিবলৈ বাধ্য।"

অলপ পৰৰ পাচতে খেলা শেষ হ'ল। অনিবাৰ্য ধৰণেৰেই যুধিষ্ঠিৰ হাৰিল। তেওঁৰ হাতত বিচৰা দানবোৰ পাশাতি তিনিডালত নপৰিল। আনপিনে, শকুনিয়ে তেওঁৰ পাশাতিত প্ৰতিটো দানতে বিচৰা ফুটবোৰ ফুটাই চালৰ গুটিবোৰ নি পকা কৰি পেলালে।

পাণ্ডৱসকলে কাপোৰ-কানিবোৰ সলাই পহুছাল পিন্ধি ল'লে। বনবাসৰ বাবে এইদৰে সাজু হওঁতেই, দুঃশাসনে মাত দিলে, "এতিয়া তেনেহ'লে দুৰ্যোধনেই চক্ৰৱৰ্তী-ৰজা হৈ পৰিল। বেচেৰা পাণ্ডৱহঁতে বাৰুকৈয়ে ভালেমান বছৰ নৰকত কটাবগৈ। মোৰ দুখ লাগিছে, দ্ৰুপদ ৰজাটোৰ কথা ভাবি। কিমান যে আশা কৰি জীয়েকক কেলেহুৱা পাণ্ডৱহঁতৰ হাতত গঁতাইছিল। দ্ৰৌপদী, এই ছালপিন্ধা ভিকহু-স্বামীকেইটাৰ আলপৈচান ধৰি তোমাৰ আনো কিবা লাভ আছে?"

ভীমে তেতিয়া দুঃশাসনক ক'লে, "দুৰাচাৰ, তই আজি কথাৰ

শেলেৰে আমাৰ বুকু ছিৰাছিৰ কৰিছ। যুদ্ধক্ষেত্ৰত তোৰ বুকু ছিৰি তোক মনত পেলাই দিম, তই আমাক কি কষ্ট দিছ।"

ভীমৰ কথা শুনি দুঃশাসনৰ উলাহ আৰু অলপ চৰিল। দুঃশাসনে দেখিলে, সি কটা ঘা-ত চেঙাতেল দিব পাৰিছে! গতিকে, নিলাজৰ দৰে সি ভীমক 'ঐ গৰু, ঐ গৰু' বুলি কিৰিলি পাৰি জোকাবলৈ ধৰিলে। আঁৰৰ কথাষাৰ হ'ল, ভীমৰ কান্ধ দুখন ষাঁড় গৰুৰ গলধন একোটাৰ লেখীয়া অতি মঙহাল ধৰণৰ আছিল আৰু তাকে ক'লে ভীমৰ খঙে মূৰৰ চুলি পাইছিলগৈ!

অৱশেষত, পাণ্ডৱসকল পটি এটা ধৰি যুধিষ্ঠিৰৰ পিচে পিচে সভাঘৰৰ পৰা বনবাসলৈ ওলাল। দুৰ্যোধনে ভীমক ইতিকিং কৰিবৰ বাবে খোজৰ ভৰত ধৰণী টলমল কৰি তোলা ভীমৰ খোজবোৰৰ লেখীয়াকৈ খোজকাঢ়ি কাষে কাষে গৈ দেখুৱালে। ভীমে তেতিয়া পিচলৈ উলটি লৈ ক'লে, "মূৰ্খ দুৰ্যোধন, পাহৰি নেযাবি—বজাবো এদিন, খৰিভাৰীবো এদিন! মাথোন দুঃশাসনৰ বুকু ছিৰি তেজ পিয়েই মই নেৰোঁ, তোকো তোৰ লগৰীয়াবোৰৰ সৈতে যমৰ আলহী কৰিহে মই শান্ত হ'ম। গদাঘাতেৰে মই তোৰ কৰঙন ভাঙি চুৰমাৰ কৰিম, পদাঘাতেৰে মই তোৰ মূৰটো গৰকি ভেমেচা কৰিম। ভাই অৰ্জুনে কৰ্ণক শেলেৰে শালি সিপুৰীলৈ পঠিয়াব। সহদেৱে সৌ ধূৰ্ত শকুনিক মাৰি পৃথিৱীত অধৰ্মৰ ভাৰ পাতলাব। মুঠতে, তহঁত আটাইকেয়োটাকে ধূলিৰ লগত মিহলি কৰিহে শান্ত হ'ম।"

অৰ্জুনেও বীৰদৰ্পে এই বুলি ক'লে, "কথাৰে নকওঁ, কামেৰে কৰি দেখুৱাম। চৈধ্য বছৰ যেতিয়া হ'বগৈ, তেতিয়া সকলোৱে দেখা পাব— আজি মনে মনে কি সংকল্প কৰিলোঁ! দাদা ভীমসেন, আপোনাৰ আগত মই আপুনি আশা কৰামতেই প্ৰতিজ্ঞা কৰিলোঁ, এই চকুটৰহা, নিধক আৰু গন্তপী কৰ্ণক মই যুদ্ধক্ষেত্ৰত বধ কৰিম। হিমালয় লৰচৰ হ'ব পাৰে, সূৰ্যৰ পোহৰ চেঁচা পৰি যাব পাৰে, আৰু জোনৰ জোনাক হেৰাই যাব পাৰে, কিন্তু মোৰ কথাৰ লৰচৰ নহ'ব।"

সহদেৱেও নিজৰ বৰীয়াকৈ ক'লে, "দাদা ভীমসেনে মোৰ হৈ কিয়ৰ

কথা ক'লে, মই সেইবাৰ কথা আখৰে আখৰে পালন কৰিম। গান্ধাৰ-কুলাংগাৰ শকুনিক ময়েই যমৰ ঘৰলৈ পঠিয়াম।"

অৱশেষত, নকুলে মাত দিলে, "দুষ্ট দুৰ্যোধনক তুষ্ট কৰিবলৈ দ্ৰৌপদীক যিবোৰে কটু কথা শুনালে আৰু তেওঁৰ মনত দুখ দিলে, সেই সকলোবোৰ দুৰ্বৃত্তক সংহাৰ কৰাৰ দায়িত্ব মই ল'লোঁ। ধৃতৰাষ্ট্ৰৰ বাকী সকলোকেইটা পুতেকক এটা-এটাকৈ মই বধ কৰিম। ধৃতৰাষ্ট্ৰৰ নামত চাকি এগছ জ্বলাবলৈয়ো কাকো বাকী নেৰাখোঁ।"

## ॥ পাণ্ডৱসকলৰ বনবাস-যাত্ৰা ॥

পিতামহ ভীষ্ম, মহাৰাজ ধৃতৰাষ্ট্ৰ, সকলো ধাৰ্তৰাষ্ট্ৰ, আচাৰ্য দ্ৰোণ, আচাৰ্য কৃপ, গুৰুপুত্ৰ অশ্বত্থামা, ধৃতৰাষ্ট্ৰৰ দাসীপুত্ৰ যুযুৎসু, বিদুৰ আৰু সঞ্জয় ইত্যাদি সকলোকে সম্বোধন কৰি যুধিষ্ঠিৰে ক'লে, "মই এতিয়া বনলৈ যাবলৈ সাজু হ'লোঁ। আপোনাসকলে মোক অনুমতি দিয়ক। উভতি অহাৰ পাচত আপোনাসকলক দৰ্শন কৰিমহি।" যুধিষ্ঠিৰৰ সেই বিনয়-বচনে সকলোকে লাজ দিলে; কোনোৱেই লাজতে একো উত্তৰ দিব নোৱাৰিলে। মাথোন মনে মনে সকলোৱে প্ৰাৰ্থনা কৰিলে, যুধিষ্ঠিৰৰ মংগল হওক।

বিদুৰে ক'লে, "বোপা যুধিষ্ঠিৰ, বৌদেউ কুন্তীৰ বয়স হৈছে; বনবাসৰ দুখ তেখেতে সহিব নোৱাৰিব। মই ভাবিছোঁ, তেখেত মোৰ লগতেই সসম্মানে অতিথি হৈ থাকক। তোমালোকৰ নিশ্চয় আপত্তি নাই! বোপাহঁত, তোমালোক সকলোকেইটিকে আশীৰ্বাদ কৰিছোঁ, তোমালোকৰ মংগল হওক।"

যুধিষ্ঠিৰে উত্তৰ দি ক'লে, "খুৰা আপুনি অতি নিষ্পাপ। আপুনি আমাৰ পিতাৰ অভাৱ পূৰণ কৰিছে। গতিকে, আপুনি যি আদেশ দিয়ে, তাকেই আমি পালন কৰিম।"

বিদুৰে আকৌ ক'লে "বোপা যুধিষ্ঠিৰ, অধৰ্মৰে জয় কৰাত পৰাজিতজনৰ বাবে দুখৰ কাৰণ নেথাকে। তুমি ধৰ্মজ্ঞ, ভীম শত্ৰু হন্তা,

অৰ্জুন ধনুৰ্ধৰ, নকুল বিত্তজ্ঞানী, সহদেৱ নীতিনিষ্ঠ, ধৌম্য ব্ৰহ্মজ্ঞ, আৰু দ্ৰৌপদী পৰম সাধ্বী। তোমালোকৰ ইজনে-সিজনক প্ৰাণতকৈ ভাল পোৱা, প্ৰত্যেকেই মধুৰ বচনৰ অধিকাৰী। গতিকে, কোনেও তোমালোকৰ মাজত মলিন মনৰ সৃষ্টি কৰিব নোৱাৰিব ; তোমালোক সদায় একেলগে থাকিব পাৰিবা। আশীৰ্বাদ কৰিছোঁ, তোমালোকৰ মংগল হওক।”

আনফালে, দ্ৰৌপদীয়েও ভিতৰ-চ'ৰালৈ সোমাই গৈ সকলোবোৰ জীয়ৰী-বোৱাৰীৰ ওচৰত বিদায় বিচাৰিলে। লগে লগে ভিতৰ-চ'ৰাত কান্দোনৰ ৰোল উঠিল। পাণ্ডৱজননী কুন্তীৰ ওচৰলৈ গ'লত, তেওঁ থোকাথুকি মাতেৰে ক'লে, “বোৱাৰী, তুমি সকলো গুণৰ অধিকাৰিণী। তোমাক উপদেশ দিবৰ জোখাৰে মোৰ জ্ঞান নাই। উপদেশৰ প্ৰয়োজনো তোমাৰ নাই। কৌৰৱবিলাক ভাগ্যবান, সেইহে যে তোমাৰ কোপ-দৃষ্টিত পৰি নমৰাকৈ থাকিল। তুমি কোনো শংকা নকৰাকৈ বনলৈ যাত্ৰা কৰা। মই সদায় তোমালোকৰ মংগল কামনা কৰি ভগৱানৰ ওচৰত কাকুতি জনাবলৈ নেপাহৰোঁ। তুমি মাথোন মোৰ নৃমলীয়া ল'ৰা সহদেৱক মন-কাণ দিবলৈ নেপাহৰিবা। বিপদে তাক বিকল কৰি তোলে বুলি উৎকণ্ঠাত থাই আছোঁ।” কুন্তীৰ কথাকেইটা শুনি দ্ৰৌপদীৰ ক্ষীণ উচুপনিটো পাৰভঙা কান্দোন হৈ পৰিল।

পহুছালৰ সাজ পিন্ধি বিদায় ল'বলৈ অহা পুত্ৰেককেইজনক সাৱটি ধৰি কুন্তীয়ে ক'লে, “হায়! তোমালোক দেখোন ধাৰ্মিক, উদাৰ আৰু ঈশ্বৰভক্ত! অথচ, তোমালোকৰ ভাগ্যত এই দশা ঘটিবলৈ কিয় পালে? তোমালোকৰ পিতাৰা পৰম ভাগ্যবান, তোমালোকৰ এই দুৰ্দশা দেখিব-লগীয়া নহ'ল। সতী মাদ্ৰীও ভাগ্যৱতী, তোমালোকৰ এই কুলাই-পাচিয়ে নধৰা দুখ নেদেখিলে! ময়ো তোমালোকৰ লগতে বনলৈ যাওঁ। তোমালোকক এৰিনো বাৰু মই কেনেকৈ থাকিম?”

পাণ্ডৱসকলে তেওঁক বহুত বুজাই-মেলিহে শান্ত কৰিলে।

অৱশেষত, তেওঁলোকে যাত্ৰা কৰিলে।

কৌৰৱ বিলাকৰ হাতত দ্ৰৌপদীৰ লাঞ্ছনাৰ কথা ধৃতৰাষ্ট্ৰৰ বোৱাৰী-বিলাকৰো কাণত পৰিছিলহি। এতিয়া সেইবোৰ কথাও ইনাই-বিনাই

কৈ তেওঁলোকে হুকহুকাই কান্দিবলৈ ধৰিলে। লগতে তেওঁলোকে নিজৰ গিৰিহঁতবোৰকো নিন্দা কৰি দুষাৰমান গালে। পুতেকহঁতৰ অন্যায়-অধৰ্মৰ কথা চিন্তা কৰি ধৃতৰাষ্ট্ৰৰ মনটোও অলপ গোমা হৈ নুঠাকৈ নেথাকিল। মাজে মাজে বাৰুকৈয়ে অস্বস্তি ভোগ কৰিবলৈ ধৰিলে। বিদুৰক ওচৰলৈ মাতি আনি শুনিব খুজিলে, পাণ্ডৱবিলাক কেনেকুৱাকৈ ওলাই গৈছে—তাৰ এটা বিৱৰণ।

বিদুৰে ক'বলৈ ধৰিলে, "ধৰ্মৰাজ যুধিষ্ঠিৰে মুখখন খহটা কাপোৰ এখনেৰে আৱৰি ধৰি যাবলৈ ধৰিছে। মহাৰাজ, আপোনাৰ পুত্ৰবোৰে কপট উপায়েৰে ৰাজ্য হৰণ কৰিলেও যুধিষ্ঠিৰ ধৰ্মৰ বাটৰ পৰা পিছল খোৱা নাই। তেওঁ অতি মৰমিয়াল; সেই কাৰণেই তেওঁ মুখখন তেনে-কুৱাকৈ আঁৰ কৰি ধৰিছে, চকু মেলিও চোৱা নাই। জানোচা কেনে-বাকৈ তেওঁৰ খঙাল দৃষ্টিৰ সমুখত পৰি আপোনাৰ কোনোবাটো পুত্ৰ পুৰি ছাই হৈ পৰে! ভীম গৈছে ওফন্দি উঠা মাংসপেশীখিনি দেখুৱাই দুয়োপিনে দুয়োটা বাহু ওপৰলৈ দাঙি ধৰি। যেন উমান দিব খুজিছে, সেই বাহুবলেৰেই সমস্ত পোতক তুলিবহি! অৰ্জুন গৈছে ক'কালত আঁৰি লোৱা এটা মোনাৰ পৰা মুঠিয়ে মুঠিয়ে বালি লৈ ছেদ-ভেদ নোহোৱাকৈ আকাশলৈ ছটিয়াই ছটিয়াই। যেন সেয়া তেওঁৰ শৰবৰ্ষণৰ আখৰাহে। সমস্ত তেনেকুৱাকৈয়ে তেওঁ শৰ বৰষিব! নকুলে গোটেই গা'তে ধূলি ঘঁহি লৈ আৰু সহদেৱে মুখখন ঢাকি দুখমনেৰে খোজ দি গৈছে। দ্ৰৌপদীয়ে তেওঁৰ মেল খাই থকা চুলিকোছাৰে মুখখন ঢাকি ফেকুৰি ফেকুৰি বাট নমণাকৈ তেওঁলোকৰ পিচে পিচে থৰকবৰক খোজেৰে গৈ আছে। সকলোৰে সমুখত আছে পুৰোহিত ধৌম্য। তেওঁৰ হাতত কেইডালমান দুবৰি আৰু মুখত যমদেৱতাৰ সামগান। তেওঁলোকৰ পিচে পিচে মানুহৰ জুম; সকলোৱেই বুকু চপৰিয়াই কান্দিছে। ঐ'ৰ মহাৰাজ! পাণ্ডৱসকল গৈ থকাৰ লগে লগে আকাশত মেঘৰ গাজনি নোহোৱাকৈয়ে বিজুলীয়ে চিকমিকাইছে, ভূঁইকপত পৃথিৱীখন কঁপি উঠিছে, আৰু সূৰ্যগ্ৰহণটোও আৰম্ভ হৈছে। গোটেইবোৰেই আপদীয়া লক্ষণ, মহাৰাজ!"

এনেতে সভাৰ মাজৰ পৰা দেৱৰ্ষি নাৰদে কোৱা শুনা গ'ল, "সকলোৱে শুনি ৰাখক, আজিৰ পৰা চৈধ্য বছৰ হ'বৰ সময়ত দুৰ্যোধনৰ পাপৰ ফলত আৰু ভীম-অৰ্জুনৰ প্ৰতাপত কৌৰৱবিলাক ধ্বংস হ'ব।" লগে লগে নাৰদ তাৰ পৰা গুচি গ'ল।

দুৰ্যোধন, কৰ্ণ আৰু শকুনি তেতিয়াহে কঁপি উঠিল। দ্ৰোণাচাৰ্যকেই বিপদ-সাগৰৰ মাজুলী বুলি ভাবি লৈ তিনিওজন তেওঁৰ ওচৰ চাপিল। ক'লে, "ৰাজ্য গোটেইখন আপোনাৰেই। আপুনি নেৰাখিলে ৰাখোঁতা আৰু কোনো নাই।"

দ্ৰোণে তেতিয়া ক'লে, "তোমালোক মোৰ শৰণাৰ্থী। গতিকে, মই তোমালোকক এৰিবলৈ টান হ'ল। কিন্তু, হ'বলগীয়াটো হ'বই। পাণ্ডৱবিলাকে উভতি আহি তোমালোকৰ ওপৰত প্ৰতিশোধ ল'বই ল'ব। মোৰ কাৰণে আটাইতকৈ দুখৰ কথাষাৰ হ'ল, মই মহাবীৰ অৰ্জুনৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগিব। আৰু, ধৃষ্টদ্যুম্নৰ হাততেই মোৰ মৰণ ঘটিব। তেওঁ সিটো পক্ষৰ হৈ যুদ্ধ কৰিব। দুৰ্যোধন, তোমাৰ সুখ-সমৃদ্ধি শেষ-আঘোণৰ ৰ'দৰ লেখীয়া থন্তেকীয়া বুলি জানি থোৱা। এইকেইদিনেই সুখৰ ৰ'দকণ পুৱাই লোৱা। তাৰ পাচত, চৈধ্য বছৰ হোৱাৰ লগে লগে তোমালোকৰ মহাকাল উপস্থিত হ'ব।"

# ঃ বনপৰ্ব ঃ

॥ ব্ৰাহ্মণসকলৰ তাপৰ ভক্ত ॥

হস্তিনাপুৰৰ পৰা ওলায়েই পঞ্চ পাণ্ডৱ আৰু দ্ৰৌপদীয়ে উত্তৰমুখে যাবলৈ ধৰিলে। তেওঁলোকৰ পিচে পিচে এখন ৰথত উঠি গৈছিল, চৈধ্য গৰাকী লিগিৰা-লিগিৰী। ঘাই লিগিৰাজনৰ নামটো আছিল ইন্দ্ৰসেন। আৰু খোজকাঢ়ি কন্দা-কটা কৰি গৈছিল এদল নগৰবাসী। তেওঁলোকে পাণ্ডৱসকলক হাতযোৰকৈ বাৰে বাৰে এইবুলি কৈছিল, "আমাক এৰি থৈ আপোনালোক ক'লৈ যাবলৈ ওলাইছে? আমাকো লগতে লৈ যাওক। আমি এই অধৰমীবোৰৰ ৰাজ্যত নেথাকোঁ। আপোনালোক য'তে থাকেগৈ, আমিও ত'তে থাকিমগৈ। আপোনাসকল ধৰ্ম-অৰ্থ-কাম তিনিও বৰ্গৰে সাধক, বেদবিহিত আৰু লোকাচাৰসম্মত সকলো গুণেই আছে। আপোনালোকৰ লগত থাকিলেহে পাৰ পাম। অনাচাৰীবোৰৰ ৰাজ্যত থাকিলে পাপতে বুৰ যাম।"

কিছুদূৰ যোৱাৰ পাচত যুধিষ্ঠিৰে উভতি চাই ক'লে, "আমাৰ জীৱন সাৰ্থক হ'ল, অতখন ৰাইজৰ ইমান মৰম পালোঁ। আমাৰ যিবোৰ গুণ নাই, সিবোৰকো কৈ আমাক বখানিলে! কিন্তু, এতিয়া সময় পালেহি, আপোনালোক ঘৰলৈ উভতি যাওকগৈ। আপোনালোকে দেশ-খনকে চুৱা হ'ল বুলি নেভাবিব। হস্তিনাপুৰতে আছে পিতামহ ভীষ্ম, মহাৰাজ ধৃতৰাষ্ট্ৰ, মহাপ্ৰাণ বিদুৰ, আই কুন্তী আৰু বহুতো বন্ধু-বান্ধৱ থাকি অহা নাই; তেওঁলোক সকলোৱেই শোকত বুৰ গৈ আছে। তেওঁলোককো চোৱা-চিন্তা কৰি থাকিলেহে আমাৰ মংগল হ'ব। আমাৰ মৰমতে আপোনালোকে বহুদূৰে বাট খচাকিলে। এতিয়া উভতি যাওকগৈ। আমাৰ আপোন মানুহখিনিৰ ভাৰ আপোনালোকৰ হাততে গ'তালোঁ। তেওঁলোকলৈ আপোনাসকলৰ মৰম-চেনেহৰ নাটনি নহ'লেই আমি সুখী হ'ম।"

ধৰ্মৰাজ যুধিষ্ঠিৰৰ অন্তৰ-পৰশা কথাকেইষাৰ শুনি তেওঁলোকৰ

কাম্পোনটো আকৌ এবাৰ উজ্বাৰ খাই উঠিল। অৱশেষত, তেওঁলোক সকলোৱেই চকুপানী টুকি টুকি উভতি যোৱাৰ বাট ল'লে। তাৰ পাচত, পাণ্ডৱসকল ৰথত উঠি গংগাৰ অভিমুখে যাবলৈ ধৰিলে, গধূলি পৰত প্ৰমাণ নামৰ এজোপা বৰগছৰ তল পালেগৈ ; তাতে তেওঁলোক ৰথৰ পৰা নামিল। নিশা তেওঁলোকে মাথোন কেইচলুমান পানী খালে। গুৰতে তেওঁলোকৰ পিচে পিচে আহি থকা কেইগৰাকীমান ব্ৰাহ্মণ আৰু তেওঁলোকৰ এদল শিষ্যই হোমৰ জুই জ্বলাই বেদমন্ত্ৰ আওৰাই আছিল। তেওঁলোকক লগ পাই যুধিষ্ঠিৰে ধৰ্মৰ বিষয়ে কথা পাতি ৰাতিটো কটাই দিলে।

পাচদিনা পুৱা যুধিষ্ঠিৰে সেই ব্ৰাহ্মণসকলক ক'লে, "আপোনাসকলে যদি আমাৰ লগে লগে আহি থকাৰ কথা ভাবিছে, তেনেহ'লে ভুল কৰা হ'ব। কাৰণ, আমাৰ এতিয়া একোৱেই নাই। এতিয়াৰ পৰা আমি গছৰ ফল-মূল আৰু চিকাৰত পৰা জন্তুৰ মঙহ খায়েই কটাব লাগিব। বাঘ-ভালুকেৰে ভৰপূৰ এই হাবিতলীয়া জীৱনৰ খোজে খোজে বহুত বিপদ আৰু অনেক কষ্ট। আপোনাসকলে সেইবোৰৰ মুখামুখি হ'বলৈ বৰ টান পাব। গতিকে, আপোনাসকল উভতি যাওকগৈ।"

ব্ৰাহ্মণসকলে উত্তৰ দিলে, "আপোনালোক যেনিয়েই যায়, আমিও তেনিয়েই যাম, মহাৰাজ। আপুনি আমাৰ খোৱা-বোৱাৰ কথা চিন্তা কৰিব নালাগে। সেয়া আমি নিজেই গোটাই-মেলি ল'ম। আমি মাথোন হোম-যজ্ঞ ইত্যাদি কৰি আপোনালোকৰ মংগল-বিধান কৰিম আৰু সুখাৰ-এখাৰ সজ কথা পাতি আপোনালোকৰ মনবোৰ ফৰকাল কৰি ৰাখিম।"

যুধিষ্ঠিৰে তেতিয়া ক'লে "আপোনাসকলে নিজেই নিজৰ খাদ্যবস্তু গোটাইমেলি আনিছে এসাজ খাব পাৰিব, নহ'লে লঘোণে থাকিব লাগিব— সেইটো মই কেনেকৈ চাই থাকিম ? আপোনালোকে নিশ্চয় তেনেকুৱা কষ্টকৰ জীৱনৰ অভিজ্ঞতা আৰ্জন কৰা নাই। তদুপৰি, আমাৰে মৰমত বন্দী হৈ আপোনালোকে সেই কষ্ট বৰণ কৰিব, সেয়া মই সহ্য কৰিব নোৱাৰিম।"

যুধিষ্ঠিৰ গধূৰ মনেৰে ভায়েকহঁতৰ ওচৰলৈ উভতি আহিল। পুৰোহিত ধৌম্যক সকলো কথা কৈ উঠি সুধিলে, "এতিয়া মোৰ কৰ্তব্য কি—কওক। বি বুজিছোঁ, এই বেদজ্ঞ ব্ৰাহ্মণসকল উভতি নেযায়। অথচ, আমি তেওঁলোকক পোহপাল দিব নোৱাৰিম। ইয়াতকৈ দুখৰ কথা আৰু কি হ'ব পাৰে ?"

ধৌম্যই চকুহাল মুদি অলপ চিন্তা কৰি লৈ ক'লে, "সূৰ্যই হ'ল বায়ু, প্যানী, মাটি, জুই আৰু আকাশৰ পিতা। গতিকে, প্ৰাণীবিলাকৰ প্ৰাণধাৰণৰ বাবে তেওঁৱেই সকলো অন্নৰ দাতা। তুমি তেওঁৰেই শৰণ লোৱা।" তাৰ পাচত, তেওঁ যুধিষ্ঠিৰক সূৰ্যদেৱতাক সন্তুষ্ট কৰিবলৈ প্ৰয়োজনীয় মন্ত্ৰ আৰু তপস্যাৰ ধৰণটো শিকাই দিলে।

যুধিষ্ঠিৰে কঠোৰ তপস্যা কৰিবলৈ ধৰিলে। তেওঁৰ তপস্যাত সন্তুষ্ট হৈ সূৰ্যদেৱতাই তেওঁৰ সন্মুখত উজ্জ্বল মূৰ্তিৰে দেখা দি ক'লে, "হে ধৰ্মপুত্ৰ, তোমাৰ সকলো মনোবাঞ্ছা পূৰণ হ'ব। বনবাসৰ বাৰ বছৰ পূৰ হ'লে, মই তোমাক অন্ন দিম। এতিয়া এই তামৰ চৰুটো লোৱা। পাঞ্চালীক এই চৰুটো দি ইয়াতে শাক-পাচলি, আমিষ-নিৰামিষ সকলো ধৰণৰ ৰন্ধা-বঢ়াৰ কাম কৰিবলৈ ক'বা। যেতিয়ালৈকে তেওঁ নিজে নোখোৱাকৈ থাকিব, তেতিয়ালৈকে এই চৰুটো বাঢ়ি উলিওৱা অন্ন-ব্যঞ্জনেৰে অকণো নুটকুৱাকৈ ভৰপূৰ হৈ থাকিব। চৈধ্য বছৰৰ পাচত তুমি আকৌ তোমাৰ ৰাজ্যৰ গৰাকী হ'বা।" এইবুলি কৈয়েই সূৰ্যদেৱতা অদৃশ্য হৈ পৰিল।

সূৰ্যদেৱতাৰ পৰা বৰলাভ কৰি উঠি যুধিষ্ঠিৰে উভতি আহি ধৌম্যক প্ৰণাম কৰিলে আৰু ভায়েকহঁতক সাৰটি ধৰিলে। তাৰ পাচত, দ্ৰৌপদীক সেই তামৰ চৰুটো দি তাতে তেওঁ ৰন্ধা-বঢ়া কৰিলে। ৰন্ধা-বঢ়া শেষ হ'লত দ্ৰৌপদীয়ে গোটেই ব্ৰাহ্মণকেইজনক মনৰ হেঁপাহেৰে খুৱালে। তাৰ পাচত, চাৰিওজন ভায়েকক খুৱাই উঠি যুধিষ্ঠিৰক খাবলৈ দিলে। অৱশেষত, আৰু কোনো খাওঁতা নেথাকিলত, দ্ৰৌপদী নিজৰ পাতত অৱশিষ্টখিনি লৈ খাবলৈ বহিল। খাই-কৈ উঠি, দ্ৰৌপদীয়ে চৰুটো উবুৰিয়াই চাই দেখিলে—আৰু এমুঠিও একো নাই। খুদকণ এটিও নাই।

## ॥ বিদুৰৰ সাময়িক বিপৰ্যয় ॥

আনফালে, পাণ্ডৱসকলৰ বনবাসকাল আৰম্ভ হোৱাৰ লগে লগে ধৃতৰাষ্ট্ৰৰ মনৰ চকুত ভৱিষ্যতৰ এখন ভয়লগা ছবি ভাহি উঠিবলৈ ধৰিছিল। তেওঁ অনুভৱ কৰিবলৈ ধৰিছিল, কুৰুবংশৰ নামত চাকি দিবলৈ আৰু কোনোৱেই নেথাকিব। এদিন তেওঁ বিদুৰৰ আগত মনৰ দুখ উজাৰ কৰি ক'লে, "তোমাৰ বিচাৰ-বুদ্ধি অতি কটকটীয়া। ধৰ্মৰ সূক্ষ্ম তত্বও তুমি পুংখানুপুংখৰূপে জানা। তদুপৰি, তুমি কৌৰৱ আৰু পাণ্ডৱ বিলাকক সমানে মৰম কৰা। গতিকে তুমি কোৱাচোন, কি উপায়েৰে কৌৰৱ-পাণ্ডৱৰ কল্যাণ হ'ব।"

বিদুৰে উত্তৰ দিলে, "মহাৰাজ, অৰ্থ, কাম আৰু মোক্ষ তিনিওৰে সাধনাই মানুহৰ ধৰ্ম। ৰাজ্যৰ ক্ষেত্ৰতো সেইটোৱেই ধৰ্ম। সেই ধৰ্মক বঞ্চিত কৰি শকুনিহ'তে যুধিষ্ঠিৰহ'তৰ পৰা সকলোবোৰ লুণ্ঠন কৰি লৈছে। আপুনি আগৰবাৰ যেনেকৈ পাণ্ডৱসকলৰ সকলোবোৰ সা-সম্পত্তি ওভোতাই দিছিল, এতিয়াও তাকে কৰক। পাণ্ডৱসকলক আপোন বুলি ভাবি কাষলৈ চপাই অনা আৰু ধূৰ্ত্ত শকুনিক চৰি যাবলৈ নিদিয়া—এই দুটাই এতিয়া আপোনাৰ যাই কৰ্তব্য। তাকে কৰিলে, আপোনাৰ পুত্ৰবোৰে অন্ততঃ কিছু ৰাজ্য ভোগ কৰিবলৈ পোৱাৰ আশা দেখিছোঁ। দুৰ্যোধনহ'তে যদি যিখিনি পায় সেইখিনিতে সন্তুষ্ট থাকি পাণ্ডৱসকলৰ লগত মিলি-জুলি ৰাজ্য ভোগ কৰে, তেনেহ'লে আপোনাৰ সুখ ৰয়নাৰে চপাব নোৱৰা হৈ ৰব। তাতকৈয়ো বেচি ভাল কথা হয়, ৰাজসভাত যদি দুঃশাসনে ভীম আৰু দ্ৰৌপদীৰ ওচৰত নিজৰ অক্ষমনীয় অপৰাধৰ বাবে এবাৰ ক্ষমা খোজাৰ ব্যৱস্থা কৰা হয়। ইয়াতকৈ আৰু বেলেগ পৰামৰ্শ মই কি দিব পাৰোঁ?"

ধৃতৰাষ্ট্ৰই ভেতিয়া ক'লে, "বিদুৰ, তুমি দেখোন পাশাখেলৰ সভাত ভোৰভোৰোৱা কথাবোৰকে দোহৰিলা! তোমাৰ কথাবোৰ সদায় পাণ্ডৱৰ গুণ-গান আৰু আমাৰ নিন্দা-চৰ্চাৰে ভৰপূৰ। কথা হ'ল, পাণ্ডৱবিলাকৰ মংগল বিচাৰি নিজৰ পুত্ৰবোৰৰ স্বাৰ্থ নেওচা দিব পাৰি নেকি? সন্দেহ নাই, যুধিষ্ঠিৰহ'ত অৱশ্যে মোৰ পুত্ৰসম; কিন্তু

দুৰ্যোধনহ'ত মোৰে ফৰিঙতি লৈ মোৰেই পুত্ৰ। বিদুৰ, মই তোমাক সদায় ভিতৰ-বিশ্বাসত লৈ আহিছোঁ। এতিয়া দেখিছোঁ, তোমাৰ কথাবোৰ বাৰুকৈয়ে এটলীয়া। গতিকে, তুমি য'লৈকে ইচ্ছা, ত'লৈকে যাব পাৰা।" এইবুলি কৈয়েই ধৃতৰাষ্ট্ৰ তাৰ পৰা উচাট্ মাৰি গুচি গ'ল। বিদুৰ তাতে থৰ লাগি বহি ৰ'ল।

বিদুৰে কিছু সময় চিন্তা কৰি পাণ্ডৱসকলক এবাৰ বনবাসত লগ পাই আহিবলৈ মন কৰিলে। সেইদিনাই তেওঁ বনৰ অভিমুখে যাত্ৰা কৰিলে। পাণ্ডৱসকল তেতিয়া পশ্চিমমুৱা হৈ সৰস্বতী নদীৰ পাৰত থকা কাম্যক বনত থমকি ৰৈছিলগৈ। হঠাৎ তেওঁলোকৰ চকুত পৰিল দূৰত এখন ৰথ আৰু সেই ৰথৰ ওপৰত বিদুৰ। যুধিষ্ঠিৰ উচপ্ খাই উঠিল। ওচৰতে থকা ভীমলৈ চাই তেওঁ সুধিলে, "ভীম, বিদুৰ খুৰা বাৰু আকৌ আমাক পাশাখেললৈ মাতিবৰ কাৰণে আহিছে নেকি? এইবাৰ তেনেহ'লে শকুনিয়ে আমাৰ অস্ত্ৰ-শস্ত্ৰবোৰ কাঢ়ি ল'ব খুজিছে!"

মনৰ খুকুৰি মনতে থৈ বিদুৰক তেওঁলোকে অতি উমাল আদৰণি জনালে। থাই-বৈ উঠি অলপ জিৰণি লোৱাৰ পাচত বিদুৰে কথাষাৰ ক'লে, "ধৃতৰাষ্ট্ৰই মোৰ উপদেশ বিচাৰিছিল। ভাল উপদেশ দিলোঁ, বেয়া পালে। মোক ক'লে, বোলে য'লৈকে ইচ্ছা ত'লৈকে যাব পাৰা। আহিছোঁ—তোমালোকৰ ওচৰলৈকে। যুধিষ্ঠিৰ, তোমাক মই আগতে কোৱা কথাখিনিকে দুনাই কওঁ। নতুন কথা ক'বলৈ একো নাই। মই কৈছিলোঁ, শত্ৰুৰ অত্যাচাৰ সহি যিজনে সঠিক সময়লৈ বাট চাব জানে, তেওঁ অকলেয়ে গোটেই পৃথিৱী ভোগ কৰে। যিবোৰে সহায় কৰে, সিবোৰক সদায় সমান বুলি ভাবিব লাগে। সেয়ে হ'লে, তেওঁলোক সহায় কৰিবৰ বাবে দুখৰ দিনতো উবুৰি খাই পৰেহি। সহায় গোটোৱাৰ এইটোৱেই উপায়। এইটো উপায়েৰেই ৰাজ্য লাভ কৰিব পাৰি। শুনা ভতিজা, যিহকে পোৱা তাকেই তোমাৰ সহায় কৰোঁতাসকলৰ লগত সমানে ভগাই-মেলি ভোগ কৰিবা; অনাহকতে বেচি কথা নক'বা; নিজৰ গৌৰৱ নেগাবা। এইখিনি কথা পালন কৰিলেই ৰাজ্যৰ সমৃদ্ধি ঘটে।"

বিদুৰে যেতিয়া যুধিষ্ঠিৰক এইবোৰ লাখটকীয়া কথাৰ উপদেশ শিকাই আছিল, তেতিয়াই সিফালে ধৃতৰাষ্ট্ৰৰ মনত অনুশোচনা জাগিছিল। সঞ্জয়ক মাতি আনি তেওঁ ক'লে, "সঞ্জয়, বিদুৰক মই ভুল বুজিছিলোঁ। বিদুৰ মোৰ ভাই, মোৰ শুভাকাংক্ষী আৰু সাক্ষাৎ ধৰ্ম। তেওঁৰ লগত বিচ্ছেদ ঘটাৰ কাৰণে মোৰ বুকুখন ফাটি যাওঁ যেন হৈছে। যোৱাচোন সঞ্জয়, তুমি তেওঁক বিচাৰি আনাগৈ। কোনে জানে, তেওঁ বাচি আছে নে নাই! মোৰ দৰে পাপী জানো কোনোবা আছে? মই উৰুঙা কথাতে লাগি বিদুৰক দূৰে কৰি পঠিয়ালোঁ! বিদুৰ যদি উভতি নাহে, নিশ্চয়কৈ জানিবা, ময়ো বাচি নেথাকিম।"

ধৃতৰাষ্ট্ৰৰ বিননি শুনি সঞ্জয় পোনে পোনে কাম্যক বনৰ ফাললৈ ওলাই গ'ল। বিদুৰে যুধিষ্ঠিৰৰ আগত মনৰ কথাবোৰ কৈ দুখৰ্খিনি পাতলাই মুকলি হৈছেহে, এনেতে সঞ্জয় ওলালগৈ।

বিদুৰ উভতি গ'লগৈ। ধৃতৰাষ্ট্ৰই বিদুৰৰ ওচৰলৈ গৈ তেওঁৰ মুৰটো শুঙি মৰম জনালে আৰু ক'লে, "ধৰ্মজ্ঞ, মোৰ কপালগুণেহে তুমি উভতি আহিলা! তোমাৰ চিন্তাতে মই ৰাতিও টোপনি যাব পৰা নাই—উজাগৰে আছোঁ। মোৰ গা'টোও ভাল লগা নাই—অসুখ হৈছে। মই তোমাক খঙৰ ভমকত যি ক'লোঁ, সেয়া তুমি পাহৰি গৈ মোক ক্ষমা কৰা।"

বিদুৰে উত্তৰ দিলে, "মহাৰাজ, আপুনি মোৰ পৰম গুৰু। আপোনাৰ মৰমতে বন্দী হৈ মই উভতি আহিলোঁ। মোৰ চকুত আপোনাৰ আৰু পাণ্ডুৰ পুত্ৰবোৰ সমান। পাণ্ডুৰ পুত্ৰবোৰে এতিয়া দুখৰ নিশা কটাইছে। সেই কাৰণেই, মোৰ মনটোৱে সততে সিহঁতৰ ফালে ঢাল খায়—সেয়া অস্বীকাৰ নকৰোঁ।"

## ॥ দুৰ্যোধনৰ ৰণচ্ছালি ॥

বিদুৰ যে উভতি আহিল আৰু বৃদ্ধ ধৃতৰাষ্ট্ৰই যে তেওঁক আকৌ সাৱটি ধৰিলে, সেই কথাষাৰ শুনিয়েই দুৰ্যোধনৰ চকুত টোপনি নোহোৱা

হ'ল। তেওঁ কৰ্ণ, শকুনি আৰু দুঃশাসনৰ আগত মনৰ হতাশা প্ৰকাশ কৰি ক'লে, "এই পাণ্ডৱবোৰ যদি আকৌ উন্নতি অহা দেখোঁ, তেনেহ'লে নকৰিবলগীয়াটোকে কৰিম। মই বিহ খাই মৰিম, নহ'লে নিজৰ ডিঙিত নিজেই চিপজৰী লৈ মৰিম। সেইবোৰ নোৱাৰিলে, নিজৰ বুকুত নিজেই তৰোৱাল হানি অথবা জুইৰ মেজি জ্বলাই লৈ তাতে জাঁপ দি মৰিম।"

শকুনিয়ে সান্ত্বনা দি ক'লে, "ৰ'বাচোন, তুমি মূৰ্খৰ লেখীয়াকৈ এইবোৰ কি বলকিছা? তুমি ভাবিছা নেকি, ধৃতৰাষ্ট্ৰই অনুনয়-বিনয় কৰিলেই পাণ্ডৱবোৰ আকৌ ৰাজপাট খাবলৈ উভতি আহিব!"

কৰ্ণই তাৰ লগতে যোগ দিলে, "জানিবা উভতি আহিলেই। আকৌ সিহঁতক পাশাখেললৈ মাতি পঠিয়াম।"

দুৰ্যোধন কিন্তু এইবোৰ কথাত পতিয়ন নগ'ল। তেওঁ মুখখন ঘূৰাই শূন্যদৃষ্টিৰে আন কোনোবাফালে চাবলৈ ধৰিলে। তেতিয়া কৰ্ণই তেওঁক উছাহ দি ক'লে, "আমি দুৰ্যোধনৰ হিতচিন্তা কৰি কেৱল হাতসাৰটি বহি থাকিলেই নচলিব। আমি কাৰো আলধৰা লিগিৰা নহয় যে লোকে ভাল পোৱা কামবোৰ কৰাতেই আমাৰ দায়িত্ব শেষ। আমি অস্ত্ৰ-শস্ত্ৰ লৈ পাণ্ডৱবিলাকক বনৰ মাজতে বধ কৰি থৈ আহোঁগৈ, ব'লা। যি কৰিব খুজিছোঁ, সেয়া মুকলিকৈ কৰাই ভাল।"

কৰ্ণৰ কথাত তেওঁলোকৰ মাজত নতুন উছাহৰ বিজুলী-সোঁত বৈ গ'ল। প্ৰত্যেকেই পাণ্ডৱক বধ কৰিবলৈ যাত্ৰা কৰিবৰ বাবে নিজৰ নিজৰ ৰথ প্ৰস্তুত কৰিলেগৈ।

ব্যাসদেৱে তেওঁৰ দিব্যদৃষ্টিৰে এই ষড়যন্ত্ৰৰ উমান পালে। লগে লগে তেওঁ ধৃতৰাষ্ট্ৰৰ ওচৰ পালেহি। তাৰ পাচত তেওঁ ধৃতৰাষ্ট্ৰক ক'লে, "পাণ্ডৱবিলাক অন্যায় পাশাখেলত হাৰি বনবাস খাটিবলৈ লৈছে। এয়া মই মুঠেই ভাল পোৱা নাই। তেৰ বছৰৰ পাচত তেওঁলোকে উভতি আহি কৌৰৱবিলাকৰ ওপৰত ইয়াৰ পোতক তুলিব। তোমাৰ পাপী আৰু মূৰ্খ পুত্ৰবোৰক কোৱা, পাণ্ডৱবিলাকক মাৰিবলৈ গৈ নিজেই মৰিব। পাণ্ডৱবিলাকৰ প্ৰতি দুৰ্যোধনৰ এই হিংসাভাৱটো তুমি যদি আওকাণ কৰা, তেনেহ'লে দুৰ্যোৰ বিপদ হ'ব।"

ধৃতৰাষ্ট্ৰই উত্তৰ দিলে, "হে মহাপ্ৰাজ্ঞ, আপোনাক কি ক'ব খুজিছোঁ, সেই পাশাখেলখন খেলোৱাত মোৰ মুঠেই মত নাছিল। ভীষ্ম, দ্ৰোণ, বিদুৰ আৰু গান্ধাৰীৰো মত নাছিল। শেষত, দৈৱৰ প্ৰভাৱতে মই তাৰ বাবে অনুমতি দিবলৈ বাধ্য হৈছিলোঁ। নিৰ্বোধ দুৰ্যোধনৰ দুষ্ট স্বভাৱৰ কথা জানিও মই তাক এৰিব পৰা নাই। পুত্ৰস্নেহৰ মায়াই বাট আগচি ধৰেহি।"

ব্যাসদেৱে ক'লে, "তোমাৰ কথা বুজিছোঁ। কথাষাৰ সঁচা, পুত্ৰতকৈ বেচি মৰমৰ আৰু কোনো নাই। শুনা ধৃতৰাষ্ট্ৰ, পুত্ৰবিলাকৰ ভিতৰত কোনো ভেদভাৱ ৰাখিব নালাগে। আৰু এষাৰ কথা, দুৰ্বল আৰু দুৰ্দশাগ্ৰস্ত পুত্ৰ বাকীবোৰতকৈ বেচি মৰমৰ যোগ্য। মোৰ চকুত তুমি, পাণ্ডু আৰু বিদুৰ পুত্ৰৰূপে তিনিওজনেই সমান। তোমাৰ এশ এজন পুত্ৰ। পাণ্ডুৰ মাথোন পাঁচজন পুত্ৰ; তেওঁলোক আকৌ সম্প্ৰতি দুৰ্দশা-গ্ৰস্ত। মোৰ এই সকলোবোৰ নাতি কিদৰে জীয়াই থাকে আৰু সুখ-সমৃদ্ধিৰ অধিকাৰী হৈ থাকে, সেয়া লৈ মই দুশ্চিন্তাত কটাইছোঁ। যদি কৌৰৱবিলাকৰ জীৱনৰক্ষা কৰাৰ কথা নভবাকৈ থকা নাই, তেনেহ'লে তুমি দুৰ্যোধনক পাণ্ডৱবিলাকৰ লগত যাতে শান্তিৰে বাস কৰিবলৈ শিকে, তাৰ বাবে চেষ্টা কৰা।"

ধৃতৰাষ্ট্ৰই ব্যাসদেৱৰ কথাখিনি শুনি উঠি ক'লে, "হে মহাপ্ৰাজ্ঞ, আপুনি যি ক'লে, সকলো শুনিলোঁ। আমি যদি আপোনাৰ অনুগ্ৰহৰ যোগ্য, তেনেহ'লে আপুনি নিজেই দুৰ্যোধনক যথাযথ উপদেশ দান কৰিলে অতি কৃতাৰ্থ হওঁ।" ব্যাসদেৱে ক'লে, "মই তেওঁক নকওঁ। মহৰ্ষি মৈত্ৰেয় অলপতে পাণ্ডৱসকলক লগ পাবলৈ গৈছে। উভতি যোৱাৰ বাটত তেওঁ হস্তিনাপুৰত সোমাই যাব। দুৰ্যোধনক যি উপদেশ দিব লাগে, তেওঁৱেই দি যাব।" এইবুলি কৈয়েই ব্যাসদেৱ গ'লগৈ।

তাৰ পাচতে মহাপ্ৰাজ্ঞ মুনি মৈত্ৰেয় ওলালহি। সিগৰাকীয়েও ধৃতৰাষ্ট্ৰক আশীৰ্বাদ কৰি উঠি ক'লে, "মহাৰাজ, মই তীৰ্থভ্ৰমণ কৰি উভতি অহাৰ বাটত কাম্যক বনত সোমাইছিলোঁ। তাতে ধৰ্মৰাজ যুধিষ্ঠিৰৰ লগত দেখাদেখি হ'ল। গম পালোঁ, আপোনাৰ সভাত হেনো

পাশাখেলৰ উপক্ৰম চলিছে। আপুনি আৰু মহাজ্ঞানী ভীষ্ম জীয়াই থাকোঁতে এইবোৰ কি ঘটিছে? পাশাখেলৰ নামত যি দিন-ডকাইতি হোৱাৰ কথা শুনিলোঁ, আপুনি আৰু কোনো গুণী-জ্ঞানীৰ আগত মুখ দেখুওৱা সম্ভৱ নহয়।”

ধৃতৰাষ্ট্ৰক মুখামুখিকৈ এইদৰে ভৎসনা কৰি উঠি দুৰ্যোধনৰ মুখলৈ চাই অলপ মিঠামুখীয়াকৈ ক'লে, “হে মহাবাহু, মই তোমাৰ কল্যাণ কামনা কৰিয়েই কৈছোঁ, শুনা। পাণ্ডৱবিলাকৰ লগত যুঁজ-বাগৰ কৰিবলৈ নোলাবা। তেওঁলোক সকলোৱেই পৰাক্ৰমী, সত্যনিষ্ঠ আৰু তেজস্বী। ভীমসেনে অকলেয়ে বকাসুৰ আৰু হিড়িম্বৰ দৰে দুৰ্ধৰ্ষ ৰাক্ষসক বধ কৰি থৈছে। অলপতে কাম্যক বনলৈ যোৱাৰ বাটত কিৰ্মীৰ নামৰ আৰু এটা দুৰ্দান্ত ৰাক্ষসক শেষ কৰি থৈ গৈছে। জৰাসন্ধক কেনেকৈ বধ কৰিলে, সেয়া তুমিও জানা। বাসুদেৱ কৃষ্ণ যাৰ পৰম বন্ধু, ধৃষ্টদ্যুম্ন যাৰ কুটুম, সেই পাণ্ডৱৰ লগত যুঁজ কৰি কোনে পাৰ পাব? গতিকে, তুমি পাণ্ডৱবিলাকৰ লগত মিলি-জুলি থাকিবলৈ লোৱা। দেখিবা, দুদিনমানৰ পাচতে তোমাৰো ধন-মান বাঢ়িবলৈ ল'ব।”

তেনেকুৱাতে দুৰ্যোধনে তেওঁৰ কৰঙনটোত চাপৰ এটা মাৰিলে। সকলোৱে যেতিয়া উচপ্ খাই উঠি চালে, তেতিয়া তেওঁ নিলাজ ধৰণেৰে হাঁহি এটা মাৰি ভলমুৰ কৰি মজিয়াত আঙুলিৰ আগেৰে আঁকবাঁক কৰি দেখুৱালে। দুৰ্যোধনে এইদৰে তেওঁক অৱজ্ঞা কৰি দেখুওৱাত মহৰ্ষি মৈত্ৰেয়ৰ চকুহাল খঙত তেজ-ৰঙচুৱা হৈ উঠিল। তেওঁ কমণ্ডলুৰ পৰা পানী এচলু লৈ ছটিয়াই দি দুৰ্যোধনক অভিশাপ দিলে, “তোৰ সেই নঙঠা কৰঙনটো হ'বলগীয়া যুদ্ধত গদাৰ কোবত ভাঙি চুৰমাৰ কৰিব। তোৰ আকাশলংঘা অহংকাৰৰ ফল তই হাড়ে হাড়ে পাবি।”

ধৃতৰাষ্ট্ৰই মহৰ্ষি মৈত্ৰেয়ক নানা মিঠা কথাৰে ভুলাই তেওঁৰ খং মাৰ নিয়াবলৈ যত্ন কৰিলে। অৱশেষত, তেওঁ মাথোন ইমানকে ক'লে, “দুৰ্যোধনে যদি এতিয়াৰ পৰা গুভোতগোৰে নাচিবলৈ এৰে, তেতিয়া বাবু মোৰ অভিশাপ নফলিব পাৰে।”

॥ ব্ৰহ্মবাসৰ আদিছোৱা ॥

পাণ্ডৱসকল সেই কাম্যক বনত থাকোঁতেই তেওঁলোকৰ দুখ-দুৰ্গতিৰ কথা দ্বাৰকাবাসীৰ কাণত পৰিলগৈ। বাতৰিটো পায়েই কৃষ্ণ আৰু যদুবংশৰ মুখিয়াল বীৰসকল পাণ্ডৱসকলক লগ পাবৰ কাৰণে ব্যাকুল হৈ পৰিল। তেওঁলোকৰ লগ লাগিল পাঞ্চালৰাজৰ পুত্ৰ ধৃষ্টদ্যুম্ন, চেদিৰাজ ধৃষ্টকেতু আৰু অন্যান্য ভালেমান মিত্ৰি-কুটুম।

তেওঁলোক যেতিয়া কাম্যক বনত উৰুৰি খাই পৰিলহি, তেতিয়া পাণ্ডৱসকলে অন্তৰিনে হেঁচি থোৱা শোকৰ অনুভূতিটো উথলি উঠিল। দ্ৰৌপদীয়ে যে নিজকে সংবৰণ কৰি ৰাখিব নোৱাৰিলেই। তেওঁ যেতিয়া কৃষ্ণক দেখা পালে, তেতিয়া তেওঁৰ দুচকুৰেদি চকু-লো বাগৰি আহিল। তেওঁ তেতিয়া উচুপি উচুপি ক'বলৈ ধৰিলে, "হে হৃষীকেশ, মহৰ্ষি ব্যাসৰ মুখত শুনিছোঁ—তুমি হেনো দেৱতাসকলৰো দেৱতা। তুমি সৰ্বভূতৰ ঈশ্বৰ বুলিয়েই জানো। সেইকাৰণেই, তোমাক মোৰ অত্যন্ত আপোনজন বুলিয়েই মোৰ দুখৰ কথা তোমাৰ আগত মুকলিকৈ কৈছোঁ। মই পাণ্ডৱসকলৰ ভাৰ্যা, তোমাৰো সখী, ধৃষ্টদ্যুম্নৰ ভনী। অতি কম নাৰীয়েই মোৰ দৰে ইমান সৌভাগ্যৱতী। অথচ, মোৰ ভাগ্যত বাৰু ইমান দুৰ্দশা ঘটিল কেনেকৈ? দুঃশাসনে মোক চুলিত ধৰি ৰাজসভা পোৱালেগৈ। মোৰ তেতিয়া পিন্ধনত মাথোন এখন কাপোৰ। মই লাজত কঁপি আছিলোঁ। আৰু মোক দেখি পাপী ধাৰ্তৰাষ্ট্ৰবোৰে খলখলাই হাঁহি উঠিছিল। পাণ্ডুৰ পঞ্চ পুত্ৰ, পাঞ্চাল ৰাজ্য আৰু যদুবংশৰ শত শত বীৰ-মহাবীৰসকলৰ জীয়াই-অৱস্থাত সিহঁতে কেনেকৈ মোক লিগৰীৰ দৰে ভোগ কৰাৰ কথা ভাবিবলৈ সাহস কৰিব পাৰিছিল? মই জানিব খুজিছোঁ, তেওঁলোকৰ ধৰ্মপত্নীক সেইদৰে লাঞ্ছনা কৰোঁতে পাণ্ডৱসকল বাৰু কিদৰে নীৰৱ দৰ্শক হৈ থাকিব পাৰিছিল? স্বামী দুৰ্বল হ'লেও, তেওঁ ভাৰ্যাক যি কোনো নিৰ্যাতনৰ পৰা ৰক্ষা কৰাটোৱেই ধৰ্ম। পাণ্ডৱসকলে যি কোনো শৰণাগতক ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰে। কিন্তু হে কৃষ্ণ, মই তেওঁলোকৰ ভাৰ্যা হোৱা সত্বেও সেই পাণ্ডৱ-

সকলে মোক কিয় ৰক্ষা নকৰিলে? তুমিয়েই বা কিয় মোক সহায় নকৰিলাহি?"

কৃষ্ণই দ্ৰৌপদীৰ সেই দীঘলীয়া প্ৰশ্নটোৰ উত্তৰত সান্ত্বনা যাচি ক'লে, "তুমি যিবিলাকৰ হাতত ইমান লাঞ্ছনা ভোগ কৰিবলগীয়া হ'ল, সেই সকলোবিলাক অচিৰেই অৰ্জুনৰ হাতত নিহত হৈ ধূলিৰ শয্যাত শুই পৰিব। সিহঁতৰ দুৰৱস্থা দেখি সিহঁতৰ ভাৰ্যাবিলাকে তোমাতকৈয়ো বেচি চকু-লো টুকিব লাগিব। মই পাণ্ডৱসকলক সকলো ধৰণেৰে তোমাৰ লাঞ্ছনাৰ শোধ লোৱাত সহায় কৰিম। তুমি দুখ নকৰিবা, তুমি আকৌ ৰাজৰাণীৰ সন্মান ঘূৰাই পাবা। আকাশ খহি পৰিব পাৰে, হিমাচল কোঁচ খাই সৰু হৈ পৰিব পাৰে, পৃথিৱী ভাগি-ছিগি সৰু সৰু দ্বীপ হৈ পৰিব পাৰে, সাগৰবোৰ শুকাই খৰাং হ'ব পাৰে, কিন্তু মোৰ এই বাক্য বিফলে যাব নোৱাৰে।"

দ্ৰৌপদীয়ে তেতিয়া অৰ্জুনৰ মুখলৈ চালে। অৰ্জুনেও তেওঁক সান্ত্বনা দি ক'লে, "দেৱী, তুমি আৰু নেকান্দিবা। মধুসূদন কৃষ্ণৰ প্ৰতিটো কথাই ফলিয়াব।" বাকীখিনি কথা ধৃষ্টদ্যুম্নই ক'লে, "ভনীটি, বলৰাম আৰু কৃষ্ণৰ সহায় পালে আমাৰ বাবে অসাধ্য একোৱেই নাই। মই দ্ৰোণক বধ কৰিম; শিখণ্ডীয়ে ভীষ্মক, ভীমে দুৰ্যোধনক আৰু অৰ্জুনে কৰ্ণক বধ কৰি তোমাৰ লাঞ্ছনাৰ শোধ ল'ব।"

তাৰ পাচত কৃষ্ণ যুধিষ্ঠিৰৰ ওচৰলৈ গ'ল। যুধিষ্ঠিৰক জনালে, কিয় তেওঁ পাণ্ডৱৰ বিপদৰ সময়ত সহায় কৰিবহি নোৱাৰিলে। তেতিয়া তেওঁ শাল্ব ৰজাৰ লগত যুদ্ধত ব্যস্ত থাকিবলগীয়া হৈছিল।

কৃষ্ণৰ লগত পাণ্ডৱসকলৰ দেখাদেখি হোৱাৰ কিছুদিনৰ পাচত তেওঁলোক কাম্যক বন এৰি দ্বৈতবন নামৰ এখন সুচল ঠাইলৈ গ'ল। তাতে সৰস্বতী নদীৰ পাৰত তেওঁলোকে এখন আশ্ৰম সাজি ল'লে।

এদিন সেই আশ্ৰমত মহামুনি মাৰ্কণ্ডেয়ই পদধূলি দিলেহি। সিজনাই পাণ্ডৱসকলৰ আদৰ-অভ্যৰ্থনা গ্ৰহণ কৰি উঠিয়েই তেওঁলোকৰ মুখলৈ চাই বিমল হাঁহি এটা মাৰিলে। যুধিষ্ঠিৰে নুসুধি নোৱাৰিলে, "আমাৰ দুখ-দুৰ্গতি দেখি ঋষি-মুনিসকলৰ যিজনেই আমাক আশীৰ্বাদ

কৰি গৈছোঁহি, প্ৰত্যেককে দেখিলোঁ—মুখত এচমকা দুখৰ ভাৱৰ। আপুনি কিন্তু পৰম আনন্দেৰে হাঁহিলে। আপুনি আমাৰ কি সুখ দেখিলে, যি আপোনাক হাঁহিৰ যোগান ধৰিলে ?"

মাৰ্কণ্ডেয় মুনিয়ে তেতিয়া উত্তৰ দিলে, "বোপা, মই তোমালোকৰ সুখ দেখি হঁহা নাই—দুখ দেখিহে হাঁহিলো। মোৰ মনত পৰি গ'ল, অন্য এটি দৃশ্য—আগৰটো যুগতে দেখা। ঋষ্যমূক পৰ্বতত লগ পাইছিলোঁ, দশৰথৰ পুত্ৰ ৰামক। যুদ্ধক্ষেত্ৰত অজেয় হোৱা সত্বেও তেওঁ ধৰ্মৰ কাৰণে ৰাজভোগ এৰি বনলৈ গৈছিল। নিজকে অতি শক্তিমান বুলি ভাবি অধৰ্ম কৰাটো অকণো উচিত নহয়। যুধিষ্ঠিৰ, তোমাৰ প্ৰতিজ্ঞা পালন কৰি বনবাসৰ কষ্ট ভোগ কৰাৰ পাচত তুমি আকৌ ৰাজ্যসম্পদ ঘূৰাই পাবা।"

মাৰ্কণ্ডেয় মুনি যোৱাৰ পাচত এদিন ওলালহি বক মুনি। তেওঁ যুধিষ্ঠিৰক দুষাৰমান গাজত লগা কথা কৈ থৈ গ'ল, "বনজুই জ্বলাবলৈ যিদৰে অগ্নি আৰু বায়ু দুয়োৰে মিলন হ'ব লাগে, শত্ৰু বিনাশ কৰিবলৈয়ো সেইদৰে ক্ষত্ৰিয় আৰু ব্ৰাহ্মণ দুয়োৰে মিলন লাগে। ব্ৰাহ্মণৰ বুদ্ধি-পৰামৰ্শ নেপালে ক্ষত্ৰিয়ৰ শক্তি মাউত নোহোৱা হাতীৰ লেখীয়া হৈ পৰে। সেইকাৰণে হেৰা যুধিষ্ঠিৰ, লাভ নকৰা বস্তু লাভ কৰিবলৈ, লাভ কৰা বস্তু বঢ়াই তুলিবলৈ আৰু দান কৰিবলগীয়াখিনি যোগ্য পাত্ৰত দান কৰিবলৈ যশস্বী বেদজ্ঞ ব্ৰাহ্মণৰ লগ বিচাৰি ল'বা।"

এইদৰে বহু মুনি-ঋষিয়ে যুধিষ্ঠিৰক নানা উপদেশ-পৰামৰ্শ দি গ'লহি। যুধিষ্ঠিৰে নিজে বেচি কথা নোকোৱাকৈ মাথোন সেই সকলৰ কথাবোৰ শুনি গ'ল। যুধিষ্ঠিৰে কথা কৈছিল, তৰ্ক কৰিছিল আৰু নিজৰ যুক্তি দাঙি ধৰিছিল কেৱল আপোনজনৰ লগত—দ্ৰৌপদী আৰু চাৰিওজন ভায়েকৰ লগত।

এদিন আবেলি সময়ত তেওঁলোকে তেনেকৈ কথা পাতি আছিল। হঠাৎ দ্ৰৌপদীয়ে যুধিষ্ঠিৰক প্ৰশ্ন কৰি বহিল, "মনত আছেনে, তুমি যেতিয়া পহুছাল পিন্ধি বনলৈ ওলাই আহিছিলা, তেতিয়া সেই দুৰাত্মা দুৰ্যোধন, দুঃশাসন, কৰ্ণ আৰু শকুনিৰ বাহিৰে বাকী সকলোৱেই চকু-লো

টুকিছিলা। আগতে তুমি শুধু বগা পাটৰ কাপোৰ পিন্ধিছিলা; এতিয়া কেৱল এডোখৰ কোপীন। আগতে তুমি বিধে বিধে মিঠৈ খাইছিলা; এতিয়া মাথোন বনৰীয়া ফল। বনবাসী বৃকোদৰ আধাপেটীকৈ থকা দেখি তোমাৰ বাৰু খং নুঠে নে? তেওঁ দেখোন অকলেয়ে গোটেইবোৰ কৌৰৱকে গতি লগাই থ'ব পাৰে। মাথোন তোমাৰ মুখলৈ চায়েই তেওঁ সকলোবোৰ সহি গৈছে। মানুহে কোৱা শুনিছো, খং নথকা ক্ষত্ৰিয় হেনো নায়েই; অথচ, তুমি যে কি অদ্ভুত ব্যতিক্ৰম! প্ৰহ্লাদে কৈ গৈছে, উৎপাত খং যেনেকৈ ভাল নহয়, অতিপাত ক্ষমাও তেনেকৈ ভাল নহয়। যি সদায় টিঙিৰি-তুলা হৈ ফুৰে, তাৰ বহুতো ক্ষতি হয়। আকৌ, যি সদায় ক্ষমা কৰি ফুৰে, তাৰো বহুত ক্ষতি হয়। খঙাল মানুহৰ অৰ্থহানি ঘটে আৰু শত্ৰুৰ সংখ্যা বাঢ়ে। উদাৰ ক্ষমাশীল মানুহক সকলোৱে অৱজ্ঞা কৰে। গতিকে সময়ত ক্ষমা কৰিব যেনেকৈ লাগে, সময়ত তেনেকৈ খঙো কৰিব লাগে। যি নুবুজি কিবা দোষ কৰে, তাক ক্ষমা কৰাত দোষ নাই। কাৰণ, সকলোৱেই পণ্ডিত নহয়। কিন্তু যিবিলাকে জানি-শুনি দোষ লগাই পাচত নজনাৰ ভাও ধৰে, তেনেকুৱা নোমটেঙৰ মানুহক অলপীয়া দোষতো গুৰু দণ্ড দিব লাগে। ধৃতৰাষ্ট্ৰৰ পুতেকহঁত গুৰু দণ্ডৰ উপযোগী।"

যুধিষ্ঠিৰে উত্তৰ দিলে, "দ্ৰৌপদী, তুমি মহাপ্ৰজ্ঞাৱতী। কিন্তু, খং আৰু তেজ দুটা সুকীয়া বস্তু। খঙাল মানুহৰ কৰিব নোৱৰা কাম একোৱেই নাই; আনকি, তেওঁ গুৰুহত্যাও কৰিব পাৰে। যিজনে খং উঠিলেও তাক দমাই থ'ব জানে, পণ্ডিতসকলে তেওঁকহে তেজস্বী বুলি কয়। মাথোন মূৰ্খবিলাকেহে খঙকেই তেজ বুলি ভাবে। ভীষ্ম, কৃষ্ণ, দ্ৰোণ, বিদুৰ, কৃপ, সঞ্জয় আৰু ব্যাস—এইসকলে সদায় শান্তিৰে জীৱন যাপন কৰাৰ কথাকেই কৈ আহিছে। এইসকলৰ কথা শুনি ধৃতৰাষ্ট্ৰই মোক ৰাজ্য ঘূৰাই দিব বুলিয়েই আশা কৰিছোঁ। আৰু যদি তেওঁ লোভত পৰি নিদিয়ে, তেনেহ'লে তেওঁৰ বিনাশ ঘটিব।"

দ্ৰৌপদীয়ে তেতিয়া যুধিষ্ঠিৰৰ মত খণ্ডন কৰিবৰ বাবে অলপ

ব্যংগৰ সুৰত ক'লে, "বিধাতাকেই ধন্যবাদ দিছোঁ, তেও" যে তোমাক পিতৃপিতামহৰ বৃত্তি এৰুৱাই সন্ন্যাসী হ'ব পৰাৰ বাটটো দেখুৱাই দিছে ! এই জগতত কোনেও ধৰ্ম কৰি, ক্ষমাৰ পৰাকাষ্ঠা দেখুৱাই লক্ষ্মী লাভ কৰিব নোৱাৰে। তুমি বহুতো যাগ-যজ্ঞ কৰি পুণ্য আৰ্জিছা। তথাপি বিপৰীত বুদ্ধিৰ অধীন হৈ পাশাখেলত লিপ্ত হৈ সকলো হেৰুৱাই দুখ-সাগৰত বুৰ গৈ তুমি অনুশোচনা কৰিছা। আচলতে সেয়া বিধিৰে বিধান, তোমাৰ পূৰ্বজন্মৰ কৰ্মফল। মানুহৰ জীৱনটো তেনেকুৱাই। বিধাতাৰ হাতত যেনিবা এটা কাঠৰ পুতলা। মালাৰ ডোলেৰে গাঁথি থোৱা মণিৰ লেখীয়া, নাকৰ বিন্ধাত নাকী লগাই টানি লৈ ফুৰা গৰুৰ নিচিনা, নৈৰ সোঁতত উটি যোৱা উঘাল খাই পৰা গছৰ নিচিনা মানুহৰ কোনো স্বাধীনতা নাই। নহ'লেনো তোমাৰ নিচিনা সত্যবাদী ধৰ্মনিষ্ঠ মানুহ এজনে পাশাখেলৰ দৰে নিচাত লিপ্ত হ'ব লাগে নে ? মোৰ ধাৰণা, আটাইবোৰ পাপ-পুণ্য মানুহৰ হতুৱাই ঈশ্বৰেই কৰোৱায়। কথাষাৰ একেবাৰে মিছা, ঈশ্বৰে যে মানুহক পিতা-মাতাৰ দৰে মৰমৰ চকুৰে চায়! তোমাৰ দুৰৱস্থা আৰু দুৰ্যোধনৰ সমৃদ্ধি দেখি মোৰ সেই ধাৰণাটোৱেই উপজিছেগৈ। যদি কোনোবাই কোনো পাপ নকৰাকৈ দুখ-যন্ত্ৰণা ভোগ কৰিবলগীয়া হয়, তেনেহ'লে দেখোন ঈশ্বৰেই অন্যায় কামৰ কৰ্তা—ক্ষমাৰ অযোগ্য পাপী। আৰু যদি কোনোবাই হেজাৰ পাপত লিপ্ত হৈয়ো কোনো শাস্তি ভোগ নকৰে, তেনেহ'লে ক'ব লাগিব —তেওঁ সঁচাকৈয়ে অতি বলবান। মোৰ দুখ লাগিছে সেইবোৰ মানুহলৈ, যিবোৰে আপোন দুৰ্বলতাৰ কাৰণেই দুখ-দুৰ্দশাৰ মুখামুখি হয়।"

যুধিষ্ঠিৰে তেতিয়া দ্ৰৌপদীক সান্ত্বনা দি ক'লে, "তোমাৰ কথাবোৰ শুনিবলৈ সুন্দৰ। কিন্তু, সেইবোৰ নাস্তিকৰহে যোগ্য। যিবোৰ মানুহে ধৰ্মক দোহন কৰি ফল পাবলৈ বিচাৰে, সিবোৰে কেতিয়াও ধৰ্মৰ ফল নেপায়। দ্ৰৌপদী, তুমি মাত্ৰাজ্ঞান নেওচা দি তৰ্ক নকৰিবা। তুমি মূঢ় বুদ্ধিৰ অধীন হৈ ধৰ্মৰ নিন্দা নকৰিবা, ঈশ্বৰকো অস্বীকাৰ নকৰিবা।"

দ্ৰৌপদীয়ে তেতিয়া অলপ শান্ত হৈ ক'লে, "হয়তো মই দুখৰ

অধীন হৈয়েই ক'বনলগীয়া কথা কৈ পেলাইছোঁ। ধৰ্মৰ বা ঈশ্বৰৰ নিন্দা কৰাটো মোৰ উদ্দেশ্য নহয়। আচলতে মই ক'ব জনা নাই। মই ক'ব খুজিছিলোঁ, তুমি এতিয়া দৈৱৰ ওপৰত অত্যধিক বিশ্বাসৰ সলনি পুৰুষাৰ্থৰ ওপৰত বিশ্বাস স্থাপন কৰিবলৈ লোৱা। পণ্ডিতসকলে কয়, ফলসিদ্ধিৰ তিনিটা কাৰণ: দৈৱ, প্ৰাক্তন আৰু পুৰুষাৰ্থ। এতিয়া আমি যি মহাবিপদৰ মুখামুখি হৈছোঁ, সেই অৱস্থাত কেৱল দেৱতাৰ দয়া আৰু পূৰ্বজন্মৰ কৰ্মফলৰ ওপৰত নিৰ্ভৰ কৰাৰ যুক্তি প্ৰশংসনীয় নহয়।"

এনেবোৰ মৃদু ভৰ্ৎসনাত কোনো তিক্ততাৰ আভাস নাছিল। বৰং, এনেবোৰ কথাই যুধিষ্ঠিৰক তেওঁ নিজেও অকলশৰীয়াকৈ ভাবি উলিওৱা উপায়বোৰ জুকিয়াই-মেলি লোৱাত সহায়হে কৰিছিল।

অন্য এদিনৰ কথা। সেইদিনা আকৌ ভীমে সমালোচনা কৰিলে যুধিষ্ঠিৰৰ কাৰ্যকলাপ। ভীমে ক'লে, "আমি বাৰু কিহৰ দোষত এইদৰে তপোবনত দিন কটাইছোঁহি! ধৰ্ম নামৰ অলীক বস্তু এটাৰ পাচ লৈ ফুৰোঁতেই আমাৰ এই দশা। যিটো প্ৰতিজ্ঞা পালন নকৰিলেও চলে, তেনেকুৱা এটা প্ৰতিজ্ঞা পালন কৰাৰ ধৰ্ম নামৰ নিচা এটাই আপোনাক পোৱাৰ বাবেই আমাৰ আজি এই দুৰৱস্থা। মহাৰাজ, হয় আপুনি সন্ন্যাস লওক, নহ'লে ৰাজোচিত ক্ষত্ৰিয় ধৰ্ম পালন কৰক। মাজৰ পথ এটা লৈ দোধোৰমোধোৰত নথকাই ভাল। কেৱল ধৰ্মাত্মা হৈ কোনো ৰজাই কেতিয়াও ৰাজ্য, ধন-সোণ আৰু লক্ষ্মী লাভ কৰিব নোৱাৰে। খেতিয়কে যেনেকৈ কেইমুঠিমান কঠিয়া সিঁচিয়েই ভাৰে ভাৰে ডাঙৰি চপায়, সেইদৰে বুদ্ধিমান মানুহেও অলপমান ধৰ্ম বিসৰ্জন দিয়েই ভালেমান ধৰ্মৰ গৰাকী হয়। আমি আমাৰ বন্ধু ৰজাসকলক লৈ যুদ্ধ কৰিলেই অতি সহজতে ৰাজ্য উদ্ধাৰ কৰিব পাৰোঁ।"

যুধিষ্ঠিৰে উত্তৰ দিলে, "অৱশ্যে মোৰ দোষতেই তোমালোকৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছে—কথাষাৰ সঁচা। ভাবিছিলোঁ, শকুনিয়ে মোক পাশাখেলত হৰুৱাব নোৱাৰিব। অন্যায়কৈ হৰুৱালে। সৌভাগ্যক্ৰমে, দ্ৰৌপদীয়ে আমাৰ সকলোকে উদ্ধাৰ কৰিলে। দ্বিতীয়বাৰৰ পাশাখেলত মই যি পণ মানি লৈছিলোঁ, এতিয়া তাক টিঙিৰিকি মাৰি উৰাই দিব

নোৱাৰোঁ। তুমি মোৰ হাতখন পুৰি পেলাবলৈ ওলাইছিলা। নুপুৰিলা কিয়, থমকি যে বৈ গ'লা? মই যেতিয়া পণ খেলিছিলোঁ, তেতিয়া বাধা নিদিলা কিয়? সময় থাকোঁতেই প্ৰতিকাৰ নকৰি এতিয়া মোক ভৎসনা কৰাৰ পৰা কি লাভ হ'ব? খেতিয়কে যেনেকৈ কঠিয়া সিঁচি তাৰ পৰা গজি উঠা শইচৰ গছ লহপহকৈ বাঢ়ি উঠালৈকে বাট চায়, আমিও তেনেকৈ বাট চাবই লাগিব।"

ভীমে এইবাৰ ক'লে, "কিন্তু মহাৰাজ, তেৰ বছৰকাল বাট চাই থাকোঁতে যদি আমাৰ আয়ুসবে ওৰ পৰে! মই দেখিছোঁ, পণ্ডিতমূৰ্খৰ দৰে আপোনাৰ বুদ্ধিটো শাস্ত্ৰৰ তলি বিচাৰি ফুৰোঁতে ফুৰোঁতেই উজাৰ হৈ পৰিছে! এতিয়ালৈকে আমি তেৰ মাহ ধৰি বনত কটালোঁ। তাতে নেপায়-নুপুৰায় যেন লাগিছে। ভাবি চাওকচোন, তেৰ বছৰ মানে কিমান এটা দীঘলীয়া সময়! পণ্ডিতৰ মুখত শুনিছোঁ, পুৰৈ শাক হেনো সোমলতাৰ প্ৰতিৰূপ। ঠিক তেনেকৈ একোটা মাহ জানো একোটা বছৰৰ প্ৰতিৰূপ বুলি ধৰি ল'ব নোৱাৰি? তাতো যদি আপোনাৰ আপত্তি, তেনেহ'লে এটা নোদোকা চাই ষাঁড়গৰুক কেইদোণমান থান খুৱাই মান ধৰিলেই দেখোন প্ৰতিজ্ঞাভংগৰ দায় গুচিব। মুঠতে, এতিয়া হাতসাৱটি বহি থকাৰ সময় নহয়।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "শুনা ভীম, কেৱল বলেৰে সকলো কাম সিদ্ধি কৰিব নোৱাৰি। দুৰ্যোধন আৰু তাৰ ভায়েকহঁত অতি দুৰ্দান্ত আৰু অস্ত্ৰ-চালনাত পাকৈত। তদুপৰি, দিগ্বিজয়ৰ সময়ত তোমালোকে যিবোৰ ৰজাক কৰতলীয়া কৰিছিলা, সেই সকলোবোৰ ৰজাই সিহঁতৰ লগ ল'বলৈ সাজু হৈ আছে। ভীষ্ম, দ্ৰোণ আৰু কৃপ নিৰপেক্ষ হ'লেও, ধৃতৰাষ্ট্ৰৰ ঋণ শোধ কৰিবৰ বাবে সিহঁতৰ ফলীয়া হৈ প্ৰাণ দিবলৈ সাজু হ'বই হ'ব। আকৌ, পেট-কপটীয়া কৰ্ণকো বাদ নিদিবা। সি সকলো অস্ত্ৰৰ প্ৰয়োগ জানে; বুকুতো অভেদ্য কৱচ আছে। এই সকলোবোৰ বীৰ-মহাবীৰৰ কথা উৰাই দি মাথোন দুৰ্যোধনক জখেমখে হেঁচি ধৰিবলৈ গ'লেই নহ'ব।"

এইবাৰ ভীমৰো গা চেঁবালে। তেওঁ মনে মনে থাকিল। এনে

সময়তে মহাযোগী ব্যাসদেৱ আহি ওলালহি। তেওঁ পোনে পোনে যুধিষ্ঠিৰক লগ পাব খুজিলে আৰু ক'লে, "বোপা যুধিষ্ঠিৰ, তোমাক নিৰলে কথাকেইটামান কওঁ।"

তাৰ পাচত, এডোখৰ নিৰল ঠাইত বহি ব্যাসদেৱে ক'লে, "তোমাক মই প্ৰতিস্মৃতি বিদ্যাৰ মন্ত্ৰটো শিকাই দিওঁ, শুনি লোৱা। এই মন্ত্ৰটোৰে অৰ্জুনে কাৰ্যসিদ্ধি কৰিব পাৰিব। ইয়াৰ বলতে তেওঁ ইন্দ্ৰ, যম, বৰুণ, কুবেৰ আৰু ৰুদ্ৰৰ পৰা নানা শক্তিশালী দিব্য-অস্ত্ৰ সংগ্ৰহ কৰিব পাৰিব। তেওঁক সিবোৰ সংগ্ৰহ কৰিবলৈ সোনকালেই পঠিয়াই দিয়া। তোমালোকো এই বনৰ পৰা অন্য বনলৈ যোৱাগৈ। কাৰণ, এখন বনত একেলেথাৰিয়ে বেচি দিন বাস কৰিলে, বনৰ জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ ক্ষয় হয়, আনকি গছ-গছনিৰো বেচি ক্ষতি হয়। তদুপৰি, তপস্বীবিলাকেও আমনি পায় আৰু শত্ৰুৱেও চোৰাংচোৱা লগাই ডাঁৱৰ বাতৰি ডাঁৱে পাই থাকিবলৈ সুবিধা পায়।" এইবুলি কৈয়েই ব্যাসদেৱ অন্তৰ্ধান হ'ল।

## ॥ অৰ্জুনৰ দিব্য-অস্ত্ৰ সংগ্ৰহ ॥

ব্যাসদেৱৰ উপদেশ শুনি যুধিষ্ঠিৰহঁত আকৌ কাম্যক বনলৈকে উলটি গ'ল। তাতে তেওঁলোকে খোপনি পুতিলেগৈ।

কিছুদিন যোৱাৰ পাচত এদিন যুধিষ্ঠিৰে অৰ্জুনক ক'লে, "ভীষ্ম, দ্ৰোণ, কৃপ, কৰ্ণ আৰু অশ্বত্থামা—এওঁলোক আটাইকেয়োজনেই ধনুৰ্বেদত বিশাৰদ। দুৰ্যোধনে তেওঁলোকক নানা উপহাৰ-উপঢৌকন যাচি, বিশেষ আলপৈচান ধৰি নিজৰ ফলীয়া কৰি লৈছে। গতিকে, গোটেইখন পৃথিৱী এতিয়া দুৰ্যোধনৰ বশতেই আছে। আমাৰ ফালে মাথোন তোমাৰ ওপৰতে সকলো ভাৰসা। ভাই অৰ্জুন, মই মহৰ্ষি ব্যাসৰ পৰা এটা মন্ত্ৰ লাভ কৰিছোঁ। সেই মন্ত্ৰটো তোমাক দিওঁ। সেইটো শিকি লৈ কিছুদূৰে উজাই গৈ তপস্যা কৰিবলৈ লোৱা। সকলোবোৰ দিব্য-অস্ত্ৰৰ গৰাকী দেৱৰাজ ইন্দ্ৰ। তোমাৰ তপস্যাৰে সিজনাক সন্তুষ্ট কৰি সেই অস্ত্ৰবোৰ সংগ্ৰহ কৰা।"

যুধিষ্ঠিৰৰ আদেশ শিৰত লৈ অৰ্জুন হিমালয় পৰ্বত পালেগৈ। তাতে তেওঁ কঠোৰ তপস্যা কৰি উঠি গন্ধমাদন পৰ্বত পাৰ হৈ ইন্দ্ৰকীল পৰ্বতত উঠিলগৈ। এনেকুৱাতে আকাশ-বাণী হ'ল, "ৰ'বা।" লগে লগে অৰ্জুনৰ চকুত পৰিল এগৰাকী জটাধাৰী তপস্বী এজোপা গছৰ তলত বহি আছে। গা'টো তেনেই ক্ষীণ লিচ্‌পিচীয়া, আৰু গা'ৰ ৰংটো টিক্‌ টিক্‌কৈ ৰঙা। তপস্বীয়ে সুধিলে, "বোপা, তুমি কোন? অস্ত্ৰ-শস্ত্ৰ লৈ এই তপোবনত সোমাইছাহি কিয়?" তাৰ পাচত ক'লে, "এই শান্ত তপোবনত অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োজন নাই। সিবোৰ খহাই থোৱা। তপস্যাৰ প্ৰভাৱত তুমি পৰম গতি পাইছা।"

অৰ্জুন থৰ লাগি ৰ'ল। অলপ দোধোৰমোধোৰতো পৰিল, গ্নানোচা, কোনোবাই তপস্বীৰ বেশ ধৰি ছলনা কৰিবলৈকে ওলাইছেহি! তেতিয়া তপস্বীগৰাকীয়ে হাঁহি এটা মাৰি নিজেই ক'লে, "মই ইন্দ্ৰ। এতিয়া কোৱাচোন, তোমাক কি লগা হৈছে।"

অৰ্জুনে তেতিয়া প্ৰণিপাত কৰি উঠি ক'লে, "প্ৰভু, মোক আৰু আন একো নালাগে। মাথোন আপোনাৰ ভাণ্ডাৰত থকা সকলোবিধ অস্ত্ৰৰে সম্পদ লাগে। কাৰণ, মই যদি মোৰ ভাই-ককাই কেইজনে বনবাসৰ কষ্ট ভোগ কৰাৰ পাচতো শত্ৰুৰ ওপৰত প্ৰতিশোধ ল'ব নোৱাৰোঁ, তেনেহ'লে চিৰকাললৈ মোৰ নামত কলংকৰ কালিমা বৈ যাব।"

ইন্দ্ৰই তেতিয়া ক'লে, "বোপা, তুমি যেতিয়া শূলপাণি শিৱৰ দৰ্শন লাভ কৰিবা, তেতিয়া সিগৰাকীয়েই তোমাক সকলোবোৰ মাৰণাস্ত্ৰ দান কৰিব। তুমি গৈ থাকা।" এই বুলি কৈয়েই ইন্দ্ৰ অদৃশ্য হৈ পৰিল।

তাৰ পাচত, অৰ্জুন এখন ডাঠ হাবিত সোমালগৈ। তাতে তেওঁৰ কাণত পৰিলহি, শংখ-ঘণ্টাৰ বিৰাট শব্দ। সেইখনেই উপযুক্ত ঠাই বুলি ভাবি, তাতে অৰ্জুন কঠোৰ তপস্যাত বহিল। ঋষি-মুনিসকলে কথাষাৰ মহাদেৱক জনালেগৈ। মহাদেৱে এজন সোণবৰণীয়া দেহৰ কিৰাতৰ ৰূপ ধৰি হাতত ত্ৰিশূল লৈ দেখা দিলেহি। তেওঁৰ পিচে পিচে উমা আৰু কেইগৰাকীমান সহচৰী। নিমিষতে গোটেইখন হাবি নিজম হৈ পৰিল; ধৈ অহা পৰ্বতীয়া জুৰিবোৰৰ কল কল শব্দটোও থমক লাগিল,

চৰাই-চিৰিকতিবোৰৰ কিচ্‌কিচনিও নুশুনা হৈ পৰিল। অৰ্জুনে ধৰিবই নোৱাৰিলে সেই কিৰাতগৰাকীয়েই যে মহাদেৱ। তেনেকুৱা সময়তে দুয়োৰো সমুখত এটা মেঘ-বৰণীয়া বনৰীয়া গাহৰি ওলালহি। লগে লগে কিৰাতজনে ক'লে, "সেইটোক ময়েই খেদি আনিছোঁ। তুমি আকৌ তোমাৰ আগত চিকাৰ ওলাইছেহি বুলি নেভাবিবা। সেইটোক মইহে মাৰিম।"

অৰ্জুনে কিৰাতৰ হাক-বচন নেমানি কাঁড় এপাট মাৰি পঠিয়ালে। কিৰাতেও একে সময়তে তেওঁৰ ধনুৰ পৰা কাঁড় এৰিলে। দুয়োৰো দুপাট কাঁড় লাগি গাহৰিটো লগে লগে মৰিল। অৰ্জুনে হাঁহি এটা মাৰি কিৰাতক সুধিলে, "হেৰা সোণবৰণীয়া ডেকা, তুমি নো কোন— জগত তিৰোতা লৈ যে এই হাবিত ঘূৰি ফুৰিছাহি? যেয়েই কি নোহোৱা, তুমি চিকাৰৰ নিয়ম লংঘন কৰি মই চিকাৰ কৰিবলৈ লোৱা গাহৰিটো কেলৈ কাঁড়িয়ালা? গতিকে, এতিয়া মই তোমাকো বধ কৰিম।" কিৰাতে অৰ্জুনৰ কথাৰ উত্তৰ আওপকীয়াকৈ দিলে, "মই এই হাবিখনতেই থাকোঁ। তুমি নো কোন—এইদৰে যে নিজান হাবিত সোমালাহি? তুমি ভয় নকৰিবা, আমি আছোঁ।" অৰ্জুনে গৰজি উঠিল, "মোৰ কথাষাৰ কাণতে নোসোমাল? চিকাৰৰ নিয়ম ভংগ কৰাৰ বাবে তোমাক আজি নেৰিছোঁ।"

লগে লগে অৰ্জুনে কিৰাতৰ গা'লৈ কেইবাপাটো শৰ মাৰি পঠিয়ালে। কিন্তু, সেই শৰবোৰ কিৰাতৰ গা'ত লাগি উফৰি উফৰি পৰিবলৈ ধৰিলে। অৰ্জুন অবাক হ'ল। তথাপি তেওঁ শৰৰ পাচত শৰ বৰষিয়েই থাকিল। অৱশেষত, তেওঁৰ তৃণটো উদং হৈ গ'ল। তেতিয়া তেওঁ ধনুখনকে কিৰাতৰ ডিঙিত সুমুৱাই টানি আনিব খুজিলে। কিৰাতে লগে লগে অৰ্জুনৰ হাতৰ পৰা ধনুখন কাঢ়ি ল'লে। তাৰ পাচত, দুয়োৰো মাজত মাল-যুঁজ লাগিল। কিৰাতে অৰ্জুনক গধা মাৰি ধৰিলে। অৰ্জুন সেই হাতৰ মেৰটোৰ পৰা ওলাব নোৱৰা হ'ল। তেওঁৰ উশাহ-নিশাহ বন্ধ হৈ আহিল; অৱশেষত তেওঁ মাটিত বাগৰি পৰিল।

কিছুপৰৰ পাচত চেতনা পাই অৰ্জুনে ওচৰতে তাতৰ মাটি একপৰা

পাই, তাকে লৰালৰিকৈ মহাদেৱৰ দৰে দেখাকৈ মূৰ্তি এখন গঢ়ি উলিয়ালে। সেই মূৰ্তিখনৰ আগতে শিৱৰ জপ-মন্ত্ৰ আওৰাই বনৰীয়া ফুলৰ মালা এধাৰ পিন্ধাবলৈ ল'লে। অৰ্জুনৰ চকুৰ আগতে মালাধাৰ গৈ কিৰাতৰ ডিঙিত ওলমি পৰিল। তেতিয়াহে অৰ্জুনে গম পালে, সেই কিৰাত গৰাকীয়েই স্বয়ং মহাদেৱ। লগে লগে অৰ্জুন তেওঁৰ চৰণত দীঘল দি পৰিল।

মহাদেৱে অৰ্জুনক সাৱটি ধৰি ক'লে, "পাৰ্থ, পূৰ্বজন্মতে তুমি নাৰায়ণৰ সহচৰ নৰ হৈ অযুত বছৰ তপস্যা কৰি সিদ্ধিলাভ কৰিছা। এতিয়া তোমাক কি বৰ লাগে, কোৱা।"

অৰ্জুনে ক'লে, "হে পশুপতি, মোক আপোনাৰ হাতত থকা চৰম অস্ত্ৰ পাশুপাত লাগে।" মহাদেৱে পৰম সন্তুষ্ট মনেৰে অৰ্জুনক সেই কালান্তক পাশুপাত অস্ত্ৰ দান কৰি তাৰ প্ৰয়োগ আৰু প্ৰত্যাহাৰৰ বিধি শিকাই দিলে। তাৰ পাচত, তেওঁ অৰ্জুনৰ গা'ত হাত ফুৰাই দিয়াৰ লগে লগে গা'ৰ সকলো বিষ দূৰ হ'ল। অৱশেষত, মহাদেৱে অৰ্জুনক অতি মৰমেৰে ক'লে, "পাৰ্থ, তুমি এবাৰ স্বৰ্গৰ ফালে পাক মাৰি আহাঁগৈ, যোৱা।" এইবুলি কৈয়েই মহাদেৱ আৰু উমা অদৃশ্য হৈ পৰিল।

লগে লগে বৰুণ, কুবেৰ, যম আৰু ইন্দ্ৰ ওলালহি। তেওঁলোকেও অৰ্জুনক নিজৰ বৰীয়াকৈ বহুতো শক্তিশালী অস্ত্ৰ দান কৰিলে। যমে দিলে তেওঁৰ বিখ্যাত দণ্ড ; বৰুণে দিলে তেওঁৰ পাশ, যিডাল জৰীয়ে শত্ৰুক আপোনাআপুনি বান্ধি পেলায়গৈ ; কুবেৰে দিলে অন্তৰ্ধান নামৰ এক মায়াবী অস্ত্ৰ। ইন্দ্ৰই ক'লে, "কুন্তীনন্দন, তুমি মোৰ লগতে দেৱলোকলৈ ব'লা। তাতে তোমাক তোমাৰ মনৰ হেঁপাহ পলুৱাই সকলোবোৰ দিব্য-অস্ত্ৰ দিমগৈ।"

অৰ্জুন যেতিয়া অমৰাৱতী পালেগৈ, দেৱতা-গন্ধৰ্ব আৰু সিদ্ধ-মহৰ্ষিসকলে তেওঁক অতি উলহমালহকৈ আদৰণি জনালে। ইন্দ্ৰৰ ৰাজসভাত তেওঁক স্বয়ং দেৱৰাজে নিজৰ কাষলৈ নি সিংহাসনত বহুৱালেগৈ। তুম্বুৰু আদি গন্ধৰ্বসকলে অপূৰ্ব স্বৰ্গীয় গীত পৰিৱেশন কৰি শুনালে।

ৰম্ভা, মেনকা, উৰ্বশী আৰু ঘৃতাচী আদি অপ্সৰাসকলে সেই গীতৰ তালে তালে অনিন্দ্যসুন্দৰ নৃত্যৰ যোগান ধৰিলেহি। তাৰ পাচত, ইন্দ্ৰই তেওঁক নিজৰ কাৰেঙলৈ লৈ গ'ল।

ইন্দ্ৰই অৰ্জুনক কেৱল বিবিধ দিব্য-অস্ত্ৰ দান কৰিয়েই ক্ষান্ত নহ'ল। লগতে তেওঁক সিবিলাকৰ প্ৰয়োগ-কৌশলবো বিস্তাৰিত জ্ঞানেৰে প্ৰশিক্ষিত কৰাৰো সকলো ব্যৱস্থা ইন্দ্ৰই কৰি দিলে। এইদৰে অমৰাৱতীত অৰ্জুনৰ পাঁচোটা বছৰ কাটি গ'ল।

এইছোৱা সময়তে ইন্দ্ৰৰ আদেশ মানি অৰ্জুনে গন্ধৰ্ব চিত্ৰসেনৰ ওচৰত নৃত্য, গীত আৰু বাদ্যৰ শিল্প-শিক্ষা ল'বলৈ ধৰিলে। ইন্দ্ৰই তেওঁক থোৰতে কৈ থ'লে, "সময়ত তোমাৰ কামত লাগিব।"

সংগীত-নৃত্যৰ শিক্ষা শেষ হৈ অহাৰ পাচতে এটা ঘটনা ঘটিল। এদিন চিত্ৰসেনে উৰ্বশীৰ ওচৰলৈ গৈ ক'লে, "দেৱৰাজৰ আদেশত তোমাক কথা এষাৰ জনাবলৈ আহিছোঁ। অৰ্জুন হেনো তোমাৰ প্ৰেমত পৰিছে। আজি তেওঁ তোমাৰ চৰণত আশ্ৰয় ল'বলৈ মন কৰিছে।"

উৰ্বশীয়ে অতি কৃতাৰ্থ হৈ চিত্ৰসেনক ক'লে, "ময়ো তেওঁৰ প্ৰেমত পৰিছোঁ। আজি নিশ্চয় মই তেওঁৰ ওচৰলৈ যাম।"

যথাসময়ত উৰ্বশী সাজি-কাচি অৰ্জুন থকা ঠাইত ওলালগৈ। দুৱৰীৰ মুখত সেই সময়ত উৰ্বশী তেওঁৰ ওচৰলৈ অহাৰ বাতৰি পাই অৰ্জুন অলপ উচপ্ খাই উঠিল। দুৱাৰমুখলৈ ওলাই আহি অৰ্জুনে উৰ্বশীৰ ওচৰত মূৰ দোঁৱাই সুধিলে, "হে দেৱী, মই আপোনাক ওলগ জনাইছোঁ। মই আপোনাক কিদৰে সেৱা কৰিব পাৰোঁ, আদেশ কৰক।" অৰ্জুনৰ ওলগ জনোৱাৰ ধৰণটো দেখি উৰ্বশী বাৰুকৈয়ে অপ্ৰস্তুত হ'ল। তেওঁ ভাবিবলৈ ধৰিলে, এয়াতো কোনো প্ৰেমিকৰ উমাল অভ্যৰ্থনা নহয়! এয়া যে এগৰাকী শ্ৰদ্ধেয়া মহিলাৰ ওচৰত শ্ৰদ্ধাৰে সম্বৰ্ধনা জনোৱাৰহে ধৰণ!

উৰ্বশীয়ে লাজ-মান কাতি কৰি থৈ ক'লে, "হে নৰশ্ৰেষ্ঠ, চিত্ৰসেনৰ মুখত তোমাৰ মোৰ প্ৰতি ওপজা দুৰ্বলতাৰ কথা শুনি মই নিজকেই ধন্য মানিছোঁ। চিত্ৰসেনে কৈছে, তুমি হেনো মোৰ ৰূপ দেখি উতলা হৈ

উঠিছা। মই তাৰেই প্ৰতিদান দিবৰ বাবে এই গভীৰ ৰাতি তোমাৰ ওচৰলৈ ঢপলিয়াই আহিছোঁ।"

উৰ্বশীৰ কথা শুনি অৰ্জুনৰ কাণ-মূৰ ৰঙা হৈ উঠিল। তেওঁ ক'লে, "আই, আপোনাৰ মুখৰ পৰা মই তেনে কথা শুনিব নেপাওঁ। আপুনি মোৰ চকুত কুন্তী আৰু শচীৰ দৰেই মাতৃস্থানীয়া। আপুনি পুৰুবংশৰ জননী, পৰম বন্দনীয়া গুৰুপত্নীতকৈয়ো অধিক। হয়তো সেইবাবেই আপোনাৰ মোৰ প্ৰতি থকা স্নেহৰ পাত্ৰ উচ্ছলিত হৈ উঠিছে। হয়তো সেইবাবেই ময়ো আপোনাক দেৱসভাত দেখি অনিমেষ নয়নেৰে চাইছিলোঁ।"

উৰ্বশীয়ে আকৌ ক'লে, "হে ধনঞ্জয়, তুমি হয়তো নেজানা—আমি অপ্সৰাবিলাক মানুহৰ জগতৰ নিয়মৰ বন্দিনী নহওঁ; যি কোনো অপ্সৰীৰ দৰেই স্বৰ্গৰ যি কোনো অতিথি মোৰ প্ৰেমিক হ'বৰ যোগ্য। হেৰা ৰূপৰ কোঁৱৰ, তুমি মোক তোমাৰ চৰণত ঠাই দি মোৰ অতৃপ্ত বাসনাক পূৰ্ণ কৰি তোলা।"

অৰ্জুনে পিচ-হুঁহকি গৈ ক'লে, "আই, মই আপোনাৰ চৰণত মূৰ থৈছোঁ। মোক আপুনি আপোনাৰ অনেক পাচৰ পুৰুষৰ নাতিৰো পৰিনাতি স্বৰূপে গ্ৰহণ কৰক।"

লগে লগে উৰ্বশী ব্যৰ্থ অভিসাৰিকাৰ খঙত কঁপি উঠিল। তেওঁ ৰণচণ্ডীৰ ৰূপ ধৰি অৰ্জুনক অভিশাপ দিলে, "পাৰ্থ, মই তোমাৰ পিতাৰ আদেশ শিৰোধাৰ্য কৰি প্ৰেমৰ পূৰ্ণপাত্ৰ লৈ তোমাৰ ওচৰলৈ আহিছিলোঁ। তুমি সেই পূৰ্ণপাত্ৰ উঠৰ ওচৰলৈ নিনিলা। তোমাক অভিশাপ দিছোঁ, তুমি নপুংসক নৰ্তক হৈ ৰাতিয়ে-দিনে তিৰোতাৰ মাজতে কটাব লাগিব।" এইবুলি কৈয়েই উৰ্বশী তাৰ পৰা উচাটি মাৰি গুচি গ'ল।

পাচদিনা ৰাতি পুৱালত ইন্দ্ৰই অৰ্জুনক ক'লেহি, "উৰ্বশীৰ এই অভিশাপ তোমাৰ কাৰণে বৰ প্ৰাপ্তিহে হ'ল। তুমি চাগৈ কল্পনাই কৰিব পৰা নাই। অজ্ঞাতবাসৰ এটা বছৰ তুমি নপুংসক নৰ্তক হৈ কটাব পাৰিবা। কাৰো সাধ্য নাই, তোমাক চিনি পাই ধৰা পেলাবগৈ। মই বৰ দিলোঁ, তাৰ পাচত তুমি আকৌ পুৰুষ হৈ পাৰিবা।"

## ॥ যুধিষ্ঠিৰৰ অনুশোচনা ॥

ইফালে কাম্যক বনত বাকী চাৰিজন পাণ্ডৱ আৰু দ্ৰৌপদীৰ দুখৰ নিশা নেযায়-নুপুৱায় যেন লগা হৈ আছিল। এদিন ভীমে যুধিষ্ঠিৰক ক'লে, "মহাৰাজ, আপুনি এইবোৰ ধৰ্মকথাৰ ভাটৌ-শ্লোকত পতিয়ন যাবলৈ এৰক। ক্ষত্ৰিয়ৰ ধৰ্ম ৰাজ্য-শাসন—বনবাস-যাপন নহয়। আৰু পলম নকৰাই ভাল। অৰ্জুনক বিচাৰি আনি কৃষ্ণৰ সৈতে লগ লাগি দুৰ্যোধনহঁতৰ দিহা লগাওঁ। শঠতাৰে শঠতাক নিৰ্মূল কৰাটো পাপ নহয়। পোনতে ৰাজ্য কাঢ়ি লওঁ। পাচত আপুনি যাগ-যজ্ঞ কৰি য'ত যি পৰাচিত হ'ব লাগে, হৈ থাকিব। পণ্ডিতবোৰে কোৱা শুনিছোঁ, বিপদৰ সময়ত বোলে এদিন-এৰাতিয়েই একোটা বছৰৰ সমান। সেইমতে, আমাৰ কোন-কাহানিবাই তেৰ বছৰ উকলিল। আনি জানিবা তেৰ বছৰ পাৰ হ'বলৈ বাট চাওঁৰেই! কিবা জানো লাভ আছে? দুৰ্যোধনৰ যিমানবোৰ চোৰাংচোৱাই পিয়াপি দি ফুৰিছে, অজ্ঞাতবাসৰ দুদিন নৌ-যাওঁতেই আমাক ধৰা পেলাওঁ বুলিলেই ধৰা পেলাবহি। তাৰ পাচত, আকৌ বাৰ বছৰ বনবাস খাটি মৰোঁগৈ! তেতিয়াহে ধৰ্ম ৰক্ষা পৰিব! ধৰি লওক, আমি জানিবা ধৰা নপৰাকৈ থাকিলোঁৱেই। তেতিয়াও জানো আপুনি ৰাজ্য ঘূৰাই পাব? ঘূৰি গৈ হস্তিনাপুৰ পোৱাৰ লগে লগে আকৌ সেই পাশাখেলৰ ওৰা পাতিব। আকৌ শকুনিৰ হাতত হাৰিব। আকৌ ধৰ্মৰক্ষা কৰি বনবাস খাটিবহি। জীৱনটো তেনেকৈয়ে ওৰ পৰিব।"

যুধিষ্ঠিৰে ভীমক শান্ত কৰিবলৈ ক'লে, "ভাই ভীম, যেনে তেনে তেৰ বছৰ যাবলৈ দিয়া। তেতিয়া তুমি আৰু অৰ্জুন মিলি দুৰ্যোধনক নিশ্চয় বধ কৰিব পাৰিবা। তুমি পলম কৰিব খোজা নাই। আৰু মই মাটি কেইডৰামানৰ কাৰণে প্ৰতিজ্ঞা ভংগ কৰিব খোজা নাই। শঠতা নকৰাকৈয়ে তুমি শত্ৰুক নিৰ্মূল কৰিব পাৰিবা।"

এনে সময়তে মহৰ্ষি বৃহদশ্ব ওলালহি। থাই-বৈ উঠি তেওঁ যেতিয়া জিৰণি ল'বলৈ বহিল, তেতিয়া যুধিষ্ঠিৰে তেওঁৰ আগত মনৰ দুখ গোটেইখিনি মেলি ধৰিলে, "হে মহামুনি, মোক কেইটামান ধূৰ্ত পাশা-

খেলুৱৈয়ে প্ৰবঞ্চনা কৰি মোৰ পৰা সকলো ধন-সোণ আৰু ৰাজ্য কাঢ়ি ল'লে। মই তেনেই অজলা স্বভাৱৰ মানুহ, পাশাখেলতো মুঠেই পাকৈত নহওঁ। সিহঁতে মোৰ পৰিবাৰকো পাশাখেলৰ সভালৈ টানি লৈ গৈছিল। তাৰ পাচত, আকৌ খেলত বুহুৱাই আমাক বনলৈ পঠিয়াইছে উশাহ সলাইছে। পাশাখেলৰ সভাত সিহঁতে আমাক বহুত কটু কথা শুনালে। আমাৰ শুভাকাংক্ষীবোৰে আমাৰ দুখৰ দিনত যি দুষাৰ-এষাৰ সান্ত্বনাৰ বাণী শুনাইছিল, সেয়া বুকুৰ মাজত সাঁচি থৈছোঁ। এতিয়া অৰ্জুনলৈয়ো মনত পৰি থাকে। মোৰ কাৰণেই আটাইবোৰে কষ্ট খাইছে। হে মহামুনি, কওকচোন বাৰু মোতকৈ বেচি দুৰ্ভগীয়া মানুহ কেতিয়াবা কোনোবা আছিল নে?"

মহৰ্ষি বৃহদশ্বই উত্তৰ দিলে, "আছিল—এজন আছিল। তেওঁৰ কাহিনী শুনিব খুজিলে, তোমাক ক'ব পাৰোঁ।"

যুধিষ্ঠিৰে শুনিব খোজাত বৃহদশ্ব মুনিয়ে ক'বলৈ ল'লে, নল-দময়ন্তীৰ কাহিনীটো। তেওঁ কৈ গ'ল—

## ॥ নল-দময়ন্তীৰ কাহিনী ॥

নিষধ দেশত নল নামেৰে এজন বৰ প্ৰতাপী, ৰূপবান আৰু চৰিত্ৰবান ৰজা আছিল। তদুপৰি, তেওঁ এগৰাকী বিখ্যাত অশ্বতত্ত্ববিদ আছিল। তাৰ মানে তেওঁ ঘোঁৰাটো দেখিয়েই কৈ দিব পাৰিছিল, সি কিমান বেগী আৰু কিমান কষ্টসহিষ্ণু। সেই সময়তে বিদৰ্ভ দেশত ভীম নামেৰে আন এজন ৰজা আছিল। তেওঁ মহৰ্ষি দমনৰ বৰত এজনী কন্যা আৰু তিনিজন পুত্ৰ লাভ কৰিছিল। তেওঁলোকৰ নামবোৰ আছিল ক্ৰমে দময়ন্তী, দম, দান্ত আৰু দমন। দময়ন্তীৰ লেখীয়া ৰূপে-গুণে অতুলনীয়া গাভৰু তেতিয়া তিনিও লোকতে আৰু কোনো নাছিল।

নল ৰজাই যেনেকৈ দময়ন্তীৰ ৰূপ-গুণৰ প্ৰশংসা শুনিবলৈ পাইছিল, দময়ন্তীয়েও তেনেকৈ নল ৰজাৰ ৰূপ-গুণৰ খ্যাতি শুনিবলৈ পাইছিল। গতিকে, ক'ব নোৱাৰাকৈয়ে দুয়ো দুয়োবো নামত আপোন-পাহৰা হৈ

পাৰিছিল। তাৰ ভিতৰতে ঘটনা এটি ঘটিল। এদিন নল ৰজাই তেওঁৰ ফুলনিত ফুৰি ফুৰোঁতে এটা সোণ বৰণীয়া ৰাজহাঁহ দেখা পাই তাক থাপ মাৰি ধৰি আনিলে। হাঁহটোৱে নল ৰজাক কাবৌ-কাকুতি কৰি ক'লে, "মহাৰাজ, আপুনি মোক নেমাৰিব। মই আপোনাৰ হৈ ভাল কাম এটা কৰি দিম। মই দময়ন্তী কুঁৱৰীৰ ওচৰলৈ গৈ আপোনাৰ বিষয়ে এনেদৰে যশ-গুণ গাম যে তেওঁ আপোনাৰ বাহিৰে আন কাকোৱেই বৰণ নকৰে।"

নল ৰজাই চৰাইটো এৰি দিলে। বিদৰ্ভলৈ গৈ চৰাইটোৱে দময়ন্তীৰ হাতত ধৰা দিলে। তাতো সি দময়ন্তীক একেদৰেই নল ৰজাৰ বিষয়ে ক'লে, "ভগৱানে আপোনালোক দুয়োকো এনেদৰে গঢ়িছে যে ইজন সিজনৰ হ'ব।"

সময়ত বিদৰ্ভৰাজ ভীমে দময়ন্তীৰ স্বয়ম্বৰ পাতিলে। দেশ-বিদেশৰ ৰজা আৰু ৰাজকোঁৱৰৰ জাক বিদৰ্ভ ৰাজ্যলৈ ঢপলি মেলিলে। এদিন নাৰদে দেৱতাসকলৰ আগতো বাতৰিটো দিলে। বাতৰিটো শুনি দেৱৰাজ ইন্দ্ৰ, অগ্নি, বৰুণ আৰু যম—এই চাৰিজনৰো উচ্‌পিচ্‌ লাগিল। তেওঁলোক চাৰিজনো স্বয়ম্বৰ-সভালৈ ওলাল। বাটতে তেওঁলোকে নল ৰজাক লগ পালে। নলৰ ৰূপ দেখি তেওঁলোকে আচৰিত মানিলে। তেওঁলোকে ভাবিলে, নল ৰজাক এৰি দময়ন্তীয়ে কোনো দেৱতাৰ ডিঙিতে মালা নিপিন্ধায়।

লগে লগে চাৰিওজন দেৱতাই নল ৰজাক ক'লে, "হে নিষধৰাজ, তুমি আমাক আমাৰ দূত হৈ সহায় কৰি দিব লাগে। তুমি বাৰু সহায় কৰি দিবা নে?"

নল ৰজা সন্মত হ'লত তেওঁলোকে ক'লে, "আমাৰ হৈ তুমি দময়ন্তীক সুধি আহিবগৈ লাগে তেওঁ আমাৰ চাৰিজনৰ মাজত কাক বৰণ কৰিব?"

নল ৰজাই তেতিয়া ক'লে, "কিন্তু,ময়ো সেই একেটা উদ্দেশ্য লৈয়েই বিদৰ্ভলৈ ওলাইছোঁ: মই নিজেই যেতিয়া প্ৰাৰ্থীসকলৰ এজন, মই আপোনাসকলৰ হৈ দূতৰ কামটো কেনেকৈ কৰোঁ?" দেৱতাসকলে

তেওঁক সোঁৱৰাই দিলে, তেওঁৰ দৰে সত্যবাদী ৰজা এজনে আগতে কথা দি পাচত কথাৰ ইফাল-সিফাল কৰিলে নহ'ব। গতিকে, নল ৰজা দময়ন্তীৰ ওচৰলৈ যাবলগীয়া হ'ল।

দময়ন্তীক লগ পাই নলে যেতিয়া দেৱতাসকলৰ কথাবাৰ উলিয়ালে, দময়ন্তীয়ে তেতিয়া স্পষ্ট উত্তৰ দিলে, "মই আপোনাৰ বাহিৰে আন কাকোৱেই বৰণ নকৰোঁ। আৰু আপুনি যদি মোক প্ৰত্যাখ্যান কৰে, তেনেহ'লে মই আত্মহত্যা কৰিম।" নলে তেতিয়া সুধিলে, "দেৱতাসকল থাকোঁতে তুমি নো বাৰু মানুহক কিয় বৰণ কৰিবলৈ ওলাইছা? মই দেখোন তেওঁলোকৰ ভৰিৰ ধূলিৰ সমানো যোগ্য নহওঁ!" দময়ন্তীয়ে আকৌ ক'লে, "দেৱতাসকলক মই প্ৰণাম কৰিছোঁ। কিন্তু, মই আপোনাক কোনোবা কালতে স্বামীৰূপে বৰণ কৰি থৈছোঁ।"

নলে সকলো কথা দেৱতাসকলক জনালেহি। যি কি নহওক, নলৰ লগতে দেৱতা চাৰিজনো স্বয়ম্বৰ-সভালৈ গ'ল। দময়ন্তীয়ে মালা পিন্ধাবলৈ আহি দেখিলে, পাঁচজন নল ৰজা একেলগে একে শাৰীতে বহি আছে। তেওঁৰ বুজিবলৈ বাকী নেথাকিল যে, তাৰে চাৰিজন আচলতে দেৱতা—দেখাতহে নল। সখীবিলাকৰ পৰা তেওঁ দেৱতা-সকলৰ যিবোৰ লক্ষণৰ কথা শুনিছিল, তাৰ এটা লক্ষণো এজনৰ গা'তো দেখা নেপাই দময়ন্তী মহা সমস্যাত পৰিল। তেওঁ তেতিয়া দেৱতাসকলক মনে মনে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, যেন তেওঁলোকে দয়া কৰি তেওঁক উদ্ধাৰ কৰে। তেওঁৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ দেৱতা চাৰিগৰাকীয়ে দেৱতাৰ লক্ষণবোৰ উদঙাই ধৰিলে। দময়ন্তীয়ে দেখিলে তাৰে চাৰিজন নলৰ গা'ত অকণো ঘামৰ কণিকা নাই; সেই চাৰিওজন নলে চকুৰে পচাৰ পেলোৱা নাই; আৰু তেওঁলোকৰ গা'ৰ পৰা কোনো ছাঁ পৰা নাই। তেওঁলোকৰ ডিঙিৰ মালাত থকা ফুলবোৰ তেনেই সঁজাল হৈ আছে; গা'ৰ ক'তোৱেই অকণো ধূলি লাগি থকা নাই; আৰু তেওঁলোকৰ ভৰিকেইখন মাটিৰ ওপৰত আলাসতে আছে। দময়ন্তীয়ে বুজিলে, যিজনৰ এইবোৰ লক্ষণ নাই, তেওঁৱেই আচল নল। গতিকে, দময়ন্তীয়ে তেওঁৰ ডিঙিতে বৰণৰ মালাধাৰ পিন্ধাই দিলে।

দেৱতাসকলে নলৰ সত্যনিষ্ঠাত সন্তুষ্ট হৈ গাইপতি তেওঁক একোটাকৈ বৰ দিলে। দেৱৰাজ ইন্দ্ৰই ক'লে, "যজ্ঞ কৰিবৰ সময়ত তুমি মোক সোঁ-শৰীৰেৰে দেখা পাবা। মৃত্যুৰ পাচত তুমি উত্তম গতি লাভ কৰিবা।" অগ্নিয়ে ক'লে, "তুমি মোক য'তেই বিচাৰিবা, ত'তেই মই নিমিষতে ওলামহি। মৃত্যুৰ পাচত তুমি পোহৰৰ দেশত থাকিবাগৈ।" যমে ক'লে, "তুমি যিহকে ৰান্ধিবা, সেয়ে জিভাত জুতি লগা হ'ব। তুমি চিৰকাল ধৰ্মৰ বাটত থাকিবা।" বৰুণে ক'লে, "তুমি য'তেই পানী বিচাৰিবা, ত'তেই ওপচ খাই থকা পানী পাবা।" অৱশেষত, তেওঁলোক চাৰিওজনে উমৈহতীয়া আশীৰ্বাদ দিলে, "তোমালোক দুয়োৰো এহাল ল'ৰা-ছোৱালী হ'ব।"

চাৰিওজন দেৱতা স্বয়ংবৰ-সভাৰ পৰা আনন্দ মনেৰে উভতি যাওঁতে বাটতে তেওঁলোকে কলি আৰু দ্বাপৰক লগ পালে। তেওঁলোক দুজন স্বয়ংবৰ-সভালৈ বুলি আহি আছিল; গমেই পোৱা নাছিল যে, স্বয়ম্বৰ হৈয়েই গ'ল। কলিৰ খং উঠি গ'ল, যেতিয়া গম পালে কোনো দেৱতা নহয়—দেৱতাক নেওচা দি মানুহকে বৰণ কৰিছে দময়ন্তীয়ে! কলিয়ে গৰজি উঠি ক'লে, নলক ভালকৈ এশিকনি দিব। ইন্দ্ৰই তেতিয়া ক'লে, "হেৰা কলি, নলৰ নিচিনা সৰ্বগুণসম্পন্ন ৰজা এজনক যি অভিশাপ দিবলৈ গুলায়, বৰং সিয়েইহে অভিশাপ পোৱাৰ যোগ্য।" ইন্দ্ৰৰ কথা কলিৰ কাণত নোসোমাল। ইন্দ্ৰ আৰু বাকী তিনিজন দেৱতা চকুৰ আঁতৰ হ'লত কলিয়ে দ্বাপৰক ক'লে, "মই কি ভাবিছোঁ জানা? মই নলৰ দেহত সোমাই তাক ৰাজ্যভ্ৰষ্ট কৰিম। তুমি মোক অলপ সহায় কৰিবা। তুমি পাশাতিকেইডালৰ ভিতৰত সোমাই ল'বাগৈ।"

কলিয়ে নল ৰজাৰ শৰীৰত সোমাবলৈ সুৰুঙা বিচাৰি ফুৰিবলৈ ধৰিলে। কিন্তু, তেওঁ ইমান শুচি গা'ৰে থাকে যে কলিয়ে কোনো সুৰুঙা বিচাৰি পোৱাই নাছিল। এদিন হঠাৎ দেখা পালে, নল ৰজাই সৰুপানী চুই উঠি ভৰি দুখন পখালিবলৈ পাহৰিলে; মাথোন পানী এমোকোৰা লৈ মুখখন কুলকুলিয়াই থৈ দিলে। সেইটো ছেগতে কলি নলৰ শৰীৰত সোমাই ল'লে।

আনফালে, কলিৰ উচটনিত পৰিয়েই নল ৰজাৰ ভায়েক পুষ্কৰে তেওঁক পাশাখেল খেলিবলৈ আহ্বান জনালে। খেলত বহিয়েই তেওঁ পণ থৈ থৈ ধন-সোণ, হাতী-ঘোঁৰা, আৰু ৰাজ্য—সকলো হেৰুৱালে। থাকিলগৈ মাথোন পিন্ধি থকা চুৰিয়াখন আৰু দময়ন্তী। সৌভাগ্যক্ৰমে, দময়ন্তীয়ে তাৰ আগতে সাৰথি বাৰ্ষ্ণেয়ৰ হতুৱাই ল'ৰা-ছোৱালীহালক মোমায়েকহঁতৰ ওচৰলৈ পঠিয়াই দিছিল। বাৰ্ষ্ণেয় বিদৰ্ভৰ পৰা উভতি আহি গৰাকী নল-দময়ন্তীক নেপাই ৰজা ঋতুপৰ্ণৰ আশ্ৰয় লৈ সিজনৰ সাৰথি হ'লগৈ।

নল আৰু দময়ন্তী দুয়ো গা'ত মাথোন এখনকৈ কাপোৰ পিন্ধি নগৰৰ বাহিৰ ওলাল। তিনিদিন-তিনিৰাতি তেওঁলোকে মাথোন এটুপিকৈ পানী খায়েই কটালে। চতুৰ্থ দিনা নলৰ চকুত পৰিল কেইটামান সোণৰ পাখি লগা চৰাই। ভোকত আতুৰ হৈ থকা নলে ভাবিলে, ধৰিব পাৰিলে সেই চৰাইকেইটাৰ মঙহেৰেই ভোক গুচাব পাৰিব; আৰু সোণৰ পাখিবোৰ সলায়েই দুমুঠিমান ধন গোটাব পাৰিব। তেওঁ চুৰিয়া-খন খুলি খেৱালি জালৰ লেখীয়াকৈ সেইখনকে চৰাইকেইটাৰ গা'লৈ দলি মাৰি পঠিয়ালে। চৰাইকেইটাই চুৰিয়াখনকে ঠোঁটৰ আগত লৈ আকাশলৈ উৰা মাৰিলে। লগতে খিলখিলকৈ হাঁহি সিহঁতে নলক ক'লে, "আমিয়েই পাশাতিকেইডালত সোমাই লৈ তোমাৰ দানবোৰত আউল লগাই দিছিলোঁ। তোমাক তেনেই নঙঠা কৰি থৈ যাবলৈহে চুৰিয়াখনো কাঢ়ি নিলোঁ।"

তাৰ পাচত, নল আৰু দময়ন্তীয়ে একেখন কাপোৰৰে দুটা আগেৰে গা মেৰিয়াই লৈ ওচৰাওচৰিকৈ খোজ দিবলৈ ধৰিলে। নলে দময়ন্তীক বিদৰ্ভলৈ যাবলৈ উপদেশ দিলে। দময়ন্তী কিন্তু অকলে বিদৰ্ভলৈ যাবলৈ অমান্তি হ'ল।

এদিন দুয়ো এঠাইত একেলগে শুই আছিল। নল ৰজাৰ আগতে টোপনি ভাগিল। ওচৰতে এখন মুকলি তৰোৱাল দেখা পাই তেওঁ কলিৰ প্ৰভাৱত পিন্ধি থকা কাপোৰখন দুছিৱাকৈ কাটি পেলালে। তাৰ পাচত, দময়ন্তীক তাতে এৰি নল ৰজা পলাল। সাৰ পাই উঠি নলক

কিচাৰি নেপাই দময়ন্তীয়ে উৰাই-ঘূৰাই কান্দিবলৈ ধৰিলে। অৱশেষত, দময়ন্তীয়েও উত্তৰ পিনলৈ খোজ দিবলৈ ধৰিলে। নানা বাধা-বিঘিনি পাৰ হৈ যোৱাৰ পাচত এদল বেদজ্ঞ ব্ৰাহ্মণৰ লগ লৈ চেদিৰাজ সুবাহুৰ নগৰ পালেগৈ। চেদিৰাজৰ ৰাজমাও গৰাকীয়ে তেওঁক ৰাজ আলিয়েদি গৈ থকা দেখা পাই মতাই নিলে। ৰাজমাৱে তেওঁক সুধিলে, "তোমাক দেখি মোৰ মেঘে আৰাৰি থোৱা বিজুলীলৈ মনত পৰিছে। তুমি নো কোন?" দময়ন্তীয়ে নিজকে এজনী সৈৰিন্ধ্ৰী বুলি চিনাকি দিলে। সৈৰিন্ধ্ৰীবিলাকে সচৰাচৰ আনৰ ঘৰত আশ্ৰয় লৈ বেজী-সূতাৰ কাম কৰি তাকে বেচি-মেলি ভাত মোকলায়। দময়ন্তীয়ে লগতে নিজৰ দুৰ্ভাগ্যৰ কথাখিনিও থোৰতে ক'লে। ৰাজমাৱে তেতিয়া তেওঁক ৰাজকুঁৱৰী সুনন্দাৰ সখী হৈ থাকি যাবলৈ ক'লে। আৰু ক'লে, "মই বাৰু তোমাৰ গিৰিহঁতক মানুহ লগাই বিচৰাওঁ।" দময়ন্তী ততালিকে সন্মত হ'ল। তাৰ আগতে তেওঁ ৰাজমাওৰ পৰা কথা আদায় কৰি ল'লে: 'তেওঁ কাৰো উচ্ছিষ্ট নেখায় আৰু কাৰো ভৰি ধুৱাই দিব নেলাগে। তেওঁ ব্ৰাহ্মণৰ বাহিৰে আন কোনো পুৰুষৰ লগত মুখামুখিকৈ কথা নেপাতে। আৰু যদি কেতিয়াবা কোনোবা পুৰুষে তেওঁক নিজৰ ঘৰলৈ নিব খোজেহি, তেনেহ'লে সিজনক মৃত্যুদণ্ড বিহিব লাগিব।'

আনফালে দময়ন্তীক অকলশৰে এৰি থৈ নল ৰজা এখন গহীন হাবিত সোমাইছিলগৈ। এনেতে তেওঁৰ চকুত পৰিল, হাবিত জুই লাগিছে— এফালৰ পৰা গছ-গছনিবোৰ পুৰি শেষ হৈ আহিছে। কাণত পৰিল এটা চিঞৰ, "পুণ্যশ্লোক নল, আপুনি মোক উদ্ধাৰ কৰকহি।" লৰালৰিকৈ নল ৰজাই সেই চিঞৰটো অহাৰ পিনলৈ গৈ দেখিলে, জুয়ে ছাটি ধৰা এটা নাগ। পাক খাই থুপ লাগি বহি আছে। নল ৰজা ওচৰ চাপি যোৱাৰ লগে লগে সি মাত লগালে, "মহাৰাজ, মোৰ নাম কৰ্কোটক; মহৰ্ষি নাৰদক আমনি কৰিছিলোঁ। শাপ দিলে। বোলে, তই ইয়াতে গছৰ মুঢ়া যেন হৈ পৰি থাক। নল ৰজাই তোক তুলি নি আন ক'ৰবাত থৈ আহিলেহে ইফালে-সিফালে যাব পৰা হ'বি। হে পুণ্যশ্লোক মহাৰাজ, আপুনি মোক উদ্ধাৰ কৰক। আপোনাৰ সখা হৈ মই আপোনাৰ

উপকাৰ কৰিম। আপুনি মাথোন খোজবোৰ গণি যাব। দহ খোজ হ'লেই মোক ক'ব।"

নল ৰজাই কৰ্কোটকক দাঙি নিলে। দহ খোজ হ'লতে সি নল ৰজাক খোট মাৰি দিলে। তাৰ পাচতে কৰ্কোটকে মাত দিলে, "মহাৰাজ, মই মাথোন আপোনাৰ গা'ৰ ৰংটো সলাই দিলোঁ। এতিয়াৰ পৰা আপোনাক কোনেও চিনি নেপাব। লগতে যি কলি আপোনাৰ দেহৰ ভিতৰত থিত লৈছেহি, সিও বিষৰ জ্বালত ধৰফৰাই থাকিব। আপুনি এতিয়া পোনে পোনে ঋতুপৰ্ণ ৰজাৰ ওচৰলৈ যাওক। তাত আপুনি নিজকে বাহুক নামেৰে চিনাকি দিব। আৰু ক'ব, আপুনি সাৰথিৰ কাম বাঢ়িয়াকৈ কৰিব জানে। তেওঁক আপুনি ঘোঁৰাৰ বিষয়ে জ্ঞান দিব আৰু তেওঁৰ পৰা আপুনি পাশাখেলৰ জ্ঞান শিকি ল'ব। সেই জ্ঞানেৰেই আপুনি আপোনাৰ ৰাজ্য ঘূৰাই ল'ব পাৰিব। ঋতুপৰ্ণ ৰজা আপোনাৰ সখা হ'ব। তেওঁৰ সহায়তে আপুনি আপোনাৰ পত্নীক ঘূৰাই পাব। এতিয়া লওক এইযোৰ মন্ত্ৰপূত কাপোৰ। এইযোৰ কাপোৰ পিন্ধাৰ লগে লগে আপোনাৰ গা'ৰ ৰং আকৌ আগৰ দৰে হৈ পৰিব।"

কেইদিনমানৰ পাচত নল ঋতুপৰ্ণ ৰজাৰ ওচৰ পালেগৈ। নলে নিজৰ চিনাকি দি ক'লে, "মোৰ নাম বাহুক। ঘোঁৰাৰ বিষয়ে মোৰ দৰে অভিজ্ঞ মানুহ অতি কম আছে। মই এজন পাকৈত ৰথৰ সাৰথি। মই ৰন্ধা-বঢ়াৰ কামো ভালকৈ জানো। আপোনাক লাগে যদি মোক আপুনি আপোনাৰ ৰথৰ সাৰথি নিয়োগ কৰিব পাৰে।" ঋতুপৰ্ণ ৰজাই সামান্য দুটামান পৰীক্ষা লৈ তেওঁক তেওঁৰ ঘোঁৰাশালৰ অধ্যক্ষ কৰি ল'লে। তেওঁৰ সহকাৰী হিচাপে লগ লাগিল তেওঁৰ তাহানিকালৰ সাৰথি বাৰ্ষ্ণেয় আৰু জীৱল নামৰ আন এজনক। এইদৰে তেওঁ ঋতুপৰ্ণ ৰজাৰ আশ্ৰয়তে লুকুৱাই কাঢ়ি সুখে-দুখে দিন কটাবলৈ ধৰিলে।

আনদিনে বিদৰ্ভৰাজ ভীমে নল-দময়ন্তীক বিচাৰি দেশে দেশে মানুহ পঠাবলৈ ধৰিলে। সেই মানুহবোৰৰ মাজৰে সুদেৱ নামৰ এজন ব্ৰাহ্মণে চেদিৰাজৰ অন্তঃপুৰত হঠাৎ দময়ন্তীক দেখি চিনি পালে। সুদেৱক দেখা পাই দময়ন্তীয়েও কান্দিবলৈ ধৰিলে। ঘটনাটোৰ বাতৰি পাই

ৰাজমাৱে সুদেৱক সুধিলে, "হে ব্ৰাহ্মণ, আপুনি নো কেনেকৈ চিনি পালে, এওঁৱেই যে দময়ন্তী?" সুদেৱে তেতিয়া উত্তৰ দিলে, "তেওঁৰ দুই চেলাউৰিৰ মাজত কপালত ফোঁট পিন্ধা ঠাইখিনিতে দেখিবলৈ পদুম ফুলৰ লেখীয়া তুলসী-চিন এটা আছে। তেওঁৰ গা'ৰ ৰংটো যদিও অলপ মদৰুৱা হৈছে, তথাপি তাৰ মাজতে সেই তুলসী-চিনটো ৰিণিকি ৰিণিকিকৈ জিলিকি আছে। তাকে দেখিয়েই চিনি পালো, এওঁ আমাৰ ৰাজকু'ৱৰী দময়ন্তী।"

ৰাজমাৱে তেতিয়া ক'লে, "যদি সেয়ে হয়, তেনেহ'লে তেওঁ দেখোন মোৰ ভাগিন-ছোৱালী। মই তেওঁক ওপজাৰে পৰা দেখিছোঁ। তেওঁৰ দুই চেলাউৰিৰ মাজত পদুম ফুলৰ লেখীয়া এখিলা তুলসীপাতৰ চিন থকা কথাবাৰ মই জানো।"

অৱশেষত, মহা আড়ম্বৰেৰে দময়ন্তীক দোলাত তুলি বিদৰ্ভ ৰাজ্যলৈ পঠিয়াই দিয়া হ'ল। ৰজা ভীমে সুদেৱক বহুতো ধন-সোণ দি ব'টা পিন্ধালে। তাৰ পাচত, জোঁৱায়েক নলৰ সন্ধান ল'বলৈ দেশে দেশে গৈ আহিবলৈ কটকী পাচিলে। তাৰ মাজতে দময়ন্তীয়ে তেওঁলোকক এটা বুদ্ধি দি পঠিয়ালে: "আপোনালোকে যিখন ৰাজসভাতে সোমায়গৈ, তাতে এইবাৰ কথা বাৰে বাৰে আওৰাব—সেই পাশাখেলুৱৈজন ক'লৈ গ'ল, যিজনে শুই থকা ভাৰ্যাৰ সৈতে একেলগে পিন্ধি থকা কাপোৰখন দুছিৰা কৰি ভাৰ্যাৰ ওচৰৰ পৰা আঁতৰি গ'ল? যদি দেখে কোনোবাই সেই প্ৰশ্নটোৰ কিবা উত্তৰ দিয়ে, মোক জনাবহি।"

বহুত দিনৰ মূৰত এজন কটকীয়ে উভতি আহি দময়ন্তীক ক'লেহি, "মই ঋতুপৰ্ণ ৰজাৰ ৰাজসভাত আপুনি শিকোৱা কথাষাৰ ৰাজহুৱাকৈ সুধিছিলো। এজনে আচহুৱা কথা এবাৰ ক'লে, চৰায়ে যাৰ চুৰিয়াখনো উৰুৱাই নিয়ে, তেওঁ অন্যায় কৰিলেও সতীয়ে ক্ষমা কৰিবলৈ নেপাহৰে। সেই সভাসদজনৰ লগত মই চিনাকি হৈছিলো। নামটো বাহুক—ৰজাৰ ৰথৰ সাৰথি। শুনিলো, তেওঁ হেনো ৰন্ধা-বঢ়াতো বৰ পাকৈত।"

দময়ন্তীৰ বুজিবলৈ বাকী নেথাকিল, বাহুকেই ছদ্মবেশী নল। দময়ন্তীয়ে সুদেৱক মতাই আনি সকলো কথা ক'লে। তাৰ পাচত ক'লে,

"আপুনি ঋতুপৰ্ণ ৰজাৰ ওচৰলৈ গৈ কওক যে, ৰাজকুঁৱৰী দময়ন্তীৰ আকৌ স্বয়ম্বৰ হ'ব ; কাইলৈ বেলি নোউঠোঁতেই তেওঁ দ্বিতীয় পতি বৰণ কৰিব। কাৰণ, মহাৰাজ নল বোধকৰোঁ বাচি থকা নাই। বহুতো ৰজা-ৰাজকোঁৱৰ স্বয়ম্বৰ-সভালৈ আহিছে। আপুনিও বিদৰ্ভলৈ গৈ আহক।"

সুদেৱ ঋতুপৰ্ণ ৰজাৰ ওচৰ পালেগৈ। বাতৰিটো শুনি ঋতুপৰ্ণ ৰজাই ছদ্মবেশী নলক ক'লে, "বাহুক, কাইলৈ মই বিদৰ্ভ পাবগৈ লাগে। দময়ন্তীৰ দ্বিতীয় স্বয়ম্বৰ। ইমান দূৰ বাট একেদিনাই পাৰ হোৱা জানো সম্ভৱ হ'ব?" নলে চিন্তা কৰি চালে, এয়া নিশ্চয় দময়ন্তীৰ কৌশল। তেওঁ নিশ্চয় আচল কথাটো ধৰিব পাৰিছে। ভাবি-গুণি নলে ঋতুপৰ্ণ ৰজাক ক'লে, "আপোনাক বাৰু কাইলৈ ৰাতি পুওৱাৰ আগতে বিদৰ্ভ পোৱাই দিমগৈ। আপুনি ওলাওক। মই ৰথ সাজু কৰোঁগৈ।"

নলে চাৰিটা সিন্ধুদেশীয় খীণ চেহেৰাৰ ঘোঁৰা ঘোঁৰাশালৰ পৰা বাচি আনি ৰথৰ আগত জুটিবলৈ ল'লে। তাকে দেখি ঋতুপৰ্ণ ৰজাই ক'লে, "বাহুক, তুমি নো বাৰু এই চেৰেলা ঘোঁৰাকেইটাহে বিচাৰি পালা নে? এইকেইটা দেখোন আধাবাটতে মৰিব!" নলে তেতিয়া ক'লে, "মহাৰাজ, এইকেইটা সাক্ষাৎ পক্ষীৰাজ ঘোঁৰা। চোঁপাকাঁড় যোৱাদি যাব। ইহঁতৰ প্ৰত্যেকৰে কপালে-মূৰে, ডিঙিয়ে-ভৰিয়ে দহোটাকৈ পাকখোৱা নোমৰ চকৰ আছে। অৱশ্যে মহাৰাজৰ সন্দেহ উপজিছে যদি বেলেগ ঘোঁৰা লওঁ।" ঋতুপৰ্ণ ৰজাই তেতিয়া ক'লে, "বাহুক, তুমি ঘোঁৰাৰ বিশেষজ্ঞ। গতিকে, মই তোমাৰ ওপৰত এই বিষয়ে কথা নকওঁ।"

ঋতুপৰ্ণ ৰজা ৰথত উঠিল। নলে বাৰ্ষ্ণেয়কো ওচৰতে বহুৱাই ল'লে। তাৰ পাচত, বাহুকে বায়ুবেগেৰে ৰথ চলাবলৈ ধৰিলে। বাৰ্ষ্ণেয়ই চিন্তা কৰিবলৈ ধৰিলে, 'এওঁ বাৰু ইন্দ্ৰৰ ৰথৰ সাৰথি স্বয়ং মাতলি নেকি?' মাজে মাজে তেওঁৰ নল ৰজালৈয়ো মনত পৰিল। কিন্তু নল ৰজাৰ তুলনাত বাহুকৰ চেহেৰাপাতি ভীষণ আপচু আৰু গা'ৰ ৰংটোও জামুকলীয়া। ঋতুপৰ্ণ ৰজাও ৰথৰ বেগ দেখি আচৰিত হৈছিল।

এনেতে তেওঁৰ গা'ত লোৱা চেলেংখন বতাহে উৰাই নিলে। তেওঁ বাহুকক চিঞৰি চিঞৰি ক'লে "অলপ ৰ'বাচোন বাহুক। মোৰ চেলেংখন বাঢ়ৈ'য়ই বুটলি আনকগৈ।" নলে উত্তৰ দিলে, "মহাৰাজ, বাঢ়ৈ'য়ই আপোনাৰ চেলেংখন ক'ত বিচাৰি পাবগৈ ? আমি এতিয়ামানে এক যোজনতকৈয়ো বেচি বাট পাৰ হৈ আহিলোঁ।" ঋতুপৰ্ণ ৰজাই নলৰ ৰথচালনাৰ পাৰ্গতালি দেখি তবধ মানিলে। ভাবিলে, তেৰোঁ তেওঁৰ বিদ্যাৰ চিনাকি এটা দি থয়! এইবুলি ভাবি তেওঁ ক'লে, "বাহুক, সকলোৰে সকলো গুণ নেথাকে। ধৰাচোন, মোৰ চকুৰ পচাৰতে গণনা কৰিব পৰা গুণটো। সৌ বহ'ত গছজোপাত কিমান ডাল-পাত আৰু গুটি আছে, ক'ব পাৰা নে ? মই কৈ গৈছোঁ, শুনা। মাটিত সৰি পৰা পাতৰ সংখ্যা এশ এখিলা ; পকি সৰি পৰা গুটিৰ সংখ্যাও সিমানেই। গছজোপাত এতিয়া লাগি থকা পাতৰ সংখ্যা পাঁচ কোটি আৰু গুটি লাগি আছে দুহেজাৰ পঞ্চানবৈব। তুমি গণি চাব পাৰা।"

লগে লগে নলে ৰথখন ৰখাই দিলে। ঋতুপৰ্ণ ৰজাই তেতিয়া ক'লে, "এতিয়া গণিবলৈ ল'লে ইয়াতে ৰাতি পুৱাব।" নলে ক'লে, "নহয়, আপোনাক বাৰু বাকীছোৱা বাট বাঢ়ৈ'য়ই লৈ যাওক। মই আপোনাৰ গণনাটোৰ সঁচা-মিছাৰ প্ৰমাণটো লৈ লওঁ।" ৰজা ঋতুপৰ্ণই প্ৰমাদ গণিলে। লৰালৰিকৈ তেওঁ ক'লে, "এটা কাম কৰা। তুমি এটা ডাল কাটি আনাগৈ। তাতে মোৰ গণনাৰ সঁচা-মিছাৰ প্ৰমাণ চোৱা। তুমি যদি ৰাতিয়েই মোক বিদৰ্ভ পোৱাবগৈ পাৰা, তুমি যি বিচাৰা তাকে দিম। মই মানি লৈছোঁ, তুমি পৃথিৱীৰ ভিতৰত অদ্বিতীয় অশ্বতত্ত্বজ্ঞ।" শেষত, সেইটোৱেই সিদ্ধান্ত হ'ল। অলপ পাচতে নলেও গম পালে, ঋতুপৰ্ণ ৰজা সঁচাকৈয়ে গোপন গণনাৰ এক অদ্বিতীয় বিশেষজ্ঞ। পাশাখেল খেলিবলৈ হ'লে এই বিদ্যাটো—যাৰ নাম অক্ষহৃদয়—জনা থাকিলে কোনেও পৰাভূত কৰিব নোৱাৰে। অৱশেষত, দুয়ো দুয়োকো কথা দিলে। নলে ঋতুপৰ্ণক অশ্বহৃদয়ৰ জ্ঞান দান কৰিব আৰু ঋতুপৰ্ণই নলক তাৰ বিনিময়ত অক্ষহৃদয়ৰ জ্ঞান দান কৰিব। কামটো পাচলৈ নথৈ তাতেই শেষ কৰা হ'ল।

লগে লগে আন এটা ঘটনা ঘটিল। নলে অক্ষহৃদয়ৰ জ্ঞান লাভ কৰাৰ অলপ পাচতে কৰ্কোটক নাগৰ বিষত ধৰফৰাই থকা কলি নলৰ মুখেদি বমি হৈ ওলাই আহিল। কলিয়ে হাতযোৰকৈ নল ৰজাৰ ওচৰত ক্ষমা ভিক্ষা কৰি ক'লে, "হে মহাৰাজ, যিজনে ভৱিষ্যতে আপোনাৰ নাম ল'ব, তেওঁৰ কোনো কলিভয় নেথাকিব।" এইবুলি কৈয়েই কলি বহঁত গছজোপাত সোমাই পৰিলগৈ।

যি কি নহওক, ঋতুপৰ্ণ ৰজাৰ ৰথ ৰাতিলৈ নেলাগে পথুলি পৰতে বিদৰ্ভৰাজৰ ৰাজধানী কুণ্ডিন নগৰত সোমালহি। দময়ন্তীয়ে ৰথৰ ঘৰ্ঘৰণি শুনিয়েই অনুমান কৰিছিল, ৰথৰ সাৰথি নল ৰজাৰ বাহিৰে আন কোনো নহয়। কাৰেঙৰ চূড়াৰ পৰা চাই দময়ন্তীয়ে তিনিওজনকে দেখিলে। তেওঁ ঋতুপৰ্ণ ৰজা আৰু বাষ্ণেয়ক দেখিয়েই চিনি পালে। কিন্তু, বাহুকক দেখিহে তেওঁ চমক খালে। সেয়া তো নল নহয়—এজন দেখাত আপচু চেহেৰাৰ, চুটি-চাপৰ আৰু ঠেক কান্ধৰ আন কোনোবাহে!

ঋতুপৰ্ণ ৰজাই কেনিও ক'তো স্বয়ংবৰৰ কোনো উমঘাম নেদেখি অবাক মানিলে। ৰজা ভীমে তেওঁক উলহমালহকৈ আদৰণি জনালে। সুধিলে, কি কথা, কি বতৰা, কিয় আহিল ইত্যাদি। ঋতুপৰ্ণ ৰজাই থাউকতে কৈ থ'লে, "আপোনাক মাত এষাৰ লগাই যাবলৈ আহিলোঁ।" ৰজা ভীমো চিন্তাত পৰিল, মাথোন এষাৰ মাত লগাবলৈকে এশ যোজনতকৈয়ো অধিক বাট পাৰ হৈ অহাও কম কথা নহয়! যি কি নহওক, ৰজা ঋতুপৰ্ণক কাৰেঙৰ ভিতৰতে ৰাখিলে। বাষ্ণেয়কো তেওঁৰ চোৱা-চিতা কৰিবলৈ কাষৰ কুঠৰী এটাতে থ'লে। বাহুকক থাকিবলৈ দিয়া হ'ল ৰাজ-কাৰেঙৰ গাতে লাগি থকা ৰথশালাত।

ইফালে দময়ন্তীয়ে নলক দেখা নেপাই চিন্তা কৰিবলৈ ল'লে, সেই চুটি-চাপৰ চেহেৰাৰ সাৰথিজন বাৰু কোন? শেষত কেশিনী নামৰ লিগিৰী এজনীক মাতি আনি ক'লে, "অলপ উমান লৈ আহাগৈচোন, সেই চাপৰ মানুহজন নো আচলতে কোন?"

কেশিনীয়ে বাহুকৰ ওচৰলৈ গৈ ইটো-সিটো কথাৰ লাচতে সুধিলে, "আপুনি কোন? মহাৰাজ ঋতুপৰ্ণ নো হঠাতে বিদৰ্ভলৈ কিয় আহিল?

আৰু মহাৰাজৰ আলধৰা মানুহজনৰ নামটো কি?" বাহুকৰূপী নলে উত্তৰ দিলে, "মহাৰাজ আহিছে দময়ন্তীৰ দ্বিতীয় স্বয়ংবৰলৈ। মই হ'লোঁ বাহুক। মোক সকলোৱে ঘোঁৰাৰ বিশেষজ্ঞ বুলি জানে। মহাৰাজে মোকেই সাৰথি কৰি আনিলে—বাট বহুদূৰ, সময় তাকৰ—সেইবুলিয়েই। আমাৰ লগৰীয়াজন তাহানি নল ৰজাৰ ৰথৰ সাৰথি আছিল। নাম বাষ্ণেঁয়।" কেশিনীয়ে আকৌ সুধিলে, "ডাঙৰীয়া, কেনেহ'লে ক'ব পাৰিব—নল ৰজা ক'লৈ গ'ল।" বাহুকে উত্তৰ দিলে, "ক'ত ক'ব পাৰিব! আজিকালি তেওঁৰ চেহেৰা-পাতি সলনি হ'ল। মনৰ দুখত অনাই-বনাই ঘূৰি ফুৰিছে।" এনেতে কেশিনীয়ে ক'লে, "ডাঙৰীয়া, বিদৰ্ভৰ পৰা যোৱা কটকীজনৰ প্ৰশ্ন এটা শুনি আপুনি হেনো বৰ্ঢ়িয়া কথা এষাৰ কৈছিল। কথাষাৰ আকৌ দোহাৰি মোৰ আগত শুনাব নে—আমাৰ ৰাজকুঁৱৰীৰ শুনিবৰ বৰ মন!" কথাষাৰ বাহুকে দোহাৰিলে, "চৰায়ে যাৰ চৰিয়াখন উৰুৱাই নিয়ে, তেওঁ অন্যায় কৰিলেও সতীয়ে ক্ষমা কৰিবলৈ নেপাহৰে।"

কেশিনীৰ মুখত সকলো কথা শুনি দময়ন্তীৰ অনুমানটো আৰু গজগজীয়া হৈ উঠিল, বাহুকেই নল! কেশিনীক তেওঁ আকৌ পঠিয়ালে, আঁতৰে আঁতৰে থাকি বাহুকৰ আলেখ-লেখ চাই আহি জনাবলৈ। সেইমতে কেশিনীয়ে বাহুকৰ ধৰণ-কৰণবোৰ বেখৰ জলঙাৰে জুমি চাই তবধ মানিলে। উভতি আহি দময়ন্তীক ক'লেহি, "আইদেউ, বৰ আচৰিত মানুহ এইজন! আমাৰ ফালৰ পৰা কেইবাবিধো মঙহৰ যোগান ধৰা হৈছিল। ওচৰতে কেইটামান শুদা কলহ আছিল। কলহকেইটালৈ তেওঁ এবাৰ চোৱাৰ লগে লগে পানীৰে চপচপীয়া হৈ পৰিল। তাৰে মঙহখিনি ধুই-পখালি চৰুত থৈ জুহালত থাপি জাপি দিলে। তাৰ পাচত, খেৰ এমুঠি লৈ তালৈ এবাৰ চোৱাৰ লগে লগে সেয়া ভমকুকৈ জ্বলি উঠিল।" দময়ন্তীয়ে সেই কথাখিনি শুনি উঠি কেশিনীক ক'লে, "বাচোন, তই অলপ আঞ্জা খুজি আনগৈ। জুতিটো কেনেকুৱা লাগে চাওঁ।"

দময়ন্তীয়ে আঞ্জাৰ জুতিটো লৈয়েই গম পালে, ৰান্ধনিজন নল!

সেইবাৰ তেওঁ কৌশনীৰ লগত ল'ৰা-ছোৱালীহাল পঠিয়াই দিলে। বাহুকে সিহঁতহালক কোলাত লৈ চুমা খাই কান্দিবলৈ ধৰিলে। দুটাই ক'লে, "মোৰ ল'ৰা-ছোৱালীহালো ঠিক এনেকুৱাই। সিহঁতলৈ মনত পৰিছেই চকুপানী ওলাল দেখোন। তুমি আন একো নেভাবিবা। আৰু এটা কথা। আমি হ'লো আলহী। তুমি বাৰে বাৰে ইয়ালৈ নহাটোৱেই ভাল নোক!"

দময়ন্তীয়ে মাকক সকলো কথা কৈ উঠি ক'লে, "আই, মই গম পাইছোঁ, সেইজনেই নল। মাথোন চেহেৰাটো কেনেবাকৈ কিবা হৈ পৰিল। মই এইবাৰ নিজেই তেওঁৰ ওচৰলৈ যাওঁ। আপুনি পিতাক সুধি অথবা নুসুধি মোক অনুমতি দিয়ক।"

মাকৰ কথামতে বাহুকক মাতি পঠিওৱা হ'ল—দময়ন্তীক লগ পাবৰ কাৰণে। দুয়ো যেতিয়া দুয়োকো মুখামুখিকৈ লগ পালে, তেতিয়া দয়মন্তীয়ে বাহুক হৈ অহা ছদ্মবেশী নলক সুধিলে, "আপুনি বাৰু পুণ্যশ্লোক নলৰ বাহিৰে আন কাৰোবাক জানেনে, যিজনে নিজৰ সহধৰ্মিনীক বিনাদোষতে ত্যাগ কৰিব পাৰে?" ছদ্মবেশী নলে উত্তৰ দিলে, "যি কলিৰ প্ৰভাৱত মই মোৰ ৰাজ্য হেৰুৱাইছিলোঁ, সেই কলিৰ প্ৰভাৱতে মই তোমাকো ত্যাগ কৰিছিলোঁ। কলিয়ে মোৰ দেহৰ ভিতৰতে বাহ লৈছিলহি। এতিয়া সি মোৰ দেহৰ পৰা পলাই গৈছে। কিন্তু, তুমি বাৰু দ্বিতীয়বাৰ পতি বৰণ কৰাৰ কথা কিয় চিন্তা কৰিবলগীয়া হ'ল?" দময়ন্তীয়ে তেতিয়া আঠু লৈ ক'লে, "হে নিষধৰাজ, মই দেৱতাসকলকো বাদ দি আপোনাকেই বৰণ কৰিছিলোঁ। আপোনাক ঘূৰাই অনাৰ আন উপায় নেদেখি এই উপায়টো গ্ৰহণ কৰিলোঁ। আপুনি মোক ক্ষমা কৰক।"

নল ৰজাই তেতিয়া কৰ্কোটক নাগে দি থৈ যোৱা কাপোৰযোৰ গা'ত ললে। লগে লগে আকৌ তেওঁ আগৰ চিনিনা পৰম ৰূপবান হৈ পৰিল।

পাচদিনা ৰাতিপুৱা ৰজা ভীম আৰু ৰজা ঋতুপৰ্ণকে ধৰি সকলোৱে নল-দময়ন্তীৰ পুনৰ্মিলনৰ গোটেই কথাখিনি গম পালে। ঋতুপৰ্ণ ৰজাই নল ৰজাক ক'লে, "হে নিষধৰাজ, আপোনাৰ ওচৰত মই যদি নজনাকৈ

কিবা অপৰাধ কৰিছোঁ, সকলো মৰিষণ কৰিব।” নল ৰজাই ক'লে, “হে অযোধ্যাপতি, বৰং মই আপোনাৰ ওচৰত পৰম কৃতজ্ঞ।”

তাৰ কিছুদিন পাচত নল ৰজাই সসৈন্যে নিজ ৰাজ্যত প্ৰৱেশ কৰি পুষ্কৰক ক'লে, “মই তোমাক পাশাখেললৈ আহ্বান কৰিছোঁ। মই মোৰ সমস্ত ধন সম্পত্তি আৰু দময়ন্তীক পণ থৈছোঁ। আৰু তুমি পণ থোৱা মোৰ পৰা কাঢ়ি লোৱা ৰাজ্য। নহ'লে তুমি মোৰ লগত তৰোৱাল খেলিব পাৰা।” পুষ্কৰে হাঁহি হাঁহি ক'লে, “জেনেহ'লে এইবাৰ দময়ন্তীকো লাভ কৰিম।” নলৰ খং উঠিছিল। তথাপি, একো নকৰি মাথোন ক'লে, “বাক্যবীৰ হ'ব নেলাগে। আগতে বাৰু কেইবাজিমান খেলিয়েই লোৱাচোন।”

একেবাজিয়েই নলে পুষ্কৰৰ সা-সম্পত্তি ৰাজ্য—সকলোবোৰ জয় কৰি ল'লে। তাৰ পাচত নলে ক'লে, “মূৰ্খ, দময়ন্তীক যে নেপালিয়েই তইহে সপৰিবাৰে দময়ন্তীৰ লগুৱা হৈ পৰিলি। তই চাগৈ নেজান, তই যে আগৰবাৰ মোৰ লগত জিকিছিলি ভাবি থৈছ, সেয়া তই জিকা নাছিলি —জিকিছিল কলি।” অলপ থমকি ৰৈ নলে আকৌ ক'লে, “তই মোৰ নিজৰ ভাই। তোৰ শতদোষ মই ক্ষমা কৰিম। মই তোক মোৰ ৰাজ্যৰ আধাখিনি দান কৰিলোঁ। তই আৰু কেতিয়াও অধৰ্ম নকৰিবি।”

পুষ্কৰে তেতিয়া নল ৰজাৰ ভৰি দুখন সাবটি ধৰি ক'লে, “মহাৰাজ, আপোনাৰ কীৰ্তি অক্ষয় হৈ ৰওক। আপুনি মোক প্ৰাণ আৰু ৰাজ্য দান কৰিলে। আপুনি যেন অযুত বছৰ জীয়াই থাকে।”

## ॥ পাণ্ডৱৰ তীৰ্থ-পৰ্যটন ॥

নল-দময়ন্তীৰ দীঘলীয়া কাহিনীটো কৈ উঠি বৃহদশ্ব মুনিয়ে ক'লে, “যুধিষ্ঠিৰ, নল ৰজায়ো তোমাৰ দৰেই বহু কষ্ট ভোগ কৰিছিল। অৱশেষত, সেই কষ্টৰ পৰা উদ্ধাৰ পাই সমৃদ্ধিও লাভ কৰিছিল। তুমি ভয় নকৰিবা, তুমিও উদ্ধাৰ পাবা। মই গম পাইছোঁ, তুমি মাজে মাজে উচপ্ খাই থাকা—[illegible] আকৌ তোমাক কোনোবাই পাশাখেললৈ মাতি

নিৰ্ক্লেহ। মই বাৰু তোমাৰ সেই ভয় আঁতৰাই দিছোঁ। ময়ো অক্ষহৃদয়ৰ কথা সুন্দৰকৈ জানো। তুমি মোৰ পৰা সেই শিক্ষা গ্ৰহণ কৰা।"

বৃহদশ্বই যুধিষ্ঠিৰক সেই শিক্ষা দান কৰি উঠি পাণ্ডৱসকলৰ পৰা বিদায় গ্ৰহণ কৰিলে।

কিছুদিনৰ পাচতে দেৱৰ্ষি নাৰদ ওলালহি। আহিয়েই তেওঁ যুধিষ্ঠিৰক সুধিলে "হে ধাৰ্মিকশ্ৰেষ্ঠ, তোমাৰ কিবা প্ৰয়োজন হৈছে নেকি, কোৱা।" যুধিষ্ঠিৰে উত্তৰ দিলে, "হে দেৱৰ্ষি, আপুনি প্ৰসন্ন হৈ থকাত আমাৰ একো প্ৰয়োজনেই নাই যেন লাগিছে। তথাপি আপুনি কওকচোন, তীৰ্থ-পৰ্যটন কৰি পৃথিৱীখন প্ৰদক্ষিণ কৰিলে কি ফললাভ হয়।"

নাৰদে তেতিয়া তেওঁক ভালেমান তীৰ্থৰ কথা বিতংকৈ ক'লে। শেষত সামৰণি মাৰি ক'লে, "যিজনে নিয়মীয়াকৈ তীৰ্থ ভ্ৰমণ কৰি ফুৰে, তেওঁ এশটা অশ্বমেধ যজ্ঞ কৰাতকৈয়ো অধিক ফল পায়। এই অঞ্চলৰ বহুতো ঋষিয়ে তোমাৰ লগতে তীৰ্থযাত্ৰা কৰিবলৈ আশা পালি ৰৈ আছে। লোমশ মুনিও আহি ওলাবহি। তুমি এইসকলৰ লগতে তীৰ্থ-পৰ্যটন কৰি আহাঁ।"

নাৰদ যোৱাৰ পাচত পুৰোহিত ধৌম্যয়ে আৰু কিছুমান তীৰ্থক্ষেত্ৰৰ নানা মহিমাৰ কথা যুধিষ্ঠিৰৰ আগত সবিস্তাৰে ক'লে। এনে সময়তে লোমশ মুনি আহি ওলালহি। সিজনাই যুধিষ্ঠিৰক ক'লে, "মই তোমালোকক এটা বৰ ভাল বাতৰি দিওঁ, শুনা। মই এইমাত্ৰ ইন্দ্ৰলোকৰ পৰা আহিছোঁ। অৰ্জুন তাতে আছেগৈ। মহাদেৱৰ পৰা তেওঁ মহা শক্তিশালী পাশুপাত অস্ত্ৰ লাভ কৰিছে। ইন্দ্ৰ, যম আৰু কুবেৰৰ পৰাও আৰু বহুতো দিব্য-অস্ত্ৰ লাভ কৰিছে। দেৱৰাজ ইন্দ্ৰই মোক তোমাৰ আগত এথাৰ কথা ক'বলৈ কৈ পঠাইছে—অৰ্জুনৰ অস্ত্ৰশিক্ষা শেষ হৈছে; মাথোন এটা ডাঙৰ দেৱকাৰ্য কৰিবলৈ বাকী আছে। সেয়া কৰি উঠিয়েই উভতি আহি তোমালোকৰ লগ লাগিবহি। শুনি সুখী হ'বা, কৰ্ণৰ বুকুত যিটো কৱচ গুপ্তভাৱে পৰা লাগি আছে, দেৱৰাজে সেইটো হেনো সময়ত হৰণ কৰিব। সেয়ে হ'লে, তোমালোকৰ শত্ৰু কৰ্ণ অজেয় হৈ থকাৰ ভয় নাই। এতিয়াৰ পৰা কৰ্ণ অৰ্জুনৰ তুলনাত সৰকক বীৰ হৈ থকা নাই।"

তাৰ পাচত লোমশ মুনিয়ে ক'লে, "ইন্দ্ৰৰ অনুৰোধ, মই তোমালোকৰ লগতে তীৰ্থবিলাকলৈ যাব লাগে। গতিকে, সোনকালে ওলোৱা। তোমালোকৰ লগত থাকি মই সকলো অপায়-অমংগলৰ পৰা তোমালোকক ৰক্ষা কৰিম। মাথোন এৱাৰ কথা, যুধিষ্ঠিৰ! তুমি লঘু হৈ লোৱা। লঘু হ'লে, ভ্ৰমণ কৰিবলৈ ছল লাগি পৰে।"

'লঘু হৈ লোৱা' কথাষাৰ যুধিষ্ঠিৰে বাঢ়িয়াকৈ বুজিলে। টাকি-টোপোলা আৰু লগৰীয়া মানুহ-দুনুহ দুয়োটা কমাই লব লাগে! যুধিষ্ঠিৰে সেইবাবে সকলোকে ক'লে, "যিসকলে ভোক-পিয়াহৰ হেঁচা, বাট আৰু বতৰৰ কষ্ট ইত্যাদি সহিব নোৱাৰে, তেওঁলোক যাব নালাগে। যিসকলে জুতি নলগোৱাকৈ ঘিউ-মৌ নহ'লে খাবই নোৱাৰে, তেওঁলোকো যাব নালাগে। যিসকলে ৰাজ-ভক্তি দেখুৱোৱৰ বাবেই মোৰ লগ লৈছে, তেওঁলোক মহাৰাজ ধৃতৰাষ্ট্ৰৰ ৰাজ্যলৈ উভতি যাওকগৈ। তাতো যদি কিবা সংস্থান নেপায়, তেনেহ'লে পাঞ্চাল ৰাজ্যলৈ যাবগৈ। তাত তেওঁলোকক তাৰ মহাৰাজে বসতি দিব। আমি অলপ লঘু হৈ তীৰ্থ-ভ্ৰমণ কৰিব খুজিছোঁ।"

যুধিষ্ঠিৰৰ কথা শুনি তীৰ্থলৈ যাবলৈ ওলোৱা প্ৰায়বোৰ নগৰবাসীয়েই হস্তিনাপুৰলৈ উভতি যাবলৈ থিৰাং কৰিলে। মাথোন কেইগৰাকীমান ব্ৰাহ্মণহে ৰৈ গ'ল। তেওঁলোকক লগত লৈ পাণ্ডৱসকলে আঘোণৰ পূৰ্ণিমা তিথি উকলি যোৱাৰ পাচতে তীৰ্থ-যাত্ৰা আৰম্ভ কৰিলে।

তেওঁলোকে তীৰ্থৰ পাচত তীৰ্থত থমকি যাবলৈ ধৰিলে। প্ৰত্যেকখন তীৰ্থতে দুদিন-এদিন থমকি ৰয় আৰু লোমশ ঋষিয়ে সেই তীৰ্থখনৰ লগত জড়িত বহুশাখা-পল্লৱিত কাহিনীবোৰ কৈ যায়। কোনোবাখন তীৰ্থৰ সৰোবৰত স্নান কৰি হয়তো কোনোবা শাপভ্ৰষ্ট দেৱতাই মুক্তিলাভ কৰিছিল। ক'ৰবাত হয়তো কোনোবা তপস্বীয়ে তপস্যা কৰি অমৰত্ব লাভ কৰিছিল। আৰু ক'ৰবাত হয়তোবা কোনোবা উগ্ৰ তপস্বীয়ে গৃহস্থাশ্ৰমলৈ উভতি আহি দেশৰ অনাবৃষ্টি দূৰ কৰিছিল। সেইবোৰ তীৰ্থৰ লগত জড়িত মানুহ আৰু দেৱতাৰ অসংখ্য মহিমাৰ কথা শুনি শুনি পাণ্ডৱসকলৰ—বিশেষকৈ যুধিষ্ঠিৰৰ ধৰ্মীয় চেতনা আৰু জীৱনবোধ

আৰু বেচি পৰিপুষ্ট হৈ উঠিছিল। নৈমিষাৰণ্য, প্ৰয়াগ, ভৃগুতীৰ্থ, মহেন্দ্ৰ পৰ্বত, অগস্ত্য তীৰ্থ, সুপাৰক তীৰ্থ ইত্যাদি পাৰ হৈ তেওঁলোক বিখ্যাত প্ৰভাস তীৰ্থত থমকি ৰৈছিলগৈ। তাতে তেওঁলোকক যদুবংশৰ মিত্ৰৰ কুটুমবোৰে দেখা কৰি গ'লহি।

তেওঁলোক সকলোৱেই পাণ্ডৱসকল আৰু দ্ৰৌপদীৰ দুখ দেখি অতি মৰ্মাহত হৈ উঠিছিল। বলৰামে তেওঁলোকৰ মনোকষ্ট প্ৰকাশ কৰি নিজকে নিজেই কোৱাৰ দৰে ক'লে, "ধৰ্ম কৰিলেই মংগল নহয়; অধৰ্ম কৰিলেই অমংগল নহয়। যুধিষ্ঠিৰৰ নিচিনা ধৰ্মাত্মাই জটা বান্ধি, কৌপীন পিন্ধি অশেষ কষ্ট ভুগিছে! আৰু দুৰ্যোধনৰ নিচিনা মহাপাপীয়ে পৃথিৱী শাসন কৰিছে! কোনে ক'ব, অধৰ্মতকৈ ধৰ্ম শ্ৰেষ্ঠতৰ বুলি? ধিক্ এই ভীষ্ম, দ্ৰোণ, কৃপ আৰু ধৃতৰাষ্ট্ৰৰ দৰে যতমানে জ্ঞানবৃদ্ধৰ দল! পাণ্ডৱবিলাকক বনলৈ পঠিয়াই তেওঁলোকৰ দৰে মানুহবোৰে বাৰু কি সুখত জীয়াই থাকিব পাৰিছে? ধৰ্মপুত্ৰ যুধিষ্ঠিৰৰ নিৰ্বাসন আৰু দুৰ্যোধনৰ সুখ-সমৃদ্ধি দেখিও বাৰু পৃথিৱী বিদীৰ্ণ নোহোৱাকৈ আছে কেনেকৈ?"

সাত্যকিয়ে তাকে শুনি থমকুৱাকৈ ক'লে, "এতিয়া বিলাপ কৰাৰ সময় নহয়। যুধিষ্ঠিৰে কিবা কৰক-নকৰক, আমি আমাৰ কৰিবলগীয়াখিনি কৰি যাব লাগে। ইচ্ছা কৰিলে আমি তিনিও জগত জয় কৰি ল'ব পাৰোঁ। তেনেস্থলত আমি কিহলৈ বাট চাব লাগে? যদুবংশৰ সকলো বীৰে আজিয়েই যুদ্ধ-যাত্ৰা কৰি দুৰ্যোধনক যমালয়লৈ পঠোৱাৰ ব্যৱস্থা ল'ব লাগে। ধৰ্মৰাজ যুধিষ্ঠিৰে তেখেতৰ প্ৰতিজ্ঞা পালন কৰি বনতেই থাকক; বনবাসৰ কাল শেষ নোহোৱালৈকে অভিমন্যুৱে ৰাজ্য চলাওক। আপোনাসকলে কি কয়?"

কৃষ্ণই তেতিয়া মাত দিলে, "সাত্যকি, আমি তোমাৰ মতটোকে মানি ল'লোহেঁতেন। কিন্তু কথা হ'ল, যুধিষ্ঠিৰে নিজৰ বাহুবলেৰে জয় কৰি নোলোৱা ৰাজ্যৰ গৰাকী হ'বলৈ নিবিচাৰে। অকল যুধিষ্ঠিৰেই নহয়, বাকী চাৰিজন ভায়েক আৰু দ্ৰৌপদী—কোনোজনেই স্বধৰ্ম ত্যাগ নকৰে বুলিয়েই মই জানো।"

যুধিষ্ঠিৰে সঁহাৰি জনাই ক'লে, "নিশ্চয়। ৰাজ্য নহয়, সত্যহে ৰক্ষণীয়। কেৱল কৃষ্ণইহে মোক ভালকৈ জানে। তেওঁকো মই সুন্দৰকৈ জানো। গতিকে, কৃষ্ণই যেতিয়া জনাব, শক্তিপ্ৰদৰ্শনৰ সময় হ'লছি, তেতিয়া তোমালোকে দুৰ্যোধনক জয় কৰিবা। তেতিয়ালৈকে সকলো উদ্ভণ্ডালি সহি থাকা।"

যুধিষ্ঠিৰক তেওঁৰ তীৰ্থ-যাত্ৰাৰ ইচ্ছা পূৰণ কৰাত ব্যাঘাত নঘটোৱাকৈ যাদৱসকল দ্বাৰকালৈ উভতি গ'ল। পাণ্ডৱসকল তাৰ পাচত আৰু এলানি তীৰ্থৰ অভিমুখে গৈ থাকিল। লোমশ মুনিয়েও আৰু এলানি পুৰাণকথাৰ পোহাৰ মেলিলে। যুধিষ্ঠিৰেও ধৰ্মকথাৰ সংগ্ৰহেৰে তেওঁৰ জ্ঞানৰ ভঁৰাল চহকী কৰি নিবলৈ ধৰিলে। অৱশেষত, তেওঁলোক গন্ধমাদন পৰ্বত পালেগৈ।

এনেতে ধুমুহা-বৰষুণ আহিল। সকলোৱে ভয়ত অস্থিৰ হৈ হাতৰ ওচৰত যিহকে পালে তাকে খামুচি ধৰি থমকি ৰ'ল। ভীমে এহাতেৰে দ্ৰৌপদীক সাৱটি ধৰি আনখন হাতেৰে এজোপা গছ খামুচি ধুমুহাজাক পাৰ হৈ যাবলৈ দিলে। চাৰিওপিনে বৰফৰ চামনিৰে ভৰি পৰিল। ধুমুহা-বৰষুণ শাম কাটিলত তেওঁলোক আকৌ খুপি খুপি আগুৱাই যাবলৈ ধৰিলে। এক ক্ৰোশমান বাট যোৱাৰ পাচতে দ্ৰৌপদী ঢলি পৰিল। লগে লগে নকুলে চিঞৰ মাৰি সকলোকে দ্ৰৌপদীৰ ওচৰলৈ মাতিলে। যুধিষ্ঠিৰে দ্ৰৌপদীৰ মূৰটো নিজৰ কোলাত লৈ বিলাপ কৰিবলৈ ধৰিলে, "মই পাপী, মোৰ পাপৰ ফলতেই দ্ৰৌপদীৰ ইমান কষ্ট হ'বলৈ পাইছে। ৰজা দ্ৰুপদে ভাবিছিল, নিজনৰ কন্যাৰত্ন পাণ্ডৱসকলে অতি আদৰকৈ ৰাখিব। কিন্তু কি হ'ব, মোৰ দূৰে জুৱাৰীৰ হাতত পৰি তেওঁৰ আজি এই দশা হ'ল!" ধৌম্য আৰু লগৰীয়া ঋষিকেইজনে শান্তি-মন্ত্ৰ জপ কৰিবলৈ ধৰিলে। পাণ্ডৱসকলে পহুছাল এখন পাৰি তাৰ ওপৰত দ্ৰৌপদীক শুৱাই দিলে। নকুল আৰু সহদেৱে তেওঁৰ ভৰি দুখন পিটিকি দিবলৈ ধৰিলে, যাতে তেওঁৰ গা'টো উমাল হৈ উঠে। অৱশেষত, দ্ৰৌপদী সুস্থ হৈ উঠিল।

ভীমে তেতিয়া তেওঁৰ পুত্ৰ ঘটোৎকচক সুঁৱৰিলে। লগে লগে

ঘটোৎকচ ওলালহি। তেওঁ সুধিলে, "পিতা, আপুনি মোক কিয় মাতিছিল, আদেশ কৰক।" ভীমে ক'লে, "বোপা, তোমাৰ আয়েৰাৰ ভাগৰ লাগিছে। তুমি তেওঁক কান্ধত তুলি আমাৰ ওচৰে ওচৰে আকাশৰ বাটেদি লৈ বলা। লাহে লাহে যাবা।"

লগে লগে ঘটোৎকচে দ্ৰৌপদীক আলফুলকৈ নিজৰ কান্ধত তুলি ল'লে। তাৰ মাজতে ঘটোৎকচৰ লগৰীয়া ৰাক্ষস-ডেকা কেইজনমানো ওলালহি। সিহঁতে প্ৰত্যেকজন পাণ্ডৱৰ ওচৰ চাপি ক'লে, "পিতা, আপুনি মোৰ কান্ধত উঠক।" এইবুলি কৈ সিহঁতে উত্তৰালৈ বাট নেচাই পাইপতি একোজনক কান্ধত তুলি ল'লেই। মাথোন লোমশ মুনিয়েহে যোগৰ বলত মাটিত খোজ নেপেলোৱাকৈ নিজৰ ধৰণেৰে আগুৱাই যাবলৈ ধৰিলে। এইদৰে তেওঁলোক বহুদূৰ বাট পাৰ হৈ ভাগীৰথীৰ পাৰৰ এজোপা বিয়াগোম বগৰী গছৰ তলত এটুকুৰা অতি মনোৰম ঠাইত ৰ'লগৈ। তেওঁলোকে গম পালে, সেয়ে বিখ্যাত বদৰিকাশ্ৰম। পাণ্ডৱসকলে তাতে উপৰি-পুৰুষসকলৰ নামত পিণ্ড দান কৰিলে।

## । ভীম-হনুমানৰ মিলন ।

পাণ্ডৱসকলে বদৰিকাশ্ৰমতে ছ'ৰাতি কটালে। তেওঁলোকে আশা কৰিছিল, তাতে তেওঁলোকক অৰ্জুনে উভতি আহি লগ ধৰিবহি। কিন্তু, অৰ্জুন উভতি অহাৰ সময় হোৱা নাছিল। এদিন বতাহে উৰাই অনা এপাহ অতি ধুনীয়া সোণবৰণীয়া পদুম ফুল দ্ৰৌপদীৰ সমুখতে পৰিলহি। দ্ৰৌপদীয়ে সেই পদুম ফুল পাহ বুটলি আনি ভীমক দেখুৱাই ক'লে, "চোৱাচোন, এই পদুম ফুলপাহ! এইপাহ মই ধৰ্মৰাজক দিম। ইয়াৰ বাবেই চাবা নে গোন্ধেই ল'বা। ইমান ধুনীয়া আৰু ইমান সুগন্ধ ফুল মই ক'তোৱেই দেখা নাই। মোক যদি তুমি সঁচাকৈয়ে মৰম কৰা, তেনেহ'লে মোক এনকুৱা ফুল আৰু কেইপাহমান আনি দিব লাগিব। দিবালে বাৰু, মই কাম্যক বনলৈ লৈ যাম?"

দ্ৰৌপদীৰ কথা শুনি ভীম সেই পদুম ফুলৰ সৰোবৰ বিচাৰি ওলাই

গ'ল। ভীমৰ চকুত পৰিল, কেউফালে মাথোন হৰিণাৰ জাক চৰি ফুৰিছে। ভীমক দেখি সিহঁতৰ কিছুমানে মুখত কেঁচা ঘাঁহৰ মুঠি লৈ অবাক হৈ চাবলৈ ধৰিলে। যক্ষ আৰু গন্ধৰ্ব ৰমণীবোৰেও ভীমৰ গা'ৰ পৰি পৰা সোণৰ লেখীয়া বৰণ আৰু আটিল বাহ্মোনটোলৈ চকু তুলি নোচোৱাকৈ নোৱাৰিলে। বনৰীয়া গাহৰি, বনৰীয়া ম'হ, সিংহ, বাঘ আৰু শিয়ালৰ জাকে ভীমৰ গজেন্দ্ৰগমন দেখি ভয়তে পলাবলৈ ধৰিলে। কিছুদূৰ যোৱাৰ পাচত ভীমৰ চকুত পৰিল নানা তৰহৰ কলগছেৰে উপচি থকা এখন কলনি-বাৰী। ভীমে সেই বাৰীখনত সোমাই কেইবাজোপাও কলগছ এনেয়ে উঘালি পেলাবলৈ ধৰিলে। লগে লগে গছত পৰি থকা চৰাইবোৰ জাকে জাকে উৰা মাৰিবলৈ ল'লে। ভীমে সেই চৰাইবোৰৰ পিচ লৈ লৈ এটা বিশাল সৰোবৰত ওলালগৈ। সৰোবৰটো পায়েই তেওঁ তাত নামি গা ধুবলৈ ল'লে। যেনিবা মানুহ নহয়—কোনোবা দ'তাল হাতীয়েহে পানী ঘেদালিছে! তাৰ পাচত, পানীৰ পৰা উঠি আহি ভীমে তেওঁৰ শংখটো বজাবলৈ আৰম্ভ কৰিলে। শংখৰ মাত শুনি শুই থকা সিংহবোৰে সাৰ পাই গৰ্জিবলৈ ধৰিলে। সিংহৰ গোজৰণি শুনি জাক জাক হাতীয়েও চিঞৰিবলৈ ধৰিলে।

বায়ুৰ বৰপুত্ৰ হনুমান ওচৰতে আছিল। ভায়েক ভীমসেনে ক'ৰ নোৱৰাকৈয়ে স্বৰ্গৰ দুৱাৰমুখ পাই সেইদৰে খলকনি লগোৱা শুনি হনুমান চিন্তিত হৈ পৰিল। কাৰণ, স্বৰ্গৰ দুৱাৰমুখত সেইদৰে হুলস্থূল লগোৱা নিষেধ। হনুমানে খিৰাং কৰিলে, বাটটো আগচি ধৰিব লাগিব। বাটটো তেনেই ঠেক—কোনোমতে এজন মানুহ দুয়োফালৰ গছ-বন ঠেলি আগুৱাব পাৰে। হনুমান বাটতে শুই পৰিল। তাৰ পাচত, নেজডাল জোকাৰি জোকাৰি হামিয়াবলৈ ধৰিলে। হনুমানৰ হামিৰ শব্দ পৰ্বতৰ গাত ঠেকা খাই ৰজনজনাই উঠিল। ভীমে পোনতে সেই শব্দ শুনি উচপ খাই উঠিছিল। ওচৰ চাপি আহি দেখিলে, এটা মস্ত শিলৰ ওপৰত হনুমান শুই আছে। ভীমে হনুমানৰ ওচৰ চাপি সিংহনাদ কৰি তেওঁক বাট এৰি দিবলৈ ক'লে। হনুমানে ভীমৰ মুখৰ পৰা ভাবিলৈকে চাই উঠি এবাৰ হাঁহিলে আৰু ক'লে, "হেৰা, মোৰ গা নৰিয়া।

শুইছিলোঁ। তুমি আহি মোৰ টোপনিটো ভাঙিলাহি কিয় ? মই বান্দ মানুহ হোৱাৰ দুৰোৰদলিৰ প্ৰাণী, ধৰ্ম-অধৰ্মৰ কথা একো নেজানো। তুমি তো মানুহ হৈ জানিব লাগে যে, সকলো প্ৰাণীকেই দয়া কৰা উচিত। তুমি নো কোন ? ক'লৈ যাবলৈ আহিছা ? এইটো বাট দেৱলোকলৈ গৈছে। মানুহ তালৈ যাব নোৱাৰে।"

ভীমে নিজৰ চিনাকি দি উঠি সুধিলে, "তুমি নো কোন ?" হনুমানে উত্তৰ দিলে, "মই বান্দৰ। পিচে, তোমাক মই বাট এৰি নিদিওঁ। এই বাটেদি গ'লেই তোমাৰ মৃত্যু ঘটিব। গতিকে, ফল-মূল দুটামান খাই উভতি যোৱাগৈ।"

ভীমে তেতিয়া ক'লে, "মৃত্যুৱেই ঘটক বা অন্য কিবাই ঘটক, মই যাম বুলিছোঁ যেতিয়া যামেই। তুমি মোক বাট এৰি দিয়া। নহ'লে, কথা বিষম হ'বগৈ।" হনুমানে তেনেই নিশকতীয়াৰ ভাও ধৰি ক'লে, "উঁ-হো, মোৰ গা নৰিয়া। লৰচৰ কৰিবলৈ শক্তিয়েই নাই। সঁচাসঁচিকৈয়ে যদি যাবই খুজিছা, মোক ডেই গুচি যোৱা।" ভীমে তেতিয়া ক'লে, "নিগুণ পৰমাত্মা সকলো দেহতে বিয়পি আছে। তেওঁক নেওচি মই তোমাক ডেই যাব নোৱাৰোঁ। নহ'লে নো কি কথা আছিল, তোমাকহে নেলাগে এই পৰ্বতটোকে ডেই যাব পাৰিলোঁহেঁতেন—তাহানি হনুমানে সাগৰখন ডেই যোৱাৰ দৰে।"

হনুমানে সুধিলে, "তুমি যে হনুমানৰ কথাটো উলিয়ালা, তেওঁ নো কোন ?" ভীমে উত্তৰ দিলে, "তেওঁ মোৰ ককাই। মহা গুণবান আৰু প্ৰতাপী। ৰামায়ণ-পুথিৰ বিখ্যাত মহাবীৰ। তেওঁ একেজাঁপেই সাগৰখন ডেই গৈছিল। ময়ো তেওঁৰে লেখীয়া বীৰ। ইচ্ছা কৰিলে তোমাক এসেকা দিব পাৰোঁ। ভালে ভালে তুমি মোক বাটটো এৰি দিয়া। তাকে নকৰিলে তুমি যমৰ ঘৰৰ আলহী হ'বাগৈ।" হনুমানে ক'লে, "কি কৰিবা, বুঢ়া হ'লোঁ। উঠিবকে নোৱৰা হৈ পৰিলোঁ। তুমি নহ'লে দয়া কৰি মোৰ নেজডাল আঁতৰাই কাষেদিয়েই গুচি যোৱাগৈ।"

ভীমে ভাবিলে, বান্দৰটোক নেজত ধৰি দুপাকমান ঘূৰাই বং চাব লাগিব। কিন্তু, নেজডাল দুয়োহাতেৰে খামুচি ধৰিও জাঁতিব

নোৱাৰিলে। গোটেই গা ঘামি ঘামেৰে জোল বৈ গ'ল, কিন্তু নেজডাল অকণো লৰচৰ কৰিব নোৱাৰিলে। তেতিয়াহে ভীমে হাতযোৰকৈ ক'বলৈ ধৰিলে, "হে কপিশ্ৰেষ্ঠ, আপুনি মোক ক্ষমা কৰক। আপোনাক নক'বলগীয়া কথা কৈ দায় লগালোঁ—তাতে আপুনি দায় নধৰিব। মই আপোনাত শৰণ লৈ সুধিছোঁ—আপুনি কোন? কোনোবা দেৱতা নে গন্ধৰ্ব, নে কোনোবা সিদ্ধ পুৰুষ?"

হনুমানে তেতিয়া নিজৰ চিনাকি দি ক'লে, "মই হনুমান। ৰাজ্য-লাভৰ পাচত ৰামে মোক বৰ দিছিল, যেতিয়ালৈকে তেওঁৰ কথা জগতত প্ৰচলিত হৈ থাকিব, তেতিয়ালৈকে মই অমৰ হৈ থাকিম। সীতাই বৰ দিছিল, মই যেতিয়াই যি ভোগ্যবস্তু বিচাৰোঁ, তেতিয়াই সি মোৰ ওচৰত ওলাবহি। শুনা কুৰুনন্দন, মই যে তোমাৰ বাটটো আগচি ধৰিলোঁ, তাৰ কাৰণ হ'ল মানুহৰ বাবে সেই বাট বন্ধ। সেইটো বাটেদি মাথোন দেৱতাসকলহে অহা-যোৱা কৰিব পাৰে। তুমি যি পদুম ফুল বিচাৰি আহিছা, সেয়া ওপচ থাই থকা সৰোবৰটো সৌখিনিতে আছে। তাৰ পৰাই ছিঙি নিয়াগৈ।"

ভীম আনন্দতে নাচি উঠিল। ক'লে, "মোতকৈ ভাগ্যবান আৰু কোন আছে! আজি আপোনাৰ দৰ্শন লাভ কৰিলোঁ! হে মহাবীৰ, মই বহুদিন ধৰি মনৰ ভিতৰতে ইচ্ছা এটা পুহি ৰাখিছোঁ, এদিন আপোনাৰ সাগৰ পাৰ হৈ যোৱা সময়ৰ ৰূপটো চাই কৃতাৰ্থ মানিম। যদি সেই ৰূপটো মোক এবাৰ চাই লবলৈ দিলেহেঁতেন!" ভীমৰ সেই আশাটো পূৰণ কৰি হনুমানে চাই থাকোঁতেই এক বিশাল ৰূপ ধাৰণ কৰিলে। হনুমানৰ সেই আকাশ-পৰশা ৰূপটো দেখি ভীম কঁপিবলৈ ধৰিলে। ভীমে হাতযোৰকৈ ক'লে, "প্ৰভু, আপোনাৰ সেই বিশাল ৰূপ দেখিলোঁ। এতিয়া সেই ৰূপ সংবৰণ কৰক। মই থিৰ হৈ থাকিব নোৱৰা হৈছোঁ।" হনুমানে তেতিয়া ক'লে, "ভাইটি, মই তোমাক গোটেই ৰূপটো দেখুওৱাই নাই। তোমাৰ চকুৱে চাবকেই নোপাৰবলৈ—সেইবাবেই। সেইটো আকাৰ লৈহে মই লংকাৰ ওপৰত জঁপিয়াই পৰিছিলোঁ।" তাৰ পাচত, হনুমানে ভীমক আকোঁৱালিয়াই লৈ থাকোঁতে, কোন ফালে যে পালে

ফুল থকা সৰোবৰটো আছে। লগতে সকীয়াই দিলে, "সেইফালেদি গ'লেই কুবেৰৰ ফুলনিখন দেখিবলৈ পাবা। তুমি কিন্তু বল প্ৰয়োগ কৰি ফুল নিছিঙিবা।"

হনুমানে যেতিয়া তেওঁৰ গা'টো কোচ খুৱাই আগৰ দৰে চিনা কৰি পেলালে। তেতিয়াহে ভীমেও তেওঁৰ স্বাভাৱিক প্ৰকৃতিটো ঘূৰাই পালে। তাৰ পাচত, হনুমানে ভীমক অতি মৰমেৰে সাৱটি ধৰিলে। লগে লগে ভীমে অনুভৱ কৰিলে, তেওঁৰ গা'টো যেন ফৰকাল আৰু সঁজাল হৈ পৰিছে। তেনেকুৱাতে হনুমানে ভীমক সুধিলে, "ভাইটি, তুমি মোক ক'লেই হ'ল। ধৃতৰাষ্ট্ৰৰ সেই অধইচ পুতেককেইটাক পিহি বন্দাৰ কৰি থৈ আহিম, হস্তিনাপুৰ গোটেইখন ভাঙি তহিলং কৰি থৈ আহিম।" ভীমে তেতিয়া উত্তৰ দিলে, "হে মহাবাহু, আপোনাৰ আশীৰ্বাদত আমি নিজেই সিহঁতক এশিকনি দিব পাৰিম।" হনুমানে ভীমৰ উত্তৰ শুনি ক'লে, "বাৰু তেনেহ'লে আন এটা কাম কৰিম। তুমি যেতিয়া যুদ্ধত সিংহনাদ কৰিবা, তেতিয়া মযো তাৰ লগতে হুংকাৰ কৰি উঠিম। মই অৰ্জুনৰ ধ্বজাৰ ওপৰত বহি লৈ হুংকাৰ কৰিম। সেয়ে হ'লে, তোমালোকে অনায়াসে শত্ৰু সংহাৰ কৰিব পাৰিবা।" এইবুলি কৈয়েই হনুমান তাৰ পৰা অদৃশ্য হৈ পৰি গ'ল।

ভীমে তেতিয়া সোণবৰণীয়া পদুম বিচাৰি হনুমানে আঙুলিয়াই দেখুওৱা বাটটোৰে বাবলৈ ধৰিলে। আবেলি সময়ত তেওঁৰ চকুত পৰিল, এখন অতি ধুনীয়া ফুলনি, তাৰ মাজত এটা আটকধুনীয়া সৰোবৰ, আৰু সেই সৰোবৰত অসংখ্য সোণবৰণীয়া পদুম ফুল। ভীম সেই পিনলৈ আগবাঢ়িল। এনেতে তেওঁক ফুলনি খনৰ পহৰীয়া-ৰাক্ষস কিছুমানে বাট ভেটি ধৰিলেহি। ৰাক্ষসবোৰে সুধিলে, "তুমি আকৌ কোন? পিন্ধিছা ঋষি-মুনিৰ দেখীয়াকৈ পহুছাল আৰু ক'কালত বান্ধি লৈছা খোলা তৰোৱাল!"

ভীমে নিজৰ চিনাকিটো দি, কিয় আহিছে—তাকো ক'লে। পহৰীয়া-ৰাক্ষসবোৰে ক'লে, "এইখন কুবেৰৰ ফুলনি। সৌ পানীডৰাত তেওঁ মাজে মাজে লগৰীয়াবোৰ লৈ সাঁতুৰি গা ধুই ওপলেহি। মানুহ এইখন

ফুলনিত সোমাব নোৱাৰে। সোমালে, সি নাশ পাব। যক্ষৰাজৰ অনুমতি লৈহে সোমাব পাৰে। তুমি ধৰ্মৰাজৰ ভায়েক হৈ অনাচাৰী কাম কৰিবলৈ নাহিবা।" ভীমে উত্তৰ দিলে, "জানিবা অনুমতি লওঁৱেই, যক্ষৰাজ কুবেৰক দেখোন দেখা পাবলৈয়ে নাই। আৰু শুনা, মই হ'লোঁ ক্ষত্ৰিয়। ক্ষত্ৰিয়ই কোনো কথাতে কাৰো ক'তো অনুমতি নলয়। অকল সেয়ে নহয়, এই সৰোবৰটো যিখন নৈৰ পানী বোৱাই আনি গঢ়ি লৈছে, সেই নৈখন পৰ্বতৰ পৰা ওলাই আহিছে—কুবেৰৰ কাৰেঙৰ পৰা ওলোৱা নাই। গতিকে, এই পানীভৰাত সকলোৰে সমান অধিকাৰ।" এইবুলি কৈয়েই ভীম ফুলনিখনত থকা সৰোবৰটোৰ পানী-যুঁৱলিত নামিলগৈ।

লগে লগে চাৰিওপিনৰ পৰা শ শ পহৰীয়া-ৰাক্ষস ঢপলিয়াই আহিল। ভীমৰ লগত যুঁজ কৰি তাৰে ভাগেমান মৰিল। বাকীবোৰ পলালে। ভীমে তেতিয়া নিশ্চিন্তমনে হে'পাহ পলুৱাই সোণবৰণীয়া পদুম ছিঙিবলৈ ধৰিলে। পহৰীয়া-ৰাক্ষসবোৰে যেতিয়া কুবেৰৰ আগত কথাষাৰ ক'লেগৈ, কুবেৰে তেতিয়া মিচিকিয়াই হাঁহি ক'লে, "মই গম পাইছোঁ। ভীমে সেয়া কৃষ্ণাৰ খোপাত পিন্ধাবলৈ নিছেহি। হে'পাহ পলুৱাই নিবলৈ দিয়া।"

ভীমে উলটি যোৱাত পলম কৰা দেখি যুধিষ্ঠিৰহ'ত আগুৱাই আহিল। ঘটোৎকচৰ লগৰীয়া ৰাক্ষসবোৰে আটাইবোৰকে আকাশেদি উৰুৱাই আনিছিল। যুধিষ্ঠিৰে ইমানবোৰ ৰাক্ষসৰ মৰা শ দেখি ভীমক ক'লে, "তুমি এইখন কি কৰিলা? পদুমনিখনো দেখোন তেনেই লণ্ডভণ্ড কৰিলা! দেৱতাসকলে অসন্তোষ নকৰিব জানো?" যুধিষ্ঠিৰক দেখা পাই বাকীবোৰ পহৰীয়া-ৰাক্ষস ওচৰ চাপি আহিল। সকলোৱে ধৰ্মৰাজৰ আগত আঁঠু ল'লেহি।

যুধিষ্ঠিৰে মনে মনে চিন্তা কৰিলে, তেওঁলোক কুবেৰৰ কাৰেঙৰ পিনে যাব! এনেতে আকাশ-বাণী হ'ল, "সেইপিনলৈ নেযাব, ধৰ্মৰাজ! ইয়াৰ পৰা কোনো মানুহেই উজাই যাব নোৱাৰে। কুবেৰৰ কাৰেং চাবলৈ মন কৰিছে যদি বদৰিকাশ্ৰমলৈ উভতি যাওকগৈ। তাৰ ওচৰতে থকা আষ্টিষেণৰ আশ্ৰমলৈ গৈ ওপৰলৈ চাই পঠিয়াব। তাৰ পৰাই কুবেৰৰ কাৰেং ফটফটীয়াকৈ দেখা পাব।"

যুধিষ্ঠিৰহঁত সকলোৱেই গন্ধমাদন পৰ্বতৰ পৰা লাহে লাহে নামি-আহিবলৈ ধৰিলে।

## । অৰ্জুনৰ প্ৰত্যাৱৰ্তন ।

বদৰিকাশ্ৰমত এনেদৰে কটোৱাৰ পাচতে এদিন পাণ্ডৱসকলে দেখিবলৈ পালে, আকাশ পোহৰাই ইন্দ্ৰৰ ৰথখন তেওঁলোকৰ অভিমুখেই আহি আছে। ৰথখনৰ ভিতৰত বহি আহিছে অৰ্জুন। আৰু সেই ৰথখন চলাই আনিছে মাতলিয়ে। তেওঁলোকৰ আনন্দই হিয়া নধৰা হ'ল।

অৰ্জুনে পুৰোহিত ধৌম্য, যুধিষ্ঠিৰ আৰু ভীমক প্ৰণাম কৰি উঠি নকুল আৰু সহদেৱক স্নেহ-সম্ভাষণ জনালে। দ্ৰৌপদীকো বিভিন্ন মণি-মুক্তা উপহাৰ দিলে। সেইদিনা ৰাতি অৰ্জুনে সকলোকে স্বৰ্গত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ কথা চমুকৈ ক'লে।

পাচদিনা ৰাতিপুৱা ইন্দ্ৰ নিজেও আহিল। তেওঁ যুধিষ্ঠিৰক ক'লে, "অৰ্জুনে সকলো ধৰণৰ অস্ত্ৰ লাভ কৰিছে। এতিয়া তেওঁক জয় কৰিব পৰা কোনোৱেই এই ত্ৰিভুবনত নাই। তুমি পৃথিৱী শাসন কৰিবা, ভয় কৰিব নালাগে। এতিয়া তোমালোক কাম্যক বনলৈ উভতি যোৱাগৈ।" ইয়াকে কৈ ইন্দ্ৰ আকৌ নিজৰ ৰথত উঠি গুচি গ'ল।

ইন্দ্ৰ যোৱাৰ পাচত অৰ্জুনে সেই কেইবছৰ অমৰাৱতীত কি কৰি কটালে, সেই সকলোবোৰ কথা পুংখানুপুংখকৈ বৰ্ণনা কৰিলে। দেৱৰাজ ইন্দ্ৰই হেনো সকলোবোৰ অস্ত্ৰ-প্ৰয়োগৰ শিক্ষা দান কৰি উঠি শেষলৈহে গুৰু-দক্ষিণা বিচাৰিছিল। অৰ্জুনে সেই গুৰু-দক্ষিণা কেনেকৈ দিব সুধিলত দেৱৰাজে হেনো তেওঁক সাগৰৰ মাজত বাস কৰা নিবাতকবচ নামৰ এজন দুৰ্দান্ত দানৱক বধ কৰি থৈ আহিবলৈ পঠিয়ালে। নিবাতকবচ লগত তুমুল যুদ্ধ কৰি সম্পূৰ্ণৰূপে নিধন কৰাৰ পাচত অৰ্জুন অমৰাৱতীলৈ উভতি আহিছিল। বাটতে তেওঁ হিৰণ্যপুৰ নামৰ এখন অদ্ভুত নগৰ দেখা পালে। সেই নগৰখন হেনো কেতিয়াবা আকাশত,

কেতিয়াবা মাটিত, আৰু কেতিয়াবা পানীত ওপঙি থাকে। অৰ্জুনে গম পালে, সেই নগৰৰ অধিবাসীবোৰ দেৱৰাজ ইন্দ্ৰৰ প্ৰবল শত্ৰু। সিবিলাকৰ লগতো অৰ্জুনৰ তুমুল যুদ্ধ হ'ল। অৱশেষত, অৰ্জুনে মহাদেৱক নমস্কাৰ কৰি উঠি তেওঁৰ গাণ্ডীৱ ধনুত পাশুপাত অস্ত্ৰ সংযোজন কৰি বিৰাট অগ্নিকাণ্ডৰ সৃষ্টি কৰিলে।

অৰ্জুনে তেওঁৰ সকলো কথাৰ মোখনি মাৰি ক'লে, "দেৱৰাজে মোৰ সফল অভিযানৰ কথা শুনি পৰম সন্তোষ প্ৰকাশ কৰিলে। তাতকৈয়ো অধিক আনন্দৰ কথা হ'ল, দেৱৰাজৰ ধাৰণাত এতিয়া আনকি ভীষ্ম, দ্ৰোণ, কৰ্ণ, শকুনি আৰু সিহঁতৰ কৰতলীয়া ৰজাবিলাক মিলিও মোৰ ষোল ভাগৰ এভাগহে হ'বগৈ! তাৰ পাচত, দেৱৰাজে মোক এই অভেদ্য দিব্য-কবচ, হিৰণ্ময়ী মালা, দেৱদত্ত নামৰ এই মহাশব্দকাৰী শংখ, এই দিব্য-মুকুটটো আৰু এইবোৰ অজস্ৰ দিব্য-বস্ত্ৰ দান কৰিলে।"

তাৰ পাচদিনা যুধিষ্ঠিৰে অৰ্জুনৰ সেই দিব্য-অস্ত্ৰসমূহৰ প্ৰয়োগ-কৌশল চাবলৈ মন কৰিলে। অৰ্জুনেও সিহঁতৰ প্ৰয়োগকৌশল আখৰা কৰি দেখুৱাবৰ যো-জা কৰিলে। এনেতে দেৱৰ্ষি নাৰদ আহি ওলালহি। নাৰদে ক'লে, "অৰ্জুন, তুমি এই দিব্য-অস্ত্ৰবোৰ এনেয়ে প্ৰয়োগ নকৰিবা। সেইবোৰ কৰিলে, মহাদোষে চোৱে। আৰু শুনা, যুধিষ্ঠিৰ! মহাযুদ্ধত যেতিয়া অৰ্জুনে সিবোৰ সঁচাসঁচিকৈয়ে প্ৰয়োগ কৰিব, তেতিয়ালৈকে ধৈৰ্য ধৰা। আখৰা চাব নেলাগে, ঘাই বুৰ্পটোকে চাবা।"

## ॥ অজগৰ-যুধিষ্ঠিৰৰ প্ৰশ্নোত্তৰ ॥

এদিন বাকী চাৰিওজন পাণ্ডৱে যুধিষ্ঠিৰক ক'লে, "মহাৰাজ, আপোনাৰ প্ৰতিজ্ঞা ৰক্ষাৰ কাৰণেহে আমি সকলো কষ্ট বৰণ কৰি লৈছোঁ, দুৰ্যোধনৰ ওপৰত শোধ ল'বলৈ যোৱা নাই। নহ'লে, কোন-কাহানিবাই সেই দুৰাচাৰ যমৰ আলহী হ'লহেঁতেন। এপাৰ বছৰ এইদৰে হাবিয়ে-বননিয়ে অনাই-বনাই কটাই দিলোঁ। এইটো বছৰো যেনে তেনে পাৰ হৈ যাব। আৰু

পাচত, এটা বছৰ ক'ৰবাত কটাই দিবগৈ ; কোনেও নেজানিব, আমি ক'ত আছোঁ। কিন্তু, মাজৰ এইটো বছৰ এনেয়ে কটালে নহ'ব। সময়ত শত্ৰুৰ মুখামুখি হ'বলৈ সাজু হ'ব লাগিব।" ইয়াৰ পাচত তেওঁলোকে ক'লে যে, তীৰ্থ কৰি ফুৰাৰ আনন্দ বাদ দিবৰ সময় হ'লহি।

যুধিষ্ঠিৰেও তেওঁলোকৰ কথাতে হয়ভৰ দিলে। গতিকে, কেইদিন-মানৰ পাচতে ঘটোৎকচ আৰু তেওঁৰ অনুচৰীয়াবিলাকে পাণ্ডৱসকলক নামনিলৈ কাঢ়িয়াই আনিবলৈ ধৰিলে। ইতিমধ্যে, লোমশ মুনি দেৱলোকলৈ উভতি গ'ল। তাৰ পাচত, সমতলভূমি পোৱাৰ লগে লগে তেওঁলোকে ঘটোৎকচহ'তক বিদায় দি যমুনা নদী য'ৰ পৰা ওলাইছে সেই বিশাখযুপ নামৰ ঠাইডোখৰত থমকিলহি। সেইখন ঠাইতে প্ৰায় এবছৰ কাল থাকি তেওঁলোকে মৃগয়া কৰি জীৱিকা নিৰ্বাহ কৰিবলৈ ধৰিছিল।

সেইবোৰ দিনৰ মাজৰে এটা দিনৰ কথা। আন আন দিনৰ দৰেই সেইদিনাও ভীমে বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণা পহু চিকাৰ কৰি ঘূৰি ফুৰিছিল। হঠাৎ তেওঁ এটা বিয়াগোম অজগৰৰ সমুখত পৰিলগৈ। দেখাৰ লগে লগে সেই অজগৰটোৱে ভীমৰ গোটেই গা'টো মেৰিয়াই ধৰিলে। ভীমে মুক্ত হ'বৰ বাবে প্ৰাণপণে চেষ্টা কৰিলে। কিন্তু, সকলো চেষ্টা অথলে গ'ল, কোনোমতেই মুক্ত হ'ব নোৱাৰিলে ; বৰং শেষত মূৰ্ছিত হৈ পৰিল।

কিছু সময়ৰ পাচত আকৌ জ্ঞান পাই ভীমে সুধিলে, "হে ভুজগশ্ৰেষ্ঠ, আপুনি কোন? আপুনি নিশ্চয় সামান্য সৰ্প নহয়। মই ধৰ্মৰাজ যুধিষ্ঠিৰৰ ভায়েক ভীম। মোৰ গা'ত অযুত হাতীৰ বল। অথচ, আপুনি মোকো বশ কৰি পেলালে!" অজগৰে তেতিয়া ভীমৰ বাহু দুটা মুকলি কৰি দি মাথোন গা'টো মেৰিয়াই থৈ ক'লে, "শুনা তেনেহ'লে। তুমি কৰবাত কেতিয়াবা তোমাৰ পূৰ্বপুৰুষ ৰাজৰ্ষি নহুষৰ নাম শুনিছানে? মই সেই ৰাজৰ্ষি নহুষ। অগস্ত্য মুনিৰ শাপত মই সাপ হৈ উপজিছোঁহি। বহুদিন মই ভোকত আছোঁ, একো খাবলৈ পোৱা নাই। ভাগ্যৰ বলত আজি তোমাক পাইছোঁ। তোমাক গিলিয়েই মই মোৰ পেটৰ জুই নুমুৱাম।"

ভীমে তেতিয়া হাতযোৰকৈ ক'লে, "হে মহাসৰ্প, মই মোৰ নিজৰ নিমিত্তে অকণো চিন্তিত হোৱা নাই। কিন্তু, মোৰ অগ্ৰজ যুধিষ্ঠিৰ আৰু বাকীসকলৰ কথাহে চিন্তা কৰিছোঁ। তেওঁলোক সকলোৱেই মোৰ মৃত্যু ঘটাৰ পাচত ৰাজ্য-উদ্ধাৰৰ আশা হেৰুৱাই পেলাব। অথচ, সেই ৰাজ্য-উদ্ধাৰৰ আশা বুকুত বান্ধিয়েই অনাহকতে মোৰ অগ্ৰজ মহা পুণ্যবান যুধিষ্ঠিৰকো অনেক টান কথা কৈ মনত দুখ দিছোঁ।"

এনে সময়তে যুধিষ্ঠিৰ আৰু ধৌম্য তাত ওলালহি। দুয়ো ভীম আনকি গধুলিপৰতো মৃগয়াৰ পৰা উভতি নোযোৱা দেখি ভীমক বিচাৰিয়েই ওলাই আহিছিল। ভীমৰ মুখৰ পৰা থাউকতে সকলো কথা শুনি লৈ যুধিষ্ঠিৰে সেই অজগৰটোক সম্বোধন কৰি ক'লে, "হে মহাসৰ্প, আপোনাৰ ভোক গুচাব পৰাকৈ আন কিহবাৰ যোগান ধৰোঁ। আপুনি মোৰ ভাইটোক এৰি দিয়ক।"

অজগৰে তেতিয়া উত্তৰ দিলে, "শুনা, এই ৰজাৰ ল'ৰাটো নিজে নিজে আহি মোৰ মুখৰ আগত পৰিছেহি। মই এওঁকে খাম। তুমি এনেয়ে মোক টু-টুৱাই আমনি কৰি নেথাকিবাহি। নহ'লে, মই কাইলৈ তোমাকো গিলি থ'ম।" তাৰ পাচত, অলপ তভক মাৰি বৈ ক'লে, "ৰ'বা। তুমি যদি মোৰ প্ৰশ্নকেইটামানৰ উত্তৰ দিব পাৰা, তেনেহ'লে বাৰু তোমাৰ ভায়েৰাক এৰি দিম।" যুধিষ্ঠিৰে তেতিয়া ক'লে, "বাৰু, আপুনি সোধক! মই সাধ্যমতে উত্তৰ দিম।"

অজগৰ যুধিষ্ঠিৰৰ কথাত বৰ সন্তুষ্ট হ'ল। ক'লে, "তোমাৰ কথা শুনি মোৰ ধাৰণা হৈছে, তুমি বৰ'চ বুদ্ধিমান। কোৱাচোন বাৰু—ব্ৰাহ্মণ কোন? আৰু জ্ঞাতব্য কি?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "যিজন সত্য, দান, ক্ষমা, সৎ চৰিত্ৰ, অহিংসা, তপস্যা আৰু দয়া গুণৰ অধিকাৰী, তেওঁৱেই ব্ৰাহ্মণ। আকৌ, যাক জানিলে আৰু কোনো শোক-দুখ নেথাকে, সেই সুখ-দুখৰ অতীত নিৰ্বিশেষ ব্ৰহ্মই জ্ঞাতব্য।"

অজগৰে তেতিয়া চাবু মাৰি ধৰিলে, "কিন্তু, শূদ্ৰসকলৰ মাজতো বহুতেই দেখোন তুমি কোৱা গুণবোৰৰ অধিকাৰী! আৰু এনে কাকো

দেখা পোৱা নেযায়, যিজন সকলো সুখ-দুখৰ অতীত। তোমাৰ উত্তৰ দৃষ্টান্ত আঁৰ বৈ যোৱা নাই জানো ?"

যুধিষ্ঠিৰে ক'লে, "হে বিষধৰ, মোৰ কথাত একো আঁৰ বৈ যোৱা নাই। কাৰণ, যিজন শূদ্ৰৰ গা'ত মই কোৱা গুণবোৰ পোৱা যায়, তেওঁক শূদ্ৰ বুলি ক'ব নোৱাৰি ; তেওঁ ব্ৰাহ্মণ। আকৌ, কেৱল অনিত্য জীৱৰ মাজত বিচাৰিলেহে সুখ-দুখৰ অতীত কাকো পোৱা নেযায়। কিন্তু, নিত্য ব্ৰহ্ম সম্পূৰ্ণৰূপে সুখ-দুখৰ অতীত।"

অজগৰে আকৌ সুধিলে, "যদি গুণৰ ওপৰতহে ব্ৰাহ্মণত্ব নিৰ্ভৰ কৰে, তেনেহ'লে দেখোন যিবোৰ সেই গুণবোৰৰ অধিকাৰী হ'ব পৰা নাই, সেইবোৰ ব্ৰাহ্মণৰ সন্তান হৈয়ো ব্ৰাহ্মণ নহয় ! মই তোমাৰ উত্তৰটো ধৰিব পৰা নাই।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "মোৰ ধাৰণা, সকলো বৰ্ণতেই সংকৰ কথাযাৰৰ সংক্ৰমণ ঘটিছে। গতিকে, মানুহৰ জাতিনিৰ্ণয় সহজ সূত্ৰৰ অধীন নহয়।"

যুধিষ্ঠিৰৰ উত্তৰ শুনি সন্তুষ্ট হৈ অজগৰে ভীমক মুকলি কৰি দিলে। তাৰ পাচত, অজগৰৰ লগত যুধিষ্ঠিৰে নানা তত্ত্বকথা আলোচনা কৰিলে। কথাৰ লাচতে যুধিষ্ঠিৰে সুধিলে, "মই জনাত আপুনি পৰম জ্ঞানী আৰু স্বৰ্গবাসীও আছিল। তথাপি, আপোনাৰ বাৰু এই দুৰৱস্থা কেনেকৈ হ'বলৈ পালে ?" অজগৰে তেতিয়া সকলো কথা ভাঙি ক'লে, "মই দেৱলোকতেই আছিলোঁ। অহংকাৰৰ ফলতেই মোৰ এই দশা হ'বলৈ পালে। মই প্ৰায় এহেজাৰ ঋষি-মুনিক মোৰ দোলাভাৰী কৰি লৈছিলোঁ। এদিন মোক দোলাৰ ওপৰত লৈ কঢ়িয়াই নিওঁতে মই অগস্ত্য মুনিৰ মূৰতে মোৰ ভৰি এখন থ'লোঁ। লগে লগে মুনিয়ে মোক অজগৰ হৈ জীৱন কটাবলৈ অভিশাপ দিলে। শেষত জানিবা মোৰ প্ৰাৰ্থনা শুনি তেওঁ ক'লে, ধৰ্মৰাজ যুধিষ্ঠিৰে তোক শাপমুক্ত কৰিব। আজি তোমাৰ দৰ্শন পালোঁ ; মই শাপমুক্ত হ'লোঁ।" এইবুলি কৈয়েই অজগৰে সাপৰ মোটটো থাহাই পেলালে। লগে লগে অজগৰ গুচি তেওঁ নহুষ ৰজা হৈ পৰিল। অলপ পাচতে তেওঁ দেৱলোকলৈ যাত্ৰা কৰিলে। যুধিষ্ঠিৰ, ভীম আৰু ধৌম্যও নিজৰ আশ্ৰমলৈ উলটিল।

## ॥ মাৰ্কণ্ডেয়ৰ পুৰাণকথা কথন ॥

কিছুদিনৰ পাচত পাণ্ডৱসকল বিশাখযূপ বনৰ পৰা কাম্যক বনলৈ আকৌ উভতি আহিল। এদিন তালৈকে সত্যভামাক লগত লৈ কৃষ্ণ আহিল। অৰ্জুনৰ লগত বাকী পাণ্ডৱসকলৰ পুনৰ্মিলন ঘটাৰ বাতৰিটো পাই কৃষ্ণই অতি আনন্দ প্ৰকাশ কৰিলে। পোনে পোনে অৰ্জুনক লগ ধৰি কৃষ্ণই সুভদ্ৰা আৰু অভিমন্যুৰ বা-বাতৰি দিলে। বাকীসকলকো ঘৰুৱা খবৰ-বাতৰিবোৰ দি উঠি যুধিষ্ঠিৰক ক'লে, "মহাৰাজ, আমাৰ যাদৱ সেনাবোৰ মাথোন আপোনাৰ আদেশ পাবলৈহে বাট চাই ৰৈ আছে। পাপী দুৰ্যোধনক আৰু তাৰ সংগীবোৰক সংহাৰ কৰিব লাগিব।"

যুধিষ্ঠিৰে অতি বিনয়েৰে সৈতে ক'লে, "হে কেশৱ, তুমিয়েই আমাৰ গতি। যথাসময়ত তুমি যে আমাক সহায় কৰিবাই—সেই বিষয়ে কোনো সন্দেহ নাই। আমাৰ বনবাস-যাপনৰ সময় বাৰ বছৰ পূৰ হ'বলৈ আৰু বেচি দিন নাই। তাৰ পাচত, এবছৰ অজ্ঞাতবাস খাটিয়েই আমি তোমাৰ ওচৰ চাপিম।"

এনে সময়তে মহাতপস্বী মাৰ্কণ্ডেয় মুনি ওলালহি। তেওঁ দেখাত যদিও পঁচিশ বছৰীয়া ডেকা যেন হৈ আছে, বয়স কিন্তু কেইবাহেজাৰ বছৰ হৈছে। তেওঁক পাণ্ডৱসকলে আদৰ-অভ্যৰ্থনা জনোৱাৰ পাচত কৃষ্ণই কথাষাৰ উলিয়ালে। "আমি সকলোৱেই আপোনাৰ পৰা পুণ্যকথা অলপ শুনিবলৈ আশা কৰিছোঁ।"

পোনতে তেওঁ মনুৰ পৰাই কেনেকৈ মানৱ জাতি সৃষ্টি হ'ল, সেই আখ্যানটো ক'লে। তেওঁ এইদৰে ক'লে:

বিৱস্বান অৰ্থাৎ সূৰ্যৰ পুত্ৰ মনু। ৰজা হৈ ৰাজত্ব কৰিবলৈ লৈয়েই তেওঁ হেজাৰ বছৰ ধৰি তপস্যাত বহিছিল। এদিন এটা অকণমানি মাছে নিজৰাৰ পাৰলৈ মুৰ উলিয়াই মনুক ক'লে, "আপুনি মোক ডাঙৰ মাছবোৰৰ আক্ৰমণৰ পৰা ৰক্ষা কৰক।" মনুৱে অঞ্জলিৰে সেই মাছটোক তুলি আনি এটা গাগৰিত ভৰাই থ'লে। বহু বছৰৰ মূৰত তাৰ গা'টো বেছিকৈ গাগৰিটোত নধৰা হ'ল, মনুৱে তেতিয়া তাক এটা পুখুৰীত মেলি দিলেগৈ। সময়ত তাৰ গা'টো বেছিকৈ পুখুৰীটোৰে

সমান হৈ পৰিল, তেতিয়া মনুৱে তাক গংগা নদীলৈ লৈ গ'ল। কিছুদিনৰ পাচত সি আকৌ এদিন মনুক ক'লে, "প্ৰভু, মোক সাগৰত মেলি থৈ আহকগৈ। কাৰণ, গংগাৰ তৰাং পানীত লৰচৰ কৰিব নোৱৰা হৈছোঁ।" মনুৱে যেতিয়া তাক সাগৰ পোৱালেগৈ, তেতিয়া সি হাঁহি এটা মাৰি মনুক ক'লে, "প্ৰভু, আপুনি মোক বহুবাৰ ৰক্ষা কৰিলে। এতিয়া আপোনাক এটা উপদেশ দিওঁ, শুনক। প্ৰলয় হ'বলৈ বেচি দিন নাই। গোটেইখন তেতিয়া পানীত বুৰ যাব। আপুনি এখন মজবুত নাও গঢ়াই লৈ সপ্তৰ্ষি কেইজনৰ সৈতে তাতে উঠি থাকিব। তদুপৰি, সেই নাওখনত শইচৰ কঠিয়া থকা টোম কেইটামানো লৈ থ'ব। সময়ত মই আহি মোৰ শিং দুটাৰে তুলি নিমহি।"

মাছৰ কথা শুনি মনুৱে ঋষি সাতজনক লৈ নাৱত উঠি ল'লে। পানীয়ে গোটেইখন বুৰাই পেলালত মনুৱে মাছটোক মাতিবলৈ ধৰিলে। মাছটো যেতিয়া ওচৰত ৰ'লহি, মনুৱে তেতিয়া এডাল জৰীৰে নাওখন এটা মূৰত বান্ধি আনটো মূৰ মাছটোৰ শিং দুটাত বান্ধি দিলে। সাগৰৰ ঢৌ ফালি ফালি মাছটোৱে সেই নাওখন টানি নিবলৈ ধৰিলে। চাৰিওপিনে মহাসাগৰৰ পানী! তাৰ মাজত মাথোন সাতজন ঋষি, মনু আৰু সেই মাছটোৰ বাহিৰে একো নাই। বহু বছৰ পাৰ হৈ যোৱাৰ পাচত মনুৱে সেই নাওখন হিমালয় পাহাৰৰ টিং এটাত চপালেহি। পাহাৰৰ সেই টিংটো আজিলৈকে 'নৌবন্ধন' নামেৰে জনাজাত। তাৰ পাচত, মাছটোৱে ক'লে, "ময়েই প্ৰজাপতি ব্ৰহ্মা। ময়েই মাছৰ ৰূপ ধৰি তোমালোকক প্ৰলয়-মৃত্যুৰ পৰা মুক্ত কৰিলোঁ। মনুৱেই দেৱতা, অসুৰ, মানুহ আদি সকলোবোৰ প্ৰজা আৰু স্থাৱৰ-জংগম গোটেইবোৰকে সৃষ্টি কৰিব।" তাৰ পাচত, মনুৱে সঁচাসঁচিকৈয়ে কঠোৰ তপস্যাৰ অন্তত সকলোবোৰ প্ৰজা সৃষ্টি কৰিলে।

মাৰ্কণ্ডেয় মুনিয়ে প্ৰজাসৃষ্টিৰ এই কাহিনীটো কৈ শেষ কৰাৰ পাচত যুধিষ্ঠিৰে ক'লে, "আপুনি অতীতৰ সকলো ঘটনাই নিজৰ চকুৰে দেখিছিল। সেই সূত্ৰে অতীতৰ বিষয়ে আপোনাৰ মুখৰ পৰা অলপ শুনিবৰ মন গৈছে।" মাৰ্কণ্ডেয় মুনিয়ে তেতিয়া ক'লে :

সত্যযুগৰ পৰিমাণ চাৰি হেজাৰ বছৰ ; তাৰ আবেলিটোৰ পৰিমাণ চাৰি শ বছৰ আৰু গধূলিটোও চাৰি শ বছৰীয়া। ত্ৰেতাযুগৰ পৰিমাণ তিনি হেজাৰ বছৰ ; আবেলি আৰু গধূলি দুয়োটাই তিনি শ বছৰকৈ। দ্বাপৰযুগৰ পৰিমাণ দুহেজাৰ বছৰ ; তাৰো আবেলি আৰু গধূলি দুটা দু'শ বছৰকৈ। শেষত কলিযুগৰ পৰিমাণ এহেজাৰ বছৰ ; তাৰো আবেলি আৰু গধূলি দুটা এশ বছৰকৈ। চাৰিওটা যুগ প্ৰত্যেকৰে আবেলি আৰু গধূলিৰ সৈতে সকলোখিনি মিলি বাৰ হেজাৰ বছৰ। তেনেকুৱা এহেজাৰ চাৰি-যুগ গোট খাই ব্ৰহ্মাৰ একোটা দিন। তাৰ পাচতে ব্ৰহ্মাৰ ৰাতি—যাক বোলে প্ৰলয়কাল।

এবাৰ এনেকুৱা এটা প্ৰলয়কালত মই সাগৰত ভাঁহি ফুৰিছিলোঁ। হঠাৎ চকুত পৰিল এজোপা বিশাল বৰগছৰ তলত এখন দিব্য-শয্যাত এটি ধুনীয়া ল'ৰা শুই আছে। সেই ল'ৰাটিয়ে মোক ওচৰলৈ মাতি ক'লে, "তোমাৰ চাগৈ বৰ ভাগৰ লাগিছে ! মোৰ শৰীৰৰ ভিতৰতে অলপ জিৰণি লোৱা।" এইবুলি কৈয়েই তেওঁ মুখখন মেলি দিলে। মই সেইপিনেদি তেওঁৰ ভিতৰলৈ সোমাই গ'লোঁ। ভিতৰত গৈ দেখিলোঁ : নগৰ, ৰাষ্ট্ৰ, পৰ্বত, নদী, সাগৰ, আকাশ, দেৱতা, অসুৰ—সকলোবোৰ ঠাই খাই আছে !

এশ বছৰতকৈয়ো অধিক সময় সিজনাৰ শৰীৰৰ ভিতৰতে মই ঘূৰি ফুৰিলোঁ। কিন্তু, কোনি যে সেই শৰীৰৰ অন্ত পৰিছে, বিচাৰি উলিয়াব নোৱাৰিলোঁ। তেতিয়া মই তেওঁতে শৰণ ল'লোঁ। লগে লগে তেওঁ এটা উগাৰ মাৰি দিওঁতেই মই বাহিৰলৈ ওলাই আহিলোঁ। বাহিৰলৈ ওলাই আহি দেখা পালোঁ, সেই ল'ৰাটি বৰগছ এজোপাৰ তলত বহি আছে। তেওঁ মোক সুধিলে, "মাৰ্কণ্ডেয়, তুমি মোৰ শৰীৰত সুখেৰে বাস কৰি আছা নহয় ?" মই নতুন দৃষ্টি লাভ কৰিলোঁ—মই ভিতৰতো আছোঁ, বাহিৰতো আছোঁ ! মই তেওঁৰ ভৰি দুখন সাবটি ধৰি ক'লোঁ, "হে পৰমদেৱতা, তোমাক আৰু তোমাৰ মায়াক মোৰ জানিবৰ ইচ্ছা গৈছে।" তেতিয়া তেওঁ মোক ক'লে, "আহানি মই পানীৰ নাম থৈছিলোঁ, নাৰ। প্ৰলয়কালত সেই পানী বা 'নাৰ'ই মোৰ অয়ন অথবা আশ্ৰয়। সেইকাৰণেই মই নাৰায়ণ।"

এই কথাখিনি কৈ শেষ কৰিয়েই মাৰ্কণ্ডেয় মুনিয়ে যুধিষ্ঠিৰক ক'লে, "সেই যে প্ৰলয়কালত মই যিজন পৰমদেৱতাক দেখা পাইছিলোঁ, সেইজনেই তোমাৰ এই আত্মীয় জনাৰ্দন। সিজনায়েই যেন কৃষ্ণৰ ৰূপ লৈ সকলো সময়তে লীলা দেখুৱাই আছে। সিজনাত তোমালোকে শৰণ লোৱাঁ।"

মাৰ্কণ্ডেয়ৰ কথা শুনি পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীয়ে কৃষ্ণক নমস্কাৰ কৰি ক'লে, "হে জনাৰ্দন!"

## ॥ ধৰ্মব্যাধৰ কাহিনী ॥

মাৰ্কণ্ডেয় মুনিয়ে আৰু বহু পুণ্যকথা ক'লে। এদিন যুধিষ্ঠিৰে ক'লে, "হে মহাতপস্বী, আপুনি আমাক নাৰীৰ শ্ৰেষ্ঠ মাহাত্ম্য আৰু সূক্ষ্ম ধৰ্ম সম্বন্ধে কিছু কথা কওক।" মাৰ্কণ্ডেয় মুনিয়ে তেতিয়া এগৰাকী নাৰীৰ মাহাত্ম্য আৰু মানুহৰ ধৰ্মৰ সম্বন্ধে ব্যাখ্যা কৰি কৈ গ'ল:

এগৰাকী তপস্বী ব্ৰাহ্মণ আছিল। নাম কৌশিক। এদিন তেওঁ এজোপা গছৰ তলত বহি বেদ পঢ়ি আছিল। এনেতে এজনী মাইকী বগলীয়ে তেওঁৰ মূৰতে ছুচিৰ্দ থৈ গ'ল। কৌশিকে খঙতে চকু ঘোপা কৰি ওপৰলৈ চালে। লগে লগে বগলীজনী মৰি মাটিত পৰিলহি। কৌশিকে তেতিয়া অনুতাপ কৰি ভাবিবলৈ ধৰিলে, খঙৰ ভমকতে এটা অন্যায় কাম কৰা হ'ল।

পাচদিনা কৌশিক ভিক্ষা কৰিবলৈ ওলাই গ'ল। পোনতে গাঁৱৰ চিনাকি মানুহ এঘৰত সোমালগৈ। গিৰিহঁতনীয়ে তেওঁক অলপ ৰ'বলৈ কৈ ভিতৰত ভিক্ষা দিয়া বাটিটো ভালকৈ ঘঁহি-মাজি চাফা কৰিবলৈ ল'লে। এনে সময়তে তেওঁ গম পালে, ঘৰৰ গিৰিহঁত কাম-বন কৰি উভতি আহিছে। গতিকে, গিৰিহঁতনীয়ে হাতৰ কামটো এৰি গিৰিহঁতক লোটা-গামোচা যতনাই দিলেগৈ। তাৰ পাচত, কৌশিকলৈ ভিক্ষাৰ বাটিটো লৈ গিৰিহঁতনী ওলাই আহিল। ইপিনে কৌশিকৰ খঙে মূৰৰ চুলি পাইছিলগৈ। তেওঁ খংমুৱাকৈ ক'লে, "এইবোৰ কেনেকুৱা কথা? ইমান পৰ মোক ৰখাই থ'লা কিয়?" গিৰিহঁতনীয়ে তেওঁৰ চেওটো

দেখি ক'লে, "আপুনি খং নকৰিব। ঘৰৰ মানুহজন ভোকে-পিয়াহে অহা দেখি সিজনলৈ চকু দিওঁতেই অলপ পলম হ'ল।"

কৌশিকে দমদমাই উঠি ক'লে, "ঘৰৰ গিৰিহঁতকে ডাঙৰ মানুহ বুলি ভাবি তুমি দুবলা ব্ৰাহ্মণকো নেওচা দিলা? হেৰা, তুমি জানো নেজানা আনকি স্বয়ং দেৱৰাজ ইন্দ্ৰয়ো ব্ৰাহ্মণক সমীহ কৰি চলে! ক'বই নোৱাৰা নেকি ব্ৰাহ্মণে যে পৃথিৱীখনকে পুৰি ভস্ম কৰি থ'ব পাৰে?"

এইবুলি গিৰিহঁতনীয়ে ক'লে, "দেউ, আপুনি অনাহকতে মোৰ ওপৰত খং নকৰিব। মই আপোনাৰ সেই বগলীজনী নহওঁ যে, মোৰ পিনে আপুনি চালেই মই ভস্ম উঠিম। ব্ৰাহ্মণৰ তেজ আৰু কৃপাদৃষ্টি দুয়োটা মোৰ জনা আছে। মোৰ কাৰণে ঘৰৰ মানুহজনৰ যত্ন লোৱাটোৱেই ধৰ্ম। মই সেই ধৰ্ম মানিয়েই চলোঁ। সন্নিত্ত কি পাইছোঁ জানে? এই যে আপুনি কৰি থৈ অহা অন্যায় কামটোৰ কথা নেদেখাকৈয়ো গম পালোঁ—সেয়া। আপুনি ধৰ্মজ্ঞ, কিন্তু ধৰ্মৰ আচল তত্ত্ব নেজানে। আপুনি এটা কাম কৰক। মিথিলাত এজন ব্যাধ—মানে এজন কচাই আছে। তেওঁৰ ওচৰলৈ গৈ আপুনি অলপ ধৰ্মৰ তত্ত্বকথা শিকি আহকগৈ। মোৰ জিভাখন অলপ পাতল। সেইকাৰণে, মোক ক্ষমা কৰক। আৰু স্ত্ৰী জাতি সকলোৰে বাবে অবধ্য।"

কৌশিকে তেতিয়া ক'লে, "তোমাৰ কথাত মোৰ খং গুচিল। মই তোমাৰ ওপৰত সন্তুষ্ট হৈছোঁ।" এইবুলি কৈয়েই তেওঁ জনক ৰজাৰ ৰাজ্য মিথিলাৰ অভিমুখে যাত্ৰা কৰিলে।

অৱশেষত, তেওঁ ধৰ্মব্যাধৰ মাংসৰ দোকানখন বিচাৰি পালেগৈ। তেতিয়া দোকানত কিনোতাৰ হেঁচা-ঠেলা লাগি আছিল। তেওঁক দেখিয়েই ধৰ্মব্যাধে মাত লগালে, "গম পাইছোঁ—আপোনাক যে এগৰাকী পতিব্ৰতা নাৰীয়ে মোৰ ওচৰলৈ পঠাইছে। এইখন বৰ ঘিণলগা ঠাই। আপুনি অলপ ৰওক, মোৰ লগতে মোৰ ঘৰলৈ যাব।" কথাবাৰ শুনি কৌশিকে তবধ মানিলে।

ধৰ্মব্যাধৰ ঘৰ পায়েই কৌশিকে ক'লে, "উঁ-হো, তোমাৰ বৃত্তিটো তোমাৰ বাবে মুঠেই উপযোগী হোৱা নাই।" ধৰ্মব্যাধে তেতিয়া ক'লে,

"মই মোৰ বোপা-ককাৰ ব্যৱসায়টোকে থামুচি ধৰি আছোঁ। সেয়া মোৰ কাৰণে দৈৱৰ বিধান। তাকে মই সত্যবাদিতা, অসূয়াহীনতা আৰু ন্যায়নিষ্ঠাৰে পালন কৰি আছোঁ। কাকো মই এধটুৰা মঙহো অন্যায়কৈ কম নিদিওঁ; আৰু কাৰোবাৰ পৰা অন্যায় সুবিধা লৈ দুই-এচকল মঙহ বেচিকৈয়ো নিদিওঁ। মই নিজে প্ৰাণীবধ নকৰোঁ, আন কোনোবাই চিকাৰ কৰি অনা ম'হ-গাহৰিৰ মঙহখিনিকে গ'ত লগাই খাওঁতাবোৰক উচিত দামত বেচোঁ। আৰু মই নিজেও কোনো প্ৰাণীৰ মাংস নেখাওঁ। মোৰ মতে এয়েই মোৰ স্বধৰ্ম পালন। তাতকৈ বেচি অহিংস হোৱাৰ উপায় মোৰ বাবে নিৰ্দিষ্ট দৈৱৰ বিধানত নাই। আৰু এবাৰ কথা। কৃষিজীৱী-বোৰো সম্পূৰ্ণৰূপে অহিংস হোৱাৰ উপায় নাই। গছ-লতা, ঘাঁহ-বিৰিণা এই আটাইবোৰৰে প্ৰাণ আছে। সিবোৰৰ প্ৰাণ প্ৰত্যেকেই ধ্বংস কৰি আছে। দেখ-দেখকৈ যিবোৰ প্ৰাণীৰ লেখত পৰে, সিবোৰেও পৰস্পৰে পৰস্পৰক ভক্ষণ কৰিয়েই আছে। ডাঙৰ মাছে সৰু মাছক, সৰু মাছে তাতকৈয়ো সৰু পোক-পৰুৱাক নিতৌ ভক্ষণ কৰিছে। খোজকাঢ়ি যাওঁতেও কত যে মাটিত বগাই ফুৰা প্ৰাণীক আমি নাশ কৰিছোঁ। জগতত কোনোৱেই অহিংস নহয়। সেইবাবে, দৈৱৰ বিধান মানি স্বকৰ্মৰ যোৰত থাকি স্বধৰ্ম পালন কৰাতেই অহিংসাৰ সাধনা ফলৱতী হয়।" কৌশিকে তেতিয়া ধৰ্মব্যাধক প্ৰদক্ষিণ কৰি ঘৰলৈ বুলি যাত্ৰা দিলে।

এইদৰে মাৰ্কণ্ডেয় মুনিয়ে যুধিষ্ঠিৰক আৰু অনেক পুণ্যকথা কৈ শুনালে।

## ॥ মুৰে ভৰি কাঢ়ি দুৰ্যোধন ॥

অৱশেষত, মাৰ্কণ্ডেয় মুনিয়ে পাণ্ডৱসকলৰ পৰা বিদায় ল'লে। পাণ্ডৱসকলেও দ্বৈতবনত সৰোবৰৰ পাৰত এটা সৰু পঁজা সাজি লৈ খোপনি পুতিলে। ভাবিলে, অজ্ঞাতবাসৰ আগলৈকে সুখে-সন্তোষে আছে থাকিব।

সেইখিনি সময়তে এদিন শকুনি আৰু কৰ্ণই দুৰ্যোধনক ক'লে,

"এইটোকে বোলে সোণালী হেগ। তুমি এইটো হেগৰ ব্যৱহাৰ কৰিবলৈ পাহৰিব নেলাগে। তোমাৰ এতিয়া চাৰিওফালে জয়জয়-ময়ময়। আৰু পাণ্ডৱকেইটাৰ লৈ-লৈ থৈ-থৈ অৱস্থা। পৰ্বতৰ টিঙৰ পৰা তলৰ ভৈয়ামখন চাই পঠিয়ালে যেনেকৈ চকু জুৰ পৰে, তোমাৰ উভৈনদী হৈ থকা দিনবোৰতে শত্ৰুৰ পানীত হাহি নচৰা অৱস্থা চাবলৈ পালেও তেনেকৈ চকু জুৰ পৰে। তুমি এবাৰ সিহঁতক চাই আহাঁগৈ, যোৱা। লগতে তোমাৰ পত্নী-উপপত্নীবোৰেও ওপচ খুৱাই অয়-অলংকাৰ পিন্ধি পহুছাল পিন্ধি দিন কটোৱা দ্ৰৌপদীৰ দুৰ্দশাটো চাই আহকগৈ। জীৱনৰ আচল সুখ সেইবোৰতে।"

দুৰ্যোধনে ক'লে, "তোমালোকে মোৰ মনৰ কথাটোকে ক'লা। কিন্তু, আমাৰ বুঢ়া ৰজাই জানো সেই সুখটোৰ জুতি ল'বলৈ দিব। মহাৰাজে ক'ব, তালৈ যাব নেলাগে।"

শকুনি আৰু কৰ্ণই তেতিয়া বুদ্ধিটো উলিয়াই ক'লে, "এটা কাম কৰা। দ্বৈতবনৰ কাষতে আমাৰ গৰুৱালবিলাক আৰু সিহঁতৰ খুঁটিবোৰ আছে। মহাৰাজ ধৃতৰাষ্ট্ৰক ক'বা, সেই খুঁটিবোৰ চাই আহিবগৈ খুজিছা। সেয়ে হ'লে, মহাৰাজে তৎক্ষণাৎ তোমাক অনুমতি দিব।"

কথাষাৰ শুনি দুৰ্যোধনৰ মুখত হাঁহি বিৰিঙি উঠিল।

শকুনি আৰু কৰ্ণই ধৃতৰাষ্ট্ৰৰ ওচৰলৈ গৈ ক'লে, "মহাৰাজ, আপুনি গৰুৱালবোৰক ৰাখিবলৈ দিয়া গৰুবোৰৰ পিয়ল লোৱা আৰু দমৰা-দামুৰী-বোৰক চিন দি থৈ অহাৰ বতৰ পালেহি। আপুনি অনুমতি দিলেই দুৰ্যোধন এবাৰ গৈ আহিব।"

ধৃতৰাষ্ট্ৰই ক'লে, "কথাষাৰ ভালেই। মাথোন মোৰ কাণত পৰিছে, যুধিষ্ঠিৰহঁত হেনো গৰুৱালবোৰৰ খুঁটিৰ ওচৰতে বনবাস খাটি আছেহি। সেই কথাষাৰ ভাবিহে মই চিন্তাত পৰিছোঁ। তালৈ তোমালোক এতিয়া নোযোৱাটোৱেই ভাল নেকি। যুধিষ্ঠিৰে অৱশ্যে তোমাক দেখাৰ পাচতো খং কৰিবলৈ নাহে। কিন্তু ভীম বৰ একাচেকা; খেদা মাৰি আহিব। আৰু দ্ৰৌপদী হ'ল যেনিবা একুৰা জুই। তোমালোকে অহংকাৰতে ক'ৰবাত কিবা দায় লগাবা; তপ-জপ কৰি কটোৱা পাণ্ডৱবোৰে তেতিয়া

তোমালোকক চকুৰে চায়েই ভস্ম কৰিব। ইফালে শুনিছোঁ, অৰ্জুনেও হেনো ইন্দ্ৰৰ ওচৰত অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগৰ পাঠ লৈ উভতি আহিছে। সাতে-পাঁচে, তুমি সেই গৰুখুঁটিবোৰ চাবলৈ নোযোৱাটোৱেই ভাল হ'ব। আন কোনোবা বিশ্বাসী বিষয়াকে পঠিয়াব নোৱাৰিবা জানো ?

শকুনিয়ে ক'লে, "আপুনি ভয় নকৰিব। যুধিষ্ঠিৰ হ'ল ধৰ্মলৈ ভয় থকা মানুহ ; তেওঁ কাৰো ওপৰত অন্যায়কৈ খং নাবিবলৈ মেযাৰ আকৌ, বাকী পাণ্ডৱবোৰে ককায়েকৰ হাক-বচন মানি চলে। গতিকে, সিঁপিনৰ পৰা ভয় নাই। এই পিনৰ পৰাও শংকা কৰাৰ থল নাই। আমি যাম মৃগয়া কৰিবলৈ আৰু গৰু-গাইবোৰৰ লেখ লৈ আহিবলৈ। আমিতো পাণ্ডৱবোৰক চাই আহিবলৈ যাব খোজা নাই। সিহঁত যিফালে আছে, সেইফালে আমি ভুলতো চকু নফুৰাওঁ।"

শকুনিৰ কথা শুনি ধৃতৰাষ্ট্ৰই অনুমতি নিদিয়াকৈ নোৱাৰিলে।

দুৰ্যোধনে তেতিয়া লগত দুঃশাসন, কৰ্ণ আৰু শকুনিক লৈ হাতী, ঘোঁৰা, ৰথ ইত্যাদিৰে সৈতে দ্বৈতবনলৈ যাত্ৰা কৰিলে। যথেষ্ট সৈন্য-সামন্ত, চিপাহী-চন্তৰী, পত্নী-উপপত্নী আৰু জিগিবা-জিগিৰী লগত লৈ তেওঁলোকে তাত তামিঘৰা তৰিলেগৈ। গৰু-গাইবোৰৰ বা-বাতৰি ল'লে, দমৰা-দামুৰী কিমান বাঢ়িল তাকো কাকতত তুলিলে আৰু নিতৌ মিঠা গাখীৰ, খমা দৈ আৰু ক্ষীৰ-মাখনৰ জুতি ল'লে। দুৰ্যোধনহঁতে মৃগয়া কৰি দিন কটোৱাৰ হেপাহ পুৰালে আৰু তেওঁ-লোকৰ তিৰোতাবোৰে গাওঁ-ভুঁই চাই কলকলাই ফুৰিবলৈ ধৰিলে।

দুৰ্যোধনে তেওঁৰ লগুৱা-লিকচৌবিলাকক আদেশ কৰিলে, দ্বৈতবনৰ ওচৰত সোনকালে কিছুমান যুঁজৰ আখৰা কৰিব পৰা খেমালিঘৰ সাজিব লাগে। সেই সময়তে গন্ধৰ্বৰাজ চিত্ৰসেনেও গন্ধৰ্বসকলক লগত লৈ সৰোবৰটোৰ পাৰতে তামিঘৰা তৰিছিলহি। দুৰ্যোধনৰ লগুৱো-লিকচৌবোৰ দ্বৈতবনত সোমাবলৈ যাওঁতে গন্ধৰ্বসকলে বাধা দিলে। দুৰ্যোধনে কথাষাৰ শুনি এদল কাজুৱা সৈন্যক তালৈ পঠিয়াই দিলে, বোলে গন্ধৰ্ববোৰক খেদি থৈ আহগৈ। সিহঁতৰ অতপালি দেখি গন্ধৰ্বৰাজেও নিজৰ সৈন্যবোৰক আদেশ দিলে, "তোমালোকে এই

ওভোতাগোৰে নাচিবলৈ অহা চাওদাংবোৰক এশিকনি দি দ্বৈতবনৰ পৰা বাজ কৰি থৈ আহাঁগৈ।”

গন্ধৰ্ব সৈন্যবোৰৰ আগত কৌৰৱ সৈন্যবোৰ তিষ্ঠিব নোৱাৰিলে। আটাইবোৰ পলাই পত্ৰং দিলে। দুৰ্যোধনৰ ভায়েককেইটাও ঢাল-তৰোৱাল লৈ ওলালহি। কিন্তু গন্ধৰ্ব সৈন্যবোৰৰ আগত বেচিপৰ থাকিব নোৱাৰিলে। তাকে দেখি মহাবীৰ কৰ্ণও আহিল যুদ্ধ দিবলৈ। কৰ্ণৰ শৰ-প্ৰহাৰত শ শ গন্ধৰ্ব সেনা মৰিবলৈ ধৰিলে। কৰ্ণৰ বলতে বলীয়ান হৈ, ঢোলৰ লগত টেমেকাৰ দৰে দুৰ্যোধনেও বীৰত্ব দেখুৱালেহি। নিজৰ সৈন্যবাহিনী উছন যোৱা যেন দেখি গন্ধৰ্বৰাজ চিত্ৰসেনে মায়া-যুদ্ধ কৰিবলৈ থিৰাং কৰিলে।

গন্ধৰ্বৰাজৰ সৈন্যবোৰে কৰ্ণৰ ৰথখন ভাঙি চুৰমাৰ কৰি পেলালে। উপায় নেদেখি কৰ্ণই দুৰ্যোধনৰ ভায়েক বিকৰ্ণৰ ৰথত জাঁপ মাৰি উঠি সেইখনতে পলাই কোনোমতে নিজৰ প্ৰাণৰক্ষা কৰিলে। কিন্তু, অঁকৰা মৈত উঠি নামিব নজনাৰ দৰে দুৰ্যোধনে যুদ্ধ চলায়েই থাকিল। অৱশেষত, দুৰ্যোধনৰো ৰথখন ভাগি খানবান হ'ল, দুৰ্যোধন ৰথৰ পৰা বাগৰি পৰিল। লগে লগে চিত্ৰসেনে দুৰ্যোধনক বন্দী কৰি পেলালে। তাৰ পাচত, দুঃশাসনকো তিৰোতাবিলাকেৰে সৈতে হেলাৰঙে বন্দী কৰিলে। সেইদৰে, কৌৰৱবোৰক বান্ধি-কুন্ধি লৈ গন্ধৰ্বসকল তাৰ পৰা লৰালৰিকৈ আঁতৰ হ'ল।

পৰাজিত কৌৰৱ সৈন্যবোৰে পাণ্ডৱসকলৰ ওচৰত আশ্ৰয় ভিক্ষা কৰিলেগৈ। দুৰ্যোধনৰ বিষয়া-মন্ত্ৰীসকলেও আহি যুধিষ্ঠিৰৰ সহায় বিচাৰি কাকুতি-মিনতি জনালেহি। ভীমে মাত দিলে, “যিটো কাম আমি যথেষ্ট কষ্ট কৰি সাধিলোহেঁতেন, গন্ধৰ্বসকলে সেয়া টিলিকতে সাধি দিলে। দুৰ্যোধনে মনে ভাবি কাঢ়িবলৈ আহিছিল, সি আমাক ইতিকিং কৰিবলৈ আহিছিল, পোতকটো আন কোনোবাই তুলিলে। এই পৃথিৱীত অযাচিতে উপকাৰ কৰা লোক এতিয়াও কিছুমান জীয়াই আছে।”

যুধিষ্ঠিৰে বাধা দি ক'লে, “এতিয়া টান কথা শুনাবৰ সময় নহয়।

কৌৰৱবিলাক বিপদত পৰি আমাৰ ওচৰলৈ আহিছে। গিয়াতিয়ে-গিয়াতিয়ে কাজিয়া-পেঁচাল হয়েই; কিন্তু তাৰ বাবে কুলধৰ্ম নষ্ট হ'বলৈ দিব নালাগে। দুৰ্যোধন আৰু কুৰুনাৰীবোৰ হৰণ কৰি নিয়াৰ ফলত কুলৰ খিয়াতি নষ্ট হ'বলৈ লৈছে। সি আমাকো চুই গৈছেহি। গতিকে সৰুসুৰা খৰিয়ালৰ কথা আওকাণ কৰি তোমালোক চাৰিওজনে দুৰ্যোধন-হঁতক মুকলি কৰি আনাগৈ। চোৱাচোন ভীম, দুৰ্যোধনে তাৰ জীৱন-ৰক্ষাৰ কাৰণে তোমালোকৰেই বাহুবল প্ৰাৰ্থনা কৰিবলগীয়া হৈছে, তাতকৈ গৌৰৱৰ কথা আৰু কি হ'ব পাৰে ?"

যুধিষ্ঠিৰৰ আদেশ মানি ভীম-অৰ্জুন আৰু নকুল-সহদেৱে যুদ্ধৰ সাজ-পোছাক পিন্ধি ৰথত উঠি গন্ধৰ্বৰাজৰ সৈন্যবাহিনীৰ পিচ ল'লে। তেওঁলোকক লগ পায়েই অৰ্জুনে ক'লে "তোমালোকে তৎক্ষণাৎ আমাৰ ভাই দুৰ্যোধনক মুকলি কৰি দিয়া। তাকে নকৰিলে, আমি শক্তি প্ৰয়োগ কৰিবলৈ বাধ্য হ'ম।" অৰ্জুনৰ ঘোষণাটো শুনি গন্ধৰ্বৰাজৰ সৈন্যবোৰে হাঁহি হাঁহি ক'লে, "হে বীৰ, আমি দেৱৰাজৰ বাহিৰে আন কাৰো আদেশ মানিবলৈ বাধ্য নহওঁ।"

কিছুপৰ এইদৰে তথিয়াতথি লগাৰ পাচত গন্ধৰ্ব বাহিনী আৰু পাণ্ডৱসকলৰ মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল। অৰ্জুনৰ শৰ-বৰ্ষণত জাকে জাকে গন্ধৰ্ব সৈন্য পৰিবলৈ ধৰিলে। তাকে দেখি গন্ধৰ্বৰাজ চিত্ৰসেনে নিজেই হাতত এডাল গদা লৈ খেদা মাৰি আহিল। অৰ্জুনৰ শৰ-বৰ্ষণত চিত্ৰসেনৰ হাতৰ গদা ভাগি ডোখৰ-ডোখৰ হ'ল। চিত্ৰসেনে তেতিয়া মায়াৰ বলত মেঘৰ মাজত লুকাই-লুকাই যুদ্ধ কৰিবলৈ ধৰিলে। অৰ্জুনেও তেতিয়া তূণৰ পৰা শব্দভেদী বাণ উলিয়াই লৈ ধনুৰ জৰীত জুৰি ল'লে। চিত্ৰসেনে লগে লগে মেঘৰ মাজৰ পৰা ওলাই আহি ক'লে, "সখি, তুমি হবলা মোক চিনিবই পৰা নাই ? চিন হেৰুৱালা ?" অৰ্জুনে লগে লগে তেওঁৰ শব্দভেদী বাণ সামৰি থৈ চিত্ৰসেনক ক'লে, "সখি, তোমাক স্বৰূপকৈ চিনি পাইছোঁ। কিন্তু তুমি আমাৰ ভাইকেইটাক আৰু ঘৈণীয়াৰীকেইজনীক হৰণ কৰি আনিলা কিয় ?"

চিত্ৰসেনে তেতিয়া উত্তৰ দিলে, "সখি, তুমিহে তেওঁলোকক আপোন

মানুহ বুলি ভাবি থৈছা। কিন্তু, তেওঁলোক এই দ্বৈতবনলৈ কিয় আহিছিল, জানানে? আহিছিল, বং চাই কিৰিকিয়াই উভতি যাবৰ কাৰণে। দুৰাত্মা দুৰ্যোধনক মুৰে ভাবি কাঢ়ি অহা বুলি জানিয়েই দেৱৰাজ ইন্দ্ৰই মোক ইয়ালৈ পঠিয়াই দিলে, দুৰাচাৰী কেয়োটাকে বন্দী কৰি লৈ যাবৰ কাৰণে।"

তাৰ পাচত, চিত্ৰসেনে যুধিষ্ঠিৰক প্ৰণাম কৰিলেগৈ। যুধিষ্ঠিৰৰ কথা শুনি চিত্ৰসেনে দুৰাচাৰী দুৰ্যোধনহঁতক মুকলি কৰি দিলে। চিত্ৰসেন গুচি যোৱাৰ পাচত সাধাৰণ কৌৰৱ সৈন্যবোৰে পাণ্ডৱসকলৰ গুণ বখানিবলৈ ধৰিলে। নিজকে নিজে নিন্দাও কৰিলে। যুধিষ্ঠিৰে দুৰ্যোধনক ক'লে, "ভুল সকলোৱে হয়। মাথোন দুনাই ভুল নকৰিবা। দেৱতা-গন্ধৰ্বক জানো এইদৰে জোকাই ল'ব লাগে! কপাল ভাল, আমাৰ কুলৰ মানহানি হ'বলৈ নেপালে। এতিয়া তোমালোক হস্তিনাপুৰলৈ উভতি যোৱাগৈ।"

যুধিষ্ঠিৰক প্ৰণাম এটা জনাই বাকীবোৰৰ মুখলৈ নোচোৱাকৈ দুৰ্যোধন ৰাজধানীলৈ উভতি গ'ল।

কিছুদূৰ বাট গৈয়েই দুৰ্যোধনে জিৰণি-ঘৰ এটাত সোমাই জিৰণি ল'লেগৈ। লাজে-অপমানে মৰ্মাহত দুৰ্যোধনে নানা কথা চিন্তা কৰিছিল। এনেতে পলৰীয়া কৰ্ণ আহি দুৰ্যোধনৰ ওচৰ চাপিল। দুৰ্যোধনক অভিনন্দন জনাই ক'লে, "সখা, মই ভাবিবই পৰা নাছিলোঁ, তোমাৰ লগত যে মোৰ আকৌ দেখাদেখি হ'ব। এই গন্ধৰ্ববোৰে মায়া-যুদ্ধ কৰে, সিহঁতক বলে পৰা টান। মোৰ গা গোটেইটো তেজেৰে লুতুৰি-পুতুৰি হ'ল। সেইকাৰণেহে উভতি আহিছিলোঁ। তুমি যে সেই দুৰ্দান্ত গন্ধৰ্ববোৰকো ৰণত ঘটুৱাই উভতি আহিব পাৰিছা, এয়া কিন্তু কমটো গৌৰৱৰ কথা নহয়!"

দুৰ্যোধনে তেতিয়া শুকান মাতেৰে ক'লে, "সখা, তুমি তেনেহ'লে আচল কথাৰ গম পোৱা নাই। গন্ধৰ্ববোৰে আমাক যুদ্ধত ঘটুৱাই তিৰোতাবিলাকেৰে সৈতে গোটেইবোৰকে বন্দী কৰি নিছিল। পাণ্ডৱবিলাকে বাৰ্তাবটো পাই চিত্ৰসেনক আগচি ধৰিলেগৈ। অৰ্জুনক যুদ্ধে

নোৱাৰি চিত্ৰসেনে সন্ধি কৰিলে। আমাক নি যুধিষ্ঠিৰৰ আগত ভেটালেগৈ। যুধিষ্ঠিৰৰ কথা শুনিহে আমাক মুক্তি দিলে। চিত্ৰসেনে যেতিয়া আমাৰ আচল উদ্দেশ্যটো উদঙাই ধৰিছিল, বোলে পাণ্ডৱবিলাকৰ দুৰ্দশা-দুৰ্গতি চাই ৰং কৰিবলৈহে আহিছিলোঁ, তেতিয়া লাজতে মই মাটিৰ লগত মিহলি হৈ গৈছিলোঁ। তাতকৈ বৰং যুদ্ধত মৰাই ভাল আছিল।"

অলপ তভক্ মাৰি ৰৈ দুৰ্যোধনে আকৌ ক'লে, "শুনা অংগৰাজ, মই আৰু হস্তিনাপুৰলৈ উভতি নেযাওঁ। নোখোৱা-নোবোৱাকৈ ইয়াতে থাকি ইয়াতে মই প্ৰাণত্যাগ কৰিম বুলি থিৰাং কৰিলোঁ। দুঃশাসন, তোমাকে মই ৰজা পাতি থৈ গ'লোঁ। সুখে-সন্তোষে ৰাজ্যখন তুমি চলাই-বলাই থাবা।"

দুঃশাসনে দুৰ্যোধনৰ চৰণত ধৰি কান্দিবলৈ ধৰিলে। কৰ্ণই সান্ত্বনা দি ক'লে, "সখা, তুমি অনাহকতে দুখ কৰিছা। যুদ্ধ বুলিলেই আহত হোৱা, বন্দী হোৱা এইবোৰ আছেই। কেতিয়াবা সেনাপতিও শত্ৰুৰ হাতত বন্দী হয়, সাধাৰণ পদাতিকেও মুকলি কৰি আনেগৈ পাণ্ডৱবিলাক তোমাৰ লিগিৰা নহয় জানো। সিহঁতে সিহঁতৰ গৰাকীৰ প্ৰতি কৰ্তব্য পালন কৰিছে। সেইটো তোমাৰ নাম-যশৰহে কথা।"

শকুনিয়ে আওপকীয়া কথা এষাৰ কৈ দুৰ্যোধনক জগাই তুলিবলৈ চেষ্টা কৰিলে, "ভাগিন, তুমি এইবোৰ কি মৰা-জীয়াৰ কথা উলিয়াইছা? পাণ্ডৱবিলাকে তোমাৰ ইমানটো উপকাৰ কৰিছে: তুমি তেওঁলোকৰ লগত 'মিতিৰালি' পাতি তেওঁলোকক জীয়াই থকাৰ ব্যৱস্থা এটা কৰি দিয়া। লঘোনে-ভোকে থাকি নিশকতীয়া হৈ পাণ্ডৱবিলাকক সিহঁতৰ ৰাজ্যখনো ঘূৰাই দি থৈ আহাঁগৈ। তেতিয়া তোমাৰ নাম-যশৰ ঢৌ নৈ যেন হৈ চাৰিওপিনে বৈ-বৈ যাব! বৰ ভাল কথা হৈছে, ভাগিন! বৰ ভাল কথা।"

দুৰ্যোধন কিন্তু সেইদিনা কাৰো কথাত পতিয়ন নগ'ল। লঘোনে-ভোকে থাকি মৃত্যুবৰণ কৰিবলৈ সাজু হ'ল। বাতিলৈ কুশবনৰ দলিচা এখনত বহি ধ্যান কৰিবলৈ ল'লে। দেৱদ্বীৰুবোৰে প্ৰমাদ গণিলে।

## ॥ দানৱৰ আশ্বাস আৰু বৈষ্ণৱৰ যজ্ঞ ॥

দুৰ্যোধনৰ দুৰ্দশা দেখি দানৱবিলাকৰ মাজত মহা পয়মাল লাগিল। সিহঁতে আশা কৰি আছিল, দুৰ্যোধনক হাতত লৈয়েই সিহঁতে এদিন দেৱতাবিলাকক এশিকনি দিব পাৰিব। গতিকে, সিহঁতে দুৰ্যোধনৰ মনোবল ঘূৰাই আনিবৰ কাৰণে নানা উপায়ৰ কথা চিন্তিলে। অৱশেষত, সিহঁতে সিহঁতৰ ধৰণেৰে ৰাতিখোৱা যজ্ঞ পাতিলে—সেই ৰাতিয়েই।

যজ্ঞ শেষ হ'লত, জুইকুৰাৰ মাজৰ পৰা এটা অদ্ভুত ধৰণৰ দৈত্য ওলাই নাচিবলৈ ধৰিলে। নাচি নাচি সি দানৱবোৰক সুধিলে, "কি কৰিব লাগে, কোৱাঁ।" দানৱবোৰে তেতিয়া সেই নাচনিয়াৰ দৈত্যটোক ক'লে, "দুৰ্যোধন ৰজাক এতিয়াই পাতালপুৰীলৈ লৈ আনিবগৈ লাগে।"

দৈত্যটোৱে দুৰ্যোধনক চকুৰ পচাৰতে পাতালপুৰী পোৱালেহি। তেতিয়া দানৱবিলাকে দুৰ্যোধনক চাৰিওপিনে ঘেৰি লৈ ক'লে, "মহাৰাজ, আপোনাক আমি বহু তপস্যাৰ ফলতহে পাইছোঁ। মহাদেৱে আমাৰ তপস্যাত সন্তুষ্ট হৈ আপোনাৰ ক'কালৰ ওপৰছোৱা বজ্ৰৰ দৰে কঠিন আৰু অভেদ্য কৰি গঢ়ি দিছে। আকৌ, পাৰ্বতীয়ে আপোনাৰ ক'কালৰ তলৰছোৱা ফুলৰ দৰে কোমল আৰু নাৰীবিলাকৰ মন কাঢ়ি ল'ব পৰাকৈ আলফুলীয়া কৰি দিছে। সেয়েহে কৈছোঁ, মহেশ্বৰ আৰু মহেশ্বৰীয়ে আপোন হাতেৰে গঢ়ি উলিওৱা আপুনি এগৰাকী দিব্যপুৰুষ—সাধাৰণ তেজ-মঙহৰ মানুহ নহয়। আপুনি পৃথিৱীত এনেয়ে জন্মগ্ৰহণ কৰা নাই। আপোনাক সময় হ'লে সহায় কৰি দিবলৈ অনেক অসুৰ-দানৱেও জন্ম লৈছেগৈ। আৰু এবাৰ কথা শুনি থওক, সেই অসুৰ-দানৱসকল ভীষ্ম, দ্ৰোণ, কৃপ ইত্যাদিৰ শৰীৰত জনে জনে সোমাই পৰিবগৈ। গতিকে, সেইসকলে অসুৰবুদ্ধিৰে চালিত হৈ আপোনাৰ ফলীয়া হৈয়েই যুদ্ধ নকৰি নোৱাৰিব। তেওঁলোকে আপোনজন, বন্ধু-বান্ধৱ, শিষ্য-সেৱক কাকোৱেই নিস্কৃতি নিদিয়ে ; মাথোন একোলৰ পৰা বধ কৰি যাব। আপুনি হয়তো কৃষ্ণ আৰু অৰ্জুনৰ কাৰণে অলপ চিন্তিত হৈছে। আমহানি কৃষ্ণৰ হাতত নিহত নৰকাসুৰৰ আত্মাই কৰ্ণৰ দেহত সোমাই লৈ কৃষ্ণ আৰু অৰ্জুনক যুদ্ধৰ আচল জুঁতিটো দিব। আকৌ, আমি

সংশপ্তক বাহিনী নামেৰে কেইবাহেজাৰো দৈত্য-দানৱ আৰু অসুৰ-ৰাক্ষসৰ সৈন্যবাহিনী এটা গঢ়ি তুলিছোঁ। অৰ্জুন সিহঁতৰ হাতত মৰিব। আপুনি লঘোনে-ভোকে থাকি এইদৰে আত্মহত্যা কৰিবলৈ ওলোৱাৰ কোনো মানে নাই। কেলেহুৱা দেৱতাবোৰ থাকক পাণ্ডৱবোৰৰ ফলীয়া হৈ। সিবিলাকতকৈ শতগুণে বলী আমি দানৱবোৰ আছোঁ আপোনাৰ ফলীয়া হৈ।"

মাজনিশা দুৰ্যোধনে এই সকলোবোৰ কথা সপোনত শুনা কথাৰ দৰেই শুনিলে। মনত পৰিল, দানৱবিলাকে যেন তেওঁক বৰ আন্তৰিকভাৱে আলিংগন কৰিছিল।

ৰাতি পুৱাওঁ-পুৱাওঁ হওঁতেই কৰ্ণই আহি তেওঁক জগাই লৈ ক'লে, "উঠা সখা, উঠা। মৰাৰ পাচত শত্ৰুজয় কৰিব নোৱাৰি। জীয়াই থাকিহে শত্ৰুজয় কৰিব পাৰি। মই তোমাক কথা দিছোঁ, সিহঁতৰ বনবাস-যাপনৰ তেৰ বছৰ পূৰ হ'লেই মই অৰ্জুনক বধ কৰিম।"

দুৰ্যোধনৰ মনটো ফৰকাল লাগি আহিল। তাৰ পাচত, আকৌ গোটেইবোৰ হস্তিনাপুৰ অভিমুখে যাবলৈ লাগিল।

হস্তিনাপুৰ পোৱাৰ পাচত দুৰ্যোধনে এদিন ভীষ্মক দেখা কৰি আহিলগৈ। ভীষ্মই দুৰ্যোধনক মাথোন ইমানকে কৈছিল, "বোপা, তোমাক মই আগতেই কৈছিলোঁ, দ্বৈতবনলৈ নেযাবা। পাচত কি হ'লগৈ? গন্ধৰ্ববোৰে তোমাক বান্ধি-কুন্ধি লৈ গ'ল। শেষত জানিবা পাণ্ডৱবোৰে মোকলাই আনিলেগৈ। তোমাৰ সেই বন্ধুটো—সূতপুত্ৰ কৰ্ণ! ভয় খাই যুদ্ধক্ষেত্ৰৰ পৰা প্ৰাণ লৈ পলাল। সিমানকণ বীৰত্বৰে মানুহ সেইটো। আৰু পাণ্ডৱবিলাকলৈ চোৱা, গন্ধৰ্ববোৰেও হাতযোৰ কৰিহে ৰক্ষা পালে। ভাল কথা শুনা, বেগেতে পাণ্ডৱবিলাকৰ লগত সকলো বিবোধৰ মীমাংসা কৰি পেলোৱা।"

দুৰ্যোধনে ভীষ্মৰ কথবাৰ শুনি একো নক'লে। মাথোন বিটলীয়া হাঁহি এটা মাৰি দুৰ্যোধন তাৰ পৰা উঠি গুচি গ'ল। শকুনিও দুৰ্যোধনৰ পিচে পিচে গ'ল। ভীষ্মই বুজিলে, থবাং মাটিত কঠিয়া সিঁচি একো লাভ নাই।

উভতি গৈয়েই দুৰ্যোধনে কৰ্ণক ক'লে, "কথা এষাৰ ভাবিছোঁ। পাণ্ডৱবিলাকৰ নিচিনাকৈ ময়ো যদি ৰাজসূয় যজ্ঞ এটা পাতোঁ, তুমি বাৰু কেনে দেখা ?" কৰ্ণই তৎক্ষণাৎ কথাষাৰ সমৰ্থন কৰিলে, লোকৰ মুখত চুপ দিয়াৰ লেখীয়া হ'ব বুলি।

কিন্তু, পুৰোহিতে ক'লে, "উঁ-হোঁ, যেতিয়ালৈকে তোমাৰ পিতা আৰু যুধিষ্ঠিৰ জীয়াই থাকিব, তেতিয়ালৈকে তোমালোকৰ বংশৰ আৰু কোনেও ৰাজসূয় যজ্ঞ পাতিব নোৱাৰে। অৱশ্যে, আন এবিধ মহাযজ্ঞ আছে ; সেই মহাযজ্ঞ ৰাজসূয় যজ্ঞৰ সমান বুলিয়েই ক'ব পাৰি। স্বয়ং বিষ্ণুৰ বাহিৰে এতিয়ালৈকে আৰু আন কোনেও সেই যজ্ঞ পাতিব পৰা নাই। পাতিব খুজিলে সেই যজ্ঞকেই পাতিব পাৰা।"

দুৰ্যোধনে সুধিলে, কি সেই যজ্ঞ ? সেই যজ্ঞৰ ধৰণটোৱেই বা কেনেকুৱা ?

পুৰোহিতে বিতংকৈ ক'লে, "সেই যজ্ঞৰ নাম বৈষ্ণৱ যজ্ঞ। এই যজ্ঞ কৰিবলৈ হ'লে কৰতলীয়া ৰজাবোৰৰ পৰা সোণৰ চপৰা গোটাই আনি এটা সোণৰ নাঙল গঢ়াব লাগিব। তাৰ পাচত, সেই সোণৰ নাঙলেৰে মাটি চহাই তাতে যজ্ঞৰ বেদী পাতি হোম পুৰিব লাগিব। সেই যজ্ঞ কৰিব পাৰিলে মনৰ কামনা পূৰ হয়।" দুৰ্যোধনে সেই যজ্ঞ পতাটোকে থিৰাং কৰি পেলালে।

সময়ত দুৰ্যোধনে চাৰিওপিনে দূত পঠিয়াই ৰজা আৰু ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰিবলৈ ধৰিলে। দুঃশাসনে এজন দূতক একাষৰীয়াকৈ মাতি নি ক'লে, "সোনকালে দ্বৈতবনলৈ গৈ পাণ্ডৱকেইটাকো নিমন্ত্ৰণ কৰি থৈ আহগৈ।"

দূতৰ মুখত নিমন্ত্ৰণ পাই যুধিষ্ঠিৰে ক'লে, "ৰজা দুৰ্যোধন সঁচাকৈয়ে অতি ভাগ্যবান। সেয়েহে এইদৰে মহাযজ্ঞ পতাৰ সৌভাগ্য অৰ্জন কৰিছে। আমাৰে দুৰ্ভাগ্য, এতিয়াই যাব নোৱাৰিম—তেৰ বছৰ পূৰ হ'লেহে যাব পাৰিম।"

ভীমে মাত দিলে, "তুমি ক'বাগৈ, তেৰ বছৰ পূৰ হোৱাৰ পাচত যি যুদ্ধযজ্ঞৰ জুই জ্বলি উঠিব আৰু সেই জুইত যেতিয়া দুৰ্যোধনক আহুতি

দিয়া হ'ব, তেতিয়া সেয়া চাবলৈ যুধিষ্ঠিৰ যাব। যেতিয়া সেই যজ্ঞৰ জুইত ধৃতৰাষ্ট্ৰৰ পুতেকৰ কেইটা পুৰি মৰিবলৈ ধৰিব আৰু দুমাৰ খোজা জুইকুৰা জুলাই ছুলিবলৈ যেতিয়া তাত পাণ্ডৱবিলাকে খৰৰ ঘিউ হেপাহ পলুৱাই ঢালিবৰ সময় হ'ব, তেতিয়া ভীমসেন যাব। দূত, তুমি মোৰ মুখৰ এই কথাখিনি দুৰ্যোধনক মুকলিকৈ ক'বাগৈ।"

যি কি নহওক, সময়ত দুৰ্যোধনৰ যজ্ঞ কৰাৰ ধাউতিটো পূৰ হ'ল। নানাজনে নানা ধৰণৰ মন্তব্য দিলে। কোনোবাই ক'লে, ক'ত ৰাজসূয় যজ্ঞ আৰু ক'ত বৈষ্ণৱ যজ্ঞ! কোনোবাই খেমেলীয়াকৈ ক'লে, মৌ-জোল নেপালে গুৰ এচিকটা খায়েই টকালি পাৰিবা! কৰ্ণই ক'লে, "মহাৰাজ, এয়া ৰাজসূয় যজ্ঞৰ আখৰা বুলিয়েই ধৰি থোৱা। যুদ্ধ শেষ হ'লে, পাণ্ডৱবিলাকৰ মৰিশালিত সেই যজ্ঞ পাতিব পাৰিবা। মই শপত খাই ক'লোঁ, যেতিয়ালৈকে অৰ্জুনক বধ কৰিব নোৱাৰোঁ, তেতিয়ালৈকে মই মোৰ ভৰি নোধোওঁ, মঙহ নাখাওঁ, মদ নোচোওঁ আৰু যেয়ে যি বস্তুকে নিবিচাৰক, মই নিদিওঁ নোহোৱাকৈ নাথাকোঁ।"

## ॥ দুৰ্বাসাৰ দুৰন্ত ক্ষুধাৰ লীলা ॥

যুধিষ্ঠিৰে এৰাতি সপোন দেখিলে, এজাক পহুৱে আহি কান্দি কান্দি কৈছেহি—"মহাৰাজ, এই দ্বৈতবনত পহু বুলি ক'বলৈ মাথোন আমিহে বাকী ৰৈছোঁগৈ। আপোনাৰ বীৰ ভাইকেইগৰাকীয়ে আমাৰ লগৰীয়াবোৰ চিকাৰ কৰি শেষ কৰিলে। মহাৰাজ, আপোনাৰ ওচৰত মিনতি জনাইছোঁ, আমাৰ পো-পোৱালি দুটামান হ'বলৈ দিব লাগে।" তেতিয়া তেওঁ ক'লে, "বাৰু, তাৰ ব্যৱস্থা কৰা হ'ব।"

পুৱা সাৰ পাই উঠি তেওঁৰ সপোনটোৰ কথাখিনি মনত পৰিল। তেওঁ থিৰাং কৰিলে, আকৌ তেওঁলোক কাম্যক বনলৈ উভতি যাব। ভায়েকহঁতক কথাষাৰ কোৱাৰ লগে লগে আটাইকেয়োজনে সেইটোকে ভাল বুলিলে।

ইয়াৰ সেই সময়ৰে কথা। এদিন দুৰ্বাসা মুনিয়ে লগত দহ হেজাৰ শিষ্য

লৈ দুৰ্যোধনক ক'লেহি, তেওঁলোক কেইদিনমানৰ কাৰণে হস্তিনাপুৰতে আলহী হৈ থাকিব। পেটে পেটে ভীষণ ভয় খালে যদিও, দুৰ্যোধনে দুৰ্বাসাৰ কথা শুনি বৰ সন্তোষ পোৱা যেন দেখুৱালে। দুৰ্যোধনে জানিছিল, দুৰ্বাসাৰ লেখীয়া খঙাল ঋষি দ্বিতীয় এজন নাই। অকণমান কিবা হীনডেৈাঢ় ঘটিলেই তেওঁ শাপ দি গোটেইখন ভস্ম কৰি পেলাব খোজে।

দুৰ্বাসাৰ খোৱা-বোৱাৰ সময়ৰ কোনো ঠিক নাই। কেতিয়াবা হয়তো পুৱা চকু মোহাৰি উঠিয়েই ক'লে, "আজি দুপৰীয়াৰ সাজ একো নেখাওঁ।" কিন্তু দুপৰীয়া হয়তো ক'ৰবাৰ পৰা পাক মাৰি আহিয়েই ক'লেহি, "আজি ভোকতে মোৰ পেটৰ নাড়ী-ভুৰু ছিগোঁ-ছিগোঁ হৈছে। কি আছে, খাবলৈ দিয়া।" আকৌ, কেতিয়াবা হয়তো ৰাতিপুৱাই ভীষণ ভোক লাগিল। কিন্তু, খাবলৈ লৈ হয়তো তেনেই আভোক লাগিল! দুৰ্বাসাৰ ভোকটো যে কেতিয়া ভমক্‌কৈ জ্বলি উঠা জুইকুৰাৰ লেখীয়াকৈ লাগি আছে, আৰু যে কেতিয়া হঠাতে কেনেকৈ তেনেই নোহোৱা হৈ পৰে—কোনেও তাৰ উমান ধৰিব নোৱাৰে।

সেই দুৰ্বাসাকো দুৰ্যোধনে ভালকৈ আলপৈচান ধৰি সন্তুষ্ট কৰিলে। দুৰ্বাসা ৰুষ্ট হ'লে যেনেকৈ বিপদ, তুষ্ট হ'লেও তেনেকৈ সম্পদ। দুৰ্বাসাই দুৰ্যোধনক ক'লে, "তোমাৰ সেৱাত মই অতি সন্তুষ্ট। এতিয়া তোমাক কি বৰ লাগে, কোৱা।" দুৰ্যোধনে কি বৰ ল'ব, সেয়া আগতেই কৰ্ণ আৰু দুঃশাসনৰ লগত আলোচনা কৰি থিৰাং কৰি থৈছিল। গতিকে, দুৰ্যোধনে তত্‌ক্ষণাত সেই ভাবি থোৱা বৰটো খুজিলে, "প্ৰভু, আপুনি যদি মোৰ ওপৰত সন্তুষ্ট হৈছে, তেনেহ'লে এই বৰ দিয়ক যে আপুনি আপোনাৰ শিষ্যবৰ্গৰে সৈতে এদিন আমাৰ বংশৰ ভাণ্ডবজনা ভাতৃ ধৰ্মাত্মা যুধিষ্ঠিৰৰ আলহী হ'বগৈ লাগে। কৃপা কৰি আপুনি সেইদিনা অসময়ত ওলাবগৈ—দ্ৰৌপদীয়েও যেতিয়া তেওঁৰ দিনৰ সাজ খাই উঠিব, ঠিক তেতিয়া।" দুৰ্বাসা তৎক্ষণাৎ মান্তি হ'ল।

দুৰ্যোধনৰ আনন্দ বয়নাৰে চপাব নোৱৰা হ'ল। ভাবিলে, এইবেলি দ্ৰৌপদীৰ তামৰ চৰুৰ মহিমাই দুৰ্বাসাৰ ভোকৰ মহিমাক চেকাই যাব

নোৱাৰিব! চোৰাংচোৰাৰ মুখে দুৰ্যোধনে গম পাই আছিল, সেই তামৰ চৰুটো লৈয়েই পাণ্ডৱবিলাকে অতবোৰ আলহী-অতিথিকো সোধ-পোছ কৰি উঠি বনবাস খাটিও ৰাজভোগ কৰি আছে। এইবাৰ বুঢ়াৰ হাতত চেঙেলী পৰিব।

এদিন দুপৰীয়া পাণ্ডৱসকলে খাই-বৈ উঠাৰ পাচত দ্ৰৌপদীয়েও অৱশিষ্টখিনি খাই উঠি মুখ-হাত ধুলে। জিৰণি ল'ব খোজোঁতেই, লগত দহ হেজাৰ শিষ্য লৈ দুৰ্বাসা ওলালগৈ—কাম্যক বনত। যুধিষ্ঠিৰে দুৰ্বাসাক আদৰ-অভ্যৰ্থনা কৰাৰ পাচত দুৰ্বাসাই জনালে, "বোপা যুধিষ্ঠিৰ, ভোকত ৰক্ষা পোৱা নাই। তোমাৰ ইয়াতেই এমুঠি খাই যাম।" যুধিষ্ঠিৰে ক'লে, "প্ৰভু, আপুনি বাৰু পূজা-পাতল কৰি উঠি গা-পা ধুই আহকগৈ। যি পাৰোঁ, যোগাৰ কৰোঁ।"

দুৰ্বাসা গা ধুবলৈ ওলাই যোৱাৰ লগে লগে দ্ৰৌপদীয়ে অতি আকুল কণ্ঠেৰে কৃষ্ণৰ আৰাধনা কৰিবলৈ ধৰিলে, "হে প্ৰভু, তুমিয়েই অগতিৰ গতি। ধৃতৰাষ্ট্ৰৰ ৰাজসভাত দুঃশাসনৰ হাতৰ পৰা তুমিয়েই মোক উদ্ধাৰ কৰিছিলা। আজিও এই দুৰ্বাসাৰূপী দুৰ্বিপাকৰ পৰা তুমিয়েই মোক ৰক্ষা নকৰিলে, ৰক্ষাকৰোঁতা আৰু কোনো নাই।"

দ্ৰৌপদীৰ আকুল প্ৰাৰ্থনা শুনি কৃষ্ণৰূপী ভগৱান কাম্যক বনত ওলালহি। দ্ৰৌপদীয়ে তেওঁক যেতিয়া দুৰ্বাসা অহাৰ বাতৰিটো দিলে, কৃষ্ণই তেতিয়া ক'লে, "কৃষ্ণা, আগতে তুমি মোক কিবা এমুঠি খাবলৈ দিয়া। মোৰো ভীষণ ভোক লাগিছে। মই মোৰ পেটৰ জুইকুৰা নুমুৱাই ল'ব নোৱাৰিলে, দুৰ্বাসাৰ জঞ্জালটোৰ কথা চিন্তাই কৰিব নোৱাৰিম যেন পাইছোঁ।"

দ্ৰৌপদীয়ে তেতিয়া লাজতে মূচ্‌কচ্‌ যোৱাৰ দৰে হৈ ক'লে, "মই নোখোৱালৈকেহে সেই তামৰ চৰুটো উদং নহয়। সকলোৱে খাই বৈ উঠাৰ পাচত ময়ো খাই উঠিলোঁ। এতিয়া তাত খুদকণ এটাও নাই। তোমাক বাৰু এতিয়া কি খুৱাওঁ?"

কৃষ্ণই তেতিয়া গহীন ভাও এটা ধৰি ক'লে, "কৃষ্ণা, এতিয়া সেইবোৰ টাং-উজুজি কৰি থকাৰ সময় নাই। মোৰ ভোকটো পেটৰ পৰা

উজাৰ খাই মৰেত উঠিছেগৈ। তুমি বাৰু চৰুটো আনি মোক এবাৰ দেখুওৱাহিচোন।"

দ্ৰৌপদীয়ে শুদা চৰুটো আনি কৃষ্ণক দেখুৱালেহি। কৃষ্ণই চৰুটোৰ কানত এটা ভাত আৰু অকণমান আঞ্জা লাগি থকা দেখা পালে। তাকে আঙুলিৰে চুঁচি আনি জিভাৰ আগত ল'লে। সেইকণ খাই উঠিয়েই কৃষ্ণই ক'লে, "বিশ্ব-আত্মাৰ যেন এই ভোজনেৰেই পৰিতৃপ্তি ঘটে।" এইবুলি কৈয়েই তেওঁ ভীমৰ ফালে চাই ক'লে, "যোৱাচোন, সেই ঋষি-মুনিবোৰক ভাত-পানী খাবলৈ মাতি আনাগৈ।"

দুৰ্বাসা আৰু তেওঁৰ শিষ্যৰ দলটোৱে তেতিয়া নৈৰ পানীত নামি মন্ত্ৰ জপ কৰি আছিল। তাৰ পাচত জোবোৰা এটা মাৰিয়েই উঠি গৈ পাণ্ডৱ-সকলৰ আগত অতপালি কৰি দেখুওৱাৰ কথা। কিন্তু, হঠাৎ তেওঁলোকৰ কি হ'ল ক'ব নোৱাৰি, আটাইবোৰৰে উগাৰ আহিবলৈ ধৰিলে। প্ৰত্যেকৰে পেটটো ঠিহঠিহাই উঠিল—যেন ক'তো এটা খুদকণ, এটোপাল পানীও আৰু নাটিবগৈ। শিষ্যবোৰে দুৰ্বাসাক কথাষাৰ ক'লে, "ব্ৰহ্মৰ্ষি, আমাৰ গোটেইবোৰৰে আভোক লাগিছে। তালৈ গৈ এগৰাহ ভাতো খাব নোৱাৰিম।" দুৰ্বাসাই উত্তৰ দিলে, "এনেয়ে ভাত-পানী ৰন্ধাই আমি ৰাজৰ্ষি যুধিষ্ঠিৰৰ অগৰহে লগালোঁ। পাণ্ডৱসকল মহাধাৰ্মিক। গতিকে, আমি এনেয়ে উৎপাত কৰিলোঁ বুলি আমাৰ ফালে খংমুৱাকৈ চালে, আমি গোটেইবোৰ পুৰি ভস্ম হ'ম। গতিকে, এতিয়া তেওঁলোক আহি নৌ-পাওঁতেই গোটেইবোৰ পলোৱাঁ।"

ভীমে নৈ-পাৰলৈ আহি দেখিলে, কোনো নাই। বাতৰিটো পায়েই পাণ্ডৱসকল চিন্তাত পৰিল। হয়তো দুৰ্বাসাই মাজৰাতিহে তেওঁৰ চংটো দেখুৱাবহি। গতিকে, ৰাতিলৈ দ্ৰৌপদী সযোগে থকাই ভাল হ'ব। কৃষ্ণই তেতিয়া সকলো কথা ভাঙি ক'লে। তাৰ পাচত যুধিষ্ঠিৰক ক'লে, "ভয় কৰিব নালাগে। দুৰ্বাসা আপোনাসকলৰ তেজ দেখি থাকিব নোৱাৰিলে, পলাল।"

দুৰ্যোধনে এনেয়ে বাট চাই বৈছিল, পাণ্ডৱসকলৰ কিবা অঘটন ঘটাৰ বাতৰি এটা পাবলৈ। চোৰাংচোৱাই বাতৰি দিলেহি, যোলে দুৰ্বাসাহে পলাল।

## ॥ জয়দ্ৰথৰ দ্ৰৌপদীহৰণ ॥

অন্য এদিনৰ কথা। পঞ্চ পাণ্ডৱে সিদিনাখন মহৰ্ষি ধৌম্যৰ অনুমতি লৈ মৃগয়া কৰিবৰ বাবে ওলাই গৈছিল। দ্ৰৌপদী অকলশৰে আশ্ৰমৰ আগ-চোতালত বহি আছিল।

এনেতে সেইফালেদি দুৰ্যোধনৰ ভনী-জোঁৱায়েক সিন্ধুৰাজ জয়দ্ৰথ পাৰ হৈ গৈছিল। তেওঁৰ উদ্দেশ্য আছিল, শাল্বৰাজৰ ৰাজকুঁৱৰীক বিবাহ কৰিবৰ বাবে ৰজাৰ ওচৰত প্ৰাৰ্থনা কৰা। তেওঁৰ লগত আৰু কেইবাজনো কৰতলীয়া ৰজা আৰু ৰাজকোঁৱৰ আছিল। তদুপৰি, অনেক হাতী-ঘোঁৰা আৰু সৈন্য-সামন্তও আছিল। হঠাৎ দ্ৰৌপদীক দেখা পাই জয়দ্ৰথে তেওঁৰ সাৰথিক ৰথখন ৰখাবলৈ ক'লে। ওচৰতে থকা লগৰীয়া-ৰজা কোটিকাস্যক ক'লে, "এই ৰূপহীগৰাকী বাৰু কোন? তেওঁৰ ৰূপৰ জেউতিয়ে গোটেইখন পোহৰাই থৈছে। এওঁক পালে মই শাল্বৰাজ্যলৈ নেযাওঁ। বন্ধু, তুমি জানি আহাঁগৈচোন—এওঁনো কোন, এওঁৰ ৰখীয়াই বা কোন? লগতে গম লৈ আহিবা, তেওঁ মোক গ্ৰহণ কৰিবলৈ সাজু আছে নে নাই।"

শিয়াল যেনেকৈ বাঘিনীৰ ওচৰ চাপে, ঠিক তেনেকৈ কোটিকাস্যই দ্ৰৌপদীৰ ওচৰ চাপি সুধিলে, "হে সুন্দৰী, তোমাৰ পৰিচয়টো জানিব পাৰোঁ নে? তুমি কোন—অপ্সৰী নে মানৱী? তুমি ইয়াত অকলশৰে কি কৰিছাহি? মই কোটিকাস্য—সুৰথ ৰজাৰ পুত্ৰ। মোৰ লগত আৰু বাৰজন ৰজা-ৰাজকোঁৱৰ আছে। আমি সকলোবোৰ সিন্ধুৰাজ জয়দ্ৰথৰ লগত দলে-বলে আহিছোঁ।"

দ্ৰৌপদীয়ে তেতিয়া উত্তৰ দিলে, "এতিয়া ইয়াত আৰু কোনো নাই। সেইকাৰণে, ময়েই মুখামুখিকৈ আপোনাৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলগীয়াত পৰিছোঁ। মই পাঞ্চালৰাজ দ্ৰুপদৰ কন্যা, ইন্দ্ৰপ্ৰস্থ ৰাজ্যৰ পঞ্চ পাণ্ডৱ মোৰ স্বামী। মোৰ স্বামীসকল এতিয়া মৃগয়া কৰিবলৈ ওলাই গৈছে। আপোনাসকল আটাইবোৰ যানবাহনৰ পৰা নামি আহি আমাৰ আতিথ্য গ্ৰহণ কৰককহি। আপোনাসকলক দেখা পালে অতিথিপ্ৰিয় ধৰ্মপুত্ৰ যুধিষ্ঠিৰে পৰম সন্তোষ পাব।"

কোটিকাস্যই কথাখিনি জয়দ্ৰথক জনালত, তেওঁ আনন্দত ক'ব নোৱৰা হৈ ক'লে, "এই ৰূপহীক দেখি মোৰ ধাৰণা হৈছে, বাকী গোটেইবোৰ সুন্দৰী তেনেই বান্দৰী।" এইবুলি কৈয়েই তেওঁ লগত ছ'জন গা-ৰখীয়া লৈ আশ্ৰমত সোমাবৰ বাবে ৰথৰ পৰা নামিল।

দ্ৰৌপদীয়ে তেওঁলোকক আদৰ-সাদৰকৈ আগবঢ়াই নি চোতালতে বহুৱালেগৈ। তাৰ পাচত, পদুৱাৰ জলপানৰ যোগান ধৰিলেহি। জা-জলপানখিনিৰ ওপৰত এবাৰ চকু ফুৰাই লৈয়েই জয়দ্ৰথে ক'লে, "তোমাৰ হাতৰ জা-জলপান নিশ্চয় অতি মিঠা লাগিব। কিন্তু, সেইবোৰৰ জুতি ল'বলৈ মোৰ সময় নাই। ব'লা, তুমি মোৰ ৰথত উঠিবাগৈ। পাণ্ডৱ-বিলাকৰ লগত থাকি এইদৰে জীৱনটো নষ্ট কৰিব নেলাগে। তুমি বৰং মোৰ মহিষী হৈ সিন্ধুৰাজ্যৰ ঐশ্বৰ্য ভোগ কৰিবাগৈ, ব'লা।"

দ্ৰৌপদীয়ে খঙত জ্বলি-পকি উঠি ক'লে, "মূৰ্খ, মহাবীৰ পাণ্ডৱ-সকলক নিন্দা কৰাৰ দুঃসাহস তই ক'ত গোটালি? নিধক কুকুৰ, তই গম পোৱা নাই শুই থকা সিংহক জোকাই লৈ তোৰ কি গতি হ'ব?"

জয়দ্ৰথে উত্তৰ দিলে, "সুন্দৰী, তুমি খং কৰি সময় নষ্ট নকৰিবা। পাণ্ডৱবিলাক কিমান পানীৰ মাছ, মই জানো। গতিকে, তুমি মোৰ ৰথত উঠাগৈ—বেলি নকৰিবা। মোৰ কথা নুশুনিলে, বলেৰে তোমাক হৰণ কৰি লৈ যাম। ভালেৰে কৈছোঁ, তুমি মোক ভজনা কৰা।"

দ্ৰৌপদীয়ে তেতিয়া ক'লে, "হেৰ', তই মোক অবলা বুলি নেভাবিবি—তোক মই ভজনা কৰিবলৈ। জহকালি শুকান বিৰিণানিত লগা জুইৰ দৰে তোৰ সৈন্য-সামন্তবোৰ এফালৰ পৰা ধ্বংস কৰি অৰ্জুন যেতিয়া তোৰ ওচৰ পাবহি, তই তেতিয়া লুকাবলৈ ঠাই বিচাৰি নেপাবি। তই যেতিয়া অৰ্জুনৰ শৰবৰ্ষণ দেখিবলৈ পাবি, ভীমৰ গদাৰ লোহ-প্ৰহাৰত ঠেৰেঙা লাগিবি, নকুল আৰু সহদেৱৰ তৰোৱালৰ বিজুলী-চমকত থৰ লাগি ৰ'ব তেতিয়া তই তোৰ নিজৰ দুৰ্বুদ্ধিক নিজেই গৰিহণা দিবি।"

তথাপি যেতিয়া দ্ৰৌপদীক খামুচি ধৰিবলৈ জয়দ্ৰথ আগবাঢ়ি আহিল, দ্ৰৌপদীয়ে তেতিয়া জয়দ্ৰথক গোটেই গা'ৰ জোৰেৰে ঠেলা মাৰি পঠিয়ালে। জয়দ্ৰথ হামখুৰি খাই পৰিলগৈ। পাচ মুহূৰ্ততে জয়দ্ৰথে

উঠি আহি দ্ৰৌপদীক হাত এখনত ধৰি টানি নি ৰথত তুলিলেগৈ। দ্ৰৌপদীয়ে মাথোন চিঞৰি চিঞৰি পুৰোহিত ধৌম্যকহে মাতিব পাৰিলে।

দ্ৰৌপদীৰ চিঞৰ শুনি ধৌম্য ওলাই আহি জয়দ্ৰথৰ ৰথৰ পাচে পাচে দৌৰিবলৈ ধৰিলে। তেওঁো চিঞৰি চিঞৰি মাথোন এবাৰ কথাহে জয়দ্ৰথক ক'ব পাৰিলে, "জয়দ্ৰথ, পাণ্ডৱসকলে ঘূৰি আহি তোমাৰ ওপৰত ভীষণ প্ৰতিশোধ ল'ব। দ্ৰৌপদীক তুমি তৎক্ষণাৎ মুক্তি দিয়া।"

অলপ পাচতে পাণ্ডৱসকল মৃগয়াৰ পৰা উভতি আহিল। গোটেইখন নিজম পৰি থকা দেখিয়েই তেওঁলোকৰ গা চেবালে—নিশ্চয় দ্ৰৌপদীৰ কিবা এটা ঘটিছে। লিগিৰী এজনীয়ে কান্দি-কাটি কথাটোৰ উমান দিলে, বিপদ সঁচাসঁচিকৈয়ে ঘটিছে। লগে লগে লিগিৰীজনীয়ে আঙুলিয়াই দেখুওৱা দিশেৰে পাণ্ডৱসকলৰ ৰথকেইখন বিজুলী-বেগেৰে যাবলৈ ধৰিলে।

কিছুদূৰ গৈয়েই তেওঁলোকে দেখা পালে, ৰথৰ চকাৰ আৰু ঘোঁৰাৰ খুৰাৰ পৰা উৰি থোৱাঁকোৱা লগোৱা ধূলিৰ কুঁৱলী। লগে লগে কাণত পৰিল, ভীমক চিঞৰি চিঞৰি মাতিবলৈ ধৰা ধৌম্যৰ কণ্ঠস্বৰ। তাৰ পাচতে ফটফটীয়াকৈ দেখা পালে, জয়দ্ৰথৰ ৰথত তেওঁলোকৰ যাজ্ঞসেনী। পঞ্চ পাণ্ডৱ খঙত জ্বলি উঠিল। ইফালে পাণ্ডৱসকলৰ ৰথৰ চূড়াত থকা পতাকাৰ আগবোৰ দেখিয়েই জয়দ্ৰথৰ বুকু ভয়তে চমচমাই উঠিল। জয়দ্ৰথে লগৰীয়া-ৰজাবিলাকক ক'লে, "তোমালোকে আগচি ধৰা। শত্ৰুৰ ওপৰত জঁপিয়াই পৰা।" এইবুলি কৈয়েই জয়দ্ৰথে নিজৰ ৰথ আৰু বেচি বেগেৰে চেকুৰাই দিবলৈ সাৰথিক আদেশ কৰিলে।

জয়দ্ৰথৰ লগৰীয়া-ৰজাবোৰৰ লগত পঞ্চ পাণ্ডৱৰ ভয়ামৰা ৰণ লাগিল। কোটিকাস্য ৰজা ভীমৰ গদাৰ একেটা কোবতে যমৰ ৰাজ্যৰ আলহী হ'লগৈ। আৰু কেইবাটাও ৰজা-ৰাজকোঁৱৰ অৰ্জুনৰ শৰ-প্ৰহাৰত থাকিব নোৱাৰি সেই একেটা বাটেৰেই গ'লগৈ। মাহৰ মাৰ দেখি তিলে যে'ত মেলাৰ দৰে জয়দ্ৰথে ৰথ ৰখাই দ্ৰৌপদীক তাৰ পৰা নমাই থৈ হাবিৰ ফাললৈ পলাবলৈ ধৰিলে। যুধিষ্ঠিৰে নকুলাকৈ

আগবাঢ়ি দ্ৰৌপদীক নিজৰ ৰথত তুলি ল'লেগৈ। তাকে দেখি ভীমে ক'লে, "দ্ৰৌপদী, নকুল-সহদেৱ আৰু পুৰোহিত ধৌম্যক লৈ আপুনি আশ্ৰমলৈ উভতি যাওকগৈ। দুৰাচাৰ জয়দ্ৰথে আজি স্বয়ং দেৱৰাজ ইন্দ্ৰকো লগত লৈ পাতালত সোমালেগৈয়ো মোৰ হাতৰ পৰা জীয়াই সাৰিব নোৱাৰে।"

যুধিষ্ঠিৰে ক'লে, "ভীমসেন, জয়দ্ৰথটো যিমানেই কি পাপী নহওক, দুঃশলা আৰু গান্ধাৰীৰ কথা সুঁৱৰি প্ৰাণে মৰাটো উচিত নহ'ব।"

যুধিষ্ঠিৰৰ মুখত তেনেকুৱা উচিত-অনুচিতৰ কথা শুনি দ্ৰৌপদী খঙত জ্বলি উঠিল, "হে মহাবাহু, তুমি যদি সঁচাকৈয়ে মই ভালপোৱা কাম কৰিব খুজিছা, তেনেহ'লে তুমি সেই পাপী নৰাধমটোক বধ কৰিবই লাগিব। যি শত্ৰুৱে ভাৰ্যা বা ৰাজ্য হৰণ কৰে, তাক কেতিয়াও নিষ্কৃতি দিব নেপায়।"

ভীম আৰু অৰ্জুন দুয়ো মহাবিক্ৰমেৰে জয়দ্ৰথৰ পিচে পিচে খেদি গ'ল। অৰ্জুনৰ শৰ-বৰ্ষণত জয়দ্ৰথৰ ৰথৰ ঘোঁৰা আটাইকেয়োটা মৰিল। উপায় নেদেখি জয়দ্ৰথে ৰথৰ পৰা নামি দৌৰি পলাব খুজিলে। অৰ্জুনে তাকে দেখি চিঞৰি চিঞৰি জয়দ্ৰথক ক'লে, "হেৰা ৰজা-পোৱালি, তুমি হবলা এইটো সাহস লৈয়েই নাৰীহৰণৰ বীৰত্ব দেখুৱাবলৈ গৈছিলা? মপলাবা, পালি-পহৰীয়াবোৰক শত্ৰুৰ হাতত গ'তাই থৈ তুমি ক'লৈ পলাইছা?" জয়দ্ৰথ কিন্তু পিচলৈ উলটি চাবৰ বাবেও থমকি নৰ'ল— প্ৰাণটোকি দৌৰিবলৈ ধৰিলে।

অৰ্জুনে হাঁহি সামৰিব নোৱাৰিলে। বৈ দিলে। ভীম কিন্তু নৰ'ল। আৰু দুখোজমান দৌৰি গৈয়েই ভীমে জয়দ্ৰথৰ পাহুকটো ছুলিকোছা থাপ মাৰি ধৰিলে। দাঁত-মুখ কৰচি ক'লে, "আজি তই ক'লৈ পলাবি? কটা নিথক, তোক আজি যমৰ ঘৰত আলহী নকৰাকৈ নেৰিছোঁ।" এইবুলি কৈয়েই ভীমে জয়দ্ৰথক থেকেচা মাৰি মাটিত পেলায়েই মুখতে এটা ভুকুগোৰ শোধালে। তাৰ পাচত, জয়দ্ৰথৰ কৰঙন দুটা চপাই লৈ ওপৰলৈ তুলি আনি নিজৰ কৰঙন দুটাৰ মাজত সুমুৱাই এনেদৰে চেপিবলৈ ধৰিলে, যেন খুঁছিয়াৰ-শালৰ বেতোৰত কুঁহিয়াৰ

গছহে চেপিছে। জয়দ্ৰথে ধৰফৰাবলৈ ধৰিলে। লগে লগে ভীমে সেই সিন্ধুবীৰৰ পিঠিয়ে-মূৰে দুটামান গেমেহা কিল শোধালে। জয়দ্ৰথ সেইখিনিতেই মূৰ্ছা গ'ল।

এনেতে অৰ্জুনে ভীমক সোঁৱৰাই দিলে, যুধিষ্ঠিৰে জয়দ্ৰথক প্ৰাণে মাৰিবলৈ হাক দি থৈ গৈছে।

যুধিষ্ঠিৰৰ কথাষাৰ মনত পৰি ভীমৰ ধৰ্মৰাজৰ ওপৰতো খং উঠি গ'ল। ক'লে, "আঃ! তোমাৰ কাৰণেই যতমানে গণ্ডগোল! সকলো কামত কেৱল বিধি-পথালি দি ফুৰিবা! ইয়াক এতিয়া কি কৰোঁ!" এইবুলি কৈয়েই ভীমে অৰ্ধচন্দ্ৰ বাণ এপাট লৈ জয়দ্ৰথৰ মূৰৰ চুলিত পাঁচোটা সেওঁতা ফলাৰ লেখীয়াকৈ চুলি কুৰাই পটি আঁকি দিলে; আৰু বাকীখিনি চুলিৰে গাঁঠি বান্ধি পাঁচোটা জটা কৰি দিলে। তাৰ পাচত, ভীমে ইতিমধ্যে চেতনা ঘূৰাই পোৱা জয়দ্ৰথক ক'লে, "তই যদি জীয়াই থাকিব খুজিছ, তেনেহ'লে তই সকলোতে কৈ ফুৰিব লাগিব যে তই আমাৰ যাউতিযুগীয়া দাস। ক'বিনে নকৱ, ক।" জয়দ্ৰথে লগে লগে তিনি সইত খাই কথাষাৰ ক'বলৈ মান্তি হ'ল।

ভীমে জয়দ্ৰথক জৰীৰে বান্ধি ৰথত তুলি যুধিষ্ঠিৰৰ ওচৰ পোৱালেহি।

যুধিষ্ঠিৰে জয়দ্ৰথক সেই অৱস্থাত দেখি ফিচিককৈ হাঁহি এটা মাৰি ভীমক ক'লে, "ইয়াক যাবলৈ দিয়া।" ভীমে তেতিয়া ক'লে, "তাৰ আগতে আপুনি দ্ৰৌপদীক কওক যে ই আমাৰ যাউতিযুগীয়া দাস বুলি নিজমুখেৰে স্বীকাৰ কৰিছে। দ্ৰৌপদীয়ে নিজে সুধি চাওক, হয়নে নহয়।"

দ্ৰৌপদীয়ে তেতিয়া ভীমক উদ্দেশ্য কৰি ক'লে, "ইয়াৰ মূৰত পাঁচোটা জটা দেখিয়েই বুজিছোঁ, ই যে আমাৰ যাউতিযুগীয়া দাস। এতিয়া তাক মুকলি কৰি দিয়াই ভাল নেকি!"

ভীমে তেতিয়া জয়দ্ৰথৰ হাতে-ভৰিয়ে বান্ধি থোৱা জৰীৰ বান্ধোনবোৰ খুলি দিলে। মুক্তি পায়েই জয়দ্ৰথে যুধিষ্ঠিৰক ভক্তিভাবে সেৱা কৰিলে। যুধিষ্ঠিৰে ক'লে, "আপোনালোকে মনত ৰাখিবা, এনেধৰণৰ অতপালি কৰুনাই কৰা দেখিলে কোনেও তোমাক ক্ষমা নকৰে। এইবাৰলৈ দুঃশলাৰ কপাল-গুণতে ৰক্ষা পৰিলা!"

লাজে-অপমানে মৰ্মাহত হৈ জয়দ্ৰথে গংগাস্নান কৰি উঠি মহাদেৱক ধিয়াই তপস্যা কৰিবলৈ ল'লে। জয়দ্ৰথৰ কঠোৰ তপস্যাত মহাদেৱ সন্তুষ্ট হ'ল। তেওঁ জয়দ্ৰথক সুধিলে, "কি বৰ লাগে, কোৱা।"

জয়দ্ৰথে তেতিয়া ক'লে, "হে দেৱাদিদেৱ, মোক এই বৰ দিয়ক— যেন যুদ্ধক্ষেত্ৰত মই পঞ্চ পাণ্ডৱক জিনিব পাৰোঁ।"

মহাদেৱে খাটাং কথা ক'লে, "উঁ-হো, সেইটো বৰ নিদিওঁ। তথাপি থাৰু এই বৰ দিলোঁ, অৰ্জুনক বাদ দি বাকী চাৰিওজন পাণ্ডৱকে সৈন্য-সামন্তৰ সৈতে মাথোন এদিনৰ কাৰণে জিনিব পাৰিবা।"

## ॥ দাতাকৰ্ণৰ কবচ-কুণ্ডল হৰণ ॥

যুধিষ্ঠিৰে যেতিয়া শুনিবলৈ পালে, কৰ্ণই ভীষণ প্ৰতিজ্ঞা কৰিছে যে তেওঁ অৰ্জুনক বধ কৰিবই, সেই তেতিয়াৰে পৰা যুধিষ্ঠিৰৰ চকুত কেইদিনলৈকে টোপনি নাছিল। শেষত যেতিয়া লোমশ মুনিয়ে বাতৰিটো দিছিলহি যে স্বয়ং দেৱৰাজ ইন্দ্ৰই কৰ্ণৰ কবচ আৰু কুণ্ডলযোৰ হৰণ কৰিব বুলি প্ৰতিজ্ঞা কৰিছে, তেতিয়াহে যুধিষ্ঠিৰৰ মনলৈ শান্তিৰ ভাবটো উভতি আহিল। কাৰণ, কৰ্ণৰ বুকুত থকা এই কবচ বা বৰ্মযোৰ আৰু কাণত থকা কুণ্ডল বা কঁৰিয়াযোৰ ওপজোঁতেই তেওঁৰ গা'ত লাগি আহিছিল; অথচ, আনবোৰ বীৰ-মহাবীৰে সেই দুটা বস্তু পিন্ধিহে লব লাগে: যুধিষ্ঠিৰে জানিছিল, সেই দুয়োটা অলৌকিক বস্তুৰ গুণতে কৰ্ণ অজেয় আৰু অভেদ্য হৈ ৰ'ব; সেইকাৰণেই, যুধিষ্ঠিৰ চিন্তিত হৈ পৰিছিল। বনবাস-যাপনৰ কাল উকলি আহিবলৈ ধৰাৰ লগে লগে যুধিষ্ঠিৰক আকৌ সেই দুশ্চিন্তাটোৱে জুমুৰি দি ধৰিলেহি। ইফালে দেৱৰাজ ইন্দ্ৰও তেওঁৰ প্ৰতিজ্ঞা পালন কৰিবলৈ সচেষ্ট হ'ল।

ইন্দ্ৰৰ অভিপ্ৰায়ৰ কথা গম পাই সূৰ্যও সজাগ হৈ উঠিল। কাৰণ, অৰ্জুন যেনেকৈ সহস্ৰলোচন ইন্দ্ৰৰ পুত্ৰ, কৰ্ণও তেনেকৈ সহস্ৰৰশ্মি সূৰ্যৰ পুত্ৰ—যিবাৰ কথা তেতিয়ালৈকে আনকি কৰ্ণয়ো নেজানিছিল। সূৰ্যই এদিন কৰ্ণ টোপনি গৈ থাকোঁতেই সপোনতে এগৰাকী ব্ৰাহ্মণৰ ৰূপ ধৰি

দেখা দিলেহি। সূৰ্যই কৰ্ণক ক'লে, "বোপা, তোমাক কথা এষাৰ কৈ যাওঁ। পাণ্ডৱবিলাকৰ কল্যাণ কামনা কৰি ইন্দ্ৰই তোমাৰ কবচ আৰু কুণ্ডলযোৰ হৰণ কৰাৰ কথা পাতিছে। তেওঁ বঢ়িয়াকৈ জানে যে, দান-দক্ষিণা দিয়াত তোমাৰ হাতখন বৰ উদাৰ। গতিকে, তেওঁ ব্ৰাহ্মণৰ বেশ ধৰি আহি তোমাৰ পৰা কবচ-কুণ্ডলযোৰ ভিক্ষা হিচাপে বিচাৰিবহি। তুমি সেই দুটা বস্তু ভুলতো তেওঁক ভিক্ষা নিদিবা। দিলেই তোমাৰ আয়ুস ক্ষয় হ'ব।"

কৰ্ণই হঠাৎ তেওঁক সেইদৰে অযাচিত উপদেশ দিবলৈ অহা ব্ৰাহ্মণৰূপী সূৰ্যক সুধিলে, "প্ৰভু, আপুনি কোন—মই জানিব পাৰোঁ নে?" সূৰ্যই তেতিয়া উত্তৰ দিলে, "মই সহস্ৰৰশ্মি সূৰ্য। তোমাৰ মৰমতে বন্দী হৈ তোমাক কথাষাৰ কৈ যাবলৈ আহিলোঁ।"

কৰ্ণই তেতিয়া অতি আথেবেথে ক'লে, "হে বিভাবসু, সকলোৱেই মোৰ এই ব্ৰতৰ কথা জানে যে, মোৰ ওচৰত ভিক্ষাৰ্থী ব্ৰাহ্মণে যিহকে বিচাৰে তাকেই পায়। আনকি, কোনোবাই মোৰ প্ৰাণটো বিচাৰিলেও, তাকো নেপোৱাকৈ নেথাকে। ইন্দ্ৰই যদি যি কোনো কাৰণতেই নহওক মোৰ কবচ-কুণ্ডলযোৰ বিচাৰেহি, মই নিশ্চয় তেওঁক সেই বস্তু দুটা দান কৰিম—বিফল মনেৰে উভতি যাবলৈ নিদিওঁ। সেইদৰে দান কৰিব পৰাতেই মোৰ কীৰ্তি, আৰু মোৰ পৰা ছল কৰি নিয়াতেই ইন্দ্ৰৰ অকীৰ্তি চিৰকলীয়া হৈ ৰ'ব।"

তাৰ পাচতো সূৰ্যই তেওঁক বুজাবলৈ চেষ্টা কৰিলে, "বোপা কৰ্ণ, মানুহে নিজৰ প্ৰাণটো ৰক্ষা কৰিহে অক্ষয় যশ আৰু অনন্ত কীৰ্তিৰ সন্ধান কৰে। কিন্তু, তুমি তোমাৰ প্ৰাণকো তুচ্ছ কৰি চিৰকলীয়া কীৰ্তিৰ কথা ভাবিছা। মোৰ ধাৰণা হৈছে, সেই কীৰ্তিয়েই তোমাৰ প্ৰাণটো কাঢ়ি লৈ পলায়ন কৰিব। কথাষাৰ ভাবি চোৱা, মানুহক জীৱনকালতেই কীৰ্তিৰ প্ৰয়োজন; তাতেহে সন্তোষ। মৰা মানুহৰ বাবে সকলো কীৰ্তিকলাপৰ মূল্য অতি সামান্য। মৰা মানুহে আপোন কীৰ্তিৰ বিষয়ে একোকেই জানিবলৈ নেপায়; কিন্তু জীয়া মানুহে সেই কীৰ্তি ভোগ কৰে।"

তাৰ পাচতো আকৌ এবাৰ সূৰ্যই কৰ্ণক বেলেগ একাৰৰ পৰা বুজালে, "হে কৰ্ণ, তোমাৰ বিশ্বাসৰ দৃঢ়তা দেখি মই মুগ্ধ হৈছোঁ। তুমি বহুত কথা নেজানা। সেইবোৰ এতিয়াই তোমাক নকওঁ। কাৰণ, দেৱতাসকলেও সেইবোৰ ৰহস্য-কথাৰ উমধাম নেপায়। তোমাৰ মংগলৰ কাৰণেই কৈছোঁ, তোমাৰ অতি আপোনজনৰ দৰেই মই তোমাক কৈছোঁ, তুমি তোমাৰ কাণৰ কঁৰিয়াযোৰ দেৱৰাজক নিদিওঁ বুলি কৈ দিবা। মহাবীৰ অৰ্জুনে সদায় তোমাৰ লগত ফেঁৰিয়াফেঁৰি কৰি থাকে। এদিন তোমালোক দুয়োবো মাজত সমুখ-যুদ্ধ হ'বই হ'ব। তোমাৰ কাণত যদি কঁৰিয়াযোৰ থাকে, আনকি ইন্দ্ৰয়ো অৰ্জুনৰ পক্ষ লৈ তোমাক পৰাভূত কৰিব নোৱাৰে। সেইকাৰণেই, তুমি তোমাৰ কবচ-কুণ্ডল ইন্দ্ৰক দান নকৰিবা।"

কৰ্ণ তেওঁৰ সংকল্পত অচল-অটল হৈয়েই ৰ'ল। তেতিয়া সূৰ্যই কৰ্ণক শেষ-উপদেশটো দিলে, "তেনেহ'লে তুমি ইন্দ্ৰৰ লগত এটা নিয়ম বান্ধি ল'বা। তুমি ক'বা, ইন্দ্ৰয়ো তোমাক একঘাতিনী অস্ত্ৰপাটৰ মন্ত্ৰ দিব লাগিব। সেই অস্ত্ৰপাটে শত্ৰুক সংহাৰ কৰিহে উভতি আহিব জানে।" কৰ্ণ সেই কথাত মান্তি হ'ল। সূৰ্যয়ো তেওঁৰ পৰা বিদায় ল'লে।

নিতৌ দুপৰীয়া কৰ্ণই গা ধুই উঠি সূৰ্যলৈ চাই প্ৰাৰ্থনা কৰে। সেইখিনি সময়তে ভিক্ষাৰ্থী ব্ৰাহ্মণসকল গোট খায়হি। কৰ্ণয়ো সকলোৰে সকলো প্ৰাৰ্থনা হেপাহ পলুৱাই পূৰণ কৰে। এদিন যথাসময়ত ব্ৰাহ্মণৰ বেশ ধৰি ইন্দ্ৰও ওলালহি। কৰ্ণই তেওঁকো সুধিলে, কি তেওঁৰ প্ৰাৰ্থনা? ইন্দ্ৰই উত্তৰ দিলে, "হে কৰ্ণ, তুমি যদি মোৰ আকাংক্ষা অনুসৰি দান দিবলৈ প্ৰস্তুত, তেনেহ'লে তুমি তোমাৰ দেহৰ লগত সংযুক্ত কবচ আৰু কুণ্ডলযোৰ কাটি মোক দান কৰা।"

কৰ্ণই অলপ জোকাই চাবলৈ ক'লে, "হে ব্ৰাহ্মণ, তাৰ বাহিৰে আপোনাক কি লাগে, কওক। মাটি-বাৰী, ঘৰ-দুৱাৰ, গৰু-গাই, আনকি মোৰ সমগ্ৰ ৰাজ্য—ইবোৰৰ যিহকে লাগে, আপুনি মাগোন কওক; মই বংমনেৰে আপোনাক দিম। কিন্তু, কবচ-কুণ্ডলযোৰ যে মোৰ সহজাত।

সেই দুটা বস্তুৰ গুণতে মই অবধ্য। গতিকে, আপুনি এবাৰ ভাবি চাওকচোন।"

ইন্দ্ৰই তেতিয়া ক'লে, "হে কৰ্ণ, মোৰ মাথোন সেই দুপদ বস্তুৰ ওপৰতে লোভ। তুমি যদি মোক বিমুখ কৰিব খুজিছা, তেনেহ'লে মই উভতি যাওঁগে। কিন্তু মই সঠিক জানো, সেয়ে হ'লে তোমাৰ দাতাকৰ্ণ নামত কলংকৰ কালিমা লাগিব।"

কৰ্ণই তেতিয়া হাঁহি হাঁহি ক'লে, "হে দেৱৰাজ, মই আপোনাক প্ৰথম দৰ্শনতেই চিনি পাইছোঁ। মই জানো আপোনাৰ পৰা মোৰ আশা অনুযায়ী বৰ নোলোৱাকৈ আপোনাক কিবা দান কৰাৰ যোগ্য? আপুনি সকলো দেৱতাৰ অধীশ্বৰ। গতিকে, আপোনাৰ পৰাও মই এটা বৰ বিচাৰিছোঁ।"

ইন্দ্ৰই উত্তৰ দিলে, "বুজিছোঁ, সূৰ্যই তোমাক আগতীয়াকৈ সতৰ্ক কৰি দিছে। এতিয়া কোৱাঁ, মোৰ বজ্ৰৰ বাহিৰে তোমাক কি লাগে।"

কৰ্ণই তেতিয়া ক'লে, "হে দেৱৰাজ, তেনেহ'লে মোক আপোনাৰ অব্যৰ্থ একঘাতিনী অস্ত্ৰ দান কৰক।"

ইন্দ্ৰই অলপ চিন্তা কৰি ক'লে, "সেয়ে হ'ব। কিন্তু সেই অস্ত্ৰ এবাৰ প্ৰয়োগ কৰিলে মাত্ৰ এজন শত্ৰুক বধ কৰি মোৰ ওচৰলৈ উভতি আহিব।"

কৰ্ণই তেতিয়া ক'লে, "মই হ'বলগীয়া মহাযুদ্ধত মাত্ৰ এজন শত্ৰুকেই বধ কৰিবলৈ বিচাৰোঁ, যিজনক মই ভয় কৰোঁ।"

ইন্দ্ৰই ক'লে, "বুজিছোঁ, তুমি মাত্ৰ এজন শত্ৰুকেই বধ কৰিবলৈ বিচাৰিছা, যিজনক ঈশ্বৰস্বৰূপ কৃষ্ণই ৰক্ষা কৰি ফুৰে। মনত ৰাখিবা, কৃষ্ণ তুমি ভবাৰ দৰে সামান্য মানুহ মাত্ৰ নহয়।"

কৰ্ণই ক'লে, "যেয়ে ৰক্ষা কৰি নুফুৰক লাগিলে, একঘাতিনী অস্ত্ৰ পালে মই যিজনক বধ কৰিম বুলি ভাবিছোঁ—সিজনে মোৰ হাতৰ পৰা নিস্তাৰ নেপায়। মই কেৱল আপোনাক প্ৰাৰ্থনা কৰিছোঁ, মই যেতিয়া কবচ-কুণ্ডল মোৰ গা'ৰ পৰা কাটি দিম, তেতিয়া যেন মোৰ গা'টো বিকৃত হৈ নুঠে।"

ইন্দ্ৰই উত্তৰ দিলে, "তুমি তোমাৰ সত্য পালন কৰিবলৈ ওলাইছা।

মই অতি সন্তোষমনেৰে তোমাক বৰ দিছো, তোমাৰ গা'ত কেতিয়াও কোনো খহু-কোঁহা আদি নহয়, আৰু কোনো কটা-ছিঙা দাগ থকা যা নেলাগে। আৰু এটা কথা শুনা। তোমাৰ জগতে বাকী সকলো বাণ উদং হোৱাৰ পাচতহে, প্ৰাণৰ সংশয় উপস্থিত হ'লেহে একঘাতিনী অস্ত্ৰ নিক্ষেপ কৰিব পাৰিবা। যদি এই নিয়ম কেনেবাকৈ ভংগ কৰা, তেনেহ'লে এই অস্ত্ৰই তোমাকে বধ কৰিব। এয়া লোৱা, একঘাতিনী অস্ত্ৰ।" এইবুলি ইন্দ্ৰই সেই ভয়ানক অস্ত্ৰপাট কৰ্ণৰ হাতত তুলি দিলে।

তাৰ পাচত, কৰ্ণই তেওঁৰ দুই বুকুৰ ওপৰৰ ছালখিনি বখলিয়াই মঙহৰ সৈতে লাগি থকা অলৌকিক কবচটো আঁজোৰ মাৰি কেঁচা তেজেৰে তিতি থকাভাগেই ইন্দ্ৰৰ হাতত তুলি দিলে। কবচটো দিয়েই কাণৰ লতি দুটা কাটি ক'ৰিয়াযোৰ টানি উলিয়াই সেয়াও ইন্দ্ৰক দিলে। আচৰিত কথা, কৰ্ণৰ মুখত অকণো কষ্ট-বিকৃতিৰ ভাব প্ৰকাশ নেপালে।

অৱশেষত, কেঁচা তেজেৰে তপত হৈ থকা কৱচ আৰু কুণ্ডলযোৰ লৈ ইন্দ্ৰ তাৰ পৰা আঁতৰ হ'ল। তেওঁৰ মনত দুখ লাগিছিল, কৰ্ণক সেইদৰে প্ৰতাৰণা কৰাৰ বাবে। আৰু একেসময়তে মনত আনন্দ লাগিছিল, অৰ্জুনৰ জীৱনৰ পৰা আটাইতকৈ ডাঙৰ বিপদটো আঁতৰাই পঠিয়াব পৰাৰ বাবে।

## ॥ যুধিষ্ঠিৰৰ পৰীক্ষাদান ॥

এদিন এজন ব্ৰাহ্মণে উশাহু খাই আহি যুধিষ্ঠিৰক ক'লেহি, "মহাৰাজ, মোক আপুনি উদ্ধাৰ কৰক; মই বৰ বিপদত পৰিছো। মোৰ টিঙিৰ কাঠডেখৰ আৰু মথনীডাল এজোপা গছৰ ডালত ওলোমাই থৈছিলো। এটা হৰিণা পহুৱে আহি সেই গছজোপাৰ গা'তে তাৰ শিং দুটা ঘঁহাইছিলহি। কেনেবাকৈ সেই টিঙিৰ কাঠডেখৰ আৰু মথনী-মাৰিডাল হৰিণাটোৰ শিঙৰ ফেৰেঙনিত জোটপোট খাই লাগি ধৰিলে। হৰিণাটো উচপ খাই টিঙিৰ-মথনীৰে সৈতে হাবিৰ মাজত সোমাইগ'ল। উপায় নেপাই আপোনাৰ ওচৰলৈকে আহিলো—কেনেবাকৈ যদি মোৰ সেই

জুইধৰা সঁজুলি দুটা বিচৰাই আনি দিয়ে, তেনেহ'লে আপোনাৰ ওচৰত ঋণী হৈ ৰ'ম।"

বস্তু দুটা—যাক ব্ৰাহ্মণসকলে অৰণি আৰু মন্থ বুলি কয়—উপৰুৱাকৈ চালে সিমান মূল্যবান নহয়। কিন্তু, অৰণ্যবাসী ব্ৰাহ্মণৰ চকুত সেয়েই সোণতকৈয়ো চৰা। কাৰণ, আনবোৰ ব্ৰাহ্মণৰ দৰে তেওঁৰো তাৰ সহায়েৰেই জুহালতো জুই ধৰিছিল, যজ্ঞথলীতো হোমৰ অগনি জ্বলাইছিল। নিতৌ নহ'লেই নচলা কামৰ সঁজুলি আছিল টেঁকি-মথনীযোৰ। সেই বস্তু দুটা নহ'লে ব্ৰাহ্মণৰ দিনতে আন্ধাৰ। সেইকাৰণেই, সেইদৰে উধাতু খাই অহা!

যুধিষ্ঠিৰে লগে লগে ভায়েকহঁতক লৈ হৰিণা পহুটো বিচাৰি হাবিৰ ফাললৈ ওলাল। তেওঁলোকে কেইবাবাৰো হৰিণা পহুটোক দেখা পালে, কেইবাবাৰো তাৰ গা'লৈ নানা ধৰণৰ কাঁড়-বাণ মাৰি চালে, কিন্তু তাক শালিব যে নোৱাৰিলেই, আনকি তাৰ গা'ৰ ক'তোৱেই লগাব নোৱাৰিলে। তাৰ পাচত, সেই হৰিণাটো আৰু চকুৰ আগত নোলোৱাই হৈ পৰিল। হাবিৰ মাজত সি হেৰাই পৰিল। পাণ্ডৱসকল ভোকে-ভাগৰে অস্থিৰ হৈ এজোপা বৰগছৰ ছাঁত বহিলগৈ।

নকুলেই উলিয়ালে কথাষাৰ, "আমি দেখোন কোনেও কেতিয়াও কোনো অধৰ্মৰ কাম কৰা নাই। কোনো কামত গাফিলতি কৰিও কামটো সিজিবলৈ নিদিয়াকৈ থকাও মনত নপৰে। আমি কোনোদিনা কোনো প্ৰাৰ্থীকো বিমুখ কৰি পঠিওৱা নাই। তথাপি, এই সৰু কামটো কৰাতো বাৰু আমি বিফল হ'বলগীয়া হৈছোঁ কিহৰ কাৰণে?"

যুধিষ্ঠিৰে ক'লে, "বিপদ যে কিমান ধৰণৰ হয়, তাৰ কোনো সীমা-সংখ্যা নাই। কোনেও সিবোৰৰ কাৰণবোৰো চুকি নেপায়। আচলতে ধৰ্মইহে পাপ-পুণ্যৰ ফল ভাগ কৰি দিয়ে।"

ভীমে তাৰ বেলেগ ব্যাখ্যা এটা দিলে, "পাপৰ ফলতেই আমাৰ এনে হ'বলে পাইছে। পাপটো মইহেই কৰিছোঁ। দুঃশাসনে দ্ৰৌপদীক চুলিত ধৰি অপমান কৰিছিল, তথাপি এতিয়ালৈকে মই তাক বধ কৰা নাই। সেইটোৱেই মোৰ পাপ।"

অৰ্জুনে সঁহাৰি জনালে, ‘ময়ো পাপ কৰিছোঁ। তাৰে পৰিণতি আমাৰ এই বিফলতা। সূতপুত্ৰ কৰ্ণই যে আমাক অতবোৰ অশুচি কথা কৈ শুনালে, তথাপি সকলো সহি থাকিলোঁ—সেইটোৱেই মোৰ পাপ।”

সহদেৱেও উত্তৰ দিলে, “পাপ ময়ো কৰিছোঁ। শকুনিয়ে যে অন্যায়কৈ আমাক পাশাখেলত হৰুৱালে, তেতিয়াও যে তাৰ হাত দুখন ঘপিয়াই নকটাকৈ থাকিলোঁ, সেয়া জানো মোৰ পাপ নহয়। সেইবোৰ পাপৰেই ফল এইটো।”

বহুদূৰ বাট হৰিণাৰ পিচে পিচে ঢপলিয়াই পাণ্ডৱসকলৰ পিয়াহ লাগিছিল। লাহে লাহে প্ৰত্যেকৰে ডিঙি শুকাই আহিল। জিভাখনো খৰাং যেন লাগি আহিল। যুধিষ্ঠিৰে নকুলক ক’লে, “চোৱাচোন, কেনিবা ক’ৰবাত পানী পোৱা যায় নেকি!” নকুলে গছজোপাত উঠি চাৰিওপিনে চকু ফুৰাই চালে, ওচৰে-পাঁজৰে ক’ৰবাত বিল বা নিজৰাৰ লেখীয়া কিবা দেখা যায় নেকি! তেওঁ দেখিলে, অলপ আঁতৰতে সচৰাচৰ জলাহ ঠাইত গজা গছ-গছনিৰ পয়োভৰ। আৰু শুনিলে, সচৰাচৰ নৈ-বিলৰ দাঁতিত চৰা ফুৰা চৰাইৰ মাত। নকুলে অনুমান কৰিলে, কেইখোজমান গ’লেই পানী পোৱা যাব। যুধিষ্ঠিৰে নকুলক ক’লে, “যোৱাচোন তেনেহ’লে, তোমাৰ তূণটোতে দুঘটিমান পানী লৈ আহাঁগৈ।”

নকুলে অলপ দূৰ গৈয়েই ফটফটীয়া পানীৰে ভৰপূৰ সৰোবৰটো দেখা পালে। পোনতে একাঁজলি খাই ল’বলৈ পানী-যুঁৱলিৰ পিনে যাব খোজোঁতেই কাৰোবাৰ মাত এষাৰ আহি নকুলৰ কাণত পৰিল, “বোপা, এই পানীডৰা মোৰ অধিকাৰত আছে। আগতে মোৰ প্ৰশ্নৰ উত্তৰ দি লোৱাঁ। তাৰ পাচতহে পানী খাবা।” পিয়াহত আতুৰ হৈ থকা নকুলে সেই কথাষাৰ আওকাণ কৰি পানী-খোৱাৰ পাচতে তেওঁ মাটিত ঢলি পৰিল।

উভতি অহাত নকুলে পলম কৰা দেখি যুধিষ্ঠিৰে সহদেৱক পঠিয়ালে। সহদেৱেও সৰোবৰৰ পাৰত একেটা আকাশ-বাণীকে শুনিলে, একেদৰেই তাক আওকাণ কৰি পিয়াহ পলুৱালে, আৰু একেদৰেই মাটিত ঢলি

পাৰিল। তাৰ পাচত, যুধিষ্ঠিৰে এজন-এজনকৈ অৰ্জুন আৰু ভীমক পঠিয়ালে। তেওঁলোকো একেটা দশাৰ মুখামুখি হৈ উভতি নাহিল।

কোনোৱেই উভতি নহা দেখি যুধিষ্ঠিৰ মহাচিন্তাত পৰিল। অৱশেষত, তেৱোঁ সেই ঘন হাবিৰ মাজলৈ সোমাই গ'ল। অলপ পাচতে তেওঁ সোণবৰণীয়া পদুমেৰে উপচি থকা সেই সৰোবৰটো দেখা পালে। আৰু দেখা পালে, ধনু কেইখন আৰু অলেখ সৰু-ডাঙৰ কাঁড় চাৰিওপিনে সিঁচৰতি হৈ পৰি আছে। তেওঁৰ ভায়েককেইজনৰ প্ৰাণহীন দেহকেইটা সৰোবৰৰ পাৰত দূৰে-দূৰে পৰি থকা দেখা পাই যুধিষ্ঠিৰে চকুপানী মচিবলৈ ধৰিলে। তেওঁ প্ৰত্যেকজন ভায়েকক লুটিয়াই-বগৰাই চাই দেখিলে, কাৰো গা'ত ক'তো কোনো অস্ত্ৰ-শস্ত্ৰই কটা দাগ নাই; তেওঁলোকৰ ওচৰে-পাজৰেও কাৰো কোনো ভৰিৰ সাঁচ নাই। তেনেহ'লে তেওঁলোকক কোনে বধ কৰিলে—কোনোবা মহা শক্তিশালী অতিলৌকিক প্ৰাণীয়ে? নে দুৰ্যোধন আৰু শকুনিয়ে নিযুক্ত কৰা কোনোবা চোৰাং ঘাতকে? চিন্তা কৰি যুধিষ্ঠিৰে পাৰ নেপালে।

যুধিষ্ঠিৰেও পানী একাঁজলি খাই ল'বলৈ পানী-যুঁৱলিৰ পিনে যাব খোজোঁতেই সেই অদৃশ্য কণ্ঠৰ মাতষাৰ শুনিবলৈ পালে, "মই মাছ আৰু শেলুৱৈ খাই জীয়াই থকা এটা বগ। ময়েই তোমাৰ ভায়েৰাহঁতক যমৰ ঘৰলৈ পঠাইছোঁ। মোৰ কেইটামান প্ৰশ্ন আছে; সেই প্ৰশ্নকেইটাৰ উত্তৰ নিদিয়াকৈ তুমি যদি পানী খোৱা, তেনেহ'লে তোমাৰো সেই একে দশাই হ'ব। এই পানীভৰা এতিয়া মোৰ অধিকাৰত আছে।"

যুধিষ্ঠিৰ থমকি ৰৈ গ'ল। আৰু ক'লে, "মোৰ এই চাৰিজন ভাইক কোনো দেৱতা, গন্ধৰ্ব অথবা ৰাক্ষসে আজিলৈকে বলে পৰা নাই। অথচ, আপোনাৰ হাতত ধৰাশায়ী হ'ল। মই ভাবিবলৈ টান পাইছোঁ, আপুনি যে কেৱল এক বগ—মাছ আৰু শেলুৱৈ খাই ফুৰা এক সামান্য চৰাই। আপোনাৰ প্ৰতি মোৰ ভয় আৰু কৌতূহল দুয়োটাই উপজিছে। আপুনি নিশ্চয় কোনোবা মহা বলৱান—হয়তো ৰুদ্ৰ, হয়তোবা এজন বসু। আপুনি বাৰু কোন?"

সেই অদৃশ্য কণ্ঠই উত্তৰ দিলে, "মই যক্ষ।"

লগে লগে তালগছৰ দৰে বিৰাট ওখ, সূৰ্য আৰু অগ্নিৰ দৰে তেজস্বী এগৰাকী পুৰুষে এজোপা গছৰ গা'ত আঁউজি মেঘৰ লেখীয়া গম্ভীৰ মাতেৰে ক'বলৈ ধৰিলে, "মই তোমাৰ ভায়েৰাহঁতক কেইবাবাৰো হাক দিছিলোঁ। নুশুনিলে, মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈয়ে পানী খালেগৈ। সেইকাৰণে, ময়েই তেওঁলোকক যমৰ ঘৰলৈ পঠিয়ালোঁ। "গতিকে তোমাকো কৈছোঁ, আগতে মোৰ প্ৰশ্নৰ উত্তৰ দি লোৱা, তাৰ পাচত পানী খাবা।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "হে যক্ষ, আপোনাৰ অধিকাৰত থকা বস্তু মই গ্ৰহণ নকৰোঁ। আপোনাৰ কি সুধিবলগীয়া আছে, সোধক। মই নিজকে নিজে ডাঙৰ বুলি নেভাবো; কাৰণ সাধুসকলৰ মতে, আত্মপ্ৰশংসা নিন্দনীয়। তথাপি, মোৰ নিজৰ বুদ্ধিয়ে যিদৰে ঢুকি পাইছে, সেইদৰে মই আপোনাৰ প্ৰশ্নৰ উত্তৰ দিম।"

যক্ষই তেতিয়া সুধিলে, "কোনটোৱে বাৰু—সূৰ্যক কোনে ওপৰলৈ তোলে, কোন তেওঁৰ চাৰিওপিনে থাকে, কোনে তেওঁক অস্ত দিয়ায়, আৰু কত তেওঁ প্ৰতিষ্ঠিত?"

যুধিষ্ঠিৰে প্ৰশ্নটোৰ উত্তৰ দিলে, "ব্ৰহ্মইহে সূৰ্যক ওপৰলৈ তোলে, দেৱতাসকলেই তেওঁৰ কেউকাষে ঘূৰি ফুৰে, ধৰ্মই তেওঁক অস্ত দিয়ায়, আৰু সত্যতেই তেওঁ প্ৰতিষ্ঠিত।"

তাৰ পাচত, যক্ষই যুধিষ্ঠিৰক আৰু বহুতো প্ৰশ্ন কৰিলে আৰু যুধিষ্ঠিৰেও সিবিলাকৰ উত্তৰ দি যাবলৈ ধৰিলে। তাৰে এখানি এনেকুৱা:

যক্ষই সুধিলে, "পৃথিৱীতকৈ গুৰুতৰ কোন, আকাশতকৈ উচ্চতৰ কোন, বায়ুতকৈ খৰতৰ কোন, বাঁহ-বনতকৈ বহুতৰ কোন?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "পৃথিৱীতকৈ গুৰুতৰ—বৈচি জন্মদায়িনী মাতৃ; আকাশতকৈ উচ্চতৰ—বৈচি প্ৰণম্য পিতা; বায়ুতকৈ খৰতৰ—বৈচি বেগী মন; বাঁহ-বনতকৈ বহুতৰ—বৈচি খুপ খাই গজা বস্তু চিন্তা।"

যক্ষই সুধিলে, "শুই থাকোঁতেও কাৰ চকু মেল খাই থাকে, উপজিও কোন থৰ হৈ থাকে, কাৰ হৃদয় নাই, আৰু বেগৰ লগে লগে কোন বাঢ়ি যায়?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "শুই থাকোঁতেও চকু মেলি থাকে মাছে। উপাৰ্জিও থৰ হৈ থাকে কণী। হৃদয় নাইকিয়া শিলৰ। আৰু বেগৰ লগে লগে বাঢ়ি যায় নদী।"

যক্ষই আকৌ সুধিলে, "প্ৰবাসীৰ মিত্ৰ কোন? গৃহবাসীৰ? ৰোগীৰ আৰু মৃত্যু-পথযাত্ৰীৰ?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "প্ৰবাসীৰ মিত্ৰ বাটৰ লগৰীয়া। গৃহবাসীৰ মিত্ৰ ভাৰ্যা। ৰোগীৰ মিত্ৰ চিকিৎসক। আৰু মৃত্যু-পথযাত্ৰীৰ মিত্ৰ দান-দক্ষিণা।"

যক্ষই তাৰ পাচত সুধিলে, "কোন অকলশৰে ফুৰে? কোন মৰি মৰি আকৌ ওপজে? কুঁৱলী কিহেৰে মচিব পাৰি? আৰু জীৱনৰ থাই পথাৰ কোনখন?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "অকলশৰে ফুৰে বেলি। মৰি মৰি আকৌ ওপজে জোন। কুঁৱলী মচিব পাৰি জুইৰে। আৰু জীৱনৰ থাই পথাৰখন হ'ল পৃথিৱী।"

যক্ষই তাৰ পাচত প্ৰশ্ন কৰিলে, "মৃত পুৰুষ কোন? মৃত ৰাষ্ট্ৰ কি? মৃত শ্ৰাদ্ধ কি? আৰু মৃত যজ্ঞই বা কি?"

যুধিষ্ঠিৰে কৈ গ'ল, "ভিকহুৱেই মৃত পুৰুষ। অৰাজক ৰাষ্ট্ৰই মৃত ৰাষ্ট্ৰ। মৃতকৰ আত্মাক নমতাকৈ কৰা শ্ৰাদ্ধই মৃত শ্ৰাদ্ধ। আৰু দক্ষিণা নিদিয়া যজ্ঞই হ'ল মৃত যজ্ঞ।"

যক্ষই সুধিলে, "কোৱাচোন, কি কাম কৰিলে অক্ষয় নৰকত পচিবগৈ লাগে?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "যিজনে অকিঞ্চনক উপযাচি কিবা দিব বুলি কৈ মাতি আনি পাচত শুদাহাতে বিদায় দিয়ে, যিজনে অজস্ৰ ধন-সম্পদৰ গৰাকী হৈয়ো দান ভোগ দুয়োটাকে কৰিব নেজানে, তেনেকুৱাজনেই অক্ষয় নৰকত পচিবগৈ লাগে।"

অৱশেষত যক্ষই ক'লে, "এইবাৰ কোৱাচোন: সুখী কোন, আচৰিত কথা কি, পথ কোনটো, আৰু বাৰ্ত্তা কি? এই চাৰিটা প্ৰশ্নৰ উত্তৰ দিব পাৰিলেই তোমাৰ চাৰিওজন ভায়েৰা জী উঠিব।"

যুধিষ্ঠিৰে উত্তৰকেইটা এইদৰে দিলে, "কোনো ধাৰ-ঋণৰ বোজা নাই, প্ৰবাসত থাকিবগৈ নেলাগে, আৰু গধূলি বেলিকা নিজৰ ঘৰৰ চৰুত এমুঠি শাক-ভাত ৰন্ধা-বঢ়া কৰিবৰ জোখাৰে যাৰ যোগান থাকে, তেৱেঁই সুখী। নিতৌ অতবোৰ প্ৰাণী যমৰ ঘৰলৈ গৈয়েই আছে, তথাপি বাকী গোটেইবোৰে যে চিৰকাল জীয়াই থাকিবলৈ বিচাৰে, তাতকৈ আচৰিত কথা আৰু কি হ'ব পাৰে! তৰ্কৰ শেষ মীমাংসা নাই, শাস্ত্ৰৰ বিচাৰো ভিন ভিন, এনে কোনো ঋষি নাই যিজনৰ মতামতত কোনো স্বৰূপো নাই। ধৰ্মৰ তত্ত্ব জ্ঞানৰ গুহাত নিহিত। গতিকে মহা মনীষিজন যি পথেদি গৈছে, সেয়েই পথ। এই মহামোহময় লোহোৰাখন দিন-ৰাতিৰ খৰি-খেৰ জ্বলাই সূৰ্যৰ জুইৰে তপতাই তাতে প্ৰাণীবিলাকক থৈ কালে মাহ আৰু ঋতুৰূপী কৰচালিৰে লাৰি-ছাৰি ৰান্ধিয়েই আছে—এয়েই বাৰ্তা।"

যক্ষই তেতিয়া ক'লে, "তুমি মোৰ প্ৰশ্নবোৰৰ বঢ়িয়া উত্তৰ দিছা। এতিয়া কোৱাচোন, পুৰুষ কোন? আৰু সকলো ধনৰ গৰাকী কোন?"

যুধিষ্ঠিৰে উত্তৰ দিলে, "পুণ্যকৰ্মৰ দ্বাৰাই মানুহৰ খ্যাতি-যশস্যা স্বৰ্গ স্পৰ্শ কৰি পৃথিৱীত বিয়পি পৰে। যেতিয়ালৈকে পুণ্য কৰোঁতাজনৰ নাম-খ্যাতি মাৰ নেযায়, তেতিয়ালৈকে তেওঁ পুৰুষ বুলি স্বীকৃত হৈ ৰয়। যিজনে প্ৰিয় আৰু অপ্ৰিয়, সুখ আৰু দুখ, অতীত আৰু ভৱিষ্যত উভয়কে সমান বুলি ল'ব পাৰে, তেৱেঁই সকলোতকৈ ধনী।"

যক্ষই সন্তুষ্ট হৈ ক'লে, "তুমি তেনেহ'লে যেই সেই এজন ভায়েৰাৰ নামটো কোৱা, যাক তুমি জীয়াই তুলিব খোজা।" যুধিষ্ঠিৰে ক'লে, "তেনেহ'লে মহাবাহু নকুলকে জী উঠিবলৈ দিয়ক।"

যক্ষই ক'লে, "নকুলক বিচাৰিলা যে! ভীমহে তোমাৰ আটাইতকৈ বেচি প্ৰীতিৰ পাত্ৰ; আৰু অৰ্জুনহে তোমাৰ আটাইতকৈ ডাঙৰ নিৰ্ভৰ। তেনেস্থলত তুমি তেওঁলোকক এৰি নকুলৰ জীৱন বিচাৰিলা কিয়?"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "মই যদি ধৰ্ম নষ্ট কৰোঁ, তেতিয়া হ'লে ধৰ্মেও মোক বিনষ্ট কৰিব। কুন্তী আৰু মাদ্ৰী দুয়ো মোৰ পিতাৰ ভাৰ্যা। যাতে মোৰ দুয়োগৰাকী মাতৃ পুত্ৰৱতী হৈ ৰয়—সেইটোৱেই মোৰ কামনা।"

যক্ষ পৰম সন্তুষ্ট হ'ল। ক'লে, "তুমি তোমাৰ মনত কোনো ধৰণৰ তুচ্ছতাক ঠাই দিয়া নাই। গতিকে, মই তোমাৰ চাৰিওজন ভায়েৰাৰ জীৱন দান কৰিলোঁ। তেওঁলোক সাৰ পাই উঠক।"

লগে লগে তেওঁলোক থক্‌মক্‌কৈ সাৰ পাই উঠিল। তেওঁলোকৰ সকলো ভোক-পিয়াহ আপোনাআপুনি নোহোৱা হৈ পৰিল।

যুধিষ্ঠিৰে তেতিয়া যক্ষক সুধি পেলালে, "দেখিছোঁ, অথনিৰে পৰা আপুনি মাছ ধৰিবলৈ জোপ লৈ থকা বগ এটাৰ দৰে এটা ঠেং কোঁচাই এটা ঠেংৰ ওপৰতে ভৰ দি থিয় হৈ আছে। অথচ, আপোনাৰ অকণো আমনি লগা নাই, অলপো ভাগৰ লগা নাই! মোৰ আটাইকেইজন ভায়েই মহাবীৰ যোদ্ধা; অথচ, তেওঁলোকক আপুনি অনায়াসে বধ কৰিছিল। আকৌ, এতিয়া তেওঁলোকৰ জীৱন ওলোটাই দিছে; কিন্তু কাৰো গা'ত এটা আঁচোৰ পৰ্যন্ত লগা নাই। মই কল্পনা কৰিব পৰা নাই, কেনেকৈ এই অসাধ্য সাধন হৈছে। মোৰ সন্দেহ উপজিছে, আপুনি নিশ্চয় আমাৰ কোনোবা এজনৰ পিতা!"

যক্ষই তেতিয়া ক'লে, "বোপা, মই তোমাৰ পিতা ধৰ্ম। মই তোমাকেই চাই যাবৰ কাৰণে আহিছিলোঁ, তোমাৰেই পৰীক্ষা ল'বৰ কাৰণে আহিছিলোঁ। তোমাৰ ধৰ্মজ্ঞানে মোক সন্তুষ্ট কৰিছে। এতিয়া তোমাক কি বৰ লাগে, কোৱা।"

যুধিষ্ঠিৰে ক'লে, "পিতা, আপুনি ভেনেহ'লে এই বৰ দিয়ক—সেই টিঙিৰ কাঠ আৰু মথনী হেৰুওৱা ব্ৰাহ্মণজনে যেন বস্তু দুটা ঘূৰাই পায়, যাতে তেওঁ সাঁচি থোৱা জুইৰ চুমহিস্বৰূপে সেই বস্তু দুটা হেৰুৱাই হাবাথুৰি খাব নালাগে।" যক্ষৰূপী ধৰ্মই তেতিয়া ক'লে, "শুনা, তোমাৰ পৰীক্ষা ল'বৰ কাৰণে ময়েই হৰিণাৰ ৰূপ ধৰি সেই ব্ৰাহ্মণৰ টিঙিৰ-মথনী হৰণ কৰি আনিছিলোঁ। এতিয়া তেওঁক সেয়া ওলোটাই দিছোঁ। তোমাক আৰু কি বৰ লাগে, কোৱা।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "আমাৰ বনবাস-যাপনৰ বাৰ বছৰ পাৰ হ'বৰ হ'ল। এটা বছৰ অজ্ঞাতবাসত কটাব লাগিব। আপুনি এই বৰ দিয়ক—আমি য'তেই কি নেথাকোঁ, কোনেও যেন আমাক চিনি পাব

নোৱাৰে।" ধৰ্মই তেতিয়া ক'লে, "সেয়ে হওক; তোমালোক নিজৰ ৰূপ সলনি নকৰাকৈ থাকিলেও, কোনেও তোমালোকক চিনি নেপাব। তোমালোকে অজ্ঞাতবাসৰ বছৰটো বিৰাট ৰজাৰ নগৰত কটাবাগৈ। তোমালোকৰ প্ৰত্যেকেই যি যেনেকৈ ছদ্মবেশ ধৰাৰ কথা ভাবিছা, তেওঁ সেইটো বেশকেই স্বাভাৱিক ধৰণেৰে ধাৰণ কৰিব পাৰিবা। বোপা, তুমি মোৰ আত্মজ, বিদুৰ যিদৰে মোৰ অংশজ। গতিকে, তোমাক এই দুটা সামান্য বৰ দি মই মোৰ হেপাহ পলুৱাব পৰা নাই। আৰু কি বৰ লাগে, কোৱাঁ।"

যুধিষ্ঠিৰে অত্যন্ত বিনয়েৰে ক'লে, "হে দেৱতা, মই মোৰ সমুখত সাক্ষাৎ সনাতন দেৱতাকে দেখা পাইছোঁ। হে পিতা, আপুনি এতিয়া মোক যি বৰকেই দিয়ে, সেই বৰকেই পৰম শ্ৰদ্ধাৰে গ্ৰহণ কৰিম। মই যেন লোভ, মোহ আৰু ক্ৰোধ জয় কৰিবলৈ সমৰ্থ হওঁ। মোৰ মন যেন তপস্যা, দান আৰু সত্যৰ প্ৰতি আসক্ত হৈ ৰয়।" ধৰ্মই তেতিয়া ক'লে, "বোপা, তুমি সেই সকলোবোৰ গুণৰ অধিকাৰী হৈয়েই আছা। এতিয়া মই তোমাক আশীৰ্বাদ বুলিবলৈ মাথোন এইখিনিয়েই বঢ়াই ক'ব পাৰোঁ, তোমাৰ মাজেদি সিবোৰৰ জেউতি চৰি উঠক।"

তাৰ পাচত, পাণ্ডৱসকল আশ্ৰমলৈ উভতি গ'ল। ব্ৰাহ্মণগৰাকীয়ে তেওঁৰ টিঙিৰি কাঠ আৰু মথনীডাল ঘূৰাই পাই অসীম আনন্দ লভিলে।

## ॥ অজ্ঞাতবাসৰ প্ৰস্তুতি ॥

মাথোন কেইদিনমান যোৱাৰ পাচতে পাণ্ডৱসকলে তেওঁলোকৰ লগৰীয়া হৈ থকা তপস্বীসকলৰ ওচৰত হাতযোৰকৈ ক'লে, "আপোনাসকলে জানে যে ধৃতৰাষ্ট্ৰৰ পুতেকহঁতে অন্যায়কৈ আমাৰ ৰাজ্য কাঢ়ি লৈছে। তেওঁলোকে আমাক বহুতো দুখো দিছে। আমি সম্পূৰ্ণ বাৰটা বছৰ বনবাস খাটিলোঁ। এতিয়া আৰু এটা বছৰ অজ্ঞাতবাস খাটিব লাগিব। আমাৰ কালৰ পৰা নিয়ম মানি চলিম। গতিকে, আপোনাসকলৰ অনুমতি বিচাৰিছোঁ। নহ'লে, দুৰাত্মা দুৰ্যোধন,

মদগৰ্বী কৰ্ণ আৰু পাপবুদ্ধি শকুনিয়ে কেনেবাকৈ আমাৰ শত্ৰু-স্বৰে পালে, বিষম অনিষ্ট ঘটোৱাৰ সম্ভাৱনা।”

যুধিষ্ঠিৰে নিজৰ ৰবীয়াকৈ ক'লে, “এনে দিন জানো আকৌ আহিব, যেতিয়া আমি ব্ৰাহ্মণ আৰু শুভাকাংক্ষীসকলক লৈ আমাৰ নিজ দেশত নিজ ৰাজ্যত বাস কৰিবগৈ পাৰিম।” কথাষাৰ কওঁতে যুধিষ্ঠিৰৰ মাতটো খোকাখুকি হৈ আহিছিল, চকুহাল চলচলীয়া হৈ পৰিছিল। অলপ পাচতে যুধিষ্ঠিৰ মূৰ্চ্ছিত হৈ পৰিল।

সকলোৱে ওচৰ চাপি যুধিষ্ঠিৰৰ পৰিচৰ্যা কৰিবলৈ ধৰিলে। কিছুপৰৰ পাচত যুধিষ্ঠিৰে তেওঁৰ চেতনা ঘূৰাই পালে। তেতিয়া ব্ৰাহ্মণসকলে যুধিষ্ঠিৰক নানা কথা কৈ সান্ত্বনা দিবলৈ ধৰিলে। পুৰোহিত ধৌম্যই সোঁৱৰাই দিলে। “যিসকল জিতেন্দ্ৰিয় পুৰুষ, অক্লান্ত কৰ্মবীৰ, তেওঁলোক এইদৰে অলপীয়া দুখতে কাতৰ হৈ নপৰে। অজ্ঞাতবাস-বনবাস ইত্যাদি সফলতাৰহে পদূলি। স্বয়ং বিষ্ণুৱেও অশ্বশিৰা হৈ অদিতিৰ গৰ্ভত বহুদিন ধৰি অজ্ঞাতবাস খাটিছিল। তাৰ পাচত দৈত্যবিল্যকক সংহাৰ কৰিছিল। বিষ্ণুৰ বামনৰূপ ধাৰণো অজ্ঞাতবাসৰে নামান্তৰ। দশৰথপুত্ৰ ৰামচন্দ্ৰয়ো সেইদৰে চৈধ্য বছৰ বনবাস খাটিছিল। তাৰ পাচতহে দশানন ৰাৱণক দমন কৰিছিল। হে মহাৰাজ, আপুনিও যে এই দীঘলীয়া সময়জোৰা বনবাসৰ কষ্ট বৰণ কৰিলে, আৰু বছৰজোৰা অজ্ঞাতবাসৰ কষ্ট বৰণ কৰিবলৈ ওলাইছে, এয়া নিশ্চয়কৈ ফলৱতী হ'ব—অথলে নেযায়। আপুনিও ইয়াৰ পাচত অৰাতিকুল নিৰ্মূল কৰিব—সেই বিষয়ে সন্দেহ নাই।”

ধৌম্যৰ শাস্ত্ৰবুদ্ধিয়ে ধৰ্মৰাজ যুধিষ্ঠিৰৰ মনত আশাৰ সঞ্চাৰ কৰি তেওঁক প্ৰকৃতিস্থ কৰি তোলাৰ পাচত সিজনক উদ্দীপ্ত কৰি তুলিবৰ বাবে ভীমে ক'লে, “মহাৰাজ, আপুনি চিন্তা নকৰিব। আমি মাথোন আপোনাৰ অনুমতি পোৱা নাই বুলিয়েই অন্তাদনে ক্ষান্ত হৈ আছোঁ। জানোচা আপুনি বিতুষ্ট হয়, সেইবুলিয়েই সব্যসাচী অৰ্জুনে তেওঁৰ গাণ্ডীৱ ধনুৰ টংকাৰ নিদিয়াকৈ ৰৈ আছে। মোৰ হাক-বচন শুনিয়েই মহাবল নকুল আৰু সহদেৱ শত্ৰুদলন কৰিবলৈ ওলোৱা নাই। ইয়াৰ

পাচত আপুনি আদেশ কৰিব, আমি পালন কৰিম। আপোনাৰ আদেশ পালেই আমি সিহঁতক ধূলিৰ লগত মিহলি কৰি পেলাম।"

তাৰ পাচত, আশ্ৰমত থকা সকলো ব্ৰাহ্মণে আৰু বাণপ্ৰস্থী মুনি-ঋষি-সকলে পাণ্ডৱসকলক আশীৰ্বাদ কৰি আকৌ দেখা পোৱাৰ অভিলাষ জনাই তেওঁলোকৰ পৰা বিদায় ল'লে। আবেলিপৰত হাতত ধনু-কাঁড় লৈ পঞ্চ পাণ্ডৱে দ্ৰৌপদী আৰু পুৰোহিত ধৌম্যক লগত লৈ যাত্ৰা কৰিলে। প্ৰায় এক ক্ৰোশমান দূৰৈৰ এটুকুৰা নিৰ্জন ঠাই পায়েই তেওঁলোকে অজ্ঞাতবাসৰ উপায় সম্পৰ্কে গোপন মন্ত্ৰণা কৰি ল'বলৈ থিৰাং কৰিলে।

সেই নিশাই বাৰ বছৰীয়া বনবাসৰ ওৰ পৰিল। ওৰ পৰিল মাথোন বনবাস অজ্ঞাতবাসৰ ৰূপত পাগ লৈ উঠিবলৈ।

# ঃ বিৰাট পৰ্ব ঃ

## ॥ বনবাসৰ পৰা অজ্ঞাতবাসলৈ ॥

নিৰ্জন ঠাই বিচাৰি পায়েই পাণ্ডৱসকল আলোচনাত বহিল। পোনতে যুধিষ্ঠিৰে অৰ্জুনৰ পৰাই পৰামৰ্শ বিচাৰি ক'লে, "অৰ্জুন, এই বাৰ বছৰ দেশান্তৰী হৈ বহুতো কষ্টেৰে কটালোঁ। এতিয়া আমি ত্ৰয়োদশ বছৰৰ দুৱাৰদলি গচকিছোঁহি। এইটো বছৰ অসীম কষ্টেৰে যাব। এতিয়া তুমি কেইখনমান দেশৰ নাম কোৱাচোন, য'ত আমি কোনেও চিনি নোপোৱাকৈ এই বছৰটো কটাই দিব পাৰিম।"

অৰ্জুনে ক'লে, "যক্ষৰূপী ধৰ্মৰ বৰ লভিছোঁ। মোৰ ধাৰণা, সেই বৰৰ বলতে আমি য'তে ত'তে কোনেও চিনি নোপোৱাকৈ ঘূৰি ফুৰিব পাৰিম। তথাপি, মই বাৰু কেইখনমান দেশৰ নাম কওঁ, য'ত আমি শান্তিৰে লুকাই থাকিব পাৰিম। কুৰু ৰাজ্যৰ চাৰিওকালে কেইবাখনো সুচল দেশ আছে। সিবিলাকৰ ভিতৰত যেই সেই এখন বাচি ল'ব পৰা হ'ব। এইবোৰ তেনেকুৱা দেশ—পাঞ্চাল, চেদি, মৎস্য, শূৰসেন, পটচ্চৰ, দশাৰ্ণ নৱৰাষ্ট্ৰ, মল্ল, শাল্ব, যুগন্ধৰ, কুন্তিৰাষ্ট্ৰ, সুৰাষ্ট্ৰ আৰু অৱন্তী। ইবিলাকৰ কোনোখনতে খোৱা-লোৱাৰ কষ্ট নহয়। প্ৰত্যেকখনৰে বতৰ-পানীও ভাল। আপুনি যিখনকে আটাইতকৈ ভাল বুলি ভাবে, সিখনৰে নামটো কওক। আমি তাতে থাকোঁগৈ, ব'লক।"

যুধিষ্ঠিৰে তেতিয়া ক'লে, "মৎস্য দেশলৈ যোৱাটোৱেই ভাল হ'ব। সেই দেশৰ ৰজা বিৰাট বলবান, ধাৰ্মিক, মৰমিয়াল আৰু শ্ৰদ্ধাভাজন বয়সিয়াল। গতিকে, তেওঁৰ ৰাজ্যলৈকে গৈ পাইপতি একোটা কাম বিচাৰি ল'ব পৰা যাব।"

অৰ্জুনে লগে লগে মাত দিলে, "মহাৰাজ, আপুনি নো বিৰাট ৰজাৰ ৰাজ্যত কি কাম গোটাই ল'বগৈ? আপোনাৰ দৰে মানুহে জানো আনৰ কৰ্মচাৰী হৈ দিন কটাব পাৰিব?"

যুধিষ্ঠিৰে ক'লে, "মই জানো, বিৰাট ৰজাও পাশাখেল ভাল পোৱা

মানুহ। মই নিজকে কংক নামৰ এজন ব্ৰাহ্মণ বুলি পৰিচয় দিম। বৃহদাশ্ব ঋষিৰ পৰা পোৱা অক্ষহৃদয়ৰ জ্ঞানেৰে মই অতি সহজতে বিৰাট ৰজাৰ হৃদয় জয় কৰি ল'ব পাৰিম। সোণ-বৰণীয়া আৰু নীলচীয়া, ক'লা আৰু ৰঙচুৱা গুটিবিলাক লৈ মই যেতিয়া খেলিবলৈ বহিম, তেতিয়া মোৰ খেল দেখি ৰজা আৰু তেওঁৰ পাৰিষদবিলাক নিশ্চয় অতি মুগ্ধ হ'ব। মোৰ পাৰ্গতালি দেখি তেওঁলোকে যদি কেতিয়াবা সোধে, ক'ত শিকিলোঁ এই খেল—মই তেতিয়া ক'ম, এসময়ত মই যুধিষ্ঠিৰৰ প্ৰাণৰ লগৰীয়া আছিলোঁ। এতিয়া কোৱাচোন, বৃকোদৰ! বিৰাট ৰজাৰ ৰাজ্যত তুমি কি কাম ল'বাগৈ?"

ভীমে ক'লে, "মহাৰাজ, মই বল্লৱ নাম লৈ মোৰ চিনাকিটো দিম। আৰু তাত মই ৰজাৰ ৰান্ধনিঘৰত ঘাই ৰান্ধনি হ'মগৈ। ৰন্ধা-বঢ়া কামটোতো মই বঢ়িয়াকৈ জানো। ৰজাঘৰীয়া ৰান্ধনি আটাইবোৰেই মোৰ ওচৰত হাৰ মানিব। তদুপৰি, মই ৰান্ধনিঘৰৰ জুহাললৈয়ো ভাৰে ভাৰে খৰি আনি দিব পাৰিম; লাগিলে খৰিৰ সলনি মুঠি বান্ধি গছকে কাঢ়িয়াই আনি দিম। আকৌ, মই হাতী আৰু ষাঁড়গৰুবোৰো বশাব পাৰিম। চাই সকলোৱে ৰং পাব। কোনোবাই যদি কেতিয়াবা মাল-যুঁজ কৰিবলৈ আহে, তাকো একে ভুকুতে ঠেৰেঙা লগাব পাৰিম। অৱশ্যে, কাৰো প্ৰাণটো অনাহকতে নলওঁ। যি কি নহওক, কোনোবাই সুধিলে ক'ব পাৰিম—মই এসময়ত ৰজা যুধিষ্ঠিৰৰ ঘাই ৰান্ধনি আছিলোঁ; লগতে ৰজাৰ পোহনীয়া মাল হৈয়ো আছিলোঁ।"

তাৰ পাচত, যুধিষ্ঠিৰে অৰ্জুনৰ মুখলৈ চালে। অৰ্জুনে ক'লে, "মোৰ একো অসুবিধা নাই। উৰ্বশীয়ে অভিশাপ দি থৈছে—নপুংসক হ'ব লাগিব। নাম ল'ম বৃহন্নলা। দুই বাহুত দুপাত বাজু পিন্ধি ধনুৰ গুণে কটা দাগটো লুকুৱাই থ'ব পাৰিম। দুই কাণত দুপাত ক'ৰিয়া আঁৰি ল'ম; দুয়োখন হাততে দুপাত খাৰুও পিন্ধি ল'ম। তাৰ পাচত, অন্তঃপুৰৰ ৰাজকুঁৱৰীবিলাকক নাচ-গান শিকোৱা কামটো বিচাৰি ল'ব পাৰিম। কোনোবাই সুধিলে ক'ম—তাহানি দ্ৰৌপদীৰ আলধৰা লিগিৰী আছিলোঁ।"

নকুলে ক'লে, "মোকো বিৰাট ৰজাই নিশ্চয় পোৱনীয়া মানুহ বুলি নেভাবে। মই ঘোঁৰাশালৰ কাম বঢ়িয়াকৈ জানো— ঘোঁৰাক দলাই-মলাই কৰাৰ পৰা ৰোগৰ সময়ত চিকিৎসা কৰালৈকে। মই নাম ল'ম গ্ৰন্থিক। ময়ো যুধিষ্ঠিৰ ৰজাৰ ঘোঁৰাশালৰ অধিকাৰী আছিলোঁ বুলি ক'ব পাৰিম।"

সহদেৱে ক'লে, "মই নাম ল'ম তন্তিপাল। মই আকৌ গৰু-গোহালিৰ কামবোৰ জানো—গাখীৰ খীৰোৱাৰ পৰা চৰকা লাগিলে তালাপী কৰালৈকে। মই গৰু দেখিলেই ক'ব পাৰোঁ, হাল বাবলৈ ভাল হ'ব নে গাড়ী টনাবলৈ ভাল হ'ব।"

যুধিষ্ঠিৰে চাৰিওজন ভায়েকৰ কথাবোৰ শলাগিলে। তাৰ পাচত, দ্ৰৌপদীৰ পিনে চাই তেওঁ ক'লে, "এতিয়া কথা হ'ল, আমাৰ সকলোৰে প্ৰাণতকৈয়ো আপোন, আইৰ নিচিনা পালনীয়া আৰু বাইৰ নিচিনা মাননীয়া এই আলসুৱা মানুহজনীলৈ ৰাজ-কাৰেঙত কি কাম বিচাৰি পাওঁ! এওঁনো মান-সম্মান ৰাখি তাত কি কাম ল'বগে? ওপজাৰে পৰা এওঁ মাথোন চিনি পায় এইবোৰ বস্তু—ফুলৰ মালা, নানা তৰহৰ গোন্ধ-তেল, কাপোৰ-কানি আৰু অয়-অলংকাৰ। এইবোৰ বস্তুৰ সুক্ষ্ম জ্ঞানখিনিকে লৈ এওঁনো বাৰু নিজকে কি কামলৈ আগবঢ়াব পাৰিব?"

দ্ৰৌপদীয়ে ক'লে, "মই বাৰু বিৰাট ৰজাৰ ৰাণী সুদেষ্ণাৰ সৈৰিন্ধ্ৰী কামটোকে গোটাই ল'ম। মই নানা ধৰণৰ খোপা বন্ধাৰ কাম জানো। ভিন ভিন অনুষ্ঠানৰ উপযোগীকৈ তিৰোতা মানুহক সজাই-পৰাই দিয়াৰ কামটোও জানো। কাম দেখি কোনোবাই সুধিলে ক'ব পাৰিম, আগতে দ্ৰৌপদীৰ কাৰণে এই কাম কৰি দিছিলোঁ।"

যুধিষ্ঠিৰে শলাগিলে, "ওঁ, সেই কামটোৱেই তোমাৰ কাৰণে ভাল হ'ব। তুমি মাথোন এটা কথাৰ ওপৰত চকু ৰাখিবা। তুমি তো জানাই, হৰিণাৰ মাংসই বৈৰী। গতিকে, তুমি অতি সাৱধানে ওলোৱা-সোমোৱা কৰিবা।"

তাৰ পাচত, পুৰোহিত ধৌম্যৰ পিনে চাই যুধিষ্ঠিৰে ক'বলৈ ধৰিলে, "এখেত ৰজা দ্ৰুপদৰ কাৰেঙলৈ যাওকগৈ। তাতে এখেতে টিঁউকি-

মথনীৰ জুইঁখিনি সাঁচি ৰাখিব পাৰিব। এখেতৰ লগতে সৰহভাগ সাৰথি আৰু পৰিচাৰিকাবিলাকো তালৈকে যাওক। বাকী ৰথবোৰ লৈ মোৰ সাৰথি ইন্দ্ৰসেন দ্বাৰকালৈ যাওকগৈ। কোনোবাই সুধিলে সকলোৱে একবাক্যে মাথোন এষাৰ কথা ক'ব—পাণ্ডৱসকল ক'লৈ গ'ল, আমি কোনেও নেজানো।"

ধৌম্যই তেতিয়া মাত লগালে, "তোমালোকে ৰথ-সাৰথি ক'ত থ'বা, আৰু জুইঁখিনি ক'ত সাঁচি থ'বা—সকলোখিনি কথাৰে বেহা লগালা। যুধিষ্ঠিৰ আৰু অৰ্জুন দুয়ো সদায় দ্ৰৌপদীৰ লগত ছাঁ'ৰ নিচিনাকৈ থাকিবা, যাতে তেওঁৰ কোনো বিপদ-আপদ নঘটে। তোমালোকে ৰাজ-কাৰেঙৰ সকলোবোৰ নিয়ম-নীতি বঢ়িয়াকৈ জানা। তথাপি, কৰ্মচাৰী-বিলাকে ৰাজ-কাৰেঙত কেনে ধৰণেৰে চলিব লাগে—সেই বিষয়ে দুষাৰমান কওঁ। ৰজাই মোক ভাল পায় বুলি ভাবি কেতিয়াও ৰজাৰ কাৰণে থোৱা খাট-পালেং, হাতী-ঘোঁৰা, ৰথ-আসন আদিত নবহিবা। ৰজাই নুসুধিলে কেতিয়াও গা'ত পৰি উপদেশ-পৰামৰ্শ নিদিবা। ৰজাৰ মহিষীসকল আৰু অন্তেষপুৰৰ অধিবাসিনীসকলৰ কাৰো লগত মিতিৰালি নকৰিবা। কামটো লাগিলে যিমানেই সাধাৰণ নহওক, সদায় সেয়া ৰজাই জনা-শুনাকৈহে কৰিবা। কিবা মতামত বিচাৰিলে, সেয়া দিওঁতে ৰজাৰ শুভ-চিন্তা কৰি মিঠা কথাৰে দিবা; শুভ-চিন্তাতকৈ মিঠা কথাৰ ওপৰত বেছি গুৰুত্ব দিবা। জিভা বেছি দোৰোল থাৰলৈ নিদিয়াকৈ ৰজাৰ সোঁফালে নাইবা বাওঁফালে বহিবা; পিচফালে ৰজাৰ গা-ৰখীয়াবোৰহে বহাৰ নিয়ম। ৰজাৰ সমুখৰ ফালে বহা একেবাৰে নিষিদ্ধ। ৰজাই কেতিয়াবা কিবা কথাত আগৈ মাতিলে উলঙাই নিদিবা। ৰজাৰ আগত কেতিয়াও হাত জোকাৰি অথবা ভৰি নচুৱাই নেথাকিবা। আৰু কথা কওঁতে ডাঙৰ মাতেৰে কথা নক'বা। কেতিয়াবা কোনোবাই ৰং-ৰহইচৰ কথা উলিয়ালেও খলখলাই হাঁহিবলৈ নেযাবা। যিজনে পাতলীয়া কামৰ দায়িত্ব পালেও অসন্তোষ নকৰে আৰু গধুৰ কামৰ দায়িত্ব পালেও উঁফ নেখায়, ৰাজ-কাৰেঙত সেইজনৰে আদৰ-সমাদৰ আটাইতকৈ বেছি। ৰজাই দিয়া উপহাৰ-উপঢৌকনৰ বস্তু নিজেই ব্যৱহাৰ

কৰিলে বজাৰ মধম বেচিকৈ পোৱা যায়। যোগ্য যুধিষ্ঠিৰ, তোমালোকে এই বছৰটো এইবোৰ নিয়ম-নীতি পালন কৰি কটাব পাৰিলে অজ্ঞাতবাসৰ কষ্ট বহুখিনি লাঘৱ হ'ব।"

যুধিষ্ঠিৰে ধৌম্যৰ শলাগ লৈ ক'লে, "আপুনি আমাক যিবোৰ সজ উপদেশ দিলে, সেয়া আই কুন্তী আৰু মহামতি বিদুৰৰ বাহিৰে কোনেও ইমান ফৰিংফুটাকৈ দিব নোৱাৰিলেহেঁতেন। আমি সেইবোৰ উপদেশ আখৰে আখৰে পালন কৰি আকৌ আপোনাৰ লগ লাগিমহি।"

তাৰ পাচত, ধৌম্যই পাণ্ডৱসকলৰ মংগল কামনা কৰি মন্ত্রপাঠ কৰিলে আৰু জুইত আহুতি দিলে। সেই হোমৰ জুই আৰু ব্রাহ্মণ-সকলক প্রদক্ষিণ কৰি উঠি পঞ্চ পাণ্ডৱ আৰু দ্রৌপদীয়ে অজ্ঞাতবাসলৈ যাত্রা কৰিলে।

## ॥ ছদ্মবেশী জীৱনৰ আৰম্ভণি ॥

পাণ্ডৱসকল কেইবাখনো দেশ পাৰ হৈ মৎস্য দেশত সোমালহি। তেওঁলোকৰ চেহেৰা-পাটি ইয়াৰ ভিতৰতে চিনিব নোৱাৰাকৈ মলিন হৈ পৰিছে। মুখত অপৰিপাটি দাড়ি-গোঁফ, কান্ধৰ পৰা ওলমি থকা একোখন ধনু আৰু ক'কালত একোখন চুটি দাণ্ডগড়ী তৰোৱাল— সকলোবোৰ মিলি যেনিবা একোজন ব্যাধ। বাটত কোনোবাই সুধিলে, তেওঁলোকে সেইবুলিয়েই চিনাকি দিছিল। মাজে মাজে দ্রৌপদীৰ ভাগৰ লাগিলে, তেওঁক অৰ্জুনে পথালি-কোলাকৈ কাঢ়িয়াই নিছিল। অৱশেষত, তেওঁলোক ৰাজধানীৰ ওচৰ পালেগৈ।

যুধিষ্ঠিৰে ক'লে, "আমি এইদৰে অস্ত্র-শস্ত্র লৈ নগৰত সোমালে, চাৰিওপিনে কোঢ়াল লাগিব। অৰ্জুনৰ এই প্রকাণ্ড গাণ্ডীৱ ধনুখন চকুত পৰিলেই মানুহে আমাক চিনি পেলাব। গতিকে, এইবোৰ ইয়াৰে ক'ৰবাত লুকুৱাই থৈ যাব পাৰিলে ভাল হ'ব।"

অৰ্জুনে তৎক্ষণাত ক'লে, "সৌ মৰিশালিখনৰ ওচৰত থকা শমীৰ গছজোপাতে কোনোবা এটা ফেৰেঙনিত লুকুৱাই থৈ যাওঁ। তাত থৈ গ'লে কোনোবাই দেখা পোৱাৰ সম্ভাৱনাও নাই।"

তাৰ পাচত, তেওঁলোকে ধনুৰ্বিদ্যাকেৰ গুণ সোলোকাই, কাঁড়ৰ তূণ আৰু তৰোৱালবোৰৰ সৈতে একেলগে জাপি ডাঙৰ টোপোলা এটা দীঘলীয়াকৈ বান্ধি উলিয়ালে। নকুলে গছজোপাত উঠি তাৰ আগত থকা ডাল এটাৰ লগত সেই টোপোলাটো নিকপকপীয়াকৈ বান্ধি পেলালে। এনেতে তেওঁৰ চকুত পৰিল, দূৰৰ ফালৰ এটা মৰা শ আধা-জ্বলোৱা হৈ পৰি আছে। তেওঁ সেইটো বুটলি নি অস্ত্ৰ-শস্ত্ৰৰ টোপোলাটোৰ তলতে বান্ধি থ'লেগৈ। সেইটো সেইদৰে থোৱাৰ কাৰণটো হ'ল, যাতে তাৰ গেলা গোন্ধটো পাই কোনো সেই গছজোপাৰ ওচৰ নাচাপে।

তাকে দেখি দুটামান গৰখীয়া ল'ৰা আৰু ভেৰাৰখীয়া ডেকাই তেওঁলোকক সুধিছিল, গছৰ ওপৰত সেইটো কাৰ মৰা শ কেলৈ টোপোলা বান্ধি থ'লে। তেওঁলোকে উত্তৰ দিলে, "সেয়া আমাৰ এশ বছৰ বয়সত স্বৰ্গী হোৱা আইৰ মৰা শ। আমাৰ বংশত শেষ-সংকাৰৰ নিয়মটো এনেকুৱাই—গছৰ ওপৰত তুলি থৈ আহিব লাগে।"

নগৰৰ চাৰি-দেৱালৰ ভিতৰ সোমোৱাৰ আগতে যুধিষ্ঠিৰে ক'লে, তেওঁলোকৰ প্ৰত্যেকৰে একোটা চোৰাং নাম ৰখা ভাল হ'ব—যাতে সেই নামকেইটা মাথোন তেওঁলোকেই জানে। সেয়ে হ'লে, কৌতিয়াবা আনৰ সমুখতো ঠাৰে-চিয়াঁৰে ইটো-সিটো কথা জনাব পাৰিব! যুধিষ্ঠিৰে নিজে নিজৰ নামটো থ'লে, জয়; ভীমৰ নামটো থ'লে, জয়ন্ত; অৰ্জুন, নকুল আৰু সহদেৱৰ নাম কেইটা থ'লে ক্ৰমান্বয়ে বিজয়, জয়সেন আৰু জয়দ্বল। তাৰ পাচত, তেওঁলোক নগৰত সোমাল।

পোনতে যুধিষ্ঠিৰে ব্ৰাহ্মণৰ বেশ ধৰি বিৰাট ৰজাৰ সভাত দেখা দিলেগৈ। তেওঁ বিৰাট ৰজাৰ আগত কংক বুলিয়েই নিজৰ চিনাকি দিলে। আৰু ক'লে, তেওঁ এজন পাকৈত পাশা-খেলুৱৈ। বিৰাট ৰজাই তেওঁক বৰ আদৰ-সাদৰ কৰি নিজৰ সভাৰ এজন ঘাই পাৰিষদ হিচাপে নিযুক্ত কৰিলে। তাৰ পাচত, ভীম ওলালগৈ। ভীমে চিনাকি দি ক'লে, তেওঁৰ নাম বল্লৱ আৰু এসময়ত তেওঁ ৰজা যুধিষ্ঠিৰৰ ঘাই ৰান্ধনি আছিল। বিৰাট ৰজাই তেওঁকো তৎক্ষণাৎ নিজৰ ৰান্ধনিশালৰ ঘাই ৰান্ধনি হিচাপে নিযুক্তি দিলে।

আনকালে দ্ৰৌপদীয়ে ৰাণী সুদেষ্ণাৰ অন্তেষপুৰৰ পৰা দেখা পোৱাকৈ সেই কালেদি অহা-যোৱা কৰি আছিল। ৰাণীৰ চকুত পৰিবলৈয়ো সৰহ পৰ নেলাগিল; ৰাণীয়ে তেওঁক অন্তেষপুৰলৈ মতাই নিয়ালে। সুদেষ্ণাৰ প্ৰশ্নৰ উত্তৰত দ্ৰৌপদীয়েও নিজকে এগৰাকী সৈৰিন্ধ্ৰী বুলিয়েই চিনাকি দিলে। সুদেষ্ণাই কথাষাৰ বিশ্বাস কৰিবলৈকে টান পালে। দ্ৰৌপদীয়ে কিন্তু পতিয়ন নিওৱাত সফল হ'ল—তেওঁৰ নামটো মালিনী; সেই নামটো তেওঁ সত্যভামাৰ সৈৰিন্ধ্ৰী হৈ থাকোঁতেই পোৱা; পাচত তেওঁ পঞ্চ পাণ্ডৱৰ ভাৰ্যা দ্ৰৌপদীৰো সৈৰিন্ধ্ৰী হ'ব পাৰিছিল। তথাপি সুদেষ্ণাই নকৈ নোৱাৰিলে, তেওঁৰ ৰূপৰ জেউতিয়ে ৰাজ-কাৰেঙৰ সকলো নাৰীৰ ৰূপকে চেৰ পেলাই যাব খোজে; আৰু সেই ৰূপ কোনোবা ৰাণীৰ দেহতহে শোভা পায়। মুকলিকৈয়ে ক'লে, "সুন্দৰী, তোমাৰ এই অলৌকিক ৰূপ দেখা পালে ক'ৰবাত বিৰাট ৰজাই মোকেই ত্যাগ কৰে বুলি ভয়েই লাগে। মাইকী-কেঁকোৰাই যিদৰে নিজৰ মৰণ মাতিয়েই পোৱালিবিলাক ধৰে সেইদৰে তোমাক আশ্ৰয় দিয়াটোও মোৰ কাৰণে ঠিক তেনেকুৱাই হয় বুলি উচপ খাই উঠিবলগীয়া হয়।"

দ্ৰৌপদীয়ে তেতিয়া ক'লে, "বিৰাট ৰজা বা আন কোনো পুৰুষেই মোক আমনি কৰাৰ সম্ভাৱনা নাই, মহাৰাণী। কাৰণ, পাঁচজন তৰুণ গন্ধৰ্ব মোৰ স্বামী; তেওঁলোকে সদায় ছাঁৰ নিচিনাকৈ মোৰ পাচ লৈ ফুৰে। মই বৰ্তমান এটা ব্ৰত পালন কৰি আছোঁ বাবেই এইদৰে কষ্ট বৰণ কৰি ঘূৰি ফুৰিবলগীয়া হৈছে। যেয়ে মোক কাৰো উচ্ছিষ্ট খাব নলগীয়াকৈ ভাত-পানীৰ যোগান ধৰে, মোৰ সেই পাঁচজন গন্ধৰ্ব স্বামী তেওঁৰে প্ৰতি অতি তুষ্ট হয়। আকৌ, কোনোবা পুৰুষে যদি মোক বেয়া ব্যৱহাৰ কৰে, তেওঁ সেই ৰাতিয়েই যমৰ আলহী হয়গৈ।"

সুদেষ্ণাই তেতিয়া ক'লে, "তুমি তেনেহ'লে মোৰ লগতে থাকা। তুমি কাৰো উচ্ছিষ্টও খাব নেলাগে, আৰু তুমি কোনো পুৰুষৰ চৰণ পখালি দিবও নেলাগে। তোমাক মোৰ ফালৰ পৰা এই দুটা প্ৰতিশ্ৰুতি দিলোঁ।"

দ্ৰৌপদী যিদসময়ত বিৰাট ৰজাৰ অন্তেষপুৰত সৈৰিন্ধ্ৰী নিযুক্ত হৈছিল,

ঠিক সেই সময়তে সহদেৱো বিৰাট ৰজাৰ ৰাজসভাত ওলাইছিলহি। তেৰোঁ বাকী কেইজনৰ দৰে নিজৰ এটা বেলেগ চিনাকি দি ক'লে, তেওঁৰ নাম তন্তিপাল। আগতে ভাবি থোৱাৰ দৰেই তেৰোঁ বিৰাট ৰজাৰ গৰু-গৰুটিবোৰ চোৱা-চিতাৰ কামটো পাবলৈ সৰহপৰ নেলাগিল।

তাৰ পাচতে ওলালহি অৰ্জুন। হাতত সোণৰ খাৰু, কাণত কঁৰিয়া পিন্ধি দীঘলীয়া মূৰকলি চুলিৰে সৈতে অৰ্জুনক বিৰাট ৰজাই নপুংসক বুলি ভাবিবই পৰা নাছিল। যি কি নহওক, পাচত তেওঁকো অন্তেষপুৰত ঠাই দি কুঁৱৰী উত্তৰাক নাচ-গান শিকোৱাৰ ভাৰ গতাই দিলে। ৰজাৰ অন্তেষপুৰত তেওঁ বৃহন্নলা নামেৰেই জনাজাত হৈ পৰিল।

শেষত নকুলে আহি নিজকে গ্ৰন্থিক নামেৰে চিনাকি দিলে। লগতে তেওঁ জনালে, তেওঁ এজন অশ্বতত্ত্বজ্ঞ। গতিকে, তেওঁকো বিৰাট ৰজাই তৎক্ষণাৎ ঘোঁৰাশালৰ ঘাই ৰখীয়া পাতিলে।

এইদৰেই পঞ্চ পাণ্ডৱ আৰু দ্ৰৌপদী বিৰাট ৰজাৰ বিভিন্ন কামত নিযুক্ত হ'ল। অকল সেয়ে নহয়, তেওঁলোকৰ কামকাজেও ৰজা আৰু ৰাণীক বিশেষ সন্তোষ দিবলৈ ধৰিলে। যুধিষ্ঠিৰৰ পাশাখেলত অসাধাৰণ ব্যুৎপত্তি দেখি ৰজা একাধাৰে অবাক আৰু মুগ্ধ হৈ পৰিছিল। গতিকে, তেওঁ ৰজাৰ ঘাই-লগৰীয়াৰ লেখীয়া হৈ পৰিছিল। ভীমেও সেইদৰে ৰান্ধনিশালৰ কামত অসাধাৰণ নৈপুণ্য দেখুৱাইছিল। মাজতে মৎস্য ৰাজ্যত এবাৰ ব্ৰহ্মা-উৎসৱ উপলক্ষে অনুষ্ঠিত মেলাত দেশ-বিদেশৰ মাল-যুঁজ কৰা বীৰৰ সমাগম হৈছিল। ভীমে সিবিলাকৰ বহুতকে মাল-যুঁজত ঘটুৱাই ৰজা আৰু সভাসদসকলক অশেষ সন্তোষ দিলে। এনেতে জীমূত নামৰ এটা বিখ্যাত বিদেশী মালে আহি ৰাজ্যৰ সকলোবোৰ মালকে ঘটুৱাই ৰজাৰ চকুত টোপনি নোহোৱা কৰি পেলালে। সেই বিদেশী মালটোৰো দপদপনি বাঢ়ি গ'ল। তেতিয়া বিৰাট ৰজাই ভীমক সুধিলে, "বল্লৱ, তুমি বাৰু এই মালটোৰ লগত যুঁজ কৰি দেখুৱাব পাৰিবা নে?" ভীমে তাৰ আকাৰ-প্ৰকাৰ দেখি ভয় খোৱাৰ ভাও ধৰি দেখুৱালে। কিন্তু, যুঁজ কৰিবলৈ লৈয়েই ভীমে তাক মুহূৰ্ততে খামোচ মাৰি ধৰি মূৰৰ ওপৰত লৈ টাকুৰী

ঘৰুওৱাদি ঘুৰাই অলপ দূৰলৈ দলি মাৰি পঠিয়ালে। লগে লগে সেই মল্লবীৰ জীমূতৰ প্ৰাণ-বায়ু বাজ হৈ গ'ল। ৰজাই ভীমৰ বাহুবল দেখি নথৈ আনন্দ পালে আৰু অনেক উপহাৰ-উপঢৌকন দিলে।

ইফালে অৰ্জুনেও অন্তেষপুৰৰ কুঁৱৰীবোৰক গীত-নাচৰ শিক্ষা দি বহুতকে কলাকুশলী কৰি তুলিলে। বিশেষকৈ অতি পাৰদৰ্শিনী কৰি তুলিলে ৰজাৰ নিজৰ জীয়েক উত্তৰাক। নকুল আৰু সহদেৱেও সেইদৰে ঘোঁৰাশালৰ ঘোঁৰা আৰু গৰু-খুটিৰ গাই-গৰুবোৰ তজবজীয়া আৰু নোদোকা নোদোক কৰি তুলিলে। তেওঁলোক সকলোৱেই বিৰাট ৰজাৰ পৰা নানা ধৰণৰ বঁটা-বানচ লভি অজ্ঞাতবাসৰ দিনবোৰ সুখত কটাবলৈ ধৰিলে। সুখী হ'ব নোৱাৰি মনে মনে হুমুনিয়াহ কাঢ়িছিল মাথোন দ্ৰৌপদীয়ে। তেওঁ চিন্তা কৰিছিল, ধৰ্মৰাজ যুধিষ্ঠিৰ আৰু মহাবীৰ পাণ্ডৱসকলে বাৰু কোন জনমৰ পাপৰ ফলত ইমান কষ্টৰ মাজেদি দিনবোৰ কটাবলগীয়া হৈছে।

## ॥ কীচকৰ প্ৰীতিভিক্ষা ॥

বিৰাট ৰজাৰ কাৰেঙতে পাণ্ডৱসকলৰ অজ্ঞাতবাসৰ দহ মাহ এইদৰেই কোনো অঘটন নঘটাকৈ পাৰ হৈ গ'ল। এদিন ৰজাৰ সেনাপতি কীচক ৰাজ-কাৰেঙৰ অন্তেষপুৰত ভনীয়েক সুদেষ্ণাক দেখা কৰিবলৈ আহোঁতে হঠাৎ দ্ৰৌপদীক দেখা পালে। পাচত ভনীয়েকক লগ পায়েই কীচকে কোনো লুক-ঢাক নকৰাকৈ ক'লে, "সুদেষ্ণা, এই মানুহজনী দেখোন বৰ ধুনীয়া। ক'ত কিচাৰি পালা এই সোণৰ চপৰাটো ? নকৈ নোৱাৰোঁ, মদিৰাৰ গোন্ধে যেনেকৈ মানুহৰ মন বলিয়া কৰি তোলে, এইৰ ৰূপৰ জেউতিয়েও তেনেকৈ মোৰ মন বলিয়া কৰি তুলিছে। এইক মোৰ টোলত তুলিবগৈ নোৱাৰিলে, মোৰ জীৱনটো এনেয়েই গ'ল বুলিব লাগিব। তুমি কিবা এটা উপায় কৰি দিয়াচোন।"

কীচকে দ্ৰৌপদীৰ ওচৰ চাপি তেওঁৰ মনৰ কথাবাৰ ক'লে, "সুন্দৰী, তোমাৰ ইমান ৰূপ এনেয়ে নষ্ট হ'বলৈ দিছা। পুৰুষে ভিতত পিন্ধিবলৈ

নেপালে ফুলৰ মালাৰ শোভা এনেয়ে নষ্ট হয়। তুমি মাথোন এবাৰ কথা ক'লেই হ'ল ; মই মোৰ আটাইকেইজনী ঘৈণীকে তোমাৰ লিগিৰী পাতি দিম, মই নিজেও তোমাৰ লিগিৰা হৈ থাকিম। তুমি জানো মোৰ এই প্ৰণয়-অৰ্ঘ্য ভৰিৰে ঠেলি দিবা ?"

দ্ৰৌপদীয়ে উত্তৰ দিলে, "ডাঙৰীয়া, আপুনি ভুল কৰিছে। মই এজনী সামান্য সৈৰিন্ধ্ৰী। মই কেৱল ৰাজৰাণীৰ চুলি আঁচুৰি দিওঁ, খোপা বান্ধি দিওঁ আৰু তেনেকুৱা সৰুসুৰা কাম কৰি কোনোমতে পেট প্ৰতিপালওঁ। মই আপোনাৰ দৰে ইমান ওখ থাপৰ মানুহৰ কামনাৰ যোগ্য নহওঁ। তদুপৰি, মই আনৰ বিবাহিতা পত্নী। তেওঁলোকে সদায় ছাঁৰ নিচিনাকৈ মোৰ পিচ লৈ ফুৰে। তথাপি যদি আপুনি মোক অন্যায়ভাৱে পাবলৈ বিচাৰে, তেনেহ'লে নিশ্চয়কৈ জানিব—মোৰ সেই গন্ধৰ্ব-স্বামীকেইজনে আপোনাক বধ কৰিব। অ'জলা ল'ৰাই যেনেকৈ নৈৰ এইটো পাৰত থাকিয়েই সিটো পাৰলৈ যোৱাৰ কথা কল্পনা কৰে, কণমানি শিশুৱে যেনেকৈ মাকৰ কোলাত বহি জোনটো খামুচি অনাৰ সপোন দেখে, আপুনিও ঠিক তেনেকৈয়ে মোক পাবলৈ বিচাৰিছে। তেনেকুৱাবোৰ অলীক কল্পনাৰ পানীমিঠৈ সাজিবলৈ চেষ্টা নকৰিব।"

দ্ৰৌপদীৰ পোনপটীয়া প্ৰত্যাখ্যান শুনি কীচক ভনীয়েক সুদেষ্ণাৰ ওচৰ পালেগৈ। ক'লে, "সুদেষ্ণা, তুমি যেনে তেনে তোমাৰ এই সৈৰিন্ধ্ৰী-জনীৰ মন সলাই দিয়া। নহ'লে, মই জীয়াই থকাৰ আশা নকৰিবা। এতিয়া তোমাৰ ওপৰতে সকলো নিৰ্ভৰ কৰিছে—মনৰ আনন্দেৰে জীয়াই থাকোঁ নে শুকাই-খীণাই মৰোঁ।"

সুদেষ্ণাই অলপ চিন্তা কৰি উপায় এটা উলিয়ালে। ক'লে, "তুমি এটা কাম কৰা। কিবা এটা উছৱ উপলক্ষে তোমাৰ ঘৰত উত্তম সুৰা আৰু অন্যান্য অন্নবস্তুৰ যোগাৰ কৰিবা। মই তেতিয়া তোমাৰ ঘৰৰ পৰা অলপ ভাল সুৰা লৈ আনিবৰ কাৰণে সৈৰিন্ধ্ৰীক তোমাৰ ওচৰলৈ পঠিয়াম। তুমি তেতিয়া তেওঁক মন ভাল লগা কথা কৈ বশ কৰিবা।" সুদেষ্ণাৰ কথা শুনি কীচক মহা আনন্দেৰে ঘৰলৈ উভতিল।

দুদিনমানৰ পাচতে কীচকে তেনেকুৱা এটা ভোজৰ আয়োজন কৰিলে।

ৰাণী সুদেষ্ণাকো ভোজলৈ নিমন্ত্রণ কৰিলে। লগতে গম দি পঠিয়ালে, বোলে সেই ভোজত বিধে বিধে মঙহ-আহাৰ যেনেকৈ উজান উঠিব, নানা তৰহৰ সুৰাবো তেনেকৈ ঢল বৈ যাব। সুদেষ্ণাৰ মন গ'ল, আগে-ভাগে অলপ ভাল সুৰাৰ জুতি লৈ চাব! তাকে আনিবৰ কাৰণে সুদেষ্ণাই দ্রৌপদীক এবাৰ কীচকৰ ঘৰৰ পৰা গৈ আহিবলৈ পাচিলে। দ্রৌপদীয়ে তেতিয়া ক'লে, "মহাৰাণী, মোক অন্ততঃ কীচকৰ ওচৰলৈ যাবলৈ নক'ব। মানুহজনৰ আচাৰ-আচৰণ মুঠেই ভাল নালাগে। মই তালৈ গৈ অপযশ আৰ্জিব নোৱাৰোঁ। আপোনাৰ ওচৰত নিযুক্তি লওঁতেই যি নিৰ্বন্ধ কৰিছিলোঁ, সেয়া নিশ্চয় আপোনাৰ মনত আছে। আপোনাৰ লা-লিগিৰীৰ অন্ত নাই; আন কাৰোবাকে কামটোলৈ পাচি পঠিয়াওক। মোক ক্ষমা কৰক।"

সুদেষ্ণাই কিন্তু খট-বান্ধ কৰিবলৈ নেৰিলে। ক'লে, "মই তোমাক পঠিয়ালে, কীচকে তোমাৰ একো অন্যায় কৰিব নোৱাৰে।" এইবুলি কৈয়েই তেওঁ দ্রৌপদীৰ হাতত সুৰা ভৰাই আনিবলৈ এটা ভোগজৰা তুলি দিলেহি।

এনেটো অৱস্থাত দ্রৌপদী কীচকৰ টোললৈ নোযোৱাকৈ নোৱাৰিলে। যোৱাৰ আগতে তেওঁ সূৰ্যদেৱতাক আৰাধনা কৰিলে। সূৰ্যদেৱতাই এটা ৰাক্ষসক দ্রৌপদীৰ অদৃশ্যে গা-ৰখীয়া হৈ যাবলৈ আদেশ দিলে।

দ্রৌপদী যেতিয়া কীচকৰ টোল পালেগৈ, তেওঁক দেখিয়েই কীচকৰ হৃদয় আনন্দেৰে উপচি উঠিল। ফুটাই ক'লে, "আঃ! আজি মোৰ কি আনন্দৰ দিন। তোমাক মই কি দি তুষিম—ভাবিয়েই পোৱা নাই। সোণৰ হাৰ, সোণৰ খাৰু, সোণৰ ক'ৰিয়া—এইবোৰ যে দিমেই, মণি-মুকুতাৰে তোমাক বুৰাই পেলাম; তথাপি মোৰ হেপাহ নপলাব। ব'লা, মোৰ শোৱনি-কোঠাতে বহোঁগৈ; তাতে আমি মধুমাধৱী নামৰ সুৰা পান কৰোঁগৈ।" দ্রৌপদীয়ে উত্তৰ দিলে, "মহাৰাণীয়ে মোক আপোনাৰ ঘৰৰ পৰা সুৰা লৈ যাবলৈ পঠিয়াইছে।"

কীচকে ক'লে, "তুমি কষ্ট কৰিব নালাগে। সেয়া নিবলৈ মই আন কাৰোবাক পঠিয়াম।" এইবুলি কৈয়েই কীচকে দ্রৌপদীৰ হাতখন খামুচি

ধৰিবলৈহি। লগে লগে দ্ৰৌপদীয়ে কীচকক ঠেলা মাৰি পঠিয়ালে। কীচক কথমপিহে হামখুৰি খাই নপৰিল। নিজকে চম্ভালি লৈ কীচকে যেতিয়া পাচৰবাৰ আকৌ দ্ৰৌপদীৰ হাতখন জোৰেৰে মুঠি মাৰি ধৰিলে, দ্ৰৌপদীয়েও তেতিয়া শৰীৰৰ সমস্ত শক্তিৰে তাক আছাৰ মাৰি পঠিয়ালে সেইবাৰ সি তাক'বই নোৱাৰিলে, মাটিত চিৎভোলোঙা খাই পৰিলগৈ। কীচকৰ পৰা হাত সাৰিবলৈ দ্ৰৌপদীয়ে প্ৰাণটাকি দৌৰ মাৰিবলৈ ধৰিলে। কীচক মাটিৰ পৰা উঠৈমানে দ্ৰৌপদী বিৰাট ৰজাৰ সভা পালেগৈ। কীচকো পিচে পিচে দৌৰি সভাতে ওলালগৈ। সি ৰজাৰ সমুখতে দ্ৰৌপদীৰ চুলিকোছা খাপ মাৰি ধৰি ক'কালতে এটা খিয়গোৰ শোধাই দিলে। দ্ৰৌপদীৰ ভাগ্য ভাল, তেওঁৰ গা-ৰখীয়া অদৃশ্য ৰাক্ষসটোৱে সেই গোৰটোৰ আচল কোবটো গা পাতি ল'লে। লগতে সি কীচকক তাৰ অদৃশ্য হাতেৰে এনে এটা প্ৰচণ্ড খোচা শোধাই দিলে যে, কীচকে কথমপিহে যমৰ ঘৰৰ আলহী নোহোৱাকৈ ৰ'ল। সি টাকুৰী ঘূৰাদি ঘূৰি ঘূৰি কোনোবাখিনিত কৰ্ফাল খাই পৰিলগৈ।

ধৰ্মৰাজ যুধিষ্ঠিৰ আৰু বৃকোদৰ ভীম দুয়োজনেই সেই মুহূৰ্তত ৰাজসভাতেই বহি আছিল। চকুৰ আগতে দ্ৰৌপদীক কীচকৰ দৰে সামান্য কীট এটাই সেইদৰে পদাঘাত কৰা দেখা পাই ভীমে দাঁত-মুৰ কৰচিবলৈ ধৰিলে। জানোচা সকলোৰে আগত তেওঁলোকৰ চিনাকিটো ওলাই পৰে, সেই কথাষাৰ চিন্তা কৰিয়েই যুধিষ্ঠিৰে নিজৰ আঙুলি এটাৰে ভীমৰ হাতৰ আঙুলি এটা মেৰিয়াই ধৰি চকুৰ ঠাৰেৰে খংটো ৰাজহুৱাকৈ দেখুৱাবলৈ নিষেধ কৰিলে। দ্ৰৌপদীয়ে এবাৰ দুয়োকো চাই লৈ বিৰাট ৰজাৰ পিনে এনেদৰে খংমুৱাকৈ চালে, যেন তেওঁৰ খঙৰ জুয়ে ৰজাক পুৰি ছাই কৰি পেলাব। লগে লগে তেওঁ কৈ উঠিল, "যিসকলৰ শত্ৰু হেজাৰ ক্ৰোশ আঁতৰত থাকিও ভয়ত চকুৰ টিপ্ এটা মাৰি টোপনি যাব নোৱাৰে, মই তেওঁলোকৰেই আদৰৰ ভাৰ্যা; আৰু সেই মই হেন মানুহ-জনীক এটা সূতপুত্ৰই পদাঘাত কৰিবলৈ সাহস কৰিছে! যিসকলে আশ্ৰয়-প্ৰাৰ্থীক সকলো প্ৰকাৰেৰে ৰক্ষা কৰিবলৈ আগবাঢ়ি আছে, সেই মহাৰথ-সকল আজি বাৰু ক'লৈ গ'ল? বিৰাট ৰজাই যদি কীচকৰ দৰে পাপী

এটাক ক্ষমা কৰে, মই তেতিয়া কি কৰিব পাৰোঁ ? মহাৰাজ, আপুনি আপোনাৰ ধৰ্ম নষ্ট কৰিছে, আপুনি কীচকৰ প্ৰতি ৰজাৰ লেখীয়া আচৰণ কৰিব পৰা নাই। আপোনাৰ ধৰ্ম দস্যুৰ ধৰ্ম, আৰু সেই ধৰ্ম এনে এক ৰাজসভাত শোভা পোৱা নাই। সকলোৱে মোৰ কথা শুনক—কীচক ধৰ্মজ্ঞ নহয়, মৎস্যৰাজ বিৰাটো ধৰ্মৰ বাটৰ পৰা পিছলি পৰিছে, যিসকল সভাসদে সিজনক অন্ধৰ দৰে অনুসৰণ কৰিছে তেওঁলোকো ধৰ্মৰ বাটেদি গৈ থকা নাই।”

দ্ৰৌপদীয়ে যেতিয়া কান্দি কান্দি সকলোকে সেইদৰে তিৰস্কাৰ কৰিবলৈ ধৰিলে, বিৰাট ৰজাই তেতিয়া উত্তৰ দিলে, “সৈৰিন্ধ্ৰী, মই কেনেকৈ জানিম তোমালোকৰ মাজত কিহৰ বিবাদ ঘটিছে ? আৰু একোৱেই নজনাকৈ মই বাৰু কাৰ বিচাৰ কেনেকৈ কৰিব পাৰোঁ ?”

বিৰাট ৰজাৰ ৰাজসভাৰ সভাসদসকলৰ মাজত মৃদু গুঞ্জন বৈ গ'ল। খঙত যুধিষ্ঠিৰৰ কপালখন ঘামি উঠিল। লগে লগে তেওঁ আওপকীয়াকৈ দ্ৰৌপদীক বিপদৰ কথাও সোঁৱৰাই দি ক'লে, “সৈৰিন্ধ্ৰী, তুমি এতিয়া ইয়াৰ পৰা বিদায় লৈ দেৱী সুদেষ্ণাৰ ওচৰলৈ যোৱাঁগৈ। মোৰ ধাৰণা, তোমাৰ গন্ধৰ্ব-স্বামীসকলে নিশ্চয় এই মুহূৰ্তটো খং-ৰাগ দেখুওৱাৰ সময় বুলি বিবেচনা কৰা নাই। নহ'লে, তেওঁলোক নিশ্চয় তোমাৰ প্ৰতি হোৱা অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ নহাকৈ নেথাকিলহেঁতেন। তুমি আৰু বেচি পৰ ইয়াত নটীৰ লেখীয়াকৈ কন্দাকটা কৰি থাকিব নালাগে। তদুপৰি, এতিয়া ৰাজসভাত যিসকলে পাশা-খেলৰ আনন্দ ভোগ কৰি আছে, সেইসকলকো আমনি নকৰিবা। তুমি ইয়াৰ পৰা যোৱাঁ। তোমাৰ গন্ধৰ্ব-স্বামীসকলে নিশ্চয় তোমাৰ দুখ দূৰ কৰিব।”

দ্ৰৌপদীয়ে নিজকে নিজেই কোৱাৰ দৰে ক'লে, “সঁচা কথা, মোৰ গন্ধৰ্ব-স্বামীসকলৰ জ্যেষ্ঠজনৰ এই পাশাখেলৰ প্ৰতি থকা আসক্তিৰ বাবেই আজি মই এইদৰে ব্ৰত পালন কৰি থাকিবলগীয়া হৈছে। সিগৰাকী আকৌ অসীম দয়ালু। মোক যিবিলাকে অপমান কৰিছিল, সিবিলাকক যদি তেতিয়াই বধ কৰিলেহেঁতেন, তেনেহ'লে আজি এই পাষণ্ডটোৰ

হাতত দুনাই অপমান পাব নেলাগিলহেঁতেন।" এইবুলি কৈয়েই দ্ৰৌপদী অন্তঃপুৰলৈ গুচি গ'ল।

দ্ৰৌপদীৰ কান্দোনৰ কাৰণটো শুনি সুদেষ্ণাই সান্ত্বনা দি ক'লে, "হে সুকেশী, মোৰ কথা শুনিবলৈ গৈয়েই তোমাৰ এই অপমান ঘটিল। মই কল্পনাই কৰা নাছিলোঁ, এনেখন হ'বগৈ বুলি। কোৱা, মই বাৰু মহাৰাজৰ হতুৱাই তাক প্ৰাণদণ্ড দিয়াওঁ নেকি?"

দ্ৰৌপদীয়ে উত্তৰ দিলে, "সেই পাষণ্ডটোৱে যিসকলৰ জগৰ লগাইছে, তেওঁলোকেই তাৰ গতি লগাব। আজি ৰাতিয়েই সি যমৰ আলহী হ'বগৈ।"

সুদেষ্ণাই ভাবিবই নোৱাৰিলে, সেয়া যে মাথোন উৰুণ্ডা খঙৰ তুঁহ-জুইৰ ভমক নহয়।

## ॥ কীচক বধ ॥

দ্ৰৌপদীয়ে গা-পা ধুই উঠি মনটো নিকা কৰি ল'লে। তাৰ পাচত থিৰাং কৰিলে, ভীমৰ বাহিৰে আন কোনোজনেই ইয়াৰ শোধ ল'ব নোৱাৰিব। আন্ধাৰৰ আঁৰ লৈ দ্ৰৌপদী ভীমৰ বহা পালেগৈ। ভীম তেতিয়া মুৰে-গা'য়ে ঘুমে মাৰি লৈ শুই আছিল।

সিংহিনীয়ে সিংহক সাৱটি ধৰাৰ দৰে দ্ৰৌপদীয়ে ভীমক সাৱটি ধৰি ক'লে, "উঠাঁ, এয়া মৃতৰ নিচিনাকৈ শুই থকাৰ সময় নহয়। যাৰ ভাৰ্যাক স্পৰ্শ কৰিও কোনোবা পাপিষ্ঠ এই পৃথিৱীত জীয়াই থাকিব পাৰে, সেই স্বামীক কোনেও জীৱন্ত বুলি নকয়। আচৰিত হৈছোঁ, তোমাৰ চকু কেনেকৈ জাপ যাব পাৰিছে—সেই কথাষাৰ ভাবি।"

ভীমে সাৰ পাই উঠি ক'লে, "তুমি ইমান বিভত নহ'বাচোন। গোনতে মোক গোটেই ঘটনাটো লুক-ঢাক নকৰাকৈ কোৱা। তাৰ পাচত যি ব্যৱস্থা ল'ব লাগে, সেয়া মই তেনেকৈ ল'ম। এতিয়া তুমি কিয় কন্দা-কটা কৰিবলগীয়া হৈছে, সেয়া কৈ ইয়াৰ পৰা যোৱাগৈ—আনে যাতে একো গম নেপায়।"

দ্ৰৌপদীয়ে তেতিয়া ভীমৰ আগত বিলাপ কৰি ক'লে, "যুধিষ্ঠিৰ যাৰ স্বামী, তেওঁ কান্দিবলগীয়া নহ'লে নো আন কোনে কান্দিবলগীয়া হ'ব। তুমি দেখোন মোৰ সকলোবোৰ দুখৰ কথা জানাই। আকৌ সুধিছা, কন্দা-কটা কৰিবলগীয়া হ'ল কিয়। সেই দুৰ্দশীয়া পাশাখেলৰ সভাত দুঃশাসনে সকলোৰে সমুখত মোক লিগিৰী পাতিছিল। সেই জুইকুৰা আজিও মোৰ বুকুত জ্বলি আছে। বনবাসৰ সময়ত পাষণ্ড জয়দ্ৰথে মোক চুলিত ধৰি চোঁচোৰাই নিছিল। কোনে সহিব পাৰে সেই অপমান। আজি বিৰাট ৰজাৰ সমুখতে পাষণ্ড কীচকে মোক থিয়গোৰ শোধাই বং চালে। তাৰ পাচতো বাৰু কোন নাৰীৰ জীয়াই থকাৰ কিবা সকাম থাকে? সি নিধকে মোক লগ পালেই কয়, মই হেনো তাৰ পাটিৰ তিৰোতা হ'বগে লাগে। শুনা ভীমসেন, তোমাৰ এই পাশাখেলৰ নাম শুনিলেই মতলীয়া হৈ পৰা ককায়েৰাগৰাকীৰ বাবেই মই এই যাতনা ভুগিছোঁ। তেওঁ যদি সোণৰ চপৰা, ৰূপৰ মোহৰ, হাতী-ঘোঁৰা-ৰথৰ লানি নাইবা গৰু-গাইৰ জাক পণ থৈ খেলিলেহেঁতেন, তথাপি তেওঁ ওৰেটো জীৱন খেলিও এইদৰে বাটৰ ভিকহু হ'বগে নেলাগিলহেঁতেন। এতিয়া তেওঁ বোবাৰ যন্ত্ৰণা ভুগি মৎস্যৰাজৰ পাৰিষদ হৈ দিন কটাইছেহি। আৰু তুমি ঘাই-ৰান্ধনি হৈ বিৰাট ৰজাৰ লাচনি-পাচনি কৰি ফুৰা দেখা পালে মোৰ বুকুখন শোকে খুন্দা মাৰি ধৰে। তুমি যেতিয়া মল্লবীৰ হৈ বাঘ-সিংহ-ম'হৰ লগত যুঁজ কৰি সকলোৰে মন যোগাবলৈ লোৱা, তেতিয়া মই বাৰে বাৰে উচপ খাই উঠোঁ। তাকে দেখি সুদেষ্ণাই সখীয়েকহঁতক এইদৰে কৈ মোৰ লগত ধেমালি কৰে; 'দেখিছানে আমাৰ সৈৰিন্ধ্ৰীৰ দুৰৱস্থাটো। বাৰেপতি উচপ খাই মৰিছে। সৈৰিন্ধ্ৰীৰ মনটো ৰান্ধনিবৰুৱাত বাৰুকৈয়ে মজিছে। পিচে এইহাল তেনেই গুনঠি-থান্দৰি হৈ মিলিলেহেঁতেন।' সিফালে নাম শুনিলে দেৱতা-দানৱৰো বুকু কঁপি উঠা সব্যসাচী অৰ্জুন আহি হৈছেহি হাতত সোণৰ খাৰু পিন্ধি চুলিৰ বেণী নচুৱাই ছোৱালীবিলাকৰ নাচ-গানৰ বাইদেউ। আই কুন্তীয়ে যাৰ ওপৰত চকু ৰখাৰ ভাৰ মোক দিছিল, সেই লাজকুৰীয়া আৰু মিঠামুখীয়া সহদেৱ হৈছেহি ৰঙা চুৰিয়া পিন্ধা জাক গৰখীয়া-ল'ৰাৰ

মুখিয়াল ঘাই-গৰুৱাল। ৰাতি হ'লে বেচেৰাই গাখীৰৰ ফেন যেন কোমল চৰাই-পাখিৰ তলিয়াৰ পৰা বগা ধকধকীয়া তুলপৰ সলনি শুকান মেটুৰামেটুৰি গৰুছালৰ ঢাৰি পাৰি মাটিৰ মজিয়াতে শুই দিনৰ ভাগৰ পলুৱায়। আৰু ৰূপে-গুণে সমান অস্ত্ৰবিশাৰদ নকুলে দিন কটাইছেহি ঘোঁৰাশালৰ ঘাই-ৰখীয়া হৈ। যুধিষ্ঠিৰৰ পাশা-মতলীয়া গুণটোৰ বাবেই আজি মই সুদেষ্ণাৰ সৈৰিন্ধ্ৰী। পাণ্ডৱসকলৰ মহিষী আৰু পাঞ্চালৰাজ দ্ৰুপদৰ জীয়াৰী হৈয়ো আজি মোৰ এই দুৰৱস্থা। আই কুন্তীৰ বাহিৰে আন কাৰো বাবে মই চন্দন বটি পোৱা নাই, আনকি নিজৰ বাবেও নহয়। এতিয়া চন্দনৰ লেও বটি বটি মোৰ দুয়োহাতৰ আঙুলিবোৰ সিৰামুৰি ধৰি গৈছেগৈ। তোমালোকৰ কাকোৱেই মই ভয় কৰি পোৱা নাই। আৰু এতিয়া মই বিৰাটৰ সমুখত ভয়ে ভয়ে থিয় হওঁগৈ— জানোচা মই বটি দিয়া চন্দনৰ লেওখিনি তেওঁ মিহি নহ'ল বুলি কয়! মইতো কেতিয়াবা দেৱতাসকলৰ অপ্ৰিয় কিবা কাম কৰিছিলোঁ বুলি মোৰ মনত নপৰে। তথাপি, মই বাৰু নমৰাকৈ কিয় এইদৰে বাচি আছোঁ।"

ভীমে তেতিয়া চলচলীয়া চকুৰে ক'লে, "ধিক মোৰ বাহুবল, ধিক অৰ্জুনৰ গাণ্ডীৱ! চন্দন বটি বটি তোমাৰ হাতৰ তেজ-ৰঙচুৱা আঙুলি-বোৰো শিলতকৈয়ো কঠিন হৈ উঠা দেখা পাবলগীয়া হ'ল! মই আজি সভাৰ মাজতে বিৰাটক এশিকনি দিলোহেঁতেন, পদাঘাত কৰি কীচকৰ মূৰ চূৰমাৰ কৰি পেলালোহেঁতেন, মৎস্যৰাজ্যৰ বাকীবোৰ মানুহকো কঠিন শাস্তি বিহিলোহেঁতেন! মাথোন ধৰ্মৰাজে চকুৰ ঠাৰেৰে বাধা দিলে বুলিয়েই একো নকৰাকৈ ৰৈ গ'লোঁ। আৰু মাথোন পোন্ধৰ দিন সকলো কষ্ট সহি থাকা। তাৰ পাচত, তেৰটা বছৰজোৰা নৰক-যন্ত্ৰণাৰ ওৰ পৰিব। তুমি তেতিয়া পৃথিৱীৰ সম্ৰাজ্ঞী হৈ পৰিবা।"

দ্ৰৌপদীয়ে ক'লে, "তুমি ভুল নুবুজিবা, ভীমসেন! যুধিষ্ঠিৰক তিৰস্কাৰ কৰা মোৰ উদ্দেশ্য নহয়। জানোচা বিৰাট ৰজা মোৰ ৰূপ দেখি পিছলি খায়, সুদেষ্ণাক সেই ভয়ে খাই মাৰিছে। তাকে গম পাই এই দুৰাত্মা কীচকে খিতিতাল কৰিবলৈ সাহ পাইছে। তোমালোকে

যদি কেৱল অজ্ঞাতবাসৰ কথাষাৰকে লৈ গাঁতত সোমাই থকাতেই সকলো দায়িত্ব শেষ কৰিব খুজিছা, তেনেহ'লে মোক তোমালোকে তোমালোকৰ ভাৰ্যা বুলি দাবী কৰাৰ অধিকাৰ হয়তো হেৰুৱাই পেলাবা। হে মহাবলী ভীমসেন, তুমিয়েই মোক জটাসুৰৰ হাতৰ পৰা উদ্ধাৰ কৰিছিলা, তুমিয়েই সেই পাষণ্ড জয়দ্ৰথক তাৰ ঔদ্ধত্যৰ শাস্তি বিহি মোক শান্তি দিছিলা; এতিয়াও তুমিয়েই মোৰ একমাত্ৰ আশ্ৰয়। তুমি সেই নীচ দুৰাত্মা কীচকক বধ কৰা, শিলত থেকেচি থেকেচি তাৰ মূৰটো গুৰি কৰি পেলোৱা। সি জীয়াই থকাতে যদি কাইলৈ ৰাতি পুৱায়, তেনেহ'লে ঠিক জানিবা—মই বিহ খাই মৰিম, তথাপি তাৰ ওচৰত লঘু হ'বলৈ নেযাওঁ।" এইবুলি কৈ দ্ৰৌপদীয়ে ভীমৰ বুকুত মূৰটো গুজি কান্দিবলৈ ধৰিলে।

অৱশেষত ভীমে ক'লে, "যাজ্ঞসেনী, তুমি যি বিচাৰিছা সেয়েই হ'ব। মই পাপিষ্ঠ কীচকক তাৰ সকলোবোৰ দুৰ্জন লগৰীয়াৰ সৈতে এই পৃথিৱীৰ পৰা আঁতৰ কৰি পঠিয়াম। তুমি মাথোন এটা কাম কৰিবা। তুমি তাক আজি গধূলি ছোৱালীহ'তৰ নাচঘৰত তোমাক নিৰলে লগ ধৰিবলৈ ক'বা। ছোৱালীবোৰ নাচ-গান শিকি গধূলি হ'লেই গুচি যায়গে। তাতে এখন আটকধুনীয়া পালেং আছে; সেই পালেংখনতে মই তাক তাৰ উপৰি পৰুষবোৰৰ সৈতে লগ পোৱাই দিম।"

পাচদিনা ৰাতিপুৱাৰ কথা। কীচক পোনে পোনেই কাৰেঙৰ অন্তেষপুৰত সোমালহি। দ্ৰৌপদীক দেখা পায়েই ক'বলৈ অহা কথাষাৰ ক'লে, "দেখিলা নহয়, উধনীয়া গপ দেখুৱাই লাভ নাই। কোনেও তোমাক ৰক্ষা কৰিব নোৱাৰিলে। বিৰাট কেৱল বহি-ৰজা, আচলতে মইহে উঠি-ৰজা আৰু মোৰ কথামতেই ৰাজ্য চলে। যি হ'বলগীয়া আছিল, সেয়া বাৰু হ'ল। সুন্দৰী, তুমি মোক তোমাৰ যৌ-বনৰ জুতি ল'বলৈ দিয়া; মই তোমাক ঢেৰ কিবাকিবি দিম। তোমাক এশটা সোণৰ মোহৰ কাইলৈকে দিম। আৰু দিম—এশজনী আলধৰা লিগিৰী, এশটা লগুৱা-লিকচৌ আৰু গাধই-ঘোঁৰাই মিহলি স'চৰ মাইকী খচ্চৰে টনা এখন ধুনীয়া ৰথ। তুমি তেতিয়া সৈৰিন্ধ্ৰী হৈ জীৱন কটাব নালাগে।"

দ্ৰৌপদীয়ে হাঁহি এটা মাৰি কুহুলিয়ালে, "কীচক, তুমি মাথোন

কথাষাৰ ৰজনজনা হ'ৰলৈ নিদিবা। মই মোৰ গন্ধৰ্ব-স্বামীকেইজনৰ কথা ভাবিহে উচপ খাই থাকোঁ। তেওঁলোকৰ চাৰিওফালে চকু।"

কীচকে উলাহতে বিভোৰ হৈ ক'লে, "আকৰী, তোমাৰ দেখিছোঁ কলিজাটো টিপচী চৰাইৰ লেখীয়া! ভয় নাই, মই অকলেই আহিম। কোনেও নেদেখে। তোমাৰ সেই গন্ধৰ্বকেইটাৰ চকুবোৰ নিশ্চয় ফেঁচাৰ লেখীয়া নহয়।"

দ্ৰৌপদীয়ে ক'লে, "ওঁ-হো, ইয়ালৈ নাহিবা। সেই যে নাচঘৰটো দেখিছা, তালৈকে যাবা। গধূলিৰ পাচত যাবা। ৰাতি সেই ঘৰটো উদং হৈ থাকে।"

কীচকৰ লগত এইদৰে কথা-বতৰা হোৱাৰ পাচত দ্ৰৌপদীয়ে ছেগ চাই ৰান্ধনিঘৰৰ ফালে পাক মাৰি আহিলগৈ। ভীমে কথাষাৰ গম পায়েই ক'লে, "আজি তাৰ খিতিণ্ডালিৰ হোৰ তুলিম। আজি গধূলিকৈ সি তাৰ চৈধ্য পুৰুষক লগ পাবগৈ। তাৰ মূৰটো থেঁতালি পেলাম। আৰু কোনোবাই যদি বাধা দিবলৈ আহে, সিহঁতে মাথোন জুইৰ লগতহে উমলিবলৈ আহিব। মই মোৰ চাৰিওটা ভাই-ককাইৰ নামত শপত খাই কৈছোঁ, সকলোৰে চকুৰ আগত মই আজি তাক নেফানেফ কৰিম। তাৰ পাচত, আৰু এজোপা বিহ গছ। সেইজোপাও পুলিয়ে-পোখাই উঘালিম; দুৰ্যোধনক বধ কৰি ৰাজ্য উদ্ধাৰ কৰিম। থাকিলে থাকিব, যুধিষ্ঠিৰে বিৰাট ৰজাৰ সেৱা-শুশ্ৰূষা কৰি!"

ভীমৰ খংটো দেখি দ্ৰৌপদীয়ে মিনতি জনাই ক'লে, "বীৰ, তুমি সেইবোৰ নকৰিবা। মোৰ কাৰণে সত্যৰ বাটৰ পৰা পিছলিব নালাগে। কীচকক তুমি গোপনে কোনেও গম নোপোৱাকৈয়ে বধ কৰা।"

সিংহই যিদৰে হৰিণা পহু অহালৈ বাট চাই বননিত চোপ লৈ থাকে, ভীমেও তেনেকৈ কীচক অহালৈ বাট চাই নাচঘৰৰ পালেংখনত উঠি গধূলিটো লাহে লাহে ৰাতি হৈ আহিবলৈ দিছিল। অৱশেষত, সাজি-কাচি অহা কীচক সেই আন্ধাৰেৰে ভৰপূৰ নাচঘৰটোলৈ সোমাই আহিল। সোমায়েই সি পালেংখনৰ ওচৰ পালেগৈ আৰু তাতে উঠি দীঘল দি পৰি থকা ভীমৰ গা'ত হাতখন থৈ মৌ-মিঠা মাতেৰে ক'লে, "সুন্দৰী, মই

অন্তেৱপ্ৰৰত থকা তোমাৰ ঘৰলৈ বহুত ধন-বস্ত্ৰ, অন্ন-অলংকাৰ আৰু কেইবাজনীও লিগিৰী পঠিয়াই দিছোঁ। আৰু শুনা, মোৰ ঘৰৰ আটাইবোৰ তিৰোতায়েই কয়, মোৰ নিচিনা ধুনীয়া মতা মানুহ হেনো সিহঁতে ক'তো দেখাই নাই।"

ভীমে সাউৎকৈ উঠি লৈ ক'লে, "বৰ বঢ়িয়া কথা, তোৰ নিচিনা নিজেই নিজকে ধুনীয়া বুলি যহোৱা পাপিষ্ঠ এটাক আপচু গচ় দিয়েই ভাল লাগিব। তোৰ ভনীয়েৰে কাইলৈ চাই যাবহি—ধুনীয়া ককায়েকৰ কি গতি হ'ল!" এইবুলি কৈয়েই ভীমে কীচকৰ চুলিকোছা থাপ মাৰি ধৰিলে আৰু তাৰ মূৰটো ঘঁটালিবলৈ ধৰিলে। কীচকেও ভীমৰ বাহু দুটা খামোচ মাৰি ধৰিলে। তাৰ পাচত, দুয়োৰো মাজত প্ৰচণ্ড বাহুযুদ্ধ আৰম্ভ হ'ল। এটা পাকত ভীমে কীচকক মূৰৰ ওপৰলৈ তুলি লৈ মহুৰা ফুৰোৱাদি ঘূৰাবলৈ ধৰিলে। অলপ পাচত, ভীমে তাক নাচঘৰৰ ভিতৰতে ফমুঁঠি দলিওৱাৰ লেখীয়াকৈ দলি মাৰি পঠিয়ালে। খেকেচা খাই পৰাৰ পৰা উঠি আহি কীচকে ভীমকো তাৰ আঠুটোৰে খুন্দা মাৰি বগৰাই পেলালেহি। কিন্তু তাৰ পাচত কীচকৰ বল ভাগি আহিবলৈ ধৰিলে। ভীমে তাক মাটিত বগৰাই লৈ বুকুৰ ওপৰত বহি নেলুটো চেপি ধৰিলে। আনখন হাতেৰে ভুকুৱাই ভুকুৱাই এফালৰ পৰা হাড়-মূৰ ভাঙি আনিবলৈ ধৰিলে। লগে লগে দাঁত-মূৰ কৰাচি ভীমে নিজকে নিজেই কৈ গ'ল, "কটা চিকাপোৱালি! ইমান সাহস তোৰ, কাৰ সমুখত কাক থিয়গোৰ মাৰিছিলি? আজি সৈৰিন্ধ্ৰীৰ বাটৰ কাইট উঘালিছোঁ।"

তাহানি মহাদেৱে গজাসুৰ বধ কৰোঁতে যি কৰিছিল, ভীমেও কীচকক বধ কৰোঁতে তাকেই কৰিলে। মূৰটো টানি আনি পেটত সুমুৱালেহি, হাত দুখন আৰু ভৰি দুখন খেনুভিৰীয়াকৈ লৈ ইখনৰ ওপৰত সিখনকৈ জাপি কাঙ্কৰ কাষেদি নি পিঠিৰ তলত থ'লেগৈ। মুঠতে, ভীমে কীচকক এথোপা লপ্থেপ্ মাংসপিণ্ড কৰি পেলালে। তাৰ পাচত, দ্ৰৌপদীক মাতি আনি দেখুৱালেহি, "পাঞ্চালী! চোৱাচোন, সৌটোৰ কি গতি হ'ল!"

ভীম যেতিয়া নাচঘৰৰ পৰা ওলাই গ'ল, দ্ৰৌপদীয়ে তেতিয়া নাচঘৰক

পৰীয়াকেইটাক মাতি আনি ক'লে, "পাষণ্ড উঠি-বজাটোৰ কি দশা হ'ল, চোৱাঁগৈ যোৱা। লোকৰ তিৰোতাৰ ওপৰত চকু দিয়া পাপীবোৰৰ শেষ দশা সদায় তেনেকুৱাই হয়। মোৰ গন্ধৰ্ব-স্বামীসকলে সেই পাপীটোক এনেকৈয়ে ল'লে।"

পৰীয়াকেইটা হাতত জোৰ একোটাঁৰ লৈ নাচঘৰৰ ভিতৰলৈ সোমাই গ'ল। সিহঁতে মঙহৰ পিণ্ডটো খৰচৰি বিচাৰিবলৈ ধৰিলে—কোনটো মূৰ, কোনখন কোনপিনৰ হাত, আৰু কোনখন হাতৰ কিলাকুটিটো কেনি সোমাল!

## ॥ উপকীচকবোৰৰ চটফটনি ॥

গন্ধৰ্বৰ হাতত কীচক মৰাৰ বাতৰিটো চাৰিওফালে বিয়পি পৰিল। কীচকৰ ঘৰদেউতাকৰ পুতেক, খুৰাকৰ পুতেক, মোমায়েকৰ পুতেক—এনে ধৰণৰ সম্বন্ধীয়া ভায়েক এগাল আছিল। সিহঁতেও কীচকৰ ক্ষমতা-প্ৰতিপত্তিৰ গইনা লৈ একেদৰে মূৰে ভৰিকাঢ়ি ফুৰিছিল। মানুহে সিহঁতৰ নাম থৈছিল উপকীচক। মুঠতে তেনেকুৱা এশ পাঁচোটা উপকীচক আছিল। কীচক মৰাত সিহঁতৰ মূৰত আকাশ ভাগি পৰিল। নাচঘৰলৈ গৈ সিহঁতে হুৰাওবাৰে কান্দিলে। সিহঁতে নৈৰ বালিত চিৎভোলোঙা খাই পৰি থকা কাছটোৰ দেখীয়া কীচকৰ পিনে চাই অবাক মানিলে। যি কি নহওক, সেই লপথপ মঙহৰ থোপাটোকে ককায়েকৰ মৰা-শ বুলি চাঙী এখনত তুলি লৈ মৰিশালিত দাহ কৰি থৈ আহিবলৈ থিৰাং কৰিলে। পোনতে সেই মৰা-শটোক ঘৰ ফুৰাই আনিবৰ কাৰণে নাটঘৰৰ পৰা সিহঁত ওলাই আহিল।

সেইদৰে সমদল কৰি আহি থাকোঁতেই সিহঁতৰ চকুত পৰিল, কাৰেঙৰ কাষতে দ্ৰৌপদীয়ে থমকি বৈ সিহঁতকে চাই আছে। তাৰে কোনোবা এটাই মাত দিলে, "দেখিছনে সৌজনী কুলক্ষণীক। তাইৰ কাৰণেই গন্ধৰ্ববোৰে সেনাপতি কীচকক হত্যা কৰিলে। সেই কুলক্ষণী-জনীকো সেনাপতিৰ চিতাত তুলি পোৰোঁ, ধৰ।" আন এটা উপকীচক

ঢপলিয়াই বিৰাট ৰজাৰ ওচৰ পালেগৈ। অন্তেবপুৰৰ সৈৰিন্ধ্ৰী যেতিয়া ৰজাৰ অনুমতি এটা আগতীয়াকৈ লৈ থ'ব খুজিলে। বিৰাট তৎক্ষণাৎ মান্তি হ'ল। কাৰণ, বিৰাটে সেই উপকীচককেইটাকো ভয় কৰি চলিছিল।

ৰজাৰ অনুমতি পায়েই সিহঁতে দ্ৰৌপদীক বান্ধি লৈ মৰিশালিৰ পিনে যাবলৈ ধৰিলে। দ্ৰৌপদীয়ে আন উপায় নেদেখি পাণ্ডৱসকলৰ চোৰাং নামকেইটা কাঢ়ি চিঞৰি চিঞৰি ক'লে, "জয়, জয়ন্ত, বিজয়, জয়সেন, জয়দ্বল ! তোমালোকে মোক ৰক্ষা কৰাঁহি। উপকীচকবোৰে মোক শ্মশানলৈ নি পুৰি মাৰিব খুজিছে।"

দ্ৰৌপদীৰ সেই গগনফলা চিঞৰ ভীমৰ কাণত পৰিলগৈ। ভীমে নিমিষতে পিচ-দুৱাৰেদি ওলাই একেজাঁপে দেৱাল পাৰ হৈ শ্মশানৰ পিনে দৌৰিবলৈ ধৰিলে। দ্ৰৌপদীক দেখা পায়েই চিঞৰি উঠিল, "ভয় নাই, সৈৰিন্ধ্ৰী ! আজি সিহঁতৰ এটাকো নিস্তাৰ নিদিওঁ।"

অলপ দূৰ গৈয়েই ভীমে দেখিলে, বাটৰ কাষতে এজোপা বিয়াগোম শুকান গছ। ভীমে সেই গছজোপা উঘালি লৈ উপকীচকজাকৰ পিনে খেদা মাৰি গ'ল। লগে লগে সিহঁতৰ কোনোবা এটাই চিঞৰ মাৰি দিলে, "হেৰ', সৈৰিন্ধ্ৰীৰ গন্ধৰ্বজাক আহিছে। সৈৰিন্ধ্ৰীক মুকলি কৰি দে। নহ'লে, আমাৰ গোটেইবোৰকে শাল গছেৰে টঙনিয়াই বোন্দামাৰ কৰিব।"

তাৰ চিঞৰটো শুনিয়েই সিহঁতে দ্ৰৌপদীৰ বান্ধবোৰ মুকলি কৰি দি গোটেইবোৰ ফিৰিঙতি ওফৰাদি উফৰি ঘৰমুৱা হৈ পলাবলৈ ধৰিলে। ভীমে সিহঁতৰ পিচে পিচে খেদা মাৰি গৈ এটা এটাকৈ বধিবলৈ ধৰিলে। অৱশেষত, সিহঁত গোটেইজাকেই যমৰ ঘৰ পালেগৈ। এশ পাঁচোটা উপকীচকৰ এটাও নমৰাকৈ নেথাকিল। ভীমে সেই মৰা-শ'বোৰ ফেনেকি পাৰ হৈ দ্ৰৌপদীৰ ওচৰ চাপি ক'লে, "কৃষ্ণা, তুমি এতিয়া নিৰ্ভয়ে কাৰেঙলৈ যোৱাঁগৈ। মই আন এটা বাটেৰে বান্ধনিঘৰৰ ফালে গৈছোঁ।"

ৰাতিপুৱা গোটেইবোৰ নগৰবাসীয়েই গম পালে, ৰাতিটোৰ ভিতৰতে কীচক এটা মণ্ডহৰ লাড়ু হ'ল আৰু উপকীচক গোটেইজাকৰেই হাড়-মূৰ ভাগি মৰিল। তেওঁলোকৰ কিছুমানে ৰজাৰ ওচৰলৈ গৈ বাতৰিটো দিলে আৰু ক'লে, "মহাৰাজ, সৈৰিন্ধ্ৰী চাগৈ আপোনাৰ কাৰেঙলৈ উভতি

আহিল। মানুহজনী ৰূপেহী; পুৰুষ-মানুহে দেখা পালে তাইক পাবলৈ হাবাথুৰি খাবই। আকৌ কিবা লেঠা লাগে বুলিহে আমি ভয় খাইছোঁ। জানোচা কেনেবাকৈ গোটেইখন ৰাজধানীয়েই ধ্বংস হ'বলগীয়া হয়! কাৰণ, গন্ধৰ্ববোৰো মহা পৰাক্ৰমী—উমানটো পাইছেই।"

সেই ৰাতিপুৱাই দ্ৰৌপদীও গা-পা ধুই উঠাৰ পাচত ফৰকাল মনেৰে ঘূৰিবলৈ ওলাই গ'ল। দ্ৰৌপদীক দেখা পায়েই বহুতে গন্ধৰ্বৰ ভয়ত ফাহি-ছিটিকা দি পলাবলৈ ধৰিলে। গতিকে, দ্ৰৌপদী লৰালৰিকৈ ৰান্ধনিঘৰত সোমাই পৰিল। তাতে ভীমক দেখা পাই দ্ৰৌপদীয়ে হাঁহি হাঁহি ক'লে, "যিজনে মোক মুক্ত কৰিলে, সেই গন্ধৰ্বৰাজক নমস্কাৰ!" ভীমে উত্তৰ দিলে, "অকল জানো তুমি? যাৰ কথা শুনি গন্ধৰ্বসকল ইয়াতে আছোঁহি, সেই গন্ধৰ্বসকলো তেওঁৰ কথা শুনিয়েই ঋণমুক্ত হ'ল।"

তাৰ পাচত, দ্ৰৌপদীয়ে শোৱনি-কোঠাৰ কাষতে থকা নাচঘৰৰ ওচৰেদি যাওঁতে গম পালে, অৰ্জুনে কুঁৱৰী আৰু ছোৱালী কিছুমানক নাচ-গান শিকাই আছে। দ্ৰৌপদীক দেখা পাই আটাইবোৰ বাহিৰলৈ ওলাই আহিল। আটাইবোৰে সম্ভাষণ জনাই ক'লে, "বৰ ৰং পাইছোঁ, সেই ডকাইতকেইটা মৰিল বুলি শুনি। আপুনি ভাগ্যৰ বলতহে ৰক্ষা পালে।" অৰ্জুনেও ক'লে, "ময়ো বৰ সুখী হৈছোঁ। সেই পাপিষ্ঠকেইটা কেনেকৈ মৰিল, তুমি কেনেকৈ ৰক্ষা পালা—সকলো কথা বিতংকৈ শুনিবৰ মন যায়!"

দ্ৰৌপদীয়ে উত্তৰ দিলে, "বৃহন্নলা, সৈৰিন্ধ্ৰীৰ কথা শুনি তোমাৰ নো কি লাভ? তুমি তো ছোৱালীজাকৰ মাজত দিনবোৰ সুখেৰেই কটাইছা! মোৰ নিচিনাকৈ তো চকুপানী টুকি কটাবলগীয়া হোৱা নাই।" অৰ্জুনে তেতিয়া হুমুনিয়াহ এটা কাঢ়ি ক'লে, "তুমি কি বুজিবা সৈৰিন্ধ্ৰী, বৃহন্নলাই কি মহাদুখৰ মাজত দিন কটাবলগীয়া হৈছে! তুমি নুবুজিবা, বৃহন্নলা এটা জন্তুলৈ ৰূপান্তৰিত হৈ পৰিছে; সি আৰু মানুহ হৈ থকা নাই। এযাৰ কথা, আমি খুব ওৰাউচাঁৰিকৈ থাকোঁ। সেইকাৰণে কেতিয়াবা তুমি কিবা কষ্ট পোৱা বুলি শুনিলে, বুকুৰ ভিতৰখন চমচমাই উঠা যেন লাগে।"

সেইদিনাখনেই বিৰাটে নগৰবাসীবোৰৰ সতৰ্ক-বাণী শুনি সুদেষ্ণাক কৈ গৈছিলহি, "মানুহজনীক মানে-সম্মানে বিদায় দিয়াই বুদ্ধিমানৰ কাম হ'ব যেন পাইছোঁ। ক'বতো নোৱাৰি, কোনে ক'ত অদৃশ্য গন্ধৰ্ববোৰৰ লগৰ লগায়! তুমিয়েই ক'বা কথাষাৰ—সুন্দৰী, তুমি আন ক'ৰবালৈ যোৱাগৈ। মই নিজে পোনপটীয়াকৈ কথাষাৰ ক'বলৈ বেয়া পাইছোঁ।"

দ্ৰৌপদী উভতি আহিলত সুদেষ্ণাই ক'লে, "সৈৰিন্ধ্ৰী, তুমি আন ক'ৰবালৈ যোৱাগৈ। বয়সতো তুমি গাভৰু, ৰূপেতো অনুপমা; আৰু ৰজায়ো তোমাৰ গন্ধৰ্ববিলাকৰ নামত উচপ খাই থাকিবলৈ লৈছে। সাতে-পাঁচে, তুমি ইয়াৰ পৰা বিদায় লোৱা।"

দ্ৰৌপদীয়ে ক'লে, "মহাৰাণী, আৰু মাত্ৰ তেৰ দিন বাট চাওক। তাৰ পাচত, মোৰো ব্ৰত শেষ হ'ব, মোৰ গন্ধৰ্ব-স্বামীকেইজনেও তেওঁলোকৰ কাম শেষ কৰি ইয়াত ওলাবহি। তেতিয়া তেওঁলোকে নিজেই মোক ইয়াৰ পৰা লৈ যাবহি। যাবৰ সময়ত তেওঁলোকে নিশ্চয় আপোনাসকলক কিছু উপকাৰ কৰি থৈ যাব। এই তেৰ দিনৰ কাৰণে আপুনি মোক আপোনালোকৰ বোজা বুলি নেভাবিব।"

## ॥ গৰুখুটিৰ গৰুচোৰ সুশৰ্মা ॥

বিৰাট ৰজাৰ ৰাজ্যত অজ্ঞাতবাস কৰি কটোৱা পাণ্ডৱসকলৰ ভাগ্যত যেতিয়া এনেবোৰ আপদ-বিপদ ঘটি আছিল, সেই সময়ছোৱা কৌৰৱ-সকলেও হাত সাবটি বহি থকা নাছিল। দুৰ্যোধনে নানা দেশলৈ বহুতো চোৰাংচোৱা পঠিয়াইছিল—উমান ল'বলৈ, পাণ্ডৱসকলক ক'ৰবাত কেনেবাকৈ কোনোবাই দেখা পাইছে নেকি! কোনোবাই কেনেবাকৈ পঞ্চ পাণ্ডৱক লগ পাই চিনি পালেই দুৰ্যোধনৰ উদ্দেশ্য সিদ্ধি হ'ব—পাণ্ডৱসকলে আকৌ বাৰ বছৰ বনবাস খাটি অৰনিয়ে-বননিয়ে ঘূৰি ফুৰোঁতেই বানপ্ৰস্থী হোৱাৰ বয়সৰ ঘৰত সোমাবৰ সময় হ'বহিয়েই! কিন্তু, দুৰ্যোধনৰ চোৰাংচোৱাবিলাকৰ কোনেও পাণ্ডৱৰ কোনো বাতৰি আনি দিব নোৱাৰিলে। দুজনমানে মাথোন বাহী-বাতৰি এটা দিলেহি—পাণ্ডৱৰ সাৰথিবোৰ দ্বাৰকাত আছেগৈ!

গতিকে, কৌৰৱসকলে চিন্তাৰ অথাই সাগৰত থাউনি নোপোৱা হৈ এখন মন্ত্ৰণা-সভা পাতিলে। দুৰ্যোধনে কথাষাৰ উলিয়ালে, "পাণ্ডৱ-বিলাকৰ অজ্ঞাতবাস শেষ হ'বলৈ আৰু মাথোন কেইটামান দিনহে বাকী আছে। এইকেইটা দিন যেনে তেনে ধৰা নপৰাকৈ পাৰ কৰি দিব পাৰিলেই পাণ্ডৱবিলাকৰ ফালৰ পৰা প্ৰতিজ্ঞা পালন কৰা হ'ব। সেয়ে হ'লে, কৌৰৱসকলৰ দুখৰ দিন আৰম্ভ হ'ব। ৰাজ্য-ৰাজকোষ সকলোবোৰ সিহঁতৰ হাতত গতাই দিব লাগিব। এতিয়া সেই দুৰৱস্থাৰ প্ৰতিকাৰ কেনেকৈ কৰা হ'ব—আপোনাসকলে থিৰাং কৰি দিয়ক।"

কৰ্ণই তেতিয়া মাত লগালে, "মোৰ মতেৰে আৰু কিছুমান বচা বচা চোৰাংচোৱা চাৰিওফালে পঠাব লাগে। সিহঁতে নিশ্চয় পাঁচোটাকে বিচাৰি উলিয়াব পাৰিব। সিহঁত নো ক'লৈ যাব ?"

দুঃশাসনে ক'লে, "মোৰো সেইটোৱেই মত। সিহঁত যাব ক'লৈ ? ক'ৰবাত নিশ্চয় পাহাৰৰ গুহাত নাইবা ডাঠ হাবিৰ ভিতৰত সোমাই আছে। নহ'লে হয়তো সাগৰ পাৰ হৈ সিপাৰত আছেগৈ। কোনে জানে, হয়তো বাঘ-ভালুকেও খাই সিঁহতৰ চিন নোহোৱা কৰি পেলালে !"

দ্ৰোণাচাৰ্যই নকৈ নোৱাৰিলে, "উঁ-হো, সেইটোৰ সম্ভাৱনা নাই। পাণ্ডৱ-বিলাকৰ নিচিনা বীৰ আৰু বুদ্ধিমান মানুহক বাঘে খাই নোহোৱা কৰা অসম্ভৱ। মোৰ ধাৰণা, তেওঁলোকে ক'ৰবাত দিন গণি তেৰ বছৰ অন্ত হ'বলৈ বাট চাই আছে। তোমালোকে যি ভাল দেখা, তাকে, কৰা।"

ভীষ্ময়ো দ্ৰোণৰ কথাতে হয়ভৰ দি ক'লে, "দ্ৰোণাচাৰ্যই মোৰ মনৰ কথাষাৰকে কৈছে। পাণ্ডৱবিলাক কৃষ্ণৰ ভক্ত ; ধৰ্ম, বুদ্ধি আৰু বীৰত্বৰ বলতে তেওঁলোক জীয়াই আছে। তেওঁলোকে ভাল দিন হ'বলৈ বাট চাই আছে। তেওঁলোকৰ অজ্ঞাতবাসো যাৰে-তাৰে লেখীয়াকৈ পলাই-ঢপলিয়াই ফুৰা অৱস্থাটো নহয়। ধৰ্মৰাজ যুধিষ্ঠিৰ যিখন দেশতে থাকেগৈ, সেইখন দেশৰে জয়জয় ময়ময় অৱস্থা হয়। কোনো চোৰাংচোৱাই তেওঁলোকক বিচাৰি নেপায়গৈ।"

কৃপাচাৰ্যই ক'লে, "পাণ্ডৱবিলাকে অজ্ঞাতবাসৰ পৰা মুকলিলৈ ওলাই

অহাৰ সময় হ'লাহিয়েই। ওলাই আহিয়েই তেওঁলোক নিজ ৰাজ্য নিজৰ অধিকাৰলৈ অনাৰ কথাত মন দিব। মোৰ উপদেশ শুনা, দুৰ্যোধন! এই কেইটা দিনত তুমি তোমাৰ মিত্ৰবল আৰু ধনবল বঢ়াই লোৱা। তাৰ পাচত, অৱস্থা চাই ব্যৱস্থা কৰিবা—হয় সন্ধি, নহয় বিগ্ৰহ, যিটোৱেই তোমাৰ পছন্দ হয়।"

এনেতে এজন চোৰাংচোৱাই বাতৰিটো দিলেহি, মৎস্যৰাজ বিৰাটৰ সেনাপতি কীচকক হেনো ৰাতি কোনোবাই বধ কৰিলে!

সেই সময়ত ত্ৰিগৰ্ত দেশৰ ৰজা সুশৰ্মাও তাতে আছিল। সিজনে আকৌ কাহানিবাৰে পৰা বিৰাট ৰজাক ভালকৈ এপালি মজা দিয়াৰ আশা এটা পুহি থৈছিল। কাৰণ, কীচকে ত্ৰিগৰ্ত দেশৰ বহুতো বীৰক কেইবাখনো যুঁজত ঘটুৱাই সুশৰ্মাৰ ক'কাল ভাঙি থৈছিল। কিছুদিনৰ আগতে কীচক মৰাৰ বাতৰিটো পাই সুশৰ্মাৰ আনন্দেৰে হিয়া নধৰা হৈ উঠিছিল, অৱশেষত ঘাই শত্ৰুটোৰ জইন মৰিল!

ছেগ বুজি সুশৰ্মাই ক'লে, "কীচক মৰিল। বঢ়িয়া সুযোগ ওলাইছে, আপোনালোকৰ বল-প্ৰতিপত্তি বঢ়াবৰ কাৰণে। এইটো সুযোগতে বিৰাটৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ভাল হৈছে। বিৰাটৰ সোঁ হাতখনেই কটা গৈছে। গতিকে, আমাক একো কৰিব নোৱাৰিব। ইচ্ছা কৰিলেই আমি তেওঁৰ ধন-সোণ, গাঁও-ভুঁই আৰু হেজাৰ হেজাৰ গৰু-গাই কাঢ়ি আনি চহকী হৈ ল'ব পাৰোঁ। তাকে কৰিব নুখুজিলে, কিছু সৈন্য-সামন্ত মাৰি উঠি থাউকতে সন্ধি কৰিবলৈ মান্তি হৈ বিৰাটক কৃতজ্ঞ কৰি থ'ব পৰা হ'ব। সেয়ে হ'লে, আপোনাৰ শক্তি অলপ বাঢ়ি থাকিব।"

কৰ্ণই ক'লে, "সুশৰ্মাই সময়ৰ শৰ সময়তে মাৰি থ'বলৈ এটা বঢ়িয়া উপদেশ দিছে। আমাৰ সৈন্য-সামন্তবোৰক দুভাগ হৈ অথবা একেলগে বিৰাটৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰিবলৈ আদেশ দিব লাগে। টোকোনা আৰু নিশকতীয়া পাণ্ডৱবিলাকক লৈ অনাহকতে চিন্তাৰ বোজা এটা মূৰত চপাই লোৱাৰ কোনো প্ৰয়োজন নাই। সিহঁতৰ বল পৰিল; কোনে জানে, হয়তো সিহঁতে যমৰ ঘৰত ভাত খাইছেগৈ। এতিয়া আমি বিৰাটৰ ৰাজ্য আক্ৰমণ কৰি ধন-সোণ, গৰু-গাই কিছুমান লুট কৰি অনাটোহে কথা।"

কৰ্ণই যেতিয়া ভাল বুলি ক'লে, তেতিয়া বাকীবোৰেও সুশৰ্মাৰ কথাবাৰতে হয়ভৰ দিলে। থিৰাং কৰা হ'ল, পোনতে বিৰাট ৰজাৰ গৰুখটিবোৰত থকা গৰু-গাইখিনিকে চুৰি কৰি আনিব লাগিব; তাকে কৰিবলৈ তেওঁলোক দুভাগ হৈ উত্তৰ আৰু দক্ষিণ দুয়োমূৰৰ পৰা বিৰাটৰ ৰাজ্যত সোমাবগৈ।

সুশৰ্মা যিদিনা বিৰাটৰ ৰাজ্যত সৈন্য সামন্ত লৈ সোমালগৈ, সেইদিনাই আনফালে পাণ্ডৱসকলৰ অজ্ঞাতবাসৰ দিন উকলিছিল। সেয়া তেওঁলোকৰ কোনেও নেজানিছিল। যি কি নহওক, এজন গৰখীয়ালে ঢপলিয়াই আহি বিৰাট ৰজাক জনালে, "মহাৰাজ, ত্ৰিগৰ্ত দেশৰ সৈন্য-সামন্তই আমাৰ সকলোকে মাৰিয়াই-খুটিয়াই হেজাৰ হেজাৰ গৰু-গাই কাঢ়ি লৈ গৈছে। মহাৰাজে উচিত ব্যৱস্থা কৰক।"

লগে লগে বিৰাট ৰজাই তেওঁৰ সেনা বাহিনীক সাজু হ'বলৈ আদেশ দিলে। যুদ্ধলৈ যাবলৈ বুলি ৰজাই ভায়েক শতানীক আৰু ডাঙৰজন পুতেক শংখক বখুৰুত কৱচ পিন্ধি সাজু হৈ ল'বলৈ ক'লে। নিজেও লৰালৰিকৈ কৱচ পিন্ধি সাজু হৈ ল'লে। তাৰ পাচত, তেওঁ ভায়েক শতানীক ক'লে, "আমাৰ কংক, বল্লৱ, তন্তিপাল আৰু গ্ৰন্থিককো গাইপতি উপযুক্ত অস্ত্ৰশস্ত্ৰ, একোযোৰ কৱচ আৰু একোখনকৈ ৰথ দিবলৈ কোৱা। মই এওঁলোকৰ কথা-বতৰাৰ পৰাই গম পাইছোঁ, এওঁলোক আটাইকেয়োজনেই যুদ্ধবিদ্যাৰ অলপ-অচৰপ জানে।"

শতানীকে চাৰিওজন পাণ্ডৱক সকলোখিনি সাজপাৰ, ঢাল-তৰোৱাল আৰু ৰথৰ যোগান ধৰিলে। তেওঁলোকেও বৰ উলহমালহকৈ বিৰাটৰ সেনা বাহিনীৰ খোজত খোজ মিলাই সুশৰ্মাৰ লগত যুঁজ দিবলৈ ৰাজ্যৰ দক্ষিণ সীমান্তৰ পিনে যাত্ৰা কৰিলে।

আবেলি সময়ত দুয়ো ৰাজ্যৰ সেনা বাহিনী ইটো-সিটোৰ মুখামুখি হ'লগৈ। লগে লগে দুয়োদল সেনা বাহিনীৰ মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল। বিৰাট আৰু সুশৰ্মা দুয়োজন ৰজাই ৰথীয়ে-ৰথীয়ে যুঁজ কৰাত ব্যস্ত হৈ পৰিল। বহুপৰ যুদ্ধৰ পাচত সুশৰ্মাৰ হাতত বিৰাট ৰজা হাৰিল। সুশৰ্মাই তেওঁক বন্দী কৰি নিজৰ ৰথত তুলি লৈ যাবলৈ

ধৰিলে। ৰজা হাৰিল দেখি বাকীবোৰ সৈন্য-সামন্তয়ো পাচ-হুঁহকি পলাবলৈ ল'লে। এনেতে যুধিষ্ঠিৰে ভীমক ক'লে, "বিৰাটক তুমি শত্ৰুৰ হাতৰ পৰা মুকলি কৰি আনাগৈ। আমি ইমানদিন ধৰি তেওঁৰ আশ্ৰয়ত সুখে-সম্মানে আছোঁহি। গতিকে, তেওঁৰ ঋণ শোধ কৰাটো আমাৰ কৰ্তব্য।" লগে লগে ভীমে এজোপা গছ উঘালি আনিবলৈ ওলোৱা দেখি যুধিষ্ঠিৰে মাত লগালে, "ব'বা, তুমি গছ এজোপা লৈ যুদ্ধ কৰা দেখিলেই সকলোৱে তোমাক চিনি পেলাব আমি গোটেইবোৰ ধৰা পৰি যাম। তুমি বৰং ধনু-কাঁড়, খড়্গ-কুঠাৰ— এইবোৰ সাধাৰণ অস্ত্ৰ-শস্ত্ৰ লৈ যুদ্ধ কৰাহে ভাল হ'ব।"

পাণ্ডৱ চাৰিজন ৰথত উঠি আগবাঢ়ি যোৱা দেখি, বিৰাটৰ সৈন্য-বিলাকো পাচ-হোঁহকাৰ পৰা উভতি আহিল। যুধিষ্ঠিৰ, ভীম, নকুল আৰু সহদেৱ আটাইকেয়োজনে সুশৰ্মাৰ শ শ সেনাক বধ কৰিলে। তাৰ পাচত, যুধিষ্ঠিৰে সুশৰ্মাক খেদি গ'ল। ভীমে সুশৰ্মাৰ ৰথৰ ঘোঁৰা, সাৰথি আৰু গা-ৰখীয়া গোটেইবোৰকে বধ কৰিলে। তেতিয়ালৈকে সুশৰ্মাৰ হাতত বন্দী হৈ থকা বিৰাটে ৰথৰ পৰা জাঁপ মাৰি দিলে। মাটিত ভৰি দিয়েই তেওঁ চকুৰ পচাৰতে সুশৰ্মাৰ হাতৰ গদাডাল কাঢ়ি আনিলে। তাৰ পাচত, সেই গদাডালেৰেই সুশৰ্মাক কোবাবলৈ ধৰিলে। ইতিমধ্যে, ভীমে আহি সুশৰ্মাৰ চুলিকোছাত ধৰি ৰথৰ পৰা তেওঁক টানি আনি মাটিত বগৰাই পেলালে আৰু তেওঁৰ মূৰতে এটা ব্ৰহ্মগোৰ শোধালে। সুশৰ্মা মূৰ্ছা গ'ল। তাকে দেখি সুশৰ্মাৰ সৈন্যবোৰে ভয়ত ফাঁহি-ছিটিকা দিলে।

সুশৰ্মাক বন্দী কৰি, চুৰ কৰি নিয়া গোটেইবোৰ গৰু-গাই উদ্ধাৰ কৰি লৈ পাণ্ডৱসকল বিৰাট ৰৈ থকা ঠাইৰ পিনে যাবলৈ ধৰিলে। ভীমে সুশৰ্মাক একেবাৰে গতি লগাই থ'বই খুজিছিল। কিন্তু, যুধিষ্ঠিৰে অগা-ভেটা কৰি ক'লে, "ইয়াক, মুকলি কৰি এৰিয়েই দিয়া। প্ৰাণে মাৰিব নেলাগে।" ভীমে তেতিয়া সুশৰ্মাক আলফুলকৈ ডিঙিতে গচক মাৰি ধৰি ক'লে, "মূৰ্খ, তই যদি জীয়াই থাকিব খুজিছ, তেনেহ'লে এইবুলি ক—মই বিৰাট ৰজাৰ জিগিৰা।" যুধিষ্ঠিৰে সুশৰ্মাৰ চটফটনি

চাই থাকিব নোৱাৰি ক'লে, "এওঁ দেখোন জিগৰা হৈছেই—মুখেৰে কওক-নকওক। সুশৰ্মা, তুমি স্বাধীন হৈয়েই থাকা, স্বাধীন হৈয়েই যোৱাগৈ। ভৱিষ্যতে এইবোৰ অধৰ্ইচ্ কাম নকৰিবা।" সুশৰ্মাই লাজতে মূৰ দোঁৱাই লাহেকৈ নমস্কাৰ এটা কৰি গুচি গ'ল।

সেই নিশা পাণ্ডৱসকলে গুৱৰে এটা জুপুৰীত ৰাতিটো খপিলে। পাচদিনা ৰজা বিৰাটে অতি গদ্ গদকৈ ক'লে, "হে মহাবীৰসকল, আপোনালোকৰ কাৰণেই মই শত্ৰুৰ কবলৰ পৰা মুকলি হৈ ঘূৰি যাব পাৰিলোঁ। দৰাচলতে, আপোনালোকেই এতিয়া দেশখনৰ গৰাকী। মই আপোনাসকলক কি দিব পাৰোঁ ? দিবলৈ একো নাই। ধন-বস্তু, সুন্দৰী ৰমণী, আধা ৰাজ্য, বিষয়-বিভুতি যিহকে লাগে, তাকে কওক—কোনো বস্তুৱেই আপোনালোকৰ প্ৰতি মোৰ কৃতজ্ঞতাৰ জোখ দিব নোৱাৰিব। মাথোন কওক, মই দিবলৈ সাজু আছোঁ।"

যুধিষ্ঠিৰে উত্তৰ দিলে, "মহাৰাজ, আমাক একো দিব নেলাগে। আপুনি যিবোৰ বাক্য উচ্চাৰণ কৰিলে, তাতেই আমি পৰম সন্তুষ্ট। আপুনি এতিয়া সোনকালে ৰাজধানীলৈ আপোনাৰ জয়ৰ বাতৰিটো পঠাওক।"

## ॥ বৃহন্নলাৰ বৃহৎ কাৰ্যাৱলী ॥

সুশৰ্মা বিৰাটৰ ৰাজ্যত সোমোৱাৰ পাচদিনাখনেই ৰাজ্যৰ আনটো মূৰেদি কৌৰৱসকল বিৰাটৰ ৰাজ্যত সোমাইছিলহি। সুশৰ্মা সোমাইছিল দক্ষিণ সীমাইদি ; কৌৰৱসকল সোমাইছিলহি উত্তৰ সীমাৰ গড়-প্ৰাচীৰ ভাঙি। সুশৰ্মা সোমাইছিল হাতত সাৰে ভৰিত সাৰে ; ভীষ্ম, দ্ৰোণ, কৰ্ণ আদিক লগত লৈ দুৰ্যোধন সোমাইছিলহি এজাক ধুমুহা হৈ। গৰু-গাই লুট কৰি নিয়াৰ পৰিমাণটোও সুশৰ্মাৰ ক্ষেত্ৰত আছিল মাথোন কেইহেজাৰমান ; আৰু কৌৰৱসকলৰ ক্ষেত্ৰত আছিল পোনচাটেই ষাঠি হেজাৰ। গৰুৰখীয়াকৰ বৰমুৰীয়াজন ৰথত উঠি বিজুলী বেগেৰে আহি ৰাজধানী পালেহি। বিৰাট ৰজাক লগ নেপাই তেওঁ বিৰাটৰ আন

এজন পুতেক ভূমিঞ্জয় বা উত্তৰক কথাবাৰ জনালেহি, "কৌৰৱ, আপুনিয়েই আহি আমাৰ গো-ধন উদ্ধাৰ কৰি দিয়কহি। মহাৰাজে আপোনাকেই জানো ৰাজ্যৰ ৰখীয়া পাতি থৈ যোৱা নাই ?"

উত্তৰে অলপ থেৰোগেৰো কৰি দেখুৱালে, "মোৰ যদি জান সাৰথি এজন থাকিলহেঁতেন, তেতিয়া হ'লে এতিয়াই যুঁজলৈ ওলালোহেঁতেন। মোৰ আগৰ সাৰথিজন যোৱাবাৰ এখন বৰ ডাঙৰ যুদ্ধত মৰিল। তেওঁ ঢুকুৱাৰ পাচৰ পৰা মোৰ জানিবা সোঁ হাতখনেই কটা গ'ল। ক'ৰবাত যদি কেনেবাকৈ তেওঁৰ লেখীয়া সাৰথি এজন পালোহেঁতেন, মই এই দুৰ্যোধন ভীষ্ম কৰ্ণ কৃপ দ্ৰোণৰ লেখীয়া গৰুচোৰবোৰক পিহি থৈ আহিলোহেঁতেন। ওচৰে-পাজৰে মই থকা নাছিলো কাৰণেই কৌৰৱ-বিলাকে তোমালোকৰ গৰু-গাইবোৰৰ ডিঙিৰ পথা সোলোকাই চুৰ কৰি নিবলৈ সাহটো পালে। বাৰু, যি হ'বৰ হ'ল—মই আজিয়েই ওলাইছোঁ, মাথোন মনৰ জোখাৰে সাৰথি এজন গোটাই ল'বলৈ দিয়া। তাৰ পাচত, কৌৰৱবিলাকে মোৰ বিক্ৰম দেখি বিচুতি মানিব ; ভাবিব—স্বয়ং অৰ্জুনেই ওলালহি নেকি !"

দ্ৰৌপদীয়ে কেইবাবাৰো উত্তৰৰ মুখত নিজকে অৰ্জুনৰ লগত ৰিজনি দিয়া কথা শুনি সহিব পৰা নাছিল। এবাৰ মুখ ফুটাই ক'লে, "এটা কাম কৰক, কোঁৱৰ। আপুনি আপোনাৰ ভনীয়েক উত্তৰাৰ হতুৱাই বৃহন্নলাক কোৱাওকচোন। বৃহন্নলাই আজিকালি নাচ-গান লৈ ব্যস্ত থাকিলেও, তাহানি অৰ্জুনৰ ৰথৰ সাৰথি হৈ পাইছিল। মই জনাত তেওঁ ৰথ চলোৱাত বাৰুকৈয়ে পাকৈত। উত্তৰাই ক'লে, তেওঁ সাৰথি হৈ দিবলৈ আপত্তি নকৰে। সেয়ে হ'লে, কৌৰৱবোৰ নো আপোনাৰ হাতত কেইটিপটিকাৰ বন !"

উত্তৰে সৈৰিন্ধ্ৰীবেশী দ্ৰৌপদীৰ কথা শুনি ভনীয়েক উত্তৰাক কথাষাৰ ক'লেগৈ। উত্তৰায়ো বৃহন্নলাক কুটুৰিলেগৈ, "আপুনি মোৰ দাদাৰ ৰথৰ সাৰথি হৈ দিবই লাগিব। মোৰে শপত, আপুনি দহোবন কাটি কৰি দাদাৰ লগত যাওক। উভতি আহোঁতে মাথোন মোলৈ সিহঁতৰ ৰথুৱাবোৰে পিন্ধা ৰং-বিৰঙৰ কাপোৰ-কানি অলপ কাঢ়ি লৈ আহিব।

মই সেইবোৰেৰে চোলা সী মোৰ পুতলা-বণুৱাবোৰক পিন্ধাম। এতিয়া আপুনি যদি নেযাওঁ বুলি কয়, তেনেহ'লে মই কিন্তু জীয়াই নেথাকোঁ—ধূৰূপে জানিব।"

গতিকে, অৰ্জুনে উত্তৰৰ ওচৰলৈ গৈ ক'লে, "কোঁৱৰ, মোক কিয় আপুনি আপোনাৰ ৰথৰ সাৰথি হ'বলৈ পাচি পঠিয়ালে? মই ৰথৰ বাঘজৰী ধৰিব নেজানো, খোলৰ বৰতিহে বান্ধিব জানো।"

উত্তৰে উত্তৰ দিলে, "মই সেইবোৰ নেজানো। তুমি মুঠতে মোৰ ৰথত উঠি ঘোঁৰাকেইটাৰ হতুৱাই মোৰ ৰথখন কৌৰৱকেইটাৰ ওচৰ পোৱালেগৈয়ে হ'ব।"

তাৰ পাচত, অৰ্জুনে সকলোৰে আগত যথেষ্ট ধেমালি কৰি দেখুৱালে। ৰণুৱাৰ সাজটো পিন্ধিব নজনাৰ ভাও দেখুৱালে। কৱচটো ওলোটামুৱাকৈ পিন্ধিলে—যেন সেই আচহুৱা বস্তুটো তেওঁ কোনোদিনে ক'তো দেখাই নাই! কুঁৱৰীবোৰো হাঁহি হাঁহি মাটিত বাগৰি পৰিছিল, এই অজলা ৰণুৱাগৰাকীৰ কাৰবাৰ দেখি!

অৱশেষত, বৃহন্নলাবেশী অৰ্জুন ৰথত উঠিলগৈ। উত্তৰক লৈ অৰ্জুনৰ ৰথ ধুমুহাৰ বেগে কৌৰৱবিলাক গোট খোৱা ঠাইখিনিৰ অভিমুখে চেকুৰ মেলিলে। অলপ পৰৰ ভিতৰতে তেওঁলোক নগৰৰ কাষৰ মৰিশালিখন পালেগৈ। তাৰ পৰাই উত্তৰৰ চকুত পৰিল, মৰিশালিখনৰ সিপাৰে সেয়া লাখ লাখ কৌৰৱসেনা যুদ্ধৰ বেহু পাতি ৰৈ আছে; সিবিলাকৰ দলাদোপ-হেম্পোলদোপত সাগৰৰ অলেখ ঢৌৰ লেখীয়া গাজনি শুনিবলৈ পোৱা গৈছে। ভয়ত উত্তৰৰ গা'ৰ নোমবোৰ শিয়ঁৰি উঠিল। উত্তৰে অৰ্জুনৰ মুখলৈ চাই ক'লে, "বৃহন্নলা, ৰথখন ওভোতাই লোৱা। মই এই কৌৰৱবিলাকৰ লগত যুঁজ নকৰোঁ। তেওঁলোকৰ মাজত বহুত মহাবীৰ আছে; সিবিলাকক দেৱতায়ো জয় কৰিব নোৱাৰে। মই কি সাহসেৰে তেওঁলোকৰ মুখামুখি হৈ যুঁজ কৰোঁগৈ! মোৰ পিতাই ৰাজ্যৰ গোটেইবোৰ সৈন্য-সামন্ত লগত লৈ গৈছে। মোৰ লগত আনিবলৈ সৈন্য-সামন্ত কোনো নাই। গতিকে, উভতি যোৱাৰ বাহিৰে উপায় নাই।"

অৰ্জুনে ক'লে, "কৌঁৱৰ, তুমি দেখোন কাৰেণ্ডৰ তিৰোতা-মহলত ঢেৰ কিতাহি মৰা কথা কৈছিলা। এতিয়া পাচ-হুঁহাকিব খুজিছা কিয় ? তুমি যদি এতিয়া গৰু-গাইখিনি উধাৰ নকৰাকৈ উভতি যোৱা, তেনেহ'লে সকলোৱে তোমাকে-মোকে ইতিকিং কৰি মানুহৰ শাৰীত নধ'ৰ। সৈৰিন্ধ্ৰীয়ে মোৰ সাৰথি কামৰ অনেক শলাগ লৈছে। গতিকে, এতিয়া মই মোৰ কামত সফল নোহোৱাকৈ উভতি নেযাওঁ।"

উত্তৰে তেতিয়া উত্তৰ দিলে, "তুমি জানো দেখা নাই, কৌৰৱৰ সংখ্যা কিমান বেছি ? নিলে নিয়ক, আমাৰ ধন-সোণ, গৰু-গাই। জুইত জাঁপ দি মৰিবলৈ নাই।" এইবুলি কৈয়েই চলি থকা ৰথৰ পৰা উত্তৰে জাঁপ মাৰি দিলে। পিচে পিচে অৰ্জুনেও ঢাপলি মেলিলে, পলৰীয়া উত্তৰক ধৰি আনিবৰ বাবে।

ৰঙচুৱা ধুতি পিন্ধি মূৰৰ চুলিৰ দীঘলীয়া বেণীডাল লৈ অৰ্জুনক সেইদৰে উত্তৰৰ পিচে পিচে যোৱা দেখি কৌৰৱ পক্ষৰ সাধাৰণ সৈনিকবোৰে উৰাই-ঘূৰাই হাঁহিবলৈ ধৰিলে। তাৰ মাজতে দুই-এজনে সোধাসুধি কৰিলে, 'সেয়া নো কোন—দেখোন আধাখিনি পুৰুষৰ লেখীয়া আৰু আধাখিনি তিৰোতাৰ লেখীয়া ? মূৰটো প্ৰকাণ্ড, গলধনটো পুৰঠ আৰু বাহু দুটা শকত ; লৰ দিয়াৰ চেওটোও অৰ্জুনৰ নিচিনা। কোনে জানে, সেয়া চাগৈ আচল অৰ্জুনেই ; মাথোন তাতে তিৰোতাৰ লেখীয়া চাকোন এখন আছে ! বোধকৰোঁ, বিৰাটৰ পুত্ৰেক আমাৰ ভয়ত পলাইছে আৰু অৰ্জুনে তেওঁৰ পিচে পিচে লৰ ধৰিছে—তেওঁক ধৰি আনিবলৈ !'

কিছুদূৰ উভতি অহাৰ বাটেৰে দৌৰি আহি অৰ্জুনে উত্তৰৰ চুলিকোছা খাপ মাৰি ধৰিলেহি। উত্তৰে তেতিয়া কাওঁবাওঁ কৰি ক'লে, "আইটি বৃহন্নলা, তোমাক কাবৌ কৰিছোঁ—ৰথখন ওভোতাই লোৱা। জীয়াই থাকিলেহে ইটো-সিটো ভোগ কৰিবা। মই তোমাক এশ সোণৰ মোহৰ দিম, এধাৰ মুকুতাৰ সাতসৰী দিম, এখন ধুনীয়া ৰথ আৰু দহোটা হাতী দিম। তুমি মোক এৰি দিয়া।"

অৰ্জুনে উত্তৰক টানি আনি ৰথৰ কাষ পোৱালেহি আৰু হাঁহি হাঁহি ক'লে, "তুমি যদি ভয়েই খাইছা, তুমি বাৰু ৰথী হৈ যুঁজ কৰিব নেলাগে ;

সাৰথি হৈ দিলেই হ'ব, যুদ্ধ কৰাৰ ভাৰ মোৰ ওপৰত। আহাঁ, তুমি ৰাঘজৰী ধৰি ৰথৰ ওপৰত উঠা।" উত্তৰে ভয়ে ভয়ে তাকেই কৰিলে। অৰ্জুনৰ কথামতে ৰথখন নি সমিধজোপাৰ তল পোৱালেগৈ, য'ত পাণ্ডৱসকলৰ অস্ত্ৰ-শস্ত্ৰবোৰ লুকুৱাই থোৱা আছিল।

সমিধজোপাৰ তল পায়েই অৰ্জুনে উত্তৰক ক'লে, "কোঁৱৰ, তুমি এই গছজোপাত উঠাচোন। ইয়াতে সৌখিনিত টোপোলা এটাত বহুতো বহুমূলীয়া অস্ত্ৰ-শস্ত্ৰ আৰু কবচ আদি আছে। সেই টোপোলাটো নমাই আনা। কাৰণ, তোমাৰ ধনুত কাঁড় জুৰি গুণটো মই যদি টানো, তোমাৰ ধনু ভাগি-ছিগি সাং হ'ব। আকৌ, তোমাৰ নিচিনাকৈ আলফুলীয়া ধৰণেৰে গুণ টানিলে কাঁড়ে হাতীৰ ছাল বিন্ধিবই নোৱাৰিবগৈ।"

উত্তৰে তেতিয়া ক'লে, "শুনিবলৈ পাইছোঁ, এই গছজোপাত হেনো মৰা-শ এটা টোপোলা বান্ধি ওলোমাই থোৱা আছে। মই ৰাজকোঁৱৰ হৈ সেইটো কেনেকৈ চোওঁ?"

অৰ্জুনে ক'লে, "ভয় নকৰিবা। তাত কোনো চুৱা বস্তু নাই। তাত মাথোন ধনু-কাঁড় আদি অস্ত্ৰ-শস্ত্ৰহে আছে। তুমি বৰং সেইবোৰ বস্তু চুলে পৱিত্ৰহে হ'বা। তোমাৰ হতুৱাই মই বাৰু কেলৈ চুৱা বস্তু স্পৰ্শ কৰাম?"

উত্তৰে গছজোপা বগাই তাৰ আগত থকা ডাল এটাৰ পৰা বান্ধোন খুলি টোপোলাটো নমাই আনিলে। টোপোলাটোৰ গাঁঠি খুলি চালতে দেখা পালে চকু চাঁট্ মাৰি ধৰা অসংখ্য ধনু-কাঁড়।

অৰ্জুনে উত্তৰক সেই ধনুবিলাক এখন এখনকৈ চিনাকি কৰি দিলে, "এই যে দেখিছা এশটা সোণৰ ফোট থকা এহেজাৰটা সাপৰ মূৰ অঁকা ধনুখন, এইখনেই অৰ্জুনৰ বিখ্যাত গাণ্ডীৱ ধনু। খাণ্ডৱ বন দাহ কৰিবৰ সময়ত অগ্নিয়ে অৰ্জুনক বৰুণৰ পৰা লৈ দিছিল। আকৌ এইখন ধনু যে দেখিছা মুঠিটো যিখনৰ শুধু সোণেৰে গঢ়া, এইখন ধনু ভীমৰ। গুৱালৰ বেশত ইন্দ্ৰৰ ছবি আঁকি থোৱা এই ধনুখন যুধিষ্ঠিৰৰ। আৰু এই দুখন ধনু—এখনত আঁকি থোৱা আছে সোণৰ ঘেৰ এটাত সূৰ্যৰ

ছবি, আনখনত সোণৰ এঁধলা পাতত এটা ধনুনীয়া জিঅজৰ ছবি। এখন ধনু নকুলৰ, আনখন সহদেৱৰ। লগত এই কেইটা তূণ। প্ৰত্যেকটো তূণতে ভৰাই থোৱা আছে এমুঠিকৈ ময়াপী কাঁড়।"

উত্তৰে আচৰিত মানি সুধিলে, "এইবোৰ তেনেহ'লে পাণ্ডৱ সকলৰেই অস্ত্ৰ-শস্ত্ৰ! কিন্তু, সেই অসামান্য বীৰসকল এতিয়া ক'ত আছে?"

অৰ্জুনে ক'লে, "মই হ'লোঁ পাৰ্থ। সভাসদ কংকই হ'ল যুধিষ্ঠিৰ। ঘাই-ৰান্ধনি বল্লৱ আচলতে ভীম। ঘোঁৰাশালৰ অধীক্ষক গ্ৰান্থিকেই নকুল; আৰু গৰুখুটিবোৰৰ ঘাই-ৰখীয়া তন্তিপালেই সহদেৱ। দ্ৰৌপদীৰো বাতৰিটো কওঁ, শুনা। তেৱেঁই তোমালোকৰ ৰাজ-কাৰেঙৰ সৈৰিন্ধ্ৰী, যাৰ হাত মেলি সেই কীচকটো মৰিল।"

উত্তৰে ক'লে, "মই শুনি আহিছোঁ, অৰ্জুনৰ হেনো দহোটা নাম। যদি আপুনি ক'ব পাৰে, মোৰ তেতিয়া সন্দেহৰ কোনো অঁৰ নেথাকে, আপুনি কোৱা প্ৰতিটো কথাই সঁচা।"

অৰ্জুনে ক'লে, "মই বাৰু কৈ গৈছোঁ, তুমি শুনি যোৱাঁ। মই যতমানে ৰাজ্য মাৰোঁ, সিবিলাকৰ ধনসম্পদ জয় কৰি লওঁ, আনবোৰ সম্পদৰ ওপৰত চকু নিদিওঁ; সেইবাবে মোৰ এটা নাম ধনঞ্জয়। যুদ্ধ-ক্ষেত্ৰত মই সকলোবোৰ ৰণকুশলী বীৰক পৰাজিত নকৰাকৈ উভতি নাহোঁ; সেইবাবে মোৰ আন এটা নাম বিজয়। মোৰ ৰথত সদায় বগা ঘোঁৰা জুটি লওঁ; সেইবাবে লোকে মোৰ এটা নাম থৈছে, শ্বেতবাহন। মই হিমালয়ৰ পটভূমিত পূৰ্বফাল্গুনী আৰু উত্তৰফাল্গুনী নক্ষত্ৰ দুটাৰ সংযোজন-দিবসত জন্মগ্ৰহণ কৰিছোঁ: সেইকাৰণে মোৰ জ্যোতিষৰ চিটিকনি থকা নামটো ফাল্গুনী। মই দেৱৰাজ ইন্দ্ৰৰ শত্ৰু বহুতো অজেয় দানৱক দমন কৰাৰ ফলত দেৱৰাজে পৰম সন্তুষ্ট হৈ মোক এটা সূৰ্যৰ লেখীয়া উজ্জ্বল কিৰীটি দান কৰি মূৰত পিন্ধাই দিছিল; সেইবাবে মোৰ আৰু এটা নাম হ'ল কিৰীটি। মই যুদ্ধৰ সময়ত ক'তো কোনো ঘিণলগা কাম কৰা নাই; সেইবাবে মোৰ অন্য এটা নাম বীভৎসু। মই সোঁ হাত আৰু বাওঁ হাত দুয়োখন হাতেৰেই গাণ্ডীৱ ধনুৰ গুণ টানিব পাৰোঁ; সেইবাবে মোৰ আটাইতকৈ চিনাকি নামটো হ'ল সব্যসাচী।

মোৰ সকলো কাম নিৰ্মল বুলি সসাগৰা পৃথিৱীয়ে জানে ; সেয়ে মোৰ অন্য এটা নাম নিৰ্মলৰ প্ৰতিশব্দ অৰ্জুন। মই দুৰন্ত শত্ৰুকো বশ কৰিব পাৰোঁ বুলিয়েই মোৰ এটা নাম জিষ্ণু। অৱশেষত, কৃষ্ণ বৰ্ণৰ সন্তান যিহেতু যি কোনো পিতাৰ বাবে সপোনৰ ধন, সেইবাবে মোৰ পিতাই মৰমতে মোৰ নাম থৈছিল কৃষ্ণ। এতিয়া বাৰু পতিয়ন গ'লা নে, ময়েই যে সেই দহোটা নামৰ অধিকাৰী পাৰ্থ ?"

উত্তৰে তেতিয়া অৰ্জুনৰ আগত আঁঠু লৈ ক'লে, "হে মহাবাহু মোক ক্ষমা কৰক। বহু পুণ্যৰ ফলতহে আপোনাক এইদৰে ইমান কাষৰ পৰা দেখা পাইছোঁ। এতিয়া মোৰ সকলো ভয় দূৰ হৈছে। আপুনি মোৰ ৰথত উঠক। আপোনাক মই আপোনাৰ ইচ্ছামতে যেনিয়ে লৈ যাবলৈ কয়, তেনিয়ে লৈ যাম। আপোনাক কেৱল এটা কথা সুধিবৰ মন গৈছে, আপুনি বাৰু কোন কৰ্মৰ ফলত ক্লীৱত্ব বৰণ কৰিবলগীয়া হৈছে ?"

অৰ্জুনে উত্তৰ দিলে, "ক্লীৱ মই নহওঁ। এয়া কেৱল ধৰ্মৰাজ যুধিষ্ঠিৰৰ আদেশত এটা বছৰ ব্ৰহ্মচৰ্য ব্ৰত পালন কৰিছিলোঁ। এতিয়া মোৰ ব্ৰত ধাৰণৰ কাল শেষ হৈছে।" এইবুলি কৈয়েই তেওঁ দুই বাহুৰ পৰা বাজু দুপাত সোলোকাই পেলালে। তাৰ সলনি হাতৰ সৰু-গাঁঠিৰ পৰা আঙুলিকেইটাৰ গুৰিলৈকে ঢাকি ৰখা সোণৰটোৰা হাত-কবচ দুটা পিন্ধি ল'লে। এটুকুৰা বগা কাপোৰেৰে মূৰৰ চুলিখিনি সামৰি কপালৰ ওপৰত এডাল পটি বান্ধি ল'লে। তাৰ পাচত, পূবমুৱা হৈ তেওঁ অতি পৱিত্ৰ চিত্তেৰে তেওঁৰ অস্ত্ৰসমূহক ধ্যান কৰিলে। লগে লগে সিবিলাকে মূৰ্তিমান ৰূপ ধৰি তেওঁক দেখা দি ক'লেহি, "হে মহাভাগ, আমি কিংকৰসমূহ আপোনাৰ সেৱা কৰিবলৈ প্ৰস্তুত।" অৰ্জুনে তেওঁলোকক প্ৰতি-নমস্কাৰ জনাই এজন এজনকৈ প্ৰত্যেকৰে গা চুই ক'লে, "মই মাতিলেই আহিবা।"

তাৰ পাচত, গাণ্ডীৱ ধনুত গুণডাল পিন্ধাই লৈ দেহৰ শক্তিৰে সিডালত টান মাৰি এৰি দিলে। কঁপি কঁপি তাৰ পৰা বজ্ৰৰ দৰে এটা শব্দৰ প্ৰবাহ চাৰিওপিনে বৈ গ'ল। সেই শব্দ শুনিয়েই সকলোবোৰ

কৌৰৱে গম পালে, সেই শব্দ আন একোৱে নহয়—কেৱল অৰ্জুনৰ ধনুৰ টংকাৰ।

ৰথৰ ওপৰত থকা উত্তৰৰ সিংহ পতাকা উৰুৱাই থোৱা পতাকাদণ্ড-ডাল অৰ্জুনে খহাই আনিলে। সেই পতাকাখনৰ সলনি অৰ্জুনে নিজৰ বৰীয়া হনুমানৰ ছবি থকা পতাকাখন সেই পতাকাদণ্ডত থৰুৱাই ৰথৰ ওপৰত গুঁজি দিলে। এনেতে অগ্নিদেৱৰ আদেশত কেইজনমান অশৰীৰী ভূত আহি সেই সোণৰঙী পতাকাখনৰ আশে-পাশে বহি ল'লেহি। লগে লগে অৰ্জুনো ৰথৰ ওপৰত উঠিলহি। তাৰ পাচত, তেওঁ তেওঁৰ দেৱদত্ত মহাশংখত ফু দিবলৈ ধৰিলে। পোনতে উত্তৰৰ ৰথৰ ঘোঁৰাকেইটাই ভয় খাই বহি দিছিল। অৰ্জুনে তেতিয়া মুহূৰ্তৰ বাবে ৰথৰ বাঘজৰী ধৰি সিহঁতক আকৌ থিয় কৰাই দিলে। তাৰ পাচত, উত্তৰক সাৱট মাৰি ধৰি অৰ্জুনে সেই বাঘজৰীডাল উত্তৰৰ হাতৰ মুঠিত শোধাই দিলে।

## ॥ কৌৰৱ শিবিৰৰ কথা-বতৰাবোৰ ॥

সেইদিনা ৰাতিপুৱাই দ্ৰোণাচাৰ্যই কৌৰৱপক্ষৰ বীৰসকলক সমূহীয়াকৈ ক'লে, "পুৱাৰে পৰা ভালেমান অমংগলীয়া লক্ষণ দেখা পাইছোঁ। বতাহে তপত বালিৰ বৰষুণ ঢালিবলৈ লৈছে। আকাশখনো দেখোন ছাইৰঙী হৈ পৰিছে। আৰু তৰোৱালবিলাক খাপৰ পৰা আপোনাআপুনি স্বলকি স্বলকি ওলাই আহিছে। তোমালোক সকলোৱে বেহু পাতি আত্মৰক্ষা কৰিবলৈ সাজু হোৱা। মোৰ ধাৰণা, মহা ধনুৰ্ধৰ অৰ্জুনেই নপুংসকৰ সাজ পিন্ধি যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিছে।"

কৰ্ণই মুখ পাতি ধৰিলে, "আপুনি সদায় অৰ্জুনৰ প্ৰশংসাত পঞ্চমুখ আৰু আমাৰ নিন্দাতেই আনন্দিত। আপোনাক কৈ থ'লোঁ, আপোনাৰ প্ৰিয়শিষ্য অৰ্জুনৰ শক্তি মোৰ আৰু দুৰ্যোধনৰ ষোল ভাগৰ এভাগো নহয়। আমি তাৰ ভয়ত পেপুৱা লগাৰ কোনো মানে নহয়।"

দুৰ্যোধনে তাৰ লগতে যোগ দিলে, "আপুনি সেই বিৰাটৰ পুতেকৰ পাচে পাচে দৌৰি যোৱা নপুংসকৰ সাজ পিন্ধা মানুহটোৰ কথা কৈছে

নেকি। যদি সিয়েই অৰ্জুন, তেনেহ'লে দেখোন আমাৰ আচল কামটোৱেই সিজিল। অজ্ঞাতবাসৰ মাজতে ধৰা পৰা বাবে আকৌ বাৰ বছৰ বনবাস খাটিব লাগিব। আৰু যদি অৰ্জুন নহয়, তেনেহ'লে সেইটো দেখোন এটা পিটিকাৰহে বন।"

দ্ৰোণে মাত দিলে, "ওঁ-হো, মই গম পাইছোঁ—সেয়া অৰ্জুনেই হ'ব লাগিব। ধনুৰ টংকাৰবোৰেই কৈছে, সেয়া অৰ্জুনৰ বাহিৰে আন কোনো নহয়। দুৰ্যোধন, আজি তোমাৰ সৈন্যবোৰৰ বহুতেই অৰ্জুনৰ শৰ-প্ৰহাৰত নিহত অথবা আহত হ'ব। মই তেওঁলোকৰ মুখবোৰৰ পিনে চাইছোঁ। দেখিছোঁ, গোটেইবোৰৰে মুখ শেঁতা পৰি চিনিব নোৱৰা হৈ পৰিছে। যুদ্ধ নকৰোঁতেই তেওঁলোক পৰাজিত হৈছে। গতিকে, তুমি গৰু-গাইজাকক নিজ ৰাজ্যলৈ পঠিয়াই দিয়া। আৰু আমি বেহু পাতি অৰ্জুনে অহালৈ বাট চাই থাকোঁ।"

এইবাৰ দুৰ্যোধনে মাত দিলে, "পিতামহ ভীষ্মইহে ক'ব পাৰিব, পাণ্ডৱবিলাকৰ অজ্ঞাতবাসৰ দিন উকলিল নে নাই। আমাৰ কথা হ'ল, বিৰাট বা অৰ্জুন যেয়েই আহক, আমি যুঁঠতে যুদ্ধ কৰিমেই। আচাৰ্য দ্ৰোণে বাৰু আমাৰ সৈন্য বাহিনীৰ পিঠিভাগ ৰক্ষা কৰক। তেখেতে আমাক অৰ্জুনৰ নাম কৈ ভয় নুখুৱালেও হ'ব। আচাৰ্যসকল সদায় বৰ মৰমিয়াল হয়। সদায় বিপদ হ'ব বুলি উচপ খাই থাকে। এইসকল ৰাজকাৰেং আৰু যজ্ঞসভাতহে শোভা পোৱা লোক। কাৰণ, এইসকল অস্ত্ৰৰ ব্যৱহাৰতকৈ জিভাৰ ব্যৱহাৰতহে নিপুণ। আনৰ ছিদ্ৰ ফঁহিয়াই দেখুওৱাত, মানুহৰ চৰিত্ৰ বিচাৰ কৰাত আৰু খাদ্যৰ দোষ-গুণ খুচৰি ফুৰাত এইসকলৰ তুলনা নাই। গতিকে, আপোনালোক সকলোৱে এই পণ্ডিতসকলক পিচফালে থৈ শত্ৰুৰ মুখামুখি হোৱাৰ উপায় চিন্তা কৰক।"

কৰ্ণই দুৰ্যোধনক উৎসাহ দি ক'বলৈ ধৰিলে, "কোনেও চিন্তা কৰিব নালাগে। মৎস্যৰাজ বিৰাটেই হওক অথবা অতিৰথ অৰ্জুনেই হওক, কোনোৱেই আজি মোৰ হাতত নিস্তাৰ নেপায়। অৰ্জুনৰ পতাকাদণ্ডত বহি থকা হনুমান আজি মোৰ যাঠিৰ আঘাতত নিহত হ'ব। আৰু সেই

পতাকাদণ্ড ঘেৰি থকা ভূতবোৰে মোৰ শৰ-প্ৰহাৰ দেখি প্ৰাণ লৈ পলাব। আজি সকলোৱে দেখা পাব, অৰ্জুনক মই কিদৰে ৰথৰ পৰা বগৰাই তেওঁক বধ কৰি দুৰ্যোধনৰ বন্ধুৰ শেলডাল চকুৰ আগতে উঘালি পেলাম।"

কৃপাচাৰ্যই তেতিয়া ক'লে, "ৰাধেয়, তোমাৰ প্ৰকৃতি যে অত্যন্ত নিষ্ঠুৰ, সেই কথাষাৰ মই বাঢ়িয়াকৈ জানো। তুমি সদায় কেৱল যুদ্ধ কৰিবলৈ খিচাৰি ফুৰা। কিন্তু, তাৰ ফল যে কি ভয়ানক হ'ব পাৰে, সেই কথা ভুলতো নেভাবা। শাস্ত্ৰত বহুতো নীতি-নিয়মৰ কথা আছে। সিবিলাকৰ কথা তুমি একেবাৰেই নেজানা। সকলোবোৰ প্ৰাচীন পণ্ডিতৰ মতে, যুদ্ধই হ'ল আটাইতকৈ ডাঙৰ পাপ। তোমাৰ মুখত সকলো সময়তে মাথোন সেই পাপ-বাক্যৰেই উচ্চাৰণ শুনা যায়। আৰু এটা কথা, দেশ-কাল যেতিয়া অনুকূল হৈ থাকে, তেতিয়াহে বল-বিক্ৰমৰ প্ৰদৰ্শন সমীচীন। বৰ্তমান সময়ত অৰ্জুনৰ লগত যুদ্ধ কৰাটো দেশ-কালৰ পৰিপন্থী। কৰ্ণ, তোমাক সুধিব খুজিছোঁ, অৰ্জুনৰ তুলনাত এতিয়ালৈকে তুমি কি কৰিছা? আমি তেওঁক প্ৰতাৰণা কৰি তেৰ বছৰকাল নিৰ্বাসন দিছোঁ। সেই সিংহ এতিয়া পিঞ্জৰাৰ পৰা মুকলি হৈছে। সেই সিংহই জানো আমাক নিঃশেষ নকৰাকৈ থাকিব? আমি আটাইবোৰে লগ লাগি অৰ্জুনৰ মুখামুখি হ'বলৈ সাজু আছোঁ। কিন্তু, তুমি অকলশৰীয়াকৈ সেই দুঃসাহস নকৰিবা।"

অশ্বত্থামায়ো ক'লে, "কৰ্ণ, মিছা অহংকাৰ কৰি লাভ নাই। তোমাৰ প্ৰৰোচনাতেই দুৰ্যোধনে পাণ্ডৱসকলৰ সকলো সম্পত্তি হৰণ কৰিছে। কিন্তু, তুমি জানো কোনোবাদিনা পাণ্ডৱসকলৰ যি কোনো এজনৰ লগত ৰথীয়ে-ৰথীয়ে যুঁজ কৰি সিজনক পৰাজিত কৰি পাইছা? তুমি বাৰু কোন যুদ্ধত কাক পৰাজিত কৰি কৃষ্ণাক জয় কৰিছিলা? কিয়, তোমাৰ প্ৰৰোচনাতেই জানো বিধুতি অৱস্থাত মাথোন এখন বস্ত্ৰ পিন্ধি থকা অৱস্থাত তেওঁক ৰাজসভালৈ অনা হোৱা নাছিল? মানুহ আৰু কীট-পতঙ্গ পৰ্যন্ত প্ৰত্যেকেই আপোন শক্তি অনুযায়ী বহু কথাকেই ক্ষমা কৰে। কিন্তু, দ্ৰৌপদীক যি অমানুষিক কষ্ট দিছিলা, পৃথিৱীৰ

কোনেও তাক ক্ষমা নকৰে। পাণ্ডৱে যে নকৰে, সেয়া জনা কথা। ধৰ্মৰ বিষয়ে জ্ঞান থকা সকলোৱেই কয়, শিষ্য আৰু পুত্ৰৰ মাজত প্ৰভেদ নাই। সেই কাৰণেই, অৰ্জুন মোৰ পিতা দ্ৰোণৰ অতি মৰমৰ পাত্ৰ। দুৰ্যোধন, তোমাৰ কীৰ্তিৰ কথাও কওঁ, শুনা। তোমাৰ কাৰণেই সেই অন্যায় পাশাখেল পতা হৈছিল। তুমিয়েই দ্ৰৌপদীক ৰাজসভালৈ টানি অনাইছিলা। ইন্দ্ৰপ্ৰস্থ তুমিয়েই হৰণ কৰিছিলা। গতিকে, তুমিয়েই এতিয়া অৰ্জুনৰ লগত যুদ্ধ কৰা। তোমাৰ মোমায়েৰা সেই কুট পাশা-খেলুৱৈ শকুনিয়েও তোমাৰ ফলীয়া হৈ যুদ্ধ কৰক। এটা কথা কেৱল মনত ৰাখিবা, অৰ্জুনৰ গাণ্ডীৱৰ পৰা পাশতিৰ ফুটবোৰ মুকলি হৈ ওলাই নাহে; ওলাই আহে চোক থকা জোঙা জোঙা কাঁড়; আৰু সেইবোৰ মাজবাটতে তোমাৰ মনৰ বাসনা পূৰ কৰি থমকি নৰয়। মোৰ আচাৰ্য-পিতাই তোমাৰ ফলীয়া হৈ যুদ্ধ কৰিলে কৰিব পাৰে। কিন্তু, মোৰ কথাষাৰ স্পষ্ট—ধনঞ্জয়ৰ লগত মই যুদ্ধ নকৰোঁ। আৰু যদি মৎস্যৰাজ আহে, তেতিয়া হ'লে অৱশ্যে যুদ্ধ কৰিম।"

পিতামহ ভীষ্মই অশ্বত্থামাক শান্ত কৰি ক'লে, "আচাৰ্যপুত্ৰ, কৰ্ণই বোধকৰোঁ তোমাক যুঁজলৈ উচটাবৰ বাবেহে সেইবোৰ কথা কৈছে। তুমি তেওঁক ক্ষমা কৰা। এইটো মুহূৰ্তত আমাৰ নিজৰ মাজত তথিয়াতথি মুঠেই উচিত নহয়। আমি সকলোৱে মিলি-জুলিয়েই যুঁজ দিব লাগিব।"

অশ্বত্থামাই তেতিয়া ক'লে, "মোৰ পিতা আচাৰ্য দ্ৰোণে কাৰো প্ৰতি কিবা কুচুটীয়া মনোভাৱ পুহি অৰ্জুনৰ প্ৰশংসা কৰা নাই। কাৰণ, বিজ্ঞজনে গুণবান শত্ৰুৰ গুণৰ প্ৰশংসা আৰু দোষদুষ্ট গুৰুৰো দোষ-ত্ৰুটিৰ নিন্দা কৰাত পৰাংমুখ নহয়। তেনে বিজ্ঞজনে পুত্ৰকো যিদৰে ভৎসনা কৰিও সৎ উপদেশ দিয়ে, শিষ্যকো সেইদৰে অপ্ৰিয় কথা কৈয়ো কল্যাণকৰ উপদেশ দিয়ে।"

অশ্বত্থামাৰ কথা শুনি উঠি দুৰ্যোধনে দ্ৰোণৰ ওচৰত ক্ষমাভিক্ষা কৰিলে। কৰ্ণ, ভীষ্ম আৰু কৃপায়ো দ্ৰোণক অনুৰোধ কৰিলে, যাতে তেওঁ দুৰ্যোধনৰ ধৃষ্টতাজ দোষ নধৰি তেওঁক ক্ষমা কৰে। দ্ৰোণে

তেতিয়া ক'লে, "শান্তনুনন্দন ভীষ্মৰ কথা শুনি মই তেওঁক ইতিমধ্যে ক্ষমা কৰিছোঁৱেই। মই নিশ্চিত যে, সেই যোদ্ধাজন অৰ্জুনৰ বাহিৰে আন কোনো নহয়। ভাবিছোঁ, অজ্ঞাতবাসৰ সময় শেষ নোহোৱা হ'লে, অৰ্জুনে নিশ্চয় আমাৰ আগত গা দেখা নিদিলেহেঁতেন। দেখা দিছেহি যেতিয়া, তেওঁ বিৰাটৰ গৰু-গাইজাক উদ্ধাৰ নকৰাকৈ উভতি নেযায়। এইটো পৰিস্থিতিত আপোনাসকলে এনেদৰে সিদ্ধান্ত কৰক, যাতে দুৰ্যোধনৰ কোনো অখ্যাতি নহয় আৰু কোনো পৰাজয়ৰ গ্লানিয়েও তেওঁক স্পৰ্শ নকৰে।"

ভীষ্মই ইতিমধ্যে আঁকি উলিওৱা কাল-চক্ৰ আৰু কাষতে কৰা গণনাবোৰ দেখুৱাই ক'লে, "আচাৰ্য দ্ৰোণে নিৰ্ভুল কথাষাৰকে কৈছে। এয়া চাওক, কেৱল তেৰ বছৰ সম্পূৰ্ণ হোৱাই নহয়, পাঁচ মাহ ছদিন অতিৰিক্ত সময় উকলি যোৱাৰ পাচতহে অৰ্জুনে গা দেখা দিছেহি। পাণ্ডৱসকলৰ ধৰ্মজ্ঞান প্ৰশংসনীয়। তেওঁলোক নিৰ্লোভ। গতিকে, তেওঁলোকে কোনো অন্যায়ৰ আশ্ৰয় লৈ ৰাজ্য উদ্ধাৰ কৰাৰ কথা নেভাবে। দুৰ্যোধন, তোমাক এষাৰ কথা কৈ থওঁ—কোনো যুদ্ধতেই মই কাৰো সম্পূৰ্ণ সফলতা দেখা নাই। এটা পক্ষৰ জয়, আনটো পক্ষৰ পৰাজয় ঘটিবই। সোৱা, অৰ্জুন আহি ওলালহিয়েই। এতিয়া যুদ্ধ কৰিবা নে ধৰ্মসম্মত কাম কৰিবা, তৎক্ষণাৎ থিৰাং কৰি লোৱা।"

দুৰ্যোধনে ক'লে, "পিতামহ, পাণ্ডৱবিলাকক মই ৰাজ্য ওভোতাই নিদিওঁ। এয়া মোৰ থাতাং কথা। গতিকে, আপোনাসকলে মোৰ হৈ যুদ্ধ দিয়ক।"

ভীষ্মই তেতিয়া ক'লে, "তেনেহ'লে, মোৰ সিদ্ধান্তটো শুনা; ইচ্ছা হ'লে সেইদৰে কাম কৰিলে তুমি অন্ততঃ গ্লানিৰ হাত সাৰিব পাৰিবা। তুমি তোমাৰ সৈন্যবোৰক চাৰি ভাগ কৰি লোৱা। তাৰে এভাগৰ সৈতে তুমি নিজে হস্তিনাপুৰলৈ উভতি যোৱাগৈ। এভাগে গৰু-গাইৰ জাকটো লৈ যাওক। বাকী দুভাগ লৈ আমি অৰ্জুনৰ লগত যুদ্ধ দিওঁ।"

ভীষ্মৰ কথাই বাজিল। এভাগ সৈন্যৰ লগত দুৰ্যোধন বেগাবেগিকৈ হস্তিনাপুৰ-অভিমুখী হ'ল। এভাগে গৰু-গাইজাক লৈ কিৰিলি পাৰি

যাবলৈ ধৰিলে। বাকী দুভাগক লৈ ভীষ্মই লৰালৰিকৈ বেহু সজাবলৈ ধৰিলে আৰু ক'লে, "সাগৰৰ উপকূলে যিদৰে জোৱাৰৰ ঢৌবোৰ খুন্দা খায়েই উভতি যাবলৈ বাধ্য কৰে, ময়ো সেইদৰে অৰ্জুনক ওভোতাই পঠিয়াম। আচাৰ্য, আপুনি এই বেহুৰ মাজভাগত থাকক। অশ্বত্থামাই বাওঁ ফালটো আৰু কৃপাচাৰ্যই সোঁফালটো ৰক্ষা কৰিব। সন্মুখ ভাগটো ৰক্ষা কৰিব সূতপুত্ৰ কৰ্ণই। আৰু মই সমস্ত প্ৰতিৰক্ষাৰ গুৰি ধৰিম, বেহুৰ নেজৰ ফালে থাকি।"

## ॥ কৌৰৱৰ গৌৰৱ চূৰ্ণমাৰ ॥

দ্ৰোণেই আঙুলিয়াই দেখুৱালে, "সৌখন অৰ্জুনৰ ৰথ। সেয়া তাৰ পৰাই তেওঁ দেৱদত্ত শংখ বজাই শুনাব লাগিছে। লগতে তেওঁৰ পতাকা-দণ্ডৰ ওপৰত বহি অহা হনুমানৰ ঘোৰ গৰ্জন শুনিবলৈ পোৱা গৈছে। সৌৱা চোৱা, অৰ্জুনে তেওঁৰ গাণ্ডীৱ ধনুৰ গুণ কি প্ৰবল শক্তিৰে টানিব লাগিছে। আৰু এয়া দুপাট কাঁড় আহি মোৰ ভৰি দুখনৰ আগত পৰিছেহি। তেওঁ মোক সেৱা কৰিছে। আৰু এয়া দেখিলানে মোৰ দুয়োখন কাণৰ কাষেদি দুপাট কাঁড় পাৰ হৈ গ'ল। তেওঁ মোক মোৰ কুশল-বাৰ্তাৰে সুধিলে।"

অৰ্জুনৰ সিয়ান চকুহালেও দেখিলে, সকলোৱেই আছে—তেওঁ বিচাৰি অহা মানুহটো মাথোন নাই। দ্ৰোণ, ভীষ্ম, কৰ্ণ—সকলোবোৰেই আছে ; নাই মাথোন দুৰ্যোধন। তেওঁ তেতিয়া উত্তৰক ক'লে, "অলপ ৰ'বা, ৰথখন সৌ পিনলৈ ঘূৰাই নিয়া। নিৰামিষ যুদ্ধত মোৰ মন নবহে। সৌপিনে ব'লা, দুৰ্যোধনক ধৰোঁগৈ। তাক জয় কৰি গৰুজাক উদ্ধাৰ কৰি উঠি বাকীবোৰৰ লগত পাচে-পৰে যুঁজিমহি।"

অৰ্জুনক আনপিনে যোৱা দেখি দ্ৰোণে ক'লে, "বুজিছোঁ, তেওঁ দুৰ্যোধনৰ বাহিৰে বাকী কাকো বিচৰা নাই। ব'লা, আমি তেওঁৰ পিচে পিচে যাওঁ।"

তাকে দেখি অৰ্জুনে কুৰু-সৈন্যদলৰ পিনে কাঁড়ৰ পাচত কাঁড় বৰষিবলৈ

ধৰিবলৈ। কাকতি-ফৰিঙৰ দৰে জাকে জাকে কাঁড় আহি আকাশ গোটেইখন ছাটি পেলালে। অৰ্জুনৰ শংখধ্বনিৰ প্ৰবল শব্দ, ৰথৰ চকৰী-বোৰৰ ঘৰ্ঘৰণি, গান্ডীৱৰ বিৰাট টংকাৰ, আৰু পতাকাদণ্ডৰ চাৰিওকাষে থকা অশৰীৰী ভূতবোৰৰ হুংকাৰ—সকলোবোৰ মিহলি হৈ গোটেইখন পৃথিৱীকে কঁপাই তুলিলে। সেই তুমুল শব্দৰ খলকনিত জাকে জাকে গৰু-গাই নেজ দাঙি দাঙি একেলগে হেম্বেলিয়াই হেম্বেলিয়াই নিজৰ চিনাকি গৰু খুটিবোৰলৈ বুলি ঢপলিয়াই উভতি আহিবলৈ লাগিল। বিনাযুদ্ধে সেই গৰু-গাইবোৰ উদ্ধাৰ কৰি উঠি অৰ্জুনে দুৰ্যোধনক ধৰিবৰ বাবে আগবাঢ়িছিল। এনেতে তেওঁ দেখিলে, সকলোবোৰ কুৰুবীৰে তেওঁক পিচফালৰ পৰা আগুৰি ধৰিছেহি। তাকে দেখি তেওঁ উত্তৰক ক'লে, "ব'লা, ৰথখন ঘূৰাই কৰ্ণ থকাৰ পিনলৈ লৈ ব'লা।"

অৰ্জুনক সেইদৰে কৰ্ণৰ পিনে চোঁচা লোৱা দেখি দুৰ্যোধনৰ ভায়েক বিকৰ্ণ আৰু কেইজনমান যোদ্ধা অৰ্জুনক আগচি ধৰিবলৈ আগবাঢ়ি আহিল। কিন্তু, অৰ্জুনৰ শৰ-প্ৰহাৰত আটাইকেয়োজনে প্ৰাণ লৈ পলাল। সুতপুত্ৰ কৰ্ণৰ ভায়েক সংগ্ৰামজিতে অৰ্জুনৰ হাতত প্ৰাণ বিসৰ্জন দিলে। কৰ্ণ নিজেও সেইদিনা অৰ্জুনৰ সমুখত বেচিপৰ ঠাৱৰিব নোৱাৰিলে; গোটেই গা তেজেৰে ৰাঙলী হৈ বেহুৰ সমুখ ভাগৰ পৰা আঁতৰি পলাল।

দেৱৰাজ ইন্দ্ৰকে প্ৰমুখ্য কৰি অনেক দেৱতা আৰু গন্ধৰ্ব-মহৰ্ষি জাক পাতি আহি আকাশ-পথত ৰৈ যুদ্ধ চাবলৈ লাগিলহি। কৰ্ণক পৰাভূত কৰি উঠি অৰ্জুনে উত্তৰক ৰথখন কৃপাচাৰ্য থকাৰ পিনলৈ নিবলৈ ক'লে। অলপ পৰ যুদ্ধ কৰাৰ পাচতে কৃপাচাৰ্যৰ ৰথৰ চাৰিওটা ঘোঁৰা অৰ্জুনৰ শৰ-প্ৰহাৰত ঠাৱৰিব নোৱাৰি জঁপিয়াই উঠিল; লগে লগে কৃপাচাৰ্য ৰথৰ পৰা বাগৰি হামখুৰি খাই পৰিল। অৰ্জুনে সিজনৰ গৌৰৱ ৰক্ষা কৰি সিমানতে এৰিছিল। কিন্তু, অলপ পৰৰ পাচতে মাটিৰ পৰা উঠি অৰ্জুনৰ গা'লৈ এপাট-এপাটকৈ দহপাট কাঁড় মাৰিলে। উপায় নেদেখি অৰ্জুনেও কৃপাচাৰ্যৰ কৱচ, ধনু, ৰথ আৰু ঘোঁৰা আটাই-খিনিৰে জইন মাৰি থ'লে। কৃপাচাৰ্যক তেতিয়া আন কিছুমান যোদ্ধাই ভাং-দোলা কৰি তাৰ পৰা আঁতৰাই নিলে।

তাৰ পাচত দ্ৰোণাচাৰ্যৰ মুখামুখি হৈ অৰ্জুনে সিজনক নমস্কাৰ কৰি লৈ ক'লে, "গুৰুদেৱ, আমি বনবাস যাপন কৰি উঠি শত্ৰুৰ ওপৰত প্ৰতিশোধ ল'বলৈ আহিছোঁ। গতিকে, আপোনাৰ আমাৰ ওপৰত খং কৰাৰ অধিকাৰ নাই। কেৱল আপুনি যদি মোক আগতে আক্ৰমণ কৰে, তেতিয়াহে মই আপোনাক প্ৰহাৰ কৰি তাৰ উত্তৰ দিম।"

দ্ৰোণে তাকেই কৰিলে। অৰ্জুনক তেওঁ বহুতো কাঁড়েৰে কাঁড়িয়াই শালিবলৈ ধৰিলে। লগে লগে অৰ্জুনেও দ্ৰোণলৈ কাঁড় মাৰিবলৈ আৰম্ভ কৰি দিলে। দুয়োৰো মাজত প্ৰবল যুদ্ধই পকা লৈ উঠিল। বাৰিষাৰ বৰষুণৰ দৰে অহা বাণৰ প্ৰহাৰত যেতিয়া দ্ৰোণ অস্থিৰ হৈ উঠিল, তেতিয়া আচাৰ্য-পুত্ৰ অশ্বত্থামাই অৰ্জুনক বাধা দিলেহি। মনে মনে তেওঁ অৰ্জুনৰ ধনুৰ্বিদ্যাৰ প্ৰশংসা কৰিলে। অৱশ্যে, তেওঁৰ পিতাক দ্ৰোণৰ প্ৰতি ক্ষমাহীন শৰ-প্ৰহাৰ দেখি খঙতো অধীৰ হৈ উঠিল। অৰ্জুনেও অশ্বত্থামাক দেখি গুৰু দ্ৰোণক এৰি সমনীয়া যোদ্ধাগৰাকীক ধৰিবলৈ এটা সুৰুঙা বিচাৰি পালে। সেই ছেগতে দ্ৰোণ তেজেৰে ৰাঙলী হৈ তাৰ পৰা আঁতৰ হ'ল।

ইকালে অলপ পৰৰ পাচতে অশ্বত্থামাৰ তুণত থকা সকলোবোৰ কাঁড় ঢুকাই শেষ হ'ল। অৰ্জুনে তেতিয়া তেওঁক তাতে এৰি থৈ কৰ্ণৰ ফালে দুনাই চোঁচা ল'লে। দুয়োজনৰ মাজত বহু পৰলৈ যুদ্ধ চলিল। অৱশেষত, অৰ্জুনৰ এপাট কাঁড়ে কৰ্ণৰ বুকুখন শালি ধৰিলে। কৰ্ণৰ সৌভাগ্য, কাঁড়ডাল বেছি দ-কৈ নোসোমাল। কৰ্ণই অসহ্য বেদনাত বুকুখন খামুচি ধৰি তাৰ পৰা ৰণথলীৰকৈ বিদায় ল'লে।

এনেতে অৰ্জুনে উত্তৰক ক'লে, "ব'লা, এইবাৰ সৌ সোণালী পতাকা উৰি থকা ৰথখনৰ ওচৰলৈ ব'লা। তাতে মোৰ পিতামহ ভীষ্মই মোলৈ বাট চাই আছে।"

উত্তৰে তেতিয়া উত্তৰ দিলে, "হে বীৰ, মই আপোনাৰ ধনু-কাঁড়ৰ কৌশল দেখি অবাক হৈছোঁ। আপোনাৰ প্ৰতিযোদ্ধাসকলো সাধাৰণ বীৰ নহয়। কিন্তু, আপুনি অদ্ভুত কৌশলেৰে তেওঁলোকক পৰাভূত কৰিছে। মোৰ এনে লাগিছে যেন আপোনাসকলৰ লগে লগে আকাশ-

পৃথিৱী গোটেইখন চাৰিওপিনে ঘূৰিবলৈ লাগিছে। তেজ, মগজু আৰু মেদৰ গোন্ধে মোৰ মূৰটো আচন্দ্ৰাই কৰি আনিছে। ভয়ত মোৰ কলিজাটো ধপ্‌ধপাই উঠিছে। মোৰ আৰু ৰথৰ বাঘজৰী ধৰি থকাৰ শক্তি নাই।"

অৰ্জুনে তেতিয়া মুখত এমোকোৰা হাঁহি লৈ ক'লে, "ভয় নকৰিবা, উত্তৰ! তুমি ধৈৰ্য ধৰা। আজিৰ যুদ্ধত তুমিও সাৰথি হিচাপে যথেষ্ট কৰ্মকৌশল দেখুৱাইছা। ভীষ্মৰ ওচৰলৈ মোক লৈ ব'লা। তোমাকো আজি মই বিচিত্ৰ অস্ত্ৰকৌশল দেখুৱাম।"

তাৰ পাচত, উত্তৰে তেওঁৰ ৰথ ভীষ্ম থকাৰ পিনলৈ চলাই নিলে। অৰ্জুন আৰু ভীষ্ম দুয়ো দুয়োৰো মুখামুখি হোৱাৰ লগে লগে দুয়োৰো মাজত ভয়ংকৰ যুদ্ধ আৰম্ভ হ'ল। পোনতে ভীষ্মই কেইবাপাটো শৰ মাৰি অৰ্জুনৰ পতাকাখনত আঁকি থোৱা হনুমানৰ ছবিখন ঘা লগাই নষ্ট কৰি পেলালে। সিখনৰ আশে-পাশে আলাসতে বহি থকা অশৰীৰী ভূতকেইটাকো শৰেৰে শালিলে। ভীষ্মই অৰ্জুনক চিনি পায়ো সেইদৰে নিৰ্দয় ব্যৱহাৰ কৰাত অৰ্জুনৰ ভীষণ খং উঠিল। অৰ্জুনেও তেতিয়া কেইবাপাটো শৰ মাৰি ভীষ্মৰ ৰথত থকা পতাকাদণ্ড ডাল ভাঙি পেলালে, মূৰৰ ওপৰত থকা ছাতিটোৰ চিন-মোকাম নোহোৱা কৰিলে, আৰু ভীষ্মৰ গা-ৰখীয়া কেইজনক পৃথিৱীৰ পৰা বিদায় দি থ'লে। তাৰ পাচত, দুয়ো দুয়োলৈকে লক্ষ্য কৰি অগ্নি-বাণ, বায়ু-বাণ, বৰুণ-বাণ ইত্যাদি বহুত প্ৰকাৰৰ বাণ এৰি বিচিত্ৰ লীলাখেলাৰ সৃষ্টি কৰিলে। সব্যসাচী অৰ্জুনে প্ৰতিটো চকুৰ পচাৰতে বিৰাট গাণ্ডীৱ ইখন হাতৰ পৰা সিখন হাতলৈ নি বিভিন্ন ধৰণৰ শৰ জুৰি ভীষ্মৰ দৰে অতিৰথী বীৰকো অস্থিৰ কৰি তুলিলে। তাৰ পাচত, অৰ্জুনে বহুবাৰ ভীষ্মৰ হাতৰ ধনু ভাঙি ভাঙি সিজনক প্ৰায় নিৰস্ত্ৰ কৰি ৰং চালে। অৱশেষত, অৰ্জুনে স্বৰ্গলোকত শিকি অহা নিয়মেৰে দিব্য-অস্ত্ৰবোৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। এবাৰ তেওঁ ভীষ্মৰ বুকুত এপাট-এপাটকৈ দহপাট শৰ বহুৱাই দিলে। চেতনা হেৰুৱাই ভীষ্ম ৰথৰ ওপৰতে বাগৰি পৰিলে। তেনে অৱস্থাত আপোন কৰ্তব্য সুঁৱৰি সাৰথিয়ে ভীষ্মৰ ৰথ যুদ্ধভূমিৰ পৰা আঁতৰাই নিলে।

ছেগ চাই দুৰ্যোধনে অৰ্জুনৰ পিনে খেদা মাৰি আহিল। লগে লগে অৰ্জুনৰ শৰ-প্ৰহাৰত দুৰ্যোধন ঠাৰিব নোৱৰা হ'ল। এনেতে দুৰ্যোধনৰ ভায়েক বিকৰ্ণ এটা হাতীৰ পিঠিত উঠি অৰ্জুনৰ পিনে ঢপলিয়াই আহিল। লগে লগে অৰ্জুনে সেই হাতীটোৰ পাচ-মুৰলৈ লক্ষ্য কৰি এপাট অতি গধুৰ কাঁড় মাৰি পঠিয়ালে। মুহূৰ্ততে হাতীটো মাটিত বাগৰি পৰিল। ইতিমধ্যে, দুৰ্যোধনে অৰ্জুনৰ কপালৰ পিনলৈ লক্ষ্য কৰি শৰ এৰিছিল। অৰ্জুনৰ কপালৰ পৰা তেজৰ সোঁতা এটা বৈ আহিল। তাৰ পাচত, অৰ্জুনে দুৰ্যোধনক শৰ-প্ৰহাৰেৰে থকা-সৰকা কৰি পেলালে। উপায় নেপাই দুৰ্যোধন তেজেৰে বাঙলী হৈ পলালে। অৰ্জুনে তেতিয়া হাঁহি হাঁহি দুৰ্যোধনক ইতিকিং কৰি ক'লে, "হেৰা দুৰ্যোধন, এয়া তুমি কি দেখুৱাব খুজিছা? তোমাৰ নিচিনা মহাবীৰেও নো যুদ্ধক্ষেত্ৰৰ পৰা যুদ্ধ এৰি পলায় নে! আজিৰ পৰা তোমাৰ দুৰ্যোধন নামটো এৰি পেলোৱা। কাৰণ, সেই নামটোৰ লগত তোমাৰ কামৰ মিল নাইকিয়া হ'ল।"

অৰ্জুনৰ মুখত উপলুঙা-মিহলি কথা শুনি দুৰ্যোধন আকৌ উভতি আহিল। বাকীসকল কুৰুবীৰ তেওঁক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিল। অৰ্জুনে তেতিয়া তেওঁৰ গাণ্ডীৱত ইন্দ্ৰৰ পৰা পোৱা সম্মোহন শৰ জুৰি ল'লে। সকলোবোৰ বীৰ ওচৰ পোৱাৰ লগে লগে তেওঁ সেই শৰ এৰিলে। তাৰ পাচত তেওঁ তেওঁৰ মহাশংখ দেৱদত্তত এটা অপূৰ্ব স্বৰ বজাবলৈ ধৰিলে। সকলোবোৰ বীৰ য'তে আছিল ত'তে শুই পৰিল। উত্তৰে দেখিলে, কাৰো সাৰস্বৰ নোহোৱা হ'ল।

অৰ্জুনে উত্তৰাৰ অনুৰোধটো মনত পেলাই উত্তৰক ক'লে, "উত্তৰ, তুমি ৰথৰ পৰা নামি যোৱাচোন। দ্ৰোণ আৰু কৃপৰ বগা চাদৰ দুখন, কৰ্ণৰ হালধীয়া চাদৰখন, অশ্বত্থামা আৰু দুৰ্যোধনৰ নীলচীয়া চাদৰ দুখন তেওঁলোকৰ গা'ৰ পৰা সোলোকাই লৈ আনাগৈচোন। উত্তৰাৰ পুতলাবোৰক পিন্ধাবলৈ হেনো লাগে। ভীষ্মৰ বাওঁফালেদি ঘূৰি যাবা। তেওঁ টোপনি যাব নেলাগে। কাৰণ, তেওঁ মোৰ সম্মোহন শৰৰ প্ৰতিৰোধক জানে।"

উত্তৰে কুৰুবীৰসকলৰ সেই বংবিৰঙৰ কাপোৰবোৰ সোলোকাই আনিলেগৈ। তাৰ পাচত, তেওঁলোক উলটি যাবলৈ ওলাল। এনেতে ভীষ্মই সাৰ পাই উঠি অৰ্জুনলৈ আকৌ কেইপাটমান শৰ এৰিলে। অৰ্জুনে তেতিয়া একেলগে দহপাট শৰ এৰি ভীষ্মৰ শৰীৰৰ একাষে বহুৱাই দিলে। ভীষ্ম আকৌ শুই পৰিল। এনেতে দুৰ্যোধনেও সাৰ পাই উঠি ভীষ্মৰ কালৈ চাই ক'লে, "পিতামহ, কি চাই আছে? অৰ্জুনক এইদৰে হাঁহিমুখে যাবলৈ নিদিব।" ভীষ্ময়ো তেতিয়া হাঁহি হাঁহি উত্তৰ দিলে, "বোলো তোমাৰ নো বুদ্ধি-বিক্ৰম ইমানপৰ ক'লৈ গৈছিল? শুনা, তুমি যেতিয়া মৰাৰ লেথীয়াকৈ ঢেলপুঙা দি শুই আছিলা, অৰ্জুনে তেতিয়া তোমালোকৰ প্ৰতি কোনো নৃশংস ব্যৱহাৰ নকৰিলে। অৰ্জুনে স্বৰ্গ-মৰ্ত্য-নৰকৰ বিনিময়তো স্বধৰ্ম ত্যাগ নকৰে। সেইবুলিয়েই তোমালোক সকলোৱেই এতিয়ালৈকে জীয়া মানুহৰ ভাত খাবলৈ বাচি আছা। গতিকে, তুমি নিজৰ দেশলৈ উভতি যোৱাগৈ, অৰ্জুনেও গৰু-গাইখিনি লৈ উভতি যাওকগৈ।" কথাষাৰ সকলোৱে ভাল বুলিলে।

অৱশেষত, কৌৰৱসকল যাবলৈ ওলোৱা দেখি অৰ্জুন শান্ত হ'ল। তেওঁ তেতিয়া পিতামহ ভীষ্ম, আচাৰ্য দ্ৰোণ আৰু কৃপাচাৰ্য প্ৰত্যেকৰে ভৰি দুখন চুই যোৱাকৈ দুপাট-দুপাট শৰ মাৰি প্ৰণাম জনালে। আচাৰ্য-পুত্ৰ অশ্বত্থামাকো যথানিয়মে সম্ভাষণ জনালে। তাৰ পাচত, এপাট শৰ মাৰি দুৰ্যোধনৰ মূৰত থকা মুকুটটো ছিৰাছিৰ কৰি পেলালে। এইদৰেই কৌৰৱৰ গৌৰৱ চুৰমাৰ কৰি উঠি অৰ্জুনে উত্তৰক ক'লে, "ব'লা, এতিয়া আমি উভতি যাওঁগৈ। তোমাৰ সকলোবোৰ গৰু-গাই উদ্ধাৰ হ'ল।"

ইমানপৰে যিবোৰ সাধাৰণ কৌৰৱ সেনা গছ-বনৰ আঁৰ লৈ লুকাই আছিল, সকলোবোৰে মুকলিলৈ ওলাই আহি অৰ্জুনক প্ৰণাম কৰি ক'লে, "হে মহাভাগ, এতিয়া আমাক আপুনি কি আদেশ দিয়ে—কওক।" অৰ্জুনে তেওঁলোকক ক'লে, "তোমালোক উভতি যোৱাগৈ। তোমালোকৰ কোনো ভয় নাই।" লগে লগে তেওঁলোকে অৰ্জুনৰ গুৰুত্ত আকৌ এবাৰ মূৰ দোঁৱালে।

উত্তৰে ৰথখন ওভোতাই লোৱাৰ পাচতে অৰ্জুনে তেওঁক ক'লে, "বোপা উত্তৰ, ৰাজধানীলৈ উভতি গৈয়েই তুমি তোমাৰ পিতাৰাক আমাৰ চিনাকিবোৰ নিদিবাগৈ। নহ'লে, তোমাৰ পিতাৰাই হঠাৎ প্ৰাণ হেৰুওৱাৰ সম্ভাৱনা। তুমি বৰং ক'বাগৈ, তুমি নিজেই কৌৰৱবিলাকক পৰাভূত কৰি গোটেইখিনি গো-সম্পদ উদ্ধাৰ কৰিছা।"

উত্তৰে উত্তৰ দিলে, "হে মহাবীৰ, যি কাম কেৱল আপোনাৰ পক্ষেহে সাধন কৰাটো সম্ভৱ, সেয়া মই নিঃকিনে কেনেকৈ কৰিব পাৰোঁ! তথাপি, আপোনাৰ পৰা আদেশ নোপোৱালৈকে পিতাৰ পৰা আচল ঘটনাটো গোপন কৰি থ'ম।"

ৰাজধানীৰ ওচৰৰ মৰিশালিখন পায়েই সমিধ গছজোপাৰ তলত তেওঁলোক থমকি ৰ'লহি। অৰ্জুনে তেওঁৰ ধনু-কাঁড়বোৰ সামৰি-সুতৰি টোপোলা বান্ধি আকৌ আগৰ ঠাইত তুলি থ'লে। নিজৰ পতাকাখনৰ সলনি উত্তৰৰ সিংহৰ ছবি থকা পতাকাখন ৰথৰ ওপৰত থকা পতাকাদণ্ডত আঁৰি দিলেহি। লগে লগে অশৰীৰী ভূতকেইজনো অদৃশ্য হৈ পৰিল।

অৰ্জুনে তেতিয়া উত্তৰক ক'লে, "ইয়াতে অলপ সময় বৈ আমি ৰথৰ ঘোঁৰাকেইটাক দলাইমলাই কৰি ভালকৈ ধুৱাই-পখলাই লওঁ। আবেলিহে নগৰত সোমামগৈ। ইতিমধ্যে, বাতৰিটো তোমাৰ গৰুখুটিৰ কাৰোবাৰ হতুৱাই দিওৱা—তুমি যে গৰু-গাই গোটেইখিনি উদ্ধাৰ কৰি আনিছা!"

আবেলিলৈ অৰ্জুন আকৌ বৃহন্নলা হৈ পৰিল। উত্তৰক ৰথৰ ৰথী সজাই বৃহন্নলাই সাৰথিৰ ভূমিকা লৈ নগৰৰ অভিমুখে ৰথ মেলি দিলে।

## ॥ যুধিষ্ঠিৰৰ নাকৰ তেজ ॥

সুশৰ্মা আৰু ত্ৰিগৰ্ত দেশৰ সৈন্যবোৰক এশিকনি দি উঠি বিৰাট ৰজা আৰু বাকী চাৰিজন পাণ্ডৱ ইতিমধ্যে ৰাজধানীলৈ উভতি আহিছিল। আহি পায়েই বিৰাটে যেতিয়া শুনিলে, দক্ষিণ ফালৰ গৰুখুটিটোও কৌৰৱসকলে আক্ৰমণ কৰিলত ৰাজকোঁৱৰ উত্তৰে লগত মাথোন নপুংসক বৃহন্নলাক সাৰথি হিচাপে লৈ শত্ৰুৰ মুখামুখি হৈছেগৈ, তেতিয়া তেওঁ

চিন্তাত ছটফটাবলৈ ধৰিলে। নিজকে নিজেই কোৱাৰ দৰে তেওঁ কৈ উঠিল, "মাথোন এটাই আশা আছে, যদি কেনেবাকৈ তেওঁলোক আগে-ভাগে উভতি গৈছেগৈ। ত্ৰিগৰ্তীয়বিলাকৰ পৰাজয়-বাত্তৰি শুনি হয়তো উভতি যাবগৈয়ো পাৰে। কিন্তু যদি উভতি যোৱা নাই— ।" তাৰ পাচত তেওঁ তেওঁৰ সৈন্যবিলাকলৈ চাই ক'লে, "তোমালোক তৎক্ষণাৎ দক্ষিণ সীমান্তৰ পিনে যোৱা। গৈয়েই মোলৈ বতৰাটো পঠিয়াই দিয়াগৈ—কোঁৱৰ জীয়াই আছে নে নাই! নক'লেও হ'ব, নপুংসক যাৰ সাৰথি তাৰ জীয়াই থকাৰ আশা কিমানকণ!"

যুধিষ্ঠিৰে হাঁহি এটা মাৰি বিৰাট ৰজাক সান্ত্বনা দি ক'লে, "মহাৰাজ, আপুনি নিশ্চিন্ত হৈ থাকক। বৃহন্নলা যাৰ সাৰথি, সিজনৰ মৃত্যু অসম্ভৱ। সিজনে নিপুণ সাৰথিৰ সহযোগত কৌৰৱবিলাকহে নেলাগে, যি কোনো দেৱতা-দানৱকো হেলাৰঙে জয় কৰিব পাৰে। চাই থাকক, আপোনাৰ শত্ৰুবোৰে আপোনাৰ গো-সম্পদৰ কোনো ক্ষতি কৰিব নোৱাৰে।"

ঠিক সেই মুহূৰ্ত্ততে উত্তৰে অৰ্জুনৰ কথামতে পঠিওৱা গুৱাল কেইজনমানে বাত্তৰিটো দিলেহি—উত্তৰে কৌৰৱসকলক পৰাভূত কৰি গৰু-গাইবোৰ উদ্ধাৰ কৰি আনিছে। বিৰাটৰ হৃদয় আনন্দত নাচি উঠিল। তেওঁ মন্ত্ৰীসকলক মাতি আনি আদেশ দিলে: হাতীৰ পিঠিত উঠি কাঁহ-পিতলৰ ঘণ্টা বজাই ঘোষকৰ দলে চাৰিওপিনে উত্তৰৰ বিজয়-কাহিনী ঘোষণা কৰি দিয়ক, ৰাজধানীৰ ৰাজআলি পতাকা উৰুৱাই ৰমণীয়-শোভনীয় কৰি তোলক, আৰু সকলোবোৰ বিষয়া-নাগৰিকে উত্তৰক সুৱাগুৰি তুলি আনক। বৃহন্নলাকো সেইদৰে ৰাজকুঁৱৰী উত্তৰাই নিজে কাৰেঙৰ কুঁৱৰী-লিগিৰী সকলোকে লগত লৈ উৰুলি দি অগ্ৰেষপুৰলৈ আগবঢ়াই নিয়ক।

মন্ত্ৰীসকলক সেইদৰে কৈ উঠি, বিৰাটে সৈৰিন্ধ্ৰীক দেখি ক'লে, "সৈৰিন্ধ্ৰী, যোৱাচোন পাশাখেলৰ সৰঞ্জামবোৰ লৈ আনাগৈ—কংক আৰু মই কেইবাজিমান খেলি এই আনন্দৰ দিনটো পালন কৰোঁ।"

যুধিষ্ঠিৰে মাত দিলে, "মহাৰাজ, শুনিছোঁ—হৃষ্ট আৰু ধূৰ্ত্তৰ লগত

হেনো পাশা খেলিব নেপায়। তেনে খেলা হেনো অতি নিন্দনীয়। এই মুহূৰ্ত্তত আনন্দে হিয়া নধৰা হৈ আপুনি পৰম হৃষ্ট হৈ আছে। গতিকে, আপোনাৰ লগত এতিয়া মই পাশা খেলিব খোজা নাই। আন যি কোনো ৰং-ধেমালিৰ কথা কওক, মই তাত কোনো কুণ্ঠা নেদেখুৱাকৈ যোগ দিম।"

বিৰাটে তেতিয়া হুমুনিয়াহ এটা কাঢ়ি ক'লে, "যদি পাশা খেলিবলৈকে নহ'ল, তেনেহ'লে নো অন্তবোৰ নাৰী, গৰু-গাই, সোণ-ৰূপ ৰক্ষা কৰাৰ প্ৰয়োজন কি? পাশাখেলত মোৰ সৰ্বস্ব উজাৰ কৰি দিও অকণো দুখ নালাগে। গতিকে, কংক! তুমি এইবোৰ টাং-বাং কথা নুলিয়াবা। দুবাজিমান খেলো আহা।"

যুধিষ্ঠিৰে আকৌ ক'লে, "মহাৰাজ, অনেক দোষ থকা এই খেলাখন খেলি আপোনাৰ কি উপকাৰ হ'ব? বৰং বস্তুটো একেবাৰে এৰাই ভাল। আপুনি নিশ্চয় মুশুনাকৈ থকা নাই, পাণ্ডুনন্দন ধৰ্মৰাজ যুধিষ্ঠিৰে এই খেলত মন বহুৱায়েই নিজৰ ৰাজ্য আৰু দেৱতাতুল্য চাৰিজন ভায়েকক হেৰুৱাই দেউলীয়া হৈ পৰিল। সেই কাৰণেই, এই খেলাখনৰ প্ৰতি মোৰ বৰ বেচি অনুৰাগ নাই। অৱশ্যে, আপোনাৰ মনোৰঞ্জনৰ কাৰণে হয়তো মই খেলিবলগীয়াত পৰিব পাৰোঁ।"

শেষত সেইটোৱেই হ'লগৈ। কাৰেঙৰ মজিয়াত ঢালখন মেলি লৈ বিৰাটে পাশাত তিনিডাল সোঁ হাতৰ মুঠিত ঘঁহি ঘঁহিয়েই ক'লে, "চোৱাচোন কংক, কম কথা হ'ল নে এয়া—মোৰ ল'ৰাই মহাবীৰ কৌৰৱবিলাকক হাঁহি হাঁহি যুদ্ধত ঘটুৱাই দিলে!"

যুধিষ্ঠিৰে অতি নিৰ্লিপ্তভাৱে কথাবাৰৰ সঁহাৰি জনালে, "মহাৰাজ, বৃহন্নলা যাৰ সাৰথি, সিজন যে জিকিবই—তাত কি সন্দেহ থাকিব পাৰে!"

বিৰাট সেই কথা শুনিবলৈ মুঠেই সাজু নাছিল। তেওঁ যথেষ্ট অসন্তুষ্ট হ'ল। সেইবাবে ক'লে, "কংক, তুমি এইবোৰ কি কৈছা? মোৰ ল'ৰা উত্তৰক তুমি ইমান নিশকতীয়া বুলি ভাবিলা নে—তেওঁ ভীষ্ম, দ্ৰোণ, কৰ্ণ ইত্যাদিক কোনোপধ্যেই যুদ্ধত ঘটুৱাব নোৱাৰে?

আৰু তুমি বাৰে বাৰে উত্তৰক নেওচা দি নপুংসক সাৰথিৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰাৰ মানেটো কি? দেখিছোঁ, তোমাৰ ক'বলগীয়া-নক'বলগীয়াৰ জ্ঞান হেৰাই গৈছে। তোমাক সাৱধান কৰি দিলোঁ, তুমি আৰু দোৱাবাৰ এটা নপুংসকক মোৰ ল'ৰাতকৈ ডাঙৰ বীৰ কৰি নেদেখুৱাবা।”

যুধিষ্ঠিৰে তেতিয়া ব্যাখ্যা কৰি ক'লে, “মহাৰাজ, আচাৰ্য দ্ৰোণ, কুৰুবৃদ্ধ ভীষ্ম, মহাবীৰ কৰ্ণ, কৃপ আৰু দুৰ্যোধন—এইসকলৰ দ্বাৰা পৰিবেষ্টিত হৈ স্বয়ং দেৱৰাজ ইন্দ্ৰও যদি যুদ্ধক্ষেত্ৰত দেখা দিয়েহি, তথাপি তেওঁ বৃহন্নলাৰ সমুখত ঠাৱৰিব নোৱাৰিব। তেওঁৰ লেখীয়া বীৰ আৰু কোনো এই পৃথিৱীত দ্বিতীয় এজন নাই আৰু কোনোকালে নোপজেও বুলি জানি ৰাখক। যুদ্ধ বুলি ক'লেই তেওঁৰ দেহত তেজৰ সোঁত খৰকৈ ব'বলৈ লয়। তেনেকুৱা এজন অতিৰথী বীৰ আপোনাৰ পুত্ৰৰ সহযোগী হৈ যুদ্ধলৈ যোৱা মানেই কপালত বিজয়-তিলক পিন্ধি ঘূৰিলৈ ওলোৱা।”

এইবাৰ বিৰাটৰ খঙে মূৰৰ চুলি পালেগৈ। তেওঁ গৰ্জিৰ উঠিল, “নীচ ব্ৰাহ্মণ, তুমি তোমাৰ উদ্ধতালিৰ সীমা চেৰাই গ'লা। দেখিছোঁ, তোমাক অলপ শাসন কৰা প্ৰয়োজন।” এইবুলি কৈ বিৰাটে যুধিষ্ঠিৰৰ মুখলৈ হাতীদাঁতৰ পাশাতি তিনিডাল মাৰি পঠিয়ালে। তাৰে এডাল যুধিষ্ঠিৰৰ নাকত লাগিলগৈ। লগে লগে যুধিষ্ঠিৰৰ নাকৰ পৰা হোলোকা-হোলোকে তেজৰ ধাৰ বৈ আহিল। যুধিষ্ঠিৰে লৰালৰিকৈ হাত দুখনেৰে আঁজলি পাতি তেজৰ টোপালবোৰ মাটিত পৰিবলৈ নিদিয়াকৈ ৰাখিবলৈ ল'লে। ওচৰতে বৈ থকা সৈৰিন্ধ্ৰীবেশিনী দ্ৰৌপদীক তেওঁ চকুৰ ঠাৰেৰে কিবা এষাৰ ক'লে। তেওঁ লৰালৰিকৈ এচৰিয়া পানীৰে সৈতে এটা সোণৰ চৰিয়া আনি যুধিষ্ঠিৰৰ সমুখত থৰিলেহি।

ঠিক সেই সময়তে উত্তৰ আৰু বৃহন্নলা কাষেওত সোমালহি। দুৱাৰ ৰখীয়াই বাতৰিটো দিলেহি। বিৰাটে দুয়োকো তালৈকে আগবঢ়াই আনিবলৈ আদেশ দিলে। যুধিষ্ঠিৰে লৰালৰিকৈ দুৱাৰৰখীয়াক ওচৰলৈ মাতি আনি কাণে কাণে ক'লে, “বৃহন্নলাক পাচত আহিবলৈ ক'বা।

কৌৰৱৰ সৈতে সমানে সমানে আহিব নেপায়।” আচলতে যুধিষ্ঠিৰৰ মনত পৰিছিল কোন-কাহানিবাই অৰ্জুনে প্ৰতিজ্ঞা কৰি থোৱা এষাৰ কথা : যুদ্ধৰ বাহিৰে অন্য ক'ৰবাত যদি কোনোবাই যুধিষ্ঠিৰৰ ৰক্তপাত ঘটাই মাটিত এটোপাল হ'লেও তেজ পেলাবলৈ সাহস কৰে, তেনেহ'লে তেওঁ সেই পাপীক জীৱিত হৈ থাকিবলৈ নিদিয়ে।

দুৱাৰৰথীয়াই উত্তৰক আগবঢ়াই আনিলে। পোনচাটেই উত্তৰৰ চকুত পৰিল, যুধিষ্ঠিৰৰ নাকেদি তেজ বৈছে আৰু দ্ৰৌপদীয়ে এটা সোণৰ চৰিয়া পাতি সেই তেজখিনি ধৰি আছে। উত্তৰে ৰজা বিৰাটক থাউকতে প্ৰণাম কৰি লৈ উধাতু খাই সুধিলে, “মহাৰাজ, কোন দুৰাত্মাই এই পাপ-কামটো কৰিলে?” বিৰাটে উত্তৰ দিলে, “ময়েই এই নীচ ব্ৰাহ্মণক এশিকনি দিছোঁ। আচলতে এই ব্ৰাহ্মণ আৰু গুৰুতৰ শাস্তিৰ যোগ্য। তেওঁ এই যুদ্ধজয়ৰ বাবে তোমাৰ প্ৰশংসা কৰিব ক'ত, এটা নপুংসকৰ গুণ বখানিয়েই শেষ কৰিব পৰা নাই!”

উত্তৰে তেতিয়া আৰু বেছি উধাতু খাই ক'লে, “মহাৰাজ, আপুনি বৰ বিষম অন্যায় কৰিছে। আপুনি এখেতক অলপো পলম নকৰাকৈ সকলো প্ৰকাৰে প্ৰসন্ন কৰক। সেয়ে নহ'লে, এই ব্ৰাহ্মণৰ অভিশাপত আপুনি সবংশে নাশ পাব, গোটেই ৰাজ্য পুৰি ছাৰখাৰ হ'ব।” বিৰাটে তেতিয়া যুধিষ্ঠিৰৰ দুয়োহাত মুঠি মাৰি ধৰি ক্ষমা খুজিলে। যুধিষ্ঠিৰে ক'লে, “মহাৰাজ, আপুনি চিন্তা নকৰিব। মই আপুনি নো-খোজোঁতেই ক্ষমা কৰিছোঁ। তাকে নোহোৱা হ'লে, মোৰ নাকৰ তেজ মাটিত পৰিবলৈ নিদিয়াকৈ নেথাকিলোহেঁতেন আৰু আপোনাৰ ৰাজ্যৰে সৈতে আপুনিও বিনাশ নোপোৱাকৈ নেথাকিলহেঁতেন!”

যুধিষ্ঠিৰৰ নাকৰ পৰা তেজ ওলোৱা থমকিলত অৰ্জুনকো ভিতৰলৈ সোমাই আহিবলৈ অনুমতি দিয়া হ'ল। আহিয়েই তেওঁ পোনতে বিৰাট ৰজাক আৰু তাৰ পাচত যুধিষ্ঠিৰক প্ৰণাম কৰিলে। বিৰাটে অৰ্জুনৰ সমুখতে উত্তৰক বৰ আখেবেথে সুধিবলৈ ধৰিলে, “বোপা উত্তৰ, তুমি দেখিছোঁ সকলোকে চমক খুৱাই দিলা। মহাবীৰ কৰ্ণ, মহাকাল-তুল্য ভীষ্ম, অস্ত্ৰগুৰু দ্ৰোণাচাৰ্য, মহাৰথী অশ্বত্থামা আৰু কৃপাচাৰ্য,

আৰু মহাবাহু দুৰ্যোধন —এনেবোৰ বীৰৰ লগত তুমি বাৰু কিদৰে যুদ্ধ কৰি উভতি আহিলা ? ইসকলৰ হাতৰ পৰা তুমি যিদৰে গোটেইখিনি গো-সম্পদ কাঢ়ি আনিলা, মোৰ ক'বৰ মন গৈছে তুমি যেন সিংহৰ মুখৰ আগৰ পৰা মঙহৰ ভাৰহে কাঢ়ি আনিলা। কোৱাচোন, তোমাৰ এই অক্ষয় কীৰ্তিৰ কথা শুনিবৰ মন গৈছে।"

উত্তৰে উত্তৰ দিলে, "মই আপোনাৰ গো-সম্পদ উদ্ধাৰ কৰা নাই। মই সেইসকল বীৰৰ লগত যুদ্ধ কৰি জয়লাভো কৰা নাই। মই বৰং ভয় খাই পলাবলৈ লৈছিলোঁ। এনেতে এগৰাকী দেৱপুত্ৰই মোক লগ দিলেহি। সিজনেই মোৰ ৰথৰ ৰথী হৈ কুৰুবীৰসকলক অপূৰ্ব বিক্ৰমেৰে পৰাস্ত কৰি সকলোবোৰ গো-সম্পদ উদ্ধাৰ কৰিলে। সিগৰাকীয়ে কৌৰৱসকলক হুঁহিয়াতৰ পাত্ৰ কৰিবলৈকে মহামূল্য কাপোৰ-কানি কিছুমান সোলোকাই আমাৰ হাতত দি পঠিয়াইছে—উত্তৰাৰ পুতলাবোৰ সজাবলৈ।"

বিৰাটে তেতিয়া আগতকৈ অলপ কুহুমীয়া মাতেৰে সুধিলে, "সেই দেৱপুত্ৰগৰাকী এতিয়া ক'ত আছে ?"

উত্তৰে আচল কথাষাৰ ঢাকি ক'লে, "তেখেতে দেখা দিবহি—হয়তো কাইলৈ, নহ'লেবা পৰহিলৈ।"

## ॥ অজ্ঞাতবাসৰ যৱনিকা পতন ॥

তাৰ পাচত, তিনি দিন পাৰ হ'ল। সেইদিনা পঞ্চ পাণ্ডৱ আৰু দ্ৰৌপদীয়ে গা-পা ধুই উঠি শুধ বগা কাপোৰৰ সাজ আৰু ৰাজসভাৰ উপযোগী অঙ্গ-অলংকাৰ পিন্ধি বিৰাটৰ ৰাজসভাত সোমালগৈ। যুধিষ্ঠিৰ আৰু দ্ৰৌপদীক বিৰাট আৰু সুদেষ্ণাৰ সিংহাসনত বহুৱাই বাকী চাৰিজন পাণ্ডৱ সভাসদ হৈ বহি ৰ'ল। যথাসময়ত বিৰাট ৰজা ৰাজসভালৈ আহি অবাক হ'ল ; লগে লগে খঙতো অধীৰ হ'ল। তেওঁ যথেষ্ট খংমুৱাকৈয়ে যুধিষ্ঠিৰক সুধিলে, "কংক, এইবোৰ কি দেখিছোঁ। তোমাক মই মৰম কৰি মোৰ সভাসদ পাতিলোঁ। আৰু তুমি জাঁপ মাৰি মোৰ সিংহাসন-

খনতে বহিলাহি। এবাৰো ভাবি নেচালা, তুমি এইখনত বহিবৰ যোগ্য হোৱা নে নোহোৱা।"

অৰ্জুনে হাঁহি এটা মাৰি উত্তৰ দিলে, "মহাৰাজ, এখেত এইখন সিংহাসনতহে নেলাগে, দেৱৰাজ ইন্দ্ৰৰ সিংহাসনতো বহিবৰ যোগ্য। এখেত মূৰ্তিমান ধৰ্ম, তিনিও লোকতে বিখ্যাত ৰাজৰ্ষি, পৰম সত্যবাদী আৰু ন্যায়নিষ্ঠ চক্ৰৱৰ্তী সম্ৰাট। যেতিয়া এখেত কুৰুদেশত আছিল, তেতিয়া এখেতৰ ভ্ৰমণকালত দহ হেজাৰ হাতী আৰু বিছ হেজাৰ ৰথে শোভাযাত্ৰা কৰি পাচ লৈছিল। এখেতৰ ঐশ্বৰ্য আৰু প্ৰতাপ দেখি দুৰ্যোধন, কৰ্ণ আৰু শকুনিৰ চকুত টোপনি নহৈছিল। মহাৰাজ, আপুনিয়েই কওকচোন—পুৰুষশ্ৰেষ্ঠ যুধিষ্ঠিৰ আপোনাৰ সিংহাসনত বহিবৰ যোগ্য হয় নে নহয়?"

বিৰাটে তেতিয়া অলপ তভক মাৰি বৈ ক'লে, "এখেতেই যদি ধৰ্মৰাজ যুধিষ্ঠিৰ, তেনেহ'লে এখেতৰ ভায়েক চাৰিজন ক'ত? যশস্বিনী দ্ৰৌপদীয়েই বা কোন? সেই সৰ্বনাশীয়া পাশাখেলখনৰ পাচৰ পৰা পাণ্ডৱসকলৰ কাৰোৱেই কোনো বাতৰি নেপাওঁ।"

অৰ্জুনে উত্তৰ দিলে, "মহাৰাজ, সন্তানে যিদৰে মাতৃগৰ্ভত কোনেও দেখা নোপোৱাকৈ বাস কৰে, আমিও সেইদৰে অজ্ঞাতবাসৰ কালছোৱা আপোনাৰ কাৰেঙতে আপোনাৰ আশ্ৰয়তে পৰম সুখেৰে বাস কৰিলোঁ।" এইবুলি কৈ তেওঁ প্ৰত্যেকৰে আচল চিনাকিটো উদঙাই ধৰিলে।

উত্তৰেও প্ৰত্যেকজনৰ ওচৰলৈ গৈ ৰজা বিৰাটক চিনাকিবোৰ এইদৰে দিলে, "মহাৰাজ, এই গৰাকী তামবৰণীয়া চকু আৰু জোঙা নাকটোৰে সৈতে বিশাল দেহৰ পুৰুষগৰাকীক যে দেখা পাইছে, এইজনেই ধৰ্মৰাজ যুধিষ্ঠিৰ। এইগৰাকী তপত সোণবৰণীয়া ছালেৰে বিশাল কান্ধ আৰু বাহুৰে সৈতে পুৰুষগৰাকীক যে দেখা পাইছে, এইজনেই মহাবাহু ভীমসেন। এইগৰাকী বৈ পৰা চকুৰ পাহিৰে সৈতে শাহী ক'কালৰ পুৰুষগৰাকীক যে দেখা পাইছে, এইজনেই মহা ধনুৰ্ধৰ অৰ্জুন। আৰু এয়া বিষ্ণু আৰু ইন্দ্ৰৰ লেখীয়া পৰম ৰূপবান আৰু বিনয়ী পুৰুষ দুগৰাকীয়েই হ'ল নকুল আৰু সহদেৱ। আৰু এইগৰাকী

নীলচীয়া পদ্মৰ দেখীয়া দেহৰ বৰণেৰে পৰম ৰূপৱতীয়েই মহালক্ষ্মী যাজ্ঞসেনী।"

বিৰাট তেতিয়া আনন্দত অধীৰ হৈ উঠিল। মুখেৰে মাথোন ইমানকে ক'ব পাৰিলে, "মই এতিয়া মহাৰাজ যুধিষ্ঠিৰক কিহেৰে সন্তুষ্ট কৰোঁ! হে ধৰ্মাত্মা ৰাজৰ্ষি, নেজানি মই আপোনাৰ ওচৰত কত যে দোষ লগাইছোঁ! সকলোবোৰ দোষ আপুনি নিজ গুণে মৰিষণ কৰক। মোৰ এই ৰাজ্য আৰু যতমানে মোৰ বুলিব পৰা কিবাকিবি আছে, সেই সকলোবোৰৰে গৰাকী আপুনিয়েই। আপোনাৰ ভায়েক অৰ্জুনৰ বাবেই উত্তৰৰ প্ৰাণৰক্ষা পৰিছে। মই মোৰ কন্যা উত্তৰাক অৰ্জুনৰ হাততে সঁপিব খুজিছোঁ। আপুনি মাথোন সেই শুভ-কামৰ বাবে অনুমতি দিয়ক।"

যুধিষ্ঠিৰে তেতিয়া অৰ্জুনৰ মুখলৈ চালে। অৰ্জুনে তেতিয়া ক'লে, "মহাৰাজ, মই আপোনাৰ কন্যা উত্তৰাক মোৰ পুত্ৰবধূ হিচাপে গ্ৰহণ কৰিছোঁ।"

বিৰাটে আকৌ ক'লে, "হে সব্যসাচী, মই মোৰ কন্যাক তোমাৰ ভাৰ্যা হিচাপেই দান কৰিছোঁ। তুমি কুণ্ঠিত হ'ব নালাগে।"

অৰ্জুনে তেতিয়া ক'লে, "চাওক, মহাৰাজ! আপোনাৰ কন্যা উত্তৰাক মই সদায় দেখিছোঁ, সদায় নাচ-গান শিকাইছোঁ আৰু নিজৰ ছোৱালীৰ দৰেই মৰম কৰি আহিছোঁ। তায়ো মোক তাইৰ আচাৰ্যৰ আসনত বহুৱায়েই শ্ৰদ্ধা-সম্মান কৰি আহিছে। তদুপৰি মই যোৱা এবছৰ ধৰি আনকি একেটা কোঠাত পিতা আৰু কন্যাৰ সম্পৰ্ক ৰাখিয়েই বাস কৰিছোঁ। এতিয়া যদি মই আপোনাৰ কন্যাক অন্য এটা সম্পৰ্কৰে গ্ৰহণ কৰিবলৈ যাওঁ, তেনেহ'লে লোকে মোকো সন্দেহৰ চকুৰে চাব, তাইৰো অপযশ গাব। মই সেইটো বস্তুকেই আটাইতকৈ বেছি ভয় কৰোঁ। কিন্তু, মই যদি উত্তৰাক মোৰ পুত্ৰ অভিমন্যুলৈ বিয়া কৰাই আনো, সেইবোৰ ভয়ৰ কোনো কাৰণ নেথাকিব। কাৰণ, পুত্ৰ বা ভাতৃৰ লগত একেটা কোঠাতে বাস কৰাত যেনেকৈ কোনো দোষ নাই, পুত্ৰবধূ বা কন্যাৰ লগতো একেটা কোঠাত বাস কৰিলে তেনেকৈ কোনো অপবিত্ৰতাৰ

ছাঁ নপৰে। মহাৰাজ, আপুনি কোনো চিন্তা নকৰিব। মোৰ পুত্ৰ অভিমন্যু ৰীতিমতে মহাবীৰ, কৃষ্ণৰ আপোন ভাগিনীয়েক, দেৱকুমাৰৰ দৰে পৰম ৰূপবান, আৰু এই কোমল বয়সতে অস্ত্ৰবিশাৰদ। মুঠৰ ওপৰত, তেওঁ আপোনাৰ অতি উপযুক্ত জোঁৱাই হ'ব।"

অৱশেষত, সেইটোৱেই থিৰাং হ'ল। আৰু থিৰাং হ'ল, সেই শুভকৰ্ম বিৰাটৰ ৰাজ্যৰ ভিতৰুৱা উপপ্লব্য নগৰত পতা হ'ব।

সময়ৰ মূৰকত দ্বাৰকাৰ পৰা কৃষ্ণ-বলোৰামে কৃতবৰ্মা আৰু সাত্যকি এইসকলৰ লগতে অভিমন্যুকো লৈ উপপ্লব্য নগৰ পালেহি। সেই দ্বাৰকাৰ পৰাই যুধিষ্ঠিৰৰ ৰথৰ সাৰথি ইন্দ্ৰসেন প্ৰভৃতিও ৰথ আৰু ঘোঁৰাবোৰ লৈ ওলালহি। ইফালে পাঞ্চাল ৰাজ্যৰ পৰাও ৰজা দ্ৰুপদ, দ্ৰৌপদীৰ পঞ্চ পুত্ৰ, শিখণ্ডী আৰু ধৃষ্টদ্যুম্নও ওলালহি। বিবাহ অতি সুকলমে আৰু বিপুল ধুমধামেৰে সম্পাদিত হ'ল। সকলোৱে হেপাহ পলুৱাই ভোজ-ভাত খালে। যাদৱসকল আৰু বহুতেই নানা ধৰণৰ মদিৰাও প্ৰচুৰ পৰিমাণে খালে।

কৃষ্ণক সাক্ষাৎ সাক্ষী ৰাখিয়েই অভিমন্যু-উত্তৰাৰ বিবাহ সম্পন্ন কৰা হ'ল। বিৰাটে অভিমন্যুক সাত হেজাৰ ঘোঁৰা, দুশ'টা দ'তাল হাতী আৰু অলেখ মণি-মুকুতা যৌতুক হিচাপে দিলে। কৃষ্ণয়ো ভাগিনীয়েকক অনেক গৰু-গাই, ধন-বস্ত্ৰ আৰু যান-বাহন উপহাৰ স্বৰূপে দিলে। যুধিষ্ঠিৰে সেইবোৰকে ব্ৰাহ্মণসকলক দান-দক্ষিণাস্বৰূপে বিলাই দিয়ালে।

এনেকৈয়ে শুভ-বিবাহৰ শুভ-সমাৰোহত পাণ্ডৱসকলৰ সকলো মনোকষ্টৰ ওৰ পৰিল।